কংগ্রেছৰ কাঁচিয়লি ৰাদত

শ্ৰীবেণুধৰ শৰ্ম্মা





KANGRECAR KANCIALI RODAT

(At the sunny dawn of Congress)

By

BENUDHAR SHARMA

Suwagpur

Gauhati-8

Second edition

1971

Publishers

ASAM JYOTI

Suwagpur

Gauhati-8.

Price Rs 20·00

Printed by

A. K. CHATTERJEE

Jnanodaya Press

17, Hayat Khan Lane,

Calcutta-9

1971

প্রকাশক :

অসম জ্যোতি

সুৱাগপুৰ

গুৱাহাটী ৮

মূল্য : ২০৲ টকা

মুদ্রাকৰ :

অৰুণকুমাৰ চট্টোপাধ্যায়

জ্ঞানোদয় প্রেছ

১৭, হায়াৎ খান লেন,

কলিকতা-৯

১৮৯৩ শক।

১৯২১ চনতে, অসমত ভাৰতৰ জাতীয় কংগ্ৰেছৰ কাঁচিয়লি ৰ'দৰ পোহৰ পৰেহি। সেই ৰ'দৰ অসহযোগৰ চেৰেঙা পাই টেপাখাইথকা গাঁৱলীয়া মানুহৰ মন পদুম পাহিৰ দৰে আপোনা-আপুনি মেল খাই আহিল। লগে-লগে নতুন ভাব, নতুন আদৰ্শৰ ফুৰণ হল। এই ফুৰণৰ যা যতাহত উৰি ফুৰোঁতেই ওচৰতে-চাৰ-পৰা চকুৰে যি দেখিলোঁ, দীঘলাই বেঙা-মেলিৰ-নোৱৰা মনেৰে ৰিমালৈকে ঢুকি পালোঁ আৰু কুমলিযোৱা অন্তৰেৰে সৰল চহাৰ যিখিনি মৰম-চেনেহ অনুভৱ কৰিলোঁ, তাকেই যোগে-পোৱালে গঁথা দি "কংগ্ৰেছৰ কাঁচিয়লি ৰ'দতঁত গাঁথি সুমাই থলোঁ।

পুথি এখন লেখিলেই সি কাব্য, কবিতা, নাট, উপন্যাস, সাধু, বুৰঞ্জী, বচনা—এইবিলাকৰ কিবা-এটা-নহয় কিবা-এটা শ্ৰেণীত পৰিবই লাগিব। নহলে, সি হেনো "সাহিত্যিক কমাৰশালৰ" (লিটাৰেৰী ষ্টৰ্কষপ) চাৰি চাপৰ ভিতৰতে নপৰে। সঁচা কথা, "কাঁচিয়লি বদত" খন সেইবিলাক নিৰ্ব্বন্ধৰ এটাৰ ভিতৰতো নপৰে।

কিয় নো, ই কাব্য নহয়—উই-হাঁকলুটোকে পৰ্যন্ত কবি শুৱলা বৰ্ণনা দিবলৈ; কবিতা নহয়—স্বৰ্গৰাজ্যৰ চুপহি সাজিবলৈ, নাইবা, মৰ্ত্ত্যভূমিৰ মকৰাজাল উভিবলৈ; নাট নহয়—থোকিবাথৌ চৰিত্ৰ আঁকিবলৈ; উপন্যাস নহয়—জীৱনৰ বিচিত্ৰতা দেখুৱাবলৈ; চুটি গল্প নহয়—কৌশল কিটিপ লগাই থোৱতে ঘটনা বা কল্পনাৰ সৰ তুলিবলৈ; সাধু নহয়—পানীৰ ঔটেঙা সাজি চালুকীয়াৰ মন তুষিবলৈ; বুৰঞ্জী নহয়—সময়ৰ ক্ৰম হুবহু লিপিবদ্ধ কৰিবলৈ; জীৱনৰ দৰ্শন নহয়—আঁকোৱ গজালি ভাৱে ধৰি থকা মতবাদৰ পৰিচয় দিবলৈ; এনে কি বচনাও নহয়—আঁত লগাই বিষয়টো বহলাই ফুলাই তুলিবলৈ। কোনেও নজনা-শুশুনা ধনাই-মনাই একো জনৰ অন্তৰত আগন্তুক পৰিৱৰ্ত্তনে কেনেকৈ খুন্দিয়াখুন্দি কৰিছিল আৰু সেই খুন্দিয়াখুন্দিয়ে মোৰ হৃদয়-ৰাজ্যত কেনেকৈ চৌপাশে থকা পৰিবেশৰ পোহৰপট এখনি চাৰ মাৰি থৈ গল, তাৰেই এটি জান-নেজান চিন মাত্ৰ।

১৫ আগষ্ট,
১৯৫৯
গুৱাহাটী

শ্ৰীহেমচন্দ্ৰ গোস্বামী

দ্বিতীয় প্রকাশৰ কথাষাৰী

উজ্জীয়মান ঔপন্যাসিক শ্ৰীপদ্ম বৰকটকীয়ে গা-লগি ছপোৱা-কাৰ্য্য তথিব কবি প্ৰথম সংস্কৰণত ইয়াৰ যি মান বঢ়াইছিল, দ্বিতীয় সংস্কৰণত সেই মান ৰক্ষা কৰিব নোৱাৰাত, দুখিত।

ছপা-সঁজুলিৰ মূল্য দিনকদিনে বাঢ়ি অহাত আৰু আগৰ ব্লক বহুত নষ্ট হোৱাত, এই সংস্কৰণত ছবিৰ সংখ্যা বহুত কমাব লগীয়া হল।

প্ৰথম প্ৰকাশত মোৰ বন্ধুসকলৰ ভালেমানে আপত্তি কৰিছিল—ইয়াত কংগ্ৰেছৰ যুবৰ্জী নাই বুলি। ই যে কংগ্ৰেছৰ যুবৰ্জী নহয়, সেই কথা পাতনিতে ফটফটীয়াকৈ কোৱা আছে। গতিকে, বন্ধুসকলে আকৌ এবাৰ পঢ়ি চায় যেন।

বহাগ-বিহু
গুৱাহাটী,
১৮৯৩ শক

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

"আমাৰ স্বৰাজ মনুষ্যত্বৰ বাজৰ কথা তো নহয়। তাক জানবৰাবাই আবিষ্কাৰ প্ৰেমবৰাবাই প্ৰচাৰ আৰু কৰ্ম্মবৰাবাই প্ৰতিষ্ঠা কৰিব লাগিব। মহাত্মাৰপৰা আমি সেই জানৰ দীক্ষা, প্ৰেমৰ আহ্বান পাইছোঁ, আমাক মাথোন এতিয়া আচল গ্ৰহণশীলতা লাগে—লোৱাৰ ভাও জুৰিলেই, ভগতিয়াৰৰ নামলেখা বহীৰ পাত ভৰালেই নহব। স্বৰাজ বাজৰপৰা নাহে।"

শ্ৰীভগৱতী প্ৰসাদ বৰুৱা



এই গ্রন্থর বাবে গ্রন্থকারে শ্রীজবাহরলাল নেহরুপরা সাহিত্য একাডেমীর বঁটা (১৯৬০ চনর) নগদ ৫০০০৲ টকারৈসৈতে মখমলর সঁফুরা (কাম্বেট) গ্রহণ করিছে। —২৬ মার্চ্চ ১৯৬১, নতুন দিল্লী।

বিষয় সূচী

বিষয়		পৃষ্ঠা
গ্রন্থকাৰৰ পাতনি	...	i
স্বৰাজৰ ব্যাখ্যা	...	ii
যোৰহাটত মহাত্মাৰ প্ৰথম পদাৰ্পণ	...	১
যোৰহাটত কংগ্ৰেছ খিলাফটৰ কাম	...	১১
শিৱসাগৰত অসহযোগৰ ফণা	...	১৬
ঘৰৰ লৰা ঘৰলৈ আহি	...	২৬
চাৰিং কংগ্ৰেছ কমিটী	...	৩৮
জৰাবাৰী কংগ্ৰেছ	...	৪৭
চাৰিং কংগ্ৰেছ	...	৫৬
"ঢেকৰা ঠাৰি সিজোৱা	...	৬৩
"বোকাৰপৰাও সোণ বুটলিবা	...	১১০
অসহযোগৰ শেষ সভা	...	১২২
বন্ধবান্ধৱৰ লগত পত্ৰালোচনা	...	১৩১
অসহযোগৰ পুৰস্কাৰ	...	১৩৭
শিৱসাগৰ জেলত	...	১৪৩
যোৰহাট জেলত	...	১৫৪
"গাৰঁত ধঁৰাগৈ	...	১৭৭
১৯৩০ চনৰ অসহযোগ	...	১৯০
স্বৰাজ্য লাভৰ নতুন পথ	...	২১১
পাণ্ডু কংগ্ৰেছৰ এচেৰেঙা	...	২২১
বীৰপূজাৰ প্ৰেৰণা অনাত	...	২২৮
চাৰিং-শলগুৰি ৰায়ত সভা	...	২৪৩
মহাত্মাৰ সম্বৰ্দ্ধনা	...	২৪৯
বাণ বজা	...	২৫৫
চাৰিং-আস্পতাল	...	২৫৮
"আমাৰ দোকান	...	২৬২
ওপৰঞ্চি	...	২৬৭
নামৰ সূচী	...	২৭১

ছবিৰ সূচী

১। গ্ৰন্থকাৰে সাহিত্য একাডেমীৰ পুৰস্কাৰ লোৱা
২। মহাত্মা মোহনদাস কৰমচাঁদ গান্ধী
৩। দেশভক্ত তৰুণৰাম ফুকন
৪। দেশনেতা কুলধৰ চলিহা
৫। কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ
৬। দুৰ্গাপ্ৰসাদ বৰঠাকুৰ
৭। ভুবনচন্দ্ৰ গগৈ
৮। সোণাৰাম দত্ত
৯। পুণাৰাম গগৈ
১০। যাদৱ প্ৰসাদ চলিহা
১১। ৰত্নেশ্বৰ বৰঠাকুৰ
১২। পদ্মনাথ বৰঠাকুৰ
১৩। হৰিপ্ৰসাদ দুৱৰা দেৱান
১৪। ৰাধাকান্ত ফুকন
১৫। চি, এচ গনিং
১৬। ভগৱতী প্ৰসাদ বৰুৱা
১৭। বিমলাকান্ত বৰুৱা
১৮। বেণুধৰ শৰ্ম্মা
১৯। সুন্দৰী কাকতীয়নী
২০। চাৰিং কংগ্ৰেছ সেৱকিনী
২১। চাৰিং ফৌজ
২২। লোকনাথ ফুকন।
২৩। দুৰ্গানন্দ কাকতী
২৪। শিৱকান্ত দুৱৰা
২৫। কৃষ্ণপ্ৰসাদ কটকী
২৬। তুলাৰাম দুৱৰা
২৭। মৰিয়া ৰাহাদুৰ
২৮। মণিৰাম দেৱানৰ তিথি উৎসৱ
২৯। ভকত ৰাহাদুৰ
৩০। শ্ৰীৰামচন্দ্ৰ ভূঞা
৩১। ৰায়ৰাহাদুৰ শিৱপ্ৰসাদ বৰুৱা
৩২। কেশৱ চন্দ্ৰ ৰৰা
৩৩। সোণাৰাম কৈৱৰ্ত্ত ৰৰা
৩৪। তিলকান্ত ফুকন
৩৫। ধৰ্ম্মেশ্বৰ শৰ্ম্মা
৩৬। ভোলানাথ বুঢ়াগোঁহাই
৩৭। ৰত্নেশ্বৰ শৰ্ম্মা শ্ৰুতিকৰ
৩৮। মুক্তেশ্বৰ সন্দিকৈ
৩৯। কলীয়া নাথ পাওঁবুঢ়া
৪০। ভেকোলা দৰ্জী
৪১। তৰুণ চন্দ্ৰ বৰুৱা
৪২। কাশীনাথ কাকতী
৪৩। গোলাপ চন্দ্ৰ শৰ্ম্মা
৪৪। মাধৱ চন্দ্ৰ বৰঠাকুৰ
৪৫। বালীৰাম নাথ
৪৬। চেনিৰাম ভূঞা
৪৭। উষাধৰ আৰণধৰা
৪৮। ৰোহিণীকান্ত হাতী বৰুৱা
৪৯। দেবেন্দ্ৰ চন্দ্ৰ নাথ



মহাত্মা মোহনদাস কৰমচান্দ গান্ধী
(ভিঠলভাই কে জাভেৰী এণ্ড ডি জি টেণ্ডুলকৰৰ সৌজন্যত)
Reproduced from Tendulkar's "MAHATMA"

কংগ্রেছৰ কাঁচিয়লি বাঁত

[১]

যোৱহাটত মহাত্মাৰ প্ৰথম পদাৰ্পণ

১৯২১ চনৰ (১৮৪৩ শকৰ) বছৰটো যোৱহাটৰ নিমিত্তে সঁচাকৈয়ে নতুন ৰাজনৈতিক চেতনাৰ বছৰ। এই বছৰৰ ২৪ আগষ্টৰ দিনা যোৱহাটত মহাত্মা মোহনদাস কৰমচান্দ্ গান্ধীৰ ঐতিহাসিক পদাৰ্পণ হয়। এই দিনাই শিৱসাগৰীয়া বাইজে মহাত্মাৰ অমৃতবৰ্ষী বাণী শুনিবলৈ পায়। ইয়াৰ অলপ দিনৰ আগেয়ে, অসমৰ পোনপ্ৰথম অগ্নিকলাই অসহযোগী চন্দ্ৰনাথ শৰ্ম্মাই নগৰত অসহযোগৰ জোকাৰ এটা মাৰি থৈ গৈছিলহি, তথাপি এই দিনাখণ হে উজনি অসমত কংগ্ৰেছৰ সঁচাসঁচি কাঁচিয়লি ৰ'দ পৰে। সেই ৰ'দৰ পোহৰ লৈয়ে দেশভক্ত তৰুণৰাম ফুকনৰ মৌৱৰষা বক্তৃতাত শিৱসাগৰীয়া বাইজ মুগ্ধ হয়। মৌলানা মহম্মদ আলিৰ গোঁজৰণিত আধামৰা অসমীয়া প্ৰাণ মুঞ্জৰি উঠে। ইয়াৰ কিছুদিন আগৰেপৰা কংগ্ৰেছৰ কাম চলি আছিল সঁচা, কিন্তু ঘুঘুয়াভাৱে ; এই দিনাৰপৰা হে শিৱসাগৰ জিলাত (যোৱহাট-শিৱসাগৰ-গোলাঘাট) ৰৱদৈচিলাৰ দৰে অসহযোগ আন্দোলন বলিবলৈ ধৰিলে।

সদৌ ভাৰতৰ ৰাজনৈতিক অনুষ্ঠান কংগ্ৰেছ ; অসহযোগ বা নন্ ক'-অপাৰেছন্ হল তাৰে ঘাই সুঁতি বা ধাৰ ; অসহযোগৰে আকৌ জনক হল মহাত্মা গান্ধী। মহাত্মা, কংগ্ৰেছ, অসহযোগ—এই তিনিউটা শব্দৰে এৰাব নোৱৰা সম্বন্ধ যদিও, মাহাত্ম্য-ঐতিহ্য আৰু উন্নত অৱস্থা ভেদে তিনিউৰো অৱস্থান সুকীয়া-সুকীয়া। কিন্তু মহাত্মাৰ অসহযোগ ওলোৱাৰ পিছৰপৰা গা-গছ আৰু ডাল-পাত একেটা হল অৰ্থাৎ অসহ-

যোগী হলেই গান্ধীয়ে উলিওৱা বিধি-বিধান মানি চলিব লাগিব ; গান্ধীৰ মতত চলিলেই কংগ্রেছী বা কংগ্রেছ-ভক্ত হব লাগিব আৰু কংগ্রেছী হলেই বৃটিছ-শাসনৰ বিৰোধী হব লাগিব। মুঠ কথা, সদৌ ভাৰতীয় কংগ্রেছ-সভাত অসহযোগৰ প্রস্তাৱ গৃহীত হোৱাৰ পাছৰপৰা বৃটিছ-শাসনৰ লগত জুইপানী অসঙ্কাৰ কৰিবলৈ ফু-ফু-কা-ফাকৈ জনসাধাৰণৰ মাজত কোৱাকুই হৈ আছিল। ঠিক এনে সময়তে, সেই মনে-মনে আলচা কথাকে খামখা বজঞ্জনা কৰি দিবলৈ ওলালহি স্বয়ং মহাত্মা গান্ধী।

ইউৰোপীয় চাহখেতিয়কৰ মাজত ত্রাস

সেই সময়ত, ইউৰোপীয় চাহখেতিয়কবিলাক উজনি অসমৰ একো-একোজন স্বয়ম্ভূ ৰজাই আছিল বুলিব পাৰি। গৱৰ্ণমেণ্টৰ আইন-কানুনেও তেওঁবিলাকক স্পর্শ কৰিব নোৱাৰিছিল। বৃটিছৰ আদালতত ছাহাৰ বিলাকৰ "সাতখুন্ মাফ্।" আমাৰ মানুহে সিবিলাকৰ ফুঃ বা হেঃ বুলিলেই ছমাহ ফাটেক খাব লাগে আৰু বাগিছাৰ ছাহাবে গোৰ মাৰি আমাৰ মানুহৰ আগ-মঙ্গহ নেফানেফ্ কৰিলেও "বেকচুৰে খালাছ!" গান্ধীয়ে বেহাৰ আৰু দক্ষিণ আফ্রিকাত বৃটিছৰ গর্ব্ব কেনেকৈ খর্ব্ব কৰিলে সেই কথা বাতৰি-কাকতত পঢ়ি আৰু মানুহৰ মুখে-মুখে শুনি অসমৰ চাহখেতিয়ক সকলো আগবেপৰা চঁকি আছিল। এতিয়া সেইজন বৃটিছ-গর্ব্ব-নিসূদন মহাপুৰুষ সোঁশৰীলেৰেই বাগিছা-প্রধান ঠাই যোৰহাটত অৱতীর্ণ হবহি বুলি শুনিলত, সিবিলাকৰ মাজত তৰ-ল—বাম-ল লাগিল। বাগিছাৰ বনুৱা কর্ম্মচাৰী কোনেও যাতে গান্ধীক হে নেলাগে, গান্ধীৰ ছাঁটোকো চাব নোৱাৰে তাৰ বাবে তেওঁ-বিলাকে নথৈ প্রতিবন্ধক জন্মাবলৈ ধৰিলে। তেওঁবিলাকৰ হুকুম হল, "গান্ধীক চাবলৈ কোনোবা যদি মনে মনে যায়, তেওঁক আৰু বাগিছাত সোমাবলৈ দিয়া নহয়।" তথাপি, হেজাৰ-বিজাৰ বনুৱা-কর্ম্মচাৰীয়ে সেই ভাবুকিলৈ কেৰেপ নকৰি হিল্‌দল্ ভাঙি গান্ধীক দর্শন কৰিবলৈ জাঁকি মাৰি ওলাই আহিল।

মাউখে উটিলে গুৰি পকৱাৱো মৰণ নাই

তেতিয়া যোৱহাটৰপৰা মৰিয়নী-তিতাবৰলৈ সৰু ৰেলগাড়ী এখন চলিছিল। গান্ধী আগমনৰ বাতৰিটো বিদ্যুৎ সঞ্চাৰে ব্যাপ্ত হলত, ৰেলখন ছৰ্কাৰী অৰ্থাৎ গৱৰ্ণমেণ্টৰ গুচি বাইজৰ হৈ পৰিল। গান্ধীক চাবলৈ অহা মানুহৰ সেই কেইদিন ইমান হেঁচা-টেপা হৈছিল যে ৰেলগাড়ীৰ বাহিৰে-ভিতৰে, চালে-বাৰে ঠাহ খাই এটাইবোৰ ওলমি আছিছিল। ছৰ্কাৰী আইন ভাঙিবলৈ কোনেও নোকোৱাকৈয়ে, আৱোহী-মাউখৰ হেঁচাত ৰেলৰ আইনখন আপোনাআপুনি ভাগি গৈছিল। মাউখে উটিলে বা আঁটিলে গুৰিপকৱাৱো যে মৰণ নাই সেই কথা মহাত্মাৰ আগমনে হাতে-হাতে দেখুৱালে। বাইজ নিমাখিত হলেও, একমত হলে গৱৰ্ণমেণ্টৰ কটকটীয়া আইনখনো টিলিকিতে উৰাই দিব পাৰি—এই কথাও তেতিয়াই প্ৰত্যক্ষ ভাবে দেখিবলৈ পোৱা হল। মানুহৰ নিদানে যোৱহাটৰ ন-আলি, গড়ৰ আলি, চেউনীআলি, কঁকিলামুখলৈ-যোৱা জগন্নাথ বৰুৱা-আলিত বিৰ দিও বাট পাবলৈ নোহোৱা হৈছিল। গোটেই শিৱসাগৰ জিলাৰ মতা মানুহবোৰ যেন (মহিলা ওলোৱা নাছিল) গান্ধীক চাবলৈ সেইদিনা যোৱহাটতে হে যেন লাড়ু বান্ধিছিলহি।

বেভাৰেণ্ড এছ, এ, ডি বগ্‌ছ্‌

২৪ আগষ্টৰ দিনা বাতিপুৱাই মহাত্মা যোৱহাট ষ্টেছন পোৱাৰহি কথা। তেওঁ জিৰাবলৈ ঠাই ঠিক কৰা হৈছে ৰৰপাত্ৰ কুটিৰত। ষ্টেছনৰপৰা ৰৰপাত্ৰ কুটিৰলৈ মহাত্মাক এতিয়া নিয়া হয় কেনেকৈ? মটৰ থকা-সকলেও মটৰ গাড়ী দিব নোখোজে; দিলেই যে ছৰ্কাৰৰ ঘৰৰ ক'লা তালিকাত নাম পৰিব। ইপিনে মটৰ এখন নহলেও নহয়। ঔৰাটিং বাগিছাৰ মেনেজৰো, অন্যতম স্বত্বাধিকাৰীও শ্ৰীযুত ফণিধৰ শৰ্ম্মাই হে কেৱল মটৰ খন দি সহায় কৰিবলৈ মৰসাহ দি ওলাল। ওলাল হে ওলাল, তেওঁ কিন্তু বাতিপুৱা ষ্টেছনৰপৰা মহাত্মাক আনিবগৈ নোৱাৰে, কাৰণ সেই খিনি পৰত ঔৰাটিঙৰপৰা গাড়ী অনা অসম্ভৱ। সকলোৱেই

চিন্তাত পৰিল। তেতিয়া বাগিছাৰ আৰু ছৰ্কাৰী ছাহাবখিলাকে হে গান্ধীৰ নামত ভৱ কৰিছিল, আমেৰিকান বেপটিষ্ট মিশ্ননৰ ছাহাব খিলাকে হলে মহাত্মা গান্ধীক দেৱতা দেখা দি দেখিছিল আৰু আমেৰিকাৰ সভা-সমিতিয়েও মহাত্মালৈ শ্ৰদ্ধা জনাইছিল। তেতিয়া যোৰহাটত বিখ্যাত পাদ্ৰী ছাহাব আছিল বেভাৰেণ্ড এছ, এ, ডি, বগ্‌ছ্‌। বাইজৰ অনুৰোধত, তেওঁ মহাত্মাক ষ্টেছনৰপৰা আনি ৰৰপাত্ৰ কুটিৰত থৱলৈ হে মাত্ৰ মাস্তি হল। তাৰ পিছত আৰু গাড়ী দিব নোৱাৰে। সেই অনুসৰিয়েই বগ্‌ছ্‌ চাহাবে নিজেই তেওঁৰ মটৰ গাড়ীখন চলাই মহাত্মাক ২৪ আগষ্টৰ দিনা যোৰহাট ষ্টেছনৰপৰা ৰৰপাত্ৰ কুটিৰত থৈ গল।

আৱং-পথাৰৰ সভা

এতিয়া য'ত ষ্টেডিয়ম অৰ্থাৎ আৱং-পথাৰ হৈছে, তাতে গান্ধী-সম্বৰ্দ্ধনাৰ বিৰাট-মুকলি সভা হৈছিল। উত্তৰে কাছাৰী ঘৰ, দক্ষিণে পথলুৱা আলি (পুৰণি চেউনী-আলি), পুবে হাইস্কুলৰ ঘৰ, পছিমে ৰৰপাত্ৰ-আলি—এই চাৰি সীমাৰ ভিতৰত থকা গোটেই মুকলি পথাৰখন যেন এখন মূৰৰ সাগৰ হে—বেজী এটি সুমুৱাব নোৱাৰাকৈ নিসন্ধি হৈ মানুহেৰে গেঁজ খাই আছিল। ডেপুটী কমিছনৰৰ বঙলাৰপৰা শুনি থাকিব পৰা অন্তৰতে মহাত্মাৰ বক্তৃতামঞ্চ। যোৰহাটৰ একমাত্ৰ পুৰণি ৰাজনৈতিক অনুষ্ঠান সাৰ্ব্বজনিক সভা আৰু মিউনিছিপেলিটিৰ বেটপেয়াৰ্চ এচচিয়েচনৰ হৈ দুখন অভিনন্দন বা আদৰণি-পত্ৰ দি গান্ধী মহাত্মাক সেই মঞ্চতে মান ধৰা হয়। পত্ৰ দুখন লেখি দিছিল যোৰহাটৰ বয়োবৃদ্ধ নাগৰিক ডাঙৰীয়া উপেন্দ্ৰনাথ বৰুৱা আৰু শ্ৰীযুত গোলোকচন্দ্ৰ বৰুৱা এম-এ. বি-এল্‌. উকীল ডাঙৰীয়াই।*

---

* অভিনন্দন-পত্ৰ

মহাত্মা মোহনদাস কৰমচাদ গান্ধী

মহাত্মাজী,

যোৰহাট সাৰ্ব্বজনিক সভাৰ হৈ আপোনাক আহোমৰাজসকলৰ শেষ ৰাজধানী যোৰহাট নগৰলৈ অতি সাদৰেৰে আৰু সম্মানেৰে বিনীতভাবে অভ্যৰ্থনা কৰিছোঁ

মানপত্ৰৰ সমিধানত, মহাত্মাই অসহযোগীৰ দায়িত্ব আৰু কৰ্ত্তব্যখিনি পানীযেনকৈ কঁহিয়াই দেখুৱালে। তেওঁ ইংৰাজীৰে (মাজে-মাজে হিন্দীৰেও) বাক্যযাৰহঁত এশাৰী-এশাৰীকৈ লেখি পঢ়াৰ দৰে, মুখেৰেই কৈ গৈছিল আৰু তৎক্ষণিকে প্ৰত্যেক শাৰী বাক্যকে দেশভক্ত ফুকনে অসমীয়া ভাষালৈ ভাঙি (মাজে-মাজে বহলায়ো) শুৱলাকৈ বুজাই দিছিল। মৌলানা মহম্মদ আলিয়েও "জৱৰ্দ্দস্ত" হিন্দী-উৰ্দ্দু মিলাই তেজী বক্তৃতা দিছিল। তাকো ফুকনেই দুগুণ তেজ উতলোৱা অসমীয়া ভাষাৰেই বুজাই কৈছিল। গান্ধীয়ে পোন-পোনকৈ কথাযাৰহঁত কৈছিল আৰু ফুকনে টোপাকাঁড় মৰা-দি মাৰি সেই কথা প্ৰত্যেকজন সমজুৱাৰ অন্তৰত সুমুৱাই দিছিল। মহম্মদ আলিৰ বুজিব নোৱৰা উৰ্দ্দুও ফুকনৰ মুখত পৰি পনীয়া অসমীয়া হৈ ওলাইছিল। ফলত, সেই জনসমাজৰ মাজতে বিলাতী কাপোৰৰ মেজি এটিও ভস্মসাৎ হৈ গল। তক্ষণৰাম ফুকন নোহোৱা হলে, কংগেছৰ অসহযোগ নীতি অসমীয়াৰ বুকুত কেতিয়াও নেলাগিলহেতেন। ফুকন ঐতিহ্যপূৰ্ণ সম্ভ্ৰান্তকুলীয়া

আৰু অভ্যৰ্থনা কৰিবলৈ সুযোগ পাই গৌৰৱান্বিত হৈছোঁ। এই সাৰ্ব্বজনিক সভা স্বৰ্গীয় জগন্নাথ বৰুৱাই ৩৫ বছৰৰ আগেয়ে স্থাপনা কৰিছিল। আপোনাক চকুৰে দেখা বহুদিনৰ আগৰেপৰা আপোনাৰ কাৰ্য্যকলাপৰ আৰু যশগৌৰৱৰ প্ৰভাৱ এই দেশৰ চৌদিশব্যাপক হৈছে আৰু এতিয়া আপোনাক সশৰীৰেৰে আমাৰ মাজত পাই আমি কৃতাৰ্থ মানিছোঁ। আপুনি নতুন মহৎ প্ৰণালী উলিয়াই নিদ্ৰিত ভাৰতক নতুন প্ৰাণেৰে অনুপ্ৰাণিত কৰিছে। আমি সেই প্ৰণালী অনুসৰি কাৰ্য্য কৰিবলৈ সৰ্ব্বান্তঃকৰণে সাজু হৈছোঁহক। আপোনাৰ আগমনত আমাৰ দেহ-মন নতুন ভাবেৰে নতুন তেজেৰে উৎসাহিত ও উজ্জীৱিত হৈছে।

আপুনি দেখুউৱা পথেই ভাৰতৰ আত্মসম্মান ৰক্ষা আৰু ৰাইজৰ চিত্তশুদ্ধি কৰি স্বৰাজ পোৱাৰ একমাত্ৰ উপায় বুলি আমাৰ একান্ত বিশ্বাস।

মহাত্মা, গোটেই ভাৰতৰ ভিতৰত একমাত্ৰ অসমীয়া ডিবোতাই পুৰণি কালৰে পৰা বোৱা-কটা কৰি নিজ পৰিয়ালক কাপোৰ যোগাই আছিল। কিন্তু পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত উচ্চশ্ৰেণীৰ কোনো-কোনো মহিলাই এই অত্যাৱশ্যকীয় শিল্প-

ঢেকীয়াল ফুকনৰ বংশধৰ হোৱা বাবে হে—বিশেষকৈ যোৰহাটত—অসমীয়া মানুহৰ সাত শ বছৰীয়া পুৰণি ভেম এটাৰ ওপৰত মাথমাৰ বহুৱাৰ পাৰিলে। ঐতিহ্যৰ নামগোন্ধ নথকা একোজনক বৃত্তি-পুৰস্কাৰ দি, ঠেলি-হেঁচি ওপৰলৈ তুলি, সেই কাম কৰাবলৈ লগোৱা হলে কংগ্রেছৰ অসহযোগ নীতি কদাপি প্রসাৰিত হব নোৱাৰিলেহেতেন। 'মাইক্' নাই, 'গেলেৰী' নাই, তথাপি ঋষিতুল্য মহাত্মাৰ নিয়ৰ-টোপাল হেন বাণীয়ে, মুখে-পেটে এক মৌলানাৰ মেঘগৰ্জ্জন কণ্ঠস্বৰে আৰু প্রভাবশালী দেশভক্তৰ ঠলঠলীয়া ৰূপোৱালী মাতে গছৰ আগত ওলোমাবাহুলি দি থকা অগণন শ্রোতাৰ প্রাণত দুৰন্ত সাহ-উদগণিৰ একোটা-একোটা কুণ্ড সৃষ্টি কৰি দিলে।

বিভাগৈ আওকাণ কৰিলেও সৰহ ভাগ মহিলাই ইয়াক এতিয়াও আৰধি বাধি পুৰণি আসামৰ পুৰণি গৌৰৱ অটুট ৰাখিছে।

ভাৰতৰ ঘৰে-ঘৰে যঁতৰৰ প্রচলন কৰিবৰ নিমিত্তে আপুনি যি ঐকান্তিক যত্ন কৰিছে, এই প্রদেশত সেই চেষ্টা সম্পূর্ণ ফলৱতী হোৱাৰ নিতান্ত সম্ভৱ হোৱাত দুখীয়া প্রজাই স্বদেশী কাপোৰেৰে গা ঢাকিবলৈ পাম বুলি আশা কৰি আমি সর্ব্বান্তঃকৰণে সন্নির্ব্বন্ধে কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ।

পদদলিত ভাৰত-জননীৰ মঙ্গল বিধানৰ নিমিত্তে স্বায়ত্তশাসন আৰু স্বৰাজলাভৰ পথ দর্শাই সকলো ৰাইজৰ মনত আশাৰ সঞ্চাৰ কৰি নির্ভীক ভাৱে কার্য্য কৰিবলৈ আপুনি প্রদেশে প্রদেশে ঘুৰি যেনে স্বার্থত্যাগ আৰু একাগ্রচিত্ততাৰ চিন দেখুৱাইছে, সেই ছবি ভাৰতবাসীৰ হৃদয়ত ফটফটীয়াকৈ আঁকা থাকিব।

পৰম কৰুণাময় পৰমপিতা পৰমেশ্বৰৰ পাদপদ্মত আমাৰ সর্ব্বান্তৰ সৰল প্রার্থনা—আপুনি যেন সুস্থকায়ে দীর্ঘজীৱী হৈ আমাৰ প্রপীড়িত পৰপদদলিত ভাৰতজননীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতি—

৮ ভাদ, ১৮৪৩ শক
ইং ২৪ আগষ্ট, ১৯২১ চন

ভৱদীয় বিনীত—
শ্রীকৃষ্ণকান্ত ভট্টাচার্য্য
উপেন্দ্রনাথ বৰুৱা
আদি সার্ব্বজনিক সভাৰ সভ্যসকল

ৰাজভক্তৰ ভয়

সুপ্ৰতিষ্ঠিত বৃটিছ-গৱৰ্ণমেণ্টৰ সহযোগ পৰিত্যাগ কৰিলে শাসন আৰু সমাজৰ খেলিমেলি লাগিব পাৰে—এনে শঙ্কা কৰি বৃটিছ-শাসনৰ অনুগামী জনদিয়েক যোৰহটীয়া ভব্য-গব্য নাগৰিকে ডেপুটি কমিছনৰ মিঃ ফিলিপ্‌ছন ছাহাবক লগাইছিলগৈ বোলে, সেই ময়দানত গান্ধী-সম্ভাষন যেন পাতিবলৈ দিয়া নহয়। কিন্তু, ৰৱলাটৰ কটকটীয়া হুকুম আছিল, বৃটিছ বিষয়াসকলে গান্ধীক পৰিচর্য্যা কৰাত সমূলিকে যেন ত্রুটী নকৰে। সেই নিমিত্তে, আমাৰ 'সহযোগী' ৰাজভক্ত কিগৰাকীৰ টুটকীয়া অনুৰোধ বঁজা হল। ৰৱছাহাবৰ দুৱাৰ মুখতে বৃটিছ গৱৰ্ণমেণ্টৰ লগত সংশ্রৱ বৰ্জ্জন কৰিবলৈ গান্ধীয়ে উপদেশ দিলে, মহম্মদ আলিয়ে দাঁত কৰচি বৃটিছ আৰু বৃটিছ-শাসনক তিতা সমালোচনাৰে থকাসৰকা কৰিলে, তৰুণ ফুকনে অনুবাদৰ ভাষাৰেই বিদ্রোহৰ অগনি জ্বলালে, তথাপি ফিলিপ্‌ছনৰ কেঁতকুটেই নহল। হাতীয়ে মাউতে ঠাউনি নোপোৱা পানীত বৌ-বাহু মাছ সাৰি থাকে, পানীয়েই নলবে; অথচ, চিলচিলীয়া পানীৰ ওপৰত সেন্দূৰী পুঠীৰ চচটনিত বক্ষা নাই। এনে বৌ-বাহুৰ ধৈর্য্য, গাম্ভীর্য্য আৰু শাসনৰ নিয়মতান্ত্রিকতাকে সেইদিনা দেখুৱালে মিঃ ফিলিপ্‌ছনে।

MAHATMA MOHANDAS KARAMCHAND GANDHI

Mahatmaji,

We, the undersigned ratepayers of the Jorhat Municipality, on behalf of ourselves and the members of the Jorhat Rate Payers' Association, beg to you a cordial and respectful welcome on the occasion of your long expected visit to the most interesting and ancient corner of the Indian Empire abounding in historical relics and splendid natural sceneries.

Your name and fame as the central figure of a great movement the world has ever seen, have reached this nook long before your personal presence in our midst, inspiring

ফণিধৰ শৰ্মাৰ "একুইলা" মটৰ-গাড়ী

গান্ধী অহাৰ সময়ত যোৰহটীয়া আচ্যৰন্তসকলৰ বহুতেই মটৰ গাড়ী লোৱা নাছিল। সাধাৰণতে ধোৱা-বাগীৰেই কুৰাচকা কৰিছিল। ঔৰাটিং চাহ্-বাগিছাৰ মেনেজৰ আৰু অন্যতম স্বত্বাধিকাৰী শ্ৰীযুত ফণিধৰ শৰ্মাই "একুইলা" নামে ইটালী দেশত নিৰ্ম্মিত এখনি মটৰগাড়ী লৈছিল। 'ষ্টীম

---

hope and courage in the dependent hearts of the poor and the weary who have come to see you from the remote interior at a considerable trouble and inconvenience when the paddy cultivation is in full swing.

Mahatmaji, Assam has a history of its own from the times of the Mahabharata and it was under the Shan race called the Ahoms, who ruled from 1229 A. D. down to 1824, when it has passed into the hands of the English. You will be glad to learn that the Hindus and Mehommedans have been living here side by side in peace and harmony and in good fellowship.

This is not the time and place to enter into any detail of the past history of Assam, but we have tried to give a rapid sketch only with a view to create your interest in a country, which has been much misrepresented.

We, here, take the opportunity of welcoming to town Begum Shaheba Muhammad Ali and Moulana Saheb Muhammad Ali who have come all the way to infuse new life and spirit into the hearts of an once brave and free people.

We, once more welcome you with all the respect and cordiality and fervently hope that you will in your usual goodness of heart overlook the shortcomings that you may notice in our arrangement for your reception and you will carry a happy memory of your hurried visit to Assam.

Jorhat
August 24, 1921

With due respect and humble submission
We beg to subscribe ourselves
Members of the Executive Committee
of the Ratepayer's Association

ইঞ্জিনৰ মটৰকে অসমীয়া ফণি শৰ্ম্মাই জয়ে-ভয়ে যোৱহাটত নিজে চলাই, খনদিয়েক ফৰ্ড-গাড়ীও ভাঙি, অৱশেষত মটৰ-গাড়ীৰ মৰমটো থাপিথুপি সাঁচি থৈছিল "একুইলা" গাড়ীখনৰ ওপৰতে। ক'ৰবাত ছেকা একণ লাগে বুলি বা কেনেবাকৈ পোটোকা পৰে বুলি, যাকে-তাকে গাড়ীখনত বহিবলৈ নিদিছিল। কিন্তু, যোৱহাটত থকা কেইদিন অপছতা-অসুৱাবে সৈতে মৌলানা মহম্মদ আলিৰ আঢ়ৈ মোনীয়া বিৰাট বপুটো বহুৱাই, আৰু মহাত্মাকো অনানিয়া কৰি আলফুলীয়া "একুইলা" গাড়ীখন ফণি শৰ্ম্মাই চলাই লৈ ফুৰিছিল। যিখন গাড়ীত ছজনতকৈ সৰহ মানুহ নধৰে, সেইখন গাড়ীত ২৪।২৫ জন মানুহ উঠি ফুৰাত ও গাড়ীখনৰ শলা এটাও ক'তো ইফাল-সিফাল নহল। যান্ত্ৰিক পদাৰ্থতো অহিংস ধৰ্ম্মৰ বা-লগা দেখি "সহযোগী" সকলো আচৰিত নোহোৱাকৈ নেথাকিল।

গান্ধী-মাহাত্ম্যৰ প্ৰভাৱ

আগেয়ে ছাহাব বা ছাহাবৰ নিচিনা কোনোবা বগা মানুহ এটা বা এজন দেখিলেই আমাৰ মনেহ ভয়তে লেউ-সেউ হৈ পৰে; বাগিছাৰ মাজেদি বাইচাইকেল বা ঘোৰাত উঠি যাব নোৱাৰে। অইন কি, কোনো কোনো কোম্পানীৰ মেনেজৰ ছাহাবৰ বঙলালৈ উঠিব লগীয়া হলে, তলত জোতাজোৰ সোলোকাই থৈ হে যাব লাগে। ছাহাব দেখিলেই দেশীয় মানুহে ছাতি জপাব লাগে। বাটত ভেটাভেটি হলেও, "গোড়া" বিদেশীজনক দেশী "নেটিৰ্" জনে চেলাম দিবই লাগে। ৰজাঘৰীয়া ক্ষমতাত অধিষ্ঠিত বৃটিছ-দেশাধিকাৰ সকলতকৈ বৃটিছ-আভিজাত্য ৰক্ষা কৰাত এই চাংখেতিয়কবিলাকেই সদায় তৎপৰ আছিল। অৱশ্যে, পদুম ফুলাদি দুই-চাৰিজন ছাহাবৰ পোৱালি যে চাহনি-বোকাত ফুলা নাছিল, এনে নহয়। এটাইবোৰেই যে টম্, হেৰী, ডিক্ আছিল সিও নহয়। শিক্ষিত, বিদ্বান আৰু পৰৰ বোষ বুজা ছাহাবো সিবিলাকৰ ভিতৰত আছিল। অসহযোগৰ শঙ্খ বজাৰ পিছৰপৰাই "বৃটিছ প্ৰেষ্টিজ" বা বৃটিছ-ভেম ফোঁপাউৰিয়েই সাৰ হবলৈ ধৰিলে। সেই ভেম-বিষৰ

যিবা এক্ষণ লেলাউটি বৈ আছিল, তাকো বহুবদিয়েকৰ পিছত পুৰুষ-সিংহ চন্দ্রকমল বেজবৰুৱাই নকচাবী-বৈদিহা ছৰ্কাবী বাটৰ মৰ্দ্দমা কৰি একেবাৰেই উকলাই পঠিয়ালে। মুঠৰ ওপৰতে, মহাত্মাৰ প্রভাৱে ৰুটিছ-আভিজাত্যৰ ওপৰত যেনেকৈ বাগী-কুঠাৰ বহুৱালে, ছাহাবৰ আগত ধেনুভিৰীয়া হোৱা আমাৰ মইসক ভাবৰ বাজহাড়ডালহঁতো সাহে-পিতে ডাঠ কৰি আমাক পোন হবলৈ শিকালে।

ব্যক্তিত্বৰ পূজা

বি-এ জগন্নাথৰ "ৰৰপাত্র কুটিৰ" ঘৰতে (বৰ্ত্তমান জগন্নাথ বৰুৱা কলেজৰ ঘাই ঘৰটোতে) মহাত্মাক দুৰাতি অৱস্থান কৰোৱা হৈছিল। শ্রীযুত কুলধৰ চলিহা ডাঙবীয়াৰ আধাসজা ন-ঘৰটোতে আছিল সভার্য্যা মৌলানা মহম্মদ আলি। আলি ছাহেবৰ বক্তৃতা শুনি গধুলি চলিহাৰ চোঁতালতে ইস্লামধর্ম্মীসকলে মূৰৰ ফেজ টুপীবোৰ অগ্নিদগ্ধ কৰি পেলালে। দুয়ো গৰাকী মুখ্য-অতিথিক সেৱা-শুশ্রূষা কৰি আদৰ-অভ্যর্থনা জনাবলৈ জাতি-ধর্ম্মনর্ব্বিশেষে যোৰহটীয়া বাইজ উবুৰি খাই পৰিছিল। একোটা মতবাদ, যিমানেই কি কামিলা আৰু যুক্তিপূর্ণ নহওক, ব্যক্তিত্বৰ মড়লত সেই মতবাদৰ যুক্তিখিনি বিকশিত নহলে, ভাৰতৰ জনপ্রাণীয়ে সততাই তাক গ্রহণ কৰা দূৰৈৰ কথা, তাৰ ওচৰকে চাপিব নোখোজে। সেই গুণেই ভাৰতবর্ষত অনন্ত কালপৰা ব্যক্তিত্বৰ পূজা চলি আহিছে। মহাত্মা গান্ধীৰ মতবাদতকৈ গান্ধীৰ ব্যক্তিত্বই ভাৰতীয় হৃদয়ত প্রভাৱ-প্রতিপত্তি বিস্তাৰ কৰাৰ এইটোৱেই ঘাই কাৰণ।



দেশভক্ত তরুণরাম ফুকন

পৃঃ ৫



দেশনেতা কুলধর চলিহা

পৃঃ ১১



কর্মবীর নবীন চন্দ্র বরদলৈ

পৃঃ ১৫৭

[২]

যোৰহাটত কংগ্রেছ-খিলাফটৰ কাম

গান্ধী আগমনৰ ঠিক প্রায় আগে-আগেই এইসকল প্রমুখ্যে বহুতে যোৰহাটত কংগ্রেছ-খিলাফটৰ কাম ব্যাপক ভাবে আৰম্ভ কৰি দেখুৱায়ঃ—শ্রীযুত কুলধৰ চলিহা, মৌলৱী দেৱাজুদ্দিন আহমদ (উকীল), কৃষ্ণনাথ শর্ম্মা, দেৱেশ্বৰ চলিহা, গঙ্গাধৰ বৰকটকী, হেমনাথ শর্ম্মা বৰুৱা, ইন্দ্রেশ্বৰ শর্ম্মা, গোপালচন্দ্র বেজবৰুৱা, ঘনকান্ত ভট্টাচার্য্য, ৰত্নেশ্বৰ শর্ম্মা, শ্রীযুত মুকুলীধৰ বৰুৱা (বালিগাওঁ), শ্রীযুত গোপীনাথ বেজবৰা আৰু মহেশ্বৰ কটকী।

শ্রীযুত চলিহা ডাঙৰীয়া একষ্ট্রা এচিষ্টেণ্ট কমিছনৰ আছিল। সেই পদ ইস্তফা দি, তেখেতে পুনৰ ওকালতী ব্যৱসায়ত ধৰে। কংগ্রেছৰ আহ্বান শুনি সম্পূর্ণ জাতীয়তাবাদী চলিহাই কেইমাহমানৰ আগেয়েই (গান্ধী অহাৰ) সেই ওকালতী ব্যৱসায় পৰিত্যাগ কৰি অসহযোগ আন্দোলনৰ গুৰিয়াল হৈ কাম কৰে। সেই দিনত, বৰ ভাগ্যবানজন হে ই, এ, চি, হব পাৰিছিল। "হাকিম" হবলৈ বহুতেই হামৰাও কাঢ়ি ফুৰিছিল। কিন্তু, বংশ-গৌৰৱ, ব্যক্তিত্ব আৰু বিচাৰ-বুদ্ধিৰ ক্ষমতা নোচোৱাকৈ যধে মধে-যাকে-তাকে সেই কামত নিযুক্ত কৰা ছৰ্কাৰী নিয়ম নথকাত যেয়ে-সেয়ে আদালতত বিচাৰকৰ আসন গ্রহণ কৰিবলৈ ক্ষমতা নেপাইছিল। যাৰ বংশ-মর্য্যাদা আছে, যাৰ জ্ঞাতিবর্গৰ কোনোবা জনে পূর্ব্বে ৰজাঘৰীয়া বিষয় খাইছিল, যাক সমাজে সম্মানৰ চকুৰে চায়, যাৰ স্বভাৱ-চৰিত্র টুলুঙা নহয়, যাৰ বিচাৰ-দৃষ্টি উদাৰ আৰু নিৰপেক্ষ আৰু যাৰ জ্ঞানৰ পৰিধি বহল, তেনেজন লোকৰ ওপৰত হে দেশৰ শান্তি-শৃঙ্খলা আৰু শাসনৰ সম্মান ৰক্ষা কৰি থাকিব পৰা বিষয় ই, এ, চি, চবডেপুটী কলেক্টৰ আৰু শিক্ষা বভাগৰ উচ্চপদবিলাক আৰোপণ কৰা হৈছিল। চলিহা ডাঙৰীয়াই যেতিয়া এনে হেন সর্ব্বজন-ঈপ্সিত

মেজিষ্ট্রেট পদটোকো ঠেলা মাৰি পেলাই দি, আকৌ ওকালতীত ধৰিলেহি, তেতিয়াই বাইজৰ মন তেখেতৰ প্ৰতি শ্ৰদ্ধাৰে ঢাল খাই গল; আৰু অসহযোগ আন্দোলনৰ বা বলিলত যেই তেখেতে ওকালতী ব্যৱসায় বৰ্জ্জন কৰিলে সেই উজনিৰ বাইজে তেখেতৰ মূৰত ভক্তি আৰু ভালপোৱাৰ চিন স্বৰূপে "দেশনেতা" মুকুটটো পিন্ধাই দিলে।

কৃষ্ণনাথ শৰ্ম্মা বি-এলও উকীল আছিল। তেখেতেও ওকালতী বৰ্জ্জন কৰি দেহা মাৰি অসহযোগৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। সৰল, নিমাখিত অথচ দৃঢ়প্ৰতিজ্ঞ কৃষ্ণ শৰ্ম্মাক সকলোৱে মৰমতে "মামা" বুলি মূৰত তুলি ললে। চলিহা ডাঙৰীয়া মুখ্য আৰু শৰ্ম্মাদেৱ পাখি-নেতা স্বৰূপে কংগ্ৰেছৰ বাঘজৰী ডাল ধৰি যোৰহাট মহকুমাটোত অহিংস অসহযোগৰ ৰথখন পূৰ্ণবেগে চলাবলৈ ধৰিলে।

"আসাম বিলাসিনী"

সেই সময়ত, অসমত একেখন মাথোন উগ্রপন্থী সাদিনীয়া বাতৰি-কাকত আছিল "আসাম বিলাসিনী"। ছৰ্কাৰী পেঞ্চনভোগী কৃষ্ণকান্ত ভট্টাচাৰ্য্য আছিল তাৰ ঘাই সম্পাদক। ৺ঘনকান্ত ভট্টাচাৰ্য্যই পালীৰূপে কাকতখন সম্পাদন কৰিছিল। বৃটিছ ছৰকাৰৰ উদ্ভণ্ডালি আৰু গৰ্হিত শাসনৰ ক্ষতবিক্ষত সমালোচনা যেতিয়া ধাৰাবাহিককৈ 'বিলাসিনী'ত ওলাবলৈ ধৰিলে*, তেতিয়াৰপৰাই কাকতখন যে ক'লা 'প্ৰেছ আইনৰ' গৰাহত পৰিলেই নে, সম্পাদকজনৰো বহুত লটি-ঘটি হল। মহাত্মাক সম্বৰ্দ্ধনা জনোৱাত মৰসাহ দি এখেতেই অভ্যৰ্থনাৰ আগগুৰি কাটিছিল। মহাত্মা প্ৰত্যাৱৰ্ত্তন কৰাৰ লগে-লগে 'বিলাসিনী প্ৰেছ' বাজেয়াপ্ত হল আৰু ভট্টাচাৰ্য্যদেৱে পাই থকা পেঞ্চনো বন্ধ কৰা হল।

---

* "বৰ্ত্তমান অৱস্থা" ২৩।৯।১৯২০; "আবকাৰী দোকানৰ নীলাম বিক্ৰী," ১৩।১।২১; "বাইজৰ বোহ" ২৭।১।২১; "সহযোগিতা বৰ্জ্জন,; ৩।২।২১; "স্কুল কলেজ কিয় এৰিব লাগে" ২৪।২।২১; "ৰিফৰ্ম্ম গৱৰ্নমেণ্ট ২৪।৩।২১; তাৰিখৰ কাকত।

"বিলাসিনী প্ৰেছ" বাজেয়াপ্ত কৰি কংগ্ৰেছৰ মুখপত্ৰখন বন্ধ কৰা হল হয়, পাছে, কংগ্ৰেছৰ কাম হলে কোনেও বন্ধ কৰিব নোৱাৰিলে। যোৰহাটৰ গাৱেঁ-ভূঞে, চুকে-কোণে ন-পানীৰ দৰে ঠায়ে-ঠায়ে কংগ্ৰেছ কমিটী স্থাপিত হবলৈ ধৰিলে। গঙ্গাধৰ বৰকটকী, শ্ৰীযুত মুকলীধৰ বৰুৱা, শ্ৰীযুত বস্তুধৰ বৰুৱা, শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰচেতীয়া, বিদ্যাধৰ শৰ্ম্মা*, টীয়কৰ শ্ৰীযুত বিশ্বনাথ বৰপূজাৰী, শ্ৰীযুত বিদূৰ বৰুৱা, শ্ৰীযুত লীলা বৰা চাৰিগাৱঁৰ চন্দ্ৰকান্ত বৰুৱা, চাওখাতৰ শশীধৰ মলীয়া, বালিগাৱঁৰ শ্ৰীযুত খেতকধৰ বৰুৱা, শ্ৰীযুত বাবুলা ফুকন প্ৰভৃতি কলেজ এৰিঅহা স্বদেশপ্ৰাণ ডেকা সকলোৱেই আন্দোলনৰ জুইত জাঁপ দি পৰিলহি।

বামেশ্বৰ ভট্টাচাৰ্য্য

দেশাত্মবোধৰ অগ্নিত প্ৰজ্জ্বলিত অন্তৰ লৈ, কলেজৰ শিক্ষা আধাখিনিতে এৰি, কামৰূপৰ বৰপেটাত সেই অগ্নিৰ শিখা উৰুৱাই যোৰহাটৰ পূব অঞ্চল—বামুণৰপুখুৰী, চেলেং, জাঁজী, টীয়কত শ্ৰীযুত বামেশ্বৰ ভট্টাচাৰ্য্যই বৃটিছ-বিৰোধী আন্দোলনৰ বা-মাৰলী তুলিলেহি। কৃষ্ণনাথ শৰ্ম্মাই ডেকাবিলাকেৰে নগৰত হেড্ অফিছ পাতি মহেশ্বৰ কটকী আদিক লগত লৈ চাওখাত, নকচাৰী, পীড়াকটাত খতিখণ নোহোৱাকৈ অসহযোগৰ মূল নীতি কানি-ভাং বৰ্জ্জন, বিলাতী কাপোৰ বৰ্জ্জন আৰু সূতাকটাৰ প্ৰচলন কৰিবলৈ ধৰিলে।

---

* স্বৰ্গীয় বিদ্যাধৰ শৰ্ম্মা

যোৰহাটৰ এজন সৰবৰহী নেতৃস্থানীয় কংগ্ৰেছ কৰ্ম্মী, নিঃস্বাৰ্থ দেশসেৱক, গঠন মূলক কামত আগৰণুৱা, সাহিত্যিক আৰু বক্তা ৺বিদ্যাধৰ শৰ্ম্মাই ১৯৫৬ চনৰ ৩ ডিচেম্বৰ তাৰিখে মাদ্ৰাজৰ হস্পিটেলত শেষ নিশ্বাস ত্যাগ কৰে। তেখেতে কেইবা মাহো ধৰি হৃদ বোগত ভুগিছিল। অসহযোগ আন্দোলনত লাগি ১৯২১ চনত কটন কলেজৰপৰা কলেজ বৰ্জ্জন কৰি আন্দোলনৰ গুৰি ধৰিছিল। তেতিয়াবেপৰা গোটেই জীৱন দেশৰ কামতেই লাগি আছিল। তেখেতৰ মৃত্যুত যোৰহাটে এজন নিস্বাৰ্থ দেশসেৱক হেকৰালে।"

কংগ্রেছ পুস্তিকা

সুসাহিত্যিক দেৱেশ্বৰ চলিহা ডাঙৰীয়াই "অন্ন সংস্থানৰ' বিষয়ে কিতাপ লেখি, নিজে যঁতৰ-কপাহৰ দোকান দি আত্মনির্ভৰশীলতাৰ আৰ্হি দেখুৱালে ; বিদ্যাধৰ শৰ্ম্মাই "সংশ্ৰৱ বৰ্জ্জন" নামে পুস্তিকা এখনি লেখি অসহযোগটো নো কি তাক বুজালে। "মহাত্মা গান্ধীৰ" জীৱনী এখনো লেখি প্ৰকাশ কৰিলে শ্ৰীযুত কেশৱানন্দ শৰ্ম্মা পাঠকে। কেন্দুগুৰি-চাৰিগাওঁ-ৰংদৈ-বাহনা, চাওখাত, মেলেং আদি বুদ্ধি-প্ৰতিভা-সম্পন্ন লোকৰ বহগাওঁবোৰত, বোকাপানীলৈ কেৱেপ নকৰা, আগলৈ আশাৰ টোপোলা নবন্ধা, নিস্বাৰ্থ, নিৰহঙ্কাৰী, নিয়মানুবৰ্ত্তিতাৰ অনুসৰণ-কাৰী চন্দ্ৰকান্ত বৰুৱাকে প্ৰমুখ্য কৰি স্বয়ংসেৱক সমূহে বৃটিছ শাসনৰ প্ৰতি বিদ্বেষ ভাব ছটিয়াই ফুৰিলে। এই অঞ্চলবিলাকত গুৰি ধৰিছিল শ্ৰীযুত গুণনাথ বৰঠাকুৰ আৰু শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মাই।

হাতত বাতৰি কাকত লৈ শিৱকান্ত শৰ্ম্মা বৰমহৰী আৰু শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰচেতীয়া থাকিল চাৰিঙীয়া-টিলিকি আমৰ পোনে। লাহিং-দেৱেৰাপাৰ গাখীৰ-খোৱাত স্বাধীনতাৰ ধ্বজা পুতিলে লাহিঙৰ শ্ৰীযুত হেমনাথ ফুকন আৰু মাজকুৰিৰ হেমনাথ শৰ্ম্মা বৰুৱাই। ৰায় ছাহাব নাৰায়ণ বৰুৱাৰ উদ্যোগত পুতেক বিষ্ণুপ্ৰসাদ বৰুৱাই বিলাতীৰ সলনি দেশী কাপোৰ চলাবলৈ মূৰ পুতি লাগিল। তিতাবৰত ৰত্নেশ্বৰ

৺বিদ্যাধৰ শৰ্ম্মাৰ জন্ম ১৮৯৮ চনৰ ৯ আগষ্ট তাৰিখে যোৰহাটৰ তৰাজানত। তেখেতৰ পিতৃদেৱেক আছিল ৺পণ্ডিত তোয়ধৰ শৰ্ম্মা। অতি কম বয়সতে পিতৃ-মাতৃক হেৰুৱাই ৺বিদ্যা শৰ্ম্মা বৰকাইদেৱেক পণ্ডিত ৺লক্ষ্মীনাথ শৰ্ম্মাৰ তত্ত্বাৱধানত ডাঙৰদীঘল হয়।

তেখেতৰ প্ৰকাশিত "সংশ্ৰৱ বৰ্জ্জন," "জিলিঙনি," "অগ্নিশিখা", "মলোৱাম" আদিৰ উপৰিও বহুত লেখা অপ্ৰকাশিত হৈ পৰি আছে।

শিক্ষা-বিষয়তো তেখেত আগৰণুৱা আছিল। তেখেতৰ অদম্য চেষ্টাৰ ফলত যোৰহাটত দুখনকৈ হাইস্কুল থিয়দঙা দি উঠিছে।

শর্ম্মা আৰু পকামূৰাত চন্দ্রধৰ ফুকনে নেতৃত্ব গ্রহণ কৰিলে। মাজুলীত বাট দেখুৱালে শ্রীযুত কেশৱচন্দ্র বৰাই; আন্দোলনটোৰ গুটি ধৰাবলৈ গঠনমূলক পৰামর্শ দিলে শ্রীযুত বেথাৰাম বৰাই। অহোম-ভাষাবিদ ৰায় ছাহাব গোলাপচন্দ্র বৰুৱাৰ পুত্র শ্রীযুত বিপিনচন্দ্র বৰুৱাই বি-এ পাছ কৰিয়েই যোৱহাটৰ চকবজাৰত শাক-পাচলি বেচিবলৈ ধৰিলে; বৰুৱাই দেশী বস্তুৰ দোকানো দিলে। গোলাঘাটত:—(১) গঙ্গাৰাম বৰমেধি, (২) বগাই দত্ত হাজৰীকা, (৩) গঙ্গাধৰ বৰঠাকুৰ, (৪) শ্রীগুণীন্দ্রনাথ বৰুৱা, মহেশ্বৰ বৰুৱা, হীৰালাল দাস, ৰাজেন্দ্রনাথ বৰুৱা—এইসকলে ঘৰে ঘৰে গৈ আৰু সভাসমিতি পাতি বক্তৃতা দি বৃটিছ-শাসনৰ বিৰুদ্ধে বা বলাবলৈ ধৰিলে। এই দৰেই পুবে-পছিমে, উত্তৰে-দক্ষিণে, যোৱহাটৰ চুকে-কোণে স্বদেশ প্রেমৰ কঠীয়াৰেই স্বদেশ উদ্ধাৰ কৰিব পৰা আহিলা-পাতিৰ ভঁড়াল নির্ম্মাণ কৰা হল। বৰ সেনাপতি কুলধৰ চলিহা আৰু মহাত্মাৰ অবিৰক্ত ভক্ত কৃষ্ণনাথ শর্ম্মাৰ আদেশ মানি অলেখ দেশ-সেৱকে মোৰ-নোপোৱা সমাজত ইংৰাজ খেদোৱা মন্ত্রেৰে ধাৰাসাৰে বিহলঙনি কোবাই ফুৰিছিল। তাৰেই লক্ষণ প্রকাশ পালে মহাত্মাৰ পোন-প্রথম পদার্পণত হোৱা জনমণ্ডলীৰ দুর্জ্জয় সমাবোহৰ দিনা।

[৩]

শিৱসাগৰত অসহযোগৰ ৰণা

(ক)

২৫ আগষ্টৰ দিনা শ্ৰীযুত কুলধৰ চলিহা, দুৰ্গাপ্ৰসাদ বৰঠাকুৰ আৰু ভুবনচন্দ্ৰ গগৈ—এই তিনিউ গৰাকী নেতাই 'ৰৰপাত্ৰ কুটি'ৰতে মহাত্মাক সাক্ষাৎ কৰি শিৱসাগৰলৈ যাবলৈ অনুৰোধ কৰিলে। তেতিয়াই মহাত্মাই সুধিলে,

"শিৱসাগৰত নো কি চামগৈ ?"

এখেতসকলে কলে, "স্বৰ্গদেৱসকলৰ কীৰ্ত্তিচিন ৰংঘৰ, কাৰেংঘৰ, দ'ল-পুখুৰী চাবু বুলি আমন্ত্ৰণ কৰা হৈছে।"

কথাষাৰ শুনি মহাত্মাই আশা বিৰিঙিউৱা চকুমণিজোৰ অলপ ওপৰমুৱা কৰি গহীনাই মাত লগালে, "আপোনাসকলে সেই মৈদামবোৰত সঞ্জীৱনী পানী ঢালকগৈচোন। ঠন ধৰিলেই চাবলৈ আহিম বাৰু।"

প্ৰতিনিধি কিগৰাকী পোনেই খোহমোহ খালে যদিও; সেই আশ্বাস-বাণীয়েই তেখেতসকলৰ অন্তৰত উৎসাহৰ জুই-কুৰাত ঘিঁউমোলাহে ঢালি দিলে।

দুৰ্গাপ্ৰসাদ বৰঠাকুৰ

জালিৱানৱালা-বাগত হত্যাকাণ্ড হোৱাৰ পিছতে, ১৯২১ চনত, শিৱসাগৰত কংগ্ৰেছ-কমিটী প্ৰতিষ্ঠিত হয় আৰু জয়ে-জয়ে উকীল দুৰ্গাপ্ৰসাদ বৰঠাকুৰ বি. এল. আৰু ভুবনচন্দ্ৰ গগৈয়ে ক্ৰমান্বয়ে তাৰ সভাপতি-সম্পাদকৰ ৰাব গ্ৰহণ কৰে। বৰঠাকুৰে ওকালতী ব্যৱসায় আৰম্ভ কৰা তেতিয়া পাঁচ বছৰমান হে হৈছিল। ডেকা তৰপ উকীলৰ ভিতৰত বৰঠাকুৰৰ সুখ্যাতি আৰু মোকৰ্দ্দমা-লগা মানুহৰ মাজত

প্ৰতিপত্তিও ওপৰলৈ উঠি আহিছিল হে মাত্ৰ। গাৱেঁ-ভূঞে সৰ্ব্বসাধাৰণ বাইজেও "প্ৰহ্লাদ উকীলক" (তেখেতৰ জনাজাত নাম) চিনি পোৱা হৈছিল। উকীল হৈ, একেবাহে লাগি থাকিবলৈ পোৱা হলে, তেখেতলৈ ছৰকাৰে কোনোবা এদিনা বিচাৰকৰ আসনৰ নিমিত্তে বৰশী টোপালে-হেতেন বুলি কব পাৰি; আৰু তেখেতেও বেছত নাইবা মাবোৱাৰীৰ ঘৰত টকাৰ মুৰা বান্ধি থব পাৰিলেহেতেন। কিন্তু, জন্মভূমিৰ মুক্তি-শঙ্খ যেই বাজিল, সেই তেখেতে সকলো আশা-ভাৰসা জলাঞ্জলি দিলে।

ভুবনচন্দ্ৰ গগৈ

সেইদৰে, গগৈদেৱেও বৃটিছ-আমোলাতন্ত্ৰৰ তলত এগৰাকী বিশিষ্ট কৰ্ম্মচাৰী বা পদাধিকাৰী হবগৈ পাৰিলেহেতেন। গগৈৰ দেউতাক ৺ফটিকচন্দ্ৰ গগৈ ডাঙৰীয়া পুলিছ-ইন্‌স্পেক্টৰ আছিল। তেখেতে হেনো কাম কৰা দিনত ইমান অভ্যুদয়কৈ মু-চোৱা চিকা-ৰূপ (টকা) পাইছিল যে এবাৰ টকাৰ ভৰত, টকাঅনা গাড়ীখনৰ ব'মডাল ভাগি গৈছিল। ছৰকাৰৰো তেখেত বৰ প্ৰিয়পাত্ৰ আছিল। উচ্চশিক্ষা লাভ কৰোঁ বোলা হলে, টকাৰ নাটনিয়ে ভুবন গগৈক বাধা দিব নোৱাৰিলেহেতেন। জালিয়ানৱালাবাগৰ হত্যাকাণ্ডই যেতিয়া সৰহ ভাগ বাজভক্তকো দুখেৰেজাৰে দহি পেলালে দেখাদেখিকৈ বৃটিছ-শাসনৰ বিৰুদ্ধে মানুহৰ মন উত্তেজিত হৈ উঠিল, কংগ্ৰেছৰ আগৰ আবেদন-নিবেদনৰ পন্থ এৰি বৃটিছ-শাসনতন্ত্ৰৰ লগত সংশ্ৰৱ বৰ্জ্জন কৰিবলৈ ওলাল, তেতিয়া ছেগ বুজি, বাজলক্ষ্মীৰ কৃপাত ভৱিষ্যত জীৱনটো প্ৰফুল্লিত কৰিব পৰা সত্বেও, ভুবনচন্দ্ৰ গগৈদেৱে পৰাধীনতাক্লিষ্ট দেশখনৰ অমাৰস্যাত আপোনা-আপুনি শিৱসাগৰত জোঁৱ-আৰিয়া লগাই দিলেহি। মহাত্মাৰ আশীৰ্ব্বাদ শিৰত লৈ, ৰবঠাকুৰ-গগৈয়ে ৰণথলী প্ৰস্তুত কৰিলে। সেই থলীত থিত লৈ বৃটিছ-শাসনৰ বিৰুদ্ধে অহিংস যুদ্ধ কৰিবলৈ কেউফালৰপৰা দলদোপ-হেন্দোলদোপকৈ স্বয়ংসেৱক ওলাই আহিল। ছৰ্কাৰেও দণ্ডবিধি আইনৰ ১০৭ আৰু ১০৮ ধাৰা প্ৰয়োগ কৰি অসহযোগী নেতাসকলক

ৰাজদ্রোহৰ অভিযোগত পেলাই এফালৰপৰা কাৰাৰুদ্ধ কৰি মিলে। ৰৰঠাকুৰ, গগৈও সেই আইনৰ কৱলত পৰি প্ৰত্যেকজনেই এবছৰকৈ অ-শ্ৰম কাৰাদণ্ড ভোগ কৰিলে। *

অসহযোগৰ মূলনীতি

জেললৈ যোৱাৰ দিনাই তেখেতসকলে বাইজলৈ এখনি গোহাৰি-পত্ৰ পঠিয়াইছিল। অসহযোগ আন্দোলনৰ মূল-নীতি আৰু উদ্দেশ্য কি, তাতে ফটফটীয়াকৈ বুজাই দিছিল আৰু সেই আন্দোলন চলাই থাকিবলৈ বাইজক কেনেকৈ উপদেশ দিছিল তাৰে চানেকি বুলি গোহাৰিপত্ৰখন তলত হুবহু তুলি দিয়া হল :—

ৰৰঠাকুৰ-গগৈৰ গোহাৰি পত্ৰ

বাইজ,

ঋষিতুল্য মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ আদেশ শিৰত লৈ প্ৰায় ন মাহ আপোনাসকলৰ চৰণ সেৱা কৰাৰ ফলতেই আজি জেলত জিৰণি লবলগীয়া হৈছে। জেল আমাৰ নিমিত্তে বন্দীশাল নহয়; ই হৈছে বৈকুণ্ঠপুৰী বা স্বৰাজ আশ্ৰম। আত্মাৰ মুক্তি, দেশৰ মুক্তিৰ হেতুকে, সত্যাক সাৱটি শান্তিৰে যি আন্দোলনত অৱতীৰ্ণ হৈছিলোঁহক, সেই আন্দোলনৰেই বিপক্ষ আমোলাতন্ত্ৰই আমাৰ সত্ত্ব উদ্দেশ্যত বাধা জন্মাবৰ উপলক্ষে আমাক আৱদ্ধ কৰি ৰখাত আপোনাসকলে বোধ কৰোঁ, বেজাৰ পাইছে। যদি আপোনাসকলৰ প্ৰাণত আমালৈ অলপো মৰম আছে, তেনেহলে কানি ৰৰবিহ, ভাং, মদ আদি পাপৰ বস্তুবোৰ সমাজৰ মাজৰপৰা একেবাৰেই নিৰ্ম্মূল কৰিব। দেশীয় ভাইৰে সামান্য কথাতে কাজিয়া কৰি কাছাৰীঘৰত মামলা-মোকৰ্দ্দমা লগাই অকাৰণতে নিঃৰ পেৰাৰ ধনখিনি দি আমোলাতন্ত্ৰৰ কঁকালত বল নযঢ়াব। বিদেশী সুতা, নাইবা কাপোৰকানি কিনি নিজৰ মহামাৰ নিজে নিচিন্তিব। ঘৰে-ঘৰে কপাহৰ খেতি কৰি সুতানেতা কাটি ঘৰতে কাপোৰ বৈ লওক। আগতকৈ দুগুণ উৎসাহেৰে সৎপথত থাকি শান্তিৰে সৈতে কাৰ্য্য কৰক। আমাক ফাটৈকলৈ অনা দেখি আপোনাসকলে অলপো ভয়

* গগৈদেউৰ চমু জীৱনী এখনি শ্ৰীযুত ভুবনচন্দ্ৰ সন্দিকৈ বি. এ. দেৱে লেখি প্ৰকাশ কৰিছে। তাত সকলো কথা পাব।

নেখাব। সমূহ বাইজৰ উন্নতি পথত বাধা জন্মাই প্ৰত্যেক মানুহকে ভয় খুৱাবৰ উদ্দেশ্যেই আমোলাতন্ত্ৰই অত্যাচাৰক আমাৰ বহুতক ফাটৈকত আৱদ্ধ কৰি ৰাখিব খুজিছে। বাইজ, এয়েই আমাৰ অগ্নি পৰীক্ষা। আমি প্ৰহ্লাদৰ দৰে একচে মোৰ বুলি ধৰি এই পৰীক্ষাত উঠিব পাৰিলেই স্বৰাজ আমাৰ হাতে-হাতে। যিমানেই জেললৈ অনা শুনিব, সিমানেই আপোনাসকলে ষঁতৰত সূতা কাটিব, সিমানেই স্বদেশী হব, সিমানেই হিংসা কুৰ্চ্চুট-কপট আদি বেয়া ভাববোৰ একেবাৰেই এৰি ধৰ্ম্মপথত শান্তিৰেসৈতে থাকিব; সিমানেই সকলো অত্যাচাৰ নীৰৱে সহ্য কৰি, নিৰুপদ্ৰৱ হৈ ভাৰত-সন্তানৰ উপযুক্ত কাৰ্য্য কৰিব আৰু সিমানেই গোলামী কৰিবলৈ এৰি স্বাধীনভাৱে জীবিকা উপাৰ্জ্জন কৰিবলৈ শিকিব।

বাইজৰ আশীৰ্ব্বাদ শিৰত লৈ এতিয়া বিদায় হে মাগিলোঁ। ইতি।

শিৱসাগৰ
২৬ আঘোণ, ১৮৪৩ শক।

বাইজৰ নিঃকিন সেৱক
শ্ৰীদুৰ্গাপ্ৰসাদ বৰঠাকুৰ
শ্ৰীভুবন চন্দ্ৰ গগৈ

কংগ্ৰেছৰ বাটকটীয়াসকল

ছৰ্কাৰী কলেজ বৰ্জ্জন কৰি আলিগড়ত প্ৰতিষ্ঠিত জাতীয় কলেজত বি-এ পৰীক্ষা দি আহি ঘৰতে আছিল বিমলাকান্ত বৰুৱা। তেওঁৰ দৰেই (শ্ৰীযুত) অম্বিকাকুমাৰ বৰুৱা—শিৱপ্ৰসাদ বৰুৱা—দুৰ্গাধৰ বৰুৱাও কটন কলেজ বৰ্জ্জন কৰি আহিছিল। ভুবন গগৈ জেললৈ গলত, শান্ত-সৌম্য প্ৰকৃতিৰ বিমলাকান্ত বৰুৱা আৰু উদ্যোগী, মুখবলী শিৱপ্ৰসাদ বৰুৱা যুটীয়া সম্পাদক হল। দুয়োজনেই সলনাসলনিকৈ অফিছ চলোৱা, গোহাৰিপত্ৰ উলিওৱা আৰু ঠায়ে-ঠায়ে সভা সমিতিত বক্তৃতা দি ফুৰা কাম অবিশ্ৰান্তে কৰিবলৈ ধৰিলে। বিমলা একাধাৰে সুসাহিত্যিক, টেটকুটীয়া, অমায়িক আৰু গহীন। সেই গুণে, তেওঁ "স্বদেশ" নামে এখন পখেকীয়া কাকত নিজে লেখি প্ৰচাৰ কৰিবলৈ ললে। কাকতখন চাইজ ষ্টাইলত ছেপি গুপুতে-গুপুতে গাৱেঁ-ভূঞে বিলাই দিয়াইছিল। কংগ্ৰেছৰ বা-বাতৰি দিয়া কাকত মাত্ৰেই তেতিয়া ছৰ্কাৰী দমন নীতিৰ গৰাহত। গতিকেই, তাক প্ৰচাৰ কৰাত বৰ সতৰ্কতা অৱলম্বন কৰিবল গ'ল।

হৈছিল ; তথাপি, ছৰ্কাৰৰ চাউল-খোৱা হোলগোজ কৰ্ম্মচাৰীৰ চকুত ধূলি মাৰি কংগ্রেছ-সেৱকসকলে টিপেটাপে সকলোৰে হাতত দি ফুৰিছিল। "স্বদেশৰ" পিঠিত উঠিঅহা অত্যাচাৰৰ বা-বাতৰিয়ে মানুহৰ আমঠু একালে যিমানেই ক'লা পেলাইছিল, আন কালে সিমানেই আকৌ মনটোঁহত উৎসাহেৰে উথলাই আছিল। ঘৰলোৰোকা পুলিছৰ দৌৰাত্ম্যত "স্বদেশৰ" ছপা-যন্ত্ৰটো ঠায়ে-ঠায়ে লৰুৱাই ফুৰিবলগীয়া হয়। সেইবাৰে অৱশেষত, চলাওঁতাৰ অভাৱত কংগ্রেছ-বুলেটিন "স্বদেশ" খন হঠাতে মৰি থাকিল।


চেয়কুল মোচায়েক

খিলাফটত লাগিল আলিগড় কলেজৰ গ্রেজুৱেট চৈয়দ চেয়কুল মোচায়েক। এওঁ চৰ-ডেপুটী কলেক্টৰ আছিল ; ছৰ্কাৰী কাম এৰি দেশসেৱা-কামত লাগিলহি। তেওঁৰ লগতে চৈয়দ মহিবুল হুচেইন, আবদুল গোফাৰ, ছেখ জয়নুৰ আলি, মহম্মদ হুচেইন আৰু বদৰুদ্দিন আহমদো। অম্বিকাকুমাৰৰ নেতৃত্বত মাধৱচন্দ্র ঠাকুৰৰ দ্বাৰাই স্বয়ং-সেৱকৰ ফৌজ পৰিচালিত হৈছিল। সেই ফৌজৰ ভিতৰত আছিল পুণ্যধৰ চলিহা, মাণিকচন্দ্র ভট্টাচায্য, যজ্ঞেশ্বৰ বৰদলৈ, শিৱনাথ শৰ্ম্মা, জয়কৃষ্ণ দত্ত, বংশীধৰ গোস্বামী, চন্দ্রশেখৰ দাস, টোকেন্দ্র বৰা, বাবুলা গোস্বামী, শিৱপ্রসাদ ফুকন, শশীধৰ দত্ত প্রভৃতি দৰ্ব্বাৰ-ফীল্ড-দৈকলঙীয়া গাৱঁৰপৰা আৰম্ভ কৰি মেটেকা-ঘাটলৈকে গোটেই শিৱসাগৰ নগৰৰ গজলীয়া ডেকা আৰু ছাত্র সমূহ।

শ্রীযুত পদ্মধৰ চলিহা আছিল জিলা-সংগঠক। দলেবলে উৎসাহ উদ্দীপনাৰে এইবিলাক অসহযোগী ডেকায়েই মহকুমাটোৰ গাওঁভুঁইৰোৰ কূলাৰে জৰাদি জাৰিবলৈ ধৰিলে। মাহমৰাত কনকচন্দ্র চেতীয়াই, লক্কাকত বোধেশ্বৰ গগৈয়ে ; বকতাত কমলা বৰুৱা সমন্বিতে ছাত্র সমূহে ; কালুগাৱঁত ইন্দ্রেশ্বৰ চুতীয়া আৰু ডিম্বেশ্বৰ ভূঞাই ; খৰাগড়ত পুনাৰাম গগৈয়ে ; নামতীমুখ-মাহীগাৱঁত যোগকান্ত বৰুৱাই ; নাজিৰাত



গাদরপ্রসাদ চলিহা পৃঃ ২১



বাহিনীকান্ত হাতীবরুয়া পৃঃ ১৭১



দেবেন্দ্র চন্দ্র নাথ পৃঃ ২৬৮

বেদনাথ বৰঠাকুৰ-যাদৱানন্দ বৰুৱাই ; গেলেকীৰ ফালে, শ্ৰীগোপালচন্দ্ৰ সন্দিকৈ বৰুৱা, ইন্দ্ৰ গগৈ, ৰমাকান্ত বৰুৱা, শ্ৰীধনেশ্বৰ গগৈ, শ্ৰীবেণুধৰ বৰুৱা প্ৰভৃতিয়ে ; জাজীত কৃষ্ণনাথ শৰ্ম্মা, চন্দ্ৰধৰ শৰ্ম্মাই ; মাহমৰা—বকতা অঞ্চলত বঙ্গেশ্বৰ বৰঠাকুৰ আৰু পুতেক পদ্মনাথ বৰঠাকুৰ, আৰু যাদৱ প্ৰসাদ চলিহাই ; দিছাংমুখ-দিমৌ-নিতাইপুখুৰীৰ ফালে হৰিনাথ চেতীয়া, পীতাম্বৰ গগে আৰু নিত্যানন্দ কোৱঁৰে ; নৰাগাওঁ-মৰাণগাওঁ-খনামুখ অঞ্চলত কমিছন গাওঁবুঢ়া, পূৰ্ণকান্ত বৰুৱা মহৰী আৰু দেৱানন্দ খাটনী-য়াৰে ; দিখৌমুখ-মিৰিগাৱঁত মামল মিৰি পণ্ডিতে ; কোৱঁৰপুৰত নামতী মুখৰ কমলাকান্ত বৰুৱা আৰু ভগা-মৌজাদাৰ ত্ৰাহীৰাম বৈৰাগীয়ে ; দিছিয়াল-বনগাৱঁত প্ৰেমধৰ হাজৰীকাই ; কমাৰফদীয়াত লোকনাথ দত্তই নিজা নিজা ঠাইৰপৰাই কেউফালে অসহযোগৰ বায়ু বিয়পাই পেলালে। এই সকলৰ উপৰিও অলেখ সেৱক। সদৌ শেহত, লীলাৰাম চলিহা আৰু লক্ষ্মীকান্ত বৰুৱাৰেসৈতে (সোণ্‌টি) এই নিঃকিনে চাৰিওত থাকি ওচৰ-সমীপৰ গাওঁ-ভূঁইবোৰত মহাত্মাৰ বাণী প্ৰচাৰ কৰিলে। শ্ৰীযুত পদ্মধৰ চলিহাই স্বৰাজৰ গীত ৰচনা কৰিলে। সেই গীতবিলাক ইমান সৰৱৰহী হৈছিল যে ডিবুকৰপৰা গুৱালপাৰলৈকে পৰ্ব্বতে-পাষণ্ডে, পথাৰে-সমাৰে, সভায়-সমিতিয়ে, ভাৱনা-সমদলে, হুঁচৰিয়ে-মেজিয়ে তাৰ ধ্বনি হে মুখৰিত হৈছিল। চলিহাদেৱৰ সঙ্গীতে স্বৰাজৰ প্ৰতি বিমনজনৰ মনো গলাই পেলাইছিল। লক্ষ্মীপ্ৰসাদ সিং আৰু তাৰাপ্ৰসাদ সিঙে সমদলে সেই স্বৰাজ সঙ্গীত গাই ডেকা-গাভৰুৰ প্ৰাণত স্বাধীনতাৰ হেন্দোলনি তুলি দিছিল। এইদৰে, আন্দোলনৰ জুইকুৰা যেতিয়া চৌদিশে ধকধকাবলৈ ধৰিলে, সেই জুইত চ'গা পৰাদি আমগুৰিৰ কৃষ্ণনাথ শৰ্ম্মা, মুকুন্তা বৰুৱা বাহাদুৰ, ফটিকচন্দ্ৰ ভূঞা, গঙ্গাৰাম হাজৰীকা, *নামতীৰ দেউকণ মহন্ত, দেওপানীৰ মোহনচন্দ্ৰ শইকীয়া, জীউৰাম সৌকাধৰা আৰু কত কিমানে যে স্ব-স্ব ক্ষেত্ৰত জীৱন মৰণ পণ কৰি কথা মেলি অহা কংগ্ৰেছৰ অহিংস যুদ্ধত আত্ম-বিসৰ্জ্জন দিলে তাৰ অন্ত নাই।

বিলাতী বস্ত্রমেধ যজ্ঞ

সেইসকল অক্লান্ত উদ্যোগী কৰ্ম্মীৰ কৰ্ণধাৰ আছিল জিলা কংগ্রেছৰ সভাপতি ৺লক্ষ্মীকান্ত বৰুৱা। এওঁক "মাখন উকীল" বুলিলেহে সকলোৱে চিনি পায়। 'প্রহ্লাদ উকীল' জেললৈ যোৱাৰ পিছতে "মাখন উকীলে" সভাপতিৰ গাদীখন কানপাতি লয়। আন্দোলনৰ আৰম্ভতে, বিলাতী কাপোৰ পোৰা-সময়ত লক্ষ্মীকান্ত বৰুৱায়েই সৰাতকৈ আগেয়েই আগভাগ লৈছিল। শিৰসাগৰৰ কাছাৰী-মুখত পোনেই বিলাতী বস্ত্রমেধ যজ্ঞ পতা হয়। তাতে, যাৰ-যাৰ গাত বিলাতী কাপোৰ আছিল, সকলোৱে দাহ কৰিলে। উকীলৰ ভিতৰত দুজনে নে এজনে হে, বিলাতীৰ মোহ এৰিব নোৱাৰি সিৰিলাকৰ 'গাউন-পেণ্ট নোপোৱাকৈ ৰাখিলে। সৰহ ভাগেই নতুন-নতুন দামী কাপোৰ-কানিও পুৰি ছাই কৰিলে। এই বিলাতী কাপোৰ দাহৰ বাতৰি শুনি নিলগতীয়া গাওঁবিলাকতো তেনেকুৱাকৈ বস্ত্রৰ দাহন হবলৈ ধৰিলে। কাপোৰ পোৰাৰ লগে-লগেই কংগ্রেছৰ বৰ-ঘৰটো মাখন উকীলে মকৰা-জালৰ দৰে ছাটি পেলালে আৰু চেলেকা-চুৰুৰা হৈ থকা কংগ্রেছ-কমিটীবোৰ একে-নলীয়ে-পানী-যোৱা-যেন আঠাৰে অঠীয়াই পেলালে।

বাইজৰ নিকপকপীয়া মনোভাব

কিন্তু, প্রায়ভাগ মানুহৰেই মন মহাৰাণী (ৰুটিছ)-শাসনৰ প্রতি ঢালখোৱা। বিশেষকৈ, গাৱঁলীয়া মানুহৰ দৃঢ় বিশ্বাস আছিল যে মহাৰাণী ভিক্টৰীয়াৰ শাসনৰ নিচিনা শাসন আৰু ক'ত হব? তেওঁ-বিলাকে ভাবিছিল, মহাত্মা গান্ধী ওলাইছে ধান-খোৱা পোক গান্ধীৰ দৰে দেশখন চুঁচি নিবলৈ। তাতোকৈও এটা প্রতিকূল ভাব সোমাই-ছিল—গান্ধীয়েই হেনো ভগৱন্তৰ কল্কী অৱতাৰ; এওঁ দেশখন ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰিব খুজিছে। এনেবোৰ মনোভাবত কোনোবাই বিপৰীত ভাৱে টোকৰ মৰা গম পালেই ধৰ্ম্মত মতি থকা হোজা ধৰ্ম্মভীৰু বাইজ জিকাৰ খাই উঠে। এনেয়ে মহাৰাণী নামত বিভোৰ, তাতে

আকৌ কানি ৰঙবিহুৰ ৰাগীত পৰি ভোঁ হৈ থকাত তেওঁবিলাকৰ ভাবিৰ পৰা শক্তিও লোপ পাইছিল। ৰঙশীৰ টোপেই যে অজলা মাছৰ মৰণ, এই কথাৰ ভূ তেওঁবিলাকে ৰঙকৈ পোৱা নাছিল। কংগ্ৰেছকৰ্ম্মীৰ বাধা-বিঘিনিও আছিল অসংখ্য। কোনোবা এজন কৰ্ম্মীয়ে কিবা এটা ভবিষ্যতৰ সুমঙ্গলীয়া কথা কৈ অহাৰ পিছতেই ছৰ্কাৰৰ ভেৰোণীয়া কৰ্ম্মচাৰী একোজন গৈ অমঙ্গল সূচোৱা কথা কৈ কৰ্ম্মীজনৰ সকলো চেষ্টা ভ্ৰষ্ট কৰি দিয়েগৈ। সেই নিমিত্তে, স্বৰাজৰ ফেঁহুজালি দিওঁতেই যিটো দুখেৰে পৰাধীনতাৰ শিলনি তৰপে-তৰপে ভাঙিব লগীয়া হৈছিল তাক স্বাধীন হোৱাৰ পিছত কল্পনালৈকে আনিব নোৱাৰি। অস্ত্রশস্ত্র নোহোৱাকৈ অহিংস ভাৱে যুঁজিলে এবছৰৰ ভিতৰতে ইংৰাজ-ৰাজত্বৰ আধ্যা পৰিব— মহাত্মাৰ এনে মত আৰু বিশ্বাস পিয়াহদঁতীয়া হলেও, সেই মতলৈ ৰাইজৰ মন ঘোৰোৱাটো সঁচাকৈয়ে খোজকাঢ়ি পৰ্ব্বত লঙ্ঘন কৰাৰ নিচিনা প্রায় অসম্ভৱেই আছিল। তথাপি, সেইদিনত স্বৰাজ-সেৱীসকলে এনেকুৱাকৈ লেকাতলগা পৰিশ্রম কৰিলে যে তাৰ ফলত অসম্ভৱো সম্ভৱ হৈ উঠিল। প্রত্যেক কথাটোতে আগভেটি ধৰা হেঙাৰ অতিক্রম কৰিবলৈ স্বৰাজকৰ্ম্মী ইমানকৈ চিন্তাত বিব্রত হব লগীয়া হৈছিল যে স্বাধীনোত্তৰ দিনত, তেনে ভাবে চিন্তা কৰা অসমীয়া মূৰ এটা পোৱাও অতি বিৰল বুলি কলে বঢ়াই কোৱা নহয়। বৈপ্লৱিক আন্দোলনটো কাগজপত্রৰ চুক্তি-সন্ধিলৈ ৰূপান্তৰ কৰাৰ ফলত স্বতঃপ্রণোদিত হৈ স্বৰাজ পাতিবলৈ যোৱা আকাঙ্ক্ষাটো ফুলতে মৰহি গল।

মাহমৰা-খালৈঘোগোৱা—এই মৌজা দুটা দোপাট কানীয়াৰেই চোং আছিল। কানি এফউৱা ভলণ্টিয়াৰ তাত সোমোৱা নিষেধ। কাৰণ, কংগ্রেছ-ভলণ্টিয়াৰ পালেই কানীয়া ভকতসকলে সিহঁতৰ পিঠিত ঔ পাৰে আৰু হাটে-বজাৰে পাৰেমানে তিৰস্কাৰ কৰে। সেই মৌজাতেই ৰনমালী চাহ-বাগিছা। তাৰ স্বত্বাধিকাৰী মেনেজৰ আছিল শ্রীযুত যাদৱপ্রসাদ চলিহা ৰি, এছচি। তেখেতৰ কাঠফলা কলৰ শাল এখনো আছিল। এখেতে, কোনো প্রকাৰে উলমূলাই-উলমূলাই সিহঁতৰ মাজত

সোমাই কানিৰ অপকাৰিতা-কথা বুজাবলৈ ধৰিলে। বাগিছাৰ বন্ধুৱা পঠিয়াই গাৱেঁ-গাৱেঁ কানি খাবলৈ এৰিব লাগে বুলি প্ৰচাৰো কৰালে। পদ্ম বৰঠাকুৰ প্ৰভৃতিৰে—কনক চেতিয়াকো লগত লৈ গহীন গম্ভীৰ ডেকা চলিহাদেৱেই শিৱসাগৰৰ ভিতৰত আটাইতকৈ পাছ পৰা অঞ্চলটোত পোন-প্ৰথমেই জাতীয়তাৰ বীজাণু সুমাই দিয়ে। বৰ-চহকী গাৱঁৰ ধৰ্ম্মেশ্বৰ ফুকনদেৱেও তেওঁবিলাক দুজনৰ লগত গা-লাগি কাম কৰাত দেওধাইসকলো বিলাতী কাপোৰ নলবলৈ দৃঢ়প্ৰতিজ্ঞ হল।

ভুবন গগৈৰ কীৰ্ত্তি আৰু শ্ৰীযুত প্ৰিয়নাথ বৰুৱা

জেললৈ যোৱাৰ আগেয়ে, ভুবনচন্দ্ৰ গগৈদেৱে নগৰৰ ঘৰ এৰি বকতা-পাটসাঁকোত বিশ্বকৰ্ম্মা অথাৎ বাঢ়েয়ালি পঢ়াশালি এটা (টেকনিকেল স্কুল) পাতি তাতে থাকিবলৈ লৈছিল। তেতিয়াই তেওঁৰ লগতে, ম'ৰাবজাৰ মৌজাৰ উদ্যোগী কৰ্ম্মী প্ৰিয়নাথ বৰুৱাও আছিল। চলিহা-চেতিয়াই আন্দোলনটো পক ধৰোৱাৰ পূৰ্ব্বেই গগৈ-বৰুৱাই পাটসাঁকো, বকতা, ভাধৰাত সভাসমিতি পাতি মানুহৰ অবৈয়া মনটোহঁত কোমলাই সমাৰি থৈছিল। তেতিয়া বক্তৃতাৰ বিষয় আছিল—শিক্ষা আৰু স্বাৱলম্বন। গগৈদেৱক গ্ৰেপ্তাৰ কৰাৰ পাছৰপৰা হে অসহযোগী-মনোভাব বিস্তাৰ হবলৈ ধৰিলে। প্ৰিয়নাথ বৰুৱাই তেওঁৰ গুৰু গগৈদেৱৰ আদৰ্শকে গ্ৰহণ কৰি বছৰদিয়েকৰ মূৰত চামগুৰিত এটি বিদ্যালয় পাতি ছাত্ৰ আৰু ওচৰচুবুৰীয়া সকলোকে অসহযোগৰ প্ৰেৰণাৰে স্বৰাজমুখীয়া কৰিলে। বৰ্ত্তমান, শিৱসাগৰত অসম পলিটেক্‌নিক নামে যিটো শিক্ষালয় আছে সেইটোৱেই গগৈদেৱৰ অকলশৰীয়া চেষ্টা আৰু অতুলনীয় ত্যাগৰ নিদৰ্শন আৰু সেইটোৱেই গগৈদেৱৰ কীৰ্ত্তিস্তম্ভও। তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত অজিতচন্দ্ৰ গগৈয়ে আজিও তাক জলমলাই ৰাখিছে। বকতাত শিক্ষালয়টো পোনেই পাতোঁতেই তাত পঢ়িঅহা ছাত্ৰৰ ভিতৰত মূৰ জিলিকা হৈ উঠিল শ্ৰীযুত তৰুণচন্দ্ৰ বৰুৱা। এওঁ

পাছলৈ এজন প্ৰসিদ্ধ অহিংস অসহযোগীয়েই হ'লগৈ। ভুবনচন্দ্ৰ গগৈৰ অনুপ্ৰেৰণা লাভ কৰিয়েই তৰুণ বয়সাই ৰাৰ্দ্ধাত শিক্ষা লাভ কৰি আজিকোপতি একপ্ৰকাৰে নহয় একপ্ৰকাৰে, অত্যন্ত আন্তৰিকতাৰে দেশসেৱা কৰি আছে।*

প্ৰিয়নাথ বৰুৱা

এওঁ

১। ১৯২২ চনৰ জানুৱাৰীত মহাত্মাৰ আহ্বানত কলেজ পৰিত্যাগ কৰি প্ৰথম বাৰ্ষিকতে শিক্ষা সাং কৰে।

২। সেই চনতে, পুলিচে সোধাত নাম নোকোৱা-বাবে এমাহ জেলত থাকে।

৩। ১৯২৪ চনৰ ৺ভুবনচন্দ্ৰ গগৈদেৱৰ সোঁহাত ৰূপে প্ৰচাৰ কাৰ্য্য কৰে।

৪। ১৯৩০ চনত ৺নৱনাথ শৰ্ম্মাৰে লগ লাগি কানি দোকানত পিকেটিং কৰা বাবে ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

৫। ১৯৩ -৩৪ চনত চামগুৰিত ইংৰাজী স্কুল পাতে।

৬। ১৯৪১ চনত, সত্যাগ্ৰহ কৰা বাবে ৪ মাহ ফাটেক হয় আৰু হাতে-কঁকালে বান্ধি কেইবাটাও জেলত ঘুৰাই লৈ ফুৰায়।

৭। ১৯৪২ চনৰ গণ আন্দোলনত ২½ বছৰ যোৰহাট জেলত আটক বন্দী হৈ থাকে।

ঘৰৰ লৰা ঘৰলৈ আহি

(খ)

সমাজৰ লগত পিঠিয়াপিঠি

এবছৰতে স্বৰাজ পোৱাৰ আশাত ভোল গৈ গ্রেজুৱেট হোৱাৰ পকা-কড়িটো অর্থাৎ পকিবলৈ ধৰা কড়িটো কাটি পেলালোঁ আৰু দেশোদ্ধাৰৰ ব্রত বুকুত বান্ধি কলিকতাৰপৰা চাৰিওত সোমালোঁহি। সোমাই চাওঁ দেখোন—ক'লা-কাউৰীৰ মাজত মই বগা-কাউৰী ওলালোঁহি। যিখন গাৱঁত উপজি ডাঙৰ-দীঘল হৈ গলোঁ, সেইখন গাৱেঁই মোৰ মানত আচহুৱা-আচহুৱা লাগিবলৈ ধৰিলে। ফুৰা-চকা, কথা-বতৰা, খোৱা-বোৱা একোটোতে মন নবহা হল। সমাজৰ লগতো অৰি-ষড়ষ্টক —কাৰো লগত বাঁহি নাহে। ভাবি চালে, নাহিবৰ কথাই। বাহী-গাই জল গ্রহণ কৰিলে যি ঠাইত পৰাচিত লাগে, তাত শুই উঠি বাহী-মুখতে চাহপানী খাবলৈ বিচাৰোঁতে, নৱগুণধাৰী ব্রাহ্মণৰ লৰাই ষট-কর্ম্মশালী নহৈ ব্রহ্মবাদীৰ আচৰণ কৰোঁতে, বিহা-মেখেলা বেয়া বুলি বঙলুৱা শাৰী ভাল বোলোঁতে, চুৰিয়াখন মেৰাই মেখেলাকৈ পিন্ধিলেই মুছলমান নহয় বুলি উলটি ধৰোঁতে, মোমাই-তামূলী বৰবৰুৱাই পাতি থৈ যোৱা সমাজত এনে এজন কোনো নাছিল যি সেইবোৰ কার্য্য অধৰমীৰ অন্তপালি বুলি নকৈ নেৰিছিল। এই দৰে ন-পুৰণি ভাবৰ লগত ঠেকাঠেকি লগা বাবেই কলেজ-ঘেলোৱা লৰাৰ লগত আমাৰ পুৰণি সমাজৰ সদায় পিঠিয়াপিঠি—সদায় তেলপানী সম্বন্ধ। ১৯২১ চনলৈকে ইংৰাজী শিক্ষা আৰু ইংৰাজৰ আদর্শই আছিল গাৱঁলীয়া মানুহৰ লগত হলিগলি হোৱাৰ প্রধান অন্তৰায়। মহাত্মাই যেনিবা চকুৰ চামনি কাটি সেই অন্তৰায় গুচাই দিলে।

তথাপি, গাৱঁৰ মাজত কংগ্রেছৰ কাম কৰা মোৰ পক্ষে ভালুকৰ সাঙ্গী হোৱাদি হল। যাৰ সহযোগ বিচাৰি ছৰ্কাৰৈসৈতে অসহযোগ কৰিবলৈ

ওলাইছোঁ তাৰ লগতেই দেখোন অসহযোগ! শুনিছিলোঁ, তিনটা কথা বোলে বৰ টান—বজাৰ আগত কথা কোৱা টান, মদাৰ গছৰ পাণ পৰা টান আৰু কাৰৈ-মাছ বছা টান। এতিয়া দেখিলোঁ—ইংৰাজী পঢ়ি বঙ্গহৰ লগত মঙ্গহ মিলোৱা তাতোকৈও টান।

ভালেমান দিন পকা-আলিত ফুৰি, বিজুলীবস্তিৰ পোহৰ লৈ, বাৰেবিধ মছলা-দিয়া বঙলুৱা আঞ্জাৰে জিভাৰ জুতি লগাই, শোটমোচ নোহোৱা ধোবাইধোৱা কাপোৰ পিন্ধি ভব্যগব্য হৈ ফুৰাৰ পাছত, বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ থাকিবলগীয়া হোৱাত, আই-মাতৃয়ে বন্ধা কচু-ঢেকীয়াৰ ঢেংঢেঙীয়া পানীৰেই ভোজনত কচি লগাব লগীয়া হোৱাত, মনত সদায় কিবা-এটা-নহয়-কিবা-এটা খৰৌ-খজৌ লাগিয়েই আছিল। এনেতে, সুবুদ্ধিটো ক'ৰপৰা ওলাল কব নোৱাৰোঁ, মোৰ অভিৰুচি নিমিলিল বুলিয়েই যে মই-বৰ-ভাব লৈ ৰাইজখনৰ লগত তহঁতো এটা—ময়ো এটা হৈ থাকিম সি-কথা কেতিয়াও হব নোৱাৰে। সহস্রজন যেনি যায়, মইও তেনিয়েই যাব লাগিব। তেজ ধুলে উটে, মঙ্গহ ধুলে, মুটে বুলি এনেয়ে কৈছে নে? এনেবোৰ আগম-পুৰাণ ভাবি-চিন্তিয়েই স'লে মলে, ডৰিকে বেঙেনাই মিলা-দৰে দেশৰ ৰাজহাড় গাৰঁলীয়া ধৰ্ম্মৰ লগতে লীন গলোঁ। প্রতিজ্ঞা কৰিলোঁ, "হয় তৰিম, নহয় মৰিম। হয় অসহযোগেৰে স্বৰাজ লভি দেশ উদ্ধাৰ কৰিম, নহয় ৰাইজৰ সহযোগেৰে গাৰঁকে বৰনগৰ পাতিম"। এই প্রতিজ্ঞা কৰিয়েই অলক্ষ অহিংস-যোদ্ধাৰ লগত লৰিবলৈ ওলালোঁ। অর্থাৎ কংগ্রেছত সোমাই অসহযোগ আন্দোলনৰ প্রচাৰ কৰিবলৈ ধৰিলোঁ।

আমাৰ এচুকীয়া ঠাই, অথচ, সকলো সম্প্রদায়ৰে টোকোৰা-বাহ চাৰিওতে আন্দোলনটোৰ কঠীয়া সিঁচিবলৈ পোৱা বাবে আজিও আনন্দত মোৰ বুকুখন ওফন্দি আহে আৰু সবল সহযোগী কৰ্ম্মীসকললৈ মনত পৰি বেজাৰো লাগে। কিয় নো, ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা যি স্বাধীনতা ঘোষণা কৰা হল, তাৰেই কেঁও ফুটিছিল ১৯২১ চনৰ অসহযোগ আন্দোলনত। '২১ অৰ আলম নোলোৱাকৈ, মাজতে ধৰি, '৪৭অক

স্বাধীনতা-ডঙ্কাৰ বাজন তুলিব পৰা নাই। ১৯২১ চনতে চাবিওৰ দৰেই লাখ-বিলাখ গাৱঁলীয়া বাইজ ফুকলি মাৰি নোলোৱা হলে, ১৯৪৭ চনত কেতিয়াও ভাৰতীয় সংহতি স্থাপন কৰি স্বাধীনতাৰ প্ৰাচীৰ বান্ধিব পৰা নহলহেতেন। সিবিলাকৰ লগতে বৃটিছ-কৌৱৰৰ চাউল খাই গান্ধী-পাণ্ডৱৰ গুণ গাওঁতাও আছিল অলেখ। তাৰো কতজনে যে লুকাই-চুৰকৈ কংগ্ৰেছৰ গলধন ধৰালে, তাৰে বা কি অন্ত আছে? আজি সেইসকলৰ লেখ-বুজ, বা-বাতৰি লওঁতা কোনো নাই। লৰলগীয়া যি সকল আছে সিও মদাৰ ফুল—গুকতো নেলাগে ভকততো নেলাগে; নতুনৰ মোহে সকলোকে পাহৰাই পেলালে। সেই হে বেজাৰ লাগে সিসকলে কেনেকৈ—

"নিজৰ কপাল-দোষে সীমাৰ বাহিৰে
এখোজকো নোৱাৰিলে দিব,
জীৱন উচৰ্গি কোনো মহৎ কামত
নোৱাৰিলে সুনাম অৰ্জিব।
তথাপি থাকিব নাম নিজৰ গাৱঁত
লগৰীয়া সবে নেপাহৰে
আমাৰ লগৰে তেওঁ আছিল এজন
জগতক কব উলাহেৰে।" শ্ৰীযতীন দুৱৰা।

চাৰিওৰ পৰিস্থিতি

ৰাতিপুৱা কাউৰিয়ে কা কৰিল মাত্ৰকে, জা-জলপান যি এমুঠি পাওঁ, তাকে খাই গাওঁ ফুৰিবলৈ ওলাওঁ। মানুহৰ ঘৰলৈ অহাযোৱা বাট-পদুলি নাই। আলিৰ নামত আছিল কেৱল নগা-আলিটো। যিবা বাট একোটা আছিল সিও গৰু বাটৰ নিচিনা, কাতিমহীয়াও পঙ্কাকুল, বাৰিষা যে ঠায়েই নাই। আলিছিগাবোৰত পানীও আঠুৱনীয়া দ, বোকাও লিকটীয়া। তথাপি, তাকে গচকি ঘৰে-ঘৰে মহাত্মা, কংগ্ৰেছ আৰু অসযোগৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলোঁ। একোঘৰ মানুহৰ ঘৰলৈ সোমাবলৈ হলে কিমান যে জেওৰা-জপনা পাৰ হবলগীয়া হয়, তাৰ লেখ দিব নোৱাৰি। সেইবোৰৰ অঘৈয়াত লাগি চুৰিয়া-কপোৰ ফটাৰো সীমা নাই। গান্ধীটুপী লগা মানুহ দেখিলেই (তেতিয়া গাৱঁত গান্ধীটুপী ওলোৱাই নাছিল) ৰৌ-ৰৌ কৰে কুকুৰে যি ভুকিবই নে, গাৱঁৰ ডেকাডুমা লৰাছোৱালীবোৰেও বেঢ়ি-বেঢ়ি ফিচিঙাফিচিং কৰিব। হৰি-সমুখ হোৱা ভকতসকলে গান্ধীৰ নামত জুইতো কুটা এডাল নিদিয়ে। গান্ধী ভলণ্টিয়াৰৰ গতিগোত্ৰ দেখিয়েই সেইসকলে গান্ধীক পোৱাস্থান (কালাপাহাড়) বুলি ভাবিছিল। ভলণ্টিয়াৰ দেখিলেই কানীয়া ভঙুৰাই খঁৰা-দা লৈ কাটিবলৈ খেদি আহে। কানি-দোকানত পুলিচ, মৌজাদাৰৰ ঘৰত পুলিচ, অইন কি, কেঞাঘৰতো পুলিচ। চি. আই. ডি. অফিচাৰে গান্ধীটুপীৰ ছাঁও খেদি ফুৰিছিল। চি আই ডি অৰ্থাৎ "মই তোমাক দেখিছোঁ" বোলা বিধৰ ছৰ্কাৰী গুপ্তচৰে চোৰাংগিৰি কৰি কোন-কলৈ-গৈছে দিনে দিনে জিলাৰ ছাহাবলৈ বাতৰি দি আছিল। আমাৰ যানবাহনো নাছিল। থকা হলেও চলোৱা অসম্ভৱ। তেতিয়া মটৰ গাড়ীৰ কথাকে নকওঁ, বাইচাইকেলেই ওলোৱা নাছিল ; যদিও ওলাইছিল সিও কেৱল নগৰত হে। গতিকেই, পদব্ৰজেই

ভ্রনণ কৰিবলগীয়া হৈছিল আৰু আঁতৰৰ গাৱঁলৈ যাওঁতে টালি-টোপোলাবোৰ এচলীয়াকৈয়ে কানত ওলোমাই নিব লাগিছিল।

মোৰ সাৰথি কাপ্টান সোমৰৰ

এদিন কলৈ-যাম-কি-কৰিম বুলি ভাবি আছোঁ। বাহিৰত সিমসিমীয়া হিম পৰিছে, ভিতৰতো পাতলীয়া জাৰ। এনেতে, হঠাৎ হৃষ্টপুষ্ট হটঙা ডেকা এটি আহি উপস্থিত। ডেকাটিৰ ঘৰ চমাৰ গাৱঁত; চমাৰ গাৱঁত হলেও সি চমাৰ নহয়। ৰজাদিনত সেই ঠাইত চমাৰ আছিল দেখি গাওঁখনৰ নাম চমাৰ হল। তাৰ গাত এৰিয়া কাপোৰ এখন। ডাঢ়ি-গোফ ঠুঁটিয়াইছে—বয়সত গজলীয়া হলেও, ওখই-পাখই গোটেইটো চক্ষল মুনিহ। পিন্ধা চুৰিয়াখন পুৰণি; শেলুটো হলে মখ্‌মলৰ। লৰাটো যে আটকধুনীয়া, বুজিবলৈ বেছি পৰ নেলাগিল। নাম সোমৰৰ; মখ্‌মলৰ শেল দিয়া অৰ্থাৎ চিমলাই চুৰিয়া পিন্ধে দেখি সকলোৱে তাক মাতে চিমলাই বুলি। সি আহি পোনেই মুঠিৰপৰা ভাঙৰ চিলিম এটা উলিয়াই মোক কুঠাৰ এখন খুজিলে। কুঠাৰখন উলিয়াই দিলত, সি "জয় মহাত্মা গান্ধী কী জয়" বুলি পূৰ্ণহুতীয়াকৈ কুঠাৰখন দাঙি চিলিমটো একে ঘাপেই বলি দিলে আৰু, তৎকালেই আমগুৰিৰপৰা তাৰ আগৰটো দেওবৰীয়া হাটত কিনি অনা সৰৰ-ন চিমলাই চুৰিয়াখন চাঁত কৰে ফালি দুছিৰা কৰিলে।

'ক'ৰবাত ভাং খাই এইখন বলিয়ালি কৰিছেহি' বুলি ভাবি তাৰ কথালৈ পোনতে ৰবকৈ মন দিয়া নাছিলোঁ। অলপ বেলিৰ মূৰত, তাৰ মুখত গহীন-গহীন আঁতলগা কথা শুনিবলৈ পাই হে ভাবিৰলৈ বাধ্য হলোঁ। "সোমৰৰৰ গাত গান্ধী লম্ভিলে, হয়।"

সোমৰৰ ৰৰ লেখা-পঢ়া জনা লৰা নহয়, ৰৰ টাটক-নাটক কথাও নেজানে। সাধাৰণতে, গাৱঁলীয়া লৰাৰ দৰে সিও ধিত্তিঙালিকৈয়ে ফুৰে। কিন্তু, মুখমৰাত হলে দুষ্টৰ শিৰোমণি। কিন্তু, মহাত্মাৰ নামত কি কালিকা আছিল কব নোৱাৰি, কাপোৰ-চিলিম উচৰ্গা কৰিয়েই

সোমৱৰটো তেনেই ধীৰ, সাত্বিক, উপস্থিত বুদ্ধিভৰা, বিবেকী পুৰুষটো হৈ পৰিল।

আমাৰ ঘৰতে খুৰাইবুৰাই লগতে তাকো লৈ ওলাই গলোঁ।—কংগ্রেছ-মেম্বৰ আৰু তিলক-স্বৰাজ্য ভঁড়াললৈ দান বিচাৰি। পদুলিমুৰ পাৰ হৈয়ে সি "মহাত্মা গান্ধী কী জয়"-ৰৱত গোটেইখন টাল্‌ফাল লগালে। আমাৰ ঘৰৰপৰা অল্পমান গৈয়ে খনিকৰ গাওঁ। সেই গাৱঁৰ পুনাই খনিকৰৰ ঘৰৰ আগ পাইছোঁগৈ, এনেতে দেখিলোঁ।—পানীপোতাৰপৰা চোঁতালৰ মূৰলৈকে জোৰাই গাভৰু ছোৱালী এজনীয়ে কাঢ়নীৰে তাঁতবাটিৰ সূতা অনিয়াইছে। সোমৱৰক তাই আগৰেপৰা চিনি পায় আৰ দেখিলেই জোকায় ও। তাক জয়ধ্বনি দি যোৱা দেখি ছোৱালীজনীয়ে পেংচালি কৰি সুধিলে, "হেৱ' চিমলাই, তই যে টেটু ফালি চিঞৰি ফুৰিছ, স্বৰাজ নো কাহানিকৈ পাবি?" স্বৰাজবলিয়া সোমৱৰে টপৰাই তাইক মুখি থলে "আইটী অ,' তোকে যেনিবা এতিয়া নিওঁ বুলিলোঁ, নিওঁ বুলিলেই নিব পাৰিম জানো? তয়ে বা যাবি? আজি লংটো, কাইলৈ ডালচেনিকণ, পৰহিলৈ জাকিত চোলা এটা, চৌথাদিনালৈ গান্ধ তেল একণ দিলে হে তোৰ মনটো ঘূৰিব হবলা? তাৰ পাছত হে, তই যোৱা-নোযোৱা কথা।" সোমৱৰৰ কথাকিষাৰ শুনি ছোৱালীজনী কোঁচ খাই গল—যেন জোকৰ মুখত চূণ হে পৰিল। ধিতিঙা, চেলেপু সোমৱৰটো নো ইমান বুদ্ধিৰ সাগৰ কেনেকৈ হল, ভাবি অবাক!

মোখোৰ বুলি খৰেখোৱা ভঙুৱা এটা আছিল। সি একোপধ্যেই ভাং নোখোৱাকৈ থাকিব নোৱাৰে। ভাং খালে হেনো খৰৰ খজুৰতিৰ-পৰা বৰ সকাহ পায়। সেই দেখি, কোনোবাই ভাং এৰাৰ কথা কলেই সি মৰিব পাৰে। এদিন আগবেলাতে, মৰণা এটা ফুৰাই মনৰ সুখেৰে ভাঙৰ ছাট এটা মাৰিছে, এনেতে সোমৱৰ গৈ ওলালগৈ। সোমৱৰে মিনতিকৈ কলে, "হেৱা, মোখোৰ কাইটি, ভাং আৰু নেখাবা; ভাং খোৱাৰ ভিকাচন ভাগিল। মই হেন গাঞ্জাৰীটোৱেও

ভাঙৰ চিলিম বলি দিলোঁ। বোলোঁ, পাবোঁতে, মোখোৰ কাইটি পাবোঁতে ?

মোখোৰে ভাবিলে—এইবোৰ সোমবৰৰ ভাং-একউৰা কাংচালি বুদ্ধি হবলা। এই বুলি সি উচাট মাৰি উঠিল আৰু ওখোন ডালেৰে সোমবৰৰ গাতে মাৰ মাৰি দিলে। সোমবৰে বৰ আস্তিকেৰে কবলৈ ধৰিলে, "বাৰু, কাইটি, ভাং নেবোঁ বুলিছা, নেলাগে এৰিব। পাছে, এদিন হলে এৰিবগৈ লাগিব দেই। কলোঁ একা। মাহাত্মা গান্ধী মানুহ নহয়, সাক্ষাৎ মহাদেউ। তেওঁ একে লেথাৰিয়ে ছমাহ ভাং হুঁপি থাকে। ছমাহেও ভাঙৰ ধোঁৱা মুলিয়ায়—পেটতে ভৰাই থয়। ছমাহৰ মুৰ পৰিলে হে ফচ্ কৰে ধোঁৱাখিনি একে লগে ফু মাৰি উলিয়াই পঠিয়ায়। তুমি জানো সেই দৰে গিলি থব পাৰিবা ? গান্ধীৰ মানত তুমি-আমি কোন কুতা ? তেওঁৰেসৈতে ফেৰ মাৰিব পাৰা যদি, ভাং খোৱাঁ, যদি হে নোৱাঁৰা, বসতে নাম থৈ এৰি দিয়াই ভাল, বুইছা ! এতিয়া মোক খং কৰিলে কি হব ? মোৰ বোধেধৰা কথাটো হে তোমাক কলোঁ। তুমি বাৰু, কথাষাৰ বিৰলে ভাবি চাবাচোন।"

শুনিলোঁ, দহদিনমানৰ মুৰত মোখোৰেও ভাং খাবলৈ এৰি দিলে আৰু শুদ্ধ নিভঙুৰা ভকতটো হৈ সোমবৰৰ লগতে "ভাং-কানি নেখাবাইঁক" বুলি মানুহক, মাছ মাৰিবলৈ যাওঁতে, হাট-বজাৰলৈ যাওঁতে কৈ ফুৰিবলৈ ধৰিলে।

এই সোমবৰেই মোৰ "জোনৰ আগৰ সাৰথি তৰা" হোৱাদি হল। সিয়েই মোৰ আলধৰাও, দিহাবুদ্ধি দিওঁতাও, আগৰণুৱাও, চোৰাংচোৱাও, হৰিভকতো—সকলো। তাৰ যহতেই হে মঁাবাজাৰ মৌজাত পোন-প্রথমেই অহিংস-অসহযোগৰ কঠীয়া সিঁচিব পাৰিলোঁ।

অসহযোগৰ বু-ৰু-বা-বা

আমি গাৱেঁ গাৱেঁ ঘৰ-নিবন্ধুৰে ফুৰি-ফুৰি কংগ্রেছ-মেম্বৰ কৰিলোঁ। হয়, পিছে, কোনো এজন মানুহেই গা-দেখুৱাই কাম কৰিবলৈ ওলাই

নাহে। নামঘৰে-নামঘৰে, গছৰ তলে-তলে সভাসমিতি পাতি, মহাত্মাৰ মাহাত্ম্য, কংগ্রেছৰ বাণী আৰু অহিংস অসহযোগৰ কাৰ্য্যপদ্ধতি বুজোৱা হয় যদিও, সকলোৱে কথা শুনি মূৰ দুপিয়াই কেৱল শলাগে হে— হাতে-কামে লাগিবলৈ আগ বাঢ়ি নাহে। মানুহৰ ভয় আৰু গেৰো-গেঁথো ভাব দেখি কেতিয়াবা-কোতিয়াবা পেপুৱা লাগিছিলোঁ, সেই বুলি কান্ধ পেলাই দিবলৈ নহল।

পুৱাৰাম গগৈ আৰু "ৰাম কমাৰৰ শাল"

বাৰুৱতি গাৱঁৰ পুৱাৰাম গগৈৰ ঘৰলৈকে প্ৰায়েই যাওঁ। তেওঁ আছিল তছিলদাৰী আমোলত মণ্ডল-কাম কৰা মানুহ ; গাৱঁৰ ইবিলাক-তকৈ অলপ বিজ্ঞ। ধৰ্ম্মপুথি পঢ়া আৰু দেশৰ ভু-ভা লোৱাতো অলপ ৰাপ থকা। তেওঁৰ ঘৰতে কমাৰ-শাল আছিল। পুতেক ৰামৰ নামে শালৰ নাম আছিল 'ৰাম কমাৰৰ শাল।' বহুত দূৰৈৰপৰা মানুহে তাত দা-কটাৰী গঢ়াবলৈ গৈ বাৰভচহু মেল মাৰি বহি থাকে। সেই "ৰাম কমাৰৰ শালতে" মইও 'অসমীয়া' কাকতখন মেলি দেশৰ বা-বাতৰি শুনাওঁ আৰু কেতিয়াবা বেজবৰুৱাৰ "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" আৰু 'বাঁহী' খনো পঢ়োঁ। তেওঁৰ ঘৰত বহুত ম'হ। সেই ম'হ ৰখিছিল সৰুটো পুতেক নাৰায়ণে—জকাইচুক পথাৰতা জকাই-চুকৰপৰা আহিয়েই নাৰায়ণো আমাৰ কমাৰশলীয়া মেলত বহেহি। তাত গান্ধী-কথাকে আদি কৰি যিবোৰ কথা পাতোঁহঁক সেই এটাইবোৰ গুৱালজনে নি জকাইচুকৰ ম'হখুটিত মেলেগৈ। এইদৰে বাৰুৱতি গাৱঁৰ কমাৰশালৰপৰাই গান্ধীৰ কথা সহস্রমুখী হৈ ওলাই যায়।

যদু, টেপু, কৃষ্ণাই

পুৱাৰাম গগৈ প্রাক্তন মণ্ডলৰ ঘৰত পোন-প্রথম কংগ্রেছৰ থানিকা পতাৰপৰা লাভ এইটোৱেই হল যে তাতেই আমি জয়ে-জয়ে তিনিজন ভলণ্টিয়াৰ পালোঁ। তিনিউজনেই আপোন-ইচ্ছাতে কংগ্রেছৰ সভ্য হৈ অসহযোগৰ কামত লাগিবলৈ অঙ্গীকাৰ কৰিলে। সেই কিজন

ছৈছে, খামোনৰ ঘৰৰ যদুনাথ হাজৰীকা, পুৱাৰামৰ ভতিজাক টেপুৰাম গগৈ আৰু পুতেক কৃষ্ণকান্ত গগৈ।

যদু হাজৰীকাই কোনোবা বাগিছা এখনত কাম কৰিছিল। অসহযোগৰ ধ্বনিয়ে তেওঁক কামৰপৰা এৰুৱাই আনিলে। হাজৰীকাৰ মনটো সিজা—মাতৃভূমি, মাতৃভাষাৰ সেৱা কৰিবলৈও বৰ ধাউতি। বাৰুৱতি গাৱঁৰ নিচিনা (তেতিয়া) পাছ-পৰা গাওঁ এখনত তেৱেঁই হে অসমীয়া আলোচনী কাকতৰ গ্ৰাহক আছিল। তেৱেঁই প্ৰথমতে কংগ্ৰেছৰ প্ৰতিজ্ঞা-পত্ৰত চহী কৰি বাট দেখুৱাই দিলত হে ই দুজনো নিঃসঙ্কোচে কংগ্ৰেছৰ সভ্য ভুক্ত হয়।

টেপুৰাম গগৈ বেছি পঢ়াশুনা নহয়। কিন্তু সৰল বিশ্বাস আৰু কথাই-কামে মিলাই কাম কৰাত অদ্বিতীয়। টেপুৰামে যঁতৰ-টাকুৰী সাজি সুকলো স্বয়ং-সেৱকক যোগাইছিল। নিজেও যি সূতা কাটিছিলেই নে ঘৈণীয়েক-জীয়েক সকলোকে সূতা কাটিবলৈ বাধ্য কৰাইছিল। ৰাধিকা বোলা জীয়েকটিয়ে কুমাৰী হৈ থাকোঁতেই এনেকুৱা মিহিকৈ সৰু সূতা কাটিব পাৰিছিল যে তাই কেবাখনো সভা-সমিতিত পিতাকৰ দৰেই প্ৰশংসাপত্ৰ আৰু টোকৰা (মেডেল) পাইছিল।

টেপুৰাম অকলৈয়ে কংগ্ৰেছ-সেৱক নাছিল, ঘৰে-ঘৰোৱাহো নিৰহ-নিপানী কংগ্ৰেছী আছিল। তেওঁবিলাকৰ ঘৰখনত বুঢা-বুঢ়ী, লৰা-ছোৱালী কোনেও বিলাতী সূতাৰে তৈয়াৰী এপদ বস্তুও নলৈছিল। টেপুৰাম আৰু পিতাকে নিলগৰপৰা অসমীয়া কপাহৰ পুলি আনি বাৰীত ৰুই লৈছিল, আনৰ বাৰীতো ৰুই দিছিলগৈ। চুৰিয়া-চেলেং-চোলা, পাগুৰী-কাপোৰৰ সূতা (টেপুৰামে তেতিয়া পাগুৰী মাৰি ফুৰিছিল) তেওঁ ঘৰতে কাটি লৈছিল। ঘৈণীয়েক-জীয়েকহঁতেও উঠ-বহ নোহোৱাকৈ যঁতৰৰ মাৰি ঘূৰায়েই আছিল। টেপুৱে বাঢ়ৈ-কামো জানিছিল। এওঁ সভা-সমিতিলৈ গলেও হাতৰ টাকুৰীৰে সূতা কাটিয়েই থাকে। টেপুমিস্ত্ৰীয়ে অকল সূতাকে যে কাটিছিল আৰু উৎকৃষ্ট বাঢ়ৈ-কামকে যে কৰিছিল এনে নহয়, ধানবনা-সূতাকটা কলো উলিয়াইছিল। আমাৰ জকাইচুকীয়

দেশৰ মস্তিষ্কেৰেই সেই কল দুটা উদ্ভাৱন কৰা দেখি, দুই চাৰিজন বিদেশী-মোহান্ধ "কংগ্রেছীয়ে" পোনেই বিশ্বাসকে কৰা নাছিল। সেই কিজন "কংগ্রেছী" আজিও জীয়াই আছে—১৯৪২ চনৰ যুদ্ধত "মিলিটেৰী" ঠিকা লৈ পকাঘৰত বাস কৰিছে। ধানবনা-সূতাকটা কল দুটা দেখুৱাই টেপুৰাম মিস্ত্রীয়ে কেবাখন প্রদর্শনীতো প্রথম শ্রেণীৰ বঁটা, পুৰস্কাৰ আৰু ৰূপৰ পদক (মেডেল) পাইছিল। আধুনিক সূত্রযন্ত্রৰ দেখনীয়াৰ আড়ম্বৰৰ লগত টেপুৰামৰ সৰল প্রাণৰ আন্তৰিকতাভৰা সূতাকটা প্রদর্শনী যে তুলনা কৰিব নোৱাৰি—তাক ডাঠি কব পাৰি।

কৃষ্ণকান্ত গগৈ লেখা-পঢ়া জনা—যাৰ ঘৰৰ কমাৰ-শালত বহি গান্ধীৰ বাতৰি বিলোৱা হৈছিল সেই ঘৰ গৃহস্থৰে এজন উত্তৰাধিকাৰী—পুৰা-ৰাম গগৈদেৱৰে মাজিউ পুতেক। তেওঁ তর্ক কৰিবলৈ ভাল পাইছিল; আউল ভাঙিব নোৱৰা কথা এটা পালেই লুটিয়াই-বগৰাই চাই হে গ্রহণ কৰিছিল। কৃষ্ণকান্তক মতা নাম "কৃষ্ণাই"। কৃষ্ণাই সাহিত্যানুৰাগীও আছিল। তেওঁ "কঠুৰা চৰিত" আৰু "চোৰৰ লীলামালা" বুলি দুখন পুথি লেখিছিল। তেওঁতকৈ তেওঁৰ সহধর্ম্মিণী শ্রীমতী ভদ্রেশ্বৰী গগৈ হে কেউপিনে কাজী আছিল। ভদ্রেশ্বৰীৰ সাদৰী মাতকথা আৰু অমায়িক আচৰণ, বহুত কর্ম্মীৰ নিমিত্তে উৎসাহৰ লাগনি খৰি আছিল।


যদু-টেপু-কৃষ্ণাইৰ গাত পুৰণিমেলীয়া, মাজুমেলীয়া, দুলীয়া, খামোন-বাকৰতি, চাৰিঙ্গীয়া-কাটনী আৰু কাকতীছিগা-টিপমীয়া গাৱঁত কংগ্রেছ-কমিটী স্থাপন, ভলণ্টিয়াৰ বা স্বয়ংসেৱক লৱন আৰু স্বদেশী প্রচলনৰ ভাৰ দিলেঁ।।

যদু হাজৰীকা ১৯২৯ কি '৩০ চনতে সিপুৰীলৈ গল। তাৰ বছৰ-চাৰেকৰ •পাছতে, টেপুৰাম গগৈয়েও তেওঁৰ পথকে অনুসৰণ কৰিলে, অৱশ্য এওঁ স্বৰাজৰ কেউটা খাপকে দেখি গল। শেহন্তত বাকৰতি গাৱঁৰ বখীয়া কৃষ্ণকান্ত গগৈয়েও ইহ সংসাৰৰপৰা চিৰবিদায় ল'লে। চাৰিওত কংগ্রেছৰ বু-বু-বা-বা কৰোঁতেই ওলোৱা প্রথম কর্ম্মী বুলিয়েই এই কিজনৰ নাম সেউজীয়া হৈয়ে থাকিব।

চাৰিং—ফৌজ আৰু সোমৰৰ কাপ্টান

সোমৰৰে দৈনিক চাৰিঙীয়া গাওঁ, টেপৰ গাওঁ, ধেনুচোঁচা আৰু ৰতনপুৰীয়া গাৱঁত পকাবলৈ ধৰিলে। তেলীয়াল কাটনী গাৱঁত কান্দুৰা নামে এজন পঢ়াশলীয়া (প্ৰাইমেৰী স্কুলৰ) পণ্ডিত আছিল। তেওঁৰ পিতাক দেহিৰাম নাথ আৰু গাৱঁৰে শ্ৰীযুত ৰহাই মেধি—এই দুয়োজন ধৰ্ম্মীষ্ঠ লোকে সম্মত দিয়াত পণ্ডিতে ঊৰ্দ্ধবাহু হৈ কংগ্রেছত যোগ দিলে। কান্দুৰাই ৰ সুৰলাকৈ সবহুৱা নাম দিব পাৰিছিল। সবাহৰ নাম আৰু দিহা নামৰ পদ দিয়াৰ চলেৰেই সূতাকটা, কানিখাৰ-নলগা পদ দি গৈছিল। লাকৃলেঙীয়া-খামোন গাৱঁৰ মোহনচন্দ্ৰ ৰৰুৱাই কংগ্রেছৰ কথা প্ৰচাৰ কৰি সকলোকে কংগ্রেছ-মুৱা কৰিলে। ঘৰফলীয়া গাৱঁত জুমে জুমে ডেকা লৰা ভলণ্টিয়াৰ হল। লেবাক, থেকেৰাতলীয়া, মলখুবছা, জৰাধৰা, মানতনীয়া, ৰতনপুৰীয়া—এই কিখন গাওঁ শিক্ষাত পাছ পৰা আছিল যদিও, কংগ্রেছৰ আহ্বানত দেশোদ্ধাৰৰ নিমিত্তে যুঁজ কৰিবলৈ হাঁফোলা হাঁফোলে আগ বাঢ়ি আহিল। ডেকা মাত্রেই কংগ্রেছ-ভলণ্টিয়াৰ হল। দেওৰজা মৈদামলৈকে, এই কেউখন গাৱঁৰ স্বেচ্ছা-সেৱকৰ সংখ্যা ২৫০ জন হৈছিল। এই সেৱক দলটোৰে নাম দিলোঁ "চাৰিং—ফৌজ" আৰু ফৌজৰ কাপ্টান বা ৰৰ-সেনাপতি পাতিলোঁ সোমৰৰকে।

দেওৰাৰটোৱেপতি সোমৰৰে চাৰিঙীয়া গাৱঁৰ ন-পুখুৰীটোৰ পাৰতে ভলণ্টিয়াৰবোৰক গোটাই লৈ কুচ্-কাৱাজ বা ঠেম কৰায় আৰু সন্ধ্যা লগাৰ আগে-আগেই গান্ধী-বিৰোধী গাৱঁৰ মাজেদি ফৌজটোক "তহঁত-থাক-আমি-যাওঁ"কৈ "মাৰ্চ্চ" কৰাই লৈ যায়। "ভলণ্টিয়াৰ পালে এন্-কৰিম-তেন্ কৰিম্" বুলি মাৰিবলৈ হুমিয়াই থকা মানুহবোৰে সমদলে যোৱা কংগ্রেছ-বাহিনীৰ হুজ দেখি ভয়তে তাপ মাৰে। কোনোবা ভলণ্টিয়াৰ ঠেম কৰিবলৈ পলমকৈ আহিলে, মাৰ্চ্চ কৰি বা ফুকলি মাৰি যাওঁতে কোনোবাটো শাৰীৰপৰা বেকাবেকি হলে বা খোজত খোজ মিলাই গিৰিপ্-গিৰিপ্কৈ নগলে সোমৰৰে তাৰ পিঠিত সোঁকা



চাবিং ফৌজ পৃঃ ৩৬

বহিঃ—বাঁওফালর পৰা—বঁগাধৰ গোঁহাই, টুনীধৰ দত্ত, উমাকান্ত দুৱৰা

ভিয়ঁ হৈ „—জীৱকান্ত দুৱৰা, সূর্য্যকান্ত ফুকন, বেণুধৰ শর্ম্মা, চিদানন্দ হাজৰীকা, রজনীকান্ত ফুকন



লোকনাথ ফুকন পৃঃ ২৬৫



দুর্গানন্দ কাকতী পৃঃ ৪৬

চলাবই চলাব। সোমবৰৰ কঠোৰ আদেশ—বন্ধা সময়ত সকলো হাজিৰ হবহি লাগিব ; অ'লৈ-তলৈ হুজপাতি যাওঁতে দল ভাঙি, কোনো কাৰো ঘৰত সোমাব নোৱাৰিব আৰু 'য'ত বাজ, ত'ত কাজ" কৰি তুৰন্তে নির্দিষ্ট কাম শেষ কৰিব লাগিব। এই বিশ্বস্ত, দায়িত্বশীল, ধৈর্য্য নেহেৰুৱা, কর্ত্তব্যপৰায়ণ কাপ্টান সোমবৰক লৈয়েই চাৰিং কংগ্রেছৰ প্রাণপ্রতিষ্ঠা কৰিলোঁ।

[৪]

চাৰিং-কংগ্ৰেছ-কমিটী

(ক)

চাৰিং-কংগ্ৰেছৰ প্ৰথম সভ্য

সৰহ ভাগবে গৱৰ্ণমেণ্টৰ ঘৰত সম্বন্ধ থকা বাবেই হওক বা এযাৰ কথাৰেই দহজনক মুখি-থৰ-পৰা মানী কৰ্ম্মীৰ অভাৱতেই হওক, চাৰিঙৰ কাকতীগাওঁ কেউখনতে অসহযোগৰ ছেৱেকী সৰসৰ কৰে ঘূৰিব পৰা নাছিল। চাৰিঙৰ চৌপাশে কংগ্ৰেছৰ বু-বু-বা-বা, বকবকনি উঠিয়েই আছিল যদিও, কংগ্ৰেছ কমিটী এখন পাতিবলৈ কোনেও সাহ কৰা নাছিল। শ্ৰীযুত শিৱকান্ত দুৱৰা, কুশকান্ত বৰকাকতী, ঘনকান্ত দুৱৰা আৰু মহীকান্ত বৰুৱাই জয়ে-জয়ে কংগ্ৰেছৰ নামত অৰিহণা পেলায়। দুৱৰাপাৰৰ বয়োবৃদ্ধ পুৰুষ হৰিপ্ৰসাদ দুৱৰা দেৱান ডাঙৰীয়াক সভাপতি ললেঁা, আৰু কুশকান্ত বৰকাকতী ডাক্তৰক সম্পাদক পাতিলেঁা। এই নিঃকিন নিজে পাখি-সম্পাদক বা সহকাৰী সম্পাদক হলেঁা। ৰজাদিনীয়া চাৰিং-ৰজাৰ চাৰিঙকে সীমা বান্ধি এই কিজন বিষয়ৱবীয়াৰে ভাৰতীয় কংগ্ৰেছ-বিধানমতে চাৰিং-কংগ্ৰেছ-কমিটী স্থাপন কৰিলেঁাহঁক।

শিৱসাগৰ-জিলা-কংগ্ৰেছৰ শাখা-কমিটীবিলাকৰ ভিতৰত চাৰিং কংগ্ৰেছেই মৰ্য্যাদা, আয়তন আৰু পয়োভৰত সকলোতকৈ উচ্চস্থান লাভ কৰিছিল। কিয় নো, ইয়াৰ যিগৰাকী সভাপতি হৈছিল, তেখেত আছিল তিনি কুৰি পোন্ধৰ বছৰ বয়সীয়া ; আসাম কোম্পানীৰ প্ৰাক্তন দেৱান। নাজিৰাৰ আসাম কোম্পানীত হৰিপ্ৰসাদ দুৱৰাই প্ৰায় ৪০ বছৰ দেৱান কাম কৰিছিল। নাজিৰাত থাকোঁতেই তেখেতে নাজিৰা হাইস্কুল, নাজিৰা ইউনিয়ন আদি ৰাজহুৱা অনুষ্ঠানো পাতি থৈ আহিছিল। পেঞ্চন লৈ, চাৰিঙৰ ঘৰত বহি থাকোঁতেও বাতৰি-কাকতৰ ৰন্ধ্ৰইদি ভাৰতৰ

পৰিস্থিতি নিৰীক্ষণ কৰি থাকে ;—এহাতে ঘূৰঘূৰীৰ নলিচাত মুখ দি, ইহাতে বাতৰি-কাকত হাতত লৈ, চাকলি পীৰাখনত থমথম্ কৰে বহি, ভাৰতৰ লগতে অসমৰ ভূত-ভৱিষ্যতো পিটিকি চায়। গাৱঁত কাৰ ঘৰত কোনে কিমান মুগা সূতা—পাটৰ সূতা কাটিছে, কিমানে মুগা পুহিছে, কিমানে কাৰপৰা কিমান টকা ধাৰলৈ লৈছে, কাৰ খেতি-পথাৰ কেনেকুৱা হল, ইত্যাদি আৰ্থিক অৱস্থাৰ সকলো সম্ভেদ তেখেতে লৈ থাকে। স্ত্রীৰত্ন আৰু একেটি মাত্র পুত্রক ভৰ যৌৱনতে যমৰ হাতত সঁপি দি, "বিষয় বিষধৰৰ"পৰা নিষ্কৃতি লাভ কৰি জন্মভূমিৰ সন্তানৰ ওপৰতে সেই পুত্রস্নেহ ফেৰা বিলাই দিছিল। এনে গৰাকী বয়সিয়াল, অভিজ্ঞ, শিক্ষিত, মানী লোকে চাৰিং কংগ্রেছৰ দায়িত্ব গ্রহণ কৰাত সকলোৰে মানত চাৰিং-কংগ্রেছখন ভীষ্মগুৰুপৰিচালিত ৰণক্ষেত্র হোৱাদি হল।

সম্পাদক কুশকান্ত বৰকাকতী সৰুৰেপৰাই দেশহিতৈষী। তেখেত কলিকতা হাইক'টৰ অসমীয়া-অনুবাদক ৰমাকান্ত বৰকাকতীৰ ভায়েক। ১৮৯০—৯১ চনত, হেনিমেন কলেজৰপৰা উত্তীর্ণ হৈ কলিকতাতে কিছু দিন হ'মিয়পেথিৰ ডাক্তৰ হৈ আছিল। অশৌচ লগাৰ পিছত, মাইকী মানুহৰ প্রায়েই প্রসূতা ৰোগ হয়। সেই ৰোগ নিবাৰণ কৰাৰ উপায় দি, ডাক্তৰ বৰকাকতীয়ে "প্রসূতী" নামে সৰু কিতাপ এটিও লেখিছিল। কলিকতীয়া অ, ভা, উ, সা, সভাৰ (অসমীয়া ভাষা উন্নতি সাধিনী সভা) তেখেত এজন উৎসাহী সভ্যও আছিল। চাৰিঙত কংগ্রেছৰ শাখা অনুষ্ঠান এটি পাতিবলৈ লোৱাত ডাক্তৰে সর্ব্বান্তঃকৰণেৰে সম্পাদকৰ বাৰ গ্রহণ কৰিলে। দহো আঙুলীয়ে খায়, বুঢ়াই হেঁচুকিলে হে যায় বুলি ভাবিয়েই তেখেতসকলকে চাৰিং কংগ্রেছৰ গুৰিয়াল পাতি ললোঁ। আন শাখা কংগ্রেছত এনেকুৱা মানী বিষয়া নথকাত আমি ওফন্দি গঙ্গাটোপ হলোঁহঁক। মহীকান্ত বৰুৱাৰ পুতেক শ্রীমান লক্ষ্মীকান্ত বৰুৱা আৰু শ্রীমান লীলাৰাম চলিহা (আজিকালি উত্তৰ লক্ষীমপুৰৰ বিহপুৰীয়াত আছে) মোৰ লগত আগৰেপৰা আছিল। এই দুটি সৰকক লৈ, কাপ্টান সোমবৰেও মাজে-মাজে কাকতী গাওঁ-কিখনত

দলেবলে একোটা চকৰ মাৰি যাবলৈ ধৰিলে। দেৱান-ডাক্তৰ বিষয়-বাবত অধিষ্ঠিত হোৱাৰ পাছৰপৰা হে দুৱৰা-তুকৰীয়া-অভয়পুৰীয়া-চলিহা আৰু গজপুৰীয়া—এই কেউখন কাকতী গাৱঁৰ সকলোৱেই ঘৰমুৰি তিলক-স্বৰাজ্য-ভঁড়াললৈ মুক্তকণ্ঠে দান আগ বঢ়াবলৈ ধৰিলে। দৰাচলতে কবলৈ হলে, চাৰিঙ্গীয়া, লেবাক, তেপৰ আৰু ঘৰফলীয়া গাৱঁত হে পোন-প্ৰথমেই চাৰিং-কংগ্ৰেছৰ কাটল ফুটে।

হৰিপ্ৰসাদ দেৱান. ৰাধাকান্ত ফুকন আৰু সুৰথচন্দ্ৰ চলিহা

দেৱানৰ বহুত মাটি আছিল। "হৰিপ্ৰসাদ দেৱানৰ মাটি, ৰাধা ফুকনৰ হাতী"—এটা ডাকৰ বচনেই হৈছিল। চলিহা-কাকতী গাৱঁৰ নগা-আলিৰ দাঁতিতে দেৱানৰ যি চকলা মাটি আছিল, তাৰে এহালিছা মাটি চাৰিং-কংগ্ৰেছৰ অফিচ-ঘৰ সাজিবলৈ তেখেতে ৰাইজক মৌখিক ভাৱে উছৰ্গি দিছিল। ঘৰ নহল যদিও, সভাপতি দেৱানৰ উৎসাহতে কংগ্ৰেছ-কমিটীখন কেউপিনে ঠন ধৰি আহিবলৈ ধৰিলে।

চাৰি কংগ্ৰেছ জন্ম হবৰ সময়ত, চাৰিঙত তিনি প্ৰকাৰৰ তিনিজন প্ৰধান-পুৰুষ মানে—সম্ভ্ৰমে তিনিটা খুঁটি যেন হৈ আছিল। প্ৰথম জনা হৈছে—সুৰথচন্দ্ৰ চলিহা (১), দ্বিতীয় জনা হৰিপ্ৰসাদ দুৱৰা * আৰু

---

(১) সুৰথচন্দ্ৰ চলিহা :—সুৰথচন্দ্ৰ চলিহা ডাঙৰীয়া চলিহা কাকতী গাৱঁৰ এগৰাকী ভব্য-গব্য পুৰুষ। অসমলৈ অহা চলিহাকাকতীৰ আদি পুৰুষ শ্ৰীৰাম চলিহা। চলিহাকাকতীৰ বংশ-তকৰ গুৱিত যি এই শ্ৰীৰাম চলিহাৰ নাম দেখুৱাৰ নোৱাৰে আৰু যি চলিহাৰ পূৰ্ব্বপুৰুষসকলৰ মাটি ভেটি চাৰিঙত নাই, সেই চলিহা জাল আৰু জাৱজ। সুৰথ চলিহাক এই দুয়োটা অপবাদে স্পৰ্শ কৰিব নোৱাৰিছিল; সেইগুণে তেখেত তুলসী-পাতৰ দৰে পবিত্ৰ হৈ চলিহাকাকতীৰ আভিজাত্য পাৰিতপক্ষে ৰক্ষা কৰিছিল। সেই কালত চলিহা নামেৰে বামতো নাও চলিছিল। অৰ্থাৎ কি ৰজাঘৰ, কি প্ৰজাঘৰ সকলোতে চলিহা বংশৰ লোকেৰেই আধিপত্য আছিল। শিৱসাগৰ-কাছাৰীখনত গোটেই চলিহাৰে প্ৰতিপত্তি। ইবিলাক চলিহাৰ কথা নকলেও, অকল ফণিধৰ চলিহাৰ নামতেই সকলোৰ কঁপি আছিল।



হরিপ্রসাদ চট্টোপাধ্যায়

পৃঃ ৩৮

তৃতীয় জনা ৺বাধাকান্ত ফুকন। চলিহা ডাঙ্গৰীয়া মুখবলী, উপস্থিত বুদ্ধি-সম্পন্ন আৰু আকোৰ্গোজা; দেৱান ডাঙ্গৰীয়া উচ্চ শিক্ষিত, বুদ্ধিয়ক আৰু সবাতকৈ সৰহ ৰূপিত মাটিৰ গিৰি; আৰু ফুকন ডাঙৰীয়া ধনী, হাতীগিৰীয়া আৰু পৰোপকাৰী। ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰৰ দৰে ত্ৰয়োগুণ বিশিষ্ট এই তিনিগৰাকী পুৰুষৰ বুদ্ধি-পৰামৰ্শেৰে চাৰিং-কংগ্ৰেছৰ উধান তিনটা বান্ধিব পৰা হলে, ভৱিষ্যতলৈকে চাৰিং-কংগ্ৰেছ কলচীৰ দৰে জিলিকি থাকিলহেতেন। কিন্তু, ৰৰকৈ আশা কৰিলে মুখ ফাটে বুলি কয়। আমাৰো সেয়ে হল। দেৱান ডাঙৰীয়াক সভাপতি পাতিও চলিহা আৰু ফুকন ডাঙৰীয়াক মোৰত সুমুৱাব নোৱাৰিলোঁ। চাৰিং কংগ্ৰেছৰ ৰৰচ'বাত এই তিনিগৰাকী ডাঙৰীয়াৰে মেল পাতি চাৰিওৰ বুৰঞ্জী ঘুৰাই আনিম বুলি মনতে পাণ্ডিছিলোঁ। কিন্তু, পণ্ডা কথা নহয় সিধি, বাটত থাকে কণা বিধি। সেই কাৰণে, কল্পমা সিদ্ধি নহল।

সুৰথ চলিহাই পূৰ্ব্বতে নাফুক বাগিছাত কলদাৰৰ কাম কৰিছিল অৰ্থাৎ চাহঘৰৰ ইঞ্জিন-মহৰী আছিল। সেইদেখি, তেখেতক সকলোৱে সুৰথ কলদাৰ বা অকল 'কলদাৰ' বুলিছিল। ছাহাবৰ লগত তথিয়াতথি লাগি ডেকা কালতে চলিহাই সেই কাম ইস্তফা দিলে। ঘৰলৈ আহি বাগিছাৰ দৰেই সকলো কাম সময়ৰ লগত তিলেতৰ্জুৱে মিলাই কৰিবলৈ থৰিলে।

দুৱৰাৰ হৰিপ্ৰসাদ দেৱান, তুকৰীয়াৰ ৰাধাকান্ত ফুকন, মমুৱাম বৰকাকতী আৰু গজপুৰীয়াৰ ভোগৰাম কাকতী মণ্ডলে এসময়ত চাৰিওৰ প্ৰায়বিলাক কামতে আগভাগ লৈছিল। সুৰথ চলিহাও তেওঁবিলাকৰ লগৰীয়া আছিল।


মহাত্মাৰ অসহযোগ নীতিটো প্ৰথমতে কলদাৰৰ মনত সন্দেহযুক্ত ভাৱে হে প্ৰৱেশ কৰিছিল। মহাৰাণী দিনৰ মানুহ, তাতে ইউৰোপীয় বাগিছাত থাকি ইংৰাজৰ বুদ্ধি কৌশল দেখি অহা—তেনে এজন পুৰুষে নো হঠাতে বৃটিছ ছৰকাৰৰ আইনখনৰ কটকটীয়া বুলি কয়েই বা কেনেকৈ, তাৰ বিৰুদ্ধেও বা যায় কেনেকৈ? গতিকে, কলদাৰ ডাঙৰীয়া নিৰপেক্ষ হৈ থকাটো স্বাভাৱিক। কিন্তু কুলধৰ চলিহাই যেতিয়া নিকটকটীয়া বিশ্বাস আৰু গোলামী বান্ধোনৰ হেঙ্গাৰ ভাঙি দিলে, তেতিয়া আমাৰ সুৰথ কলদাৰ ডাঙৰীয়াৰ মনটোও অসহযোগৰ ফালে মিচিৰী গলাদি গলি

বাধাকান্ত ফুকন ডাঙৰীয়াৰ ৩০।৪০ টা হাতী আছিল। বছৰি-বছৰি তেখেতে বনৰীয়া হাতী-ধৰা মহল পায়। বনৰীয়া হাতী ধৰাত ফুকনৰ উপৰিপুৰুষৰপৰা সুখ্যাতি আছে। কংগ্রেছত দেখাদেখিকৈ সোমালে হাতীমহল নেপাবও পাৰে—এইটো আশঙ্কা কৰিয়েই তেখেত কংগ্রেছত সোমোৱা নাছিল। নাছিল যদিও, ভিতৰি ধনবিত দি পাৰেমানে সহায় কৰিছিল।

এদিন এই পাখি-সম্পাদকে তেখেতক এটা কিতাপ কিনি দিবলৈ অনুৰোধ কৰাত তেখেতে কলে, "বাৰু, লেখি দিবা।"। লেখি দিলত, পার্চেলটো ভিঃ পিঃ হৈ আহিল। পার্চেলৰ মূল্য ১২০ টকা। গৌৰীসাগৰ ডাকঘৰলৈ পার্চলটো আহিবৰ সময়ত কিতাপৰ মালিক ঘৰত নাছিল। ফুকন ডাঙৰীয়াই মালিকৰ উপদেশমতে পার্চেলটো 'খালাছ' কৰি আনি ঘৰত থৈ দিলেছি। দুমাহমানৰ মুৰত, তেখেতক

আহিল। সেই কালত সকলো সম্ভ্রান্ত লোকেই মাদক দ্রব্যৰ এবিধ নহয় এবিধ গ্রহণ কৰিছিল। চলিহা ডাঙ্গৰীয়াইও সেইসকলৰ লগতে এছিৰা-দুছিৰা মাহ খাই লগৰ কাৰৈ লগেৰেই উজাইছিল অর্থাৎ ভাং নামৰ মাদক দ্রব্যফেৰি ব্যৱহাৰ কৰিছিল। অসহযোগৰ সম্মান বক্ষার্থে তেখেতে অলপ পলমকৈ হলেও, সেই ভাঙৰ মোহনী বানখন খণ্ডখণ্ডকৈ কাটি পেলালে। ভাঙি কৰলৈ হলে, ভাং খাৰলৈ এৰি পেলালে।

চলিহা মাত্রেই দক্ষিণপাট সত্রৰ শ্রীশ্রী৺যাদৱৰায়ৰ সেৱক। প্রভু বনমালীদেৱ দক্ষিণপাটৰ প্রতিষ্ঠাপক হলেও, ধর্ম্মপন্থ শ্রীশ্রী৺দামোদৰদেৱৰ। সেই বাবে, চাৰিঙৰ দক্ষিণপটীয়া শিষ্যসমূহে প্রভু দামোদৰদেৱৰ তিথিটো চলিহা নামঘৰতে পাতে। ৺ব'ম চলিহাৰ মৃত্যু হোৱাত, তিথিৰ নিমিত্তে কৰ-পঁচা সংগ্রহ কৰা, ভকত মতা, নামগুণ গোৱা আৰু সবাহৰ উপায়নবস্তু গোটোৱা—এই আটাইবিলাক কাম সুৰথচন্দ্র চলিহা ডাঙ্গৰীয়াই অকলৈয়ে কৰিব লাগিছিল। তেখেতৰ উদ্যোগত তিথি-উৎসৱ সুসম্পন্নও হৈছিল। ১৮৪৪ শকৰ তিথিত সংৰক্ষণশীলৰ দলে অসহযোগীবিলাকক তীব্র নিন্দা কৰিছিল। সেই নিন্দা কলদাৰ ডাঙৰীয়াই হে মুখ-পাতি ধৰিছিল—যদিও তেখেতে কাৰাবৰণ কৰা নাছিল।



রাধাকান্ত ফুকন
পৃঃ ৪২

দেখা কৰিবলৈ গলত, তেখেতে আক্ষেপ কৰিলে, বোলে, "ভাল গেৰাম'হ দুহালৰ দাম ভৰালা দেও!" এই বুলি কৈয়েই নাতিনীয়েকক মাতি ক'লে, "মুকুলি, ভৰিকিটা ধুই গোসাঁই ঘৰলৈ সোমা। থাপনাৰ চাণ্ডতে কিতাপৰ বাণ্ডি এটা আছে। বামুণটোক আনি দেহি।" মুকুলীয়ে পাৰ্চেলটো আনি ককাদেউতাকৰ কথা মতে বঁটা এটাত দিলত ফুকনে আকৌ মোৰ ফালে চাই ক'লে, "তোমাৰ বাণ্ডিটো ডাকঘৰৰ-পৰা অনাই, যেনে আছে তেনেকৈয়ে গোসাঁই-ঘৰৰ চাণ্ডত তুলি থৈছোঁ, আমি ছোৱাই নাই।" সৰস্বতীৰ বস্তুত হাত দিয়াটো অনৰ্থক বুলিয়েই হবলা ফুকন ডাঙৰীয়াই আলফুলকৈ কিতাপৰ পাৰ্চেলটো চাণ্ডত তোলাই থোৱাইছিল। (১)

বাগিছা-কৰ্ম্মচাৰীৰ সহায়

চিঠি-পত্ৰ লেখি আৰু মাজে-মাজে নিজে গৈও খাটনি ধৰাত, আমগুৰি চাহ কোম্পানীৰ বৰ কেৰেণী ৺ভোলানাথ বৰুৱাগোহাঁই (২),—

---

* ১৭৬৯ শক বা ১৮৪৭ খৃঃত হৰিপ্ৰসাদ দুৱৰাকাকতীৰ জন্ম। ১৮৬৬ খৃষ্টাব্দত শিৱসাগৰ হাইস্কুলৰ তৃতীয় শিক্ষক। ১৮৬৯ চনত ডেপুটী কমিছনৰ অফিছৰ কেৰেণী। ১৮৭০ চনত যোৰহাটলৈ বদলি হয়। ১৮৭৬ চনত গোলাঘাটৰ কাছাৰীলৈ চিৰস্তাদাৰ হৈ যায়। ১৮৭৬ চনত ছৰ্কাৰী কামৰপৰা বিদায় লয়। ১৮৭৭ চনত নাজিৰাৰ আসাম কোম্পানীৰ দেৱান কামত সোমায়। ১৯১৭ চনত সেই কামৰপৰা অৱসৰ গ্ৰহণ কৰে। অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ উদ্যোগী কৰ্ম্মী। নাজিৰাত হাইস্কুল পতাত, আস্পতাল খোলাত তেওঁ আগভাগ লয়। গোলাঘাটৰ বিখ্যাত চৰমনাথ বৰুৱা দাৰোগাৰ কন্যাৰ লগত দেৱানৰ পৰিণয় হয়। ১৯৩৩ চনৰ আঘোণত মৃত্যু।

(১) ৰাধাকান্ত ফুকন ডাঙৰীয়াৰ সুযোগ্য পুত্ৰহঁতে "ৰাধাকান্ত ফুকন হাইস্কুল" এটা পাতি তেখেতৰ নাম স্মৰণীয় কৈ থৈছে। আন ঠাইত তেখেতৰ জীৱনী ওলাইছে।

(২) লখেকীয়া ফৈদৰ স্থায়শোধা ফুকন সভাৰাম বুঢ়াগোহাঁই ডাঙৰীয়াৰ নাতি আছিল ভোলানাথ বুঢ়াগোহাঁই। তেখেতৰ পুলিন-লুধাওসকলৰ আদি স্থান আছিল

গাভৰু-পৰ্ব্বতৰ কেবেণী ৺ঘনশ্যাম গগৈ আৰু ৰৰমহৰী চন্দ্রসেন গগৈ, নাগিনীজানৰ কেবেণী ৺মুক্ষেশ্বৰ সন্দিকৈ আৰু ৰৰমহৰী শ্রীযুত ৰত্নেশ্বৰ শৰ্ম্মা শ্রুতিকৰে ডাকঘৰৰ যোগেদিয়েই যিমান পাৰে আমাক সহায় কৰিছিল। সেইসকলে লুকাই-লুকাই হে সাহায্যৰ হাত আগ বঢ়াব পাৰিছিল। চাহ-বাগিছাৰ ছাহাৰ মাত্রেই তেতিয়া দুৰ্ঘোৰ কংগ্রেছ-বিৰোধী। বাগিছাৰ মহৰী-কেবেণী কোনেও গান্ধীৰ নামত ফুটাকড়ি এটাও দিব নোৱাৰে। কোনোবাই দিয়া গম পালেই, মেনেজৰে তুৰন্তে তেওঁক বাগিছাৰপৰা উলিয়াই দিয়ে। সেই হেতুকেই, উল্লিখিত স্বদেশ-হংসল কৰ্ম্মচাৰী কেইজনে অন্তঃসলিলা-পথ অৱলম্বন কৰিছিল। পাছুৰী-বিলাকে ক্রমান্বয়ে ভকত কৰাদি আমিও বহুত বৃটিছ-ভক্তক কংগ্রেছ-ভক্ত কৰিলোঁ। ডফলাগড় বাগিছাৰ ৰৰমহৰী ৺ভুবনেশ্বৰ দুৱৰা আৰু


বাকচু বা বাঘচুলুঙত। তাতে নিবাস আছিল চুলুং কিং-লুং খাম্‌পেঙৰ। এখেতেই তোলানাথৰ আদি পুৰুষ। ১৮৯১-৯২ চনত শিৱসাগৰ গৱৰ্ণমেণ্ট হাই-স্কুলত এণ্ট্রেঞ্চ শ্রেণীলৈকে পঢ়ি কহিমাত স্বৰ্গীয় পদ্মনাথ গোহাঞিৰকৰা ডাঙৰীয়া কহিমা মাইনৰ স্কুলত হেডমাষ্টৰ থকা সময়তে ডেপুটী কমিছনৰৰ অফিছত কেবেণী কাম কৰে। তাৰ দুবছৰৰ পিছত, তেখেত আমগুৰি চাহ বাগিছা পাতোঁতা চাৰ জেম্‌ছ ৰকিংহাম ছাহাৰৰ তলত কেবেণী কামত সোমায় আৰু ১৮৯৬ চনৰপৰা মৃত্যুৰ দিন ২।১২।১৯৪৮ চনলৈকে তাতে ৫২ বছৰ চুপাৰিণ্টেণ্ডেণ্ট অফিছৰ ৰৰ-কেবেণী কাম কৰে। আমাৰ পোনপ্রথম সূতাকটা কল উলিয়াওঁতা আৰু অগ্রগণ্য চাহথেতিয়ক কৃষ্ণকান্ত হাতীবৰুৱাৰ গোহাঁইদেৱৰ এগৰাকী জোঞায়েক আছিল।

তেখেত ইমান কৰ্ত্তব্যপৰায়ণ আৰু ওপৰৱালাৰ ইমান বিশ্বস্ত আছিল যে একালৰ আমগুৰি কোম্পানীৰ চুপাৰিণ্টেণ্ডেণ্ট চাৰ উইলিয়ন মেককাৰছাৰৰ পত্নীয়ে গোহাঁই-দেৱক উইলনামা কৰি ১০০ পাউণ্ড ধন দি থৈ গৈছিল। ছাহাৰৰ এনে স্নেহ অতি বিৰল।


তোলানাথ গোহাঁই দেখাত বৰ গহীন প্রকৃতিৰ লোক আছিল যদিও, অন্তৰত স্বদেশ-হিতৈষিতা ভাবে সদায় উণ্ডলধুণ্ডল লগাইছিল। সেই হে অসহযোগ আন্দোলনত তেখেতৰ হাত দুখন মুক্ত ভাৱে আগ বাঢ়ি আহিছিল।




গোলাপচন্দ্র ভট্টাচার্য্য
(খনাখোকোৰা)
সর্ব্বোদয় কর্ম্মী



মাধৱচন্দ্র ৰৰঠাকুৰ
পৃঃ ২০




সর্ব্বোদয় কর্ম্মী




চেনিৰাম ভূঞা পৃঃ ৫৫


বালীৰাম নাথ
চাৰিঙ্গীয়া



উষাধৱ আৰণধৰা পৃঃ ৫৫




রত্নেশ্বর শর্ম্মা
শান্তিকর
পৃঃ ৪৫



মুক্তেশ্বর
সন্দিকৈ →
পৃঃ ৭৫



কলিয়ানাথ
গাঁও বুঢ়া



অসমীয়া
পাট-শিল্প
আৰ্হি পুৰুষ



করুণচন্দ্র বরুরা
পৃঃ ১৪



কাশীনাথ কাকতী
প্রগতিবাদী সমাজ সেবক

লাকোৱাৰ শ্ৰীযুত তুৰাৰাম বকৰা—এই দুজনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। চাৰিঙৰ মানুহ য'ত যেনেকৈ কামেকাজে আছিল, সকলোৰেপৰা একপ্ৰকাৰে-নহয়-একপ্ৰকাৰে চাৰিং কংগ্ৰেছৰ নিমিত্তে দান বৰঙনি পাই আছিলোঁ।

লাহে-লাহে আমাৰ কংগ্ৰেছখন শকত হৈ আহিল। অভিভাৱকৰ হাকবচন উলঙ্ঘা কৰিও শ্ৰীযুত্ত গণেশচন্দ্ৰ বৰকাকতী, শ্ৰীযুত্ত বগাই চুতীয়া খনিকৰ, শ্ৰীযুত টুপীধৰ দুৱৰা মেধি (বঙাচিলা দুৱৰাৰ ঘৰৰ), শ্ৰীযুত্ত বগাধৰ দুৱৰা, শ্ৰীযুত্ত গোপীৰাম নাথ, শ্ৰীযুত্ত সোপোকা নাথ প্ৰভৃতি ভালেমান উদ্যোগী কৰ্ম্মী আমাৰ লগ লাগিলহি। কংগ্ৰেছ-ভলণ্টিয়াৰ নোহোৱাকৈও, বহুতে আমাক বুদ্ধি-পৰামৰ্শ দি সহায় কৰিছিল। খনিকৰ গাৱঁৰ নামটো হে খনিকৰ আছিল ; মানুহবিলাক তেতিয়া খনিকৰ নাছিল। এটাইবিলাকে নামৰ পিছত চুতীয়া লেখি-ছিল। আমি চমাৰগাওঁ স্কুলত পঢ়া-সময়তে বেছাই বুলি আমাৰে এজন সমনীয়া আছিল। তেওঁৰেই অসহযোগৰ দিনত কাঠৰ পালেং, তামূলী-পীৰা, ছালপীৰা, চকী-মেজ সাজিবলৈ লয়। ডিম্ব বোলা তেওঁৰ ভায়েক এটি আছিল। সি আমাৰ সহকৰ্ম্মী হৈ ধিতিঙা হল। বেছায়ে অকলৈ কাম কৰি থুবিল। তেওঁক মন মাৰি থকা দেখি এদিন কলোঁ, "তুমিয়েই চুতীয়াৰ মান ৰাখিছা। আজিৰপৰা তুমি খনিকৰ উপাধি লেখিবা।" সঁচাকৈয়ে, চাৰিঙৰ বৰ্ত্তমান ডেকা তৰপ খনিকৰৰ ভিতৰত বেছায়েই খনিকৰী কামত আগৰণুৱা। আমাৰ উচাহ-উদগনি পাই শ্ৰীযুত বেছাৰাম খনিকৰ নিজৰ ভৰিৰ ওপৰত থিয় হৈ মানুহ হল। আজি দেখি সন্তোষ পাইছোঁ।—অসহযোগ আন্দোলনে স্বাৱলম্বী হবলৈ কৈ ফুৰাৰ ফলতেই বেছাৰামৰ আৰ্হি লৈ খনিকৰ গাৱঁৰ সৰহ ভাগ ডেকাই খনিকৰী কামত লাগি জয়-জয়-ময়-ময় অৱস্থা কৰিছে। এই বেছাৰাম খনিকৰে নগদ এটকা চাৰি অনা দি কংগ্ৰেছ মেম্বৰ হৈ চাৰিঙীয়া-মহছাল-গড়কাযৰীয়া গাৱঁৰ ভাৱনা-বৰসৰাহত গান্ধী-গুণ গাই আমাক নথৈ সহায় কৰিছিল।

সেই দৰে চমুৱা খনিকৰ গাৱঁৰ প্ৰত্যেক ঘৰেই আমাৰ লগ লৈ ধনে-জনে চাৰিং-কংগ্রেছখন শকত কৰিছিল। ৺ভদী মণ্ডলৰ পুত্ৰ উষাধৰ হাজৰীকা আৰু শূলধৰ হাজৰীকাৰ নামো ইয়াৰ লগতে লব পাৰি। চমুৱা খনিকৰৰ গোটেইখন গাওঁ যে আমাৰেই আছিল।

জৰাবাৰী-কংগ্ৰেছ

(খ)

শ্ৰীযুত দুৰ্গানন্দ কাকতী

আমাৰ সহকৰ্ম্মীৰ ভিতৰত লেকাত লাগি কাম কৰা কংগ্ৰেছসেৱক আছিল শ্ৰীযুত দুৰ্গানন্দ কাকতী। তেওঁৰ উৎসাহ, তৎপৰতা, হাতৰ কাম আৰু ফুলনিবাৰী পতা আদি সকলো কামতে পাৰ্গতালি দেখি সকলোৱে আচৰিত মানিছিল। দুৰ্গানন্দৰ উৎসাহটো হুৰমূৰীয়া বতাহৰ লগত বিজাব পাৰি। তেওঁ আগেয়ে চাহ-বাগিছাত কাম কৰিছিল। মহাত্মাৰ শিঙাধ্বনিত ৰ'ব নোৱাৰি একে জাঁপেই আন্দোলনত উবুৰি খাই পৰিলহি। কাকতীৰ ঘৰ নিজ-চাৰিঙৰ অভয়পুৰীয়া কাকতীপাৰত। চাৰিঙৰ কংগ্ৰেছ-অফিছত কাম নকৰি তেওঁ নিজে চাৰিঙৰপৰা ৫ মাইলমান নিলগৰ জৰাবাৰীত কংগ্ৰেছ-কেন্দ্ৰ পাতেগৈ। কেন্দ্ৰটোৰ নাম দিছিল জৰাবাৰী কংগ্ৰেছ। চাৰিঙীয়া পুখুৰী, পেঙেৰা, কুমাৰ গাওঁ, দেওধাই গাওঁ, কোঞৰ গাওঁ, জৰাবাৰী, বলমীয়া চাওডাং, কাঁৰচোৱা গাওঁ, বামুণ গাওঁ, মাটিখোৱা-কাকতীচুক, চাৰিঙীয়া খনিকৰ আদি কৰি গধূলিবজাৰ মৌজাৰ দোমোজাত থকা এটাইবোৰ গাৰেঁই জৰাবাৰী কংগ্ৰেছৰ অন্তৰ্ভুক্ত আছিল। এই অঞ্চলৰ এজন ডেকা শ্ৰীমান ফণিধৰ গাগৈৰ উৎসাহ-উত্তেজনা কেতীয়াও পাহৰিব নোৱাৰি।

স্বয়ংসেৱক সংগ্ৰহ কৰা, কপাহ যোগোৱা, সূতা কটোৱা, কাজিয়া ভঙা, মেল বা পঞ্চায়ত পতা—এইবোৰ কাম অকল দুৰ্গানন্দৰ দিহাবুদ্ধি মতেই হৈছিল। জৰাবাৰী কংগ্ৰেছৰ অফিছ এটাও পাতিছিল। চাৰিং-জৰাবাৰীৰ ইমান ঘনিষ্ঠ যোগাযোগ আছিল যে ইথনে সিখনৰ বাতৰি দিনে-দিনে লৈ আছিল। চাৰিআলি, আমগুৰি, চামগুৰি, নামতী কাকতী গাওঁ—এইবোৰৰ য'তে সভা-সমিতি হৈছিল ত'লৈকে

দুয়োখন কংগ্রেছৰ ভলণ্টিয়াৰ গৈ সমজুৱা বাইজৰ ডকৰা মনটোহঁত একোটা-একোটা পকা-আজঠাত পৰিণত কৰিছিলগৈ।

শ্রীযুত ইন্দ্রেশ্বৰ চুতীয়া

কালুগাৱঁৰ ফালৰ কংগ্রেছ-কৰ্ম্মীসকলেও চাৰিং-কংগ্রেছত একোটা হেঁচা দিছিল। চাৰিং-কালুগাওঁ বাট-পথেৰেই যে সংলগ্ন আছিল এনে নহয়, ইষ্ট-মিত্ৰ, গোট-জ্ঞাতিৰ তেজ-মঙ্গহেৰেও সনা-পোটকা হৈ আছিল, আৰু এতিয়াও আছে। সেই গুণে কংগ্রেছৰ কাম কৰোঁতে, চাৰিং ইন্দ্রেশ্বৰ চুতীয়াৰ ভাত-ঘৰেই আছিল। চুতীয়াৰ লগৰীয়া আছিল শ্রীযুত যোগকান্ত বৰুৱা। চুতীয়া-বৰুৱাৰ বাহিৰেও প্রায়েই শ্রীযুত ডিম্বেশ্বৰ ভূঞা আৰু ক্বাচিং ৺পুণাৰাম গগৈ আহিও বেলিমুখীয়া, বেজ গাওঁ, চেতীয়া গাৱঁত চোং পাতিছিল। ভূঞাই দুলীয়া-পুৰণিমেলীয়া আৰু গড়কাষৰীয়া গাৱঁৰ কেবাখনো সভাত অহিংস অসহযোগৰ নীতিটো ফঁহিয়াই বাইজক বুজাই দিছিল। শ্রীযুত পীতাম্বৰ হাজৰীকায়ো পুনৰ কলেজত সোমোৱাৰ আগে-আগে গাৱেঁ গাৱেঁ বক্তৃতা দি অসহযোগৰ নীতিটো সুন্দৰকৈ ব্যাখ্যা কৰি ফুৰিছিল।

ইন্দ্রেশ্বৰ চুতীয়াৰ ঘৰ লোণপুৰীয়াৰ কাঁহমৰা গাৱঁত আৰু যোগকান্ত বৰুৱাৰ ঘৰ নামতিমুখৰ মাহী গাৱঁত। পূব ফালৰপৰা আহিলে চুতীয়াৰ ঘৰৰপৰা বৰুৱাৰ ঘৰলৈ দিমান দূৰৈ বৰুৱাৰ ঘৰৰপৰা আমাৰ ঘৰলৈও সিমান দূৰৈ। চুতীয়া ধৰ্ম্মভাবাপন্ন আৰু সকলো কথাতে ধীৰ—বিৰোধীজনকো অতি শান্তভাৱে বুজাই-বৰাই তেওঁৰ পটিলৈ আনিব পাৰে। বৰুৱা হল দার্শনিক—দর্শন আৰু অর্থনীতিৰ শানত দি হে সকলো কথাকে ধৰাই চোৱা তেওঁৰ স্বভাৱ। অবুজনক বুজাবলৈ হলেও তেওঁ চকুৰ আগত থকা বস্তু এটালৈকে আঙুলিয়াই দার্শনিৰ যুক্তি এটা দাঙি ধৰিবই। চুতীয়া-বৰুৱা দুয়ো গুৱাহাটীৰ কটন কলেজত উচ্চশিক্ষা লাভ কৰি আছিল। মুক্তি-যুদ্ধৰ আহ্বান শুনি কলেজ পৰিত্যাগ কৰি নিজা-নিজা অঞ্চলত স্বৰাজ লাভৰ নিমিত্তে মূৰপুতি লাগিলহি।

এই দুয়োজন লগৰীয়া আহি কেতিয়াবা-কেতিয়াবা আমাৰ ঘৰতে থাকেহি। চুতীয়াৰ ঘৰলৈ আঁতৰ দেখি, প্ৰায়েই ইয়াতে ৰাতিটোহঁত বঞ্চে আৰু ইয়াৰপৰাই ওচৰচুবুৰীয়া গাৱঁত সভাসমিতি পাতেগৈ। সেই সভাবোৰলৈ আমি দুয়ো যাওঁ। যোগ বৰুৱাও ঘৰৰপৰাই আহি সভাত যোগ দিয়েহি। তেওঁও নামতী, শেনচোৱা, বেলিমুখীয়া, চাংমাই, ভঁৰলুৱা গাৱঁত ৰাতিক দিনকৈ ফুৰে। স্কুলৰ ছাত্ৰাৱস্থাতে ভায়েক কমলায়ো কোঞৰপুৰ পৰ্য্যন্ত কংগ্ৰেছনীতিকে প্ৰচাৰ কৰি ফুৰিছিল। বৰুৱাৰ লগত প্ৰায়েই চুতীয়া, ডিম্ব ভূঞা, পুণাৰাম গগৈ থাকেই। পুণাৰাম আছিল দুৰন্ত সাহসী আৰু অন্যায়ৰ প্ৰতিশোধ লওঁতা। কিন্তু সাহিত্যৰ অনুৰাগে তেওঁৰ হৃদয়-ৰাজ্যখন সুপসুপীয়াকৈ থৈছিল। তেওঁ শ্ৰীহট্ট জেলত কাৰাদণ্ড ভোগ কৰিছিল। ছাত্ৰাৱস্থাৰ কবিতা-কেঁও দুটামান তেতিয়াই বঢ়িয়াকৈ ফুটি ওলাইছিল। পুণাৰাম অকল যোদ্ধাই নহয়, কবি, সাহিত্যিক আৰু শিল্পীও আছিল। *

চাৰিং কংগ্ৰেছৰ সীমাৰ ভিতৰত পোন প্ৰথমেই ইন্দ্ৰেশ্বৰ চুতীয়া, যোগকান্ত বৰুৱা আৰু এই লেখকেই খতিখণ নোহোৱাকৈ কংগ্ৰেছৰ সমাচাৰ দিয়াত টাকুৰি ঘূৰাদি ঘূৰি ফুৰিছিল। যি দিনা আমাৰ ঘৰত ৰাতি খপিবলগীয়া হয়, সেইদিনা আমাৰ সোঁজোনেই ৰাতি পুৱায়। লক্ষ্মীনাথ বেজবৰুৱাৰ "অসমীয়া ভাষাৰ বক্তৃতাটো" পঢ়ি হাঁহিত বাগৰি থাকেঁহঁক, কোন টলকত নো ৰাতি পুৱায় কবই নোৱাৰোঁ। দিনটো ফুৰি-চাকি আহি' নিশা বেজবৰুৱাৰ প্ৰবন্ধ পঢ়িয়েই আমাৰদুখ-ভাগৰ উৰাই পঠিয়াওঁ। বেজবৰুৱাৰ উপমা আৰু একোশাৰী বাক্য আমাৰ মুখস্থ হৈ গৈছিল। কোনো-কোনো সভাত মানুহে আখটি জুৰিলে [বেজবৰুৱাৰ

* গগৈয়ে মহাত্মা গান্ধীৰ বিষয়ে কেবাখনো কিতাপ লেখিছিল। তাৰ ভিতৰত "স্বৰাজ" (প্ৰকাশিত), 'গান্ধীৰ জীৱনী' গান্ধীৰ উপদেশ, "স্বাধীনতা অত্যাৱশ্যক." 'বোৱাকটা শিক্ষা' আদিয়েই প্ৰধান।

ৰগৰ তোলা কথা দুষাৰমানকে কৈ গেঁথেলা মনটোইঁত কোমলাই পেলাইছিলোঁ।

দেওধাই গাৱঁৰ সভা

এদিন গধূলিবজাৰ মৌজাৰ দেওধাই গাৱঁলৈ গোহাৰিপত্ৰ ওঠিয়াই জনালোঁ।—সেইদিনা গধূলিলৈ ভাত এখন সভা পতা হব; গাৱঁৰ বুঢ়া-মেথা, ডেকা-ডঙুৱা সকলোটি যেন নামঘৰতে চাপ খায়। সন্ধিয়াতে আমি ৫০ জনমান ভলণ্টিয়াৰেৰে-সৈতে দেওধাই গাৱঁত উপস্থিত হলোঁগৈ। তেতিয়ালৈকে গাৱঁত সভা হোৱাৰ একো উমঘামেই হোৱা নাই। ওচৰতে কলিতা মানুহ এঘৰ আছিল—'শাকখোৱাৰ ঘৰ' বুলি কয়। আমি চাৰিজন তেওঁবিলাকৰ ঘৰলৈকে গলোঁ, এখন্তেক বহি অলপ জিৰাবলৈ। তাতে দেওধাই গাৱঁৰ মানুহ এজন পিৰালিতে বহি থকা পালোঁ। দেওধাই-মতে চলকৰ কৰা বাবে, সেই কালত, সাধাৰণতে বামুণ-কলিতাই দেওধাইসকলৰ লগত খোৱা-বোৱাৰ সংশ্ৰৱ নেৰাখিছিল। সেই দেখি, দেওধাই গাৱঁৰ মানুহজনক চটাই-ঢৰা এখনতে আমাৰপৰা অলপ নিলগাই বহিবলৈ দিয়া হৈছিল। সেইদিনা সভা হোৱাৰ কথা তেওঁ কিবা শুনিছেনে বুলি সুধিলত, তেওঁ ঠোঁহ ধৰি ধৰি মাত লগালে, "সভা এখন হব হবলা! ৰাইজ চাপিবৰ নৌ হয় এথোন। আহিলেও খাই-বৈ হে আহিব।"

তেওঁৰপৰাই সভা পতাৰ উমানটো পালোঁ। শাকখোৱাৰ ঘৰতে জা-জলপান—পানী-দুনি অলপ খাই লাহে-ধীৰে নামঘৰৰৰ ফালে খোজ ললোঁহঁক। নামঘৰ পাই চাওঁ দেখোন—মানুহৰ সঁচেই নাই; ঘৰৰ ভিতৰত ধানখেৰ এসোপা মাথোন পাৰি থোৱা আছে। তাতে বহিলোঁ। বহি-বহি আমনি লাগিলগৈ। জাৰতে গাও সেঙ্গেটা লাগিবলৈ ধৰিলে। নিশাও বাৰ বাজি যাওঁ-যাওঁ হল। এনেতে দেখোন, পকাথেকেৰা যেন মানুহ দুজনমান ওলালহি। তাৰ পিছত, দুটি-এটিকৈ খিচখিচীয়া লৰা এবাহেও দেখা দিলেহি। বুঢ়াকিজনে গাৰ

কাপোৰকানি কিডোখৰ মেৰিয়াই-ঘুৰিয়াই থম্‌থম্‌কৈ বহাৰ পাছতে, লৰা দুটামানে বুঢ়া আৰু আমাৰ মাজতে জুই একুৰা ধৰি দিলে। জুইকুৰাতে হাত-ভৰি সেকি আমাৰ গাটোইঁতত উম লগাই অলপ বৈছোঁ, এনেতে বুঢ়া এগৰাকীয়ে ছুকস্‌ কৰে প্ৰশ্নৰ বাণ মাৰি পঠিয়ালে,

"পিছে, তইঁত নো আহিছিলি কিলই? কচোন বাৰু, শুনোহঁক।"

ধীৰ বক্তা ইন্দ্ৰেশ্বৰ চুতীয়াই ধীৰেৰে উত্তৰ দিলে,

"আপোনাসকলে কপাহৰ সূতা কাটিব লাগে। তাকে কৰলৈ আহিছোঁ।"

কথাষাৰ শুনিয়েই প্ৰশ্নকৰ্ত্তা বুঢ়াজন টিকা দাঙি উঠিল আৰু আচৰিত হৈ মাত লগালে,

"থ পাই, ক'ৰ অপেস্বৰীজনী পাম? তইঁতে জানো আনি দিবি? আৰু কবি নে কিবা?"

চুতীয়া :—আপোনাসকলে কোনেও যেন কানিত মুখ নিদিয়ে হাতযোৰকৈ কৈছোঁ।

বুঢ়া :—কানি খালে নো কি হয়?

চুতীয়া :—এলেহুৱা হয়। গাত বাহৰোগে বাহ লয়। ধন-বিত্ত সাঁচিব নোৱাৰে। এই আঘোণ মহীয়া জাৰতো নিকানীয়াৰ লৰা এটাই জপং কৰে যেনেকৈ পানীত নামিব পাৰিব, কানীয়াৰ লৰাটোৱে তেনেকৈ নোৱাৰে। সি কুচিমুচি থাকোঁতেই যাব। নিকানীয়াৰ লৰাটোও দেখিবলৈ ভাল। কানীয়াটোৰ হলে হাড়ত-খোৱা। আৰ্জ্জিলে হে ফল ভুঞ্জিবলৈ পায়। কানীয়া এলেহুৱাই নো আৰ্জ্জিব কিটো? কানীয়াবিলাক সেই দেখি ডাল-দৰিদ্ৰ।

"থ থ তোৰ কথাখন! তইঁতক কোনে কলে, কানি খালে দুখীয়া হয় বুলি? মই মাহে চাইটকা-চাইটকা কানি খাওঁ। বলচোন, মোৰ ঘৰলৈ, চাগৈ, মোৰ ঘৰত কি নাই। হাতী আছে এহাল। লৰা চাইটা। ফেঁচুৱে চাঁচিয়ালেই লৰাহঁত হাল লৈ পথাৰলৈ যায়।

ভঁড়ালো দুটা—গুটিৰ এটা, গছীৰ এটা। কানি খালে আক' কিহৰ দুখীয়াটো হয় হোঁ ?"

চুতীয়া (আক্ষেপকৈ) :—এৰা, ভীমকল খোৱা মানুহৰ আগত ৰচগোল্লাৰ কথা কবই নেপায়।

বুঢ়া :—হেৰ', বৰ কথা নকবি দেই! মোৰ বাৰীত থোকাথোকে ভীমকল পৰে, তাৰ এটাও মুখত দি চোৱা নাই। তই আক' কিহৰ ৰচগোলাৰ কথা উলিয়াবলৈ আহিছ ? এতিয়া উঠহঁত।

বুঢ়াজন কানীয়া যদিও, খুলন্তৰ দেহাৰে অসমীয়া স্বাস্থ্যৰ এটি ফটফটীয়া নিদৰ্শন। তেওঁৰ কথাত ৰহন নাই ; যি ভাবে তাকেই কয় ; আৰ্জ্জিৰ লাগে, খাৰ লাগে, তাকে হে তেওঁ জানে। বৰ-কথা সহিব নোৱৰাটো অসমীয়া মানুহৰ পৈতৃক ধৰ্ম্ম। সেইগুণে, চুতীয়াই সঁচা কথাকে কৈছিল যদিও, বুঢ়াৰ গাত নেখাটে দেখি, কোবত কোবে বুঢ়াৰ খং চৰি গৈছিল।

মানুহজনৰ গতিগোত্ৰ দেখি আমি কোৱাকুই কৰিবলৈ ধৰিলোঁ, 'ভাল কেঁচা মানুহটো পালোঁহি! নিৰাশ হৈ সভা ভাঙি গুচি আহিবকে খুজিছিলোঁ। এনেতে, সোমেশ্বৰ দেওধাই ফুকন নামে এজনে মনে মনে কলেহি, "সেইজন মানুহ তেনেকুৱাই। গৰ্ডন ছাহাবক আহোম ভাষা শিকাইছিল। ফণিধৰ চলিহায়ো তেওঁক মান কৰিছিল। গোলাপ ডেপুটীকো তেওঁ আহোম-ভাষা পঢ়ুৱাইছিল। এইবোৰ ডাঙৰ মানুহৰ লগত আয়াযাত আছিল দেখি, তেওঁৰ কথাও ডাঙৰ ডাঙৰ। আপোনা-সকল যাব নেলাগে। গান্ধীৰ কথাকে যাৰদিয়েক কক।" সেই অবৈয়া মানুহজনৰ নাম মনেশ্বৰ ফুকন বুলি পাছত জানিব পাৰিলোঁ।

ফুকনৰ কথামতেই আমি দুষাৰমান কংগ্রেছ-অসহযোগৰ কথা কলোঁ। তাৰ পাছত, ডেকা লৰা দুটামানক কপাহ যাচিলোঁ (আমি গাইপত্তি, এপোৱা আধেৰকৈ কপাহৰ টোপোলা একোটা লৈ গৈছিলোঁ) সিহঁতে কপাহ কিনা হে নেলাগে, কপাহৰ ছুইনামকে নসলে। চুক্-চুকাই-চুক্চুকাই কোৱাৰ মূৰত যেনিবা চণ্ডৰাম বুলি ডেকালৰা এটাই

দুই অনা পইচা দি আধেৰীয়া কপাহৰ টোপোলা এটা কোনোমতে ললে। আধেৰ কপাহে চাৰিটা ভলণ্টিয়াৰ উলিয়ালে। সিহঁতক শিকাই-বুজাই আমগুৰিৰ কানি-দোকানত পিকেটিং কৰিবলৈ পঠিয়ালোঁ। পিকেটিঙৰ ভাৰ দিলোঁ চণ্ডৰামৰ ওপৰত। দেওধাই গাৱঁত চণ্ডৰামেই আমাৰ প্ৰথম খোপনি হল।

আমাৰ কথামতেই সিহঁতে কানি দোকানত পিকেটিং কৰিলেগৈ। পঞ্চম দিনা, আমগুৰি চাহ কোম্পানীৰ চুপাৰিণ্টেণ্ডেণ্ট চিম্‌পকিন্‌চ ছাহাবে পিকেটিং চাবলৈ আহি সুধিলে, "ৰেল, পিকেটিং কৰিবলৈ তহঁতক কোনে পঠিয়াইছে?"

চণ্ডৰাম :—হজুৰ, আমাক কোনেও পঠিওৱা নাই। আমি নিজে নিজে হে আহিছোঁ।

ছাহাব :—পিকেটিং কৰিলে কি হব?

চণ্ডৰাম :—আমি স্বৰাজ পাম।

ছাহাব :—স্বৰাজ নো কি?

চণ্ডৰামে এতিয়া ক'ব নোৱাৰে। মুৰ খজুৰাই খজুৰাই ভয়ে ভয়ে কলে, "বাৰু, হজুৰ মই কাইলৈ কমহি। এতিয়া যাওঁ।"


এই বুলি, চণ্ডৰামে ততালিকে কানি-দোকান এৰি সাত মাইল বাট তৰানৰা-ছিঙি, লৰি মোৰ ওচৰ পালেহি। ওপৰত দিয়া কথাখিনিকে হুবহু কৈ মোক সুধিলে, "পিছে, মই এতিয়া ছাহাবক কি বুলি কমগৈ? কব নোৱাৰিলে ছাহাবে মোক ফাটেকত দিয়াম বুলিছে।" চণ্ডৰামৰ ধাতুটো বুজি শিকাই পঠিয়ালোঁ, "ক'বা, হেনে (বুলি) কানি-দোকানত পিকেটিং কৰাটোৱেই স্বৰাজ"। দিনদিয়েকৰ পিছত শুনিলোঁ বোলে চণ্ডৰাম হেনো দোকানৰ ওচৰ নেপালেগৈয়ে। কেনেবাকৈ ধৰি নিয়ে বুলি গাৱঁৰ সত্ৰকে এৰিলে। কিন্তু, জৰাধৰা গাৱঁৰ দিনাৰাম ফুকন, সোমেশ্বৰ ফুকন আৰু ধনিৰাম ফুকনে গুৰি ধৰাত সেই অঞ্চলত কংগ্ৰেছৰ কাম সুচাৰুৰূপে হবলৈ ধৰিলে।

মৰাবজাৰ মুছলমান গাৱঁত

চাৰিং-কংগ্রেছৰ অফিছ ঘৰ বহুৱাব খোজা মাটিডোখৰতে চলিহা কাকতীৰ জনার্দ্দন ভঁড়ালীবকৱাই খনোৱা পুখুৰী এটি আছে। পুখুৰীটোৰ নাম ভঁড়ালীবকৱা পুখুৰী। সেই পুখুৰী পাৰতে আবদুল নামে দর্জ্জী এজন আছিল। তেওঁৰ ঘৰ আছিল ম'ৰাবজাৰ মুছলমান গাৱঁত আৰু দর্জ্জী কাম কৰিছিলহি চাৰিঙত; চাৰিঙতে অকলশৰীয়াকৈ বসতিও কৰিছিল। তেৱেঁই চাৰিং কংগ্রেছৰ প্রথম খিলাফটী সভ্য। আবদুলৰ কথামতেই এদিন শুকুৰবাৰে ম'ৰাবজাৰৰ মছিদতে জনদিয়েক মুখীয়ালক লগ ধৰিলোঁ। তেওঁবিলাকে সভা পাতিবলৈ আগ্রহ দেখুৱাত, দেওধাই গাৱঁৰ পিছতে, ম'ৰাবজাৰৰ চাৰিআলিত দুখনমান সভা কৰা হল; এখন নে দুখন মছিদৰ ভিতৰতো পতা হৈছিল। চাৰিআলি-চামগুৰিৰ মুছলমান গাৱঁৰ মানুহেও আমাৰ লগত যোগ দিছিল। তেওঁবিলাক কিন্তু নামত হে খিলাফটী, কাম একোকে নকৰে। ছৰকাৰৰ দমন নীতিলৈ ভয় কৰি কোনেও দেখাশুনাকৈ পিকেটিং আদি একো কৰা নাছিল। কিন্তু বাটে-পথে গান্ধী-খিলাফট, মহম্মদআলি-চৌকৎআলীৰ কথা হলে কৈ ফুৰিছিল। ম'ৰাবজাৰৰ ডেকা দুজনমান কিন্তু মৰোঁ জীউ-সেসাঁ-আধিকৈ আমাৰ লগত লাগি আছিল। গাওঁবুঢ়া চেখ্ জোমাৰতে ছৰ্কাৰৰ গাওঁবুঢ়া হৈও, তলে-তলে আমাক সহায় কৰিবলৈ ৰতনপুৰীয়া, মানতনীয়া, জেহেনীয়াৰ ৰাইজক খাটি ফুৰিছিল—বিশেষকৈ দেওবৰীয়া হাটৰ দিনা। আগেয়ে তেওঁৰ দৃষ্টি আমাৰ প্রতি বক্র আছিল। যোৰহাটৰপৰা মৌলবী দেৰাজুদ্দিন আহমদ উকীলে দুদিনমান লেখাৰিকৈ খিলাফট আৰু কংগ্রেছৰ বিষয়ে দুজাউৰিমান বক্তৃতা দিয়াত পাছত হে চেখ জোমাৰত আমাৰ প্রতি তুষ্টভাষী হৈছিল। মনছুৰ খাঁ ভলন্টিয়াৰ আজিও কংগ্রেছতে আছে।

জাজী কংগ্রেছ-কমিটী

জাঁজী অঞ্চলত জনা-বুজা চোকা মানুহ থকা বাবে তাত আমি ৰৰকৈ



৺রত্নেশ্বর বরঠাকুর পৃঃ ৫৫



পদ্মনাথ বরঠাকুর পৃঃ ৫৫

ফুৰা নাছিলোঁ। জাঁজী-হাইস্কুলৰ লৰাবিলাকক হে গান্ধী-মহম্মদ আলিৰ কথা কৈ উত্তেজিত কৰিছিলোঁ। শ্রীযুত কৃষ্ণনাথ শর্ম্মা, শ্রীযুত চন্দ্রধৰ শর্ম্মা, শ্রীযুত শশীধৰ বৰুৱা, শ্রীযুত কুশৰাম মুক্তিয়াৰ, পূর্ণকান্ত বৰুৱা, মুহিৰাম গগৈ বা কমিছন গাওঁবুঢ়া, উষাধৰ আৰণধৰা, শ্রীযুত দেৱানন্দ খাটনিয়াৰ *প্রভৃতিৰ উদ্যোগত জাঁজী-কংগ্রেছ-কমিটী স্থাপিত হয়। ডম্বৰুধৰ খাউণ্ড, হেমনাথ শর্ম্মা, বত্নেশ্বৰ বৰঠাকুৰ* প্রভৃতি ছৰ্কাৰী-আধা-ছৰ্কাৰী কাম কৰোঁতা স্বদেশপ্রাণ লোকে পাছ ফালৰপৰা জাঁজী কংগ্রেছখনৰ গুৰিত দিহাপৰামর্শেৰে সাৰজাবৰ দি আছিল। ১৯৩০-৩২ চনত, পানীদিহিং মৌজাৰ ভগা-মৌজাদাৰ নৰনাথ শর্ম্মাই আৰু কুশৰাম মুক্তিয়াৰে অপৰিসীম চেষ্টা আৰু প্রচাৰ-পৰিশ্রম কৰাৰ ফলত জাঁজী কংগ্রেছখন শিৰসাগৰৰ ভিতৰত গপগপীয়া আৰু উচ্চতৰ কমিটীতেই পৰিণত হৈছিল। অদ্ভুত কার্য্যতৎপৰতা আৰু তেজস্বিতাৰ গুণত নৰনাথ শর্ম্মা শিৰসাগৰ জিলা কংগ্রেছ-কমিটীৰ সভাপতিও হব পাৰিছিল। কুশৰাম মুক্তিয়াৰে কংগ্রেছত ভূক্ত হবৰপৰাই মতৰ অলপো লৰচৰ নকৰাকৈয়ে মৃত্যু পর্য্যন্ত কংগ্রেছ-সেৱা কৰি গল।

---

*শ্রীযুত পদ্মনাথ বৰঠাকুৰৰ "স্বাধীনতা বণৰ সংস্পর্শনত" পুথিত এখেতে পুত্তেক পদ্মনাথেসৈতে কেনেকৈ কাৰাবৰণ কৰিব লগীয়া হৈছিল, তাৰ বিশদ বিবৰণ পাব।

চাৰিং কংগ্রেছ

(গ)

মুগী ভলণ্টিয়াৰ

মুগী ভলণ্টিয়াৰৰ ঘাই নাম বোপাটি ; চাৰিং কংগ্রেছৰ এটি ধৰণী। মানুহটিৰ মুখৰ চুলিবোৰ তামবৰণীয়া, চকুকিটা ডঁহা, গাৰ ছাল ফুটুকা-ফুটুকী আৰু বৰণটিও মুগা। সেই দেখি, বাইজে নামে-গাৰেঁ মিলাই নাম দিছিল 'মুগী' আৰু ক'গ্রেছৰ কাম কৰি ফুৰা বাবে বুলিছিল "মুগী ভলণ্টিয়াৰ।" 'হোল-গোজ ভকত' কাক বোলে, মুগী ভলণ্টিয়াৰক চালে চাবই নেলাগে। তেওঁৰ মানত সংসাৰখন আছিল বেহেকুৱা হাট অর্থাৎ বজাৰলৈ আহি মানুহ-দুমুহে বেচাকিনা কৰি আকৌ ঘৰাঘৰি গুচি যোৱাৰ দৰে। সেইদৰে, আমিও আহিছোঁ এই সংসাৰলৈ, দুদিন বেচাকিনা কৰিম, গুচি যাম। হাঁ-ধন-হাঁ-বস্তু কৰি খোৱাকামোৰা কৰি থাকিলে কি হব ?—এয়ে আছিল বোপাটিৰ জীৱন-দর্শন। এই গুণে, ধনবস্তুলৈ এওঁৰ বৰ আক্রোহ নাছিল। কিন্তু বাপতিসাহোনৰ এচাঁহীমান মাটিও হলে আনক খাবলৈ নিদিছিল। 'জেদত লাগি' কংগ্রেছী বোলাই ফুৰা উকীল এজনকে নিঃকিন বোপাটিয়ে চলুৰে-চলুবে পানী খুৱাই তেনেকুৱা এচাঁহী মাটিও কাটি আনিছিল।

বোপাটিৰ কঁকালত জীৰিলি-জীৰিলিকৈ ফটা চুৰিয়া এডোখৰ, গাত ফটা-ছিটা চোলা এটা, কান্ধত বা চুৰিয়া-খোচনাত তামোলৰ ভকৰি বা হাঁচটি এখন। চোলা-চুৰিয়াজোৰে কেতিয়াবা কাচিৎ হে যদি পানীৰে সৈতে মুখামুখি হবলৈ পায়। সচৰাচৰ তেওঁ উদং গাৰেই ফুৰে। কাপোৰ লোৱাৰ ভিতৰত, বিশেষকৈ জাৰকালি, সময় বুজি চেলেং, খনিয়া,-এৰিয়া (এৰী নহয়) কেয়ো বিধৰ কাপোৰ ছাটি মাৰি লয়। কিন্তু, সেই কাপোৰডোখৰহঁত ইমান মলি বন্ধযোৱা যে তাক গাতলোৱা কাপোৰ মুবুলি মলিৰে কৰপা মৰা-একো ডোখৰ চমটা বুলিলে হে শুৱায়।

বোপাটিৰ অন্তৰখনি ফেন যেন কোমল। বাটে-পথে চিনাকি মানুহজন পালেই, তেওঁ ৰাজবাটতে খেৰ এডাল পাৰি থপৰ কৰে টিকাটো থৈ, আলফুলকৈ তামোলৰ জোলোঙা, হাঁচটি, ভকৰি যেতিয়া যি থাকে, তাকে মেলিব। মেলিয়েই, "তামোল এখনি খাই যক" বুলি কটাৰীৰে তামোলৰ বাকলি গুচাবলৈ ধৰিব। তেওঁৰ কটা-তামোল খাবলৈ বাট-চাব লাগিলে, বাটকৰাৰ সিফালে সোপায় ভ্রষ্ট হয়—ইপিনে বোপাটিয়ে ধৰে কাৰৌ-কোকালিকৈ তামোলখন খাই যাবলৈ। সিপিনে দৈৱাসনেই তল যক, তেও বাটকৰাজনে বোপাটিৰ তামোলখন খাই হে পাৰিব।

সাদিন ঢৰা-লঘোন দি থাকিলেও, মুগী ভলন্টিয়াৰৰ খবৰ নাই—কিন্তু, এঘণ্টা তামোল এখন নোখোৱাকৈ থাকিব লাগিলেই তেওঁৰ গাত গোসাঁই নাইকিয়া হয়। সেই দেখি, মুগীৰ কানত তামোলৰ জোলোঙা এটি সদায় ওলমিয়েই ফুৰে। সেয়ে তেওঁৰ সর্ব্বস্ব। ভলন্টিয়াৰ ডাং-বৰলা—দুকুৰি বছৰ পাৰ হৈ গল, তথাপি তেওঁলৈ ছোৱালী যাচোঁতা কোনো নোলাল। কোনোবাই যদি দুখ পতিয়াই সোধে, "বোপাটি, তোমাৰ বিয়াখন নো কেতিয়াকৈ পাতিছা," বোপাটিয়ে হুমুনিয়াহ এটা কাঢি মুখৰ ভিতৰতে কৈ থয়—"থোৱাঁ দেও, ছোৱালী আৰু নানো।" পিছে সংসাৰৰ মায়ালৈ স্পৃহা নথকা যেন দেখুউৱা সেই বৰাগী ভকতজনকে কেতিয়াবা-কেতিয়াবা দেখিব, দিখৌমুখৰ ভঁৰলুৱা বা পানীদিহিঙৰ নিতাইপুখুৰী নাইবা দিখৌপৰীয়া ঢুলীয়া গাৰঁৰ, বাঁৰী-খাঁৰী থকা মানুহ একোঘৰতে ছমাহ-চাৰিমাহকৈ লঠৰিয়া হৈ পৰি আছে। ঘৰ এৰি কিয় নো এইদৰে প্রবাস খাটিছেহি বুলি সুধিলে ভাওজুৰি কয়, "এৰা, আজি-যাওঁ-কালি-যাওঁকৈয়ে আছোঁ। ৰাইজে দেখোন এৰিয়েই নিদিয়ে। আজি অমুকৰ ঘৰত বৰসবাহ, কাইলৈ তমুকৰ ঘৰত নামগোৱা, পৰহিলৈ আকৌ গাওঁবুঢ়াৰ ঘৰত পালনামৰো জোৰণি, চৌথাদিনলৈ ৰাইজৰ ভাৱনা—এইবোৰ এৰি নো যাওঁ কেনেকৈ?" পিছে কথা বা ক'ত?—ভেকুৰি তলত। আশাত

বন্দী হৈ মধুনাত পৰ দি থাকোঁতেই তেওঁৰ প্ৰায়েই দিনৰাতি পাৰ হৈ যায়।

বোপাটিয়ে সবহুৱা নামৰ বাহিৰেও, দেহবিচাৰৰ গীত, ৰৱগীত—এইবিলাকো ৰাগপদ দি শুৱলাকৈ গাব পাৰিছিল। দিহানাম দিওঁতে সকলোৱে বৈ-বৈ চাইছিল—ফেদেলা মুগীৰ মুখত সুৱদি মিঠা মাত ওলোৱা দেখি বহুতে পঙ্কত জন্ম গ্ৰহণ কৰা পদুমৰ উপমা দি তেওঁক পঙ্কজ ভলণ্টিয়াৰ বুলি কৈ বৰ ভাল পাইছিল। নামত ঘোষা পদ দি হে যায়—লাগবান্ধ হলে একো নাই—অ'ৰ এষাৰ, ত'ৰ এষাৰ যেঁটাই শুনিবলৈ মাথোন শুৱলা কৰে। ১৯২১ চনত এওঁৰ নামৰ ৰস কংগ্ৰেছ-ভক্তসকলে পান কৰিবলৈ নেপাইছিল। তেতিয়া তেওঁ কংগ্ৰেছৰ সন্দেশ-বাৰ্ত্তা হে ক'ঢ়িয়াই ফুৰিছিল। তামোল খনিয়েই আছিল কানীয়া-ভঙ্গুৰাক বশ কৰা সৰ্ব্বঢ়াক মন্ত্ৰ। শুকান পাণেই হওক বা পকা পাণেই হওক, তাৰেই গুৱা এড়ুখৰি দি কংগ্ৰেছৰ ছাট নসহা জনবো মনটো অসহযোগৰ ফালে লুটিয়াই আনিব পাৰিছিল। মৰামুগাৰ নিচিনা জলৌপলৌ, জলহু মুগী ভলণ্টিয়াৰে কংগ্ৰেছৰ হকে দেহমুৰ টাঁকি কাম কৰিছিল। ১৯৩০ চনত, বোপাটিয়ে আইন অমান্য আন্দোলনলৈ যি বুদ্ধিৰে মানুহৰ মন গলাই আনিলে, তেনে বুদ্ধি তথাকথিত ইংৰাজী পঢ়া শিক্ষিত লোকৰ মগজুতো কেতিয়াও নেখেলায়। '৩০ চনতেই, তেওঁক সকলোৱে সভাসমিতিলৈ মাতিবুলি নি মুধাফুটা কংগ্ৰেছ-কৰ্ম্মীৰ সমানে আসন দিছিল।

সোণাৰাম চুতীয়া

মোৰ লগত সততেই ফুৰা এজন স্বয়ং-সেৱকৰ নাম বিশেষভাৱে উল্লেখ কৰিবলগীয়া। তেওঁ সোমৰৱওকৈ দুদিনমান পাছত হোৱা ভলণ্টিয়াৰ। সোমৰৱৰ দৰেই তেওঁও আস্তিক আৰু বিনয়ী। সোণাৰামৰ আগেয়ে কানিত মুখ দিয়া অভ্যাস আছিল। হাতীগিৰীয়া হোৱা বাবে হে তেওঁ কানীয়া ভকতসকলৰ সঙ্গ গ্ৰহণ কৰিবলগীয়া হয়।

তেওঁবিলাকৰ ঘৰত বহুত ম'হ আছিল। কিবিঙা দঁতাল পোৱালী হাতী এটিও আছিল। সেইটি হাতী শ্রীযুত নালীয়া ফান্দীয়ে ৺বাধা ফুকনৰ হাতীচিকাৰত ফান্দীকাম কৰাৰ পুৰস্কাৰ স্বৰূপে পাইছিল। হাতীম'হ-ৰখীয়া হলে, স্বভাৱতে কানি খাবৰ প্রয়োজন হয়। সেই গুণে হে, তেওঁক কানীয়া নুবুলি কানিত মুখ দিয়া অভ্যাস আছিল বুলি কোৱা হৈছে।

কংগ্রেছৰ ধ্বনিয়ে যেতিয়া সোণাৰামক ৰবকৈ কোবাবলৈ ধৰিলে আৰু কানিৰ অপকাৰিতা হৃদিগত হল, তেতিয়াই তেওঁ কানিৰ ধোঁৱাখোৱা দলিয়াই পেলালে আৰু কংগ্রেছৰ ভলণ্টিয়াৰ হৈ কানি এৰুৱাবলৈ ধৰিলে ; আন কি, তেওঁৰ খেচখেচনিত ককায়েক নালীয়া ফান্দীয়েও লুকাই-চুৰকৈ হে এটিকিৰা দুটিকিৰা কানিপাণ পুৰিবলগীয়া হৈছিল। শেষত, ফান্দীয়েও এৰি পেলালে। কানি আৰু বিলাতীকাপোৰ গুচোৱাত সোণাৰাম ইমান আঁকোৰগোজালিকৈ লাগিছিল যে সকলোৱে তেওঁৰ নামকে থৈছিল "ৰৰ ভলণ্টিয়াৰ" আৰু আজিলৈকে সেই নামটো জলিও আছে।

সোণাৰাম খটখটীয়া আৰ সকলো কামতে ৰৰ খৰটকীয়া—তেতিয়াও, এতিয়াও। কাম এটা কৰিবলৈ ললেই ধৰ-ধৰ-মাৰ-মাৰ লগাই দিয়ে। এওঁ ম'হ-খুঁটিলৈ যাওঁতেও-আহোঁতেও হাতৰপৰা সূতাকটা টাকুৰীটো নেৰেই। লগৰীয়া ম'হগুৱালবিলাকে যদিও মনে-মনে কানিপাণ একো চাকি দিয়াইছিল, সোণাৰাম "ৰৰ ভলণ্টিয়াৰ" হৰৰপৰা তাৰো মুদা মৰিল।

শ্রীকনকচন্দ্র ফুকন

অকৃত্রিম দেশসেৱক শ্রীমান কনক ফুকনৰ মধুভাষ, যুক্তিপূর্ণ কথা, আৰু শিষ্ট আচৰণৰ স্মৃতি এতিয়াও মাজে-মাজে উকাই থাকে। জাঁজী-আমগুৰি-ম'ৰাবজাৰ অঞ্চলত সভা-সমিতি পাতি ফুৰোঁতে এওঁ সততেই আমাৰ লগত ফুৰিছিল। ম'ৰাপুখুৰী-কোৱঁৰ গাৱঁত গান্ধীৰ নাম

শুনিব নোৱৰা মানুহেই বেছি। কনক ফুকনে গমি পিটিকি মৰম-লগা মাত-কথা কৈ ভালেমানক অসহযোগৰ পটিলৈ ঢাল খুৱাই আনিছিল। ইবিলাক ভলণ্টিয়াৰে বায়ুৰ বেগতে নভবা-নিচিন্তাকৈ একোটা কাম কৰিব খোজে, কনক ফুকনে ধীৰে-শাঁতে বহুত ভাবি-গুণি হে সেই কামলৈ আগ বাঢ়ে। কিবা এটা কথাৰ আউল ভাঙিব নোৱাৰিলেও সেইদৰে ফুকনে কথাষাৰৰ আগগুৰি ভালকৈ ফঁহিয়াই চাই শেষত একোটা অকাট্য সিদ্ধান্তত উপনীত হয়গৈ। এনে ধীৰ প্ৰকৃতিৰ স্বয়ং-সেৱক আমাৰ ভিতৰত অতি বিৰল। তেওঁ দেখিবলৈ যেনে ধুনীয়া, অন্তৰখনো কবিত্ব ভাবেৰ তেনেকৈ জেকি থকা। নাজিৰা হাইস্কুলৰ ছাত্ৰ আছিল কনক। আসাম কোম্পানীৰ ছাহাববিলাকৰ মইমতীয়া-আচৰণ দেখি স্বভাৱতে বৃটিছ-আচৰণৰ প্ৰতি তেওঁৰ বিতৃষ্ণা জন্মি আছিল।

মহাত্মা গান্ধীৰ অসহযে গ শিঙ্গাৰ ফুঁক শুনি কনক ফুকন স্কুলত ছাত্ৰ হৈ থাকিব নোৱাৰিলে। অনতিপলমেই পঢ়া এৰি আমাৰ সেৱক দলত ভুক্ত হৈ আন্দোলনটোৰ সম্মান বঢ়ালেহি। তেওঁ ফাটেকলৈ যাবলগীয়া নহল। তথাপি, চাহবাগিছা আৰু ওচৰচুবুৰীয়া গাওঁভূঁই-বোৰত অসহযোগৰ বাণী প্ৰচাৰ কৰাত নথৈ সহায় কৰিলে।

কনক ফুকন ঐতিহ্যপূৰ্ণ বংশৰ বংশধৰ। সাহিত্য, সঙ্গীত-কলা, বুৰঞ্জী-প্ৰেম তেওঁৰ জন্মগত ধৰ্ম্ম। পুথি-প্ৰবন্ধ তেওঁ কিবা লেখিছিল নে নাই, কব নোৱাৰোঁ; তেওঁৰ ঘৰত হলে "অসমীয়া", "বাঁহী", "চেতনা" আদি আলোচনী-কাকত আৰু নানান্ বিধৰ অসমীয়া কিতাপ আলমাৰিত ভৰাই থোৱা দেখিছিলোঁ। অকল ভৰাই থোৱাই নহয়, সেইবোৰ কিতাপ পঢ়ি, নিজৰ চিন্তাশক্তিৰ ধাৰ তোলাৰো প্ৰমাণ পাইছিলোঁ।

তেওঁবিলাকৰ ওচৰতে দেওধাই গাওঁ। এই গাৱঁতে মনেশ্বৰ ফুকন নামেৰে এগৰাকী দেওধাই ভাষাত পণ্ডিত লোক আছিল। ওপৰত কৈ অহা মতে, এখেতসকলৰ ঘৰৰপৰাই তাহানিখণ গেইট ছাহাবে অসম

বুৰঞ্জী সঙ্কলন কৰিবৰ সময়ত, শিবসাগৰৰ মাননীয় ফণিধৰ চলিহা ডাঙৰীয়াই ভালেমান আহোম ভাষাত লিখা পুথি নিছিল। আহোম-ভাষাত পণ্ডিত গোলাপচন্দ্ৰ বৰুৱায়ো এই ঘৰ দেওধাই ফুকনৰ সহায়তে আহোম ভাষা শিকিছিল। আমি অসহযোগৰ প্ৰচাৰ কৰি ফুৰোঁতে শ্ৰীমান কনক ফুকনে এখেতসকলৰ গাৱঁৰপৰা কেবাখনো 'অসম-বুৰঞ্জী' পুথি উদ্ধাৰ কৰি মোক দিছিল। তৰে এখন আছিল "চাংমাই বুৰঞ্জী"। সেইবিলাক পুথি গিৰিহঁতক শোধাই দিয়া হল। পুৰণি সাহিত্য-সম্পদ উদ্ধাৰ কৰাৰ চেষ্টাত ফুকন এতিয়াও ব্ৰতী আছে বুলি শুনিছোঁ।

ভাগ্যৰ চাকনৈয়াত পৰি কনক ফুকন এতিয়া প্ৰায় জড়াজীৰ্ণ অৱস্থাত। কিন্তু অতীতৰ সেই সোণাময় যুগৰ ৰ'দ এচেৰেঙা গাত লাগিলে আজিও ফুকন গা-কটালি উঠে।

গুলিৰাম বৰুৱা

মানতনীয়া-ঘৰফলীয়া গাৱঁৰ এজন মানুহ এতিয়াও মোৰ সোৱঁৰণি-পটত জিলিকি থাকে। সেইজন হৈছে—দেওৰজা মৈদামৰ ওচৰতে থকা শ্ৰীযুত গুলিৰাম গগৈ বৰুৱা। ১৯২১ চনত, এওঁও এজন খৰ্ব্ব-নিখৰ্ব্ব ভলণ্টিয়াৰ আছিল। এওঁ কথা নেপাহৰে—যেই-সেই কৰিব-লগীয়া কাম এটা নিৰ্দিষ্ট সময়ত—কোনোবা জনে কৰিবলৈ পাহৰিলেও—এওঁৰ ফট্ কৰে মনত পৰে। দেহাটোও মনৰ লগতে যেন উৰাই লৈ যাব—এনে হেন উৎসাহ এওঁৰ। তেওঁৰ মানত সময় অমূল্য ধন—ইয়াক এবাৰ হাতৰপৰা এৰুৱালেই আৰু পাবলৈ নাই। সেই দেখি এক তিলমান সময়ো এনেই নিনিয়ায়। কৰ্ম্মী কৰ্ম্মীয়েই। কাম এটা কৰিবলৈ পাচিলে, তেওঁ গুলীটো যোৱাদি গৈ, গুলীটো অহা দি আহে। অহা-যোৱাতেই পাঁচনী ক্ৰিয়াৰ অন্ত নপৰে—যি কাম কৰিবলৈ পঠিওৱা হয়, তাক সমাধা কৰি হে আহে। আজিকালি শৰদত মৌপিয়া কংগ্রেছ কৰ্ম্মীৰ গতি-গোত্ৰ দেখি তেওঁ কংগ্রেছৰ প্ৰতি শটং জুৰিলে। তথাপি, কংগ্রেছ-পুলিটি বোওঁতে যি উৎসাহ-উদ্দীপনা

দেখুৱালে, কংগ্রেছৰ প্রভাৱ থাকে মানে সি স্মৰণীয় হৈ থাকিব। তেওঁৰ নেৰানেপেৰা চেষ্টাৰ ফলতেই জৰাধৰা, ৰতনপুৰীয়া, অভয়পুৰীয়া, ম'ৰাপুখুৰী-কোৱঁৰ গাওঁ আৰু ঘৰফলীয়া গাৱঁত ৫০ জনমান স্বেচ্ছা-সেৱক সংগ্রহ কৰিব পাৰিছিলোঁ।

গুলিৰামৰ দৰেই ঘৰফলীয়া অঞ্চলত বিদেশী দোকানীকে (বিদেশী নামৰ এজন মানুহ) প্রমুখ্য কৰি বহুত ডেকা লৰাই উন্মত্ত হৈ কংগ্রেছৰ কাম কৰিছিল। সিৰিলাকৰ নাম অলেখ।

[৫]

"ঢেকুৰা-ঠাৰি সিজোৱা"

মকৰা পেক্ষাৰ

জয়ে-জয়ে হোৱা কংগ্রেছ-সেৱক বাকৰতি গাৱঁৰ টেপুৰাম গগৈ আৰু কৃষ্ণকান্ত গগৈয়ে এদিন কলেহি বোলে, "কাকতী-পুলৰ মকৰা পেক্ষাৰে আমাক পুলিছৰ হতুৱাই ধৰাই নিয়াওঁ বুলিছে; মহীকান্ত বৰুৱাৰ হতুৱাই এজাহাৰ লেখোৱালেই। আজিয়েই আমগুৰি থানালৈ মানুহ যাব। সিহঁতৰ হাততে বোলে এজাহাৰখন পঠিয়াব। পেক্ষাৰে আমাৰ ৰাইজখনক কুকুৰ বুলি গালিও পাৰিছে। তেওঁ আটাইকে ভঙাই ফুৰিছে বোলে কংগ্রেছত কোনেও যোগ নিদিব। কোনে ক'ত মহাত্মাৰ জয় দিয়ে, কোনে কাক কানি এৰিবলৈ কয়—এই এটাইবোৰ খবৰ পেক্ষাৰে মনে-মনে পুলিছলৈ দি থাকে। তেওঁ ৰাইজকো নেমানে। পেক্ষাৰক কংগ্রেছত সুমুৱাব নোৱাৰিলে, আমি আৰু সেই ফালে ঠুঁটিয়াবই নোৱাৰোঁ। আমাক তেওঁ 'কুকুৰ ভলণ্টিয়াৰ' নোবোলাকৈ কথাকে নকয়।" সেই বাবে মই পেক্ষাৰৰ ওচৰলৈ গৈ পেক্ষাৰক কংগ্রেছ-মেম্বৰ কৰিব লাগে আৰু পুলিছলৈ ৰিপৰ্ট দিয়া বন্ধ কৰাব লাগ—এই বুলি টানি অনুৰাধও কৰিলে।

মকৰা পেক্ষাৰে ভলণ্টিয়াৰক কিয় কুকুৰ বুলিছিল আৰু ভাবুকি দি, ফোৰোহনি মাৰি টেপু-কৃষ্ণাইক কেনেকৈ কৰ্ফাল খুৱাই মোৰ ওচৰ পোৱাইছিল, তাৰ আঁতি-গুৰি কলে হে সাত-বিহুৰ-সৈয়াকণী মকৰা পেক্ষাৰৰ কথাৰ ভাও আৰু সজাসৰকা প্রকৃতিৰ তৎ ধৰিব পৰা যাব।

কথাটো এই :—

চাৰিং-কাকতী-গাওঁ ক্রেডিট ছছাইটিৰ চেক্রেটৰী ভোলানাথ কাকতীৰ পথাৰত দাই থোৱা পকাধানৰ মুঠি কিছুমান নিশা কোনোবাই

ধাননিৰপৰাই চুৰকৈ নিলে। ভোলা কাকতীয়ে কংগ্রেছ-ভলণ্টিয়াৰ টেপু-কৃষ্ণাইক চোৰৰ শুং-সূত্ৰ উলিয়াবলৈ কোৱাত তেওঁবিলাকে পুং খেদি-খেদি পেক্ষাৰৰ ভঁড়ালত সেই মুঠি জাঁপি থোৱা পালেহি। সেই কাৰণেই, ভলণ্টিয়াৰ দুজনে মেল চপাই গোচৰ দিলে, "ভোলা চেক্ৰেটৰীৰ পথাৰত ধানৰ মুঠি চুৰ কৰিলে। মুঠিবোৰ গালফলা। আমি খুঁচৰি-খুঁচৰি ধানৰ চিনে-চাবে সেই মুঠিবোৰ পেক্ষাৰৰ ভঁড়ালত পালোঁহি। পেক্ষাৰক সোধাত কলে, 'ভঁড়ালত কোনে কি সুমাই থৈছে, মই কেনেকৈ ক'ম? মই কিবা আনিছোঁ নে?'—মেলুৱাই-সকলে বিচাৰ কৰি ভলণ্টিয়াৰৰ অভিযোগ সঁচা বুলি সন্দেহতে পেক্ষাৰৰ পুতেক এটিক এশ টকা দণ্ড কৰিলে। সেই দণ্ডৰ টকাকে আনিবলৈ যাওঁতে, পেক্ষাৰে গালিশপনি পাৰি টেপু-কৃষ্ণাইক ভেকাহি লগালে' "ৰ, কুকুৰটুঁত, তহঁতক পুলিছত দিব লাগিব। আজিয়েই মই মহীকান্ত বৰমহৰিৰ হতুৱাই দৰ্খাস্ত লেখোৱাওঁগৈ। মই দণ্ড-ফণ্ড নিদিওঁ। কুকুৰ ৰাইজখনে নো কেনেকৈ দণ্ড লয় চাওঁ বাৰু, ৰঃ।"

পেক্ষাৰৰ ডাবি-ভেকাহিত উফৰি আহি টেপু-কৃষ্ণাই মোৰ ওচৰ পালত। তেওঁবিলাকৰ কথামতেই পিছ দিনা ৰাতিপুৱা ৯ মান বজাতেই পেক্ষাৰৰ ঘৰ ওলালোঁগৈ।

পেক্ষাৰ ভিতৰত আছিল। বোধ কৰোঁ, ভাত ৰান্ধিছিল। মই চ'ৰা ঘৰৰপৰা মাত লগালোঁ,

"পেক্ষাৰ ডাঙৰীয়া আছে নে?"

ভিতৰৰপৰা মাত এযাৰ আহিল, "কোন?"

মই মাত দিলোঁ, "মই হে।"

আকৌ ভিতৰৰপৰা নিজে-নিহে কোৱা যেন কৈ (স্বগতঃ) টানি সুধিলে, "আয়-আই। কোন?"

মইও ডাঙৰকৈ মাতি পঠিয়ালোঁ, "মই অমুকা" (মোৰ নামটো কলোঁ)।

এইবেলি নেপথ্যে মাত-মতা মানুহজন ভিতৰৰপৰা ওলাই আহিল।



বিমলাকান্ত বক্সী পৃঃ ৯



বেণুধর শর্ম্মা পৃঃ ৩৮

মানুহজনৰ কঁকালৰপৰা তলছোৱাত মুগা-চুৰিয়াৰ ৰৰ-ফেৰ আৰু গাত পাতলীয়া চেলেং এখন। তেৱেঁই মকৰা পেঙ্কাৰ। মোক দেখা মাত্ৰকে তেওঁ আচৰিত হোৱা যেন দেখুৱালে, আৰু অমৰাগুটীয়া ডঁহা চকুকিটা পকাই, মোক সেৱা এটি কৰা যেনকৈ, পকা গোঁফকোঁচাত হাত ফুৰাই ৰৰ আথে-বেথে সুধিলে,, "অ', গুৰুজন দেখোন! দুপৰীয়াখন বন্দীৰ ভগা বহাত কিয় বা থিত দিলেহি?" এই বুলি, কথাযাৰ সোধাৰ লগেলগেই, গোঁসাই-ঘৰৰ ফালে টোঁৱাই হাতযোৰকৈ ক'লে, "এতিয়া, উঠিব হে লাগে।" (যেন, মই আহিম বুলি তেওঁ আগেয়েই জানিছিল আৰু যেন গোঁসাই-ঘৰত, সেই বাবে, মোলৈ জলপান সজাই থোৱাই আছিল; এতিয়া উঠি মাথোন খাবগৈ হে লাগে।)

পেঙ্কাৰৰ ভেৰাকুটীয়া ভাও দেখি মইও গহীনাই কৈ থলোঁ, "থক, থক; নেলাগে বাৰু জলপানপাতি দিহা কৰিব। এতিয়া ভাতেই খামগৈ আৰু।"

"ভাল, গুৰুজনৰ যি ইচ্ছা," এই বুলি ম'হশিঙ্গীয়া গোঁফকোঁচাত আকৌ মোহাৰ এটা মাৰি সন্তুপণে সুধিলে, "পাছে, বন্দীৰ ঘৰত নো ধূলা দিলেহি কি সকামত?"

মই:—সকাম বুলিবলৈ একো নাই, পেঙ্কাৰ। কিবা অকণমান কথা এটিৰ খুঁকুৰি মাৰিবলৈ হে আহিলোঁ। হয় নে, আপুনি বোলে ৰাইজখনক কুকুৰ বুলি গালি পাৰিছে?

পেঙ্কাৰ:—হৰি! হৰি! ভূমি-ছুই-কৰ্ণত-হাত-দিয়া-কথা! কোন শতাই নাৰকীয়ে কলে, এনে কথা? ৰাইজক কুকুৰ বুলিবৰ বন্দীৰ কি শকতি আছে?

মই:—সিদিনা টেপু আৰু কৃষ্ণায়ে বোলে আপোনাৰ ভঁড়ালতে ভোলা চেক্ৰেটৰীৰ পথাৰৰপৰা অনা পকা-ধানৰ মুঠি পালে। সেই বাবে, মেল চপালত আপোনাৰ পুতেকক ৰাইজে এশ টকা দণ্ড কৰে। তেওঁবিলাকে সেই দণ্ডৰ ধন বিচাৰি অহাত আপুনি ক'লে হেনো, "কুকুৰ

ৰাইজখনক কিহৰ দণ্ড দিবলৈ আছে।" এই বুলি কৈয়েই, সিহঁতক বোলে ছুই যি নিকিলালে।

পেষ্কাৰ :—অ', সেইটো কথা! সিও এটা কথাৰ কথা নে? তাকে হবলা গুৰুজনে সুধিবলৈ আহিছে! টেপু-কৃষ্ণাইহঁতৰ মান তল্‌খুঁচৰীয়া পাষণ্ড ক'ত ওলাব? ইহঁতে, গাৱঁত কোনে ক'ত কি কৰিছে খুঁচৰি ফুৰে। বন্দীয়ে গান্ধী-ভলণ্টিয়াৰক বেয়া বোলা নাই, নোবোলোঁও। গৰমুৰীয়া গোঁসাই ঈশ্বৰে বৰ ভাল কামকে কৰিছে।" এইদৰে কথাৰ ঢাল অইন ফাললৈ পোনাই শেহাস্তত পাকে-প্রকাৰে স্বীকাৰ কৰিলে, "গুৰুজনে শুনা কথা এটাইবোৰ সঁচা। এটি কথা হে মাথোন বেঙাই গৈছে।"

মই :—কোনখিনিত নো বেঙালে, শুনোচোন বাৰু।

পেষ্কাৰ :—ৰাইজে বন্দীৰ পোক সন্দেহতে অকাৰণ কথাত ১০০ টকা দণ্ড কৰা সঁচা। তেতিয়া বন্দীও মেলতে থকা হৈছিল। অযুগুত দণ্ড কৰা শুনি বন্দীয়ে নেমাতি নোৱাৰিলোঁ, বোলোঁ,

"মেলত থাকি যি নেমাতে উচিত
দোষে পায় তাকো কিঞ্চিৎ-কিঞ্চিৎ"।

এই দেখি, আমি মেলুৰাই স্বৰূপে কোৱা হল, "তাৰ ধাননিয়ে চেক্রেটৰীৰ ধাননিয়ে লগালগি; গতিকে, ভুলেচুকেও মুঠি আহিব পাৰে। সি যে আনো বুলি আনিছে, বন্দীয়ে বিশ্বাস নকৰে। সঁচা কথাত দণ্ড কৰে দেখিবলৈ ভাল। নাহকত বাৰু কোনে কেঁচা-ধনখন ভৰে? কাকতীৰ পথাৰেৰে লেট্‌পেট্ আছিল দেখি হে, এনে অপযশটোকে শুনিবলৈ পোৱা হল। দণ্ড কৰিছে, কৰক বাৰু। তাৰ পিছে, ১০০ টকা দণ্ড বৰ চাৰ হৈছে। আমি হলে, দহ টকিতে থবলৈ কওঁ। ৰাইজৰ শাওত গৰুগুৰো পখা ছিগে বুলি হে সিমানকে কোৱা হৈছে। তাকে চাই ৰাইজে যি কৰে। এই বুলি সেও হৈ কোৱাত বন্দীৰ কথাতে ৰাইজ মাস্তি হল আৰু বন্দীৰ পোটোক দহ টকাকে দণ্ড কৰিলে। আমিও সেই টকা দিবলৈ দিন লোৱা হল।"

এই কুৰুধীয়া ভলণ্টিয়াৰকিটাই আক' সিদিনা আহি বন্দীৰ ঘৰতে খেচখেচ্ কৰে ধৰিছেহি বোলে ৰাইজে দণ্ড কৰা ৰূপ শ দিবই লাগে। বন্দীয়ে বোলেঁা, "হেৰ কটাহঁত, ৰূপ শ বুলিলেই ৰূপ শ পায় নে? এশ হে নেলাগে, দহ টকাকে পাৱনে নেপাৱ? এই বুলি ক'লত সিহঁতে বন্দীক বহুত নকৰ লগীয়া কথা কলে। তেনেতে, বন্দীয়ে হৱলা খণ্ডৰ ভমকত কৈ পেলালেঁা, "যা, যা, তহঁতৰ কুকুৰধুলি ৰাইজখনে মোৰ কি কাণ কাটে কাটিব—মকৰা শইকীয়াই তালৈ ভয় নকৰে।"

তাৰ পিছত, ভকতীয়া ভাও ধৰি, মোৰ মুখে-মুখে চাই আচল কথাটো ব্যক্ত কৰিলে, "চকচোন বাৰু গুৰুজন, বন্দীৰ পোক দণ্ড কৰা যেই, বন্দীক দণ্ড কৰাও সেই নহল জানো? পো যেতিয়া আচামী, বাপেকীও জানো আচামীৰ লগৰে নহল? ৰাইজে যেনিবা এশ টকা দণ্ড কৰিছিলেই, আচামীৰ বাপেক বন্দী-আচামীয়ে দহ টকাতে থৱলৈ কোৱাত ৰাইজখন নো কেলৈ মান্তি হল? আচামীয়ে জানো আচামীক দণ্ড কৰিব পাৰে? যি ৰাইজে আচামীৰ কথাতে হৰিভৰ দিয়ে সেই ৰাইজ কুকুৰধুলি নহয়, কি? ইহঁতে খালি বন্দীক কেনেকৈ শলঠেকত পেলাওঁ তাকে হে অহর্নিশে চিন্তি থাকে। দহ টকা ক'ত আৰু এশ টকা ক'ত? এইবোৰ কেৱল টেপু-কৃষ্ণাইৰ কাৰচাজি! তাতে আকৌ ৰাইজখনো তাহাঁতৰে।"

পেষ্কাৰৰ কথাৰ দোপাক-তেপাক দেখি, সেইটো কথা তাতে এৰি, কংগ্রেছৰ সভ্য হোৱা আৰু তিলক-ভঁড়ালৈলে দান দিয়াৰ কথা উলিয়ালেঁা। দান-ৱৰঙ্গনিৰ কথা উলিয়াবলৈ হে পালেঁা, পেষ্কাৰে সাউং কৰে ভিতৰলৈ সোমাই গৈ পাণবটা এটাতে তামোল-পাণ এটাই সৈতে ৰূপ তিনটকা আনি ঠাইখন মোহাৰি মোহাৰি মোৰ আগতে থলেহি।

টকা দেখি কলেঁা, "বোলেঁা পেষ্কাৰ, কংগ্রেছৰ প্রতিজ্ঞা-পত্রত চহী নকৰিলে, আপোনাৰ টকা লব নোৱাৰোঁ।"

পেষ্কাৰ:—বন্দীয়ে চহী-তহী নকৰে। বন্দীৰ ঘৰলৈ গুৰুজন

আছিছে, কংগ্রেছলৈ দান লাগে বুলিছে, লৈ যক, এই কেটকিকে। দুখীৰ দুখী অৱস্থাৰে যি পৰা হৈছে, দিয়া হৈছে।

মই :—আপুনি চহী নকৰিলে টকা ছুবই নোৱাৰোঁ।

পেষ্কাৰ :—(অলপ বেলি টঙক মাৰি) ভাল বাক, নেলাগে ছুব। গুৰুজনে যদি এটা কাম কৰি দিব পাৰে, বন্দীক মহৎ উপকাৰ কৰা হব। তাকে যদি কৰে, বন্দীয়ে চহী হে নেলাগে, তিলক ভঁড়াললৈও ডেৰকুৰিমান ৰূপ আগ বঢ়োৱা হব।

তাৰ পিছত, তেওঁ পেট খুলি সকলো কথা প্ৰকাশ কৰিবলৈ ধৰিলে অৰু মইও কাণ পাতি শুনি গলোঁ। পেষ্কাৰে আৰম্ভ কৰিলে, "দেখিছেই, সৌজনী বন্দীৰে ঘৰৰ মানুহ, (এই বুলি, মোৰ মুখৰ আগতে বাঁহৰ চাং এখনত্ে শুই থকা তেওঁৰ ঘৈণীয়েকলৈ আঙুলিয়াই দেখুৱালে) আজি ছমাহ হল, কঁকালৰ বিষত উঠিব পৰা নাই। পথাৰৰ পকাধান পথাৰতে মৰহিছে। জানেই নহয়, ম'হগুৱালবোৰ কেনে উৎপতীয়া। সিহঁতে নিশা-নিশাটো বন্দীৰ ধানডৰাতে ম'হ মেলি দিয়ে। ম'হে খাই-খচকি গোটেইখন তহিলং কৰে। ৰাতিপুৱা কুঁৱলীৰ আঁৰতে, গুৱাল পলাই জকাইচুক পায়গৈ। বন্দীয়ে খেদি-খেদি দুটামানৰ দা-টোকোন, টোঁ-বাটি কাঢ়ি লৈ থৈছোঁ। তাহঁাতৰ ওপৰত মেল চপাই বন্দীয়ে পাৰ লগীয়া ৰূপ চাৰিকুৰিকে এতিয়া উলিয়াই দিব লাগে। গুৰুজনে এই-ফেৰাকে উপকাৰ কৰক। ৰূপ কেটকা পালেই, তাৰে দুকুৰি তিলক ভঁড়াললৈ যাব আৰু সিকি এটা দি কংগ্রেছতো সোমোৱা হব।"

মকৰা পেষ্কাৰৰ মকৰাজলীয়া ফান্দ্খন দেখি মনে-মনে হাঁহিলোঁও, বিমোৰতো পৰিলোঁ। ভাবিলোঁ, এওঁক যদি কেনেবাকৈ আমাৰ ছিটিকাত লগাব পাৰোঁ, আমাৰ আৰু ৰামৰাজ্য—টিপমীয়া গাৱঁত আমাক আৰু কোনে পায় ? এওঁৰেই যদি মুখখন বন্ধ হয়—থামোন-বাকৰতি হে নেলাগে, ত'ৰ জকাইচুকলৈকে কংগ্রেছৰ অখণ্ড ৰাজ্য হল বুলি ধৰিয়েই লব পাৰোঁ।

ঘৰলৈ আহি পিছ দিনাই বোপাটি ভলণ্টিয়াৰক (এওঁৰ কথা ওপৰত

কোৱা হৈছে) জকাইচুকলৈ পঠিয়াই, গুৱালকিটাক মেললৈ আহিবলৈ জাননী দিলোঁ। মানুহে কয়, "শিয়ালে-গুৱালে সমান।" বোপাটিক পঠিয়ালোঁ। যদিও, গুৱালে নো মোৰ কথা ক'ত মানিব বুলি মনতে সন্দেহো হল। জাননীত লেখিছিলোঁ—মকৰা পেক্ষাৰৰ ধান খুউৰা বাবে তোমালোকৰ ওপৰত পেক্ষাৰে গোচৰ দিছে। চাৰিং-কংগ্রেছে অমুক তাৰিখে তাৰ বিচাৰ কৰিব। তোমালোক যেন দহোকুৰি মেললৈ নহাকৈ নেথাকা।

বোপাটি ভলণ্টিয়াৰেও আমাৰ জাননীৰ ওপৰতে আৰু দুষাৰমান কথাৰে আগগুৰি কটাত, গুৱালকিজন দিনেবাৰে আহি কংগ্রেছৰ মেলত উপস্থিত হলহি। মেলুৱাই আছিল :—সুৰথচন্দ্র চলিহা, লক্ষ্মীনাথ কটকী, বিষ্ণুৰাম বৰকাকতী, কুশকান্ত বৰকাকতী আৰু ডিম্বেশ্বৰ কটকী। লক্ষ্মীনাথ কটকীৰ ঘৰতে সেই মেল বহিছিল। মেলুৱাইৰ বিচাৰত সন্তুষ্ট নহল যদিও, পদকীয়া (আচামী) কিজনে আপোন-ইচ্ছাৰেই টকা ভৰিবলৈ গাত ললে। কিন্তু, সেই সময়ত হাতত নথকাত, ডিক্রী হোৱা ৮০ টকাৰ ভিতৰত আংশিক ভাৱে যি যেনেকৈ পাৰে দিলে। কেউজনৰ পৰা মুঠ ৩৫ টকা পোৱা হল। তাৰে ১০ দহ টকা মেলুৱাইৰ দস্তুৰী বা মেলবহনিলৈ থা কল। বাকী থকা ২৫ টকা এতিয়া মকৰাৰ প্রাপ্য। পেক্ষাৰক লাগে জিকা হাঁহৰ মুৰটো—টকাটো পাছ-কথা। গুৱালহঁতে সেও মনাত পেক্ষাৰৰ ৰঙত পাৰ নাই। পূর্ব্বৰ অঙ্গীকাৰ মতে তেওঁ ততালিকে তিলক-ভঁড়ালৈ ১৫ টকা দান আগ বঢ়ালে আৰু চাৰি অনা দি কংগ্রেছৰ সভ্য ভুক্ত হল। পেক্ষাৰক কংগ্রেছ-ভুক্ত কৰি হেঁকাই টিলিকি মাৰিলোঁ। সেই দিনাৰপৰা বাকৰতি-টিপমীয়াত আৰু কংগ্রেছৰ ভয় নোহোৱা হল। টেপু-কৃষ্ণাইৰো ভয়-ভ্রান্তি সকলো ভাগিল। ক'ৰবাত সভা-সমিতি বা মেলদোৱান হলেই, পেক্ষাৰক নমতাকৈ নেথাকোঁ। ৭০ বছৰীয়া বুঢ়া পেক্ষাৰো, হাতত লাখুটিডাল লৈ থৰক-বৰককৈ হলেও তাত উপস্থিত হবগৈয়ে। মকৰা পেক্ষাৰ অকল চাৰিঙৰে নহয়, চুতীয়া কুলৰেই এটি সাঁথৰময় অদ্ভুত চৰিত্র।

চিংফৌ-খহুৰা মেধি

টিপমীয়াৰ দৰেই অগ্নিবৰ খনিকৰ গাৱঁতো এজন মাতঃবৰী লোক আছিল, যাক, অন্ততঃ "মৌনেন সম্মতি লক্ষণং"-ভাব প্ৰকাশ কৰাই বহুৰাই নোথোৱা হলে, ঘৰৰ ওচৰতে অসহযোগৰ কাম কৰিব নোৱাৰিলেঁাহেতেন। এইজন পুৰুষৰে নাম চিংফৌ-খহুৰা। আচলতে, এওঁ চিংফৌ নহয়—খহুৰা নামৰ এজন নিভাঁজ অসমীয়া মানুহ হে। এওঁৰ মাক-বাপেকক হেনো উত্তৰ কূলৰ চতীয়াৰপৰা (কলাবাৰী) চিংফ'ৱে ধৰি নিছিল। ধৰি নিয়া মানুহবোৰেসৈতে চিংফ'ইত উজনিৰ পোনে কোনোবা এঠাইত নিশা শুই আছিল। তাতে সিহঁত ভৰ-ঘুমটিত পৰিলত, লগৰীয়া দুটামানেসৈতে খহুৰাৰ মাক পলাই গৈ ওচৰৰে হাবি এখনত সোমাল। তাতে মাকৰ অশৌচ লাগিল আৰু এই খহুৰা বোলা লৰাটি ভূমিষ্ঠ হল। পানী-কেঁচুৰাটোৰ টেঁৰা-টেঁৰা মাত শুনিলেই জানোচা চিংফ'-দোৱনীয়া আহি সিহঁতক মাৰি পেলায়হি, এই ভয়তে মাকে কেঁচুৰাটোক বুকুত বান্ধি অগাইধনি হাবিত সোমালগৈ। দুদিন-মানৰ পিছতে, চিংফ'ইত তাৰপৰা উজাই গল। খহুৰাৰ মাক ও হাবিয়ে বননিয়ে অকাই-পকাই কেঁচুৰাটোৰেসৈতে জকাইচুক পথাৰত ওলালহি। তাতে, ওচৰচুবুৰীয়া মানুহৰ আশ্ৰয় লৈ খুজি-মাগি খাই থাকিল। লৰাও লা হে লাহে লৰি-ঢাপৰি ফুৰিব পৰা হল।

চিংফ'ৰ চকুত ধূলি মাৰি খহুৰাৰ বাপেকো এদিন পলাল। তেওঁ ঘৈণীয়েকক দিহিঙে-দিপাঙে বিচাৰিও লগ নেপালে। ঘৈণীয়েকক বিচাৰেঁাতে-বিচাৰেঁাতে বাটৰো ভু হেৰাল। হাতত বাপতিসাহোন তৰোৱালপাটকে সাৰথি কৰি, ঘৈণীয়েককে ধিয়াই খহুৰাৰ বাপেকে ষেনিয়ে পায় তেনিয়ে হাবি ভাঙি যাবলৈ ধৰিলে। বছৰচেৰেকৰ মুৰত তেওঁও আহি হঠাৎকাৰে অনাভুৰাকৈয়ে সেই জকাইচুকৰ হাবিতে ওলালহি। আয়ুসত যেন চাউল আছিল, আকৌ গিৰীয়েক-ঘৈণীয়েকৰ দেখাদেখি হল। পুনৰ মিলনৰ ৰং-বেজাৰত দুয়ো কান্দি-কাটি চকুৰ

পানী টুকিলে। বিচ্ছেদৰ পিছত হোৱা মিলনৰ আনন্দকে উপভোগ কৰি দুয়ো সুখে-সন্তোষে বছৰদিয়েক পঠিয়ালে। এনেতে, নিঠুৰ কালৰ ডাক পৰিল—খহুৰাৰ বাপেকে পৈতৃক সম্পত্তি তৰোৱালখনকে ঘৈণীয়েকৰ হাতত দি সংসাৰ-বৈতৰণীখন পাৰ হৈ গুচি গল। বিয়া-বাক কৰাই জকাইচুক এৰি খহুৰা অগ্নিৰ খনিকৰ গাৱঁলৈ উঠি আহিল।

পূৰ্ব্বে, মাকে কৈ যোৱা কথা-মতেই খহুৰাই তৰোৱালখনকে সোণৰ মেকুৰী পুজা কৰা-দি কৰি থাকে। তাকে তেওঁ ·উলিয়াই-সুমুৱাই কেতিয়াবা, "এন্ কৰিম, তেন্ কৰিম" বুলি, চুতীয়াৰ পূৰ্ব্বগৌৰৱ সুৱঁৰি ঠটা মাটিতে ঘপিয়াই ফুৰে। গাৱঁৰ মানুহ আটাইবে তেওঁলৈ ভয়। খহুৰাই স্বভাৱতে ৰুদ্র মূৰ্ত্তি ধৰি থাকে আৰু অবাইচ বা উভং মাত নমতাকৈ কথা এষাৰো নকয়। সেই দেখি, তেওঁক সকলোৱে উপলুঙা নাম দিছিল "অসুৰ"। ওচৰতে খহুৰা নামেৰে আৰু দুজনমান মানুহ আছিল। তেওঁবিলাকৰপৰা ·বেলেগ বুজাবলৈ এইজন খহুৰাৰ নামৰ আগত চিংফৌ আলডাল লগাই লোৱা হৈছিল।

খহুৰাই কংগ্রেছৰ নামত যে জুইতো খেৰ এডাল নিদিয়েই নে, তেওঁৰ পদূলি-সোমোৱা ভলণ্টিয়াৰকো তৰোৱাল ঘুৰাই নঙলামুখৰপৰা খেদি পঠিয়ায় ;—অৰশ্যে তৰোৱালৰ চোঁচা কেৰল নঙলামুখলৈকে হে। তথাপি,—"ভয়ত ভগৱন্তও পলায়,

কিলৈ বাসুদেৱেও ডৰায়"

দেখি, ভলণ্টিয়াৰে তেওঁৰ বাৰীৰ দাঁতিয়ে যাওঁতেও আঁৰ লৈ হে গৈছিল। "গান্ধী-ভলণ্টিয়াৰ" সংহাৰ কৰিবলৈ ওলোৱা এনেজন পশু-বামৰূপী টিঙত কোবোৱা ক্ষত্রিয়ক কংগ্রেছৰ মোৰত সুমুৱাই লবলৈ বুদ্ধি এটা পাঙিলোঁ।

খনিকৰ গাৱঁৰ মাজেদি গজপুৰীয়া কাকতী গাৱঁলৈ যাবলৈ নগা-আলিৰপৰা পোন বাট এটা নাই ; অথচ, এই গাওঁ দুখন সকলো কথাতে কঁঠাল এঠাৰ দৰে লাগি থকা। একেখন পথাৰতে, খেতিয়ে-খলাই বিহুৱে-সংক্রান্তিয়ে ইখন গাৱঁৰ মানুহ সিখন গাৱঁত নহলেই নহয়। এদিন, কংগ্রেছৰ কথাটো টুকুৰিয়াই চাওঁ বুলি চুচুকচামাককৈ তেওঁৰ কাষ

চাপি সুধিলোঁ, "ৰৰপিতা, কথা এটি কওঁ, শুনিব নে ?" তেওঁ সন্তোষ মনে উত্তৰ দিলে "ক, কি কথা।" মই তেতিয়া কলোঁ, "আপোনাৰ ঢাপৰ দাঁতিয়েদি আমাৰ গাৱঁলৈ আলি এগছ উলিয়াব খুজিছোঁ। ঢাপটোলৈ হাউলি থকা আপোনাৰ বাঁহ হে দুটা নে এটা কটা পৰিব।" কথাষাৰ ওৰাপাতি আনোতেই খহুৰা-ৰৰপিতা জাঙুৰ খাই উঠিলেই আৰু বাৰেবুৰি উভং মাত মাতি গোজগোজাবলৈ ধৰিলে, বোলে, "তোক বাবুলাই পালে। মোৰ বাঁহকেডাল হোৱা দেখি তাৰ চকুত টোপনি নাই, নহয়! কেনেকৈ হোৱা বাঁহনিৰ ধাৰিটো ভাঙো তাৰ তাৰে হে চিন্তা। পৰহি ৰাতিও আহি, কুমলীয়া বাঁহৰ আগ এটাকে দোঁৱাই থৈ গৈছেহি। অলপ খৰখৰাবৰ শুনি চুঃ বুলি মাত মাতি চাওঁ দেখোন বাবুলাটো সুৰসুৰ কৰে লৰ মাৰিছে। বাট লাগে ৰাবুলাক— মোৰ বাঁহনিডৰা খয়ষ্কৰ কৰিবলৈ। তাকে কৰিবলৈ সি কাহানিবাৰেপৰা চান্দি আছে। "চল পোৱা নাই দেখি হে। এতিয়া চাইছে, কংগ্রেছৰ নামতে ভেজা লৈ বাঁহধাৰি ভাঙো।" তাৰ পিছত খাটাংকৈ কৈ পেলালে, "মই আলিবাট-চালিবাট নিদোঁ।"

কিবা এটা কথাৰ নিমিত্তে চিংফৌ খহুৰাই বাবুলাক চকুপাৰিয়েই দেখিব নোৱাৰিছিল। বাবুলাৰ নাম শুনিলেই তেওঁ জ্বলি-পকি উঠে। বাবুলাক তেওঁ কালবৈৰী বুলি ভাবিছিল। ইমানকৈ বাবুলাই নো খহুৰাক কি কথাত শত্রু শালিলে কোনেও নেজানে। বাবুলাৰ নাওটো শুনিলেই খহুৰাই ভিতৰৰপৰা তৰোৱালখন আনি মাটিতে ঘাপ দুটামান মাৰিবই মাৰিব। দেখিলোঁ, চিংফৌ খহুৰাক বলোৱাৰ বুদ্ধি-সন্ধি এটাইবোৰ অথলে গল!

খহুৰাক কংগ্রেছৰ ফলীয়া কৰা আশা একপ্রকাৰ এৰিয়েই দিছিলোঁ। পিছে আকৌ মনত খেলালে—এওঁক কেনেবাকৈ কংগ্রেছ মুখীয়া কৰি লৰ পাৰিলেই অগ্নিবৰ খনিকৰ, চমুৰা খনিকৰ, কণামুচৰিচুক, ৰতনপুৰীয়া, আমগুৰিৰ চাৰিঙীয়া খনিকৰ আৰু ধুনীয়া গাওঁ—এই কেউখন গাৱঁত-আৰু টলৌ-টলৌকৈ ঘূৰি ফুৰিব নেলাগিব। এতেকে,

ছলে-বলে চিংফৌ খহুৰাক কংগ্রেছৰ পটিলৈ অনাৰ হে কথা। ইয়াকে ভাবি, তেওঁ ভালপোৱা ছৰ্কাৰী কৰ্ম্মচাৰী দুজনমান আৰু স্থানীয় মুখীয়াল লোক দুজনমান আনি সোধাই চাবলৈ ঠিক কৰিলেঁ। সেইসকলৰ হতুৱাই হেঁচা মাৰি ধৰালে খহুৱা 'অসুৱে' বাট নিদিওঁ বুলি কি তুৰিমুৰি কৰিব? ভৱামতেই, গাৱঁৰে ছৰ্কাৰী মণ্ডল মহোদৰ শৰ্ম্মা, পূৰ্ণানন্দ কাকতী আৰু ৰাইজৰো মেলুৱাই সুৰথচন্দ্ৰ চলিহা আৰু বিষ্ণুৰাম বৰকাকতীক মাতি নি মেল বহুৱালেঁ। মেলৰ বাতৰি শুনি বাবুলা আগেয়েই আহি হাজিৰ। বাবুলা অহা শুনি, ৰাইজে মতালতো চিংফৌৰে নাহোঁ-নথওঁ কৰিছিল, কিন্তু তেওঁৰ বৰপুতেক মিহিৰামে কলত যেনিবা গা লৰিল। লৰালৰিকৈ, মূৰৰ পাহকটা দীঘল পকা চুলিখিনি মিহিকৈ আঁচুৰি, ফুল-কলি-যেন খোপাৰ গাঁঠিটো গলধনত পেলাই, লুইতপৰীয়া কঁহুৱাফুল যেন বগা ডাঠ গোঁফকোঁচা ফণীয়াই, মুগাৰ দীঘ পাটৰ বাণি দিয়া চুৰিয়া এখনি কঁকিলাসজীয়া গাৰ চিঞা কঁকালটিত লিপিত খুৱাই পিন্ধি, কঁকালত ফুলাম টঙালি এডালি বান্ধি, ডিঙিত মতামণি এধাৰ আৰু কাণত লংকেৰু এজুৰি আঁৰি, লচপচকৈ চিংফৌ খহুৱা মেলত ওলালহি। ভিতৰত ঢকুৱাৰ বেৰ, বাহিৰত বৰচুৰিয়াৰ ফেৰ মাৰিব লাগে বুলি তেওঁ সদায় কয়। সেই গুণে, সজ্জনৰ আগলৈ ওলাই আহোঁতে খহুৱাই সেইদৰেই কাচিপাৰি ওলাই আহিছিল।

সৰুটি হৈ, মিঠাকথাৰে তেওঁৰ মনটো ভাল লগাই বিষ্ণুৰাম বৰকাকতীয়ে অনুৰোধ কৰিলে, "আমি ৰাইজেও কৈছোঁ, মেধি, আপুনি বাটকণ দিয়া ভাল।" খহুৱাই আৰু একো নেমাতিলে। ঘৰলৈ গৈ, শৰাই এখনিতে তামোলপাণ এশৰাই সজাই লৈ আহিল আৰু তাকে ৰাইজলৈ আগ বঢ়াই, দণ্ডৱতে পৰি জনালে, "আপোনাসৱ ৰাইজতকৈ নো কোন আছে? ৰাইজেই ৰজা, আমিনো কিহৰ কি? আপোনাসৱে ধৰিছে যেতিয়া, দিছোঁ বাৰু বাট। দিছোঁ হে দিছোঁ, ঢাপৰ বাঁহ হলে এডালো কাটিব নোৱাৰে। কাটিব লাগিলে, বাটটো ভেঁটি পেলোৱা হব। এতিয়া আৰু আঁঠু হে লোৱা হৈছে।" ৰাইজে হৰিধ্বনি কৰি

খহুৰাক আশীৰ্ব্বাদ দিলে। খহুৰাও ঘৰ পালেগৈ। বাবুলাই ইপিনে ধৰধৰকৈ খহুৰাৰ বাঁহ-চাপৰ দাঁতিত বাট চোঙাবলৈ লাগিলগৈয়ে। একে ৰাতিৰ ভিতৰতে মুকলি আলিবাট ওলাই পৰিল।

পিছ দিনা, চিংফৌ বুঢ়াই বাৰীৰ পাছফালে শৌচাচাৰ কৰিবলৈ গৈ চায়, দেখোন, কোনোবাই বাঁহধাৰিৰ এফাল নাইকিয়াই কৰিলে। বুঢ়াৰ আৰু সোধপোচ নাই। আগৰেপৰা বাট নিদিওঁ বুলি বেঁট বান্ধিয়েই আছিল, ৰাইজৰ মুখ-হৰিব নোৱাৰি হে বহুত কেৰজেৰৰ মুৰত বাট দিবলৈ মান্তি হৈছিল। বাঁহ কটা দেখিয়েই, বাটটো এতিয়া খুন্দি-খুন্দি ভেঁটি পেলালে। সিপিনে বাবুলাও ওলালগৈ মোৰ ওচৰ। বাবুলা যোৱাৰ কাৰণটো আছিল, আলিগছ ওলালে তেওঁৰো চল হয় আৰু 'বান্ধ কেৰপ' চিংফৌৰো বাঁহ দুটামান ক্ষয় পায়। পেটতো আৰু-কিবা কথা আছিল হব পায়।

বাবুলাই জান দিয়া মতেই মইও খহুৰা মেধিৰ ওচৰ পালোঁগৈ। মেধিয়ে মুগাৰ চুৰিয়া পিন্ধিয়েই ন ধানৰ খেৰেৰে জাল দি, পিতলৰ জঁকা এটাত ধান বহাই আছিল। মই যোৱা দেখি, কুঁজাকুঁজকৈয়ে পাটীঢৰা এখন আনি দিলে। আদৰ সম্ভাষণ দেখি ভাবিলোঁ, মেধিৰ মূর্ত্তি প্রশান্ত, আজি বলে পাৰিম। লাহেকৈ উলিয়ালোঁ বোলোঁ, "বৰ পিতা, আপুনি দেখোন ৰাইজক বাটটো দি আকৌ ভেঁটি পেলালে?" মোৰ প্রশ্নটো উলিয়া বলৈ হে পালোঁ, তেওঁ উচাট মাৰি উঠিলেই আৰু তৰোৱা-এখন আনি ঘপাঘপ চোঁতালত ঘৈয়াই দাঁত-মুখ কৰচিবলে ধৰিলে, "নকৈছিলোঁ, এটামান বাঁহ কাটিব লাগিলেই বাটটো ভেঁটি পেলাম বুলি? চাগৈচোন, বাঁহৰ কি গতি কৰিলে? এইবোৰ বাবুলাৰ কাম। আনে মোৰ বাঁহ কাটিবলৈ অহা নাই! বাঁহধাৰি ভাঙিবলৈ বাবুলাৰ ধাৰন-শোৱন নাই নহয়! চাচোন বাৰু, বাবুলাই যেনিবা থুকুচ-থুকুচ বাঁহ কাটি আছে, মই যেনিবা কাটি থাকোঁতেই ওলালোঁগৈ। তেতিয়াই তাক এইখনেৰে (তৰোৱাল খন মাটিত ঘৈয়াই) কাটি গাৰ মঙ্গহ নেফানেফ নকৰিলোঁহেতেন নে? বাটটোও তেজেৰই ৰাঙলী

নললহেতেন নে?" তাৰ পিছত, খন্তেকমান নিটাল মাৰি থাকি আপোনাআপুনি ভমক তুলি দপালিবলৈ ধৰিলে, "বাৰুটো অ' বাবুলা! তই ভাল বাঘৰ আগত ছাগে ডেৰাডেৰি কৰিছহি? আজি ভাল সাৰিলি! পোৰা হলে, তোক, তোক বাবুলা, তোক, চালোঁহেতেন কিমান পানীৰ মাছ।" আকৌ অলপ ৰৈ, "তোক, বাবুলা, তোক (এইখিনিতে তৰোৱালখন আকৌ মাটিত ৰেপি-ৰেপি) মাগুৰ মাছ কচাদি কচিলোঁহেতেন!"

খহুৰা মেধিৰ দপালনিখিনি শুনি পেটে-পেটে হাঁহি উঠিছিল যদিও, মুখৰ অগনি মুখেই নুমাই মানুহজন আশ্বস্ত হোৱা দেখি আচৰিতো হৈছিলোঁ। পাছে মই নম্ৰভাৱে মাত লগালোঁ, "বাবুলাক বাৰু, আমি যি কৰিব লাগে কৰিম; আপুনি তাৰৈ সংশয়কে নকৰিব। বাবুলাই বাঁহ কাটি আমাক হে অপমান কৰিছে, আপোনাক কৰা নাই নহয়?" এই বুলি কবলৈ হে পালোঁ, বুঢ়া খনিকৰৰ মুখত যে খিলখিল কৰে হাঁহিটো ওলাল, কি কম! তিনিকুৰি পোন্ধৰ বছৰীয়া আপৰ মুখতো যে মুকুতা হেন দন্তপাস্তিৰ জিলিকনি! সেই ছেগতে, শুনালোঁ, "কংগ্রেছত সোমাওক ৰৰপিতা, বাবুলা-চাবুলা, কৰবালৈ উফৰিব।"

"হয় নে, হয় নে" বুলি বুঢ়াই চকু পিৰিকিয়াই-পিৰিকিয়াই মোক আৰু বহী উলিৰাবলৈ ততকে নিদিলে। সেই দিনাৰপৰা চিংফৌ খহুৰা মেধি চাৰিং কংগ্রেছৰ ভিতৰ সোমাল। চিংফৌ খহুৰাৰ নিচিনা 'অসুৰ'জনো যে গান্ধীভক্ত হল, এই বাতৰি ফুটিফাটি যোৱাতে তেওঁৰ ইষ্টমিত্র, গোট-জ্ঞাতি প্রায়েই কংগ্রেছৰ মোৰত সোমাল।

চিংফৌ খহুৰাৰ খংটোলৈ চালে জন্তাসুৰ বুলিলে হে নামে-গুণে ৰজিতা খায়। কিন্তু, তেওঁৰ খণ্ডে কাকো অপকাৰ কৰা নাছিল। লোকে লোকক অন্তৰত বা দেহাত আঘাত দি প্রতিশোধ লৈছিল; খহুৰা মেধিয়ে ফোৰোহনিতে সাত-শতুকৰো বুকু কঁপাই দিছিল। আহাৰ মহীয়া মেঘৰ গুম্-গুমনিৰ লগৰে তেওঁৰ খঙৰ গাজনি-গুমৰণি। দৈৱাৎ মেঘে যেনিবা ঘিটিং কৰিলে, ওচৰতে বা শুনাতে তেওঁৰ আখেজীয়া

মানুহ এজনো যেনিবা বহি থাকিল, তেন্তে, চিংফৌ বুঢ়াআপই সেই পৈতৃক সাহোন তৰোৱালখন আনি তিনিবেলিমান ঘূৰাই-পকাই আখেজীয়াজনে শুনাকৈ কব, "ঘিটিং কৰাটো মেঘ নহয় যেনিবা, অমুকা (সি) হে, তেতিয়া কি হলহেতেন? খেদা মাৰি তাৰ মূৰটো নিছিঙিলোঁ হেতেন নে?" খহুৱাৰ মূৰ্ত্তি দেখিয়েই আখেজীয়াজনৰ চূৰ্ত্তি হেৰাই যায়।

সোণাৰিয়ে সোণ চুৰ কৰা, ম'হগুৱালে গাখীৰত পানী দিয়া একে কথা। খহুৱাৰ এঢল মহ আছিল। ৰখিছিল পুতেক জয়ৰামে। জয়ৰামে গাখীৰত পানী দিয়াটো "জগত জননী!" সেই কাৰ্য্যত তেওঁ ইমান 'খ্যাতি' লাভ কৰিছিল যে কাৰোবাৰ সকাম-নিকামত আন গুৱালে ভৰোৱা গাখীৰতো যদি কেনেবাকৈ পানী ওলায়, তেনেহলেও ভকত-সকলে মুখ বিকটাবিকটি কৰি কবলৈ ধৰে, "এয়া গাখীৰ, জয়ৰামৰ খুঁটিৰ হব পায়!" আটাই চৰায়ে মাছ খায়, তথাপি মাছৰোকাৰ হে নাম হয়। আটাই গুৱালেই পানী দিয়ে, নাম হয় জয়ৰামৰ। হক তেও, গাখীৰত পানী দিয়েই জয়ৰামে ভূ-ভাৰস্তত নাম থৈ গল!

খহুৱাই ম্যহেকে-পষেকে নাওনিমিত্তকৈ হলেও নাম একোযাৰিৰ আয়োজন কৰে। নামগোৱা বা সবাহ পাতিলেই থাপনাৰ আগত, কোমল চাউল, গুড়-গাখীৰ আদি জলপনীয়া দ্রব্যবস্তু সজাই থোৱা হয়। সবাহ ভাগিলেই, ভকতসকলে জলপান খোৱাৰ নিয়ম: বিলনীয়া উঠি গাখীৰ ভাঙিবৰ হলেই চিংফৌ খহুৱাই বিলনীয়াক ক'ব, "সৌ দুৱাৰ-ডাং ডালেৰে গাখীৰ কলহ মাৰ মাৰি দে। কলহৰ শেজে-শেজে গাখীৰ যদি থমা হৈ ওলাল, ভালেই; নোলাব লাগিলে, জয়ৰাম, জয়ৰাম! তোক 'ৰূপকলী', 'জামুকলী' ম'হৰ গাখীৰ খুৱাম বাপেৰে!

সোমবৰে-ময়ে এদিন ক'ৰবাৰপৰা আহি তেনেকুৱা এটা নামগোৱাকে খহুৱাৰ ঘৰত খাবলৈ পাইছিলোঁ। সেইদিনাই বুজিবলৈ বাকী নেথাকিল যে চিংফৌ খহুৱা অকল খণ্ডবেই জুই নহয়, সত্যৰো শীতল পানী।

আলৰ বুঢ়া হৈ ১৯২৮ চনত, খনিকৰ গাৱঁত এইজনা জমদগ্নি

"অসুৰ" যমালয়লৈ যাত্ৰা কৰিলে। '২৮ চনৰপৰা দেশে বহুত মোট সলালে। এতিয়া আৰু সেই চিংফৌ খহুৱাৰ সমাজো নাই, তেনেকুৱা ভংভঙীয়া, খঙাল, সত্যবাদী মানুহো দেখিবলৈ নাই। তথাপি, কোনোবা পুৰণি বহগাৱঁত সোমালে, চিংফৌ খহুৱাৰ সেই গোঁফাল, ধুনীয়া মুখৰ লিচপিচীয়া হাতভৰিৰে কঁকিলাসজীয়া শৰীৰটিলৈ মনত পৰে। ভাবোঁ—তে হি দু দিৱসাঃ গতাঃ।

লক্ষ্মীনাথ কটকী

প্ৰাচীন কলীয়া ব্ৰাহ্মণৰ শেহতীয়া আদৰ্শ আছিল লক্ষ্মীনাথ কটকী। এখেতসকলৰ ঘৰক হৰমিয়াল কটকীৰ ঘৰ বোলে। হেড়ম্বলৈ অৰ্থাৎ কচাৰী-ৰাজ্যলৈ অহা যোৱা কৰিব লাগিছিল দেখি হেৰম্বৰপৰা হৰমিয়াল হল। লক্ষ্মীনাথৰ পিতামহ ৰামচন্দ্ৰ কটকীয়ে কচাৰী-ৰজাৰ তালৈ চিঠি-পত্ৰ নিয়ানিয়ি কৰিছিল।

আমাৰ স্বৰ্গদেৱসকলে যেই-সেই বামুণকে সম্মান কৰা নাছিল আৰু ৰজাঘৰীয়া বিশ্বস্ত কামতো নিযুক্ত কৰা নাছিল। যিসকল ব্ৰাহ্মণ পণ্ডিত, মুখবলী আৰু যাৰ "কুটুম্ব বসুধৈৱ" সেইসকলক হে আহোম-ৰজাঘৰীয়া কাম সম্পাদন কৰিবলৈ বিদেশলৈ পঠিয়াইছিল। লক্ষ্মীনাথৰ পূৰ্ব্বপুৰুষো এইৰূপে ৰজাঘৰীয়া বিশ্বাস আৰু মানসংকাৰ পোৱা পুৰুষ।

লক্ষ্মীনাথৰ গাতো প্ৰাচীন ঐতিহ্য আৰু সদ্‌ব্ৰাহ্মণসুলভ প্ৰখৰ স্মৃতি—এই দুয়োটা গুণ বিদ্যমান আছিল। তেখেতৰ দুটিমান অসাধাৰণ গুণ আছিল যাক আজিকালি ব্ৰাহ্মণ নাম লুপ্ত হোৱা দিনত সতকাই ভাবিবকে নোৱাৰি। সত্তৰি বছৰ বয়সতো তেখেতৰ বিশ্ৰামহীন উদ্যোগ আৰু ৰক্ষণশীল স্মৃতিধৰী শক্তিয়ে সকলোকে স্তম্ভিত কৰিছিল। কটকীদেৱৰ মুখেই আছিল সম্ভ্ৰান্ত বংশ-পৰিয়ালৰ এখন বুৰঞ্জী। ব্ৰাহ্মণৰ নিত্য-নৈমিত্তিক কাম, যেনে—প্ৰাতৰুত্থান, প্ৰাতঃস্নান, প্ৰাতঃকৃত্য, ত্ৰিসন্ধ্যা, পূজা-পাৰ্ব্বণ—ইয়াৰ এটাও পালন নকৰাকৈ নাছিল। পুৰৱহিত কামনা কৰে যি, সিয়েই পুৰোহিত। পুৰোহিত লক্ষ্মীনাথে প্ৰত্যুষতে

শয্যা ত্যাগ কৰিয়েই মুখত নাৰিকলৰ ধোঁৱাখোৱাটো লৈ গাৱঁৰ ইমুৰৰপৰা সিমুৰলৈকে, "হেৰ" অমুকা ফৰকা উঠিলি নে, বেলি মুৰৰ ওপৰ পালেহি, অত বেলিলৈকে শুয়েই থাক নে" বুলি ঘৰে-ঘৰে মানুহক জগাই ফুৰিবগৈ।

বেজবৰুৱাৰ "সাধুকথাৰ কুঁকি"ত থকা সেই ৰামেশ্বৰৰ ধোঁৱা-খোৱাটোৱেই যেনিবা লক্ষ্মীনাথৰ ধোঁৱাখোৱা। নাৰিকলৰ কোটোৰাত লগোৱা নলীটোৰ ওপৰত প্রতিষ্ঠিত চিলিমটোৰ ভিতৰত ধপাতৰ সঁচেই নাই; আঙ্গঠাবোৰো চেঁচেৰা পৰি যোৱা; তথাপি তাকেই টোৰোক-টোৰোককৈ ফুঁপি-ফুঁপি বাটে-বাটে লক্ষ্মীনাথ গৈ থাকে। হোঁপাত ধোঁৱা নোলালেই, এঘৰৰৰ পদুলিমুদত থিয় হৈ, "হেৰ' কোন আছ, ৰামুণৰ মুখত জুই একুৰা দেহঁক" বুলি লৰা এটাৰ হাতলৈ চিলিমটো আগবঢ়াই দিয়ে। এইটো তেখেতৰ এদিনীয়া বা খস্তেকীয়া কাম নহয়। নিতৌ চিলিমত জুই নাইকিয়া হয়েই আৰু নিতৌ একোঘৰ একোঘৰ মানুহৰ পদুলিমুখত জুই লাগে বুলি ৰিঙিয়াবগৈয়ে।

'কটাৰী চিকুণ গুৰা

টোপনি চিকুণ পুৰা'—এনে চিকুণ টোপনিত পৰি থকা কোনোবা গৃহস্থৰ ঘৰত কাউৰীয়ে কা কৰাৰ পিছতেই "লক্ষ্মী বাপুৰে" যেতিয়া 'ৰামুণৰ মুখত জুই একুৰা দে' বুলি লৰাহঁতক নাও কাঢ়ি অটহিয়াই থাকিবগৈ, তেতিয়া লৰাৰ হে নেলাগে ববৰো যি হে খং উঠে! উঠিলে নো কি হব? "লক্ষ্মী বাপুলৈ" থকা অচলা ভক্তিৰ আগত সেই খং বুৰবুৰণিৰ দৰে ততালিকে মাৰ যায়।

মই তেখেতক "ববপিতা" বুলি মাতিছিলোঁ। আমাৰ ঘৰতো, তেনেকৈয়ে এদিন তেখেতে "চিলিমটোত জুই একণ দে" বুলি নঙলা-মুখৰপৰা চিঞৰ শোধালেহি। আমি তেতিয়াও কলাঘুমটিত। বব-পিতাৰ মাত শুনি ধকামকাকৈ উঠি, লৰ মাৰি চিলিমটো লৈ আহিলোঁ আৰু "নিতৌ নো কিমান হেঁকো-হেঁকোকৈ চিঞৰি থাকেহি" বুলি খণ্ডত পোৰা-গোবৰৰ ছুই এসোপাকে চিলিমটোত ভৰাই দিছিলোঁগৈ।

হোঁকাৰ মূৰত খুৱাই লৈ, তাকে বাটে-বাটে টোৱোক-টোৱোক হুঁপি গল। আনকাল ধপাত হোঁপে, ডিঙিত নধৰে। সেই দিনা মই জুই ভৰাই নিয়া ধপাতৰ হোঁপাটো মৰা মাত্ৰকে গোবৰৰ ফুটছায়ে তেখেতৰ ডিঙিত চৰহা মাৰি ধৰিলে আৰু চৰ্চ্চবণি খাই, কাহি-কাহি হাৰাশাস্তি হল। আমাৰেই দুষ্টালি বুলি জানিও আমাক একোটোকে নকলে। এনে মৰমিয়াল পুৰুষ আছিল লক্ষ্মীনাথ কটকী।

নৈষ্ঠিক ক্ৰিয়াকাণ্ডত অনুৰক্ত লক্ষ্মীনাথ কটকীয়ে ৰাজবিদ্রোহিতা কৰি ফাটেক খোৱাটো ধৰ্ম্মবিৰুদ্ধ বুলি ভাবিছিল আৰু সেই নিমিত্তেই অসহযোগ আন্দোলনৰ অনুকূলে একো কথাকে উচ্চাৰণ নকৰিছিল। কিন্তু, গান্ধীয়ে শ্ৰীমদ্ভাগৱত আৰু গীতাৰ-মাহাত্ম্যকে পুনৰ চলাবলৈ চেষ্টা কৰিছে বুলি ক'লত তেখেতৰ বন্ধন বিশ্বাসটো অলপ সোলোক-ঢোলোক হৈ আহিল। তেখেতসকলৰ ঘৰত বছৰি ৰাসপূজা হয়। পূজাত সমবেত হোৱা নিষ্ঠাৱান সকলে হিন্দু ধৰ্ম্মৰ ধৰণী ক্ৰমাৎ কেনেকৈ লৰি আহিছে, তাৰ বিষয়ে হতাশব্যঞ্জক সমালোচনা কৰোঁতে 'লক্ষ্মী বৰপিতাই' কৈছিল, "সেয়া কুলধৰ বোপাও (কুলধৰ চলিহা) বোলে জেললৈ যাবলৈ ওলাইছে। হাঁহচৰা মৌজাদাৰৰ পুতেক প্ৰছাদো (দুৰ্গাপ্ৰসাদ বৰঠাকুৰ) সাজু হৈ আছে। তেওঁবিলাকৰ নিচিনা জনাবুজা মানুহেই যেতিয়া গান্ধীৰ কথা মতে চলিবলৈ ভাল পাইছে, আমি নো আৰু কি মাতিম?" বৰপিতা কংগ্ৰেছ-ভুক্ত হোৱা নাছিল। কিন্তু, তেখেতৰ ঘৰতেই প্ৰায়েই কংগ্ৰেছৰ মেল বা পঞ্চায়ত বহিছিল।

সমাজৰ ধৰণী আৰু প্ৰাচীনতাৰ পৃষ্ঠপোষক লক্ষ্মীনাথ কটকীৰ নিৰপেক্ষতাই সংৰক্ষণশীল সমাজত ৰাজবিৰোধী ভাব সুচাই দিবলৈ আমাক চল লগাই দিলে।

পণ্ডৰাম চুতীয়া গাওঁবুঢ়া

বগাগোহাঁই, ন-পাম, গোহাঁইকুৰ, গোহাঁই গাওঁ, পেপেলাডুবি, ন-খনা, আহোমৰ দোপ—এই চুবুৰিতে আছিল পণ্ডৰাম চুতীয়া

গাওঁবুঢ়া। চুবুৰিটো মানুহে কণামুচৰি চুক বুলি কয়। মানুহজন ঘুটমুটীয়া। মূৰত সকদৈয়া জাপি এটা, হাতত ৰূপৰ বেটুৰে লাখুটি এডাল, গাত এৰি বা মুগাৰ মিৰ্জ্জাই চোলা এটি (হাতদীঘল বুকু-চোলা), কঁকালত গেৰোৱালেটাইযোৱা মুগাৰ চুৰিয়া, চুৰিয়াৰ থোৰটোও কেতিয়াবা কেতিয়াবা ঠাইসাৰিযোৱা, মুখখন চকলা, ৰৰণটো মাগুৰ-ৰৰণীয়া; সাজে-পাৰে গাওঁবুঢ়াৰ এয়ে প্ৰতিমূৰ্ত্তি। বিয়াই-সবাহে, মেলে-দোৱানে, সকামে-নিকামে, ভাৱনা-ৰৰসবাহে সেই বাটলুগুটি পশুৰামক দেখিবই—পাটীঘৰা এখনত বহি সোঁহাতে-বাওঁহাতে বহা ভকত কিজনৰ লগত গান্ধী-কথা-পাতি-থকা। শিৱসাগৰৰ মহকুমাধিপতি মিঃ গনিঙৰ "কেঁৰা হুকুম",—জিলা ছাহাবৰ বিনা অনুমতিত কোনেও ভাৱনা-ৰৰসবাহ পাতিব নোৱাৰে; কোনো গাওঁবুঢ়াই গান্ধীৰ বা কংগ্ৰেছৰ কথা পাতিব নোৱাৰে—কংগ্ৰেছ-সভাত বহিব লাগিলে যে লাঙে-লাঙে গ্ৰেপ্তাৰ। ইমানতো, পশুৰামে সেই হুকুম কাতি কৰি থৈ গান্ধী-প্ৰসঙ্গত যোগ দিয়ে। তেওঁ বাটে-পথে কৈও ফুৰে,

"শিয়াল খেদিবলৈ সিংহ নেলাগে
কুকুৰেই খেদিব পাৰে,
অতি পাতেকীক নাম নেলাগে
নিয়ম সংযমেই তাৰে।"

আমাৰ নো ফাটেক খাব লাগিছে কেলেই? আটায়ে মুগা পুহিবলৈ ধৰাঁ, দুজোপা চাৰিজোপা চোমগছ ৰোৱাঁ। বাৰীত হয় যদি, দুজোপা-মান কপাহো ৰোৱাঁ। স্বৰাজ তাতেই হব। গান্ধী মহাত্মাই ভাল কথাকে কৈছে। গাৰ কাপোৰ কিডোখৰ ঘৰতে কৰি লব পাৰিলে, কেঞাঘৰত ধান বেচি মৰিব নেলাগে নহয়।

পশুৰাম গাওঁবুঢ়াই গাওঁবুঢ়াৰ কাম নকৰি অৰ্থাৎ অসহযোগী ভলণ্টিয়াৰে ক'ত কিমান ছৰ্কাৰৰ বদনাম গাইছে তাৰ কথা ছৰ্কাৰলৈ নজনাই, গান্ধী ভলণ্টিয়াৰৰ লগ লৈ কংগ্ৰেছৰ কাম হে কৰি ফুৰিছে বুলি পুলিছেই নে মৌজাদাৰৰ টেকেলায়েই গনিং ছাহাবলৈ ৰিপৰ্ট দিলে।

এদিন, তেওঁবিলাকৰ গাওঁ ন-পাম-খনিকৰত ৰবসবাহ এটা হৈছিল। সেই সময়তে গৌৰীসাগৰ ইনস্পেকছন বঙলাতে থাকি গনিং ছাহাবেও কংগ্রেছৰ তু-ভা লৈ ফুৰিছিলহি। গনিঙে গাওঁবুঢ়াক মতাই নি ৰবসবাহ পাতি কিয় গান্ধীৰ কথা উত্থাপন কৰিছে বুলি জলজলাই কৈফিয়ৎ বিচাৰিলে। গাওঁবুঢ়াই উত্তৰ দিলে "মানুহ গোট খালে গান্ধীৰ কথা ওলায়েই।" সেই অপৰাধতে পণ্ড্ৰাম দহ টকা জৰিমনা হল। জৰিমনা আদায় কৰি ছেলাম এটি দি তেওঁ ছাহাবক সসম্ভ্রমে গাওঁবুঢ়া কামটো শোধাই দি কলে "হজুৰ, সূৰ্য্যৰ মুখত কোনে সোপা দিব ?" সেই দিনাৰপৰা পণ্ড্ৰাম গাওঁবুঢ়া দেখাদেখিকৈ কংগ্রেছী হল।

লোকনাথ কাকতী বা গুলৈ

লোকনাথ কাকতীৰ প্রখ্যাত নাম 'গুলৈ'। এওঁৰ বহুত মাটি-বাৰী আছিল। ঘৰত খাওঁতা প্রাণী মুঠেই চাৰিটি। পুত্রসন্তান এটি আছিল। তাকো অকালতে কালে হৰি নিলে। সেই দেখি, ছোৱালী দুটীকে বুকুতে সাৰটি পুত্র-সন্তাপ পাহৰাই দিন নিয়াই আছিল। তেওঁৰ বাৰীত কেবাধাৰিও বাঁহ আছিল। অকলশৰীয়া মানুহ, কেনিও চাব-চিতিব নোৱাৰে। চোৰে চুৰ কৰিয়েই বাঁহ কাটি লৈ যায়। বাঁহ নাই যাৰ, সাহ নাই তাৰ। সেই বাবেই হবলা, লোকনাথ কাকতীয়ে বাঁহ-ধাৰিকে পৰম সম্পত্তি বুলি ধৰি আছিল। তেওঁক যদি কোনোবাই সোধেগৈ, 'বাঁহ এটকিমানৰ বেচিব নে' বুলি, তেওঁ পোনেই নাইতে হাত দিব, "মোৰ ক'ৰ বাঁহখন আছে হে বেচিবলৈ ?" সিমানতো যদি টানিটুনি ধৰি বেচাটোত মাস্তি কৰাব পাৰি তেন্তে তেওঁ নিজে বাঁহনিলৈ গৈ এইটো কাটোঁ, সেইটো কাটোঁ বুলি বাঁহ একোটা ধৰি ধৰি দেখুৱাবগৈ। কিনোতাই তেতিয়া হে কাটি নিব পাৰিব। তাকো আকৌ আনে যদি টকাত ১২ টাকৈ দিয়ে, গুলৈয়ে আঠোটাকৈ হে দিব—সিও আকৌ কটাৰী-নলীয়া। তেওঁ ইমান বান্ধকেৰেপ আছিল যে পাণনি-বাৰীত সৰি থকা পকা-পাণ এৰিবাও খোজনীয়া-মগনীয়াক এনেই দিবলৈ টান

পাইছিল। দিয়ন—খোৱনত হাতে-পানী-নসৰকা দেখি তেওঁক আগছোৱাত মানুহে খংউঠা নাম এটা দিছিল। পাছত লোকে নকৰা কাম এটা কৰাত হে গুলৈ নাম পালে।

এদিন, কৃষ্ণপক্ষ নিশা, লোকনাথ কাকতীয়ে তেওঁৰ বাৰীৰ দাঁতিতে পথাৰত লণ্ঠন লগাই হাল বাই আছিল। বাজৰাট নগাআলিটো তেওঁৰ ঘৰৰ দুৱাৰ মুখেই গৈছে। পুৰণিমেলীয়া গাৱঁত ভাও চাই অহা মানুহ দুটামান আকৌ সেই সময়তেই সেই আলিয়েদিয়েই যাব। সিহঁতে পথাৰৰ মাজত লৰংফৰংকৈ থকা জুইকুৰা দেখি ভাবিলে—সেই কুৰা ধনগুলৈৰ জুই হব পায়। পিছে আটাইকিটাই ওচৰ চাপি টলকি চায়গৈ দেখোন—সেয়া ধনগুলৈ নহয়—লণ্ঠন লগাই কাকতীয়ে হাল হে বাইছে। সেই দিনাৰপৰাই লোকনাথ কাকতীৰ নাম গুলৈ বুলি প্ৰখ্যাত হল।

গজপুৰীয়া কাকতী খেলৰ এইজন লোকনাথ আৰু তুকৰীয়া কাকতীৰ মুহিকান্ত বৰুৱা—চাৰিওৰ এই দুইজনেই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সহপাঠী আছিল। ডেকাকালটোহঁত চাহবাগিছাত কাম কৰিয়েই বুঢ়াকালত পৈতৃক ভূমি চাবিঙতে দুয়ো হাড় পেলালেহি। লোকনাথ কাকতীয়ে ইংৰাজী লেখিব পাৰিছিল—সৰ্গৰীয়াকৈ কব হলে নোৱাৰিছিল। তেওঁ গজপুৰীয়া কাকতী-গাৱঁলীয়া বেঙ্কৰ চেক্ৰেটৰী আছিল; হিচাপত ইমান নিখুঁত আৰু পৰিপাটি আছিল যে চচাইটি সমূহৰ উচ্চ ইংৰাজ কৰ্ত্তৃপক্ষই বিশুদ্ধ হিচাপ আৰু বেহা লগোৱা কামত মুগ্ধ হৈ তেওঁক একোটা পুৰস্কাৰ দিছিল। কাকতীয়ে এটা বিশেষ নীতি মানি চলিছিল; সেইটো হৈছে সংস্থান নথকা বা অভিভাবক নথকা, নাইবা ভাল জামিন দিব নোৱৰা মানুহক কৌত্তিয়াও বেঙ্কৰ টকা ধাৰলৈ নিদিছিল। কংগ্রেছৰ মানুহ বুলিলে যে ব্রহ্মঠগী, অধৰ্মী বুলি দপদপাই উঠিবই। গতিকে, কংগ্রেছ-সেৱকৰ প্ৰতি তাঁত বিবেচনাৰ ঠাই নাই।

তথাপি তেওঁ মোৰ প্ৰতি কিয় সুপ্ৰসন্ন আছিল, কব নোৱাৰোঁ।

এবাৰ নিচেই অলপমান টকা ধাৰ কৰিব লগীয়া হোৱাত কাকতীক কলোঁগৈ, বোলোঁ, "দদাইদেউ, মোক কপ ত্রিছ টকা ধাৰলৈ দিব নে ?" তেওঁ পোনেই গান্ধী-ভলণ্টিয়াৰ বুলি মোক বহুত উপলুঙা-ইতিকিং কৰিলে। তাৰ পাছত দেখোন সুৰটো অলপ কোমলাই কলে, "বাৰু, টকা পাবা। পাবা হে পাবা, মোক লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী" খন-দিয়েক পঢ়িবলৈ দিবাঁচোন বাৰু। 'বাঁহী'খন পঢ়িলে, বেজবৰুৱাৰৈসৈতে কথা পাতি থকা যেন লাগিব।" বিচৰা মতে কাকতী দদাইদেৱক 'বাঁহী' দুখনমান দিলোঁগৈ আৰু সেই ছেগতে, ধাৰলৈ বিচৰা টকাটো ঘি পলোঁৱেই নে, তেওঁ শুনিব নোৱৰা কংগ্রেছৰ প্রচাৰ কার্য্যৰ নিমিত্তেও দুটকামান সৰকালোঁ। নকৈ কি, কংগ্রেছৰ লগত তেওঁৰ অহিনকুল সম্বন্ধ আছিল যদিও, অন্তৰৰ চুক এটাত বেজবৰুৱাৰ প্রতি সাঁচতীয়া ভক্তি একণ থকা দেখি, মোৰ মনটো মুকলি হৈ পৰিল। তাৰ আগলৈকে তেওঁলৈ মোৰ যিফেৰা কটুৰ ভাব আছিল সিও চাঁত কৰে নাইকিয়া হল। আজিও, কেতিয়াবা তেওঁৰ ঘৰৰ আগেদি গলে, বিঙা ঘৰখন আৰু টকলা বাঁহবাৰীখন দেখিলে বেজাৰ লাগে। "বাঁহৰ এফাল, মানুহৰ একাল" বুলি যে কয়, সঁচা কথা। লোকনাথ কাকতীৰ গাতে এই কথা ফলিয়ায়। জীৱনৰ আগছোৱা সুখৰ কলচীত উঠি পাছছোৱাত দুখে-শোকে জর্জ্জৰিত হোৱা, পৰিমিতাচাৰী, সংযমী লোকনাথ কাকতীত বাদে আন এজন পুৰুষ আৰু চাৰিওত ওলোৱা নাই।

সভাৰাম বৰকাকতী :—

এখেতো গজপুৰীয়া কাকতী খেলৰে গুৰুবাক্যৰ ভিতৰৰ মানুহ, দিহিংসত্রৰ সাতোলা (সাজতোলা)। গান্ধীনামত তেখেতে সদায় নাক কোঁচায়ে ফুৰিছিল। আজৰি পালেই, তেখেতৰ ঘৰলৈ গৈ মই "বাঁহী"খন পঢ়োঁগৈ। "বাঁহীত" ওলোৱা 'গুৰুচৰিত'খন শুনি বৰকাকতীয়ে বৰ তৃপ্তি লাভ কৰিছিল। চৰিত সামৰা হলেই, তেখেতৰ জীয়েক শ্রীমতী কৰুণবালা আৰু ভতিজা জীয়েক শ্রীমতী লক্ষ্মীপ্রিয়াৰ

হতুৱাই ঠাই-ঠুই মচাই পুথিপঢ়া ঠগিখন এফলীয়াকৈ থোৱায় আৰু তাৰ পাছতেই জলপান-পাতিৰে পাঠকক শুশ্ৰূষা কৰে। গান্ধীয়ে উলিওৱা মতটো যে আমাৰ মহাপুৰুষৰ মতৰ লগত পৌনে এটকা মিল আছে তাক 'গুৰুচৰিত' পাঠ কৰি বুজাই দিয়াত, সাতোলা ৰৰপিতাৰ ঠৰঙা মনটো লাহে লাহ ভাঁজ লৈ আহিল। পুতেক গণেশচন্দ্ৰই আমাৰ লগত মনে-মনে ফুৰা বাবে দেউতাক ৰৰকাকতীয়ে নিতৌ পুৱা-গধুলি কেটকেটাই থাকে। মহাত্মাৰ মাহাত্ম্যই তেখেতৰ হৃদয়ত খুন্দিয়ালত, কাকো আৰু একো নোবোলা হল। পোনতে আমাৰ গাৱঁত গণেশ আৰু কণ—এই দুজনে হে লুকাই-লুকাই স্বেচ্ছাসেৱকৰ লগত ফুৰিছিল। সাজতোলাৰ মৌন সম্মতি দেখি, গোটেই খেলটোৱে গান্ধী-মতত উভঁহা নোজোৰা হল। দিহিংসত্ৰৰ শিষ্যসকলৰ মাজত, তেতিয়া ধৰ্ম্ম-বান্ধনি ইমান নিকপ্ৰকপীয়া আছিল যে এলাপাক কথাত কেতিয়াও কাৰো মন নতুনৰ ফালে ঘোৰেই নলৈছিল ; লোৱাজনৰো দণ্ড হৈছিল। সভাৰাম ৰৰকাকতীয়ে নমতা হলত, যজ্ঞেশ্বৰ কাকতী আৰু লোক কাকতীও আমাৰ দলত তুক্ত হল অৰ্থাৎ চাৰিঅনা-চাৰিঅনা পইচা দি কংগ্ৰেছৰ সভ্য হল।

শ্ৰীৰামচন্দ্ৰ ভুঞা

৺শ্ৰীৰামচন্দ্ৰ ভুঞা বৰ ৰাগজাল সহিব নোৱৰা লোক। তেখেতৰ মতে যেই-ৰজা সেই-প্ৰজা। ৰজাই যিহকে কৰিবলৈ কয়, তাকে কৰি সুখে-সন্তোষে থাকিব পাৰিলেই হয় ; এয়ে তেখেতৰ সাংসাৰিক জীৱনৰ লক্ষ্য। বাৰেভুঞাৰ ঘৰৰ বুলি ভুঞা ডাঙৰীয়াৰ আত্মগৌৰৱো আছিল। তাতে আকৌ, আগৰেপৰা তেখেতসকলৰ ঘৰখন মানে—সম্ভ্ৰমে ৰজা-ৰাইজ দুয়ো ঘৰতে সিৰফুটা হৈ আহিছিল। ককায়েক কেউগৰাকীয়ে হেমাৰ-ভাৰে ধন ঘটে, তেখেতে মাথোন পৈতৃক সম্পত্তিখিনি ৰক্ষা কৰি চলাই-কৰাই খাব লাগে। ঘৰবাৰীলৈ চকু দিয়া আৰু গৃহস্থালি চলোৱাৰ ভাৰ তেখেতৰ সহধৰ্ম্মিণীৰ ওপৰতে দি ভুঞা ডাঙৰীয়াই জগতক

হিতোপদেশ হে বিলাই ফুৰে ; তেখেত যোজোনা-পটন্তৰৰ ভঁড়াল ; সাধু কোৱাতো ওজা। সাধু সকলোৱেই কয়। কিন্তু কোৱা যে এটা কলাবিদ্যা তাক ভূঞাৰ মুখেদি ওলোৱা সাধু শুনাজনেহে পতিয়াব পাৰিছিল। শ্ৰীৰাম ভূঞাৰ সাধুও খুহুটীয়া ; হাঁহি-ধেমালি, ৰগৰ-বহন-উপদেশ এটাইবোৰ ৰসেৰে থুলথুলীয়া হৈ থাকে। ওঁঠ জিনি খোৱা গোঁফ কোঁচাৰে, তেজে-মঙ্গহে টুপটুপীয়া, শ্ৰীমন্ত চেহেৰাৰ শ্ৰীৰাম ভূঞাই যেতিয়া সমজ্যাৰ মাজত বহি সাধু কথা কবলৈ ধৰে তেতিয়া গুণৰ মোল বুজোঁতা "মাইকীৰ পো" এনে এজন কোনো ওলাব পৰা নাছিল যি,

"ফটা হক ছিটা হক পাটৰ টঙ্গালি
ভাল হক বেয়া হক ভূঞাৰ পোৱালি"

বুলি তেখেতলৈ মানী শৰাইখন আগ নবঢ়াই নোৱাৰিছিল।

তেখেতে অসহযোগৰ হে নেলাগে, কংগ্ৰেছে আউটি লোৱা একো এটা কামৰে ভাগ লোৱা নাছিল।

কিন্তু কংগ্ৰেছৰ অঘোৰপন্থী-সকলৰ সমাজত তেখেতৰ অবাধ প্ৰবেশ থকাত ভূঞা ডাঙৰীয়াই উপদেশমূলক সাধুকথা একোটি সুমধুৰভাৱে শ্ৰৱণ কৰাই, সেইসকলৰ মনটোহঁত সমাৰি মৈয়াই থব পাৰিছিল। সেইফেৰাই আমাক আগবাঢ়ি যাবলৈ ঠেলা একোটা মৰাৰ সমান হৈছিল। কিছুমানদিনৰ পাছত, তেখেতৰ পুতেক শ্ৰীমান অতুলচন্দ্ৰ আমাৰ লগত ফুৰিবলৈ ওলাল। জীয়েক শ্ৰীমতী সাবিত্ৰী, জেউতী, সুৱৰ্ণহঁতে ঘৰতে সুতা কাটি, "গান্ধী হল, গান্ধী হল

বিলাতী কাপোৰ কেনিবা গ'ল"

বুলি স্বদেশীৰ গুণ গাইছিল।

তুৰাৰাম দুৱৰা

তুৰাৰাম দুৱৰা চাৰিং মঞ্জলীয়া পঢ়াশালিৰ প্ৰৱীণ আৰু প্ৰধান শিক্ষক। পঢ়ায়, পঢ়ুৱয়, বোৱে পাণ, এই তিনিয়ে নিচিন্তে আন।"

—এইটোয়েই আছিল শিক্ষক তুৰাৰামৰ শিক্ষক-জীৱনৰ মূলমন্ত্ৰ। অসহযোগ আন্দোলনৰ তেওঁ মৌন সমৰ্থনকাৰী আছিল। দেখাদেখিকৈ সমৰ্থন কৰিব নোৱৰা-কাৰণ কেইবাটাও। ওপৰফালৰ পৰা হেঁচা পালে তাৰ প্ৰতিবাদো কৰে; কিন্তু কাৰো অপকাৰ কৰিবলৈ নেযায়। পঢ়াশালিৰ নিয়মানুৱৰ্ত্তিতা আৰু ছাত্ৰৰ স্বভাৱ-চৰিত্ৰ যাতে একোপধ্যেই ভঙ্গ বা নিন্দনীয় নহয়, তাৰ হকে তেওঁ স্কুলত হৈ নেলাগে ঘৰলৈ আহিও বন্ধু-বান্ধৱৰ লগত পৰামৰ্শ কৰি উপায় চিন্তে।

সাময়িক বা-বতাহৰ ঢালত মনটো উৰাই দিব নোৱৰাত, তুৰাৰাম দুৱৰা কেতিয়াবা-কেতিয়াবা সহকৰ্ম্মী শিক্ষক আৰু সমনীয়া-বিলাকৰ অপ্ৰিয়ভাজন হবলগীয়া হৈছিল। তেওঁ শিক্ষাবিভাগৰ নিৰ্দ্দেশৰপৰা চুলি এডালমানো ইফাল-সিফাল নহৈছিল। কথা কওঁতে, দুৱৰা খোনাইছিল, সেই বুলি, পঢ়োঁতে বা পঢ়াওঁতে ক'তো খোকোজা নলগাকৈয়ে পঢ়ি যাব পাৰিছিল। কোনোবাই যদি শিক্ষকৰ দায়িত্ব নিৰহনিপানীকৈ পালন কৰিছিল তেন্তে তুৰাৰাম দুৱৰাও সেইসকলৰে এজন। দুৱৰাই ছাত্ৰক এটাইবোৰ বিষয়কে খৰচি মাৰি শিকাইছিল। ধৰ্ম্মাচৰণ, গুৰুভক্তি আৰু সংযত আলাপত বক্ষণশীল আছিল। পৌৰাণিক প্ৰথা এৰি, নাস্তিক আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰাত পূৰামাত্ৰাই তেওঁ বিৰোধিতা কৰিছিল। এনেজন গুণী শিক্ষকক সোঁপাকে বা আও পাকে আমাৰ পটিলৈ আনিব নোৱৰাত প্ৰথমতে আমি মনে-মনে বেয়াই পাইছিলোঁ। কিন্তু, "সোণাময় লৰাকাল, শিকাৰ সময় ভাল" বুলি দুৱৰা হেড্‌পণ্ডিতে যিবিলাক ছাত্ৰক এছাৰি আগেৰে বিদ্যা দান কৰি পঠিয়াইছিল, সেইবিলাকেই বছৰদিয়েকৰ পাছত, সামাজিক আন্দোলনৰ গুৰিধৰোঁতা হোৱা দেখি বেয়া পোৱাৰ দুগুণে ভাল পাইছিলোঁ। আৰোপিত দায়িত্ব সম্পাদন কৰাত শান্ত-শিষ্ট তুৰাৰাম দুৱৰাৰ নিচিনা আন এজন শিক্ষক আৰু পুৰবাসী সতকাই লগ পোৱা টান। ছৰ্কাৰী আইনভঙ্গ আন্দোলন তেওঁ ভাল নেপাইছিল; কিন্তু যিবিলাক কাম কৰিলে আইন ভাঙ্গিবৰ আৱশ্যক নকৰে সেইবিলাক কাম হলে তেওঁ

নিজে কৰিছিল। খাদৰ পিন্ধা, দেশী বস্তু ব্যৱহাৰ কৰা, গাৱঁতে মেল-মোকৰ্দ্দমা ছিঙা—এইবোৰ কামত তুৰাৰাম দুৱৰাৰ সম্পূৰ্ণ সহযোগ আছিল। তেওঁ নিজে যুঁজাকু নাছিল, কিন্তু যুঁজাকু তৈয়াৰ কৰিছিল।

মুহিকান্ত বৰুৱা (মহীকান্ত বৰুৱা)

কংগ্রেছৰ চাৰি ঢাপৰ বাহিৰ যদিও, মুহিকান্ত বৰুৱাৰ ঘৰ-দুৱাৰ কংগ্রেছ-সেৱকৰ নিমিত্তে ৰাতিয়ে-দিনে মেলাই থাকে। পুতেক সোণ্‌টি বা শ্রীমান লক্ষীকান্ত বৰুৱা আৰু ওচৰৰে চলিহাপাৰৰ শ্রীমান লীলাকান্ত চলিহাই সুৰ্ত্তি-শাৰ্ত্তি নোহোৱাকৈ গাৱেঁ-ভূঞে, গৰুবাটে-গছতলে সভা-সমিতি পাতি ফুৰিছিল আৰু কানীয়া-ভঙুৱাক ৰাগীয়াল বস্তু ব্যৱহাৰ নকৰিবলৈ হাতে-ভৰিয়ে ধৰি কৈ ফুৰিছিল। স্বৰূপার্থতে কবলৈ গলে, এওঁবিলাক দুটিয়েই হে চাৰিং-কাকতী গাৱঁত পোনপ্রথম অসহযোগৰ ঘাটমৰা পোৱালি স্বয়ংসেৱক। কানত জোলোঙা একোটি আঁৰি দুয়ো ৰাতিপুৱাই ঘৰৰপৰা ওলাই যায় আৰু ৰাতি দুপৰ নিশা ঘৰ সোমায়হি। বৰুৱাৰ ঘৈণীয়েক দুগৰাকী আছিল। দেশত কি-হৈছে-কি-নাই-হোৱা সৰু গৰাকীৰ ভূৰ্ভঙ্গেই নাই; ঘৰৰ কামতে লাগি থাকে। বৰ গৰাকীৰ হলে, কেউপিনে চকু; পুতেকেসৈতে ৰাতি যিমানেই কি স্বেচ্ছাসেৱক নাহক, সকলোকে ৰান্ধনিশালৰ চাঙৰপৰা শুকান পিঠাগুৰি এগালকৈ দি হলেও, সেৱকিকিজনৰ ভোকৰ কলমলনি মাৰ নিয়াব। এই গৰাকী মহিলাই সকলোকে সূতা কাটিবলৈ হেঁচুকি ফুৰিছিল; জীয়েক শ্রীমতী কুমুদাকো শিকাই বুজাই কাজীকৈ লৈছিল। চাৰিং মহিলাবৃন্দৰ নেত্রী ৺সুন্দৰী কাকতীয়নীৰ দিহা-বুদ্ধি মতে এওঁ নিজেও পাৰেমানে সূতা কাটিছিল। মহিলা সেৱকিনীৰ ভিতৰত, এই দুগৰাকীয়েই চাৰিওত জয়ে-জয়ে হাতেকটা সূতাৰে বোৱা কাপোৰ বৈ দেখুৱায়।

মুহিকান্ত বৰুৱা পোনতে উত্তৰ লক্ষীমপুৰৰ কোনাবা এখন বাগিছাৰ

ৰৰমহৰী আছিল। তেতিয়াই তেওঁ প্ৰণয় পাশত আৱদ্ধ হৈ এই গৰাকী সদ্বংশজাতা দেশপ্ৰাণা মহিলাক বিয়া কৰায়। মুহিকান্তই বহুত দিন ছাহাবৰ লগত কাম কৰা বাবেই নে কি, ছাহাববিলাকৰ বৰ অনুৰক্ত আছিল। ছাহাবৰ শৃঙ্খলা লগোৱা কামৰ আৰ্হিকে তেওঁ অনুসৰণ কৰিছিল। কানীয়া-সোৱোপা-ধোদ অসমীয়া মানুহে ইংৰাজৰপৰা বিনা অস্ত্ৰে যে ৰাজ্য কাঢ়ি লব পাৰিব—এই কথা সমূলিকে তেওঁৰ মূৰত নোসোমাইছিল। তথাপি, তেওঁ আমাৰ কামত বিধিপধালি দিয়া নাছিল। দিয়া হলে, আমি কাকতী গাওঁখনৰ এফাল কংগ্ৰেছৰ নামত সুৰসুৰীয়া কৰিব নোৱাৰিলোঁহেতেন।

ক'লাই চৰ্দ্দাৰ

ভবাধৰা খণ্ডৰ শ্ৰীপুৰীয়া গাৱঁৰ শ্ৰীযুত কালিৰাম বৰুৱাই (ক'লাই চৰ্দ্দাৰ) আগ্ৰহেৰে তিলক-ভঁড়াললৈ এটকা দান আগবঢ়াই চাৰি-অনা পইচাৰে কংগ্ৰেছ-টিকত কিনি "পকা-কংগ্ৰেছ-সভ্য" হৈছিল। তেওঁ গান্ধীৰ কিছুমান কথা সমৰ্থন কৰিছিল, আৰু কিছুমান শুনি কাণত ঠিলা মাৰিছিল—অৰ্থাৎ অসহযোগৰ লগত সম্পূৰ্ণ সংশ্ৰৱ বৰ্জ্জন কৰিছিল। তেওঁৰ দুৰ্ঘোৰ আপত্তি গান্ধীজয়-দিয়াৰ লগতে মহম্মদ আলি—চৌকৎ আলিৰ জয় কিয় দিব? পকাকৈ টিকত লওঁতা কংগ্ৰেছৰ সভ্য যদিও চৰ্দ্দাৰে কৈয়ে ফুৰিছিল, "আমি ধৰ্ম্ম-কৰ্ম্ম এৰিব নোৱাৰোঁ। গান্ধীৰ লগত মহম্মদ আলিৰ জয়খন কিহৰ? তেল-পানী জানো কেতিয়াবা মিল হয়? গান্ধীৰ স্বৰাজ এভাগ, মহম্মদআলি-চৌকৎআলিৰ এভাগ—দুভাগ স্বৰাজ কেতিয়াও হব নোৱাৰে। হলে, একেজনৰ নামতে হক। যেয়ে যিমান কওক, আমি কেতিয়াও মছলমান হব নোৱাৰোঁ, মছলমানৰ ঘৰত খাবও নোৱাৰোঁ।" শুনি ভালপোৱা নাছিলো যদিও, ক'লাই চৰ্দ্দাৰৰ মুখেদিয়েই কংগ্ৰেছৰ প্ৰতি বাইজৰ উমাজলীয়া (যাৰ জুইজাল কোমল) মনোভাবটো পোলোংপটিকৈ ওলোৱা বাবে নশলাগি নোৱাৰিছিলোঁ।

ক'লাই চৰ্দ্দাৰে সমাজত কথা ক'লে, কথা বহে। ঠাউকাল, ডঢ়ীয়া চৰ্দ্দাৰে নিজে যিটো সত্য বুলি ভাবে, তাকে হে ঘৰে-পৰে কথায়-কামে পালন কৰি থাকে। লোকৰ ভুৰাদিয়া কথাত তেওঁ কেতিয়াও প্ৰত্যয় নেযায়। এবাৰ লোকেল বৰ্ডৰ নিৰ্ব্বাছনত দুজনৰ ভিতৰত প্ৰতিদ্বন্দ্বিতা হৈছিল। এজনে নগৰীয়া কংগ্ৰেছ-কমিটীৰ সমৰ্থন পাইছিল আৰু আনজন স্থানীয় কমিটীৰদ্বাৰাই সমৰ্থিত হৈছিল। স্থানীয়জনৰ বিৰুদ্ধে প্ৰতিদ্বন্দীজনৰ ফালৰপৰা প্ৰচাৰ কৰা হল বোলে স্থানীয়-জনে আহোমক বৰ বেয়া গালি পাৰি প্ৰবন্ধ লিখিছে। তেতিয়া ক'লাই চৰ্দ্দাৰে মুকলি সভাতে বক্তাজনক প্ৰতিবাদ কৰি মিছা অভিযোগৰ প্ৰমাণ দিবলৈ আহ্বান কৰিলে। চৰ্দ্দাৰে সুধিলে, "নগৰৰ কংগ্ৰেছ কমিটীয়ে বাছি দিয়াজনক আমি কেতিয়াও সমৰ্থন নকৰোঁ। কোন কেনেকুৱা আমি হে জানো। যিজনে আমাৰ লগত দেহে-কেহে খাটি আহিছে, সেইজন স্থানীয় লোকক আমি ভোট দিমেই দিম— তেহেলৈ হেজাৰ নগৰীয়া কংগ্ৰেছ কমিটীয়ে তেওঁক অপদাৰ্থ বোলক। আৰু, স্থানীয়জনে যেনিবা আহোমক গালি পাৰিছিলেই, তেতিয়া এই গৰাকী মহাপুৰুষ ক'ৰ যখিণী-খালত সোমাই আছিল—এতিয়া যে নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ হোৱাই-নোহোৱাই বদনাম গাই ফুৰিছেহি? আমি এনেকুৱা স্বাৰ্থপৰ, মিছলীয়া কংগ্ৰেছৰ মানুহক দেৱতা হলেও ভোট দিব নোৱাৰোঁ।"

কালিৰাম বৰুৱা জৰাধৰা-বৰুৱা বংশৰ এগৰাকী কথা-ৰজোৱা পুৰুষ। তেওঁক সহজে কংগ্ৰেছৰ সভ্য ভুক্ত কৰিব পৰা নহৈছিল; বহুত খাটিলুটি হে চহীটোকে লৈছিলোঁ। এসময়ত ক'লাই চৰ্দ্দাৰে ঘৰৰ চোঁতালত যুৱীয়া হাতী বান্ধিছিল। সাংসাৰিক অৱস্থাত হীন হলেও, স্বাধীন মতামত প্ৰকাশ কৰাত অতি উচ্চ. মনোভাবৰ বুলি কালিৰাম বৰুৱাৰ সুখ্যাতি আছে। কংগ্ৰেছৰ নামত নহল কি হল, ১৯২১ চনৰপৰা ১৯৩৭ চনলৈকে কালিৰাম বৰুৱাই সকলো ৰাজহুৱা আন্দোলনতে উপায়-বুদ্ধি দি উঠি-অহা ডেকাবিলাকক উদগাই আছিল।

ভকত বাহাদুৰ

ভকত গগৈ বাহাদুৰ সঁচাকৈয়ে এসময়ত বাহাদুৰেই আছিল। ১৯২১ চনৰ আগলৈকে তেওঁৰ নামটো অহিফেন-ভক্তসকলৰ (কানীয়া) লগত জড়িত অছিল। জড়িত মুবুলি গুড়ে-মাখিয়ে লেটপেট হৈ লাগি থকাকে বুলিব পাৰি। এওঁক গান্ধীৰ নামে বিছাই ডকাদি ডাকিছিল—কানীয়া যেতিয়া ডকাটো স্বাভাৱিকেই। তথাপি অৱস্থাৰ চৰখৰীয়াই তেওঁকো আমাৰ লগ লোৱালে। সেই বুলি, তেওঁ কানিক নিন্দা কৰা নাছিল। ভকত গগৈয়ে নিজেই মনেমনে আফুখেতি কৰি এসময়ত বাৰী-কানিৰ জুতি লৈছিল। সেই কাৰণে, পাছত কানি এৰিলে যদিও, কানীয়া-সেৰাত বহি দুটি-এটি কানি-টিকিৰা পান কৰি কানিৰ ঐতিহ্যফেৰা ৰক্ষা নকৰাকৈ নোৱাৰিছিল।

কানিক ভাটীফালে আফিং বা অহিফেন বোলে। আমাৰ মতে, ই উৎপন্ন হোঁৱা গছজোপাৰ নাম আফু। আফু গছৰ কপৰাটো আগদিনাই চোকা কটাৰী এখনেৰে আঁকিয়াই থব লাগে। পিছ দিনা ৰাতিপুৱা সেই আঁকে-আঁকে গুটিটোৰ এঠা জৰি-জৰি ওলাই গোট খাই থাকে। ফটাকানি এডোখৰেৰে এঠাকণহঁত টুকি আনি টেমাত সেইদৰেই থৈ দিব লাগে! (ফটা) কানিৰে টুকি অনা বাবেই আফু এঠাক কানি বোলা হয়।

কানীয়াহঁতৰ বিশ্বাস—আফুগছজোপা হেনো সত্যযুগত সৰগৰ দেৱতা ইন্দ্ৰৰ পাৰিজাত কাননত আছিল। ইন্দ্ৰই এদিন ফু মাৰি দিলত গছজোপা আহি পৃথিবীত পৰিলহি। সেই দেখি, আফু "হেন ইটি দুগুটি অক্ষৰৰ" নামাঘয় কৰোঁতে ভকতসকলে কয়—আ পদে আকাশক, ফু পদে ইন্দ্ৰ দেৱতাৰ ফুটোক বুজায়। দেৱতাৰ মুখৰপৰা পোনে-পোনেই অহা বাবে ই পৰম পৱিত্ৰ বস্তু। সেই স্বৰ্গীয় বস্তুকণ কম ভাগ্যৰ গুণে ভাৰতৰ নৰ-মনিছে ভোগ কৰিবলৈ পোৱা নাই। ইয়াক ভোগ কৰিবলৈ কপাল লাগে। যি ৰকানীয়া সি অন্ততঃ মাহে পাঁচ টকা (তোলা) কানি খাবই লাগিব। পাঁচ টকা কানি



ভক্ত গঙ্গে বাহাদুর পৃঃ ৯০

খোৱা বৰ-কানীয়াৰ মান সদায় আগত। ভকত বাহাদুৰো বৰমানভগীয়া কানীয়াৰ আগশাৰীত বহা লোক আছিল। এই অঞ্চলত, এওঁ কানীয়াৰ বজা বুলি কানীয়াহঁতে কোৱামেলা কৰিছিল। কানীয়াৰ বজা যিজন, তেওঁৰ জুহালৰকাষত নাই নাই-বুলিও ২০ জনমান ভকতক সুধিব পৰাকৈ বাঁহৰ ধোঁৱাখোৱা আৰু কানিৰ টিকিৰা "মজুত" থাকিব লাগিব, ভকতসকল আহি যাতে "অ ৰাম, অ কৃষ্ণ" বুলিয়েই খোলাত বহি গাইপতি ধোঁৱাখোৱা একোটাত টিকিৰা পুৰি যাব পাৰে।

কানিখোৱা নিয়ম কেবাবিধো। তাৰ ভিতৰত এই কেইবিধেই সচাললনিকৈ চলে :—(১) পাণ-কানি, (২) লডাকানি আৰু (৩) মলা-কানি।

(১) **পাণ-কানি** :—এগুছিমান বুঢ়া জাতি-পাণ কুটি-কুটি কেঁতা এখনতে কানিত সিজাই একোটা-একোটা টিকিৰা (বড়ি) কৰে। সেই টিকিৰা একোটিকে বাঁহৰ ধোঁৱাখোৱাৰ লিপিঙত (পাইপ বা নলী) লগাই খাওঁতাজনে হুঁপি দিয়ে। পাণেৰেসৈতে খোৱা বাবে ইয়াকে পাণ-কানি বোলে। দীঘলীয়াকৈ হোঁপাটো মাৰি ধোঁৱাখিনি গিলি কানীয়াজনে ধোঁৱাখোৱাটো মাটিত থেকেচ মাৰি থয়। চকু-পচাৰ দুটামান বৈ, মুখেদি ফাঁ কৰি ধোঁৱাবোৰ উলিয়াই দি, এচকল-দুচকল কুঁহিয়াৰ, নাইবা কল এটাকে, নতুবা কড়াই-ভজা চাউল দুটামানকে চোবায়। জুলীয়া গুড়েৰে ঘোল চাহপানীও এঢোকা-দুঢোকা মাৰিব। কানি-তিতা-মৰা এইবোৰ জুলীয়া বস্তু জুহালৰ দাঁতিত হাতে ঢুকি পোৱাতে যতনাই থোৱাই থাকে। পাণকানি পান কৰা সুখতকৈ আৰু সুখ নাই। সেই সময়ত, কানীয়াজন স্বৰ্গতেই থাকে নে নৰকতেই থাকে কব নোৱাৰে।

(২) **লডাকানি** :—লডাকানি খোৱা হয় এই প্ৰকাৰে :—দোকানৰ-পৰা কানি আনিয়েই হাতেৰে চিকুটি মগুমাহটোৰ মান ববি একোটা কৰে। ববিটোক কোঁচকৰে গিলি থৈ কিবা এটা সোৱাদ বস্তুৰে তিতাটো মাৰি থয়। একো নেপালে, তামোল এডুখৰিবেই মুখশুদ্ধি

ফেৰা কৰে। লড়াকানি খোৱা নিয়মটো অ'লৈ ত'লৈ যাওঁতে হে পালন কৰা হয়।

(৩) **মলিখোৱা বা মলা-কানি** :—মলিখোৱা কানিৰ নিয়মটো নিচেই উজু। ইয়াক ঠাইতে সমাধা কৰিব পাৰি। কানীয়াই লগত কানি-মলিখোৱা সৰু পিয়লা বাটি এটা লৈয়ে ফুৰায়। বাটিটোৰ নামেই বেলেগ—যাক কানিখোৱা বাটি বোলে।

কানীয়াই কেত্তিয়াও বিনাস্নানে অর্থাৎ বাহী-গাই কানি নেখায়।

অসহযোগৰ খদমদন্ লগাৰ আগলৈকে ভকত বাহাদুৰৰ জুইশালখন উক্ত তিনিউ প্রকাৰৰ কানিপানত সুখ্যাতি অর্জ্জা আলহী-অতিথিৰ নিমিত্তে দিনে-নিশাই মুকলি আছিল। নকলেও হব যে সেই অনুপাতে, দেও-চাই-বলিৰো ব্যৱস্থা কৰা হৈছিল। অর্থাৎ উপকৰণসহ কলীয়া বস্তুফেৰাও খোলাখনত ভাগে-ভাগে সজাই থোৱা হৈছিল।

এটা অপকর্ম্মমূলক "বাহাদুৰী" কাম কৰি তেওঁ বছৰদিয়েক কাৰাবাস খাটিবলগীয়া হোৱাত, তাতেই কা'নখোৱা অভ্যাসটি এৰি পেলালে।

জেলৰপৰা অগাৰ পিছত, তেওঁৰ ওচৰলৈ বৰকৈ মানুহ-দুমুহ নোযোৱা হল। কানি এৰি দিয়াত, কানি-খোলাৰ বন্ধু-বান্ধৱ যে উৰণীয়া মৌ হলেই নে, ইবিলাক মানুহেও ফাটেকৰপৰা অহা দেখি তেওঁৰ ঘৰলৈ যোৱা সেৰেঙা কৰিবলৈ ধৰিলে। কিন্তু তেওঁ হলে মানুহৰ সঙ্গ ৰৰ ভাল পায়।

বাহাদুৰৰ সহযোগ পালে, কানীয়াবিলাকৰ কানিখোৱা অভ্যাসটো অলপ পাতলাব পাৰিম বুলি ভাবি তেওঁৰ ওচৰ চাপিলোঁ। কেবাদিনো তেওঁক কলোঁগৈ বোলো "তাৰৈদেও, আমাক অলপ সহায় কৰক। অমুক-তমুক কানীয়াকিটাকে কবচোন, কানি নেখাবি বুলি। আপুনি কলে শুনে কি চুনে? আমি সিহঁতৰ ওচৰকে চাপিব নোৱাৰোঁ।।" বাহাদুৰে চালুকীয়া লৰাটিৰ দৰে হাঁহি এটি মাৰি কলে, "কব পাৰোঁ। পাৰোঁ হে পাৰোঁ, তহঁতে জানোচা পুলিছক লগাই

দিয়গৈ! মোৰ আৰু, বোপাইহঁত, আভোকৰ ন মুঠিয়েই জুৰিলে। এলাপাক কথাত, এই বুঢ়া কালত, আকৌ ফাটেক খাবগৈ নোৱাৰোঁ, নধৰিবি মইনাহঁত!"

ফাটেকৰ ভয়টো ভাঙি, আমিও দোহাৰিলোঁ, "বাৰু আপুনি একো কৰিব নেলাগে। আপুনি নো কানি এৰি কেনেকৈ থুলন্তৰ গাটো ধৰালে, তাকে সকামে-নিকামে কৈ ফুৰিলেই হব।" 'বাৰু' বুলি কৈ বাহাদুৰে আমাৰ কথাষাৰ ৰাখিলে আৰু আমিও উশাহ পালোঁ। তেওঁ কাকো কানি একৰা নাছিল, যদিও আমাৰেসৈতে আলাপ কৰা বাবেই নামতি—ঘোঁৰাচোৰা-মৃদঙ্গীয়া গাৰঁলৈকে ৰৌজাল-ৰৌজাল হৈ ওলাই গল বোলে "ভকত বাহাদুৰো ভলন্টিয়াৰ হল।"

এই উৰা-বাতৰিটোৱেই আমাক বৰ দিলে সকাহ খনামুখৰ কাণমোছা, গোপীনাথ, মৰনৈ পকাঘাটৰ হৰনাথৈসৈতে লগ লাগি 'বাহাদুৰ' নাম পোৱাৰ আগেয়ে ভকত গগৈৰ গাটো লাহী আৰু পাতল আছিল। ডেকাকালত বল ও উলামূলা বিধৰ নাছিল—লোৱৰ পেৰা একোটা অকলৈয়ে দাঙি নিব পাৰিছিল। জেলৰপৰা ওলাই অহাৰ পিছত হে বৰ গা ধৰিলে আৰু গাৰ বাদুৰোৰ মেটুৰামেটুৰি হৈ ওলমি পৰিল। ফাটেকত থাকোঁতেই বেতৰ মূঢ়া-চকী-মেজ সাজিবলৈ শিকিলে। তাতে দেখি আহি ঘৰতো বাৰীত তৰহে-তৰহে কৰি-শাক-পাচলি লগাবলৈ ধৰিলে। তেওঁ দেখুৱাই দিয়াৰপৰা হে গাৰঁত আন মানুহেও কৰি-খেতি কৰিব জনা হল।

বাহাদুৰৰ ঘৰটি জুপুৰা; উলুখেৰেৰে ছোৱা; খেৰো নিজৰ বাৰীৰে —মাজুলীৰপৰা অনা নহয়। ভগা ইকৰাৰ বেৰ; তাতে পকামুগা ধৰা আৰু দুই-তিনি-ওলোৱা পলু-মেলা চন্দলাইখন আঁৰি থয়। মুগা-চোমনিত ভদৰকলি চৰাইখেদা ধেমুখন আৰু বাটলুগুটি ভৰাই থোৱা। জাতিলাওৰ খোলাটোও ওলোমাই থোৱা থাকে। সাতচোং বাগৰা ভদৰকলি চৰাই খেদিবলৈ চকু সালমাছৰ দৰে হব লাগিব আৰু হাত ও "কৰ্ণপথে শৰ কৰিব" পৰা থিৰ হব লাগিব। পাঁচকুৰি দুবছৰলৈকে

ভকত বাহাদুৰে সেই কাম অক্লেশে-অনায়াসে কৰিয়েই আছিল। জাপিৰ দৈ-কাঠী, নিজ-হাতে তুলাই ঠাং এটা পেলাই থোৱা ছবিখনত দেখিবলৈকে পাব। বেতৰ মূঢ়া, চকী, মেজ, আদি সজা তেওঁৰ নৈমিত্তিক কাম। সংসাৰত কি হৈছে, তাৰ ভূৰ্ভঙ্গেই নাই—কামতে মূৰ পুতি থাকে। ঈশ্বৰে হাত দুখন দিছে, তাৰে কাম কৰিব লাগে—ইয়াকে মাথোন ভকত বাহাদুৰে জানে। মানে-সম্ভ্রমে, জুখি-জুখি মৰমলগা কথা কৈ জিভাৰো সম্মান ৰাখে তেওঁ।

তাহানি যি অসমীয়া ডেকাই

"জাঁপ মাৰি ডেইছিলোঁ,
ঢাপলিকা পৰ্ব্বত
খেদা মাৰি ধৰিছিলোঁ
মত্তা হৰিণা
টিলিকিত মাৰিছিলোঁ বগ"

বুলি গগুপ মাৰিছিল, সেই ডেকাই আজি "মতা হাঁহৰো" লগ ধৰিব নোৱৰা হল। ভকত বাহাদুৰৰ স্মৃতিয়ে সেই অধঃপতনৰ কথাকে ভাবিবলৈ আজিও অন্তৰত হেঁচা একোটা মাৰি থাকে।*

ভেলেক দুৰৰা বা দুভিৰাম দুৰৰা

ভেলেক দুৰৰা নামেৰে এজন মানুহ আছিল। এওঁৰ দৰে দেখাত হোজা, কথাত পাকৈত, ধৰ্ম্মিষ্ঠ বা ধৰ্ম্মিষ্ঠ মানুহ পোৱা টান। আমাৰ চেমনীয়া কালতে তেওঁক যেনেকুৱাটো দেখিছিলোঁ, দুকুৰি বছৰ পাৰ হৈ যোৱাৰ পিছতো, ঠিক তেনেকুৱাই দেখিলোঁ। জাৰ-জহ, হেমন্ত-

* "হাতে কৃতকাম, মুখে ৰাম" নাম লৈ থকাই আছিল ভকত বাহাদুৰৰ জীৱনৰ মূলমন্ত্র। ১৯৫২ চনত, চাৰিওত হোৱা মণিৰাম পিয়ালীৰ তিথিৰ দিনা, উৎসৱৰ সভাপতি অসমৰ ৰাজ্যপাল শ্রীযুত জয়ৰামদাস দৌলতৰামেও তেওঁৰ সুন্দৰ স্বাস্থ্যৰ প্রতি সমৰ্দ্ধনা জনাইছিল। ১৯৫৭ চনৰ ১৬ এপ্রিলৰ (৩ বহাগ, মঙ্গলবাৰ, ১৮৭৯) দিনা এওঁৰ মৃত্যু হয়।

বসন্ত কতটা আছিল গল, জগতৰ মানুহ-ছুমুহ, নীতি-কাষ্ঠা, পিন্ধা-উৰাৰ গঢ়ো কত সলনি গৈ গল, ভেলেক দুৱৰালৈ কিন্তু সেইবোৰ একো সলনি হব নেজানিলে। ঘামকালি কানত চেলেংখন আৰু জাৰকালি দুদুৱলীয়া এৰিয়া কাপোৰখন গাত ছাটি মাৰি লৈয়েই মৰিবৰ দিনলৈকে ওচৰ-সমীপৰ গাওঁ হে নেলাগে দূৰণিবটীয়া নগৰতো ভ্ৰমি ফুৰিলে। সত্তৰি বছৰলৈকে তেওঁৰ গাত চোলা নোসোমাল। মান্ধাতা যুগৰ ধুতি-নীতিকে মানি, নিয়ম-সংযমেৰে দিন নিয়াই, ফাঁকিফুকাভৰা সংসাৰৰ পৰা বছৰদিয়েক হল ভেলেক দুৱৰাই শান্তিৰে বিদায় ললে।

দুৱৰাৰ ঘৰতো বহুত ম'হ আছিল। আন ম'হগিৰীয়াই ঘৰৰপৰা আঁতৰত খুঁটি পাতি ভাল পায়; তেওঁ কিন্তু চোঁতালৰ মুৰতে খুঁটি পাতি লৈছিল। দুৱৰাৰ ভাই-ককাইবিলাকে তেওঁক "আমাৰ গুৱাল" নাম দিছিল।

গুৱালে গাখীৰত পানী দিয়ে—সকলোৱে জনাকথা। গাখীৰত পানী মিহলোৱা গুৱাল-ফাঁকি ধৰা বৰ টান। যিমানেই কি সাধু নহওক, গুৱালে কেতিয়াও শুধ গাখীৰ দিব নোৱাৰে। আওখলাৰ ছলেৰেই গাখীৰ খীৰাবলৈ লোৱা কঁৰীয়াটোত গুৱালে পানী ভৰাই লয়। কিনোতাজনক আগতে বহুৱাই থৈ চকুত ধূলি মাৰি পানীভৰোৱা কঁৰীয়াটোতে সি ঘাৰৌচ-ঘাৰৌচ গাখীৰ খীৰাই দেখুৱাই দিব—গাখীৰত যেন পানী দিয়া তাৰ সজেই নাই। "আমাৰ-গুৱালে" হলে, এনথ পানীও গাখীৰত নিমিহলায় আৰু গাখীৰৰ দামো নবঢ়ায়। যুদ্ধৰ দিনত গাখীৰৰ সেৰে চাৰি অনা হৈ গল; তথাপি তেওঁ এক অনা পইচাও নবঢ়ালে—যি দুই অনা, দুই অনাই থাকিল। "কৰবাত মিছা পৰোঁ" বুলি তেওঁৰ বৰ ভয়। আগদিনাই যদি কোনোবাই তেওঁক গাখীৰৰ বাৰে আগধন দিব খোজে, তেওঁ কেতিয়াও নলয়; কয়, বোলে, "আজি আপোনাক কৈ গলোঁ, কাইলৈ গাখীৰ দিম বুলি। পিছে, হঠাতে যেনিবা নিশা মুকলি হৈ দামুৰিয়ে পিলে, নাইবা খীৰাওঁতেই মহে লাথি মাৰি কঁৰীয়াৰ গাখীৰকে পেলাই দিলে, তেতিয়া মই ক'বপৰা গাখীৰ

দিম ? এতিয়া পইচা থৈ দিয়ক, কাইলৈ আনিবলৈ যাওঁতে লৈ যাব। আপুনি নানেগৈ মানে, আপোনাৰ গাখীৰ বাৰু কাকো নিদিওঁ। এতিয়া পইচা নিনো।" পাছ দিনা, গ্ৰাহকজন গৈয়েই অনায়াসে গাখীৰ লৈ আহিব পাৰে। আন গুৱালৰ কথা বেলেগ।

ভেলেক দুৱৰাই পুলিন পুখাওসকলৰ কথা কৈ বৰ গৌৰৱ কৰিছিল। তেওঁ আছিল সাতঘৰীয়া আহোম ৰঙাচিলা দুৱৰাৰ ঘৰৰ—ষি-ঘৰত মান-অনা ঘিণাই বা বদন বৰফুকনৰ জন্ম হৈছিল। বদনে মান-অনা-কাৰণটো কওঁতে এদিন তেওঁ কৈছিল—পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া আৰু বদনচন্দ্ৰ বৰফুকন ডাঙৰীয়া দুয়ো এদিন ৰজাৰ চ'ৰাত বহি আছিল। বুঢ়াগোহাঁয়ে তামোলৰ লগত ছালি খায়। সেই দিনাও তেওঁ ছালিৰে সৈতে তামোল খাই আছিল ; তেওঁৰ ওচৰাউচৰিকৈ বৰফুকনো বহি অছিল। পূৰ্ণানন্দই মোকোৰামোকোৰে ডেৰা-ছালিৰে তামোল খাই ওঠত সেলেঙি লগাই আছে, তেও বিয়ৈয়েক বদন বৰফুকন ডাঙৰীয়াক তমোল এখনো যচা নাই। তাতে বৰফুকনে বিশ্লেষ কৰিলে, "সৰ্গদেৱৰ চ'ৰাতো কাঠশৰ এটি আছে!" বুঢ়াগোহাঁইলৈকে টোঁৰাই কথাষাৰ কৈছে বুলি জানি বুঢ়াগোহাঁয়েও ততালিকে উত্তৰ দিলে, "ৰাংকুকুৰটোকো নুবুলিবা শুদা, ফুটতে ধৰে!" এই ঠেটা-মস্কৰায়েই মান অনাৰ কাৰণ হল।

বুঢ়াগোহাঁয়ে তামোলৰ লগত ডেৰা, বইঁত আদি কাঠৰ ছালি খাইছিল। সেই দেখি, তেওঁক 'কাঠখোৱা শৰ' বুলিলত বৰ অপমান পালে। সেই দৰে ৰাংকুকুৰৰ নাম কোৱাত ৰঙাচিলা দুৱৰাৰ পৰি-পৰিনাতি বদন ফুকনেও বৰ আঘাত পালে। কাৰণ বদনৰ আদি পুৰুষ জনে ৰাংকুকুৰ এটা মাৰি ৰঙাচিলা নাম পাইছিল।

বহুত দিন ভাবিচিন্তি চাই এই ধাৰ্ম্মিক গুৰিলগা পুৰুষজনো কংগ্ৰেছত সোমাল। অসহযোগৰ মূলত ধৰ্ম্ম সোমাই আছে বুলি দৃঢ়চিত্তে তেওঁৰ ঘৰত নেছানেছে সূতা কটাবলৈ ধৰিলে। ঘৈণীয়েক আৰু দুজনী গাভৰু জীয়েকে সূতা কাটি, কাপোৰ বৈ ঘৰৰ পাঁচোটি

প্রাণীক পিন্ধাইছিল আৰু বিছুৱে-সংক্রান্তিয়ে আমাকো উপহাৰ দিছিল। তেওঁবিলাকে কপাহী সূতাৰ উপৰিও এৰি-মুগাৰ সূতাও কাটিছিল।

এইখিনিতে, এইটোও কৈ থোৱা ভাল যে দুৱৰাৰ জীয়েক মাজু আইটী আৰু শুৱলাৰ নিচিনা কাজী ছোৱালী আজিকালি পৰ্ব্বতৰ কাছকণী হোৱাদি হল।

ভেলেক দুৱৰাৰ নিচিনা মৌনী লগৰীয়া পাই সংসাৰৰ ৰাগজাল নথকা ভকতীয়াসকলক গান্ধীকথা কবলৈ আমাৰ বল বাঢ়িল।

এইজন "আমাৰ গুৱালৰপৰাই" মহখুঁটি আৰু ম'হৰ বিষয়ে ভালেমান কথা শিকিছিলোঁ। তেওঁৰপৰা শুনিছিলোঁ, আগৰ দিনত হেনো 'আমাৰ গুৱালে" এইবোৰ ম'হৰ নাম দিছিল :—

ভেলেঙ্গী, গেধী, যমুনা, সোণতৰা, কদমী, জোনাকী, পালেঙ্গী, প্রতিমা, দৰিকা, ডাউকী, চক্‌মলা, ৰূপহী, চামকলী, বনমালা, পানীমলা, ৰূপকলী, ভেৰী, মনকলী, চামতৰা, ঘৰশুৱা, গোৰা, জামুকলী, ৰূপা, চেনেহী, ৰাঙলী ইত্যাদি।

শ্রীযুত মিহিৰাম খনিকৰ

এইজন মানুহৰ সিজা স্বভাৱ আৰু চেঙা-উৎসাহৰ কথা সততকাই পাহৰিব নোৱাৰি। এওঁ এতিয়া নাহৰকটীয়া অঞ্চলৰ চাঁচনি মৌজাৰ অন্তর্গত মেৰবিলত আছেগৈ। ১৯২১ চনত, চাৰিওৰ অগ্নিবৰ খনিকৰ গাৱঁত এওঁৰ সমান চতুৰ মানুহ আৰু আন-এজন নাছিল। মানুহজন শ্রীমন্ত ; সাজে-পাৰে, ভাৰে-ভঙ্গীয়ে নিগুটি অসমীয়া বুলি দূৰৈতে চিনিব পাৰি। তেতিয়াই তেওঁৰ বয়স কলিকলীয়া বয়সৰ সোঁমাজমান পাইছিল, তথাপি, সেই আদহীয়া বয়সতো মূৰ-কামোৰণি এটা হৈছিল বুলি তেওঁ কব নোৱাৰে। ৰাগ-পদ দিয়াত তেওঁৰ মাতটো ৰৰমিঠা আছিল দেখি "পাঠেক" নাম পাইছিল। মিহিৰামৰ নিচিনা নিঘৃণী-নিপোটল দেহাৰ মানুহ দেখিলে "আমি অসমীয়া নহওঁ পৰিমৰা" বুলি নোকোৱা মানুহ কোনো নাছিল।

তেওঁৰ সাজপাৰকে নো নেচাৰ কি ? ভাৱনা-ৰৰসবাহ বা বাজহুৱা সকামলৈ যাৰৰ হলে, নাইবা চ'ত্তৰ বিহুত কণীমূঁজোৱা গছৰ তললৈ গলে, তেওঁ মূৰত পাগ এটা মাৰিব, ডিঙিত মতামণি এধাৰ আঁৰিব, খমখমীয়া মুগাৰ চুৰিয়া পিন্ধি থোৰটো গোৰোহা লেটাই লব। গাত গুনঠিমৰা (কাপোৰৰ গুদাম) এৰি-চাপকণটো পিন্ধিব আৰু গুণাফুলীয়া খনিয়া কাপোৰখন জাপিজুপি তাৰ ফুলটো উলিয়াই কানত পেলাই লব। এনেকৈ সাজি-কাছি, সেলেঙি বৈ-ষোৱা মুখখনেৰে তামোলৰ পিক্ পেলাই আটক-ধুনীয়া মিহিৰাম যেতিয়া বাটে-বাটে টকচালিকৈ চৰণ চলাই যাব, তেতিয়া "সৌৱা পাঠেক গৈছে" বুলি ইকৰা বেৰৰ জলঙাইদি আলেঙে-আলেঙে জীয়ৰী-বোৱাৰী সকলোৱে জুমি-জুমি চাব।

মিহিৰামক আটায়ে ভালপোৱাৰ কাৰণ বহুত। তাৰ ভিতৰত তেওঁৰ সুৰীয়া মাতটোও এটা। বিহুবৰৰ তলত বিহুনাম গোৱাত আৰু ম'হৰ পিঠিত উঠি গৰখীয়া নাম বা বনঘোষা গোৱাত মিহিৰামক কোনেও চেৰ পেলাব নোৱাৰিছিল।

এবৈছা বিহুত, এই মিহিৰামেই আমাৰ ঘৰত,

"প্ৰভুদেউৰ পদূলিত, গোন্ধাইছে মধুৰি
কেতেকী মলেমলায় ঐ গোবিন্দাই ৰাম"

বুলি হুঁচৰি-নাম এটা গোৱা শুনি ইমান ভাল পাইছিলোঁ যে যেতিয়া তেওঁ সেই জোৰা হুঁচৰিতে আকৌ—

'ভলুকা বাঁহৰে আঁখি মোৰ প্ৰভুদেউ
ভলুকা বাঁহৰে আঁখি
ৰতাহে ৰৰষুণে ওন্দোলাই আনিছে
আমাকো নথৰ ৰাখি"

বুলি গালে, সাউৎকৰে মই ভিতৰলৈ গৈ, লুকুৰাই থোৱা ৰূপ এটকা আনি বটাটোতে পেলাই দিছিলোঁ। মোক হুঁচৰি ভালপোৱা কৰিলে

মিহিৰাম পাঠেকেই। দেখনে-শোভনে, মাতে-কথায় এনেজন সৰবৰহী সৰবগুণী পুৰুষক আমাৰ সঙ্গী-ভকত কৰি লব পাৰিলে আমাৰ কেউপিনে জয়জয়-ময়ময় হব। এই বুলি, তেওঁক এদিন কংগ্রেছৰ সভ্য হবলৈ কলোঁ। তেওঁ কিন্তু, অনুৰোধটো নেৰাখিলে; ক'লে, "মই ভলণ্টিয়াৰ হব লাগিলে, মোক লাঙে-লাঙে ফাটেকত থবগৈ। পিতাই আৰু ঘৰ সোমাবলৈক নিদিয়ে। তাতোকৈও, অমুক-তমুক ইহঁতৰ লগত লগা গোচৰকিটাত জিকিব নোৱাৰিলে, তাহাঁতে জানো শুদাই এৰিব?" ময়ো চালোঁ, তেওঁৰ আপত্তিটো তেনেই ঠেক নোহোৱা নহয়। শেষত কলোঁগৈ, "বাৰু, ৰৰপিতালৈ ভয় কৰিব নেলাগে। তেখেতক সিদিনা ম-ময়া কৰিলোঁৱেই দেখোন। মৰ্দ্দমা লগা মানুহকিটাই নো কি কৰিব হেঁ? সিহঁতৰ ফৰফৰণি মাৰিবলৈ মোৰ হাতত দেৱাই আছে। তুমি মাথোন চাৰি অনা পইচা দি কংগ্রেছৰ মেম্বৰ হব লাগে আৰু আমি অলৈ-তলৈ গলে, আমাৰ লগতে গৈ সভা-খনহঁত শুৱনি কৰিব লাগে।" পাঠেকে একো ওজৰ মুলিয়ালে; একে আষাৰেই হ'ম বুলি "মেম্বৰ" হল। মিহিৰাম খনিকৰক পাই আমাৰ চতুৰ্গুণে বল বাঢ়িল। মোক গ্রেপ্তাৰ কৰা দিনলৈকে মিহিৰাম পাঠেকে বধশপত দি জীয়ৰী-বোৱাৰীৰ বিলাতী-প্রীতি একৰাই পেলাইছিল। জেললৈ যাওঁতে মোৰ লগত শিৰসাগৰলৈ যোৱা মানুহবিলাকক গনিং ছাহাবে যিদিনা গুৰ্খা লগাই পহুখেদা দিছিল, সেইদিনাখণো মিহিৰামে ৰংমনে গুৰ্খা চিপাহীৰ চাঙ্গীনৰ খোঁচ খাইছিল।

জীৱনৰ শেহছোৱাত তেওঁ ওপজা-ঠাই চাৰিং এৰি চাঁচনিলৈ যাব-লগীয়া হল। তাতো তেওঁ

'কাঁচিয়ে কাটে মানে
বেলিয়ে আঁটে মানে'

কংগ্রেছৰ শুভবাৰ্ত্তাকে বিলাই ফুৰিছিল। কিন্তু মিহিৰাম পাঠেকৰ প্রতি বিধি বাম। অলপতে, তেওঁৰ একেটি লৰাক নিঠৰ যমে মাৰি নি তেওঁক নিঠকৰা কৰি পেলালে। ১৯২১ চনত, সেই স্বাধীনতাৰ

ৰাগীত মতলীয়া হৈ ফুৰা চাৰিওৰ মিহিৰাম পাঠেকো এক, পুত্ৰশোকত জৰ্জৰিত হৈ থকা চাঁচনিৰ মিহিৰাম পাঠেকো এক। ভাগ্যই কাক কেতিয়া কি কৰে কোনেও কব নোৱাৰে। "পুৰুষস্য ভাগ্য, দেৱো নজানন্তি, কুত্ৰ মনুষ্য ?" মিহিৰামৰ জীৱনেই তাৰ জ্বলন্ত সাক্ষী।

দোম খনিকৰ সাতোলা

খনিকৰ গাৱঁৰ দোম সাতোলাকো পাহৰণি-সোঁতত উটাই দিব নোৱাৰি। দোম নামৰ মানুহ কেবাজনো আছিল দেখি তেওঁক গুৱালৰ দোম বোলা হৈছিল। বহুত ম'হৰ গিৰী ; সেই হেতুকেই দোম নামৰ আগত গুৱাল বিশেষণ। গুৱাল দোমক ম'হৰ গিৰিহঁত গুৱাল নুবুলি যোজোনা-ফকৰাৰ অভিধান বুলিব পাৰি। 'ঘিণাই বৰফুকনৰ গীত', 'জাতি নাহৰৰ গীত', 'ফুলকোৱঁৰ-মণিকোৱঁৰৰ মালিতা' ইত্যাদি জাতীয় গীত-মাত তেওঁ এনে শুৱলাকৈ গাব আৰু ক'ব পাৰিছিল যে সেই কালত ইংৰাজী কবিতাৰ মোহত পৰি থকা এই সোঁৱৰণ লেখক একেবাৰেই তন্ময় হৈ গৈছিল।

গীতৰ লহৰটোহঁত এনে লে-নিয়া সুৰেৰে দিছিল আৰু ঠেওটো এনে লেহেতীয়াকৈ থৈছিল যে শুনি যাওঁতে এফালে কাণত মৌ বৰষি গৈছিল আৰু ইফালে টোপাটোপে চকুৰ পানী বোৱাই পঠিয়াইছিল। দোম সাতোলাৰ গীতত কৰুণ-মধুৰৰ সমাবেশ হৈছিল যেনেকৈ, তেনেকৈ হোৱা বা গোৱা আজিলৈকে কাৰো মুখত দেখা-শুনা নাই। বৰফুকনৰ গীতটো জুৰিছিল এই বুলি ঃ

আবেলি বেলিয়া
বা-মু বৰষুণে
সাতো সাগৰৰ ৰেৱা
আই নো সৰেস্বতী
কামাখ্যা মাতৃ
কৰোঁ নীলাচলত সেৱা

ঐ, নীলাচলৰ আই
বন্দীৰ হিয়াত দিবাহি ঠাই
ঐ, সৰস্বতী আই
যিখিনি পাহৰোঁ দিবা সোৱঁৰাই।

গুৱাহাটীৰপৰা ঘিণাই বৰফুকন পলাই গৈ মান-দেশ পালত, অসম-ৰজাৰ জীয়ৰী মানৰজাৰ কুৱঁৰীয়ে বৰফুকনক ঐৰাৱতী নৈৰপৰা আগ বঢাই নিয়ে। তেতিয়া কুৱঁৰীয়ে বৰফুকনক যিকিষাৰ কথা কৈছিল তাক সাতোলাই এইদৰে বিনাই গাইছিল :—

'ঐ ফিফান দেও, (ককাই দেও) এফেৰি ৰোৱাঁ।
আহিলি কেনেমতে তাৰ কথা কোৱাঁ।
ৰাটত নো বাঘ-ঘোঙে নেপালে নে তোক ?"

আকৌ বৰফুকনক কাটিবলৈ ৰাজমাৰে ৰূপচিং চুবেদাৰক কেনেকৈ কাৰৌ কৰিছিল তাকো সাতোলাই বীণৰ সুৰত মতাদি মুখেৰেই মাতি গৈছিল :—

"অতকৈ গুণনি ধৰিলে ৰাজমাৰৰ
উঠিল মাজনিশা ৰাতি
পৰম হিতে কৰি, ৰূপচিং বঙালক
অনালে তেতিয়াই মাতি।
ঐ ৰূপে চিং, কাটি দিওঁ কৰ্ফুল খা
ৰূপেচিং বঙাল তই লেঢ়াইলৈ যা।
—ঔ ৰাজেমাও আই
অসমৰ মন্ত্রী, ইয়াতকৈ নাই।
—ঐ ৰূপেচিং জানিবি মোক
অসমৰ মন্ত্রী পাতি দিম তোক।
—তেন্তে হলে ৰাজমাও গুণনি এৰাঁ।
লাগে আনি দিম সৰগৰ তৰা।"

ইয়াৰ পিছত ৰূপচিঙে যিদাই ৰৰফুকনক কোমোৱা কটাদি কাটি ছুডোখৰ কৰা চৰণকিটা গাইছিল।

"ঐ," "ঔ", এইকিটা মাততেই সুৰৰ লয় সলনি হৈ যায়। চৰণটোৱেপতি একোটা-একোটা জাত। একেটা গীততে সুকীয়া সুকীয়া সুৰ সমন্বয় কৰাত ঘটনাটোৰ বিৱৰণ দীঘলীয়া হলেও নামুৱাইছিল, ৰৰং শুনি থাকিবলৈ হে মন গৈছিল। ৰৰফুকনে মান আনিবলৈ যোৱাৰপৰা ৰূপচিঙৰ হাতত প্ৰাণ এৰালৈকে ঘটনাৰ পট যিমানবোৰ পৰিৱৰ্ত্তন হৈছিল সিমানবোৰৰ দোমোজাত বা কেঁকুৰিত বেলেগ হেঁচা এটা দি, নতুন জাত এটা লগাই দিছিল। নিজকাণে শুশুনিলে গীতটোৰ বিষাদ-মাধুৰী লেখনীৰ আগত তুলিব নোৱাৰি।

দোম সাতোলা আছিল কংগ্রেছৰ ওচৰ-নচপা মানুহ। চপাবলৈও মন কৰা নাছিলোঁ। কিন্তু, তেওঁৰ মুখৰপৰা টুকি অনা গীতপদবিলাকৰ পৰা আওপাকে বুকুকোমল স্বাধীনচিত্তীয়া মানুহক অসহযোগলৈ আকৰ্ষণ কৰাত নথৈ সহায় পাইছিলো। দোম সাতোলাৰ নিচিনা কতনা ৰতন যে অসমৰ চুকে কাণে এতিয়াও আলাই-আথানী হৈ পৰি আছে, তাৰ বুজ লয় কোনে ?

ঘনকান্ত গগৈ বা ঘটাই মহৰি

স্বৰ্গীয় ঘনকান্ত গগৈদেৱৰ ঘৰ আছিল, ফুকনফৈদীয়া-বেজগাৰঁত। বেজগাৰঁৰ দুয়ো মূৰে দুখন কৈৱৰ্ত্ত গাওঁ। দক্ষিণৰ ফালে থকাখন পেপেলাডুবি আৰু উত্তৰে থকাখন নামদাং-কৈৱৰ্ত্ত। পেপেলাডুবিত শ্ৰীযুত দনাৰাম দাস সভাপতি আৰু ৺হাৰি কৈৱৰ্ত্ত মুক্তিয়াৰেই মুখাল মানুহ। নামদাং-কৈৱৰ্ত্ত গাৱঁত কদ্ৰাম কৈৱৰ্ত্ত নেওগ গাওঁবুঢ়াই সৰ্ব্বে-সৰ্ব্বা। পেপেলাডুবিৰ দক্ষিণ-পছিমে জকাই সত্ৰ। এই আউটিত কিবা একোটা ৰাজহুৱা কাম কৰিবলগীয়া হলেই সকলোৱে ঘনকান্ত গগৈৰ পৰামৰ্শ লয়। গগৈদেৱক ঘনকান্ত বুলি সৰ্ব্বসাধাৰণে নেজানে—জানে ঘটাই মহৰি বুলি হে ; কিয় নো, এখেতে নাফুক চাহবাগিছাত, আগেয়ে মহৰি কাম কৰিছিল। "আসাম বস্তি",

"বাঁহী" আৰু বঙলা কাকত "বঙ্গবাসী"ৰ এখেত নিয়মিত গ্ৰাহক আছিল। বহুতৰ দৰে গগৈদেৱ আশীৰ্ব্বদীয়া গ্ৰাহক নাছিল। বছৰ উকলিলেই বা তাৰ আগেয়েই কাকতৰ বৰঙনিখিনি উচল কৰি দিছিল। বহুতেই বাতৰি-আলোচনী কাকত লয় হয়, পাছে, আগগুৰি মাৰি খচি নিচেই কম মানুহে হে পঢ়ে। গগৈদেৱে হলে 'কাকতবোৰ পঢ়ে, পঢ়ি ভাবে আৰু সকলোৰে আগত দেশৰ অভাৱ-অভিযোগৰ বিষয়ে চালি-জাৰি আলোচনা কৰে।

মহাত্মাই প্ৰৱৰ্ত্তন কৰা অসহযোগৰ পন্থাটো তেখেতে মনে-চিতে ভালপোৱা নাছিল। কিন্তু, সূতা-কটা, ভাং কানিবৰ্জ্জন কৰা, মেল-মকৰ্দ্দমা নিবাৰণ কৰা কথাকিটা হলে বৰ ভাল পাইছিল। আমাৰ মানুহ একো কামৰেই উপযুক্ত নহয়—এইটোৱেই আছিল গগৈদেৱৰ বদ্ধমূল আন্তৰিক বেজাৰ আৰু তাকেই তেখেতে ঘৰে-পৰে সদায় ব্যক্ত কৰি ফুৰিছিল। ডেকালৰা একোটাক লগ পালেই, নতুবা সভা-সমিতিত কিবা কব লগা হলেই তেখেতে কবই, "ইংৰাজক খেদোৱা কথাষাৰ শুনিবলৈ ভাল হয়, পাছে, ইংৰাজ গলে আমাৰ গতি নাজল-নাথল হব। আমাৰ নো আছে কিটো? বেহা-বেপাৰ, দোকান-পোহাৰ আদি ঘনঘটা বাট এটাইবোৰ অনা-অসমীয়াৰ মুঠিত। আমাৰ মানুহে আজিলৈকে ভালকৈ দোকান এখনকে পাতিবলৈ নিশিকিলে। বিদেশী বস্তুৰেই আমাৰ বৰ-ঘৰৰ চাং ওপচাই থৈছোঁ। পাচি-খৰাহি এটাও আমাৰ লৰাই সাজিব নজনা হল। কাঁহ-পিতলৰ ব্যৱসায় আৰু সোণৰ-বন উঠি যাবলৈকে উপক্ৰম হৈছে। বঙালী সোণাৰি, বঙালী জালোৱাৰেই দেশ ভৰি পৰিলহি! শামুকৰ চূণকণ কিমান উপকাৰী? তাকো আমাৰ পোহাৰীয়ে কৰিবলৈ এৰি যে দিলেই নে, বেচিবলৈও এৰিলে। নুনীয়া কুলি নহলে বাৰীৰ চাপ এটাও মাৰিব নোৱৰা হলোঁ। জয়সাগৰ-শিৱসাগৰ-গৌৰীসাগৰৰ নিচিনা বিয়াগোম-বিয়াগোম পুখুৰীকিটা আমাৰ মানুহেই খানিছিল বুলি কোৱা হলে সাধুকথা বুলি উৰাই দিলে-হেতেন; যাতুকান্তে, সেইকিটা পুখুৰী আমাৰ চকুৰ আগতে আছে দেখি

হে, কোনেও তেনে কথা কবলৈ সাহ কৰিব নোৱাৰে। আমাৰ বিদ্যা-বুদ্ধিয়েই বা আছে কিমান? শিল্পৰ উন্নতি, বাণিজ্য-ব্যৱসায়ৰ উন্নতি কৰিব নোৱাৰিলে, এতিয়া যেনেকৈ ইংৰাজৰ গোলাম হৈ আছোঁহঁক, আগলৈও কেঞা-মাৰোৱাৰী, বঙাল-কঙালৰ দাসৰো দাস হৈ থাকিব লাগিব।" কংগ্রেছী নাছিল যদিও, কংগ্রেছৰ উদ্যোগত পতা সভা-বিলাকলৈ আহি গগৈদেৱে আমাক নথৈ উৎসাহ দিছিল।

গগৈদেৱ চৰকাৰী চাৰিং পঞ্চায়তৰ এজন মুখ্য মেলুৱাই আছিল। তেখেতৰ বিচাৰ-প্রণালী সদায় নির্ভীক, নিৰপেক্ষ আৰু আইনসঙ্গত। একে লগে বহা কোনো-কোনোজন ভেঁটীখোৱা মেলুৱায়ে অসঙ্গত-আওপকীয়া মত দিয়া দেখি, তেখেতে উচাট মাৰি সভ্যপদকে ইস্তফা দিলে।

শিৱসাগৰলৈ অহাযোৱা কৰোঁতে তেখেতৰ ঘৰত সোমাই, তেখেতক মাত এষাৰ নঁলগোৱাকৈ যাব নোৱাৰিছিলোঁ। ফাটেকলৈ যোৱাৰ বিৰুদ্ধে তেখেতে ইমান লেজুৰা বকলা মেলিছিল যে কথা কওঁতে মুখে ফেনাই গৈছিল। সভাসমিতিত বক্তৃতা দিওঁতেও কথাৰ ওৰ নপৰে হে নপৰে; সভাপতিয়ে বহক-বহক বুলি টাকনি দি-দি হে বহুৱাই থবলগীয়া হয়। ৰৰপুতেক হেমকান্ত পুলিছ-বিভাগৰ বিষয়া হৈ থকা সত্ত্বেও ঘনকান্ত গগৈয়ে গাৰেঁ-ভূঞে সংগঠনমূলক কামবোৰ কৰিবলৈ উটঙাই ফুৰিছিল। তেখেতৰ বক্তৃতা আৰু বুজনিৰ ফলতেই আমাৰ অসহযোগ আন্দোলনটো আবুজন ঠাইত শিপাব পাৰিছিল।

ঘটাই মহৰীৰ ভার্য্যা গৰাকীৰ নাম আছিল কেতেকী। কেতেকী তেখেতৰ দ্বিতীয়া ভার্য্যা। গগৈদেৱে চ'ৰাঘৰত এফালে অসহযোগৰ বিৰুদ্ধে লালীনিছিগা বক্তৃতা দি থাকিব আৰু তৰুণী ভার্য্যা কেতেকীয়ে মাৰল-ঘৰত সিফালে গুণগুণ শৱদেৱে যঁতৰত সূতা কাটি থাকিব। কেতেকীক আমি গাভৰুদেও বুলি মাতিছিলোঁ। গাভৰুদেও দেখাত যেনেকুৱা পকা-থেকেৰা যেন বাঙলী আছিল, কথা-বতৰা আদৰ-আশ্বাস আৰু দিয়ন-থোৱনতো তেনেকুৱা মৰমিয়াল আছিল।

সেই সময়ত, বেজগাওঁ অঞ্চলত, ঘটাই মহৰিৰ বাৰীত হে কেৱল অসমীয়া কপাহৰ গছ ৰোৱা হৈছিল আৰু তেখেতৰ ঘৰত হে মাথোন মূলাগাভৰুৰ আৰ্হিৰে নেওঠনীত কপাহ পেৰি, গুটি গুচাই, চন্দিয়াই পাঁজি বাটি যঁতৰত আশী নম্বৰত্তকৈও সৰু সূতা কটা হৈছিল। গান্ধী-ভলণ্টিয়াৰক কেতেকী গাভৰুদেৱে দেৱতা দেখাদি দেখিছিল। চ'ৰা-ঘৰত কংগ্রেস-সেৱক এজনৰ মাত শুনিলে কি, ভিতৰত জলপান সজোৱাৰ আৰম্ভ হল কি। এনেকুৱাই আছিল কেতেকী গাভৰুৰ কংগ্রেছৰ প্রতি শ্রদ্ধা আৰু আগ্রহ।

ঘনকান্ত গগৈদেৱৰ শাৰীৰিক-মানসিক পৰিশ্রম দুয়োটা সমানে চলিছিল। তেখেতে এহাতে যেনেকৈ অকলৈয়ে তামোলে-পাণে টেঙ্গায়-টোকোছায় বাৰীখন নদনবদন আৰু তুখুং কৰি ৰাখিছিল, সিহাতে তেনেকৈ সময়ৰ লগত খাপ খুৱাই, চিন্তা-চর্চ্চাতো উজাই যাব পাৰিছিল। ঘনকান্ত গগৈ বা ঘটাই মহৰি আজি নাই। তেওঁ বিহীন হোৱাৰ লগে লগেই বেজগাওঁখন তেনেই চেঁচা পৰিল।

শ্রীযুত লোকনাথ মহন্ত

জকাইসত্রৰ শ্রীযুত লোকনাথ মহন্তও আছিল, নিলগে-নিলগে তলে-তলে গান্ধীবাদ প্রচাৰ কৰা কর্ম্মী। তেওঁৰ কার্য্যস্থল আছি মিৰিগাওঁ। মাজুলী, দিখৌমুখ, দিচাংমুখত থকা মিৰি ৰাইজৰ মাজত তেওঁ পুতলা-নাচ দেখুৱাই মাদকতা বর্জ্জন আৰু অস্পৃশ্যতা বর্জ্জনৰ বক্তৃতা দি ফুৰিছিল। শ্রীযুক্ত লোকনাথ মহন্তৰ "পুতলা-নাচ"ত অভিনয় কৌশল দেখিলে, মহন্তদেৱ সুৰুচিপূর্ণ কলা-কৌশলী মুবুলি নোৱাৰি। মিৰিগাৱঁত এতিয়াও তেখেতৰ বিস্তৰ প্রভাৱ।

বিষ্ণুৰাম বৰকাকতী

৺বিষ্ণুৰাম বৰকাকতী আছিল বৰ সভা-শুৱনি অসমীয়া আৰ্হি পুৰুষ। ট-টকৈ জিলিকি থকা চকুমণিজোৰ, ওপৰওঁঠৰ ওপৰখন জুৰি

ফেৰ-মেলি-থকা ডাঠ গোঁফতাৰ আৰু লেখনীৰে আঁকি লিপিত খুৱাই থোৱা যেন চকু-চেলাউবিজোৰে ৰৰকাকতী ডাঙৰীয়াৰ মুখমণ্ডল যেনেকৈ শোভা কৰিছিল, নিচেই কম মানুহে হে কৃত্রিম সৌন্দৰ্য্যৰ আল ধৰিও নিজৰ-নিজৰ মুখখনহঁত তেনেকুৱা শোভাকৰ কৰিব পাৰিছিল। ফুটমনিয়াৰ ৰৰকাকতীয়ে দূৰৈতে দেখামাত্রকে, যেনে কি অচিনাকি মানুহজন নহওক, তেওঁৰ অভ্যন্তৰৰ কথা উমানতে ধৰিবই। তেখেত প্রসিদ্ধ মেলুৱাইও। শিৱসাগৰ মহকুমাৰ পশ্চিম-অঞ্চলত বিষ্ণু মুক্তিয়াৰক তৰ্কত ঘটুৱাৰ পৰা আন মেলুৱৈ নাছিল। মুক্তিয়াৰ পদবীটো গড়মূৰ-সত্রৰপৰা পোৱা। তেখেতৰ গুণ অপাৰ—একাধাৰে আদর্শ খেতিয়ক, উদ্যোগী কর্ম্মী, 'এক হাতে দুই ফল ধৰিব পৰা' উপস্থিত বুধিয়ক আৰু ইংৰাজী ইস্কুলত ভৰি নিদিয়াকৈয়ে ইংৰাজী-আইনজ্ঞ উকীলৰ দৰে মহাব্যাস্ত্রী তৰ্কশাস্ত্রত অপ্রতিদ্বন্দী-চূড়ামণি (গাৱঁলীয়া মেলত)। মধুৰ কণ্ঠস্বৰ, প্রসঙ্গীয়া-নাম, দিহা-নাম, হীৰা-নাম বা উঠা-নাম, ভোৰতালবজোৱা, নামৰ সুৰসঞ্চাৰ দিয়া,—এইবোৰত তুকৰীয়া কাকতীৰ বিষ্ণুৰাম মুক্তিয়াৰক কোনেও চেৰ পেলাব নোৱাৰিছিল। বহুলতাৰ দোষত আৱর্জ্জনা সোমাইছিল যদিও, কথোপকথনত কথাৰ আঁত নিছিগিছিল।

১৯৩৩ চনলৈকে, তেখেতে অসহযোগৰ হে নেলাগে, কংগ্রেছৰ ছাঁতও ভৰি দিয়া নাছিল। কংগ্রেছ আৰু কংগ্রেছ-পন্থীৰ লগত এক প্রকাৰ জুইপানী-অসঞ্চাৰেই আছিল। মোৰেসৈতে এদিন তৰ্ক কৰি থাকোঁতে বুদ্ধিৰ সাগৰ শ্রীমান যোগেন্দ্রনাথ মজিন্দাৰ বৰুৱা (বেতবাৰীৰ) নামৰ স্বয়ংসেৱক এজনে মুখৰ আগতে মোলৈ চাই তেখেতক বিকর্ষনা কৰি কলে, "থক, থক, মুক্তিয়াৰৰ নিচিনা পৰম জ্ঞানী ডাঙৰীয়া এজনকে যদি কংগ্রেছৰ বার্ত্তা বুজাবলৈ এঘণ্টা লাগিল, (দুৱৰা-আলিৰ মৃৱৰ ছালছিগা ভিকহু) দুলাল বঙালীক বুজাবলৈ কিমান পৰ লাগিব? বুজাক বুজাবা ঠাৱৈ-চিঞাৱৈ, মুবুজাক হে মাৱৈ-কিলে?" কথাষাৰ শুনি মুক্তিয়াৰ সেই পোনেই থৱৈ-থৱৈ ব'ল। তেতিয়াৰপৰা-আৰু তেখেতে

কংগ্রেছ-সম্পর্কীয় একো কথাবেই ভাগ নোলোৱা হল। ছুবছব-মানব মুৰত দেখোন, কংগ্রেছ-বিৰোধী হিৰণ্যকশিপু হেন মানুহজন শ্রীকৃষ্ণব প্রতি প্রহ্লাদ হোৱাদি কংগ্রেছব অকৃত্রিম অনুবক্ত হৈ পৰিল; গান্ধীটুপী পিন্ধা মানুহক নিলগৰপৰাই সাতসেৱাব এক সেৱা কৰিবলৈ ধৰিলে। মুক্তিয়াবব এটা বিশেষ গুণ আছিল যে, কংগ্রেছ-বিৰোধী হৈ থকা দিনতো, তেখেতে কংগ্রেছ-ভলন্টিয়াবক গালি-শপনি পাৰি আছিল যদিও, ছৰ্কাৰী কৰ্ম্মচাৰীক কেতিয়াও নিজমুখে একো কথা লগোৱা নাছিল।

৭৪ বছব বয়স পাই, ১৮৭১ শকত, ববকাকতী পৰলোকলৈ গমন কৰিলে। তেখেত নোহোৱাৰপৰা চাৰিং-কাকাতী গাৱঁত সুকণ্ঠ গায়ক আৰু স্বাভাৱিক বুদ্ধিবৃত্তি সম্পন্ন, স্বাৱলম্বনব চানেকি দেখুউৱা, উদ্যোগী, শ্রুতিধব, কৰ্ম্মী পুৰুষ এজনো নাইকিয়া হল।

অসহযোগ-সম্পর্কে আমাব মত অমিল আছিল যদিও, বাকীবোব কথাত বাৰঅনা মিল আছিল। তেখেতক বব সম্মানব চকুৰে চাইছিলোঁ। মুক্তিয়াব ডাঙবীয়াব উপস্থিত-বুদ্ধি আৰু সাংসাৰিক জ্ঞান ইমান চোকা আৰু গভীব আছিল যে যেতিয়াই কিবা এটা শামুকীয়া গাঁঠিহেন সমস্যা আগত থিয় হৈছিল তেতিয়াই তেখেতে টপৰাই তাক ভাঙি দিছিল। সেই গুণেই, প্লেফেয়াব, ফিলিপ্‌ছন, কেণ্ট্‌লি, মুলান ছাহাব আদি জিলাধিপতি-মহকুমাধিপতি বৃটিছ বিষয়াবিলাকে গৌৰীসাগৰ-ইন্‌স্পেক্‌ছন-বঙলালৈ মতাই নি তেখেতৰপৰা খেতিবাতি-সম্পর্কে আৰু গাৱঁলীয়া বাইজব উন্নতিবিধায়ক উপদেশ গ্রহণ কৰিছিল।

বাতবি আৰু আলোচনী কাকতলৈ প্রবন্ধ লেখা মোব অভ্যাস আছিল। কেতিয়াবা একোটা প্রবন্ধ লেখি নি তেখেতব আগত পঢ়ি শুনাওঁগৈ। পঢ়ি যাওঁতে, ক'ৰবাত যদি শব্দ-গাঁথনিত আঁব লগা যেন শুনে, তৎক্ষণাৎ তেখেতে "ওঁ" "ওঁ" বুলি শলাগিবলৈ এৰি দিয়ে আৰু থমক খাই হাঁহি এটি মাৰি মাত লগায়, 'ৰ'বচোন, এই খিনিতে অলপ উজুটি খোৱা যেন লাগিছে।

আকৌ পঢ়কচোন বাক।" দোৱাবাৰ পঢ়িলেই, ভুলটো আপোনা-আপুনি মোৰ চকুত ধৰা পৰে। বিষ্ণুৰাম বৰকাকতী অকল যে ফুট-তৰকা, কথা-গৰকা, বেজীৰ জলাকো মনা বুদ্ধিয়কেই আছিল এনে নহয়, সাহিত্যৰো অতুলনীয় ৰসগ্ৰাহী আছিল। সেই দেখি, মই কিবা এটা লেখিলেই, তেখেতৰ ওচৰলৈ লৈ গৈ সেইবোৰ পঢ়ি শুনাওঁ আৰু তেখেতেও সাত-বন কাটি কৰি মোৰ পঢ়াখিনি শুনে। শুনি পেলাই, তেখেতে ভাল হৈছে বুলি যদি কয়, সঁচাকৈয়ে সকলোৱে তাকে ভাল বোলে। বৰকাকতী ডাঙৰীয়ালৈ মনত পৰিলেই, ফৰাচী-লেখক চেণ্ট ব'ভৰ (St Beauve) কথাখিনিলৈ মনত পৰে। ব'ভে কৈছিল, "তুমি যেতিয়া যি লেখা, তাকে এজনৰ ওচৰত পঢ়ি শুনাবা। শুনোতাজন লাগিলে ক-বুলিব নজনাই হওক, তাত একো কথা নাই। তথাপি জানিবাঁ, তেওঁৰ মতামতেই সৰ্ব্বসাধাৰণৰো মতামত।"

মুক্তিয়াৰৰ ঘৰলৈ গৈ, তেখেতক মাত লগালেই, ভিতৰৰপৰা সেয়া "শৰ্ম্মা নে" বুলি তেখেত যিটো হাউচেৰে ওলাই আহে, তেখেতলৈ আগৰপৰা যদি কিবা ক্ৰোধো থাকে, সেই মুহূৰ্ত্ততে সি চাঁত কৰে নাইকিয়া হয়। তেখেতৰ তালৈ যোৱাৰ আগেয়ে, আজি অমুকটো কথা মুক্তিয়াৰক ধৰিম গৈ বুলি আলচি যাওঁ, কিন্তু, সেইখিনি পালেগৈয়ে তেখেতে এনে ভাৱে কথাৰে মুহি পেলায় যে মই আলচি থোৱা কথা তল পৰে।

কংগ্রেছ-সেৱকক দেখিবই নোৱাৰে যদিও, কিবা এটা কথা, মই গলেই জীয়েকহঁতক মাতি তৎক্ষণাৎ চাহ, জলপান, আম, পকা-কঁঠাল যি থাকে দিবলৈ উশাহশুৰ্ত্তি নাইকিয়া কৰে। তেখেতৰ বাৰীত আবতৰীয়া কঁঠাল এজোপা আছিল। সেইজোপাৰ কঁঠাল পকিলেই জীয়েকহঁতক কৈ থব "সেইটো কঁঠাল (চিন এটা দি) শৰ্ম্মালৈ থৈছোঁ। তহঁতে নেপাৰিবিহঁক!"

বৰকাকতীৰ পুত্ৰসন্তানতকৈ কন্যাসন্তানৰ সংখ্যা সৰহ। সেই দেখি, এদিন ধেমালিতে কৈছিলোঁ, "জাৰ্ম্মান সম্ৰাট উইল্‌হেলমিন

এদিন গাওঁ ফুৰিবলৈ যাওঁতে, নিচেই দুখীয়া খেতিয়ক এজনে সম্রাটক একোটোকে দি মানধৰিব নোৱৰাত জীয়েক ষোলজনীকে আগ-বঢ়াই দি ওলগ জনালে। তেতিয়া ৰজাই ছোৱালী কিজনী দেখি সুধিলে, এই কিজনী তোমাৰে ছোৱালী নে? খেতিয়কজনে বৰ সন্তুৰ্পণে 'হয়' বুলি কলত, ৰজাই বুকুখন ডাঠ কৰি বৰ গৌৰৱেৰে মাত লগালে, তুমিয়েই "মোৰ সাম্রাজ্যত আটাইতকৈ চহকী। তোমাৰ ষোলজনী ছোৱালী নাই-নাই-বুলিও ২৫৬ জন সেনপতিৰ ভাবীমাতৃ। এনে বিৰাট শক্তি আৰু বিপুল সম্পত্তিৰ অধিকাৰী তোমাক, মই কি দিম? এইকিটা সোণৰ মোহৰকে সম্প্রতি দিলোঁ; আৰু যি দিব লাগে, পৰস্তে দিম।" সেই দৰে, আপোনাৰ ছোৱালী কিজনীয়েই আমাৰ সম্পদ। সঁচাকৈয়ে, বিষ্ণু মুক্তিয়াৰৰ ছোৱালী কিজনীয়েই দেউতাকৰ যশ-মান আজিও ৰক্ষা কৰি আছে। পোনতে, কংগ্রেছৰ কার্য্যত হেঙাৰ দিয়াত বেয়া পাইছিলোঁ যদিও, বৰকাকতীৰ অমায়িকতা, শিষ্টাচাৰ আৰু বিশিষ্ট গুণৰাশিৰ কথা মনত পৰিলে অমৃত যেন লাগে।

[৬]

"বোকাৰপৰাও সোণ বুটলিবাঁ"

মৰিয়া বাহাদুৰ—

"দেৱতাৰ উৎপত্তি কলে ৰং
মনুষ্যৰ উৎপত্তি কলে খং"—

সেই দেখি, এই নামৰ মানুহজনৰ গাটো উলিয়াই দিলে ক'ৰবাত খং উঠিব পাৰে, এই বুলি এওঁৰ নামটো পোনতে খঁাবাকৈয়ে থৈছিলোঁ, পাছত হে, তেওঁৰ অনুমতি লৈ পূৰা নামটো দিলোঁ। এওঁ কংগ্রেছৰ নামত যে তিনি-ডেও-মাৰি উঠিছিলেই নে, আমি পাঙি লোৱা কাম-বোৰতো আগছোৱাত হেঙাৰ পুতি ফুৰিছিল। এওঁ যে বিশেষ কামত কিবা লেখত লবলগীয়া "বাহাদুৰী" খটুৱাইছিল, এনে নহয়, নাইবা, ছৰ্কাৰৰ ঘৰৰপৰাও তেনে এটা কামৰ বাবে যে প্রশংসা পাইছিল সিও নহয়। তথাপি,, গঞা লোকে তেওঁক "বাহাদুৰ" বুলি উপলুঙা উপাধিৰে মাতিবুলি বৰ ৰং পাইছিল। ৰং যিমান পাইছিল, "বাহাদুৰ" আহিছে বুলিলেই নামৰ কালিকাতে চঁকো সিমান খাইছিল।


মৰিয়া দোপাট কানীয়া, অথচ উপার্জ্জনৰ পিনে ফুটা-কড়ি এটাও নাই। যিবা ডুডৰামান মাটি ৰোৱে, তাৰ ধানেৰে তিনি মাহো খাবলৈ নোজোৰে। ইপিনে আকৌ, মাহেকত পাঁচটকা-ছটকাকৈ কানি লাগে। সেই বাবে, এওঁ চুৰ-তাৰি কৰিয়েই চলে বুলি আটাইৰে পূৰা বিশ্বাস। বিশ্বাস হে, চোৰ বুলি, ন-দি কিন্তু কোনেও কব নোৱাৰে। কাৰণ, আঠৈকুৰি বছৰ পাৰ হৈ যোৱালৈকে তেওঁক কোনেও চুৰ কৰি ফাটেক খোৱা নেদেখিলে। চোৰ নহল কি হল, মৰিয়াৰ গতিগোত্রটি হলে, সাল্যাখ গভাইত চোৰৰ দৰেই। নিতৌ দেখিব, হাতত পোলাকটা জোঙা দা এখন, কাঁকত খুকুৰি এখন, সিন্ধি-খনা খন্তি এডাল আৰু গুপ্তী এখন লৈ, কুকুৰ-খোজ দি, মুনিচুনি বেলিকা ম বাহাদুৰ ক'ৰবালৈ



শিবকান্ত দুবৰা পৃঃ ৩৮



তুৰাৰাম দুবৰা পৃঃ ৮৫



কৃষ্ণপ্রসাদ কটকী পৃঃ ২৩৫



মৰিয়া বাহাদুৰ পৃঃ ১১

লৰিবই লাগিছে। বাহাদুৰৰ মৃৰত পাগুৰী, গাত (প্ৰায়েই) কাবুলীৰ-পৰা কালিয়নকৈ লোৱা ক'লা পার্টী-কোটচোলা এটা। গাটো উলাহি থকা, কঁকালটিও সৰু, মুখখন চুঁচিমৰা, থুঁতৰি আৰু ওঁঠ ডাঢ়িয়ে-গোঁফে ভোৱোকাৰ, মাতযাৰ ৰৰ টান— মাতিলেই টং-টং কৰে বাজি যায়, কানত কানি সঁজুলিৰ জোলোঙাটো আছেই।

হাতত এনেবোৰ "মাৰণাস্ত্ৰ" আৰু "বশীকৰণ-স্তম্ভন"ৰ আহিলা-পাতি লৈ, তেওঁ ধনবিত থকা মানুহ একোজনৰ ঘৰত ঘপহ কৰে খিত দিয়েই সাধেগৈ, "আজি পায়, ধুইপানী খাবলৈকে নাই; টেমাটো ধুই হে খাই আহিছোঁ। আছে যদি দেচোন, এটকামানৰ জোখাৰে।" সিজনে নাই-নুই কৰিলে কাউ-বাউকৈ কয়, "এমহামানৰ দামটোকে তেও জাৰি-জোকাৰি চাচোন।" গিৰিহঁতজনে নিদিওঁ-নথওঁ কৰা যেন দেখিলে ডঢ়ীয়া "বাহাদুৰে" মাতৰ লয় সলনি কৰি আলষণী লগাদি লাগিবলৈ ধৰে আৰু তেওঁৰ কথাৰ ৰেহৰূপ-ভাওভঙ্গী এনে ভাৱে সলনি হবলৈ ধৰে যে তেওঁক শুদা হাতে পঠিয়াব লাগিলে ৰাতিলৈ এগুণৰ ঠাইত চাৰিগুণ হানি হব পাৰে—এনেকুৱা আশঙ্কাই গিৰিহঁতজনৰ মনত ঠাই পায়। সেই গুণে, দিবৰ মন নেথাকিলেও থেঁৰোগেৰোকৈয়ে তেও এটাকামানকে আগবঢ়াই মৰিয়া-আলষণীৰ হাত সাৰে।

আটাইবে মৰিয়ালৈ ভয়—তেওঁক সন্তোষ নলগালে, জানোচা ৰাতি-বিয়লি তেওঁবিলাকৰ ঘৰখনকে লুলুংকুত্যং কৰেহি। "বাহাদুৰ" নামটোত এনেকৈ আশঙ্কাৰ ছেকা সনাটো ভাল কথা নহয় দেই! কিয় নো, নিশাচৰ হলেও, মৰিয়া বাহাদুৰে ওচৰচুবুৰীয়া চহকী-গাভী মানুহৰ ঘৰত কেতিয়াবা সিন্ধি দি, ভিতৰলৈ সোমাই ৰৰঘৰৰ বস্তুবোৰ ইতঃস্ততঃ কৰি, সিন্ধিৰ গাতেদি সৰকাই আনে নে নানে সেই কথাৰ ফুট আজিলৈকে, আমি নেদেখা অথচ, আমাক দেখিথকা জনৰ ৰাহিৰে আন কোনেও ধৰিব পৰা নাই; আন কি, চুৰ কৰি ফাটেক খাইছে বুলি চন্দ্ৰ সূৰ্য্যয়ো সাক্ষী দিব নোৱাৰে।

"শ্ৰীযুত বাহাদুৰে" ভোৱোকণি একোটা মাৰিয়েই কানিকণৰ খৰচটো উলিয়ায়। তাতে যদি মানুহে মায়া দেখে উপায় কি? ভাবুকিও যে নিদিয়ে, এনেও নহয়। পাৰিষদৰ লগত পৰি, নিলগীয়া গাঁৱত কাৰোবাৰ ঘৰত কেতিয়াবা সিদ্ধি-ৰখীয়া হয়গৈ বুলি কলে, সঁচা নহলেও সঁচাৰপৰা বহুত আঁতৰত থাকিব লগীয়া নহয়। কিন্তু, অনুচৰ পঠিয়াই, জকাইচুক পথাৰৰপৰা গৰুটো, এৰালতলী বা বৰ-চোমনিৰপৰা ম'হটো অনাই শিঙৰাজান বা দোপৰদ পথাৰৰ নলনি চুকত যে পলুৱাই থোৱায় সেইটো হলে জলজল্ পটপটকৈ মনেধৰা সত্য।

কাৰোবাৰ ঘৰত চোৰচাৰি সোমোৱা গম পালেই 'শ্ৰীযুত' গৈ ভটং কৰে সেইখিনি ওলাই 'মঙ্গল এখন চাওঁ' বুলি মাটিত আঁক দুটামান পাৰিবগৈ। তাৰ পিছত, মঙ্গল-চোৱাৰ মাননি বুলি তামোল-পাণ এটা, ছৰতীয়া (এক অনীয়া) এটা, নাইবা, আদমহীয়া এটাও খুজিব। গিৰিহঁতজনেও বৰ আস্তিকেৰে আগগুৰিকটা তামোল-পাণ এবটা, ছৰতীয়া বা আদমহীয়া এটাৰেসৈতে আগ বঢ়াই দিব। মঙ্গলৰ বস্তুকিটা যতাই লোৱা হলেই, 'বাহাদুৰে' এবেলি ওপৰলৈ চাই, আকৌ এবেলি তললৈ চাই, চকুমুদি গহীনাই মাত লগাব—"তোমালোকৰ মাল হেৰাব নোৱাৰে, ওলায় হে লাগে। পাছে, তোমালোকে এটা কাম কৰিবাঁ; হেৰিয়াক (তেওঁৰ অনুচৰ এজনৰ নাম কৈ) ৰূপ দুটকা দিবা। সিয়েই উহ উলিয়াই দিব।" তেওঁ কৈ দিয়া-মতেই চোৰাই মালৰ খোৰটো ওলায়, কিন্তু; মালৰ হলে ফুটফাট নোলায়। হেৰোৱা মালৰ আধা-আধি খৰচ কৰিলে, অৱশ্যে ওলায়গৈ। পুলিছক ভেঁটীভুটা দি, কাছাৰীলৈ গৈ হাইৰাণ হোৱাতকৈ মঙ্গলখন চোৱায়েই বস্তু উদ্ধাৰ কৰা ভাল বুলি তেওঁৰেই চেঁচনি-বুজনি দিয়ে আৰু সঁচাসঁচিকৈ হেৰোৱা মাল পোৱাত সহায়ো কৰে। গৰু-ম'হ হেৰালেও, সেইদৰে, এইজন মঙ্গলতিয়ে মাননি এফেৰা লৈ সিহঁতৰ উৱাদিহ উলিয়াই দিয়ে।

কাৰোবাৰ ঘৰত প্ৰসূতা, পেটকামুৰীয়া, পৰেপোৱা, বুঢ়াডাঙৰীয়াৰ দোষ লগা, গ্ৰহণী—এইবোৰৰ কিবা-কিবি এটা হোৱা গম পালেই

ম-বাহাদুৰ অশান্তি হোৱা মানুহ-ঘৰত অযাচিতে দেখা দিবগৈ আৰু তৎক্ষণাৎ জোলোঙাৰপৰা লাব্‌ভাব্‌ এসোপা উলিয়াই জাৰিফুঁকি তাকে "খুউৰাঁগৈ" বুলি এটাৰ হাতত দি দিব। আকৌ, অলপ চাই-চিতি ৰঙা-নীলা সূতাৰে ব'টীয়া এডাল বাটি, তন্ত্ৰ-মন্ত্ৰ এসোপা ফু-ফু-ফা-ফা কৰি বটিয়াডাল নৰিয়াৰ ডিঙিত আঁৰি দিবলৈ কব। সেই দৰবটো খুৱালেই বা ডোলডাল আঁৰি দিলেই মনৰ বলতে ৰোগীয়ে অলপ সকাহ পায়। তাতেই, মৰিয়া বাহাদুৰৰ বেজালিয়ে গুণ দিয়ে বুলি অঁজলা মানুহে বিশ্বাস কৰে। সেই হে, দেখিব-নোৱৰা একোজনেও, আপদত পৰি কেতিয়াবা মৰিয়াক তেওঁৰ ঘৰলৈ মাতি-বুলি নিব লগীয়া হয়।

হাতী-হিমেজুৰ হেনো আচৰিত মোহনী শক্তি! গাৱঁলীয়া ডেকা-গাভৰুৰ বিশ্বাস—তাৰে এৰতিমান তামোলৰ লগত খুৱালেই যেনে-কি দেখিব-নোৱৰা মতৰী গাভৰুজনী নহওক, ভালনোপোৱা পুৰুষক তাই ভাল পাবই পাব। বশীকৰণৰ নিমিত্তে হাতী-হিমেজুতকৈ হেনো ওপৰ দৰব একো নাই। এই বিশ্বাস পাবত-গজা নহয়—কৌটীকালৰ-পৰা চলি আহিছে। আমাৰ বাহাদুৰে হাতী-চিকাৰলৈ যোৱা মাউত-ফান্দীৰপৰা একোকণ হাতী-হিমজু ও আনি থয়।

প্ৰণয়ৰ ব্যৰ্থতাত পৰি জীৱনটোকে বিড়ম্বনা ভবা ডেকাৰো আকাল নাই। ম-বাহাদুৰে তেনেকুৱা হুমুনিয়াহ কঢ়া ডেকাৰ উহ লৈ ফুৰে আৰু এডেঙ-দুডেঙকৈ কাষ চাপি সিহঁতৰে কোনোটোহঁতক কয়গৈ, "হেৰ' বোপাই, কেলৈ হুমুনিয়াহ কাঢ়ি মৰিছ? কানীয়া-সেৱা এভাগলৈ আগ কৰচোন বাৰু, তাই ঘুৰ্ম্মুটি খাই পৰেহি নে নপৰেহি চা। আৰু, এইকণ হাতী-হিমেজুও দিলোঁ। সেৱাভাগ কৰি এঁতায়েই, তাইক কিবা-এটা-কৰি খুৱাই দিবিচোন—একেবেলিয়েই ঢলকুচিয়াই পৰিবহি নহয়। নপৰেহি যদি, মোৰ নামকে সলাবি।" এই বুলি, বাহাদুৰে বাৰে-ভচহু ওফাইডাং মৰা কথা কৈ হাতী-হিমেজু বুলি পাণ-কানিৰ টিকিৰা এটাকে দি, ডেকাটিৰ মন ভাল লগাই কানীয়া-সেৱালৈ বুলি দুটকামান ৰূপকে টপ্‌ কৰে সৰকাই লৈ যায়।

শ্ৰীম কেতিয়াও কাৰো ওচৰত সৰু নহয়। ডাঙোপ মানুহৰ কথা কব পাৰে যেনেকৈ, চহ-দি—চহ-দি মানুহৰ মন ভুলাবও পাৰে তেনেকৈ। লোকে দেখি আহক, মৰিয়াই শুনি আহক। তাকে মাথিমুথি ওফোন্দাই এনে ভাবে কব যেন ঘটনাটো তেওঁ স্বচক্ষেই দেখি হে আহিছে। এনেকুৱা ফাটিহামৰা কথাবোৰ শুনি মানুহে ভাবে—সঁচাকৈয়ে মৰিয়াৰ বৰ সাহ; হৰ্দ্দৰো চূড়ামণি। সেই গুণে, সকলোৱে তেওঁক বাহাদুৰ বুলিয়েই মাতে। বাহাদুৰৰ বাহাদুৰী দেখুৱালে আঢ়ৈ কুৰি বছৰ বয়সতো কেঁচেলুৱা বাঁৰী এজনীক বলাই-ঘটাই নি। "দুৰন্ত" বাহাদুৰৰ এই ঔপন্যাসিক জীৱন-ছোৱাৰ ঘটনা বৰ্ণাবলৈ হলে "সাধুকথাৰ কুকিৰ' ভিতৰত সুমুৱাব পৰা বুৰঞ্জীমূলক সাধু এটাই হবগৈ।

এইজন ফোপডাং, বৰ-কথকী, সকলোৰে "চোভা"ৰ ভিতৰত পৰা "চোৰ" বাহাদুৰক কানিখোৱা-বাবে এদিনো টান-কথা এষাৰ কবলৈ নহল। মোকোৱাৰ কাৰণটো বুজিবলৈ টান নহয়—দেখোতেই চিতল, পিঠিত কাঁইট। মোৰ কোমল মাতষাৰতে সন্তুষ্ট হৈ তেওঁ মোক ভালে-বেয়াই বহুত পৰামর্শ দিছিল। সেইবোৰৰে দুটামান '২১ চনৰ প্রচাৰ কার্য্যত মোৰ বৰ সহায় হৈছিল। মই বলাব নোৱৰা ন-চহকী, গণ্ডপী 'ডাঙৰীয়া' এজনৰ মুখৰ খাৰ কাঢ়ি 'বাহাদুৰে' মোক নথৈ উপকাৰ কৰিলে। সেইজন চহকী মানুহে য'তে-পায়-ত'তে গান্ধীৰ দুর্ণাম ৰটি ফুৰিছিল। কৈছিল বোলে, "গান্ধীয়ে জাতকুল মাৰি দেশখন একাকাৰ কৰিব। অনাচাৰেৰেই দেশ ভৰাই পেলাব। গান্ধী ভলণ্টিয়াৰবোৰ যে দেখিছা, ইহঁতে গুৰু-গোঁসাইৰ নাও নথয় আৰু দুদিনমান হলেই গৰু-ম'হৰ দৰে ইহঁতৰ প্রতাপত যোনীৰো বিচাৰ নেথাকিব।" বাহাদুৰে তেওঁক এদিন টানি কলেগৈ, "আপুনি কেলেই মিছাতে বেলবেলাই ফুৰিছে? বাইজ মৰিলে মৰিবলৈ দিছে, নমৰিলেও চকু মুদিবলৈ কৈছে। গান্ধী-ভলণ্টিয়াৰৰ বদনাম গাই মুফুৰিবচোন। সিহঁতো যেনে হে, আপোনাৰ বৰঘৰো কাহানিবা ফেনাফেন কৰে হে লাগে।" গপত গেলি থকা সেই পুৰুষজনে সেইদিনাৰপৰা আমাৰ বিৰুদ্ধে আৰু কাহ এটাও

নমৰা হল। বাহাদুৰৰ টালিভুলি (টালিবাজি নহয়) বোৰ মনত পৰিলেই ভাবোঁ—মৰিয়া বাহাদুৰৰ দৰে সিৰ-চাই-টোকৰ-মাৰিব পৰা ফোঁপযহী মানুহ এটা আৰু ক'ত ওলাব ? ওফাইডাঙলৈও হুঙতে, ঈশ্বৰে চাউল এমুঠি দিছে।

চেখ আবদুল

চেখ আবদুলৰ ঘৰ মৰাবজাৰৰ ধেনুচোঁচা গাৱঁত। চাৰিঙৰ ভঁড়ালী বৰুৱা (চলিহাৰ জনার্দ্দন ভঁড়ালী বৰুৱাৰ) পুখুৰী-পাৰত কাপোৰ-সিয়া কল এটা বহুৱাই হামচৈয়া গাওঁকিখনৰ চোলা-কাপোৰ সিছিল। আবদুলত বাজে আৰু আন দর্জ্জী নাছিল। সেই বাবে, বহুত দূৰৈৰপৰাও মানুহ আহি তেওঁৰ তাত কাপোৰ-কানি সিয়াই লৈছিল। দর্জ্জী-দোকান পতাৰ আগেয়ে তেওঁ কানি-দোকানো দিছিল। ম'ৰাবজাৰৰ মুছলমান-গাৱঁত যোৰহাটৰ মৌলৱী দেৰাজুদ্দিন আহমদ আৰু সাহিত্যিক মৌঃ পজিৰুদ্দিন আহমদে খিলাফটৰ কথা কৈ হে গৈছিল, কংগ্রেছৰ বা খিলাফটৰ একো কমিটী পাতিব পৰা নাছিল। শিৱসাগৰ-ধাইআলিৰ বিখ্যাত দেৰানৰ ঘৰৰ চৈয়দ মুহিবুল হুচেইনে ধর্ম্মযুদ্ধৰ (জেহাদ) নাম কৈ জনদিয়েক ডেকাক খিলাফটৰ সভ্য কৰে। আমি যদিও কৈ ফুৰিছিলোঁ, আমাৰ কথা সিবিলাকে ববকৈ নপতিয়াইছিল। দেৰান ছাহেবে কৈ যোৱাৰ পিছৰপৰাই ম'ৰাবজাৰ-মুছলমান-গাৱঁতো কংগ্রেছ খিলাফটৰ কমিটী এটা পতা হল।

ইপিনে, চাৰিঙত, দোকানলৈ অহা মানুহক আবদুল দর্জ্জীয়ে কথাৰ চলতে কংগ্রেছ, খিলাফট, মহাত্মা গান্ধী, মৌলানা মহম্মদ আলি, চৌকৎ আলি ভ্রাতৃদ্বয়ৰ কথা অ'ত-তত বা আৰ-তাৰ মুখে শুনামতেই কয় —অৰশ্যে অলপ নাল লগাই। লোকে দেখি অহা ঘটনাটোকে আবদুলে শুনিয়েই সজাই-পৰাই দেখি অহা যেনকৈ বর্ণাবই।

যেই-সেই নতুন কথা প্রচাৰ কৰাত দর্জ্জী, গাৰোৱান, ঘাটৈ, হাট-বেপাৰী, থিয়-পোহাৰী আৰু আজি-কালি ছৰ্কাৰী 'বাছ' চলাওঁ-

তাই যিমান সহায় কৰে আন কোনোৱেই কৰিব নোৱাৰে। সেই দিনত, ৰাতৰি-কাকত পঢ়া মানুহ চাৰিং-অঞ্চলত ক'ৰবাত-কেনেবাকৈ দুই-চাৰিজন হে আছিল। সিও আকৌ, পঢ়া-ৰাতৰি পঢ়োঁতাৰ অস্তুৰতে থাকে। সভা-সমিতিত দিয়া বক্তৃতাৰ ভকভকনি ঘৰ পাওঁতেই ৰাটতে নাইকিয়া হয়! কিন্তু, বজাৰ কৰোঁতাই বজাৰ-সমাৰ কৰিবলৈ যাওঁতে, হাটৰুৱাই হাটলে যাওঁতে, কানীয়াই কানি আনিবলৈ যাওঁতে-আহোঁতে যিবোৰ কথা কোৱাকুই কৰে সেইবোৰেই জুহাল-গুৰিৰ কানিখোলাত গুৰগুৰীয়া মেলত পৰিণত হয়। জুহালৰ গুৰিৰ মেলেই হে আচল মেল; সেই হে, কথাতে কয় বোলে, জুইশালত-গঢ়িলে হে কমাৰশালত গঢ়িব পাৰি।

দৰ্জ্জী-দোকানত কাপোৰ সিয়াবলৈ বা আন কিবাকিবি লামলাকটু বস্তু, নাইবা গেলামাল কিনিবলৈ অহা মানুহে ক'ত কি হৈছে, কোনে-কি-কৰিছে ইত্যাদি কথা কোৱাকুই কৰে। আবদুলে সেইবোৰ কথন-মথন তেৰ্ত্তিয়া আওকণীয়া ভাও জুৰি শুনি থাকে। সেই চাম মানুহ উঠি গলেই পিছৰ চামৰ আগত, শুনিযোৱা কথাবোৰকে নিজ-কাণে শুনা যেনকৈ ক'ব। বস্তু কিনাবোৰেও আকৌ তাতে অলপ ৰহন সানিব। এই দৰেই, সকলো কথা ৰৌজাল-বৌজাল হয়।

ম'ৰাবজাৰ মৌজাত আবদুলেই প্ৰথম খিলাফটৰ চেক্ৰেটৰী। খিলাফটৰ কামত তেওঁ কেতিয়াও বাহিৰলৈ ওলোৱা নাছিল। কিন্তু, জুম্মা বাৰৰ দিনা অৰ্থাৎ শুকুৰবাৰে ম'ৰাবজাৰৰ খেৰেৰেছোৱা মছিদ্ ঘৰটোত নমাজ পঢ়ি এতালেই তেওঁৰ মুখেই সকলোৱে খিলাফটৰ বা-বাতৰি শুনে। অৱশ্যে, ৰাতৰি-কাকতৰ ৰাতৰি পঢ়ি দেশৰ পৰিস্থিতি বুজাই দিয়াত আবদুল দৰ্জ্জীৰ গাটোৱে কেতিয়াবা মইও ছাঁ হৈ আছিলোঁ। সেইবাবেই আবদুলক পাহৰিব নোৱাৰোঁ।

অসহযোগ আন্দোলন মাৰ যোৱাৰ লগে-লগে আবদুলে ভঁড়ালী-বৰুৱা পুখুৰীপাৰৰপৰা দোকানখন তুলি নি দেওৰজা মৈদামৰ ওচৰত নিজা ঘৰত বহুৱালেগৈ। তাতো তেওঁ কংগ্ৰেছ-ভলণ্টিয়াৰক শুশ্ৰূষা কৰি বৰ ৰং পাইছিল। কেবাটিও উদ্যোগী কৰ্ম্মী পুতেকৰ হাতত

সংসাৰৰ বোজা গতাই দি, বুঢ়া হৈয়ে চেখ আবদুলে ভৱ সংসাৰপৰা বিদায় ললে।

ধৰ্ম্মপৰায়ণ ব্ৰাহ্মণক, সেই কালত হিন্দু সমাজে যেনেকৈ সম্মান কৰিছিল, ইছ্‌লাম ধৰ্ম্মত ইমান্ ৰাখোঁতা চেখ আবদুলেও মোক তেনেকৈ আদৰ-আশ্বাস কৰিছিল। তেওঁৰ ঘৰলৈ গলে, চকী এখনতে গড়লা বা তলিছা এখন পাৰি দিব আৰু ঘৈণীয়েকে বৰ মেলাহি বটা এটাত তামোল-পাণ এবটা আগবঢ়াই দিব। আনবিলাক ক্ষিকতাৰ দৰে আবদুলৰ ভাৰ্য্যা গৰাকীয়েও মুগাৰ ৰিহা-মেখেলা পিন্ধি গাত খনিয়া কাপোৰ মেৰাই লৈছিল—উকা বা ৰংচঙীয়া একো এবিধৰ শাৰীয়েই আবদুলৰ ঘৰত ঠাই পোৱা নাছিল।

সেই গাৱঁতে চেখ ইৰাণ আলি নামে এজন পুৰণি দোকানী আছিল। তেওঁৰ ঘৈণীয়েক আছিল দুজনী। বৰ-জনীয়ে বৰ মিহিকৈ মুগা সূতা কাটিব আৰু পানীনসৰকাকৈ কাপোৰ ব'ব পাৰিছিল আৰু তেওঁ মুগাৰ ৰিহা-মেখেলা বৈ, বেচি, অসমীয়া নিজা খাদৰ-ৰূপে গাৱেঁ-ভূঞে প্ৰচাৰ কৰিছিল। মই "বামুণ" হৈ "গৰীয়া" আবদুলৰ ঘৰৰ ভিতৰত বহি বিয়নী-মেল মাৰি কথা পতাটোৱেই আছিল জনদিয়েক ৰক্ষণশীল মুখিয়ালৰ মোক বিকৃত সমালোচনাৰে আক্ৰমণ কৰা ঘাই চেকনী। সেই সমালোচনাৰ প্ৰতিক্ৰিয়া এইটোৱেই হলগৈ যে তেতিয়াৰপৰাই অসমীয়া মানুহৰ ভিতৰত থকা হিন্দু-মুছলমানৰ ফাটটো নো ক'ত, কেতিয়া, কেনেকৈ ওলাবলৈ পালে, তাৰ সন্ধেদ বা উঁহ বিচাৰিবলৈ উদগনি পালোঁ। গতিকে, সমাজ-সেৱাত এফালে মই যেনেকৈ বাধা পাইছিলোঁ। আনফালে তেনেকৈ সেই বাধায়েই মোক দুগুণ উৎসাহিত কৰিছিল।

চেখ বাপজান আলি

এদিন আবদুলে-ময়ে গৈছোঁ।—ম'ৰাবজাৰ-মছিদৰপৰা উজাই চেউনি-আলিয়েদি চামগুৰি চাৰিআলিৰ ফালে, এনেতে, ম'ৰাপুখুৰীৰ ওচৰতে,

আলিটোৰ দক্ষিণে মানুহ এজনে জাত লগাই গীত এটি গাই থকা শুনিলোঁ। অলপ থমকি বৈ সুধিলোঁ, "সেয়া কি নাম গাইছে?" এজনে ক'লে, "আজান ফকিৰৰ জিকিৰ।" যাৰ ঘৰত জিকিৰ গাইছিল, তেওঁ এজন ইশ্লাম ধৰ্ম্মত 'ইমান্' থকা অকৃত্রিম অসমীয়া মুছলমান। নাম বাপজান আলি। তেওঁ বহুত দিন শিৱসাগৰৰ গঙ্গাগোবিন্দ ফুকন ছাহাবৰ তলত থাকি ঠিকা-কাম কৰিছিল। এইজন মানুহৰ জাতীয় অসমীয়া-প্রেমটো দেখি আচৰিত মানিছিলো। তেওঁ হেনো জীৱনত পায়জামা পিন্ধি নেপালে! লুঙ্গী যে স্বপ্নৰ অগোচৰ! সেইবোৰ বস্তুক তেওঁৰ দিনত অনা-অসমীয়া বা বঙালৰ বস্তু বুলি ঘিণ কৰা হৈছিল। বঙালী দেৱান-মৌলৱী আহিবৰপৰা হে বোলে ম'ৰাবজাৰত আচকন্, পায়জামা আৰু ফেজটুপী ওলাবলৈ ধৰিলে।

তেওঁৰ মুখতেই আজান ফকীৰৰ কথা পোনেই শুনো। জিকিৰ গীতবিলাক অসমীয়া সাহিত্যৰ এপদ জাতীয় অলঙ্কাৰ। গীত শুনি, মই-আৰু চাৰিআলিলৈ যাবলৈ নহল। তাতে বহি, সেই "দুৰন্ত" অসমীয়া-প্রেমিক বাপজান আলিৰ হুতুৰাই এই গীতটোৰ কেইফাঁকিমান লেখোৱাই ললোঁ। গীতটো খণ্ডাছিগা। তথাপি, কেতিয়াবাকৈ সম্পূর্ণ কৰিব পৰা হব বুলি গীত কেফাঁকি মোৰ "টোকোৰা বাহৰ" বহীত টুকি থলোঁ। (সেই সময়ত ভাল কথা পালে টুকি থবলৈ ন'টবুক এটি লৈছিলোঁ; তাৰে নাম দিছিলোঁ "টোকোৰা বাহ")। চাৰি-আলি, বলিয়াঘাট, জেঙ্গনীকটীয়া, কোঞৰপুৰ—এইবোৰ ঠাইত পতা কংগ্রেছ-খিলাফটৰ সভাত সেই গীত পঢ়ি শুনাই ইশ্লামপ্রাণ বাইজৰ মন ৰাজনৈতিক ঢাললৈ বগৰাই আনিছিলোঁ। কোঞৰপুৰৰ ৺ত্রাহি-ৰাম বৈৰাগী ডাঙৰীয়াই সেই জিকিৰৰ কথা উল্লেখ কৰি এখন সভাত মন্তব্য কৰিছিল "জিকিৰ শুনিলে, হিন্দু-মুছলমান দুটা বুলি কবই নোৱাৰি।"

মই টুকি থোৱা ভাগেই গীত কেঁকাকি ইয়াত তুলি দিলোঁ :—

"আজানে উজালে, নবী ভটীয়ালে
স'ৰাগুৰিত পাতিলে মঠ,
ছকুৰি ফকীৰে লয় **গুৰুৰ** নাম
মাদুৰি বনৰে কঠ।

ওজা হৈ মেলিলে **বহুৰী** শেনকে
আকাশৰ কুৱৰা ধৰে
আকাশৰ **কুৱৰা** মৎস্যক ধৰি খালে
অমৃত সাগৰৰ মাজে।

অমৃত সাগৰত পদ্মফুল ফুলিছে
ভোমোৰাই চুহিলে ৰস
ফুল চুমি ভোমোৰা **ঐৰাৰত কৰিলে**
পালেগৈ পঁছিমৰ ৰাজ।

পছিমৰ ৰাজৰে মাণিকৰ দোকানী
মূলেদি বেহাওঁতা নাই
দোকানীক চিনিবা পোহাৰীক চিনিবা
চিনিবা **আৱৰৰ** বাট
বাছেকিবনীয়া মাণিকক বেহাবা
সাৰিবা সংসাৰৰ হাট।

দ কৈ পুখুৰী আদমে খনালে
সৰিয়হ ন'গলে তল
গুৰুকৈ গোসাঞে সাধু মহাজনে
খাই গল পুখুৰীৰ জল।

কলিমা-কলিমা এটি কলিমা
চৰাই হৈ ফুৰিছে উৰি
সত্য গুৰুৱে কবলৈ ধৰিলে
কলিমা জিজিৰৰ গুৰি।

আইনো আয়ে বুলি মই পুতে মাতিলোঁ।
আইনো বুলিলে পুত
শাহৰ মোকামত উকমি লাগিলে
ছিগিল কামনাৰ সূত।"
"জহাই, জপৰা, লঠাই, কপাই
এই তিনি চাৰি গৰীয়াৰ খোদাই।"

বাপজান আলি হেনো সেই জহাইৰে সন্ততি।

বহমৎ ববা

পীৰাকটাৰ জেহনুৰ মৰীয়াই মোক ভালেমান ফাৰ্চীৰ কলেমা বা শ্লোক শিকাইছিল। তাৰে এটা, প্ৰায়েই. দহজনমান ইশ্লাম ধৰ্ম্মাৱলম্বী লোক গোট খালেই পঢ়ি শুনাওঁ। তেওঁবিলাকৰ মুখৰপৰা আৰু কিছুমান নীতিশ্লোক শুনিছিলোঁ। সেইবোৰ শ্লোক নুবুলি বৰাগী কবিতা বুলিলে হে শুৱাব। শুনামতে, তাৰে এটা কবিতা আছিল ঃ—

"কোদেৰা কোদৰৎ তু দাৰী, হৰ চে খাহী আঁ কুনী,
মোদ্দামা জান্ তু বখ্ছী জেন্দারা ৰেজা কুনী
গাহ গা দাৰা মূলক বখছী গাহ গাদাৰা চু গাদা
আজ বৰায়ে নিমনানে দৰবদৰ হঁম বা কুনী।

ইয়াৰ অর্থটো এইদৰে বুজাইছিল ঃ—"হ ক্ষমতাবান্! তোমাৰ অসীম ক্ষমতা ; তুমি যিহকে ইচ্ছা কৰা, তাকে কৰিব পাৰা ; পথৰ ভিক্ষাৰীক ৰজা আৰু ৰজাক ভিক্ষাৰী কৰিব পাৰা। ৰজাৰ যেতিয়া তেনে অৱস্থা হয়, ৰজায়ো তেতিয়া দুৱাৰে-দুৱাৰে ৰুটী মাগিব লগীয়া হয়। হাফিজ নে চাদী কোনোবা এজন কবিয়ে বোলে এই গীতি কবিতাটি ৰচনা কৰিছিল। গীতটো গোৱালে বা গালে প্ৰকৃত ইশ্লাম ধৰ্ম্মীসকলে কাণসৰালি মাৰি শুনি থাকে। ব্যাখ্যা কৰোঁতে কওঁ— ধৰ্ম্মত মতি নহলে, ৰজা-পাট্শ্যাহো বাটৰ মগনিয়াৰ হয়। পৰমেশ্বৰক মানি কাম কৰিলে বাটৰ ভিকহুও ৰজা-পাটশ্যাহ হব পাৰে। মুঠকথা,

আমি অনীতি-অনিয়ম কৰা দেখিলে, আমাক দণ্ড দিব পৰা সকলোৰে এজন বিচাৰক আছে। তেওঁৰ আদেশ বা ইঙ্গিতত চলাটোৱেই আমাৰ প্ৰধান কৰ্ত্তব্য। তেওঁৰ ওচৰত হিন্দু-মুছলমান, বামুণ-শূদিৰ—এইবোৰৰ বাছবিচাৰ নাই। আমাৰ ভিতৰত কেতিয়াবা-কেতিয়াবা সঙ্কীৰ্ণ মনোভাব একোটাই উক দিয়ে। সেইবোৰৰ মলি গুচাব লাগিব। গুচাই, পৰম পবিত্ৰ হই নায়কৰ ওচৰ চাপিব লাগিব। তাকে কৰিবলৈ মহাত্মা গান্ধীয়ে উলিয়াই দিয়া অসহযোগৰ সাঁকোডালেদি বগাই যাব লাগিব। বলিয়াঘাট আৰু ম'ৰাবজাৰৰ মছিদ-ঘৰত বহি এই গীতি কবিতাৰ অৰ্থ বুজাই এই দৰেই স্বাধীনতাৰ মৰ্ম্ম বুজাবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু, স্বীকাৰ নকৰি নোৱাৰোঁ যে সেই সময়ত আমাৰ বক্তৃতাই মছিদ্‌যাত্ৰীৰ কোনো এজনৰ অন্তৰতো স্বাধীনতাৰ জুইকুৰা উমাই-উমাই জলিব পৰাও কৰিব নোৱাৰিলে। অৱশ্যে, শলগা আৰু উচটোৱাত বহুত সমজুৱাই আমাক চেৰ পেলাইছিল। আমগুৰি হাটলৈ যোৱা-বাটতে নগা-আলিৰ ওপৰতে ম'ৰাবজাৰৰ মছিদটো। সেই মছিদৰ কথাকে বলিয়াঘাটৰ বেঙেনাবেপাৰী-বিলাকে নাজিৰা-ৰাজমাই-আমগুৰি হাটলৈ অহাযোৱা কৰোঁতে কোৱা-মেলা কৰি যোৱাত আন্দোলনটোৱে একপ্ৰকাৰ গৌণ সহায় পাইছিল।

[৭]

অসহযোগৰ শেষ সভা

ডিম্বেশ্বৰ শৰ্ম্মা ৰাজগুৰু

এই দৰে হোজা-পণ্ডিত, চহকী-দুখীয়া, সন্ত-সাধু, ধূর্ত্ত-হৰ্দ্দ সকলোৰে আশীৰ্ব্বাদ-সহযোগ শিৰত লৈ আমি য'তে-ত'তে নিৰ্ব্বিবাদে অসহযোগৰ সভাসমিতি পাতিব পৰা হলোঁহঁক। আমাৰ পাছত আমগুৰি-থানাৰ পুলিছ লাগিয়েই থাকে ; অহুকাণে-পহুকাণে শুনিয়েই আমাৰ ফুৰাচকা, কোৱা-মেলা-সম্পৰ্কে পুলিছে মহকুমাধিপতিক সম্ভেদ দিয়ে। তেওঁবিলাকে চালনীৰে চালি, কূলাৰে জাৰি পঠিওৱাৰ পাছতো যদি দুটি-এটি খৰচীয়া খবৰ থাকি যায়, তাকো বিতংকৈ লেখি পঠিয়ায় স্থানীয় মৌজাদাৰে। ম'ৰাবজাৰ মৌজাৰ মৌজাদাৰ আছিল ৺মুক্তানাথ গোহাঁই ডাঙৰীয়া আৰু তেখেতৰ মহৰী বা কাকতীয়াৰ আছিল নীলনাথ শৰ্ম্মা ৰাজগুৰু। গোহাঁইদেৰে সেই ৰিপৰ্ট দিয়া অপ্ৰিয় কামটো নিজে নকৰি মহৰী নীল শৰ্ম্মাৰ হতুৱাই কৰোৱাইছিল। (তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে কাম কৰিব লগীয়া হোৱাত ৰাজগুৰুৰে পাছত মহৰী কামকে ইস্তফা দিলে।) মহৰীৰ আপোন-ভতিজাক ডিম্বেশ্বৰে গাৰেঁ-গাৰেঁ দিনে-নিশাই গান্ধীৰ নাম চিঞৰি ফুৰে। সেই বাবে ৰৰদেউতাকে ভতিজাকক চকু পাৰিয়েই দেখিব নোৱাৰে। ডিম্বেশ্বৰে শত্ৰুমিত্ৰ সকলোৰে মাজত পিটপিটাই-পিটপিটাই অসহযোগৰ ৰৰটি মেলি ফুৰে আৰু সপ্তাহত এদিনকৈ চমাৰগাওঁ-ইস্কুলৰ ওচৰৰ ন-পুখুৰীপাৰতে ভলণ্টিয়াৰবিলাকক চাপ খুৱায়। তাতে, কোনে কোন গাৱঁত কি কাম কৰিলে, কিমান কানীয়াৰ কানি-টেমা অনা হল, কিমানৰ ঘৰত সূতা কাটিবলৈ লোৱা হৈছে, কোন-কোন ছৰ্কাৰৰ ফলীয়া আৰু কোন-কোন কংগ্ৰেছৰ ফলীয়া—ইত্যাদি খবৰৰ সবিশেষ বিৱৰণ লৈ, পিছৰ খাপত কি উপায় কৰা হব তাৰ মীমাংসা কৰে।

মৌজাদাৰৰ টেকেলাই ৰৰকৈ আমাৰ পাছ-লোৱা দেখি ডিম্বেশ্বৰে উচ্চৈস্বৰে সিহঁতক গুৱাৰগালি পাৰিবলৈ ধৰিলে। তেওঁৰ মাতটো আছিল টিংটিঙীয়া ; কথা কবলৈ চালে কাৰো মুখলৈ নেচায়—তেনেই কাতিমহীয়া কলাখাৰ—কংগ্রেছ-নমনা আৰু কংগ্রেছৰ কামত বিঘিনি ঘটোৱাবোৰক চোকা কথা কৈ কুকুৰে-কাঁইট-নোখোৱা কৰে। ডেকা মানুহ, তাতে বামুণৰ লৰা, খংটো সদায় টিকনিৰ আগতে থাকে। কোনোবাই টান কথা এষাৰ কলেই, তেওঁ দুষাৰ টান কথাৰে চুঙা-চাই-সোপা এটা দি হে এৰিব। ১৮৩৩ শকৰ মাঘ-বিহু। গাৰেঁ-গাৰেঁ খোলা চিকণাই ভোজ-ভাত খাবলৈ মানুহে কাৰবাৰ কৰিছে ; বিহু-দিনা মে-জি পুৰিবলৈ কাঠ-বাঁহ ফলাই ফালিছে, থাক পতাই থাক পাতিছে। ডেকাডুমা গোটখোৱাৰ ছেদভেদ নাই। ডিম্বেশ্বৰে প্রত্যেকখন মে-জি-তলীলৈকে গৈ ৰাইজক বধশপত দি কৈ আহিলগৈ বোলে, "এইবেলি কোনেও খাজনা নিদিবাহঁক।" ন-পুখুৰীত হোৱা মিটিঙতো ডিম্বেশ্বৰে সেইদৰে সকলোকে শুনালে, "ৰাইজ, এইবাৰ কোনেও খাজনা নিদিব।"

"সেৱকে যদি কৰে অপকাৰ, স্বামীক পাৱে অপযশ তাৰ।" এৰাখাঁতীয়ে খালে টোপ, নেঘেৰীৰ গাত লাগিল খোপ। ডিম্বেশ্বৰে হাক দিলে খাজনা নিদিবা বুলি আৰু জগৰ লাগিল মোৰ গাত। অৱশ্যে, আমাৰ কার্য্যসূচীত খাজনা বন্ধকৰা-আন্দোলন চলোৱাৰ কথা আছিল, কিন্তু তেতিয়া নহয়। কংগ্রেছ-কর্ত্তৃপক্ষৰ নির্দ্দেশ পাবলৈ বাট চাই আছিলোঁ। ডিম্বেশ্বৰে আবেগ-উত্তেজনা দমাব নোৱাৰি, আগবতৰতে আমাৰ গুপ্ত অভিসন্ধিটোৰ ভেদ ভাঙি দিলে আৰু সিপিনে ছৰ্কাৰৰ চাউল-খোৱাসকলে আমাৰ আন্দোলনটোৰ আয়ুস চমু চপাই আনিবলৈ বঢ়িয়া চল পালে। মৌজাদাৰৰ ৰিপৰ্টত উঠিলগৈ, "বেণু শর্ম্মাই গাৰেঁ-গাৰেঁ সভা পাতি, ঘৰে-ঘৰে গৈ ৰায়তক খাজনা দিবলৈ হাক দি ফুৰিছে। অলপতে, ন পুখুৰীপাৰৰ ৰাজহুৱা সভাত তেওঁ প্রকাশ্যে সেই বিদ্রোহী কথা ঘোষণা কৰিছে। মধুৰাম কোৰঁৰ

আদি সাক্ষী আছে। বেণু শৰ্ম্মাৰ কথা মতেই ৰাইজ চলে। তেওঁ এনেকৈ হাক দি ফুৰিলে আমি খাজনা তুলিব নোৱাৰোঁ।" এই ৰিপৰ্ট পঠিওৱা গম পাই আমিও বুজিলোঁ—আমাৰ আৰু সৰহ দিন নাই, ছৰ্কাৰৰ বগাঘৰ "শ্ৰীক্ষেত্ৰলৈ" যাবৰ সময় পালেহি।

গ্ৰেপ্তাৰ কৰাৰ উৰুকাত

মৌজাদাৰী ৰিপৰ্টৰ প্ৰতিক্ৰিয়া

"এনেও কাণী, তেনেও কাণী
ভালকৈ দিওঁ শাকত পানী"

বুলি, মৌজাদাৰী ৰিপৰ্ট যাবৰপৰা আমি ঘৰে-ঘৰে, আন কি, দুখনমান সভাতো, 'খাজনা নিদিবা' বুলি কৈ ফুৰিবলৈকে ধৰিলোঁ। ডিম্বেশ্বৰে যে ওৰবাটে চিঞৰিয়েই ফুৰিছিল "খাজনা নিদিবাইঁক ঐ, ৰাইজ খাজনা নিদিবা।" শ্ৰীযুত দুৰ্গানন্দ কাকতীৰদ্বাৰাই পৰিচালিত জৰাবাৰী কংগ্ৰেছেসৈতে আমাৰ লিষ্টিত ২৫০ জন ভলণ্টিয়াৰ আছিল। ১০ জন, ১০ জনকৈ একোটা গোট কৰি, গোটটোৱেপতি কামৰ ভাগ আৰু গাৱঁৰ ভাগ বঁটাই দিলোঁ।

আফিছত থকা গোটটোৱে শিৱসাগৰ-কংগ্ৰেছৰপৰা প্ৰকাশিত "স্বদেশখন" পঢ়ি শুনাই বিলাই দিয়ে আৰু পুলিছে দৌৰাত্ম্য বা অতপালি কৰিলে নীৰৱে সহ্য কৰি থাকিবলৈ বুজনি দিয়ে। ঘৰে-ঘৰে কপাহৰ খেতি কৰি, তাৰ কপাহেৰেই সূটা কাটি লবলৈ ডঢাই-ডঢ়াই কয়; খাজনা দিব নোৱাৰিলে বা নিদিলে কাৰোবাৰ যদি মাটি-বাৰী লীলাম হয় তাকো ডাকিবলৈ হাক দিয়ে। গৰখীয়াশালি, ম'হখুটি, মুগা-চোং, জলয়া-পলয়াৰ জুম, গৌৰীসাগৰ-আমগুৰি-দীকছৌ-হাট—এইবোৰত ভাগে-ভাগে ভলণ্টিয়াৰ সোমাই খাজনা-নিদিয়া-আন্দোলন চলাবলৈ ধৰিলে। দিন-ৰাতি খতি-খণ নোহোৱাকৈ এইবোৰ গাৱঁৰ নামঘৰে-নামঘৰে সভা বহিবলৈ ধৰিলে—নামদাং-কৈৰৰ্ত্তগাওঁ, কুমাৰগাওঁ,

বেজগাওঁ, পেপেলাডুবি, সোণতলীছিগা, ন-খনা, শিঙ্গীবিল, নাম্‌তিয়াল, দুৱৰা-কাকতী, ন-পাম খনিকৰ, খামোন-বাকৰতি, খামোন-লাক্‌লেঙ্গীয়া, পুৱণিমেলীয়া, মাজুমেলীয়া, ঢেঁকীয়াল-চাওডাং, জৰাবাৰী, ম'ৰাপুখুৰী, ভূঞাগাওঁ, চাৰিঙ্গীয়া খনিকৰ, ধুনীয়াগাওঁ, জেহেঙ্গীয়া, মানতনীয়া, গধূলি-ৰজাৰ-হাতীমুৰীয়া, ৰতনপুৰীয়া, টেপৰ, তেলীয়াল, ম'হছাল, চেতীয়া, চাৰিঙ্গীয়া, গড়কাষৰীয়া, লেবাক, চলিহা, চাৰিঙ্গীয়া কাটনী, আৰু অগ্নিৱৰ খনিকৰ। এমাহৰ আগত, যিবিলাকে গান্ধী-কংগ্রেছ-অসহযোগ—ইয়াৰ যেই-সেই এটাৰ বিৰুদ্ধেও আখটি জুৰিছিল, সেইবিলাকো এতিয়া বাইজৰ লগত চকুমুদি থকা হল। আন্দোলনৰ বা-মাৰলীয়ে সকলোৰে মন স্বৰাজৰ ফালে পাক খুৱাই আনিলে। দুৰ্গানন্দৰ গাত যিটো কামৰ ভাৰ পৰিছিল, সেইটো ৰজাদিনীয়া 'মজিন্দাৰ' বিষয়ৰ লগত হে খাপ খাইছিল। সেৱকদলৰ কোনে ক'ত কি কাম কৰিলে, কোন সেৱকক কোন গাৱঁত দিব লাগিব ইত্যাদি কামৰ 'ডায়েৰী' ৰখা আৰু নির্দ্দেশ দিয়া 'বিষয়খন খাইছিল' দুৰ্গানন্দ কাকতীয়ে।

মোক গ্রেপ্তাৰ কৰা বাতৰিটো ঘুনুক-ঘানাককৈ ওলালতে, মুক্তানাথ গোহাঁই মৌজাদাৰ ডাঙৰীয়াৰ আফিছ-ঘৰৰ সমুখতে চাৰিঙ্গীয়া পথাৰত, শ্রীযুত পীতাম্বৰ হাজৰীকাৰ ঘৰৰ পাছফালে, বৰ ডাঙৰ সভা বহিল। নগাআলিৰপৰা দুই ফার্লংমান পছিমলৈকে চাৰিউপিনে মানুহৰ মুৰে ঠাহ খাই আছিল। ৰাইজৰপৰা বিদায় লওঁতে, শত্রুৱে যেন আমাৰ ৰৰঘৰ ভেদ কৰিব নোৱাৰে তাৰ নিমিত্তে সভাস্থ ৰাইজক সতর্ক হৈ থাকিবলৈ ক'লোঁ। আমাৰ মাৰ ভাঙিবলৈ আমাৰ ভিতৰত থকা বিভীষণেই বহুত চেষ্টা কৰিব। সেইবোৰ মানুহক যেন একোটা একোটা চিন দি থয়। কংগ্রেছত নেলাগে, বা, লাগিব নোৱাৰে, দেখিবলৈ ভাল। কিন্তু আমাৰ লগতে থাকি যি বিশ্বাসঘাতী হৈ বুকুত কামোৰ মাৰে, তাক যেন ৰাইজে কেতিয়াও ক্ষমা নকৰে। বক্তৃতা অলপ দীঘল হৈছিল—তথাপি সকলোৱে নিটাল মাৰি শুনি আছিল। মোৰ ঠাইত শ্রীযুত লোকনাথ কাকতী মেনেজৰ ডাঙৰীয়াক চাৰিং-কংগ্রেছৰ

চেক্রেটৰী মনোনীত কৰা হল। আৰু, তেতিয়াই তেখেতৰ ডিঙিত ফুলৰ মালা এধাৰি পিন্ধাই ৰাইজে সেই মনোনয়ন সমর্থন কৰিলে।

ম'ৰাবজাৰ মৌজাৰ মৌজাদাৰৰ কর্ম্মচাৰী, কাকতীগাওঁ-পঞ্চায়তৰ সভ্য এজন, আমগুৰি পুলিছ আৰু আমগুৰি চাহবাগিছাৰ প্রধান মেনেজৰ কর্ণেল চি. চিম্প্‌কিন্‌ছ ছাহাবে আমাৰ প্রচাৰ কার্য্য আৰু সঙ্ঘৱদ্ধতাত পাৰেমানে বিধি-পথালি দিছিল।*

আমগুৰিত বিৰাট-সভা

১৯২২ চনৰ ২৬ জানুৱাৰী বৃহস্পতিবাৰে আমগুৰি-থানাৰ ভাৰপ্রাপ্ত কর্ম্মচাৰীজনে বগা ঘোঁৰা এটাৰ ওপৰত উঠি, চিপাহী দুটামানেৰে, মোক চাবিওৰ ঘৰতে গ্রেপ্তাৰ কৰিবলৈ আহে। গ্রেপ্তাৰৰ সঠিক বাতৰি শুনি, কেউফালৰপৰা অফলা ভাগি মানুহ আহি আমাৰ গাওঁ পালেহি। ৰাইজৰ মন খঙে-বিষে ইমান জর্জ্জৰিত হৈ আছিল যে চাৰিঙ্গীয়া গাৰঁৰ মইনা কলিতা হাজৰীকাই আৰোহীয়েসৈতে সেই বগা ঘোঁৰাটো মৰিয়াই-খটিয়াই, গতিয়াই-ভুকুৰাই নি নগাআলিৰ খাৰৈত পেলাই দিছিলগৈ। চি ফৌ খন্থৰাৰ দুৰাৰ মুখতেই এইখন নিৰস্ত্র যুদ্ধ লাগিছিল। খঙৰ ভমকত, ৰাইজে ডাৰোগা-চিপাহী মাৰি গুৰি কৰিবলৈ ওলাইছিল। মানুহৰ ভিৰ আৰু তমোময় মূর্ত্তি দেখি, ভয়তে মোক ধৰি নিনি চক্রান্ত

---

* ছাহাবৰ দৃষ্টি আছিল আইনভঙ্গ-মনোভাৱৰপৰা মানুহৰ মন বিৰত কৰা আৰু ইবিলাকৰ আছিল পেটৰ দায়ত পৰি ছৰ্কাৰী আদেশ পালন কৰা। চিম্পকিন্‌ছে কংগ্রেছৰ কার্য্যতহে মহৰী-কেৰেণী লগাই বাধা দিছিল, দুখীয়া অসমীয়া লৰা কেবাটাকো কিন্তু, পঢ়ুৱাই শুনোৱাই ডাঙৰ মানুহ কৰিছিল। আমগুৰি চাহ কোম্পানীটো প্রতিষ্ঠা কৰে চাৰ জেমচ্‌ বকিংহামে। অসমীয়া ভাষা আৰু মানুহৰ প্রতি তেওঁৰ বিশেষ অনুৰাগ আছিল। তেওঁৰে উত্তৰাধিকাৰী চিম্পকিন্‌ছেও সেই ঐতিহ্য ৰক্ষা কৰি. গান্ধীবাদী মোকো পুৰণি পুথি ৰনদিয়েক সংগ্রহ কৰি দিছিল। এইবিলাক দিহা-বুধি দিয়াৰ গুৰিতে আছিল ৺ভোলানাথ গোহাঁই ৰৰকেৰেণী ডাঙৰীয়া।

কৰি পুলিছে জামিনত এৰি যাবলৈ ঠিক কৰিলে। জামিন হবলৈ কোনো নোলালত, জামিনৰ নামটো কৰি জামিন-নামাত খিলাফটৰ ছেক্রেটৰী ছেখ আবদুল্লৰ চহীটো ললে আৰু মোক ৩০ জানুৱাৰীৰ দিনা শিৱসাগৰ কাছাৰীত হাজিৰ হবলৈ কৈ গল।

২৭ জানুৱাৰী, শুকুৰবাৰৰ দিনা, আমগুৰি-থানাৰ ওচৰতে ৺কৃষ্ণনাথ শর্ম্মা ৺শ্রীনাথ কাকতী, শ্রীযুত মুকুতা বৰুৱা (বাহাদুৰ), সোণটি ভূঞা, শ্রীযুত দুর্গানাথ ফুকনকে প্রমুখ্য কৰি সেই অঞ্চলৰ সকলো মুখিয়াল লোক গোট খাই দুদিনীয়াকৈ বৰ ভাৱনা এটি পাতিছিল। ভাৱনাটোৰ নাম আছিল "বাৰণ-বধ"। স্বেচ্ছাসেৱকসমূহৰ প্ৰৱল প্রভাৱত সেই ভাৱনাৰ ৰভাতলখন একপ্রকাৰ কংগ্রেছ-মণ্ডপতে পৰিণত হৈছিল।

ভাৱনা চাবলৈ টীয়ক, বামুণৰ পুখুৰী, তামূলীছিগা, খনামুখ, নৰাগাওঁ, নামতি, দেওপানী, ভঁৰলুৱা, অইন কি, দেওঘৰৰপৰাও মানুহ আহিছিল। চাৰিওত চাৰিং-ফৌজৰ গান্ধী-জয়ে ঘেনেকৈ আকাশ-পাতাল খলক লগাইছিল, শ্রীযুত বামেশ্বৰ ভট্টাচার্য্যৰ নেতৃত্বত গঠিত হোৱা বামুণ-পুখুৰীৰ সেৱকসকলৰ কোলাহলতো সেই অঞ্চলটো তেনেকৈ তল-ওপৰ লাগি আছিল।* সেইদিনা আমগুৰিত মহা-মহোৎসৱ। সন্ধিয়া লগাৰেপৰা জুমে-জুমে ভাওচোৱা মানুহ আৰু ভলণ্টিয়াৰৰ সমাগম—যেন চক্রধ্বজ সিংহই ৰঙাল মাৰিবলৈ যোৱা অসমীয়া ৰণুৱাৰ দলদোপ-হেন্দোলদোপৰ হে পুনৰ অভিনয় হৈছে! মানুহৰ নিদানে বিৰ দিও বাট পাবলৈ নাই; গান্ধী-মহাত্মা, মহম্মদ আলি-ছৌকৎ আলিৰ জয়ধ্বনিয়ে যেন তৰল মাটি ওপৰ কৰিছে। সোমবৰ কাপ্টান আছেই। তাৰ কাণ-তালমৰা-চিঞৰে ধমনিৰ তেজ শিৰত তুলিছে। চাৰিং-ফৌজৰ

* ভট্টাচার্য্যৰ তেতিয়া বিশেষ কর্ম্মক্ষেত্র আছিল জাঁজী কোম্পানীৰ চাহ বাগিছাই আওৰি থোৱা অসমীয়া গাওঁ আৰু কুলীৰ বস্তী। তাতেই, য়ুৰোপীয় মেনেজৰবিলাকৰ লগত তেওঁৰ প্রায়েই সংঘর্ষ হৈছিল। মফট্ নামৰ চুপাৰিণ্টেণ্ডেণ্ট এজনেৰে কথমপি হে হতাহতি নোহোৱাকৈ ভট্টাচার্য্যৰ দিন কেইটা পাৰ হৈ গল।

প্রত্যেকটো সেনাই একোটা-একোটা বৰ-সেনাপতি হৈ হে যেন ভাগ-ভাগ সমদলবিলাকক থেম কৰাইছে।

সোমবৰে উৎসাহ-উদ্দীপনাৰ যি হুইধ্বনি মাৰি দিছিল, তাতেই দর্শকসমূহৰ গা-মন জিকাৰি উঠিছিল। মুঠৰ ওপৰতে, আমগুৰিৰ সেই 'ৰাৱণবধ' ভাৱনা চাই ৰাৱণৰূপী ইংৰাজৰ অধীনতা ধ্বংস কৰিবলৈ সকলোটি ফুকলি মাৰি ওলাইছিল।

চি-আই-ডি চাম্‌ছুল

গায়ন থোৱাৰ পিছতে সূত্রধাৰী ওলোৱাৰ কথা। কিন্তু, ৰাইজৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ ভাৱৰীয়া সূত্রধাৰীৰ সলনি ওলাল কংগ্রেছ-সূত্রধাৰী। কংগ্রেছৰ বচন গাবলৈ ময়ে সেই সূত্রধাৰীৰ ভাও ললোঁ। উত্তেজিত সমজ্যাৰ মাজত কথা কৈ ময়ো দুগুণে অনুপ্রাণিত আৰু উত্তেজিত হৈছিলোঁ। "ভাৱনা-হৰিনামৰ ওপৰত কংগ্রেছ-টিপ্পণ" শুনি এজন হেনকৈ দর্শকেও কাহ এটি মৰা নাছিল। ভাৱনা-ৰভাৰ চুক এটাতে সকলোৰে চকুত ধূলি মাৰি, চি, আই, ডি (See I thee-মই তোমাক দেখিছোঁ) অর্থাৎ চোৰাং খবৰ লওঁতা চাম্‌ছুল হুচেইন বৰাই বাঘে চোপা লৈ থকা-দি টেপা খাই সোমাই আছিল।

চাম্‌ছুল শিৰসাগৰ-কাছাৰীৰ হেডক্লার্ক, গনিঙৰ প্রিয়পাত্র মৌলৱী গুলজাৰ আলিৰ ভায়েক আৰু হাইস্কুলত মোৰেসৈতে একে শ্রেণীতে পঢ়া লগৰীয়া। মোতকৈ তেওঁ ৭ বছৰমানৰ "চিনিয়ৰ" অর্থাৎ আগেয়েই নাম-লগোৱা ; কিন্তু, সেই দিনত, ডিগ্রেদ্ কৰা অর্থাৎ প্রমোছন নেপালে তলৰ শ্রেণীলৈ নমাই দিয়াৰ নিয়ম থকাত, তেওঁ দুবাৰ তললৈ নামে আৰু মই ওপৰলৈ উঠি যাওঁ। এই দৰে, উঠা-নমা কৰি যেতিয়া তেওঁ মেট্রিকুলেছন পৰীক্ষা দিয়া-শ্রেণী পালেগৈ, তেতিয়া তেওঁক মই লগ ধৰিলোঁগৈ। পৰীক্ষাত উঠিল নে নুঠিল মনত নাই। কিন্তু, হাইস্কুল এৰিয়েই তেওঁ পুলিছ বিভাগত সোমাল আৰু গনিং ছাহাবৰ সৌহাত স্বৰূপ হৈ নন্-ক'অপাৰেশ্যনত চি আই ডিৰ কামত (গুপ্তচৰৰ) নিযুক্ত হল।

মোৰ বচন বা বক্তৃতাৰ সামৰণি পৰিলতে, অকস্মাতে চামছুল ওলাই আহি এই বুলি কৈ, মোক সাৱট মাৰি ধৰিলেহি "ভাই, মই আৰু ইয়াত নেথাকোঁ। তই যিহকে কৰ, কৰ। এই দুই বজাৰ বেলতে শিৱসাগৰলৈ যাওঁগৈ। ইয়াত থাকিলে, তোৰ against-এ—বিৰুদ্ধে ৰিপৰ্ট দিব লাগিব।" মুখ-চাই-চাই-পৰশা, টেঙৰৰ শিৰোমণি চামছুলে সভা-সমিতিলৈ নোযোৱাকৈয়ে—কেতিয়াবা কণাৰ ফৰ্ম্মুটি একোডাল মাৰি পঠিয়ায়। মোৰ বক্তৃতাৰ বিষয়েও সেইদৰে আণ্ডাজৰ ফৰ্ম্মুটি এডাল মাৰি পঠিয়ালে। একেলগেপঢ়া ক্লাছ-ফ্রেণ্ড্ বুলি এইফেৰাকে সঙ্কেত দি গল বোলে তেওঁৰ ৰিপৰ্টে মোক একো অপকাৰ নকৰে। ভাঙি কবলৈ হলে, "অশ্বত্থামা হত ইতি গজ" আছিল তেওঁৰ ৰিপৰ্টটো। "আমগুৰি-ভাৱনাৰ দিনা বেণু শৰ্ম্মাই বক্তৃতা দিছিল সঁচা, কিন্তু, কি কৈছিল, নিজ-কাণে গোটেইখিনি কথা শুনিবলৈ নেপালোঁ। বেলৰ সময় হল, গুচি আহিলোঁ।"—এই দৰে কবলৈকে হেনো চামছুলে মনতে সাজি থৈছিল। অথচ, তেওঁ সঁচাই-মিছাই এহালিছা লেখি পঠিয়াইছিল। মোৰ বিচাৰৰ দিনা সেই ৰিপৰ্ট দেখি হে চি আই ডিৰ ৰিপৰ্টৰ লক্ষণ বুজিলোঁ। শিৱসাগৰ-জেলৰ ভিতৰত যিদিনা মোৰ বিচাৰ হয়, সেইদিনা চামছুল সাক্ষ্য দিবলৈকে নগল। চি. আই. ডি বুলিলে এতিয়াও মোৰ সহপাঠী বন্ধু চামছুলৰ টামটিঙালি কথাবোৰলৈ মনত পৰি অকলৈ-অকলৈয়ে হাঁহোঁ। এনেবিলাক "মই দেখিছোঁ" কৰ্ম্মচাৰীৰ ৰিপৰ্টেই নন্-ক'অপাৰেশ্যনৰ দিনত, ভালেমান পানীঢলা মেকুৰী যেন মানুহকো থৰে-থৰে "বৰঘৰত" সুমুৰাই "দেশপ্রেমিকৰ" শাৰীত বহুৰাইছিল।

তাৰ পিছদিনাও ভাৱনা হল। চাৰিওৰ পচলাত দাঁত ভাঙি আহি, তাৰ গালিশপনিৰ পোটক তুলিবলৈকে চিম্প্কিন্চেৰে গোট খাই সেই পুলিছ কৰ্ম্মচাৰী গৰাকী দ্বিতীয় দিনা ভাৱনা ঘৰত ওলালগৈ। পুলিছী দম্ভ-অহঙ্কাৰত মত্ত বিষয়াজনে, নিজে হিন্দু হৈয়ো ভাৱনাত পতা মূৰ্ত্তি-ভাগৱতৰ থাপনাখন গোৰ মাৰি পেলাই দিলে। গনিং চাহাবক বৃটিছ সাম্রাজ্যবাদৰ কূটনৈতিক ধুৰন্ধৰ বুলি ইতিকিঙৰ ভাষাৰে গৰিহা দিয়া

ছৈছিল, তথাপি তেওঁ ধৰ্ম্মৰ গ্লানি কৰা বা ধৰ্ম্ম-উৎসৱত হাত দিয়া নাছিল। আমাৰ বিষয়াজনে পুলিছী বস্ত্ৰ-আভৰণৰ হেঁচাত তেওঁক চেৰ পেলাই, কুলাচলৰ কীৰ্ত্তি অক্ষুণ্ণ ৰাখিলে। হিন্দু পুলিছ-কৰ্ম্মচাৰীজনৰ এই 'বীৰোচিত' কৰ্ম্মফেৰা মইসক মনোবৃত্তিৰ লগুৱালি প্ৰতিযোগিতাৰেই ফল নে, পদমৰ্য্যদাৰ অহঙ্কাৰৰেই ফল, আজি পৰ্য্যন্ত ঠিক কৰিব পৰা নহল। শাসকৰ আজ্ঞা ভৃত্যই মনা উচিত, সেই বুলি অতিপাতকৈ নহয়। অতিমাত্ৰালৈ গলেই প্ৰভুৱে যে সন্তোষ নেপায়েই নে, ৰাইজেও গৰিহণা দিয়ে।



৺ভগবতীপ্রসাদ বকরা পৃঃ ১৩১

[৮]

বন্ধু-বান্ধৱৰ লগত পত্রালোচনা

ভগৱতীপ্রসাদ বৰুৱাৰ চিঠি

অসহযোগ-আন্দোলনটো কেনেকৈ মহাৰাণী-ভক্ত অসমীয়া ৰাইজৰ মাজত সঞ্চালনি কৰিব পাৰোঁ, তাকে আলোচনা কৰি আঁতৰত থকা বিজ্ঞ বন্ধু-বান্ধৱসকললৈ এই সময়তে চিঠি-পত্র লেখা-লেখি কৰিছিলোঁ। ভগৱতীপ্রসাদ বৰুৱা তেতিয়া কলিকতাৰ স্কটিছ চার্চ কলেজত চতুর্থ বার্ষিক শ্রেণীৰ ছাত্র। তেওঁ কলেজ বর্জ্জন কৰাৰ বিৰোধী আছিল, কৈছিল, "পৰাধীন ছাত্রৰ ৰাজনীতি নাই। মহাত্মাৰ আদর্শ কেইজনে পালন কৰিব? অজ্ঞতাই দেশাত্মবোধৰ প্রতিবন্ধক। অজ্ঞতা নুগুচিলে, প্রাণহীন স্বাধীনতা বিড়ম্বনা মাথোন।"

তেওঁ বিমলাকান্ত বৰুৱা আৰু মোলৈ নিয়মিতৰূপে 'সংশ্রৱ বর্জ্জন', আৰু আমাৰ সাহিত্য-সম্পর্কে নানান্ কথা লেখিছিল। ভগৱতীৰ স্বাধীন চিন্তাপ্রসূত ভাববিলাক বৰ গধুৰ আৰু দূৰদর্শিতাৰে পৰিপূর্ণ। তেওঁৰ চিঠিবিলাক পঢি এনে হে লাগিছিল যেন ত্রিকালজ্ঞ ঋষিসকলৰ কোনোবা এজন জাতিস্মৰ হৈ হে অনুপ্রেৰণাৰ পঞ্চপ্রদীপ গছি আমাৰ অন্তৰত জ্বলাই দিছে। "অজ্ঞতাৰে লাভ কৰা স্বৰাজ নিৰর্থক"—এই সত্যটোৱেই আছিল ভগৱতীপ্রসাদ বৰুৱাৰ চিঠিবিলাকৰ গূঢ় বাণী। ভগৱতীৰ এইষাৰ কথাই আমাক নিত-ন পোহৰ দেখুৱাইছিল। বৰুৱা আৰু তেওঁৰ চিঠিৰ মূল্যাঙ্কণ আন এঠাইত কৰা হৈছে। অসহযোগৰ কথা-প্রসঙ্গত লেখা দেখি, তাৰে দুখনমান হুবহু ইয়াত তুলি দিলোঁ মাত্র। চিঠিকিখন পঢ়ি, পঢোঁতাসকলে ওপৰত উমুকিৱা আমাৰ অভিমতটো, নিশ্চয়, পলশুৱা বুলি কব নোৱাৰিব, হবলা:—

"অজ্ঞতাৰে লাভ কৰা স্বৰাজ সঁচাকৈয়ে নিৰর্থক।"

চিঠি

মোলৈ দিয়া—

(১)

ওঁ

মৰমৰ শৰ্ম্মা,

সিদিনা তোমাৰ চিঠিখন পালোঁ। তোমাৰ চিঠি বিচাৰিছিলোঁও। তোমালোকৰপৰা চিঠি নেপালে ভাল নেলাগে। কিন্তু কি কৰিবা, মুঠতে পত্ৰলেখা গোসানী মোৰ প্ৰতি বিমুখ। লৌকিকতা, তুমি কোৱাৰ দৰে চিঠিৰ উত্তৰ দি লৌকিকতা ৰক্ষা—এইবোৰ বিচৰা নাই। ঢেৰ হৈছে, লৌকিকতাৰ হেঁচাত পোত-যাওঁ-পোত-যাওঁ; এতিয়া মাথোন ত্ৰাহি-ত্ৰাহি কৰিব লাগিছোঁ। তুমি সিমানতো এই লৌকিকতা হে বিচাৰিছোঁ বুলি ভাবি বৰ নিষ্ঠুৰ ভাৱে ভুল কৰিছা।

কলিকতাৰ ব্যৱসায়-বাণিজ্য চলিব পাৰে, চিনেমা-থিয়েটৰ চলিব, গৰু ম'হৰ গাৰী, ভাপ-গাৰী, বিজুলী-গাৰী আৰু অতি টানে মানুহেটনা বিক্স গাৰী চলিব পাৰে, মানুহৰ জীৱন যে নোৱাৰে। অসংখ্য অপৰিষ্কাৰ বেষ্টৰেণ্ট, হ'টেল আদি খানা ঘৰবোৰৰ লগত ইয়াৰ সভাসমিতি, বক্তৃতা, বাতৰিকাকত আদিয়ে আৰু-একপ্ৰকাৰ পণ্ডিতীয়া আহাৰ জোগায়, সঁচা, কিন্তু মানুহে তাতোকৈ বেছি বিচাৰে; নহলে, মানুহ জীয়ে কেনেকৈ? তোমাক কথাৰ মাজতে কেতিয়াবা কোৱা মনত পৰে—কলিকতাৰ বাটেদি যাওঁতে মই মোৰ আত্মাক সাধুকথাৰ দেহলাউটোৰ দৰে ঘৰতে থৈ আহোঁ। আজি কৰৰ মন গৈছে, মই কলিকতালৈ আহোঁতে লুইতৰ সিপাৰেই মোৰ দেহলাউটি থৈ আহিছোঁ। তোমাৰ বৈতৰণী-নৈৰ ৰূপক পঢ়ি বেয়া লাগিল। কিন্তু, বৈতৰণীখনকে চৰম সত্য বুলি ধৰি ললে কেনেকৈ হব? নৈখন পাৰ হব লগা যেতিয়া হলেই, তাত নাও মেলি দিয়া, তৰি দিয়া এখন "অমল ধবল পাল।" তেতিয়া সি ৰবি বাবুৰ (ৰবীন্দ্ৰনাথ ঠাকুৰ) কবিতাৰ দৰেই সুন্দৰ হৈ পৰিব। আৰু নহয় যদি, পাছত লাগিলে, মোক দুষিবা; তথাপি তোমাৰ সাহিত্যৰ সুতলাহি পকোৱাত ওজৰ নুলিয়াবা।

কলিকতাৰ বাতৰি বিচাৰিছা, যেনিবা কলিকতাৰ কিবা বাতৰি এটা আছে হে। "হৰিতকী বাগান লেনৰ ঘৰটোৰ ভিতৰত সোমাই সাৰটি ধৰা

সংসাৰখন"—শুৱলা বাক্য। অৱশ্যে, এই সংসাৰখনৰ তুমি বাতৰি বিচৰা নাই।

কলিকতাত বৰ্ত্তমান ধোঁৱা আৰু কুঁৱলী; অলপ অলপ জাৱ। এখন ধোঁৱা লগা আকাশ, তাতে শেনবিলাক বনাই ফুৰিছে, উশাহ-নিশাহ নোপোৱা তলত থাকিব পাৰিলে হে। সৌ নাৰিকল দোজোপাৰ আঁৰত ইটা মিস্ত্ৰীবোৰে ইটা গাঁথিছে। কাউৰীবোৰে ৰমলিয়াইছে। এই পুৱা মোৰ খিৰীকিয়েদি কলিকতাৰ এই পৰিচয়।

আচালত খাঁ দপ্তৰী ভালে আছে (আমি 'বাঁহী', 'আলোচনী' আৰু আন-আন কিতাপ বন্ধোৱা দপ্তৰী)। সি খিলাফটৰ কামত বৰ ব্যস্ত। "স্বৰাজ আগিয়া"—এয়েই সিহঁতৰ ধাৰণা। মই ভাবিছোঁ, তহঁতৰ এই ধাৰণা হৰ পৰাৰ গতিকে হে আচল স্বৰাজ এতিয়াও অহা নাই।

কলিকতাৰ কুঞ্জবিলাক দু'দিনমানৰপৰা অলপ নীৰৱ হৈছে। কাৰণটো পাইছাই নহয়। কাৰচেন তেলৰ পেৰাৰ ওপৰত উঠি, জিভাৰ কুটকুটনি মাৰিব আৰু টেটু ফালিব নোৱাৰাসকলৰ বিলাই!

ইমানতে ৰওঁ। ক'ৰবাত বাতৰিকাকতৰ কামৰ অধিকাৰ চৰ্চ্চা হৈ উঠিবগৈ পাৰে।

তোমাৰ আশা কৰোঁ, "এতিয়ালৈকে" ভাল আৰু আগলৈকো ভালে থাকিব। মৰম চেনেহ লৰা।

মোৰ আৰু খুদৌইতৰ (শ্ৰীউমাচৰণ বৰুৱা, যোৰহাট) ভাল। তোমাৰ সোনকালে লেখিবা।

তোমাৰ মৰমৰ

শ্ৰীযুত বেণুধৰ শৰ্ম্মালৈ শ্ৰীভগৱতী

(২)

মৰমৰ শৰ্ম্মা,

কালি তোমাৰ বিজুলীডাকৰ বাতৰি-সদৃশ কার্ডটো পালোঁ। কাকতত গ্ৰেপ্তাৰ হোৱাসকলৰ ভিতৰত বাপুৰ (বিমলাকান্ত বৰুৱা) নামটো নাছিল, তোমাৰপৰা শুনিলোঁ। বাপুলৈ এখন দিছিলোঁ তেতিয়াই; তেওঁলোক জেলৰ পদুলিমুখত বুলি সংশয়। ৰৱঞ্চ আশা হৈছিল। বাস্তৱতে, arrested (এৰেষ্টেড্) হোৱাৰ পূৰ্ব্বে চিঠিখন নেপালাও।

তুমি কোৱা মতে, তুমি এতিয়া ক'ত সন্দেহ। শিৱসাগৰৰ পুখুৰীপাৰত থাকিবলৈ তপস্যাৰ আৱশ্যক। জেললৈ উপযাচি যাব পাৰিবলৈ আৰু এক সাধনাৰ সকাম। মোৰ ইয়াৰ এবিধো নাই। অথচ, কালিৰেপৰা উৰা মাৰি গৈ তোমালোকৰ সেই পোতাশালৰ 'মজলিছত' পৰিবৰ মন গৈছে।

আজীৱন পৰাধীনতাৰ 'হাৱাপানীত' ডাঙৰ-দীঘল হৈ আহিছোঁ। বহুত দিনৰপৰাই গাত লোৱৰ শিকলিৰ ভৰৰ উমান পাই আহিছোঁ; আজি তাৰ ভাৰ অপমানৰ ভিৰত ভীষণ গধুৰ হৈ উঠিছে। অপ্রকাশতেই সকলো বেদনা। নেদেখা শিকলিৰ যন্ত্রণা কমাৰে গঢ়া পোতাশালৰ শিকলিৰে কৰাতকৈ অকথনীয়ৰূপে বেছি। দেহাত অধীনতাৰ নাগপাশ লৈ, তাক সেইবুলি মানিব নোৱৰা অসৰলতাই আচল আৰু চৰম পৰাধীনতা। এই জেলখানাত পৰিলে বৰ্ত্তো।

এতিয়া আৰু মোৰ কথাৰে চিঠিৰ পাত ভৰোৱাটো অইন নহলেও অসাময়িক হব কিজানি। তোমালোকৰ কামেৰে বাক্যৰ সকলোখিনি অসম্পূর্ণতা পূৰাই লঁবা।

বাপুহঁতৰ বিচাৰ কেতিয়াকৈ হব? তেওঁক মোৰ শ্রদ্ধা আৰু মৰম জনাবা।

তোমাৰ মৰমৰ

শ্রীযুত বেণুধৰ শর্ম্মালৈ

শ্রীভগৱতীপ্রসাদ

শ্রীযুত বিমলাকান্ত বৰুৱালৈ:—

(১)

মৰমৰ বাপু,

সিদিনা তোমাৰ কার্ডটো পালোঁ। তোমাৰ চিঠিনো নেপাওঁ কিয় বুলি, মাজে-সময়ে ভাবিছিলোঁ। মোৰ লেখিবলৈ সামর্থ্য আৰু সুযোগ দুয়োটাই নাই বুলিব লাগে। তুমি কামৰ হেঁচাত হে লেখিব নোৱাৰা বুলি জানিছিলোঁ। এতিয়া কৈছা বোলে অনভ্যাসত হে, কিয়?

পৰীক্ষা ওচৰ চপাত, মোৰ কিতাপ লৈ অলপ টনা-আজোৰা লগাব লগীয়া হৈছে। দুবছৰৰ পাপ এই দুমাহৰ পৰাচিতত খণ্ডাব লগীয়া হৈছে নহয়। তোমালোকৰ কংগ্রেচৰ কামৰ কথা কাগজেপত্রেই দেখিছোঁ। চিঠি-পত্রৰপৰাও শুনিছোঁ। কিন্তু, সেয়ে আভাসত। তুমি তো বহলাই মোলৈ নেলেখাই।

সিদিনা চাইক্লষ্টাইলেৰে ছপোৱা "স্বদেশ" এখন হাতত পৰিছেহি। নিয়মমতে সেইখন পাই থাকিলেও হয়, জানিবা।

তুমি লেখিলা, মানুহবোৰৰ মনত ভয় সোমাইছে। শেহত ভয়েৰেই জয় হব নে কি? ঈশ্বৰে কৰক। কিন্তু, সেই বুলি আমাক দুঃসাহস নেলাগে। মই ৰাজনীতিৰ কথা বুজ নেপাওঁ। মানুহৰ মনৰ কথাও ভালকৈ নেজানো। কিন্তু এটা কথাত, মোৰ অটল বিশ্বাস যে আমাৰ অজ্ঞানৰপৰা ওপজা শক্তি বা উছাহৰপৰা ইংৰাজে ভাৰত-সাম্রাজ্য হেৰুৱাবও পাৰে, ভাৰতবাসীয়ে হলে স্বৰাজ্য নেপায়। আমাৰ স্বৰাজ মনুষ্যত্বৰ ৰাজৰ কথা তো নহয়। তাক জ্ঞানৰ দ্বাৰাই আৰিষ্কাৰ, প্রেমৰদ্বাৰাই প্রচাৰ আৰ কর্ম্মৰদ্বাৰাই প্রতিষ্ঠা কৰিব লাগিব। মহাত্মাৰপৰা আমি—সেই জ্ঞানৰ দীক্ষা, প্রেমৰ আহ্বান পাইছোঁ। আমাক মাথোন এতিয়া আচল গ্রহণশীলতা লাগে—লোৱাৰ ভাও জুৰিলেই, ভলণ্টিয়াৰৰ নামলেখা বহীৰ পাত ভৰালেই নহব। স্বৰাজ ৰাজৰপৰা নাহে।

(২)

মৰমৰ বাপু,

কালি তোমাৰ ১২ ডিচেম্বৰৰ চিঠিখন পাই ৰং পালোঁ। কিন্তু, ইমান চুটি চিঠি কিয় লেখা? মই বেয়া পাওঁ। তুমি কৈছা, কাকতৰ পিঠিত যি দেখোঁ সেয়ে যথেষ্ট। কেতিয়াও নহয়। এফালৰপৰা নহয়, ভালেমান ফালৰপৰাই সি অসম্পূর্ণ। তাৰ উপৰিও, মই তোমাৰপৰা চিঠি বিচাৰোঁ—তাৰ পাল মাৰি তুমি সমিধান দিয়া বৰ বেয়া।

সম্প্রতি দেশলৈ জেলৰ নিমন্ত্রণ আহিছে। এই সূত্রতে মোৰ আন এটা কথা মনত খেলাইছে। পোতাশালত শৰীৰৰ কষ্ট আছে। কিন্তু সেইবোৰ কেৱল পোতাশালৰ নহয়। আচলতে, পোতাশালত আছে এটা গভীৰ বেদনা, অৰবিন্দ ঘোষৰ "কাৰাকাহিনী" পঢ়িলে পাওঁ। অস্কাৰ ৱাইল্ডৰ De Profandis অত সেই বেদনাৰ কঁপনি আছে—সেই কাৰণেই, জেল মোলৈ তীৰ্থ, তাত যিয়ান অকথনীয় পাপৰ পাপীয়েই থাকক লাগিলে।

আজি মোৰ কাণত যি বাঁহী বাজিছে, তাত এই বেদনাৰ কঁপন। দৰাচলতে, এতিয়া কথা হৈছে, ৰাজনৈতিক বন্দীৰ। গৱর্ণমেণ্টে "আইডিয়াক" এই দৰে

চেঁচা দিবৰ চেষ্টা কৰি বৰ হাঁহিয়াতৰ কাম কৰিছে। কিন্তু উপায়, গৱৰ্ণমেণ্টৰ অন্য উপায় নাই—এই মৰকামোৰ নেমাৰিলে সত্য আৰু অসত্যৰ মাজত একো এটা হৰ নোৱাৰে। হলেও সি নিটিকে। আমাৰ জাতিৰ মনৰ বেদীত যেন এটি সত্যৰ প্ৰতিষ্ঠা হয়, দেশৰ আদৰ্শাত্মক সত্য জিলিকি উঠে।

মই তোমাক ইয়াকে হে সদায় কৈছিলোঁ, অসত্যৰ ওপৰত দেশৰ স্বাধীনতা প্ৰতিষ্ঠা হৰ নোৱাৰে। অজ্ঞতাপৰা দেশাত্মবোধ জনমিব নোৱাৰে। মিছাৰ জুমুঠিৰ ওপৰত সত্যৰ চুণপানী লগাই লাভ নাই। কিন্তু মানুহৰ মনৰ বিষয়ে, মোৰ যথেষ্ট জ্ঞান নাই। প্ৰাৰ্থনা কৰোঁ, আমাৰ দেশত যেন প্ৰকৃত দেশাত্মবোধৰ জন্ম হয়। অসমীয়াই ভাৰতৰ আদৰ্শক জ্ঞানতঃ গ্ৰহণ কৰে। ...

কলেজ বন্ধ হৈছে। মই নিষ্কৰ্মা হৈ পৰি আছোঁ। তোমালোক এতিয়া চাগে ইংৰাজৰ জেলখানাৰ দুৱাৰডলিত।

শ্ৰীযুতা জেঠাইদেউৰ গা বেয়া বুলি শুনি দুখিত হলোঁ। আশা কৰোঁ, ঈশ্বৰৰ কৃপাত এতিয়ামানে ভাল হৈছে। শ্ৰীযুতা আইদেউতাক মোৰ সেৱা জনাবা। তোমালোকেঁ মোৰ মৰম লবা।

শ্ৰীভগৱতী

[৯]

অসহযোগৰ পুৰস্কাৰ

১৯২২ চনৰ ১৬ জানুৱাৰী তাৰিখে শিৱসাগৰ-মহকুমাধিপতি মিঃ কল্‌ভিন্ ষ্টুৱার্ট গনিং ছাহাবৰ আদেশ লৈ আমগুৰি-থানাৰ পুলিছে ফৌজদাৰী আইনৰ ১৭ (ক) আৰু ১৭ (খ) উপধাৰা মতে মোক ২৬ জানুৱাৰীত গ্রেপ্তাৰ কৰেহি। আইন-শৃঙ্খলাৰদ্ধাৰাই প্রতিষ্ঠিত বৃটিছ-গৱৰ্ণমেণ্টৰ আইনখন যি সঙ্ঘ বা অনুষ্ঠানে পদে-পদে উলঙ্ঘা কৰিছিল আৰু যি এনে আইন-বিৰোধী সভা বা অনুষ্ঠানৰ দলভুক্ত আছিল, তেওঁৰ প্রতিয়েই সেই উপধাৰা কিটা প্রয়োগ কৰা হৈছিল। জঙ্গী ৰাইজৰ হেঁচা-ঠেলাত অঘটন ঘটিব পাৰে—এই আশঙ্কাকে কৰি ভয়তে ৩০ তাৰিখে মোক স্বয়ং শিৱসাগৰ কাছাৰীত হাজিৰ হবলৈ কৈ মোক গ্রেপ্তাৰ নকৰি জামিনত দি পুলিছ গুচি যায়—এই কথা ওপৰত উনুকিয়াই আহিছোঁ।

জেল যাত্রা

সেই মতেই, ৩০ ফেব্রুৱাৰী তাৰিখে সোমবাৰৰ দিনা ৰাতিপুৱা আঠমান বজাতে খাই-বৈ, পিতৃ-মাতৃক সেৱা-সংকাৰ কৰি, শিৱ-সাগৰলৈ বুলি যাত্রা কৰিলোঁ। লগত মোৰ আলধৰা সোমবৰ কাপ্টান লাগিয়েই আছে। আমাৰ ঘৰৰপৰা নগা-আলিলৈকে আধা মাইল বহল 'হাতীয়াজগা' খনিকৰ পথাৰখন মানুহৰ মুৰেৰে সাগৰ সদৃশ, 'লোকে লোকাৰণ্য।" গান্ধী-আলিভ্রাতৃ দুজনৰ জয়ধ্বনিত যেন কাণৰ কণামাকৰি সৰি গৈছে। সিফালে, চলিহা-আলি মুৰত সোণাৰাম ৰৰভলণ্টিয়াৰে তেওঁবিলাকৰ হাতীটো তেল-টেঙা ঘঁহি সজাই-পৰাই থৈছে। পথাৰৰ সেই সাগৰ-সঙ্কাশ প্রজাৰ হেন্দোলনি পাৰ হৈ নগাআলি পাওঁমানেই কেউফালৰপৰা গোটখোৱা ৰাইজে আলি-পথাৰ ছানি পেলালেহি। পথৰুৱা আলি আৰু নগাআলিয়ে অহা মানুহৰ

সোঁত দেখি এনে হে লাগিছিল যেন সেইদিনা এটাইবোৰ বাটে চাৰিঙলৈকে পোৱালি মেলিছে। মূল সমদলটোৰ আগতে কংগ্রেছ-পতাকা লৈ শ্রীযুত সোণাৰামৰ হাতী-পোৱালিটো, তাৰ পাছে-পাছে শ্রীযুত লোকনাথ কাকতী (মেনেজৰ), শ্রীযুত লোকনাথ ফুকনকে প্রমুখ্য কৰি ম'ৰাবজাৰ মৌজাৰ মুখিয়াল মুখিয়াল লোকসকল আৰু স্বয়ংসেৱকৰ দল। সকলোটি সমদলে দুৱৰা কাকতী গাৱঁৰ মাজেদি গৈ সোণতলীছিগা পাৰ হৈ গৌৰীসাগৰ পালতে, জাঁজী, বামুণপুখুৰী, খনামুখ, ভৰলুৱা গাৱঁৰ স্বেচ্ছাসেৱকসকলো লগ লাগিলহি। সমদলে বিৰাট আকাৰ ধাৰণ কৰিলে। নামদাঙৰ শিলৰ সাঁকোৰ মূৰতে পুণীয়া সত্রাধিকাৰ ৺কমল চন্দ্র দেৱ গোস্বামীয়ে গান্ধীভক্তসকলক শৰাই এখনি দি মোৰ ডিঙিত মালা এধাৰি পিন্ধাই অভিনন্দন জনালে। বলিয়াঘাটৰ আলিমূৰুৰ কেৰিমেৰি গড়ৰপৰা জয়সাগৰৰ আলি-কেঁকুৰিলৈকে পৰুৱা-লানিৰ দৰে বগাটুপীৰ মূৰেৰে লালী পাতি যোৱা প্রজাৰ হেন্দোলে গজপুৰৰ আলিটো (বৰআলি) শুৱাই গৈছিল।* ৰং-ঘৰৰ ওচৰ পাওঁতেই, শিৱসাগৰত থাকি পঢ়া চাৰিঙৰ ছাত্র শ্রীযুত অৱনীকান্ত ফুকন, ৺অতুলচন্দ্র ফুকন আদি কেবাজনো ডেকাই ৰংঘৰৰ ওচৰতে চাহ-জলপানেৰে আমাক আদৰি নিলেহি।

আমগুৰি-ঘাট পাওঁতেই জিলা-অফিছৰপৰা খবৰ আহিল বোলে নগৰত ১৪৪ ধাৰা জাৰী হৈছে; ৫ জনতকৈ বেছি মানুহ গোট খাই কথা পাতিব নোৱাৰে। সেই নিমিত্তে, কংগ্রেছ-অফিছত পাল পাতি-পাতি ৫ জন মানুহ হে থাকিবলৈ লৈছে। দেশৰ সমস্যা তেওঁবিলাকে হে আলচ কৰিছে। গাৱেঁ-গাৱেঁ পুলিছ পিয়াপি দিছে। কাক, ক'ত,

* চাৰিং—"চাৰিং-কংগ্রেছ কমিটিৰ সম্পাদক শ্রীযুত বেণুধৰ শৰ্ম্মাক যোৱা ২৬ জানুৱাৰী তাৰিখে গৱৰ্ণমেণ্টৰ ১৭ক, আৰু ১৭খ ধাৰামতে নিজ ঘৰত পুলিছে আটক কৰে। তেখেতৰ বিচাৰ অহা ৯ ফেব্রুৱাৰী তাৰিখে হব। তেখেতক আগবঢ়াই ধৰলৈ প্রায় চাৰি হেজাৰমান মানুহ গৈছিল।" শ্রীগদাধৰ শৰ্ম্মা।
"অসমীয়া"

কেতিয়া গ্ৰেপ্তাৰ কৰা হয়, একো ঠিক নাই। ভুবনচন্দ্ৰ গগৈ আৰু দুৰ্গাপ্ৰসাদ বৰঠাকুৰ আগেয়েই জেলত সোমালগৈয়ে। গায়নে-বায়নে আগবঢ়াই থোৱা শ্ৰীযুত কনকচন্দ্ৰ চেতীয়া আৰু খিলাফট-কৰ্ম্মী দুজনমানকো সাঙ্গুৰি আনি জেলত থোৱা হৈছে। বাহিৰত শান্ত যদিও, নগৰৰ ভিতৰখন আন্দোলনৰ কুঁহকুঁহীয়া পোৰণিত ছট্‌ফট্‌-ছাট্‌ফাট্‌। সেইদিনা, কংগ্ৰেছ-অফিছৰ ৰখীয়া আছিল হৰপায় লক্ষ্মীকান্ত বৰুৱা, শ্ৰীযুত অম্বিকাকুমাৰ বৰুৱা, শ্ৰীযুত পদ্মধৰ চলিহা, শ্ৰীযুত দুৰ্গাধৰ বৰুৱা, শ্ৰীযুত ৰামচন্দ্ৰ বৰা আৰু ওচৰতে আছিল শ্ৰীযুত হেমকান্ত বৰপূজাৰী আৰু শ্ৰীযুত তাৰাপ্ৰসাদ সিং সমন্বিতে জনদিয়েক স্বেচ্ছাসেৱক।

আমি দিখৌৰ বাঁহৰ দলং পাৰ হৈ নগৰ-মাটিত ভৰি দিওঁতেই "কোনেও ভয় নিদিব" বুলি অফিছৰপৰা হাক দিয়া বতৰা আহিল। কিন্তু, সেই কথা শুনে কোনে? শ্ৰীযুত যজ্ঞেশ্বৰ বৰদলৈ আৰু শ্ৰীযুত মাণিকচন্দ্ৰ চলিহাই, মহাত্মাৰ জয় দি সেৱকবাহিনীক উত্তাৰল কৰিলে; আটাইবে আগুৱাই যাবলৈ উটাপুটা লাগিল। নিষেধাজ্ঞাৰ বাৰ ভাঙি সকলো কাছাৰীমুৱা হৈ শিৱদ'লৰ মুখ পাওঁ-পাওঁ হলগৈ। জিলা কংগ্ৰেছৰ চেক্ৰেটৰী ৺বিমলাকান্ত বৰুৱাৰেসৈতে মই শিৱদ'লত সেৱা কৰিবলৈ সোমালোঁ; তাৰ পিছত, কাছাৰীলৈ গৈ গনিঙৰ এজলাছ পালোঁগৈ।

গনিঙৰ দুৰাচাৰ

এনেতে, গনিং ছাহাবে খাজনা-গেৰাজৰপৰা এক 'ডজন' সশস্ত্ৰ গুৰ্খা চিপাহী লৈ, মোক ধৰলৈ যোৱা মানুহবিলাকক এফালৰপৰা বেতেৰে কোবাই নিবলৈ ধৰিলে আৰু চিপাহীহঁতেও বন্দুকৰ চাঙ্গীনেৰে খুঁচি নিলে। হোজা মানুহখিনি "পলায় বাসৰ যেন পাছক নেচায়" হৈ, প্ৰাণৰ ভয়ত যেনিয়ে পায়, তেনিয়ে পলাল। কোনো দৰ্জ্জী-ঘৰত সোমাল, কোনো দোকানত সোমাল, কোনো খালত পৰিল, কোনো যমুনাত পৰিল, কোনো ধোবাৰ ঘৰৰ জকাত পৰিল আৰু কোনো পুলৰ

তলত সোমাল। চিপাহীহঁতেও পছ খেদা দি খেদি নিবলৈ ধৰিলে। পুলৰ তলত সোমেৰাবোৰৰ গাটোহঁত হে তলত আছিল, টিকাটোহঁত ওলাই আছিল। সেই ওলোৱা টিকাতে চিপাহীয়ে খোঁচ ধৰিলে। ইমান অত্যাচাৰেও নাটিলে, গনিঙে 'ঔচ্-ঔচ, ধৰ-ধৰ" বুলি, দুমদুম্ কৰে পথাৰৰ ফালে লৰি যোৱা মানুহবোৰৰ পাছত তেওঁৰ কুকুৰটো লগাই দিলে। চাঙ্গীনৰ খোঁচত বৰদলৈ যজ্ঞেশ্বৰৰ মূৰ ফাটিল। মাণিক চলিহাৰ হাড় ভাগিল।

তাৰ পিছত, গুৰ্খা ফৌজটো লৈ গনিঙে কংগ্রেছ-অফিছৰ ফালে হনা ললে। অফিছটো আছিল আমোলাপটিৰ সোমধৰ বৰুৱা ডাঙৰীয়াৰ ঘৰৰ সমুখত। ছাহাবে চিপাহীকিটাক ঘৰটো কাটি, ভাঙি-ছিঙি পেলাই দিবলৈ হুকুম দিলে। ছৰ্কাৰৰ "নিমখ" খাওঁতা গুৰ্খায়ো ঘৰটোৰ খুঁটাবোৰ উভালিবলৈ ধৰিলে আৰু দুটামানত খুকুৰীৰ কোবো বহুৱালে। দুটামানে আকৌ অফিছৰ কাগজ-পত্রবোৰ মোহাৰি-সামৰি, ফালি-ছিৰি তৰ্ণাস্তি কৰিলে।

লক্ষ্মীকান্ত বৰুৱাক অপমান আৰু গ্রেপ্তাৰ ; শিৰসাগৰত হৰতাল

সভাপতি লক্ষীকান্ত বৰুৱাই চিপাহীকিটাক সেইবোৰ কৰিবলৈ হাক দিয়াত তেওঁৰ মূৰৰপৰা গান্ধী টুপীটো খহাই আনিবলৈ গনিঙে হুকুম দিলে। বৰুৱাই টুপী এৰি নিদিয়াত চিপাহীৰেসৈতে জোটাপুটি লাগিল। অৱশেষত, তেওঁৰ চুলিত খামোচ মাৰি ধৰি মূৰৰপৰা টুপীটো খহাই পেলালে আৰু তেওঁকো গ্রেপ্তাৰ কৰিলে। শ্রীযুত পদ্মধৰ চলিহাক ৰায় বাহাদুৰ ফণিধৰ চলিহাৰ পুতেক দেখি 'গ্রেপ্তাৰ কৰক' বুলি কোৱাতো গ্রেপ্তাৰ নকৰিলে। তিনিজনক নি নাম্তিৰ ফালে কোনোবা এঠাইত মেলি দিলেগৈ। (১)

---

(১) এই দিনা হোৱা নৃশংসতাৰ বাতৰি এটা মহাত্মা গান্ধীবাবাই সম্পাদিত "ইয়ং ইণ্ডিয়া" কাকতত হুবহু প্রকাশ হয়। পণ্ডিত মদনমোহন মালবীয়ায়ো তেওঁৰ অত্যাচাৰ তদন্তৰ বিপৰ্টত ইয়াৰ এটি বিবৃতি দিয়ে।



চি এচ গণিং পৃঃ ১৩৯

(২) গনিঙে নিৰস্ত্ৰ মানুহক পশুতকৈও অধমৰ দৰে অত্যাচাৰ কৰা দেখি আৰু নেতাসকলক গ্ৰেপ্তাৰ-অপমান কৰা শুনি নগৰৰ দোকান-পোহাৰ সকলো বন্ধ হৈ গল। মহাত্মাৰ জয়ধ্বনিত খলক লাগি থকা

(২) শিৰসাগৰত কংগ্ৰেছৰ কাৰ্য্য

যোৱা ৩০।১।২২ তাৰিখে কংগ্ৰেছ-কৰ্ম্মী শ্ৰীযুত বেণুধৰ শৰ্ম্মা ডাঙৰীয়া ওৱাৰেণ্ট পাই চাৰিঙৰপৰা শিৰসাগৰ কাছাৰী ঘৰলৈ আহিছিল। তেওঁক আগ বঢ়াবলৈ স্বৰাজ সঙ্গীত গাই ৫০০০ (?) মান মানুহ শোভাযাত্ৰা কৰি আহিছিল। তেওঁলোক দ'লৰ মুখ পাওঁতেই মহকুমাধিপতি ছাহাবে এদল গুৰ্খা চিপাহীৰে সৈতে খেদি আনিলে। ভালেমান মানুহক গুৰ্খাবিলাকে বন্দুকৰ নলীৰে খুন্দিয়ালে আৰু জনদিয়েকক বিষমৰূপে আঘাত কৰিলে। শ্ৰীমান যজ্ঞেশ্বৰ দলৈ নামেৰে এজন উদ্যোগী সেৱকক পাঁচ বাৰ আঘাত কৰিলে আৰু তেওঁৰ মুখৰপৰা তেজৰ লোৰ বোৱাই দিলে। তাতো নিৰস্ত নহৈ মহকুমাধিপতি সসৈন্যে আহি জিলা কংগ্ৰেছ-অফিছত থকা মানুহবিলাকক বাজ কৰি সভাপতি শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা বি-এল, ডাঙৰীয়াক গ্ৰেপ্তাৰ কৰিলে আৰু তেওঁৰ মূৰৰ টুপী আৰু হাতৰ লাঠি বলেৰে আজুৰি লঘু-লাঞ্ছনা কৰি গুৰ্খাবিলাকৰ লগত "পেৰেড" কৰাই জেললৈ লৈ গল। তদুপৰি কংগ্ৰেছ অফিছৰ ঘৰটো গুৰ্খাবিলাকৰ হতুৱাই কাটিছিণ্ডি চুৰমাৰ কৰিলে আৰু আন-কি, চকী-মেজ আদি অন্যান্য বস্তুও ভাঙি পেলাই কাকত-পত্ৰবিলাক লৈ গল।

আফিছ ঘৰটো শ্ৰীযুত প্ৰেমনাথ বেজবৰুৱা ডাঙৰীয়াৰপৰা কেৰেয়ালৈ লোৱা হৈছিল। তেখেতৰ ভালেমান নিজা বস্তু-বেহানি লোকচান কৰা দেখি তেখেতে মহকুমাধিপতিৰ ওচৰত আপত্তি কৰিছে।

শিৰসাগৰৰ অন্যতম নেতা দিচাং কলঘৰৰ স্বত্বাধিকাৰী শ্ৰীযুত যাদৱ প্ৰসাদ চলিহা ডাঙৰীয়াই কংগ্ৰেছৰ কাৰ্য্য কৰা বাবে মহকুমাধিপতি ছাহাবে তেখেতক অলপতে সোণাৰিলৈ মাতি নি সতৰ্ক কৰিছিল। কিন্তু তেখেতে আগৰ দৰেই কাৰ্য্য চলাই থকা দেখি আকৌ ৩১ জানুৱাৰী তাৰিখে বঙলাত হাজিৰ হবলৈ নটীছ দিলে। তেখেত ৫ ফেব্ৰুৱাৰীৰ পূৰ্ব্বে হাজিৰ হবলৈ অপাৰগ বুলি জনোৱাত আকৌ ৪ ফেব্ৰুৱাৰী তাৰিখে হাজিৰ হবলৈ কলে। কিন্তু, তেখেতে, ৫ তাৰিখে দেখা কৰিবলৈ আহিলত আকৌ ৬ তাৰিখে পুৱা ১০ বজাত দেখা কৰিবলৈ

শিৱসাগৰ নগৰখন কাঁহপৰি জীণ গল। স্বাধীনতা পোৱাৰ আদি-আন্দোলনৰ বুৰঞ্জীত ১৯২২ চনৰ ৩০ জানুৱাৰী তাৰিখে হোৱা শিৱসাগৰৰ হৰতালটো নিশ্চয় স্মৰণীয় হৈ জিলিকি থাকিব।

কলে। সেই সময়ত দেখা কৰিবলৈ যাওঁতে চলিহা ডাঙৰীয়াক অকস্মাৎ গ্ৰেপ্তাৰ কৰি জেললৈ লৈ গল।

সদৌ ৰাইজ নিকপত্ৰৰ হৈ আছে। পুৰণি কংগ্ৰেছ কমিটী আৰু পঞ্চায়ৎ-বিলাকে দুগুণ উৎসাহেৰে কাম কৰিছে আৰু নকৈ ভালেমান ঠাইত কংগ্ৰেছ কমিটি গঠিত হৈছে। সেইবিলাক পৰিদৰ্শন কৰিবলৈ আৰু দিহা দিবলৈ জনদিয়েক উপযুক্ত কংগ্ৰেছ-কৰ্ম্মীক পৰিদৰ্শক নিযুক্ত কৰি জিলা কংগ্ৰেছে পঠাইছে। জিলা কংগ্ৰেছৰপৰা গোহাৰি, কাকতপত্ৰ আদিৰ বহুল প্ৰচাৰ হৈছে। ভালেমান ঠাইত নামোৎসৱ পাতি দেশৰ মঙ্গলৰ নিমিত্তে ঈশ্বৰক প্ৰাৰ্থনা জনাইছে। কোনো ঠাইত বিয়া পাতিলে নাইবা কেবাখন গাৱেঁ মিলি সবাহ পাতিলে, পূৰ্ব্বেই মহকুমাধিপতিৰ অনুমতি লব লাগিব বুলি চৰ্কাৰী নটীছ জাৰি কৰা হৈছে।

মহিলাসকলেও কংগ্ৰেছৰ কাৰ্য্যত পাৰ্য্যমানে সহায় কৰিছে। বৰ আনন্দৰ বিষয় যে তিলক-স্বৰাজ-ভঁড়াললৈ শ্ৰীযুতা নিকুঞ্জলতা চলিহাই সোণৰ আঙঠী এটা, শ্ৰীযুতা ভুৱনেশ্বৰী দেবীয়ে সোণৰ ৰুদ্ৰাক্ষৰ বিৰি এটা, শ্ৰীযুতা কমলকলি বৰুৱাই সোণৰ আঙঠী এটা, শ্ৰীযুতা ননীবালা চলিহাই সোণৰ আঙঠী এটা, শ্ৰীমতী লাৱণ্যলতা চলিহাই সোণৰ কাণফুল এজোৰ, শ্ৰীযুতা কৃষ্ণবালা মহন্তই সোণৰ আঙঠী এটা, শ্ৰীযুতা থানেশ্বৰী বৰুৱানীয়ে সোণৰ মণি এধাৰ, শ্ৰীযুতা মোহিনী বৰুৱানীয়ে সোণৰ আঙঠী এটা আৰু শ্ৰীযুতা কুসুমকুমাৰী বৰুৱাই সোণৰ আঙঠী এটা দান কৰি স্বাৰ্থত্যাগ আৰু স্বদেশপ্ৰেমৰ সুন্দৰ চানেকি দেখুৱাইছে।—"অসমীয়া"

[১০]

শিৱসাগৰ জেলত

গনিঙে লক্ষ্মীকান্ত বৰুৱাক গ্ৰেপ্তাৰ কৰি কাছাৰীলৈ লৈ আহিল। তেতিয়ালৈকে মইও তাতে বহি আছিলোঁ। এজ্‌লাচত বহিয়েই মহকুমাধিপতি গনিঙে ফৰাফৰ লেখি হুকুম দিলে, "৯ ফেব্রুৱাৰী তাৰিখলৈ বিচাৰ হব, এতিয়া হাজোতত থাককগৈ।" মোৰ প্ৰতিও সেইটোৱেই আদেশ। গুৰ্খা চিপাহী আছেই। হুকুম হোৱা মাত্ৰকে, কানত ৰাইফোল বন্দুক লৈ, ছ-টা ছ-টাকৈ সিহঁত দুশাৰী হল। এশাৰী আগত, এশাৰী পাছত। কাছাৰীমুখ আৰু শিৱসাগৰ-পুখুৰীপাৰত জুম বান্ধি থকা মানুহে ভয় খাওক বুলিয়েই হবলা, আমাক সিহঁতৰ মাজতে সুমাই লৈ কাছাৰীৰপৰা ৰপুখুৰীটোৰ পছিম পাৰেদি মিলিটেৰী কদমত খোজ কঢ়াই (মাৰ্চ) নি পুখুৰীৰ উত্তৰ পাৰে থকা জেলত ভৰালেগৈ।

দেখিলোঁ, ৰৰ ফাটেকৰ দুৱাৰ মেলখোৱা মাত্ৰকে আমাক ওলগ জনাবলৈ ভিতৰ পিনে, আগেয়ে সোমোৱা লগৰীয়াবিলাকে চন্দামাছৰ দৰে বিৰ দি আছেহি। আঠখেলৰপৰা অনা খিলাফটী বন্দী বদৰুদ্দিনৰ ৰংটো হে আটাইতকৈ ছাৰ দেখিলোঁ। তেওঁ হাঁহি মুখে অভ্যৰ্থনা জনাই ক'লেহি, "ন পুখুৰী-পোনে জয় দিয়া শুনিলোঁ; বাহিৰত হাল্লাগোল্লাও শুনিলোঁ; গুৰ্খা চিপাহীৰ খদমদম লাগিছে বুলিও শুনিলোঁ। এইবোৰ শুনি ভাবিলোঁ—আজি ৰৌ কি ৰৰালী কিবা এটা পৰিল হব পায়? সঁচাকৈয়ে পৰিল, হয়।" তেওঁ আছিল জেলৰ চাংমাই-শালৰ গৰাকী অৰ্থাৎ ফাটেকিয়াৰ ভাত-ৰান্ধনি। আমি গাৰ জোখপোত দি, চিন-চকৰবোৰ লেখোৱাই ভিতৰলৈ সোমাওঁতে-নৌসোমাওঁতেই তেওঁ থাল দুখন লাগে বুলি জেল ডাৰোগালৈ ফৰ্ম্মাচ দিলেই। ৰাতি গাত লবলৈ একোখনকৈ কম্বল লাগিব বুলিও "ৱাৰ্ডাৰ ছাহাবক" জনালে।

পাঁচ বজাত সকলো ফাটেকিয়াল গঁৰালে-গঁৰালে সোমালগৈ। আমি সোমালোঁগৈ। সেইদিনা লঘোনেই থাকিলোঁহঁক। পিছদিনা ৰাতিপুৱা আমাক গাইপতি একোখন-একোখন লোৱৰ থাল দিলেহি। কয়দী-হাজতিয়াল আটায়ে লোৱৰ কাঁহীত (থাল) হে ভোজন ব্যৱহাৰ চলাব লাগিছিল।

সেই থাল মামৰ উঠি ৰঙা হৈ থাকে; মোহাৰিব নেজানিলে মামৰ গুচোৱা টান। জেলৰ ন-আলহী দুজনমানে দেখুৱাই দিয়াত আমিও ধূলি-মাকটিৰে থালখনহঁত মোহাৰি চিকচিকীয়া কৰি ললোঁ। তাতে কয়দী ৰান্ধনি এটিয়ে মাৰভাত দিলেহি। মাৰভাত মানে আগ দিনাই সিজাই থোৱা ভাতৰ নিসনি। নামটো হে নিসনি। তাত নো নেথাকে কি? বালি, শিলকপৰা, কুটা, তুঁহৰ চোকোৰা এটাই-বোৰ। গুৱালনী মার্কাৰ বিলাতী গাখীৰৰ টিন এটাৰে এটিন-এটিন গাইপতি পেলাই যাব। ক'ৰবাত কোনোবাটোৰ থালত সৰহকৈ পৰিব লাগিলে বিলনীয়াৰ পিঠিত জমাদাৰে সাৰোপ-সাৰোপ কোৰ বহুৱাৰ। থাল লৈ, শাৰী পাতি বহি থকা খাৰৈয়াবিলাকৰ এজনক মাজতে এৰি থৈ গলেও, বিলনীয়াৰ পক্ষে ডাঙৰ লেঠা। দিওঁতে-থওঁতে এচাঁহী বা এফোঁটমান সৰহকৈ পৰিলেই জগৰ। এনে নো অমৃতখন, মুখত দিলেই বাঁতি অহা যেন কৰে! তথাপি, দিয়ন-থোৱনত তাৰে বঢ়া টুটা চাবলৈকে একোটা-একোটা হাঁহৰ ওপৰত একোটা-একোটা শিয়াল-ৰজা!

গনিঙৰ বিচাৰ

৯ ফেব্রুৱাৰীৰ দিনা, শিৱসাগৰ জেলৰ ভিতৰতে মোৰ বিচাৰ আৰম্ভ হল। গনিং ছাহাবে হাতত লাখুটিডাল লৈ লেকেচিয়াই-লেকেচিয়াই (তেওঁৰ ভৰি এটা চুটি আছিল) আহি বিচাৰকৰ আসনত বহিলহি। কাষতে, আমগুৰি-থানাৰ অফিচাৰ-ইন-চার্জ্জজনো থিয় হল। চামছুল হুচেইন বৰা চি.আই.ডিৰ লেজুৰা ৰিপর্টটো হল—মোৰ বিৰুদ্ধে অনা মূল অভিযোগৰ নঠী। ছৰ্কাৰী সাক্ষী হল ম'ৰাবজাৰ-মৌজাদাৰৰ

খাজনাসধা মহৰী পিলিঙা গোহাঁই আৰু টেকেলা বগাধৰ গোহাঁই, আৰু মধুৰাম কোঞৰ বুলি এজন। মোৰ পক্ষ সমর্থন নকৰোঁ। বোলাত, ছৰ্কাৰে উপযাচিয়েই মোৰ ৰবীয়াকৈ শ্রীযুত অন্নদাচৰণ শর্ম্মাক উকীল ধৰি দিছিল। দর্শক স্বৰূপে মোৰ ৰৰদেউতাৰ পুতেক শ্রীমান দামোদৰ শর্ম্মা মণ্ডলো আছিল। উকীল অন্নদা শর্ম্মাক হে মাথোন বহিবলৈ চকী এখন দিয়া হৈছিল। মোক গ্রেপ্তাৰ কৰাৰ দুদিনমানৰ আগতে আমাৰ গাৰঁত বাঘ এটা ওলাইছিল। সেই বাঘটো মাৰিবলৈ চিকাৰীৰ অভাৱত, গনিঙকে বন্দুক এটা খুজিছিলোঁ। অসহযোগীক বন্দুক নিদিয়ে বুলি জানিশুনিও ছাহাবক জোকাই চাইছিলোঁ। মোৰ ওপৰত দিয়া মোকর্দ্দমাটো লণ্ডতে তেওঁ পোনেই চকুচেলাই সুধিলে, "You want a gun! You kill a tiger! (তোমাক বন্দুক লাগে, তুমি বাঘ মাৰিবা?) সেই কথাষাৰ সোধোঁতে গনিঙে যিটো মূর্ত্তি ধৰিছিল, ভাবিলে আজিও গনিঙক ৰাক্ষস যেন হে লাগে। তাৰ পিছত, মৌজাদাৰ আৰু পুলিছৰ ৰিপর্ট পঢ়ি, মোলৈ চাই এই দৰে কলে, "তুমি ছৰ্কাৰবিৰোধী; গাৰেঁ গাৰেঁ মিটিং পাতি সুপ্রতিষ্ঠিত গৱর্ণমেণ্টৰ বিদ্রোহ আচৰিছা আৰু আনকো বিদ্রোহী হবলৈ উচটাই ফুৰিছা?" সাক্ষীৰ জৰানবন্দীত মৌজাদাৰৰ টেকেলা- মহৰী আৰু মধুৰাম কোঞৰে ছাহাবৰ অভিমতকে ন-দি সমর্থন কৰাত, মই কিবা ক'ম নে কি বুলি সুধিলে। আত্মপক্ষ সমর্থন নকৰোঁ বুলি কোৱাত তৎক্ষণাৎ মোৰ ৩ মাহ অ-শ্রম কাৰাদণ্ড আৰু ৩০০ টকা জৰিমনা, জৰিমনা অনাদায়ে ৩ মাহ অ-শ্রম ফাটেক, মুঠতে ৬ মাহ হল।

সিপিনে, কাছাৰীত বিচাৰৰ নামটো কৰি গনিঙে লক্ষ্মীকান্ত বৰুৱাক এবছৰ অশ্রম কাৰাদণ্ড ভোগ কৰিবলৈ আদেশ দিলে। ইয়াৰ ভিতৰতে, বনমালী চাহ বাগিছাৰপৰা (?) মতাই অনাই শ্রীযুত যাদৱপ্রসাদ চলিহাকো গনিঙৰ বঙলাতে গ্রেপ্তাৰ কৰিলে আৰু তেওঁকো ৬ মাহ বহিখোৱা ফাটেক দি ৫০০ টকা অর্থদণ্ডও কৰিলে। দিনদিয়েক মানৰ পিছতে, শিমলুগুৰিৰপৰা ৯ জন স্বয়ং-সেৱক পিকেটিং কৰা অপৰাধত পুলিছে

ধৰি আনে। তেওঁবিলাকে চংটক হাটলৈ যোৱা হাটৰ গাড়ী কেইখনমান আগচি আটক কৈ থৈছিল। এই নজনৰ ভিতৰত শ্ৰীযুত মিঠাৰাম গোহাঁই, টেলেকা গগৈ, গোলোক গগৈ, মহম্মদ চা জামান, মহম্মদ ইদ্‌ছ আৰু মহম্মদ জোমাৰতক বছেৰেক—ন মাহকৈ সশ্ৰম কাৰাদণ্ড বিহে। সেই সময়তে, গ্ৰেপ্তাৰ হোৱা ভলণ্টিয়াৰেৰে (ভলণ্টিয়াৰ শব্দটো আগেয়ে কোনেও নেজানিছিল। 'অসহযোগ আন্দোলন হবৰপৰা হে সকলোৰে মুখে মুখে ওলাবলৈ ধৰিলে) শিৱসাগৰ-জেল ভৰি পৰিলহি।*

---

* **শিৱসাগৰ ঃ**—২৩ জানুৱাৰী (১৯২২ চন) তাৰিখে শিলাকুটী মৌজাৰ ৩ জন মুছলমান স্বৰাজ-সেৱকক গ্ৰেপ্তাৰ কৰি অনা হয়। তেওঁবিলাকক দুশমান মানুহে আগবঢ়াই কাছাৰীৰ দুৱাৰ মুখত থৈ যায় হি। বৰ্ত্তমান তেওঁবিলাক জেলত আছে। ২১ তাৰিখে গ্ৰেপ্তাৰ কৰা ৬ জন স্বৰাজ-সেৱকৰ ভিতৰত ৫ জনক ৩০ টকাকৈ অৰ্থদণ্ড কৰা হল। তেওঁবিলাকে টকা নিদিওঁ বুলি এক মাহকৈ সশ্ৰম কাৰাবাস খাটিবলৈ সম্মত হল।

চকৰজাৰৰ আগৰ ২ জন স্বৰাজ-সেৱকক (শশীধৰ দত্ত, জয়নুৰ আলি) গুৰ্খাবিলাকে গতিয়াই লাঞ্ছনা কৰাৰ কাৰণে শিৱসাগৰীয়া ৰাইজে বজাৰখন ৪ দিন বন্ধ কৰি ৰাখিছিল।

শিৱসাগৰ চবডিভিজনৰ ভিতৰত বাগিছাৰ হাট প্ৰায় বিলাকেই বন্ধ আছে। কাৰণ ইউৰোপীয় চাহ খেতিয়কসকলে খাদৰ কাপোৰ পিন্ধা, গান্ধীটুপী পিন্ধা মানুহক হাটৰ ভিতৰত সোমাবলৈ নিদিয়ে।" —অসমীয়া

নাজিৰা—চংটক বাগিছাৰ এজন ফিৰিঙিয়ে গান্ধীটুপী আৰু ধনতোলা টিন এটি কাঢ়ি নিয়া সম্বন্ধে যোৱা সপ্তাহৰ "অসমীয়া" ত প্ৰকাশ হৈ গৈছে। কিন্তু, সুখৰ বিষয়, ৩ টকা উপকৰা ধনেৰেসৈতে টুপী আৰু টীন, ঢোল পিটাই কোৱা হয় যে কাৰ টীন নিব পাৰে, কিন্তু কোনেও নিনিলে। শেষত বেছেৰাই নাজিৰা কংগ্ৰেছ অফিছলৈ নিজে গৈ দি আহেগৈ। হাট ভাঙিবলৈ স্বয়ং-সেৱকসকলে যত্ন কৰি, কৃতকাৰ্য্য হল। ফলত পুলিছে শ্ৰীমান মিঠাৰাম গোহাঁই, ইদ্ৰিছ আলি, শ্ৰীযুত কুমৰদ্দিন, শ্ৰীযুত গোলোকচন্দ্ৰ গগৈ, শ্ৰীযুত টেলেকা

জেলত জাত-বিচাৰ

জেলৰ ভিতৰখনো এখন সৰুসুৱা ৰাজ্যকে বুলিব পাৰি। বাহিৰত যেনেকৈ জাতৰ বিচাৰ, জেলৰ ভিতৰতো তেনেকৈ জাত-বিচাৰ। স্বৰ্গলৈ গলেও বোলে নাৰদে ঢেঁকী দি ধান বানে। আমিও জাত-কুল বিচাৰ-নথকা জেললৈ গৈ সেইদৰে তাৰ জাতৰ ভিতৰত সোমাই নাৰদৰ দৰে তাতে ধান বানিবলৈ ধৰিলোঁ। জাত মাৰোঁ। বুলি গৈ, জাত সৃষ্টি হে কৰিলোঁ। জেলৰ সমাজখনত জাত বা শ্রেণী বহুত আছে। তাৰ ভিতৰত দুটাকে বর্ণাশ্রমী বুলিব পাৰি। দুয়ো বর্ণৰে উমৈহতীয়া নাম কয়দী বা ফাটেকিয়াল। সেই বুলি কলে চুলিডালমান অর্থৰ আঁতৰ হয় যদিও, ভুল নহয়। বর্ণ দুটাৰ এটাক বোলে কয়দী বা ফাটেকিয়াল আৰু ইটোক বোলে হাজতিয়াল। বিচাৰ শেষ হৈ যোৱাৰ পিছত, দণ্ড ভোগ বা ম্যাদ খাটিব লগীয়াবোৰেই হল ফাটেকিয়াল ; আৰু বিচাৰ নিষ্পত্তি নহয় মানে বিচাৰকৰ আদেশলৈ বাট চাই থাকিব লগীয়াবোৰেই হাজতিয়াল অর্থাৎ হাজোতত থাকোঁতা। ফাটেকিয়ালে কাম কৰিব লাগে আৰু জেলৰ কাপোৰকানি পিন্ধিব লাগে ; হাজতিয়ালৰ যেনিবা নেলাগে। গৰৈ-চেঙেলীৰ দৰে এই ফেৰাই মাথোন ইফাল-সিফাল। এহেলৈ থকা-খোৱা সকলো একে।

জেলৰ প্রজা

হাজতিয়াল-ফাটেকিয়ালেই জেলৰ প্রজা। "মেট্," "ক'লা পাগুৰী" 'জমাদাৰ' "ৱার্ডাৰেই" সিহঁতৰ ওপৰত উঠি-ৰজা আৰু জেল-ডাৰোগা-

---

গগৈ, চেখ চাজমান, আৰু ছেখ কাছিমক ২৯ জানুৱাৰী তাৰিখে পুৱা গ্রেপ্তাৰ কৰিলে। প্রায় ৫০০ মান মানুহে স্বৰাজ গীতেৰেসৈতে ফুলৰমালা দি থানাৰ ওচৰলৈকে আগবঢ়াই থৈ আহেগৈ। ৩১ জানুৱাৰীত তেওঁবিলাকৰ বিচাৰ শেষ হয়। প্রথম তিনিজনৰ এবছৰ কৈ কঠোৰ পৰিশ্রমসহ কাৰাদণ্ড আৰু এশ টকা কৈ জৰিমনা, বাকী ৪ জনক ৬ মাহ কৈ কঠোৰ পৰিশ্রমসহ কাৰাদণ্ড আৰু এশ টকা কৈ জৰিমনা। জৰিমনা নিদিলে ৩ মাহ কৈ কয়দী খাটি দিব লাগিব।—"অসমীয়া"

জনেই বহি-ৰজা। ঘৰ একেটা হলেও, হাজতিয়াল-ফাটেকিয়ালৰ কোঠা বেলেগ-বেলেগ। এটা বৰ্ণই বা শ্ৰেণীয়ে ইটো শ্ৰেণীৰ লগত যাতে কথা-বতৰা পাতিব নোৱাৰে তাৰ বাৰ শোৱা-খোৱাৰ নিয়ম সুকীয়া-সুকীয়া। দণ্ড পোৱা-কি-নোপোৱা সকলোৱেই জেলৰ ভিতৰত সোমালেই, ফাটে-কিয়াল নহলেও, ফাটেকৰ নিয়ম মানি চলিব লগীয়াত পৰে। সেই বাবেই সকলো ফাটেকিয়াল-পৰ্য্যায়ভুক্ত হয়। গোৰস্থানৰ ভেঁটিটোৰ দৰে ভেঁটি এটাত শুব লাগে। মূৰৰ শিতানো মাটিৰেই, ভেঁটিটো ইমান ঠেক যে কথমপি হে লুটি-বাগৰ মাৰিব পাৰি। তাৰ উপৰিও, ঠেটুৰৈ ধৰা জাৰৰ দিনতো উৰহৰ কিটিৰ-কিটিৰ কামোৰ আছেই—লগে-লগে থোপাথোপ মহৰ কামোৰ আৰু কুনকুননি। শোৱা-খোঁটালিৰ চুক এটাতে, "ক'মডৰ" পৰিৱৰ্ত্তে কেৰচেন তেলৰ টিন এটা সমানে পেটতে কাটি তাৰ তল ডোখৰ বহুনাকৈ থোৱা হয়। তাতে বাতি হলে, সকলোৱে সৰুপানী-বৰপানী ছুব লাগে। শোৱা-ভেঁটিৰ "পালেংখনহঁত" ওচৰাউচৰি হলেও, ভেঁটিত পৰি থকাজন নিবোকাচামোন বা নিমাতী কন্যা হৈ থাকিব লাগে। সিহঁতৰ ওপৰত বৰমতা বোলাবলৈ একো-একোটা "মেট" বা "ক'লা পাগুৰী" থাকে। এই "মেট" বিষয় পোৱা জন হৈছে "প্ৰমোছন" পোৱা কয়দী। দীঘলীয়া ম্যাদ খাটিব লগীয়া যিটো কয়দীৰ সৰহ ভাগ উকলি যায়, তাকে "কলা-পাগুৰী পিন্ধাই" মেট্ পতা হয়। এওঁ নতুন কয়দী লৈ গৈ, বাহিৰত ফুৰাই-চকাই বা কামকাজ কৰাই আনিব পাৰে। এওঁৰ ওপৰতে জমাদাৰ; জমাদাৰ ফাটেকিয়াল নহয়—ছৰ্কাৰী টিপাহী মাথেন। ক'লাপাগুৰী গলে, কয়দীৰ ৰখীয়া হৈ জমাদাৰ বাহিৰলৈ নগলেও হয়।

মুঠৰ ওপৰতে "নৰকপুৰ" ৰাজ্যখনৰ পোতাপুখুৰীত বাক হব পৰা দায়িত্বপুৰ্ণ বিষয়া ক'লাপাগুৰীজনেই। এইখন বিষয় খাওঁতাৰ ওপৰতেই জেলৰ বান্ধনি (ডিচিপ্লিন) নিৰ্ভৰ কৰে। বাতি পুৱালেই অৰ্থাৎ পাঁচ বাজিলেই (সেইদিনৰ) সকলো শুই উঠিব লাগে। উঠিয়েই বাহিৰত শাৰী পাতি থিয় দিব লাগে। আগ-দিনা গধূলি জমা দিয়া মতে

কয়দীবোৰ আছে নে নাই জমাদাৰে গস্তি কৰি চাব। তাৰ পিছত এটা-এটাকৈ পাইখানালৈ যাব লাগে। শৌচাচাৰ কৰি আহি আকৌ বৈ থাকিব লাগে। লেখবুজ হৈ গলে, সকলোৱে সমানে দীঘলীয়াকৈ শাৰী পাতি (ফাইল হৈ) "ছৰ্কাৰ চেলাম" বুলি বৃটিছ গৱৰ্ণমেণ্টক অভিবাদন জনাব লাগে। তৎপশ্চাৎ "ব্ৰেকফাষ্ট" অৰ্থাৎ মাৰভাত খাবলৈ শাৰী পাতি বহিব লাগে। স্বাধীনতা বিচৰা ন-আলহীৰ নিমিত্তে এইবোৰেই জেলৰ পোন-প্ৰথম তিতাকেহা সোৱাদ।

আমাক সুমুৱাই থোৱা ফাটেকৰ ঘৰটো ওখ। ওপৰখন টিনৰ। বেৰবোৰ ইটাৰে পকী কৰা। ভিতৰত মাত্ত এষাৰ মাতিলেই জনজনাই উঠে। আমাৰ কোঠাটো, ঘৰটোৰ পছিম ফালে আছিল। পূবৰ খোঁটালিটোত হাজতিয়াল আৰু আমাৰ গাতে লাগিথকা মাজৰটোত ফাটেকিয়াল শুইছিল। ফুট গধূলিতে, সেই গঁ ৰালত ভৰাই থোৱাৰ পিছৰপৰাই "মেট্" নাইবা ম্যাদ অন্ত হবলগীয়া এটা কয়দীয়ে মানুহবোৰ গস্তি কৰিবলৈ ধৰে আৰু ৰাতিপুৱালৈকে সি গণিয়েই থাকে। এই গণনাটো বাহিৰৰ আগচালিত (বাৰাণ্ডাত) টহল দি থকা জমাদাৰজনে শুনাকৈ কৰি থাকিব লাগে। সেই দেখি, সি ওৰে ৰাতি ফাটেকিয়ালটোহঁত চাই-চাই হে যেন গস্তি কৰিছে, এনে ভাৱে এটা-এটাকৈ মাতি চিঞৰি থাকিব লগে। লেখিবলৈ ধৰোঁতেই সি যেন ঠিক প্ৰত্যেকটো কয়দীৰ গালৈ আঙ্গুলী-টোৱাই হে লেখিছে,এনে হেনকৈ পোনেই লাহে-লাহে মাতি যাব—এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন; দহ। শেহৰ সংখ্যাটো লেহেতিয়াকৈ নাকী সুৰেৰে মাত মাতি, দ—হ বুলিয়েই কব,—"হাজত লম্বৰ ঠিক হেয়।"

দহৰ মাতটো মাৰ যাওঁতে-নৌ-যাওঁতেই ফাটেকিয়ালৰটোৱে সেই দৰেই ধৰিব, "১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, দুই লম্বৰ ঠিক হেয়।" ফাটেকিয়াল-কোঠাৰ ডাক অন্ত পৰিলেই, হাজতিয়াল কোঠাৰটোৱে ধৰিব। এনেকৈ, ঘূৰাই-ঘূৰাই মাতি থাতি থাকোঁতে "মেটে" টোপনিত পৰি ঢলকুচিয়াবলৈ ধৰে। সিমানতো, তাৰ মুখৰপৰা ১, ২, ৩, ৪,

ইত্যাদি ওলায়েই থাকে। কিন্তু, গণ্টি কৰোঁতে এফালৰপৰা ১, ২, ৩ বুলি কৈ যাব নোৱাৰে। এক দুই বুলিয়েই জাঁপ মাৰি দীঘলীয়া সুৰ টানি একেবাৰেই দহত ধৰেগৈ। পোনেই এক বুলি কওঁতেই ডাঙৰকৈ মাতষাৰ মাতি, ক্ৰমান্বয়ে ঢিমাই দিয়ে; পিছত, মাতষাৰ চেৰ্চেৰীয়া পৰিলে, শেহৰ সংখ্যাটোত লে-নীয়া সুৰ লগাই টানকৈ কয়ঃ—দ—হ। মাজনিশাপৰা শেহ নিশালৈকে এই দৰে হাজতিয়াল-ফাটেকিয়ালে লেখ কৰি থাকোঁতে-থাকোঁতে এক, দুই, তিনি, চাৰি মাতি যাওঁতেই টোপনি জালৰ লাটতে "চটাই নো পৰেবতে, ধুঁৱলী ঐ কুৱঁলী ঐ" বুলি বিহুনাম এযাৰকে গাব, নাইবা, "ভটীয়াই গলেগৈ, মণিৰাম দেৱান ঐ, বাটত খাই গলে জৰা" বুলি দেৱানৰ গীত এফাঁকিকে ধৰিব। ৰাগ-পদৰ লগতে গণনাত মাতিব লগীয়া সংখ্যাবোৰ উৰি যায়। তথাপি, শেষৰ সঙ্খ্যাটোত বৰ জোৰেৰে মাত লগাই দিবগৈ, "দ-হ; পহিলা লম্বৰ ঠিক হেয়।" "মেটৰ" এই ভাওজোৰা ৰাগ-পদৰ ধ্বনি শুনি আমাৰ মনত এনে হে লাগিছিল যেন আমি ক'ৰবাৰ জোপোহা বৰগছৰ তলত হে বাস কৰিছোঁহি আৰু তাৰ ধোন্দত সোমাই থকা সেইবোৰ যেন কুৰ্কুৰীয়া হুতুৰে হে মাতিছে! সিহঁতৰ মাতে গহীন ৰাতিটোহঁত গহীনতৰ কৰি পেলাইছিল আৰু চিলমিল টোপনিত পৰি থকা আমাৰ কাণত মাদকতাৰ মৌ বৰষিছিল।

দুদিনমানৰ পিছত, শ্ৰীধুত যাদৱপ্ৰসাদ চলিহাও আমাৰ লগ লাগিলহি। এতিয়া আমি একে খোঁটালীবাসী তিনিজন হাজতিয়াল হলোঁহঁক—শ্ৰীযুত লক্ষ্মীকান্ত বৰুৱা, শ্ৰীযুত চলিহা আৰু মই। তিনিউ হৰিষে-বিষাদে "ৰাজভগনৰপৰা, কলথোকা বাতুল'য়ে খোৱালৈকে" বাৰেভচছ কথা পাতি সময় নিয়াওঁহঁক।

চলিহাদেৱ হাজতিয়াল হৈ সোমোৱাৰ দিনদিয়েকৰ পাছতেই, ঢোপাবৰ মৌজাৰ কপাই (?) নামে মানুহ এটিও তিনি মহীয়া সশ্ৰমী ফাটেকিয়াল ৰূপে জেলৰ ভাত খাব লগীয়া হয়। এওঁ হাল বাই আছি, তিতাথৰেই দৈণীয়েকক 'ভাত হল নে' বুলি সোধাত দৈণীয়েকে

"বাঢ়িছোঁ" বুলি ক'লে। তাতেই খঙত গৰজি "অঁ, তই এতিয়া হে ভাত বাঢ়িবলৈ লৈছ" বুলি, ঘৈণীয়েকৰ ডিঙিতে কোৰখনেৰে চাব মাৰি পঠিয়ালে। ঘৈণীয়েকৰ মূৰ ছিগি মাটিত পৰিল। নৰহত্যাৰ অপৰাধত অভিযুক্ত কৰি, মহকুমাধিপতি গনিঙে তাক তিনিমাহ মাত্ৰ কঠোৰ পৰিশ্ৰম কৰি ফাটেক খাটিবলৈ আদেশ দিলে। তাৰ দণ্ডৰ কথা শুনি লক্ষ্মীকান্ত বৰুৱাই "ন্যায় বিচাৰৰ গৰ্ভপাত" বুলি ৰব আক্ষেপ কৰিছিল, "চোৱাঁচোন বাৰু, গনিঙৰ এইখন কি বিচাৰ! নৰঘাতী মানুহটোক দিয়ে তিনিমাহ ফাটেক আৰু আমি বক্তৃতা দি ফুৰা বাবে আমাক দিয়ে এবছৰ-এবছৰ! এইবোৰ দেখাদেখি বিচাৰৰ ভেকোভাৱনা নহয় নে?" বৰুৱাদেৱৰ অভিমতটো শুনি হে থাকিলোঁ—আমি একো মাতিবলৈ নহল।

কয়দীক উখোৱা চাউলৰ ভাত দিয়ে। সেই চাউলৰ ধান সিজাই জেলৰ ভিতৰতে ত্রিপাল বা নগা-ঢাৰিত শুকোৱা হয়। শুকুৰাওঁতে ধানত কাউৰী পৰেহি। কাউৰী খেদাবলৈকে ৰূপাইক ধানৰখীয়া পাতিলে। সি সদায় ধানৰ ওচৰতে বহি নিগনীৰ দৰে কুটি-কুটি ধানৰ তুঁহ বা চোকোৰা এৰুৱাই চাউলবোৰ কেঁচায়-কেঁচায় চোবাই খায়। এই দৰে নিতৌ ৰূপায়ে এসেৰমান ধানৰ চাউল পেটলৈ পঠিয়ায়। ধানৰ জোখত চাউল কম ওলোৱা দেখি জমাদাৰে ধানৰ ওপৰত চকু দিবলৈ ধৰিলে। খঁকুৰা ৰূপায়েই যে সেই ধানখোৱা-কাউৰী, শেষত হাতে-লোটে ধৰা পৰিলগৈ।

জেল-ডাৰোগাৰ পহু এটা আছিল। ৰূপাইক, সেই দিনাৰপৰা ধানৰখীয়া গুচাই পহুৰখীয়া পাতিলে। পহুটো চৰোৱা ঠাই হল ফাটেক ঘৰটোৰ উত্তৰে পুখুৰী-পাৰৰ চাল, আৰু ভাতৰ ধান শুকুৰা হয় তাৰ দক্ষিণে আগচোঁতালত। আমি থাকোঁ ঘৰটোৰ পছিম মূৰত। ঘৰৰ কেউকাষে মুকলি ডুবৰি-কেঞাবনৰ ঘাঁহনি। ৰূপায়ে চুঃ বুলি, পহুটো খেদাৰ ছলেৰেই তাৰ গাত থকা নোমাল কম্বল কাপোৰখন দলি মাৰি মেলিথোৱা ধানচবাৰ ওপৰত পেলাই দিয়ে আৰু পহুটো আঁতৰা মাত্ৰকে

কম্বলখন বুটলি আনি আগৰ ঠাইত মহামহস্তটো হৈ বহি থাকেহি আৰু কাপোৰত লাগি থকা ধানবোৰ এটি দুটিকৈ একৰাই কুটি-কুটি খাই থাকে।

আমালৈ বাহিৰৰপৰা ভাতপানী পঠিয়াইছিল। আমি তিনিও ভাত খাই ঔটেঙাৰ সিটাসোপা পেলাই দিওঁহঁক। কাৰৈ-মাগুৰ মাছৰ কাঁইটখিনিও মাটিত পেলাওঁ। ৰূপায়ে পহু ৰখি থাকোঁতেই, কোনোবা চুকৰপৰা আমাৰ ভাত খোৱালৈ পিৰিকপাৰাকৈ চাই থাকে। এদিন আমি ভাত খাই এঁতাইছোঁ, এনেতে সি দেখোন কোনোবা ফালৰপৰা মলুৰা-বান্দৰটোৱে জাঁপ মৰাদি জাঁপমাৰি আমাৰ আগত থপৰ কৰে পৰিলহি; পৰি, বৰ ভাৰস্তিৰে কলে, "দেউতা, বন্দী আছোঁ নহয়! কাঁইটবোৰ কেলেই পেলাই দিছে?" এই বুলি কৈয়েই, সি মোকোৰা-মোকোৱে কাঁইট-সিটা-চুৰা-মকৰা সোপাকে বুটলি মুখত সুমাই পিহি পেলালে। দেখি বিচূর্ত্তী খালোঁহঁক। কোৱাকুই কৰিলোঁ, "পাৰোঁতে সি ঘৈণীয়েকক কটা নাই!" আমাৰ তালৈ দয়া উপজিল। তেতিয়াৰ-পৰা তাক কাঁইট-কুঁইটবোৰ যে দিওঁৰেই, ভাতো দুটামান-দুটামানও দিবলৈ ধৰিলোঁ। তাৰ মুখৰপৰা ঘৈণীয়েকক কটাৰ কথাবোৰ শুনি লক্ষ্মীকান্ত বৰুৱাই আগৰ ধাৰণা বদলাই ক'বলৈ বাধ্য হ'ল, "এনেটো খঁকুৰা ৰাক্ষসৰ ফাটেকেই হব নেলাগিছিল। এতিয়া হে বুজিলোঁ, গনিঙে বৃটিছ-আইনৰ সম্মান ৰাখিলে!"

অসম-উপত্যকাৰ কমিছনাৰ মিঃ এলেন্ আহক এদিন জেল পৰিদর্শন কৰিবলৈ। লগতে মিঃ গনিঙো। গনিঙে এলেনক আমাৰ তিনিউ-জনৰে এই বুলি চিনাকি দিছিল:—বৰুৱাৰ ফালে টোঁৱাই কৈছিল, "হি ইজ্ দি লীডিং প্লিডাৰ অৱ চিৰ্চাগৰ বাৰ।" শ্রীযুত চলিহাৰ ফালে চাই কৈছিল, "হি ইজ্ এ চন্ অৱ দি লেট ৰায়বাহাদুৰ কালিপ্রসাদ চলিহা এণ্ড এন্ এডুকেটেড টী প্লেণ্টাৰ" আৰু মোৰ পৰিচয় দিছিল, "হি ইজ্ এ ব্রাহ্মিন—এ ফর্চফুল ৰাইটাৰ"। তেতিয়া এনেকুৱা হে লাগিছিল, সেইদিনা মোক ফাটেক দিয়া গনিং যেন এইজন গনিং নহয়েই।

সেই কংগ্রেছ-অফিছভঙা, দৈত্য-দানৱৰ প্রতিমূর্ত্তি গুর্খা চিপাহীকিটাই গধূলি হলে জেলৰ গাতে বাহিৰ পোনে ভজন গায় আৰু গান্ধীভক্ত বুলি আমালৈ মিঠাই-প্রসাদ পঠিয়ায়। টকা আৰু মাদকদ্রব্যৰ মোহত পৰি কেতিয়াবা-কেতিয়াবা দেৱতাও দানৱ হয়। গুর্খা চিপাহী-কিটাই তাকেই আমাক সোৱঁৰাই দিছিল।

[১১]

যোৰহাট-জেলত

অসহযোগী-ফাটেকিয়াল থবলৈ ঠায়ে নোজোৰাত শিমলুগুৰীয়া সেৱক কিজনেসৈতে আমাৰ তিনিউজনক শিমলুগুলি ষ্টেছনেদি যোৰহাট জেললৈ স্থানান্তৰ কৰা হল। ক'ৰবাত পলাই যাওঁ বুলি আমাৰ কাঁইটীয়া সঙ্গী চিপাহী দুজনে আমাৰ ওপৰত চকু দি আছিলেই। যোৰহাটৰ চেনিমৰা ষ্টেছনতে আমাক নমুৰাই বৰভেটালৈকে খোজ কঢ়াই নিলে। সাঁজ লগাৰ লগে-লগেই বৰভেটা জেলৰ বাসিন্দা হলোঁগৈহঁক।

পাছদিনা ৰাতিপুৱা ৫ বজাত শুই উঠাৰ পিছতেই আমাক জেল-ডাৰোগাৰ ওচৰলৈ নি, আমাৰ গাৰ জোখ আৰু ভৰৰ ওজন ললে। শিৰসাগৰত দিয়া "হিজ্‌টৰী স্বীট্" অৰ্থাৎ কোনদিনা আমাৰ গা কেনে আছে, ওজন কিমান বঢ়া-টুটা হৈছে তাৰ হিচাপ ৰখা তালিকাত আমাৰ গাৰ দীঘ-বাণি আৰু তিল-মাহ-তুলসী আদি চিন-চকৰবোৰ টুকি ললে। তাৰ পিছত, মাৰভাত খুৱাই গঁৰালত সুমুৱাই থলেগৈ।

বৰভেটা-জেলটো যোৰহাটলৈ সদৰ ঠাই নিয়া-সময়ত ১৯১১-১২ চনত সজোৱা। সেই বাবে, বাহিৰৰ ইটাৰ বেৰ বা দেৱালকিখন শিৰসাগৰৰ দৰেই পকী, ওখ আৰু কটকটীয়া; কিন্তু, গাঁঠন-ছাটন আৰু গঢ়টো আধুনিক ঠাঁচৰ।

শিৰসাগৰৰ দৰে, তেত্তিয়াও ফাটেকিয়াল-ঘৰ বাহিৰে-ভিতৰে পকীকৈ তুলিব পৰা নাই। ভিতৰখনত কয়দী থকা ঘৰো ডাকৰ, সিও খেৰৰ। টিনৰ মুঠেই দুটা। ৰাজনৈতিক বন্দীবিলাকক চোৰ-ডকাইতৰ ফাটেক-ঘৰৰপৰা বেলেগাই ৰাখিবলৈ মাজতে দেৱাল এখন দি থোৱা আছিল।

আৱশ্যক নাছিল দেখিয়েই হবলা, যোৰহাট জেলত ৰাজনৈতিক বন্দী ৰখাৰ ভাল ব্যৱস্থা নাছিল। কোনোমতে গোঁজা মাৰি থৰ পৰাকৈ

কিছুমান সৰু-সৰু ঘৰৰ হাটী সজাই থোৱা হৈছিল। ঘৰটোহঁতৰ ভিতৰত ষিবোৰ কোঠা বা গঁৰাল আছিল তাত চাৰিজনতকৈ অধিক কয়দী থাকিব নোৱাৰে। হওঁতে, পোন-প্ৰথমতে আমাক নি টিনৰ ঘৰ এটাতে চিতল মাছ জঁপা-দি জাঁপি থৈছিলগৈ। ঠাই নোহোৱা-বাবেই হওক, জেলডাৰোগাজনৰ অনুকম্পাৰ বাবেই হওক, কাম কৰিব লগীয়া-কি, নলগীয়া-কি, সকলো ৰাজনৈতিক বন্দীকে একে ঠাইতে থুপ খুৱাই থৈছিল।

আমাক নিয়াৰ আগৰেপৰা কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশনেতা শ্ৰীযুত কুলধৰ চলিহা, "মামা" কৃষ্ণনাথ শৰ্ম্মা, গোমোঠা দৃঢ়প্ৰতিজ্ঞ আৰু কোনেও আসৈ নোপোৱা ভুবনচন্দ্ৰ গগৈ আৰু টেটকুটীয়া চতুৰ ৰসিক শ্ৰীযুত দুৰ্গাপ্ৰসাদ বৰঠাকুৰ তাত আছিলেই। ৰাজনৈতিক বন্দীৰ নিমিত্তে আছুতীয়াকৈ থোৱা খলা বা চোঁতালখনতে তেখেতসকল কেউজন একেলগে থাকিবলৈ এটি জোংঘৰ সজাই দিছিল। তেখেতসকল তাতে থাকে, আৰু আমি থাকোঁ সুকীয়া-সুকীয়া হাটীৰ সুকীয়া-সুকীয়া বাহত।

ৰাতিটো বেলেগে-বেলেগে পৰি থাকোঁ যদিও, দিনটো সকলো একেলগ হওঁ হঁক। আমাৰ লগৰীয়া আছিল (মনত পৰা কিজন) গুৱাহাটী জেলৰপৰা অনা কবি, চিত্ৰশিল্পী আৰু হাস্যৰসৰ থুনপাক শ্ৰীযুত মহেন্দ্ৰনাথ ডেকা ফুকন; সুঠাম শৰীৰৰ, তামদলৈ বংশধৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা; হেমচন্দ্ৰ বৰুৱা (ত্যাগবীৰ), কৰ্ম্মবীৰৰ পুত্ৰ উমেশ বৰদলৈ; গুৱাহাটী উজানবজাৰৰ থুকুৰিল গাৱঁৰ ভলন্টিয়াৰ শ্ৰীমান মহেশচন্দ্ৰ দাস; যোৰহাটৰ ৰোহিণীকান্ত হাতে বৰুৱা; "ৰণৰ কুকুৰা" শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা (কেন্দুগুৰি); শ্ৰীযুত বিদ্যাধৰ শৰ্ম্মা; শ্ৰীমান পদ্মেশ্বৰ গোস্বামী; শ্ৰীযুত লক্ষেশ্বৰ বৰুৱা, অৰ্জ্জুন সিং পঞ্জাবী, শ্ৰীযুত শশীধৰ মলীয়া, জাঁজীৰ শ্ৰীমান দেবেন্দ্ৰনাথ ঠাকুৰ, শ্ৰীমান দিবাকৰ ফুকন, শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰ চেতীয়া প্ৰভৃতি বহুত সেৱক। শিৱসাগৰৰ যোগকান্ত বৰুৱা, ইন্দ্ৰেশ্বৰ চুতীয়া, বোধেশ্বৰ গগৈ, দুৰ্গাধৰ বৰুৱা,

মাজুলীৰ কেশৱচন্দ্ৰ বৰা আদি শ্ৰীযুত সকল। এওঁবিলাকৰ উপৰিও, শিৱসাগৰ, বামুণপুখুৰী, টীয়ক, চাৰিগাও, কেন্দুগুৰি, টিলিকিআম, গোলাঘাট, মহিমা, গণকৰ-পুখুৰী, দেৱগাওঁ আৰু দক্ষিণ হেজেৰাৰ ভালেমান বন্দী ভলণ্টিয়াৰ আছিল। তাৰ ভিতৰত যোৰহাটৰ ধেমেলীয়া সাহিত্যিক মৌঃ পজিৰুদ্দিন আহম্মদকো লগপোৱা মনত পৰে।

তেতিয়া বৰদলৈ ডাঙৰীয়াৰ ককায়েক শ্ৰীযুত বিপিনচন্দ্ৰ বৰদলৈ পেঞ্চন লৈ তৰাজানৰ নিজা ঘৰতে আছিল আৰু ভায়েক শ্ৰীযুত গিৰীশচন্দ্ৰ বৰদলৈয়েও যোৰহাটতে একষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ-বিষয় খাইছিল। দুয়ো ককায়েক-ভায়েকে তেখেতলৈ সদায় ভাত-জলপান পঠিয়াই থাকে। মাছ আছেই; মঙ্গহো সপ্তাহত দুবাৰ-দুবাৰকৈ আহে। জলপানৰ বস্তু ৰুটী-মাখন, কেতিয়াবা হে লুচী; তাকো আকৌ মনে-মনে। কাৰণ, কয়দীৰ বেমাৰ হয় বুলি জেলত লুচী খাবলৈ নিদিয়ে। চলিহা ডাঙৰীয়ালৈও সেই অনুপাতেই আহে। আহিলে নো কি হব? —এপাচি কচুশাকত এটা জালুক! কাক দিব, কাক থব? সেইবোৰ অনা দেখিলেই, বলিয়া কুকুৰৰ দৰে পেটে-কঁকালে লাগি থকা সহকৰ্ম্মী-বিলাকৰ মুখৰ পানী টোপাটোপে বৈ অহা স্বাভাৱিক। তেনেকুৱা সতীৰ্থসকলক বঞ্চিত কৰি বৰদলৈ ডাঙৰীয়াই কোন সতে সেই অন্নব্যঞ্জন, জা-জলপান ভক্ষণ কৰিব? সকলোৱে, মনে জানিয়েই তেখেতক সেই ভোজ্যবস্তু অকলৈয়ে গ্ৰহণ কৰিবলৈ একবাক্যে-একচিত্তে অনুৰোধ কৰাত যেনিবা তেখেতে বাহিৰৰপৰা দিয়া বস্তু গ্ৰহণ কৰিবলৈ মান্তি হল। তথাপি, চকুত পৰা ল'ৰা-ভলণ্টিয়াৰ দুজনমানক খোৱাৰ ভাগ একোটা নিদিয়াকৈ বৰদলৈ ডাঙৰীয়াই সেই বস্তু গ্ৰহণ নকৰিছিল।

সেইখন খলাতে গা-ধোৱা পানীৰ 'পাইপ্' (নলী) এটা আছিল। তাত "শ্বাৱাৰ বাথ্" বা বৃষ্টিস্নান কৰিব পাৰি।—পাইপটো খুলি দিলেই বৰষুণৰ এছাৰকণি পৰা-দি গাত ছিৰ-ছিৰ কৰে পানী পৰিবলৈ ধৰে। 'পাইপত' গা ধোৱাটো "চখৰ" কথা। তদুপৰি কৰ্ম্মবীৰৰ আদেশ—"ফাইল" কৰাৰ পাছতে আমি গা ধুব লাগে। গা ধুই

উঠিয়েই জিৰণি লোৱা চালি এখনৰ তলত দিহা-নাম গাবলৈ বহাদি শাৰী পাতি দুশাৰী হৈ বহিব লাগে। কেতিয়াবা-কেতিয়াবা, সেই বহা ঠাইতে মাৰভাত দিয়েগৈ। পিছে, মাৰভাত খোৱাৰ আগেয়ে সঙ্গীতপ্ৰাণ বৰদলৈ ডাঙৰীয়াই আমাক শ্ৰীমৎ শঙ্কৰাচ্ছাৰ্য্যকৃত অন্নপূৰ্ণা স্তোত্ৰটো মুখে-মুখে পাঠ কৰোৱায়। তেখেতে গলগলীয়া অথচ, সুললিত সুৰেৰে পোনেই লগাই দিয়ে,—

"নিত্যানন্দকৰী বৰাভয়কৰী
সৌন্দৰ্য্য ৰত্নাকৰী
নিৰ্ধূতাখিলঘোৰপাৱনকৰী
প্ৰত্যক্ষমাহেশ্বৰী।
প্ৰালেয়াচলবংশপাৱনকৰী
কাশীপুৰাধিশ্বৰী,
ভিক্ষাং দেহি কৃপাৱলম্বনকৰী
মাতান্নপূৰ্ণেশ্বৰী।"

আৰু, আমি এটাইবোৰে ভক্তি ভাবত, নাইবা, সুৰৰ মোহত গদগদ হৈ সমস্বৰে ঘোষাটো গাওঁহকঁ, "ভিক্ষাং দেহি, কৃপাৱলম্বনকৰী, মাতান্নপূৰ্ণেশ্বৰী।" কৃটবোৰো তেখেতৰ লগে-লগেই গাই গৈছিলোঁ। সেই সময়টোত, জেলখন আমালৈ, সঁচাকৈয়ে নৈমিষাৰণ্য যেন হৈছিল। স্তোত্ৰটো পাঠ কৰোঁতে আত্মজ্ঞানী বৰদলৈ ডাঙৰীয়া ইমান আপোন-পাহৰা হৈছিল যে তেখেতৰ চকু চকুপানীৰে জলজলীয়া হৈ পৰিছিল। তেখেতে শব্দৰ ভুল উচ্চাৰণ সমূলিকে শুনিব নোৱাৰিছিল; কৈছিল; "শব্দ উচ্চাৰণৰ মাহাত্ম্য আছে।" তিনিবাৰ তপস্যা কৰি প্ৰোক্ত হোৱা বিশ্বামিত্ৰ ঋষিৰ দৰে কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়া খঙাল আছিল যেনেকৈ, ছেকছপীয়েৰে পৰ্চিয়াৰ মুখত কোওৱা "স্বৰ্গীয়-বস্তু ক্ষমাৰ" প্ৰতীকো আছিল তেনেকৈ। কংগ্ৰেছত শৰণ লোৱাৰ দুবছৰমান আগলৈকে আছিল বিলাতলৈ নোযোৱাকৈয়ে কথাত বিলাতী জড়বাদী ছাহাবৰ দৰে;

কিন্তু অন্তৰখন আছিল অধ্যাত্মবাদেৰে সৰস নিভাঁজ ভাৰতীয়ৰ অন্তৰ। সেই হে সৰ্ব্বস্ব কৰে অন্নপূর্ণা স্তোত্ৰ গাব পাৰিছিল।

সশ্রমীবিলাকক জেলকর্ত্তাই পোনতে টান কামত লাগোৱা নাছিল। এল'পাত (শণ গছৰ পাত) খুন্দি, তাৰপৰা আঁহ উলিয়াবলৈ দিছিল। শুনোতে কামটো বৰ ঢিলা যেন লাগে, কিন্তু সি যে কঁকাল-ভঙাৰ বাপেক, খুন্দিবলৈ ললে হে কব পাৰি। মৰিয়াই-মৰিয়াই পাতৰ কোঁহাখিনি একৰাই আঁহবোৰ কঁটালোতে, তাৰ এঠা লাগি হাত ভৰিবোৰ বৰ খজুৱায়। তথাপি, মাৰভাত খায়েই অ-শ্রমী-কয়দীকিজনেও এল'পাত খুন্দি সশ্রমীকিজনক অলপ লা-ঢো কৰি দিছিল। এইটো গানকে গাই, সকলোৱে পাতখুন্দা দুখক দুখ মুবুলিছিল :—

"মাৰভাত-খাই-বই এল'পাত খুন্দোগই
মৰি যাম, মানি যাম গান্ধীনাম ৰাখি যাম ॥"

এইদৰে নাম গাই-গাই খুন্দা শেষ কৰিয়েই সকলোৱে পাইপ্‌টো খুলি বৃষ্টি-স্নান লয়। এই কামত যোৰহাটৰ ভলণ্টিয়াৰ কিজন বৰ চাৰ। তেওঁবিলাকে হোৱাতো-নোহোৱাতো পাইপৰ পানীতে খেটখেটাই থাকে। জেলৰ হল বুলিও, এইদৰে পানী অপব্যৱহাৰ কৰা ভাল নহয়। সেইদেখি, বৰদলৈ ডাঙৰীয়াই শ্রীযুত চলিহাক তাৰ ওপৰত চকু দিবলৈ ভাৰ দিলে। চলিহা ডাঙৰীয়াই কিন্তু, প্রায়েই আওকণীয়া ভাও ধৰি থাকে। এদিন ৰাৱনা পথাৰৰ-নে ৰামুগাৱঁৰ শিমলুগুৰীয়া হোজা ভলণ্টিয়াৰ গোলোক গগৈয়ে পাইপটোৰ মাৰিডাল (হেণ্ডোল) ছুই দুহেঁচা কি এহেঁচা মাৰিছে হে, এনেতে, চলিহা ডাঙৰীয়াই ভেকাহি মাৰি তেওঁক খেচখেচাই বহুত কিবাকিবি কলে। অকৰামুৱা খং উঠিলত, তেওঁ পোনাছাটেই বৰদলৈ ডাঙৰীয়াক জনালেগৈ—"যোৰহটীয়া লৰাবোৰে সদায় পাইপটো ঘটং-ঘটং মাৰিয়েই থাকে, তেও চলিহা-দেউতাই মুখেৰেই নেমাতে ; মই ছুইছিলোঁ হে, তাতেই দেউতাই মোক পাৰেমানে ডাবি দিছে। যোৰহটীয়া হলে হলে, জগৰেই নাই।"

জেল ভলণ্টিয়াৰৰ ৰৰসেনাপতি ভাবপ্ৰৱণ ৰৰদলৈয়ে কাথাযাৰ স'ৰ নোৱাৰিলে ; তৎক্ষণাৎ তেওঁক বুজাই-ৰৰাই শান্ত কৰিবলৈ চলিহাক অনুৰোধ কৰিলে।

উঠি-অহা ডেকা স্বেচ্ছাসেৱকবিলাকৰ বহুতৰে নিতৌ ডাঢ়ি খুৰোৱা অভ্যাস আছিল। কিন্তু, সকলোৰে লগত খুৰ নাছিল। সেই-দেখি, কোনোবা এজনৰ একেখন খুৰেৰেই ক্ষৌৰকাৰ্য্য কৰিবলৈ যাওঁতে প্ৰায়ে কঢ়া-আজোৰা লাগে। ৰৰদলৈ ডাঙৰীয়াই আমাক সদায় কৈছিল, আজিকালিৰ ডেকালৰাবোৰ ডাঢ়িগোঁফ খুৰাই তিৰীমুৱা হবলৈ হে ভাল পায়। গোঁফ ৰাখিবাহঁক।" তেখেতৰ কথা মতেই তেতিয়াৰপৰা মই গোঁফ ৰাখিবলৈ ধৰিলোঁ।

কি ৰাজনৈতিক, কি অ-ৰাজনৈতিক সকলো ফাটেকিয়াল-হাজতিয়ালেই (শিৰসাগৰ জেলৰ দৰেই) শুই উঠিয়েই ফাইল হৈ, ছৰ্কাৰৰ আনুগত্য জনাব লাগে। ইয়াকে জেলৰ অভিধানত ছৰ্কাৰ-চেলাম' বোলা হয়। এই কাম দৈনিক কৰ্ত্তব্যৰ ভিতৰত। তাতে, আকৌ কেতিয়াৰা যদি উপৰুৱা জেল-পৰিদৰ্শক এজন আহিল, তেওঁকো আকৌ "ছৰ্কাৰ চেলাম" দিব লাগে। যুক্ত প্ৰদেশৰ (উত্তৰ প্ৰদেশৰ) চৌৰীচৌৰাত অহিংস-অসহযোগীয়ে হত্যাকাণ্ড এটি কৰাত মহাত্মাই "মোৰ হিমালয়ান ব্লাণ্ডাৰ" (হিমালয় সদৃশ ভুল) হল বুলি অনুতাপ কৰে। এই চৌৰীচৌৰাত হোৱা হত্যাকাণ্ডৰ উপৰিও "ইয়ং ইণ্ডিয়া" কাকতত "বৃটিছ সিংহৰ কেশৰ জোকৰা," আৰু এটা প্ৰবন্ধ লেখা-বাবে কাকতৰ সম্পাদক মহাত্মা গান্ধীৰ ছবছৰ কাৰাদণ্ড হয়। এই বাতৰিকে লৈ, তেতিয়া যোৰহাটৰ এক্‌টিং অৰ্থাৎ দিন দিয়েকৰ বাবে হোৱা ৰদল-ডেপুটী কমিছনৰ বেণুধৰ ৰাজখোৱা ডাঙৰীয়া আহক জেল পৰিদৰ্শন কৰিবলৈ। জেললৈ সোমায়েই পোনেই তেখেত আমি থকা ছাউনীলৈ আহিল। জমাদাৰৰ হুকুমমতে আমি আটায়ে "ছৰ্কাৰ-চেলাম" দিবলৈ সাজু আছোহঁক। তেখেতে আমাৰ মন ভাঙিবৰ অৰ্থে জয়ে-জয়ে ৰৰদলৈ ডাঙৰীয়াক কলে, "আজি ৰৰ ডাঙৰ খৰৰ হেঁ,

গান্ধীৰ ছবছৰ জেল হল।" ৰৰদলৈয়ে ক্ষণিকো বিলম্ব নকৰি স্বভাৰসুলভ ভেঙুচালি ঠেওৰে অথচ, সসম্মানে চুঙা-চাই সোপা দি থলে,—"ভাল হল, আজি খাহী মাৰি ভোজ খোৱাঁগৈ। (ৰাজখোৱা-ৰৰদলৈ দুয়ো সমসামায়িক বন্ধু আছিল)। তেতিয়া ডেপুটী কমিছনাৰে তেওঁৰ হাততে থকা "ষ্টেট্ছ্মেন" কাকতখন ৰৰদলৈক দি, তেখেতৰ আগৰপৰা আঁতৰি গল। সৰল প্ৰকৃতিৰ ৰাজখোৱা ডাঙৰীয়া ডেপুটী কমিছনাৰ নহৈ—আন কোনোবা এজন হোৱা হলে, সেই কথা কোৱা বাবে স্পষ্টবাদী কৰ্ম্মবীৰৰ হাততে গোটা জিজিঁৰি (বাৰ ফেটাৰ্চ) লাগিলহেতেন।

'মাকৰ ঘৰত বিহু খাবলৈ যোৱা' ৰৰদৈচিলাই এদিন দাগী চোৰ-ফাটেকিয়াল থকা ঘৰ দুটামানৰ মূধৰ চাল উকৰাই নিলে আৰু দুটামান মাটিত পেলাই হেৰেপা খুৰালে। ৰাজনৈতিক বন্দী আছিল টিনৰ ঘৰত। নেতাসকল থকা জোং-ঘৰটো ওখ-চাই খুঁটাৰ পোতনো আছিল। চালকিখনো সৰণ খেৰেৰে ডাঠকৈ ছোৱা, গাঁঠিবোৰো টান। সেই দেখি, ৰৰদৈচিলাৰ ধুমুহাই বিশেষ অপকাৰ কৰিব নোৱাৰিলে; কেৱল, মাজৰ খুঁটাকিটাহে হেলেক্-লেক্ কৰি গল। পাছ দিনা জমাদাৰে চোৰ-কয়দী-দুটামানক আনি খুঁটাকিটা সলাবলৈ লগালে। খুঁটাৰ পোক্তন ইমান দ আছিল যে উলামূলা মানুহৰ লৰাবৰে সাধ্য নাছিল। কেবাটায়ো হাতীপুঁৰ দি এটা খুঁটাকে উলিয়াব নোৱৰা দেখি, কয়দী এটাই উচাট মাৰি তাহাঁতক "চাওঁ গুচ বুলি" দুই হাতে খুঁটাটো গৰা মাৰি ধৰি ভাৰৌক কৰে উঘালি পেলালে। পেলায়েই, উশাহ ছাৰি ভীমদৰ্পে স্বগতঃ উচ্চাৰিলে,

"ইয়ালৈকে আকৌ চোৰ নাম লৈ ফাটেক খাব লাগিছে! নেফিয়া চোৰখনে কি খুঁটা উঘালিব? ভাতখোৱা গাৰিশলি একোটা হৈ আছে আৰু? ইহঁতৰ লগত পৰি আমাৰো ভাল নাও মুমাবৰ বাহ হল!"

দাঁতিতে বহি থকা বন্দী এজনে সুধিলে, "হে'ৰা, নেফিয়াচোৰ কেনেকুৱা হে?" নেফিয়া-নোহোৱা বীৰবাহু ফাটেকিয়ালটিয়ে উত্তৰ

দিলে "বুইছে, দেউতাসকল, যেয়ে-সেয়ে চোৰ হব নোৱাৰে। চোৰ বোলালে গাত বহুত গুণ থাকিব লাগিব। ইহঁতে হাউলা খুঁটা এটাকে লৰাব নোৱাৰিলে, ইপিনে হেনো চোৰ! চোৰ যদিও লাপিলুপা হাত-লৰা চোৰ; আমাৰ দৰে দগধা গভাইত চোৰ নহয়। এইবোৰ চোৰ আমাৰ জোৰবো নহয়, ফেৰবো নহয়। ইহঁতে আমাৰ নিচিনা চোৰৰ নাককাণ হে কটালে। আমি কিবা ইহঁতৰ দৰে নে? চুৰ কৰিবলৈ হলে, আমি দোলা-হাতীত উঠি যাওঁহঁক। লগত, আমাৰে আলধৰা, লগুৰাই গায়ন-বায়ন গাই যায়। ৰান্ধনিবেলি মাৰ যাবৰ হলেই কোনোবা গাৱঁৰ নামঘৰত আচহুৱা গোসাঁই বুলি থাকিবলৈ লওঁগৈ। তাতে দুদিনমান জিৰাই গাওঁখনৰ উমান বুজোঁ। চহকী মানুহ আছে-নাই, গম লওঁ। থকা গম পালেই, আমাৰ লগুৱা-আলধৰা তালৈ যোৱা ঘন হয়। তাহাঁতে সিবোলাকক কয়গৈ, "এই গৰাকী অমুক সত্ৰৰ সোসাঁই; চহৰ ফুৰিবলৈ আহিছে। এই জোনাকী একাদশীতে চলাজনা গুৰুৰ তিথি পৰিছে। তিথিত 'বঘাসুৰ বধ' ভাৱনা কৰা হব। তালৈকে, আপোনাসকলক জনাবলৈ আহিলোঁ।

সেইমতে ভাৱনাৰ দিনা ঘৰ উদং কৰি সিবোলাক ভাৱনা চাবলৈ যাব আৰু আমিও সেই ছেগতে ঘৰখন লুৰুকি আহিমগৈ। এই শৰীৰেৰেই কেতিয়াবা লোৱৰ পেৰা একোটাও পিঠিত তুলি অনা হৈছিল। গোসাঁই-মানুহ বুলি পুলিছ যে আমাৰ ওচৰলৈ নাহেই। আমি বাদ্য-ভণ্ড বজাই দমদমাই সেই স্থান পৰিত্যাগ কৰোঁ। এইদৰেই দেউতাসকল, কত ঠাইত চুৰ কৰিলোঁ, কতনা ঠাইত সিদ্ধি দিলোঁ, তাৰ কি অন্ত পাব? অইন হে নেলাগে, জেলত থাকোঁতেও, জেল-ডাৰোকাৰে কথা হৈ জেলৰপৰাই চুৰ কৰোঁগৈ। চোৰাই-মালৰ ভাগ অলপ ডাৰোকাকো দিব লাগে। আজিকালি পিছে, তেনেকুৱা জেল-ডাৰোকা নাই। চুৰ কৰাও এটা ধৰ্ম্ম বুলিয়েই ধৰকচোন। আমাৰো হৰিসহায় আছে। নহলে নো, কোনোবাটো চোৰক কেতিয়াবা সাপে খুঁটি মৰা শুনিছে জানো? বজ্রপাত পেলায়েই বা কাৰোবাক মাৰিছে?

কেতিয়াবা পিছে পচলাতে দাঁত ভাঙিব লগীয়া হয়। মাৰভঙা লগৰীয়ায়েই কথাৰ ভেদ ভাঙি দিয়ে। চোৰে কেতিয়াও চোৰ-পৰিকতি এৰিব নোৱাৰে ; এইটো হলে খাটাং কথা। এৰিব পৰা হলে, অমুকাই এইবাৰেৰেসৈতে চৌদ্ধবাৰ ফাটেক খাওঁ নে ?"

নিশাচৰ, গভাইত ফাটেকিয়ালটিৰ মুখৰপৰা চুৰ কৰা ফন্দীটো শুনি বৰদলৈ ডাঙৰীয়াই আচৰিত হৈ মাত লগালে,—"ইমান দিন ওকালতী কৰিলোঁ ; জেলৰ ভিতৰখনৰ কথা তো নাজানিলোঁৱেই, জেইলাৰে যে চুৰ কৰিবলৈ চোৰ-কয়দী মেলি দিয়ে, এইটো বাতৰিও আজি হে শুনিলোঁ !"

তাৰ পিছত, এজন খুহুতীয়া বন্ধুৱে (বিদ্যাধৰ শর্ম্মা হব পায়) চৈধ্যবৰীয়া জেলযাত্রীজনক সোৱঁৰাই দিলে বোলে, "চোৱাঁচোন, তোমালোঁকে যেন লোকৰ অনিষ্ট কৰি ফুৰা, বৰদৈচিলাই পাই ৰাতিৰ-ৰাতিটো তোমালোকক বৰষুণে তিয়ালে আৰু আমি যেন ৰাইজৰ উপকাৰৰ নিমিত্তি ফাটেকলৈ আহোঁ, আমাক বৰুণ দেৱতাই একোকে নকৰিলে।"

জেলৰ বং ধেমালি

বেলি লহিয়ালেই আমাৰ ছাউনী-চোঁতালত ছাঁ পৰেহি। তেতিয়া সকলোৱেই হৈ-গুড়ু বা কবদি খেলিবলৈ আৰম্ভ কৰোঁহঁক। অৱশ্যে, সেই ধেমালিত বৰদলৈ, চলিহা, কৃষ্ণ শর্ম্মা, মাখন উকীল আৰু ভুবন গগৈয়ে যোগ দিয়া নাছিল। কিন্তু, শ্রীযুত দুর্গাপ্রসাদ বৰঠাকুৰ উৎসাহিত হৈ ওলাইছিল। তেখেতে আমাৰ লগত যোগ দি, আমাক বৰ উৎসাহ দিছিল। বৰঠাকুৰ ওখই-পাখই বৰ গহীন পুৰুষ ; গা-গাৰিও শকত, পেটটো হোৰোসা, বয়সতো আমাতকৈ জ্যেষ্ঠ। তেখেত যিটো দলতে থাকিব, সেইটোৱেই জিকিব, এই কথা ধ্রুপ। গতিকে তেখেতৰ বিপক্ষ দলটোৱে গুড়ু খেডাত মৰোঁ-জীওঁকৈ লাগিবলগাত পৰে ; নাইবা চান্দনিসৰকা দিয়া বহুত বাগি-বুগাও জানিব লগা হয়।

এদিন বৰঠাকুৰ দাদাই, "হৈ গুড়ু মালি .....(তাৰ পিছত গাব লাগে," "ভগন পোৱালি, ভগন লেটিপেটি কঁকাল ঘুৰাওঁ বেটী") বুলি, বিপক্ষৰ থলীত হৈ-দিবলৈ ধৰোঁতেই লৰা দুটামানে পাছফালৰপৰা তেখেতক গৰা মাৰি ধৰিলে। বৰঠাকুৰৰ উশাহটো দীঘল হোৱাত "মাৰিবলৈ" বহুত পৰ লাগিল। ইপিনে উশাহো আছে, দবৰা-দবৰিত মুখৰ মাতো অন্ত হোৱা নাই (বিপক্ষৰ ঘৰত বান্ধত থাকোঁতে উশাহ গলেই মৰে), বৰঠাকুৰ 'মৰে' কেনেকৈ ? লৰাহঁতে টনা-আঁজোৰা কৰি, অৱশেষত, বৰঠাকুৰক লুটি খুৱাই পেলাই হে এৰিলে! পৰোঁতেও গুৰিকঠাল পৰা দি, বৰঠাকুৰৰ বিৰাট বপুটো নেকেহ কৰে পৰিল। তেতিয়া যে হাঁহিৰ কিৰীলিখন! কি চাব—ধেমালি কৰোঁতা-চাওঁতা আৰু যোগ দিব নোৱাৰি আঁতৰত থকা আটায়ে হাঁহি-চাপৰি মাৰি জেলৰ মেৰটো খলক লগাই দিলে। অইন কি, আউনীআটী সত্ৰৰপৰা খেদা খাই আহি জমাদাৰ কাম কৰোঁতা হিন্দুস্থানী চিপাহীটোৱেও আমাৰ লগতে উজান দিবলৈ লৰি আহিছিল। বৰঠাকুৰ হেন জৰাসন্ধক পেলাবলৈ শ্রীযুত মহেন্দ্র ডেকাফুকনে কেবাদিনৰ আগৰেপৰা বুদ্ধি-সন্ধি পাঙি চান্দি আছিল। আৰঙ্গ-ভূমিত পতন হোৱাৰ পাছতে শ্রীযুত বৰঠাকুৰে গুড়ুখেডাৰো যৱনিকা পৰিল। অর্থাৎ বৰঠাকুৰে সেইদিনাৰ-পৰা গুড়ু খেডিবলৈ এৰি দিলে।

শকতে-আৱতে, ওখই-পাখই বৰঠাকুৰৰ সমান জাকত জিলিকা বৃহৎ "কয়দী"—আমাৰ পালী-নেতা আৰু ভলণ্টিয়াৰৰ মাজত আন কোনো নাছিল। এদিন দক্ষিণ হেঙ্গেৰাৰপৰা আহিল "দাগী" অর্জ্জুন সিং পঞ্জাবী ভলণ্টিয়াৰ। আমাৰ দুপৰীয়া-ছাউনীৰ দুৱাৰখন খোল-খোৱা মাত্রকেই বৰঠাকুৰে তেওঁক সাৱট মাৰি ধৰি আগবঢ়াই আনিলেগৈ। পাছত, বৰঠাকুৰৰপৰা কথাই-কথাই ওলাই পৰিল—তেখেতে হেনো সাবট মাৰি ধৰা-ছলেৰেই পঞ্জাবীজন নো তেখেততকৈ কিমান ওখ, তাকেহে জুখি চালে।

জেলৰ খোৱাবস্তু আৰু ৰবঠাকুৰ

নিজা-নিজা ভাগৰ লোৱৰ থালখনহঁতত ধূলি-বালিৰে নাইবা বন-বাতেৰে মোহাৰি আগে-আগে লৈ ভাত খাবলৈ বহোঁহঁক। মুখামুখিকৈ দুশাৰী হৈ বহিব লাগে—যাতে ভাত-বিলনীয়াটোৱে দুয়ো হাতে সমানে হেঁতাখনেৰে ভাত ছটিয়াই যাব পাৰে। এটাই ৰৰ টো এটাত এটো ভাত লৈ আহে; এটাই তাৰে মেলাহি কাঁহী (থাল) খনত ধৰেমানে ভাত পেলাই লয়, কানৰ ওপচ হলেই কাটি থয়—ওপচকৈ দিবৰ নিয়ম নাই। থালখনত ধৰে তিনিছটাক বা পোন্ধৰ টকা ভাত। সিমানখিনি ভাত হে বিলনীয়াই কয়দীৰ "কাঁহী"ত দি যাব পাৰে। টোধৰা আৰু বিলনীয়াৰ পাছে পাছে হাতত বেঁত এডাল লৈ জমাদাৰ যাবই। কাৰোবাক দুখেও (দুবাৰ) দিব লাগিলেই বিলনীয়াৰ কলাফুলত ছটপ্-ছটপ্ কোব। ভাতৰ লগত ভজা (ভাজি) বুলি আধাকেঁচা-আধাসিজা ডকৰা কবিৰ পাত কিছুমান, নাইবা লাইশাক বা ঢেকৰাশাকৰ ঠাৰি কিছুমান দিয়ে। সেইবোৰ ভজা নুবুলি ঘাঁহৰ খৰলি বোলাই ভাল। আঞ্জাৰ নামত আধাসিজা খেচাৰী মাহৰ ঢেংঢেঙীয়া পানী এটোপা (বহৰ-মছুৰৰ পানীটোপা কাচিং হে ছুবলৈ পোৱা যায়)। তাতো আকৌ তেল-হালধিৰ সঁচ নাই—আঁহিয়া-আঁহিয়া গোন্ধত মুখলৈ নিবই নোৱাৰি। জেলৰ বহীত দিবৰ নিয়ম আছিল বুলি শুনিছিলোঁ হে; পিছে, মই থকা কিদিনত মাছ-গাখীৰ, কণী-মঙ্গহৰ ছাটকে ছুই নেপালোঁ। জলকীয়া বা অইন ভোজন-ঠেলা বস্তুও একোকে খাব নোৱাৰি—খাবলৈও মানা।

প্ৰছাদ উকীলৰ গা যেনেকৈ শকত, পেট যেনেকৈ ডাঙৰ, খাৱনটোও তেনেকৈ 'ব্যাঘ্ৰ অৱতাৰী', তেখেতক জলকীয়া লাগেই—নহলেই নহয়। জলকীয়া নহবৰ দিনা তেখেতৰ খোৱাই চেলেং-পেটেং। কোনোবাই দেখলে খুজিব পাৰে, এই আশঙ্কা কৰিয়েই হবলা (আশঙ্কা কৰা যোল অনা উচিতো) তেখেতে সদায় হাতৰ মুঠিতে লুকুৱাই এমুঠি জলকীয়া লৈ যায়। বিলনীয়া 'ঠাকুৰে' ভাত পেলোৱা মাত্ৰকতে আনে নেদেখাকৈ,

সেই জলকীয়া মুঠি তেখেতে ভাত-কাঁহীৰ মাজতে পুতি পেলায়। এই নিষিদ্ধ কচিকৰ বস্তুটি জেলৰ ভিতৰত কেনেকৈ প্ৰবেশ হয়হি, সিও এটি ৰহস্যৰ কথা।

ফাটেকিয়ালৰ ভাগত পৰা ভাতকিটাৰেই ৰৱঠাকুৰৰ ৰৱপেটৰ চাৰি-চুকৰ এচুকৰে খজুৰতি নমৰে। কিন্তু, তেখেতৰ প্ৰতি বিধি প্ৰসন্ন। ওলাল জেলতে, তেখেতৰ 'পৰম সুহৃদ বান্ধৱ এজন'। সেইজনেই সেই ভাতবিলনীয়াজন। তেওঁ ফাটেকখোৱা-মকৰ্দ্দমাটোৰে উকীল আছিল দুৰ্গাপ্ৰসাদ ৰৱঠাকুৰ। পূৰ্ব্বৰ মক্কেলী-মিত্ৰতাৰ উপকাৰ স্মৰি ৰৱঠাকুৰৰ থালত তেওঁ থাপতে এহেঁতা ভাত বেচিকৈ দি যায়। বিলনীয়াজন 'কেপ্তাবাবু'—নামটো আছিল পূৰণমল কি ছফৰমল। ৰৱঠাকুৰৰ ওচৰ পালেই খাওঁতাৰ চকু-টিপতে কোন টলকত নো ভাত-হেঁতা পেলাই থৈ যায়, কোনেও মনিবকে নোৱাৰে। লোকৰ হাত দাঙিবৰ হয়, ৰৱঠাকুৰৰ সোঁ মাজ পায়গৈ হে। দেখি, আটাইৰে চকু থিৰ! মাৰোৱাৰীও কম টেঙৰ নহয়—পাল্লা-পাঞ্চাৰ ফেৰত মৰা ধূলিখিনি জেললৈ আহি জমাদাৰৰ চকুতো মাৰিবলৈ শিকিলে। "স্বভাৱো যাদৃশী যস্য, ন জহাতি কদাচন।" কিছুদিনৰ পিছত বিলনিয়া-জনক ৰাজনৈতিক "পাকশালৰপৰা" আঁতৰাই ইতৰ কয়দীশালৰ পৰিচৰ্য্যাত নিযুক্ত কৰা হল। সেইদিনৰ পৰা, আমাৰ দৰেই ৰৱঠাকুৰো আধাপেটীয়া হৈ থাকিবলগীয়া হল।

জেলত পেটভৰাই খালেও যেই, নেখালেও সেই। কিয় নো, স্বাস্থ্যৰ পঞ্জিকাত সদায় গাৰ ওজন বাঢ়ে হে; টুটাটো নোলায়, বঢ়াটো দেখুৱাব পাৰিলেই, জেলৰ ৰৱটোকোলা কিজন প্ৰমোছন-প্ৰশংসাৰে বাট-নেদেখা হয়। তেহেলৈ কয়দী মৰকেই বা তৰকেই তাক চাই কোনে? কোনোবাই খোৱা বেয়া হৈছে বা আধাপেটী হৈছে বুলিলে তাকে দেখুৱাই গা সাৰি থয়। ভুতৰ ওপৰত দানহ কেনেকৈ ওলায়, আন ঠাইলৈ চাবলৈ যাব নেলাগে—জেলতেই সৰ্ব্বতিকাল ওলাই আছে, চলি আছে।

কয়দী চলোৱা নিয়ম আৰু বান্ধনি যিমানেই কি কটকটীয়াকৈ বন্ধা নহওক, তাৰ ভিতৰত এটা-নহয়-এটা নিয়ম ভাঙিব পৰা সুকণ্ডা ওলাবই ওলাব। জেলৰ ভিতৰত চুৰত-খোৱা একেবাৰে নিষিদ্ধ। তথাপি, পইচা পালে বাহিৰৰপৰা 'মেটে' কঁকালৰ ডোলত মেৰিয়াই চাধা (দা) ধপাত লৈ আহে। ধূমপায়ীবিলাকে তাকে চিকুটি-চিকুটি পৰীয়া চিপাহীৰ চকুত ধূলি মাৰি, কাপোৰৰ তলত মূৰ সুমাই ভেঁকুৰা লগা মুখখনহঁত শোধন কৰে। সশ্রমী, অ-শ্রমী সকলোৱেই ঘৰৰপৰা কাপোৰ-কানি অনাই লব পাৰিছিল। ডাক্তৰৰ অনুমতি লৈ খোৱা-বস্তুও গ্রহণ কৰিব পাৰে। কাপোৰৰ লগতে প্রায়েই চাদা-ধপাত, আৰু চিঠি-পত্রও আহে। এই ক্ষুদ্র গৰাকৰ মাজেদিয়েই ৰৰঠাকুৰৰ জলকীয়া-বাঙী (পার্চেল) জেলৰ ভিতৰত প্রবেশ কৰিছিল। ফাঁকি-ফুকা দিবলৈ যিমানবোৰ বুদ্ধি-সন্ধিৰ আৱশ্যক, সেই এটাইবোৰ জেলৰ ভিতৰত পাবতে গজি আহে। অভাৱত, বুদ্ধি আপোনাআপুনি ওলায়। জেলৰ কঠোৰতকৈও কঠোৰ শাসন আৰু পাশৰিক ব্যৱহাৰেই অজলা-অনাভুৱাটোকো মহৰ শিঙত কঁকিলা দাৰ মাৰিব পৰা কৰে।

সেই জেলতে, তিনিজন শীর্ষস্থানীয় পালী-নেতাৰ ভিতৰত প্রায়েই খকাখুন্দা লাগিছিল। সিবিলাকৰ এজনো আজি সংসাৰত নাই। কিন্তু, তেওঁবিলাকৰ খেটেংমেটেং বা উখনা-উখনিবোৰ আজিও পাহৰিব পৰা নাই। তিনিউজনৰ স্বভাৱ-চৰিত্র আৰু চিন্তাৰ ধাৰা কাৰো লগত-কাৰোৰ ৰাহি নাহে। তিনিউজন যেনিবা তিনটা ধানবহোৱা উধান। মহাত্মাৰ প্রেম-সত্যৰ জঁকাটোত বহি মাত্র তিনিউৰো পানী-যোৱা নলী একেটা হৈছে। এই তিনিগৰাকী হৈছে—লক্ষ্মীকান্ত বৰুৱা (১), ভুবন চন্দ্র গগৈ (২) আৰু কৃষ্ণনাথ শর্ম্মা (৩)। লক্ষীকান্ত বৰুৱা কবি, দার্শনিক আৰু সঙ্গীতজ্ঞ ; কৃষ্ণ শর্ম্মা সৰল, অমায়িক আৰু ধর্ম্মভীৰু ; ভুবন গগৈ গোমোথা, দৃঢ়প্রতিজ্ঞ আৰু বৈষয়িক। কিন্তু, তিনিউ সমালোচনা-অসহিষ্ণু, চেঁচুকৰ ডেমডেউকা হেন, চকু-চাওতেই ইলুটি চকু-চাওঁতেই সিলুটি, কোনোবাই ধেমালিতে উপলুঙাকৈ কথা এষাৰ

কলেই ঠেঁহ লাগে। তিনিউ সমানে খিঞ্চিঙ্গীয়া, অলপ কথাতে টিঙিচ্‌কৈ খংটো উঠে। তিনিউবো বাক্যৰ শালিকাযুটীয়া জোটা-পুটিখন চাবলৈ বৰ ভাল, কোনেও কাৰো কাটিহাকে নসহে—ফেঁপেৰি পাতি-পাতি ধৰে।

এদিন গগৈয়ে বৰুৱাক ক'লে, "তোমালোকে এতিয়া বজাজ-ফণ্ডৰ টকা পাই আছা। কিহৰ চিন্তা। ঘৰখন চলিয়েই থাকিব। মোৰ কিটো আছে? দেউতা পুলিছ-অফিচাৰ। নন্‌-ক'অপাৰেছনত লগা বাবে ঘৰৰপৰা উলিয়ায়েই দিলে। পাটসাঁকো স্কুলটো পাতি, পতাতে এৰি থৈ আহিলোঁ। তাৰ বা এতিয়া কি হৈছে?"

বজাজ-ফণ্ডৰ কথা কৈ আওপকীয়া কৈ খোঁচ এটা মৰাত বৰুৱাৰ খং উঠি জোকোৰা মাৰি কলে, "তুমি খালি আহোম-আহোম বুলি চিঞৰি ফুৰিবা। পাছৰ কথা ভাবিবলৈ হলে জুইত জাঁপ দিবই নেলাগিছিল।"

কৃষ্ণ শৰ্ম্মাক গগৈ-বৰুৱাই "বামুণটোলৈ চোৱাঁ" বুলি কেতিয়াবা-কেতিয়াবা ইতিকিং কৰে; শৰ্ম্মা নিমাখিত প্ৰাণী—মস্কৰা শুনিলেও মুখেৰেই নেমাত। তেওঁৰ জীৱনৰ লক্ষ্য—কেনেকৈ অস্পৃশ্যতা-বৰ্জ্জন কৰি হিন্দু সমাজৰ কেৰোণ গুচাব পাৰি আৰু কেনেকৈ ঘৰে-ঘৰে সূতা

---

(১) **লক্ষ্মীকান্ত বৰুৱা**

১৯৪০ চনৰ ২৩ মাৰ্চ্চ, ১০ চ'ত, ১৮৬১ শক শনিবাৰে উত্তৰ গুৱাহাটীত লক্ষ্মীকান্ত বৰুৱা অকালতে অসীম শূন্যত লীন গল। বাতৰি অহা মাত্ৰকতে শিৱসাগৰখন জঁয় পৰিল। আমাকো মৰ্ম্মাহত কৰিলে। সৌন্দৰ্য্যৰ স্বৰূপবোধ, চৌষষ্টি কলাৰ সুকুমাৰ বিশ্লেষণ আৰু মৌলিক চিন্তাৰ অনুশীলনেই আছিল স্বৰ্গীয় বৰুৱাদেৱৰ আজীৱনকাল প্ৰাণৰ আকাঙ্ক্ষা। তেওঁক হেকৰাই কবিৰ ভাষাতেই আমিও এটুপি চকুলো মাখোন টুকিলোঁ—

"অহা নাই কোন?
যোৱা নাই কোন?
সকলো আহিছোঁ
—সকলো যাম।

কটাই দেশখন খাদৰময় কৰিব পাৰি। তেওঁৰ মতে অসহযোগৰ যুদ্ধত অস্পৃশ্যতা-বৰ্জ্জন আৰু সূতাকটা—এই দুপাট হে প্ৰধান অস্ত্ৰ। তাৰ বাহিৰে, ইবোৰ কাম তেওঁৰ মতে পলসুৰা।

এদিন বৰুৱাই জোকালে, "ইঃ এওঁলৈ চোৱাঁ। হাতেৰে সূতা কাটি কিমানক জোৰাব বা? সূতাকটা-কল (মিল্) নবহুৱালে কোনে কিমান সূতা কাটিব হেঁ? চাবা বাৰু, মানুহে সূতা কাটিবলৈ এৰিয়েই দিবগৈ।"

শৰ্ম্মাৰ উঠিল খং ভমক কৰে, তাতে আগৰ সাঁচি থোৱা খংটোও উক দিলেহি; মুখলৈ নেচাই তৎক্ষণাৎ কৈ পেলালে, "মই তোমালোকৰ নিচিনা বাদুলি নহওঁ, বুইছা? ৰাইজক সূতা কাটিবলৈ কৈ ঘৰৰ তিৰুতাক বিলাতী চিল্কৰ চেমিজ-চেলেং নিপিন্ধাওঁ।"

বৰুৱা—"বাৰু চাম; কাৰ কথা বজে।"

এদিন গগৈয়ে খং তুলিবলৈকে ক'লে, "হেৰা কৃষ্ণ, তুমি সদায় অস্পৃশ্যতা-বৰ্জ্জনৰ কথা কৈ ভোঁ-ভোঁৱাই ফুৰাঁ। কতা এতিয়াও

তুমিও আহিলা
তুমিও গলাগৈ
তথাপি তোমাক
—ইয়াতে পাম।"

—'তৰুণ অসম'ৰ সম্পাদকীয়।

(২) ভুবনচন্দ্ৰ গগৈ

কৰ্ম্মযোগী ভুবনচন্দ্ৰ গগৈদেৱৰ জীৱন অৱসান হয় ১৯৪০ চনৰ ৯ জুলাই মঙ্গলবাৰৰ দিনা পুৱা ৮।। বজাত, ৫০ বছৰ বয়সত। "গগৈদেৱৰ দৰে কথাই-কামে মিলাই কামকৰা মানুহ নিচেই তাকৰ।" বহুত ভাগ্যবিপৰ্য্যয়ৰ মাজেদি তেখেতৰ জীৱন অতিবাহিত হৈছিল। তেখেত যে জাতীয় শিক্ষাৰ বাটকটীয়া আছিল, শিৱসাগৰ পলিটেক্‌নিক স্কুলেই সোৱাঁৰাই থাকিব। ভুবন গগৈৰ দৰে একনিষ্ঠ উদাৰ দেশসেৱক, নিৰ্ভীক কৰ্ম্মী আৰু স্পষ্টবাদী সতকাই ওলোৱা টান।

দেখোন লগুণডালকে নেৰিলা ?" ৰঙা-চঙা পৰি কৃষ্ণ শৰ্ম্মা মনে মনে থাকিল। ফিৰিকা দিনা, মাৰভাত খাই উঠি তেওঁ স্পৃশ্য-অস্পৃশ্যৰ আলোচনা কৰিবলৈ ধৰিলে। শেহত সামৰণি মাৰিলেগৈ, "লগুণ অস্পৃশ্যতাৰ অন্তৰায় নহয়। তোমালোকক তোলাৰ দৰে, আনকো নৱগুণ লোৱাই ব্ৰাহ্মণ জাতলৈ নোতোলাটো হে অন্তৰায়। নেজানা নে 'সংস্কাৰাৎ দ্বিজ উচ্যতে'।" গগৈদেৱ মনে মনে থাকিল।

গগৈ-বৰুৱা-শৰ্ম্মা তিনিউ পৰম বন্ধু, প্ৰায় সহপাঠী। জাৰ-জহ, শৰত-বসন্ত কেউটা ঋতুৰ চোকা-মধুৰ পৰশনত তেওঁৰলাকৰ বন্ধুত্বই গা-কৰি উঠিছিল। এনে বন্ধু আজিকালি অতি বিৰল।

জেলৰ ভিতৰত গাৰ কাপোৰ-কানি কিডোখৰৰ বাহিৰে আন বস্তু লগত ৰাখিব নেপায়। অনুমতি লৈ, কাগজ-পেন্সিল ব্যৱহাৰ কৰিব পাৰি। ইংৰাজ সম্পাদকৰ দ্বাৰাই সম্পাদিত "ষ্টেট্‌ছমেন" কাকতখন হে মাথোন আমাক পঢ়িবলৈ দিয়া হৈছিল। জাতীয় আন্দোলনৰ বা-বাতৰি বা প্ৰবন্ধ থকা একো কাকত বা কিতাপ দিয়াৰ নিয়ম নাছিল। তথাপি, চকুঢকা উপায়েৰে "ইয়ং ইণ্ডিয়া" আৰু অন্যান্য ইংৰাজী 'নভেল' (উপন্যাস) পঢ়িবলৈ পাইছিলোঁ। তদুপৰি, দিনেপতি নকৈ জেললৈ অহা "যাত্ৰী" সকলৰপৰা বাহিৰত দেশৰ পৰিস্থিতি কেনে হৈছে তাৰ ভু-ভা পাই আছিলো।

জেলৰ সভা

আবেলি হলে, ৰং-ধেমালি বাদ দি, মাজে-সময়ে আমাৰ ক্ষুদ্ৰ "ময়দান" বা "প্ৰমোদ-বন"ৰ চোঁতালখনতে একোখন একোখন

---

(৩) কৃষ্ণনাথ শৰ্ম্মা

সৰল প্ৰকৃতিৰ কৃষ্ণনাথ শৰ্ম্মাই ৫৭ বছৰ বয়স পাই ১৯৪৭ চনৰ ২ ফেব্ৰুৱাৰী দেওবাৰৰ দিনা (১৮৬৮ শকৰ মাঘ মাহ) ইহ-সংসাৰৰপৰা বিদায় লয়। বাইজৰ আদৰৰা 'কৃষ্ণমামা'ৰ বিয়োগত অসমে এজন অকৃত্ৰিম হৰিজনবন্ধু, ঐশ্বৰ্য্য-বিভূতি-নিস্পৃহ, অকপটীয়া-সাধু-ত্যাগী দেশসেৱক হেৰুৱালে।

'কনফাৰেঞ্চ' (সভা) পাতোঁহঁক। সভাৰ উদ্যোক্তা হয় বসৰ সঁফুৰা মহেন্দ্রনাথ ডেকাফুকন। তেওঁ ক'ৰবাৰপৰা ভগা কেৰচেন তেলৰ টিন এটা সংগ্রহ কৰি থৈছিল। বিধি-অনুসৰি, প্রস্তাৱিত-সমর্থিত হোৱাৰ পাছত নির্ব্বিবাদে যেতিয়া সভাপতি নির্ব্বাচিত হয়, তেতিয়া সেই ভগা টিনটোকে বজাই সভাপতি গৰাকীক নির্দ্দিষ্ট আসনত উপবিষ্ট কৰোৱা হয়। সভাপতি ডাঙৰীয়াৰ আসন আছিল দুখিলা আমপাত। মোহিণীকান্ত হাজৰিকৰালৈকে সেই "লোভলগা" মানী আসনখন সদায় আছুতীয়াকৈ থোৱা হৈছিল।

মোহিনীকান্ত হাতীবৰুৱা

মোহিনীকান্ত হাতীবৰুৱা আছিল আমাৰ সভাৰ এজন বিশিষ্ট সভ্য। তেওঁ বি-এ পাছ কৰি ক'তো ছৰ্কাৰৰ ঘৰত মূৰ সুমুৱাবলৈ সুবিধা নেপাই, ঘৰতে বহি আছিল। শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াৰ সৎসঙ্গ লাভ কৰি, কংগ্ৰেছৰ কামত মূৰ সুমালে অৰ্থাৎ কগ্ৰেছ-ভলণ্টিয়াৰ হল। হৈয়েই, চেনিমৰা হাটলৈ নিয়া মাছৰ গাৰী পিকেটিং কৰি কংগ্ৰেছীৰ তীৰ্থস্থান জেলত প্ৰবিষ্ট হলহি। শিক্ষিত কুন্‌কী হাতী স্বভাৱতে যেনেকুৱা জাতি আৰু মাউতৰ বশ, আমাৰ হাতীবৰুৱাও তেনে নিৰ্জ্জু আৰু "লীডাৰ"ৰ (নেতাৰ) বশ।

আমি থকাপোনে দেৱালৰ সিপাৰেই চাওডাং-গাওঁ। চ'তৰ বিহু ওচৰ চাপি আহিছে। গাৱঁত ওৰেৰাতি বিহু নাম—বিহু নাচ। টকা-পেপা আৰু জাঁত-জাঁত বিহু নামৰ ধ্বনি "ৱাল" ভেদ কৰি আহে; শুনিলেই আমাৰ মন উৰি-যাওঁ—পুৰি-যাওঁ কৰে। তাত বিহুৱতীহঁতে গায়,

"তামোলৰ ঢকুৱা, জোনাকী পৰুৱা
কিয় মনে মাৰি থাক ?
—থাকোঁ মনে মাৰি লোকৰ ঘৰেৰাৰী
কাইলৈ উলিয়াই দিব।"

আৰু আমাৰ ইয়াত গাওঁহঁক—

"তামোলৰ ঢকুৱা জোনাকী পৰুৱা
কিয় মনে মাৰি থাক ?
থাকোঁ মনে মাৰি "জেলৰ" ঘৰেৰাৰী
কাইলৈ মাৰভাত দিব।"

বিয়লি, আমাৰ কন্‌ফাৰেঞ্চ অৰ্থাৎ সভা ভাগিলেই, এইটিকেই সকলোৱে থিয় হৈ জাতীয় সঙ্গীত ৰূপে গোৱা হয়।

হাতীবকৰাৰ ম্যাদ উকলিবৰ হল। বিছুৰ আগে-আগে ওলাই যাব। এদিন মহেন ফুকনে হাতীবকৰাৰ বিদায়-সভা এখন আহ্বান কৰিলে। হাতীবকৰাৰ বি-এত 'একনমিক্স' (অৰ্থশাস্ত্ৰ) আছিল। বিদায়-সভা বহিলত, ফুকনে পানীন্দ্ৰনাথ গগৈৰ "আগছোৱা" কিতাপৰ বেটী (বেটু) পাতত থকা হাতীৰ ছবিটো লৈ, এই বুলি ভাওজুৰি ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে,—"আজিপৰা আৰু বইত-চাম বুলিবলৈ মোৰ 'হাতীটোক' কত পাম? লাংচিংডালতো মামৰে ধৰিব। 'হাতীত' উঠি মই পানীৰাম কেনেকৈ ঘৰলৈ যাম? ওলাই গৈয়ে 'হাতী' লোকৰ কলনি বাৰীত সোমাবগৈ আৰু শুঁৰ পকাই লোকৰ শইচ তহিলং কৰিবগৈ। হাতী! তই সেইবোৰ কৰিবগৈ নোৱাৰ। শুন, তই যাবি। গৈ, ঘৰেপতি একোটা-একোটাকৈ ঘিলাপিঠা গোটাবি (ভগা টিন বজাই সভাসদসকলৰ হৰ্ষধ্বনি), লগতে, আৰু-কি পাৱ, পিঠাপনাও আনিবি। আনি, আমাক তোৰ শুঁৰেৰে 'ৰাল'ৰ ওপৰেদি দলিয়াই দি যাবি (আকৌ হাতচাপৰিৰ খলকনি)। হাতীক একনমিক্স শিকাব নেলাগে। সূতাকটা মানুহৰ ঘৰেপতি ঘিলাপিঠা একোটা তুলিলেই আমি সূতাকটাৰ কাম কিমান চলিছে, বুজিব পাৰিম। এতিয়া, হাতী! পাক এটা দিয়াঁচোন।" এই বুলি ফুকনেই ওপৰত দিয়া বিহুনামটো জুৰি দিব আৰু হাতী-বকৰায়ো হাতীয়ে নচা দি লুপুৰ থুপুৰ কৰে নাচন এটা দিব। হাতী-বকৰাৰ 'ফেয়াৰৰেল-মিটিংখন'ত (বিদায়-সভাত) ডেকা ফুকনৰ টেটকুটীয়া বক্তৃতা শুনি হাঁহোঁতে-হাঁহোঁতে আমাৰ পেটুনাড়ী ছিগা যেন হৈছিল।*

সেই সভাত, আন-আন গুৰুতৰ কথাবো আলোচনা হৈছিল।

---

* হেম বকৰা আৰু মহেন্দ্ৰ ফুকনে হাতীবকৰাক অলপ সুকঙা পালেই বৰ জোকায়। দুপৰীয়া ভাত খাই উঠিলেই কীৰ্ত্তনৰ দুই-এক আধ্যা পঢ়াৰ নিয়ম আছিল। হাতীবকৰাই পুথিখন ললেই হেমবকৰা-মহেন্দ্ৰফুকনে কাঢ়ি লৈ যায়।

তাৰ ভিতৰত স্বৰাজ পালে কোনে কি কাৰিব, কোন মানুহক কি 'পৰ্টফলিয়' দিব, মন্ত্রীৰ দৰ্ম্মহা কিমান হব, ডেপুটী কমিছনৰ বখা হব নে নহয়, শিক্ষাপ্রণালী পছিমীয়া কৰা হব নে ভাৰতীয় কৰা হব,—ইত্যাদি নানান্ বিষয়ে কৰা কথন-মথনেই ঘাই। সেইবোৰ এতিয়া, অতীতৰ কল্পনা-কুসুম। লেখাৰ আৱশ্যক নাই। মুঠতে, তেতিয়া পঙা কল্পনা আজিৰ যুগত নৈত উটি অহা জগা-কাঠ। কল্পনা হে নেলাগে, কল্পনা কৰা মূৰবোৰো আজি মদাৰ ফুল—"গুৰোতো নেলাগে, ভকততো নেলাগে, থাকে তলে ভৰি সৰি।"

দুর্গাধৰ বৰুৱা

শ্রীযুত দুর্গাধৰ বৰুৱাৰ ঘৰ শিৱসাগৰ-আমোলাপটিত। তেৱেঁ-ময়ে সহপাঠী—একে লগে, একে বছৰতে 'মেট্রিকুলেছন' পৰীক্ষা "পাছ" কৰিছিলোঁ। তেওঁ অঙ্কত বৰ চোকা আছিল আৰু কোনেও নজনাকৈ মনে-মনে সাহিত্য চর্চ্চা কৰিছিল। তেওঁৰ চিন্তাৰ ধাৰাই সুকীয়া—আনৰ লগত নিমিলে। বৰুৱাক দেখিব, অনুক্ষণ তেওঁ আশু-শীঘ্রে দেশ উদ্ধাৰ কৰিব পৰা কিবা-এটা নহয় কিবা-এটা উপায়ৰ কথা ভাঙি-পাতিয়েই আছে। আমি হাইস্কুলত পঢ়োঁতে হাতেৰে লিখি 'জেউতি' নামে আলোচনী কাকত এখন উলিয়াইছিলোঁ। সেইখনত তেওঁ স্বামী বিৱেকানন্দৰ অহিঁৰে দ ভাৰৰ প্রবন্ধ লেখিছিল। তলে-তলে "বাছা" (তেওঁক ঘৰত মতা নাম) পৰমহংসী আদর্শৰ এজন "ছালা" আছিল বুলিও শুনিবলৈ পোৱা গৈছিল। দুর্গাধৰক গনিং ছাহাবে ৯ মাহ সশ্রম কাৰাদণ্ড দিয়ে। তেওঁৰ 'প্লেন' আছিল—এদিন এটাইবোৰ জাকে-জুমে গৈ কাছাৰীটো দখল কৰা (অৱশ্যে আগেয়েই কংগ্রেছ-কর্ত্তৃপক্ষৰ অনুমতি) লৈ ; আৰু দখল কৰিয়েই 'আমি স্বাধীন হলোঁ' বুলি ঘোষণা কৰা। বৰুৱাই আঁঠুৰ মূৰলৈকে শুধ খাদৰৰ চুৰিয়াডোখৰ মাত্র পিন্ধি ফুৰে, আৰু গাত ও লাগিলে হে কাপোৰ এডোখৰ মেৰাই লয়। 'বাছা'ৰ নামটো হে বাছা, কথাত বাচাক

নহয় ; কিন্তু খণ্ডাল, কামৰ সময়ত হলে মৰমিয়াল। তেওঁ কুমাৰে চাকত গঢ়া দি ভলাণ্টিয়াৰ গঢ়িব জানিছিল। এটা কথাত, তেওঁক সদায় ভাল লাগিছিল। সেইটো হৈছে—যেতিয়াই আউল ভাঙিব নোৱৰা সমস্যা এটা ওলায় আৰু সেই সমস্যাটো ভাঙিব নোৱাৰি বহুতবে দোধোৰ-মোৰ লাগে, তেতিয়াই তেওঁ কিবা এটা দিহা-বুদ্ধি পাঙি জেৰীয়া সমস্যাটোৰ আউল ভাঙি দিবই দিব। বৰুৱাদেৰ আজীৱন স্বাৰলম্বী, লোকৰ কথা-কামত হাত দি লেঠালগোৱা তেওঁৰ দস্তুৰ নাই। এডুইন-এন্‌জেলিনৰ অনুৰূপ ঔপন্যাসিক জীৱনৰ আৰ্হি লৈ লেখা কেবাখনো পুথি হেনো বৰুৱাৰ ঘৰত জপা-গৰকা হৈ আছে। মুঠতে বৰুৱা তলে-তলে বৰ ডাঙৰ সাহিত্যিক ; ৩৯ খন কিতাপ লেখি খোৱাই আছে।

সৰ্ব্বেশ্বৰ বৰচেতীয়া

যোৰহাট-টিলিকিআম অঞ্চলৰ শ্ৰীযুত সৰ্বেশ্বৰ বৰচেতীয়া আছিল অৰ্থনীতিপ্ৰিয়—প্ৰত্যেক সমস্যাটোকে অৰ্থনীতিৰ ফালৰপৰা হে টুকৰিয়াই চায়। কলেজত "মেলথছৰ থিয়ৰী" পঢ়ি আহি, আমাৰ গাৱঁতো সেই আৰ্হিৰেই সমাজ গঢ়িবলৈ বৰ কৰাল-চিন্তা কৰিছিল। বৰচেতীয়া "ফিলচফাৰো" অৰ্থাৎ দাৰ্শনিক ভাবাপন্নও। আগলৈ কি ব্যৱস্থা হাতত ললে ৰাইজৰ আৰ্থিক অৱস্থা ভাল হব তাকে হে তেওঁ নিৰন্তৰ ভাবি থাকে। তেতিয়া মহাত্মাই লোণ-আইন অমান্য কৰাৰ কথা ভবাই নাছিল—দাণ্ডী-যাত্ৰাও স্বপ্নৰ অগোচৰ। আমাৰ বৰচেতীয়াই কিন্তু, তেতিয়াই লেখ-বুজ কৰি কৈছিল—আমাৰ জন-সংখ্যা প্ৰায় ত্ৰিছ লাখ ; এই ত্ৰিছ লাখ মানুহক নাই-নাই বুলিও নিতৌ দুয়ো সাঁজতে, ১৮৭৫ মোন লোণ লাগে। আম এচকল, টেঙা এফুটা খাবলৈইও লাগে। তিথিয়ে-উৎসৱে, শৰাধে-বিধিয়ে, বিয়ায়-সৰাহে লোণ নহলে যে নহয়েই। গড়-হিচাপে ধৰিলে দিনে ২০০০। ৩০০০ মোণ লোণৰ কম নহব। ইয়াক বৰ্জ্জন কৰি আমাৰ খাৰত বা ডুখৰীয়া লোণত ধৰিলে লিভাৰপুলীয়া সদাগৰহঁতে ভালকৈয়ে এসেকা পায় দেখোন ?

গাভিকে, আমি এনেও খাৱখোৱা অসমীয়া, তেনেও খাৱখোৱা অসমীয়া—আমিচোন খাৱ খায়েই মৰোঁহঁক। লিভাৰপুলৰ লোণ-বেপাৰীবোৰো মূৰ মৰক আৰু আমাৰ ইয়াৰ থল-ঘঁৰিয়ালবোৰবো মুদা মৰক।" স্বপ্নত মানুহ বজা হয়, সাৰ পালে "যেই তিমিৰে, সেই তিমিৰেই" থাকে। ৰৰচেতীয়াৰ কল্পনাই জেলত থাকোঁতে স্বৰগ ঢুকি পাইছিলগৈ, ওলাই আহিলত আকৌ "যাৰ হাতে নেখাওঁ ভাত, তাইতে হে ঘূৰি-ঘূৰি হাত" পাতিব লগীয়া হল।

ৰৰচেতীয়াই তেতিয়া ভাবিছিল অর্থনীতিৰ কথা। স্বৰাজ পোৱাৰ পাছতো, সেই মগজুৰেই ভাবি আছে—হিন্দু-সমাজ নো আগলৈ থাকিব নে নেথাকে।

ন-ঘৈণীয়েক একো গৰাকীক এৰি থৈ আমাৰ কোৰাজনো সতীর্থ বিৰহৰ বেজাৰত ডেইপুৰি আছিল। তেওঁবিলাকৰ বুকুৰ পোৰণি মাৰিবলৈ দেৱালৰ দাঁতিতে থকা আম এজোপাই বিৰহীকিজনক ইঙ্গিত দিলে—কোনোবা মেঘদূতীয়া ভলণ্টিয়াৰ থাকিলে, তেৱেঁই দেখোন তাৰ ওপৰত উঠি বিৰহিনীৰ লগত পত্রালাপ কৰাব পাৰে। সেই ইঙ্গিত-মতেই মেঘদূতৰ ভাও দিব পৰা ভলণ্টিয়াৰ এজনে বাহিৰৰপৰা হাঁ-হুমুনিয়াহখিনি বোকোচাত বান্ধি আনি সেই আমজোপাৰ ওপৰৰপৰা বিৰহীয়ে পোৱাকৈ দলিয়াই দি যায়। কিবা দুর্ব্বিপাকত, এদিন ধৰা পৰি এই "মেঘদূতজন" কাৰাগাৰত বন্দী হবলগীয়া হল। তেওঁ আহি যেনিবা আমাৰ মাজত ভুচুং পহু হে ওলালহি, সেইজনক লৈয়েই বাৰবুৰি কবিতা সৃষ্টি হবলৈ ধৰিলে। তাৰে দুটমান, পাছত, ৺বিদ্যাধৰ শর্ম্মাই প্রকাশো কৰিছিল।

বন্দীশালৰ দুখ-দহনৰ মাজতে, হাঁহি-ধেমালিৰে এইদৰেই আমাৰ দিনকিটা পাৰ কৰি পঠিয়ালোঁ। দেশ লুটি খোৱাৰ পাছত, এতিয়াও পুৰণি কাকতৰ পাত লুটিয়ালে, সেই 'মেঘদূতী' কবিতা গোটাদিয়েকে যোৰহাট-জেলৰ মধুময় স্মৃতিটো চকুৰ আগতে দাঙি ধৰেহি। ধৰিলে নো হব কি? সেই হাঁহিৰ বহঘৰা যে এটি-এটিকৈ অনন্তত লুকাই

গৈছে। থকা কিজনৰ অৱস্থাও "দন্তং বিহীনং জাতং তুণ্ডং"—তাৰে হুঁহুৰায় বা কাক, হাঁহে বা কোনে ?

যোৰহাট-জেলত সতীৰ্থসকলেৰে জাকেজুমে ধেমালি-ধুমুলা কৰি থকাত ঘৰলৈ মনতেই নপৰিছিল। আমাৰ নিমিত্তে সেইখন বন্ধ-দুৱাৰ নহে মুক্তদ্বন হোৱাদি হৈছিল। সকলোৰে উমৈহতীয়া লক্ষ্য আছিল স্বৰাজলাভ। সেই স্বৰাজ পালে, কোনে কি দায়িত্ব গ্ৰহণ কৰিব আৰু সেই দায়িত্ব কেনেকৈ সম্পাদন কৰিব ইত্যাদি কথা ভাবোঁতে-গুণোতেই দিন-ৰাতি পাৰ হৈ গৈছিল। এনেতে, হঠাতে ঘৰত দেউতাৰ মৃত্যু হল বুলি খবৰ আহিল ; ময়ে বৰপুতেক, শ্ৰাদ্ধাদি নকৰিলে ধৰ্ম্মৰক্ষা কৰা নহব, এই সন্দেহ কৰি, বাহিৰৰপৰা যেনেতেনে মতে মোক উলিয়াই নিয়াৰ হেঁচা পৰিল। সিফালে ভঁড়ালৰ ধান বেচি জৰিমনা আদায় কৰিলেই, ম্যাদৰো বাকী আছিল অলপ দিন মাত্ৰ। বাকী থকা দিনকেইটাৰ নিমিত্তে আন্দোলন যোগ নিদিয়াৰ প্ৰতিশ্ৰুতি লৈ ওলাই যাব পাৰে বুলি ফিলিপছন ডেপুটী কমিছনাৰে আদেশ দিলে। সাপ মাৰি নেগুৰত বিযটো নো কিয় থৈ যাওঁ বুলি মোৰ ওলাই আহিবৰ ইচ্ছা নাছিল। কিন্তু, গনিঙৰ দৌৰাত্ম্য, ঘৰৰ নাজল-নাথল অৱস্থা ভাবিবলগীয়া হল ; তাতে শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াৰ বাহিৰে বাকী কেইজন ক্ৰিয়াকাণ্ড-পক্ষপাতী নেতাই উপদেশো দিলে। গতিকেই, কতীয়া দিনেৰে ম্যাদপূৰ্ণ কৰিয়েই জেলৰপৰা ওলাই আহিব লগীয়া হল। ফেব্ৰুৱাৰীৰপৰা ৪ মে লৈকে জেলত থকা কেইমাহতে দেশৰ মোট বহুত সলনি হল। ছৰ্কাৰে জাতত দলাদি স্বাধীনতাৰ অদম্য আকাঙ্ক্ষা দলি পেলালে। পাইকাৰী জৰিমনা লগাই, গাৰেঁ-গাৰেঁ বণুৱা চিপাহী সুমুৱাই বাইজক থৰযুগুতি নোহোৱা কৰিলে। বামুণৰ পুখুৰীত যে পুলিছৰ দৌৰাত্ম্যই পানীত হাঁহ-নচৰা অৱস্থাৰ সৃষ্টি কৰি পেলালে। পণ্ডিত মদনমোহন মালৱীয়ও আহি গল, অত্যাচাৰৰ তদন্ত কৰিবলৈ। সেই সময়ত ৰাইজৰ মন ভাগি গৈছিল। গড়মূৰীয়া গোস্বামী শ্ৰীযুত পীতাম্বৰ দেৱ গোস্বামীয়ে হে চাৰিওঁত কংগ্ৰেছৰ ধ্বজা উকৰাই আছিল।



ত্রিকান্ত ফুকন পৃঃ ১৭৭



ভোলানাথ বুঢা গোহাই পৃঃ ৪১

[১২]

"গাৱঁত ধৰাঁগৈ"

জেলৰপৰা আহি দেখিলোঁহি—ঘৰৰ অৱস্থা না-জন্ন-না-থল। গনিং ছাহাবৰ নিগ্রহ আৰু ছৰ্কাৰী কৰ্ম্মাচাৰী জনদিয়েকৰ (পুলিছ বিভাগৰ) "ৰাজভক্তি"ৰ ফলত ভঁড়ালৰ ধান আৰু ভিতৰুৱা সম্পত্তিও লাং-লাং ঠাং-ঠাং হল। মোৰ মোৰ হেৰাল। বাহীবিয়া-দিনাৰ দৰে দেশৰ পৰিস্থিতিও ৰিঙা; মানুহৰ মনবোৰ অশান্ত—লগাই দিলে কিন্তু আন-এপিনে হনা লবলৈ উদ্‌গ্রীৱ হৈ আছে।

এনেতে, তিনিপুৰুষীয়া হাতীগিৰি আৰু বনৰীয়া হাতী ধৰাত সুপাৰ্গত, 'হাতীধনী' বুলি সুখ্যাতি লাভ কৰি আহোঁতা ৰাধাকান্ত ফুকন ডাঙৰীয়াই মোক মাতি নি কলে, "ঘৰতে বহি থাকি নো কি কৰিবা? ৰৰবোপাটিয়ে (শ্রীযুত তিলকান্ত ফুকনে) মিকিৰ মহলত দুবছৰলৈ হাতী চিকাৰৰ অনুমতি পাইছে। তালৈকে যোৱাঁ। ছৰ্কাৰী চিঠি-পত্র লেখি ৰৰবোপাটিক সহায় কৰি দিবাঁ। দৰ্ম্মহা ললেও লব পাৰাঁ; নললেও গড় বা মেলা চিকাৰৰ ভাগ এটাকে লবাঁ।" মই একো এটা সৰ্ত্তকে লবলৈ নহল। তেখেতসকল ইচ্ছাৰ ওপৰতে সকলো পেলাই দি হাতী মহললৈ ওলালোঁ।

হাতী-মহলত থাকোঁতেই দেশবন্ধু চিত্তৰঞ্জন দাশৰদ্বাৰাই উত্থাপিত প্রস্তাৱ এটা সদৌ ভাৰতীয় কংগ্রেছ-সভাত সর্ব্বসম্মতিক্রমে গৃহীত হয়। প্রস্তাৱটোৱে কংগ্রেহ কৰ্ম্মীসকলক উপদেশ বা নির্দ্দেশ দিছিল গাৱঁত সোমাবলৈ। সেই সময়তে, কংগ্রেছৰ ধৰ-ধৰ—মাৰ-মাৰ উৎসাহ-উত্তেজনাৰ গতিও মন্থৰ হৈ আহিছিল। কলেজ-বর্জ্জন কৰি স্কেলখোৱা সৰহভাগ ছাত্র আকৌ কলেজলৈ গৈছে, আদালত বর্জ্জন কৰা উকীলবোৰো প্রায়ভাগেই পুনৰ ওকালতীত ধৰিছে। কোনেও "পুনৰমুষিক" হবলৈ কুণ্ঠাবোধ কৰা নাই। বাতৰি-কাকতৰ সম্পাদকবোৰো

কোনো-কোনোজনে নতুনকৈ প্রতিশ্রুতি দি ন-কৈ কাগজ উলিয়াবলৈ যো-জা কৰিছে। অসমৰ একমাত্র অসহযোগী কাকত "আসাম-বিলাসিনীৰ" সম্পাদক কৃষ্ণ পেষ্কাৰে (কৃষ্ণকান্ত ভাট্টাচার্য্যই) পেঞ্চন পর্য্যন্ত হেকৰাইও কাকতখন সতর্কতাৰে চলাবলৈ মান্তি হৈছে। কংগ্রেছৰপৰাও নির্দ্দেশ আহিছে—"গাৰঁত ধৰাঁগৈ।"

মইও গাৰঁত সোমাই চাৰিং-সংস্কাৰৰ কামত চুৰ্চুৰীযা ভাৰে লাগি-বলৈ ধৰিলোঁ। তেতিয়াও এখন গাৰঁৰপৰা অইন এখন গাৰঁলৈ যাবলৈ আলিৰ সঁচেই নাছিল। কৃষ্ণপদ দুৱৰা বৰমহৰীয়ে কৰাই থৈ যোৱা দুৱৰা আলিটো হে মাথোন আলি বুলিব পৰা হৈ আছিল। এইটোৱেই তেতিয়া সদৰ আলিলৈ ওলোৱা-সোমোৱা মৌজাটোৰ একমাত্র আলি! সিও বাৰিষা হলে, টেকটেক্ কৰে পিছল। দলঙো কেবাখন; ছমাহমান হে থাকে। তুকৰীয়া কাকতীত আলি নাছিলেই। বাট বুলি যিবা এটা আছিল, সিও আধাডুখৰীয়া। চলিহা কাকতীগাৰঁত খঁৰা আলিএটা মাত্র আছিল। ভোগৰাম কাকতী মণ্ডলৰ পুত্র শ্রীযুত যোগানন্দ বৰকাকতী, চাৰিঙত প্রথম মাইনৰ স্কুল পাতোঁতা নবীনচন্দ্র কাকতী, লোকনাথ কাকতী (গুলৈ) আৰু যজ্ঞেশ্বৰ কাকতীয়ে মাটিগিৰিহঁতৰ লগত লগা কাজিয়া-পেচাল ভাঙি, ধন ভৰি গজপুৰীয়া কাকতী আলিটো চোঙাইছিলে হে মাথোন। ৰতনপুৰীয়া, ঘৰফলীয়া, টেপৰ, পুৰণিমেলীয়া, ম'হছাল-তেলীয়াল—এইবোৰ গাৰঁত যে কেৱল লুংলুঙীয়া ছিগা গৰুবাট একোটা হে আছিল। স্বর্গদেৱসকলে পোন-প্রথমেই যি দুটা আলি কৰাইছিল, তাৰ ভিতৰত নগা আলিটোও এটা; এইটোৱেই চাৰিঙৰ ৰাজহাড় স্বৰূপ ৰাজআলি। তথাপি তাৰ প্রতিও চকু দিওঁতা কোনো নাই। লোকেল-বর্ডে মন গলে বছৰি এচপৰা-দুচপৰা মাটি পেলোৱায়। কিন্তু, বাৰিষা হলেই সেই মাটি উটি যায়। মুঠতে, ১৯২৩ চনলৈকে নগা-আলিটো আলি নুবুলি হাতী-ম'হ-গৰু যোৱা এটি খাৱৈ বুলিব পৰা হে আছিল। আলিৰ অৱস্থা এনেকুৱা শোচনীয় আছিল যে যোৰহাট-প্রবাসী শ্রীযুত নকুলচন্দ্র ভূঞাৰ কলমটো

যেন বাতৰি কাকতত নগাআলিৰ বিষয়ে লেখিবলৈকে জনম ধৰিছিল। ডাক্তৰ হৰকান্ত দুৱৰা অৰু শ্ৰীযুত বলোৰাম দুৱৰা বি-এ দেৱেও আলিটো গাড়ীগুৰা যাব পৰা কৰিবলৈ নথৈ চেষ্টা কৰিছিল। শ্ৰীযুত শিৱকান্ত দুৱৰাই গাঁঠিৰ ধন ভাঙি, লোকেলবৰ্ড চেয়াৰমেনক নগা-আলিৰ উন্নতি-অৰ্থে খাটি-লুটিয়েই আছিল। চলিহা-অলিটো, পাছত শ্ৰীযুত সৰুমন গগৈ বি-এই অশেষ পৰিষত্ন কৰি, ধন ভৰি সদৰ-আলিত লগোৱা কৰিলে। সেই কাৰণেই, ভুবনচন্দ্ৰ গগৈ চেয়াৰমেন হৈ থকাকালত পুৰণি চলিহা-টোতে গগৈ নামটো যোগ দি চলিহা-আলিটোৰ নাম চলিহা-গগৈ-আলি থোৱা হল।

অসহযোগৰ জুইকুৰা টিমাই অহাৰ সময়ত, যদুনাথ হাজৰীকা, টেপুৰাম গগৈ, শ্ৰীসৰুমন গগৈয়ে গাৱঁলীয়া ঠাইবোৰ সুগম কৰাত দেহা উবুৰিয়াই লাগিছিল। নামদাঙৰ শিলসাঁকোৰপৰা ধোদৰ আলিলৈকে ৯ মাইলমান বাটৰ ভিতৰত ২১ খন দলং বহুৰি সজাই থাকিব লগীয়া হোৱাত লোকেলবৰ্ডে নগা-আলি আওতোৱা কামত টকা খৰচ কৰাত হাত-ধৰি চলিছিল। বহুদিনৰ পাছত, তাৰাপ্ৰসাদ চলিহা বেৰিষ্টাৰ চেয়াৰমেন হোৱা-কালত, ৰাধাকান্ত ফুকন ডাঙৰীয়াই ৭০০০ টকা বৰ্ডক ধাৰলৈ দি নগা-আলিটো সঁচাসঁচি আলিমুৰা কৰালে। সেই টকাৰেই দলং থকা ছিগাবোৰত মাটি দিয়ালে। এই আলিটোৰ উন্নতিৰ ওপৰতে ম'ৰাবজাৰ-গধুলিবজাৰ মৌজাৰ আৰ্থিক উন্নতি নিৰ্ভৰ কৰিছে।

ফুকন ডাঙৰীয়াই অম্লান বদনে ঘৰৰ বৰকলী পেৰাৰপৰা ৭০০০ টকা জৰ্জ্জৰ কৰে লোকেলবৰ্ডক ঢালি দিয়াৰ কাৰণটো এইদৰে উদ্ভৱ হৈছিল :—

সেই সময়ত বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহা ডাঙৰীয়া আছিল শিৱসাগৰ লোকেলবৰ্ডৰ চেয়াৰমেন। নগা-আলিৰ দলংবোৰ সদায় আবত্তবত্তে ভাগি থাকে। সেইবেলি, ন-খনাজান আৰু মেধিজানৰ ভগা-বাঁহৰ দলঙৰ ওপৰেদি যোৱা দুখন গাৰীৰ গৰু ঘুণীয়া হয়। সেই

ৰাখে, "অসমীয়া" কাকতলৈ চেয়াৰমেনক দোষাৰোপ কৰি পাকে-প্রকাৰে কণা বুলি নাও নিদিয়াকৈ এখন চিঠি দিছিলোঁ। সেই চিঠি প্রকাশ হলত, ফুকন ডাঙৰীয়াৰ চহীৰে তাৰ উত্তৰ ওলাল। উত্তৰ আছিল, "নগা-আলিটো মোৰ দুৱাৰমুখৰ আলি। এই আলিয়েদি সদায় মটৰগাৰী, গৰুগাৰী আদি নিৰিঘিনিয়ে চলি থাকে। যিজনে চেয়াৰ-মেনক কণা বুলি অভিযোগ কৰিছে, সেইজন হে কণা।" চিঠিখন লেখাৰ গুপ্ত ৰহস্যটো অৱশ্যে ভেদ কৰিলোঁ। এনেতে, ঈশ্বৰৰ কি লীলা কব নোৱাৰোঁ, এদিন চলিহা ডাঙৰীয়া আহক নগা-আলিয়েদি, মটৰ লৈ। ফুকনৰ ঘৰৰপৰা উলটি যাওঁতে, কিবা স্বৰূপত মটৰখন আলিৰপৰা পিছলি গৈ আৰোহীয়েসৈতে আলিৰ দাঁতিত থকা দ-পথাৰৰ দলনিত হোৰোপা খাই সোমালগৈ। দলনিৰপৰা তুলি আনি চেয়াৰমেনক সুস্থ কৰাৰ পিছত, ফুকন ডাঙৰীয়াৰ সাক্ষাতে কলোঁ, "কণা কোন এতিয়া ওলাই পৰিল।"

তাৰ পিছত, চলিহা ডাঙৰীয়াক বুদ্ধি দিলোঁ—ফুকন ডাঙৰীয়াকে আলি বন্ধোৱাৰ ভাৰ দিবলৈ। ফুকনকো অনুৰোধ কৰিলোঁ, আলি নবন্ধালেও বৰ্ডক অন্ততঃ কেইহেজাৰমান টকাকে ধাৰলৈ দিয়ক। শেহন্তত, চলিহাক ৭০০০ টাকা ফুকনে ধাৰলৈ দিলে আৰু সেই টকাতে ভেজনি দি বর্ডে নগা-আলিটো ওখ আৰু বহল কৰিলে। নগা-আলিটো আলিমুৰা কৰি ভাললৈ অনাত ফুকন ডাঙৰীয়াৰ অযাচিত দানেই প্রথম।

চাৰিং ডাকঘৰ

গৌৰীসাগৰ ডাকঘৰ

চাৰিঙৰ মানুহৰ নিমিত্তে গৌৰীসাগৰ ডাক-ঘৰটোৱেই একমাত্র ডাকঘৰ আছিল। দক্ষিণ চাৰিঙৰপৰা ডাকঘৰলৈ চাৰি মাইলমান বাট হব। মাজখনতে ইয়াত পিয়ন এটা আছিল। ডাকঘৰটোৰ

আয় নাই বুলি সেই পিয়নটো গুচাই পেলোৱা হল। সেই দেখি, মানুহে নিজে চিঠি-পত্ৰ আনিবগৈ লাগে। '২১-২২ চনত ধুমধাম কংগ্রেছৰ কাম চলাই থাকোঁতে শ্যামসুন্দৰ চক্রৱৰ্ত্তী-সম্পাদিত কলিকত্তীয়া দৈনিক কাকত 'চার্ভেণ্ট'খন আনিবলৈকে দিনৌ গৌৰী-সাগৰলৈ যাবলগীয়া হৈছিল। নিতৌ অহাযোৱা কৰা বৰ টান। পিয়ন নায়েই, বিপুৱা নো কিমান ধৰিম? বহুত কট্‌জতৰ মূৰত কেতিয়াবা হে বিশ্বাসী মানুহ এজন-দুজন পোৱা হয়। পষ্টমাষ্টৰৰ ভয়তে কোনো মানুহ ডাকঘৰলৈ যাব নোখোজে।

হৰি পষ্টমাষ্টৰ

পষ্টমাষ্টৰ আছিল শ্রীযুত হৰিনাথ শৰ্ম্মা বৰঠাকুৰ। তেখেতৰ বয়স তেতিয়াই ৫০ বছৰমান হৈছিল। তেখেতৰ কাম অসংখ্য— গৌৰীসাগৰৰ দ'লত দৈনিক পূজা কৰিব লাগে, গৰু-পাউণ্ড তদাৰক কৰিব লাগে, ডাকঘৰৰ কামো চলাব লাগে। তাৰ উপৰিও, ওচৰ চুবুৰীয়া গাৱঁত সভাসমিতি হলে বক্তৃতা দিবলৈও যাব লাগে। কেউটা কামৰ জুমুৰিয়ে যেতিয়া তেখেতক জপটিয়াই ধৰেহি, তেতিয়া তেখেতৰ তত্ হেৰাই যায়। এনেয়ে এষৰীয়া মানুহ, তাতে তত্ হেৰালে কথাবোৰ খেলি-মেলি লাগে। আভোকৰ ন-মুঠিয়েই জুৰি থাকে, তাতে যদি অসময়ত আকৌ কোনোবা এজন আহি টিকত-লেফাফা খোজেহি, বৰঠাকুৰদেৱৰ খংটো টিঙিচ কৰে পোনেই মূৰৰ ওপৰত উঠেগৈ। চিঠি-বিচৰাজনে তেখেতৰ এষাৰ নহয়-এষাৰ খিংখিংঙীয়া মাত শুনিবই শুনিব। ডাকপখিলী এটা অর্থাৎ পষ্টকার্ড এটা বিচাৰিলেও সতকাই পাব নোৱাৰি; এঘণ্টামান বহি থাকিলে হে পোৱা যায়। মনিঅর্ডৰ বা ৰেজেষ্টৰী কৰিবলৈ কিমান সময় যে ৰ'ব লাগে ঠিকেই কৰিব নোৱাৰি। তিনিটা কার্ড ললেও একেজাপ কৰি নিদিয়ে, তিন-তিকান-ন কৈ, ন বেলি লুটিয়াই লুটিয়াই লেখি, ন-বেলি নটা কোৰ মাৰি হে কার্ডকেইটাকে দিব। তাৰ উপৰি তেখেতৰ

দুজাউৰিমান বক্তৃতা আছেই। চাৰি মাইল বাট বাটকুৰি বাই গৈ আকৌ খিংখিঙীয়া মাত শুনা যে কেনেকুৱা তিতামুৰীয়া লগোৱা কথা, শুনাজনে জনমলৈ শিকিছে—মুখেৰে আনৰ আগত কবৰ সাধ্য নাই।

পষ্টমাষ্টৰৰ ৰূপত হে ডাকঘৰত শ্ৰীযুত হৰিনাথ শৰ্ম্মা সময় আৰু ভদ্ৰতাৰ মোল মুবুজাৰ মানত অজিনপাতকী; এনেয়ে, ভদ্ৰতা, নিষ্ঠা, চিন্তাশীলতা আৰু স্পষ্টবাদিতাত হলে সকলোৰে ভক্তিভাজন। ছৰ্কাৰী কৰ্ম্মচাৰী হলেও, দেশপ্ৰেমৰ উদ্গনিত পৰি ওচৰৰ চুবুৰিত বহা কোনো কোনো ৰাজহুৱা সভালৈ তেখেত নোযোৱাকৈ নেথাকে; সভালৈ গলেই, বক্তৃতাও বৰ লেজুৰা আৰু কথাই পানী নসৰকে। তেখেত ডাকঘৰত থাকোঁতে জমদগ্নিৰূপে যিটো মূৰ্ত্তি ধৰি থাকে, বক্তৃতা দিওঁতেও সেই মূৰ্ত্তিকে ধৰি ছাত্ৰিলাকক স্বভাৱ-চৰিত্ৰ ভাল কৰিবলৈ, ধৰ্ম্মপৰায়ণ হবলৈ আৰু শিক্ষাগুৰু-পিতৃগুৰুক মানিবলৈ ডাবি-ধমকী দিয়াদি টানি উপদেশ দিয়ে। ৰাইজ আৰু ছৰ্কাৰৰ যৰত সুনাম থৈ শ্ৰীযুত হৰিনাথ শৰ্ম্মাই ২৯ বছৰৰ মূৰত ডাকঘৰীয়া কামৰপৰা অৱসৰ ললে।*

শ্ৰীযুত হৰিনাথ শৰ্ম্মা বৰঠাকুৰ (হৰি পষ্টমাষ্টৰ)

১৭৯৪ শকৰ মাঘ মাহত শ্ৰীযুত হৰিনাথ শৰ্ম্মাদেৱৰ জঁাজীত জন্ম হয়। তেখেতৰ পোনপ্ৰথম শিক্ষা আৰম্ভ হয় শিৱসাগৰৰ বঙলা স্কুল বা বঙ্গবিদ্যালয়ত। সেই সময়ত "ৱ" আখৰটোৰ তলত ফুট দি বা আঁচ এটা মাৰি লিখা হৈছিল। তথাপি, বঙলামতে "ব" বুলিয়েই উচ্চাৰণ কৰিব লাগিছিল। পাছত হে, অসমীয়া কিতাপ পঢ়ি তেখেতসকলে "ৱ"টোক অসমীয়াতে "ৱ" বুলি মাতিবলৈ ধৰে। অসমীয়া লৰাই অসমীয়া ভাষাৰ কিতাপ পঢ়িছিল যদিও, এই সময়তে, ভাষাটোৰ ওপৰত পৰা বঙলা প্ৰভাৱ থাকি গল।

শৰ্ম্মাদেৱে শিৱসাগৰত দদাইদেৱেকৰ লগত থাকি বঙলা স্কুলত পঢ়িছিল। দদাইদেৱেক সেই পঢ়াশালিৰে শিক্ষক আছিল। তেখেত বৰ নৈষ্ঠিক আৰু সদাচাৰী থকা বাবে ভতিজাক হৰিনাথকো সদায় এইদৰে নিত্যনৈমিত্তিক কাম কৰিবলৈ উপদেশ দিছিল:—"অৰুণোদয়ৰ আগতে শুই উঠিবি; তাৰ পাছত হাত মুখ ধুই ফুল তুলিবি। শৌচাচাৰ কাৰাৰ পাছতে, (বেয়া ঠাইত হলে) স্নান

চাৰিঙতে ডাকঘৰ এটি পাতিবলৈ ঠিক কৰি, ডাক-বিভাগৰ ওপৰৱালাসকললৈ খনে-খনে দৰ্খাস্ত দিলোঁ। ১৯২২ চনৰপৰা ধাৰাসাৰে আবেদনৰ ফৰ্ম্মুঠি মাৰি-মাৰিও ডিবুকত থকা চুপাৰিণ্টেণ্ডেণ্ট অফিচৰ বঙালী কৰ্ম্মচাৰীৰ মন কোমলাব নোৱাৰিলোঁ। বাৰে-বাৰে উত্তৰ আহে—চাৰিঙত ডাকঘৰ দিব নোৱাৰি। অৱশেষত ১৯২৭ চনত, কলিকতাত দেশভক্ত ফুকনৰ কাণত সেই 'নাউমান' (অকণমান) কথাটি পেলাবলৈ সুযোগ পালোঁ। তেতিয়া, তেখেতে পুৰুষসিংহ চন্দ্রকমল বেজবৰুৱাৰ বিখ্যাত 'বাটৰ স্বত্ব' (বাইট্ অৱ ৱে) মকৰ্দ্দমাটো তদ্বিৰ কৰিবলৈ কলিকতাত অৱস্থান কৰিছিল। ফুকন ডাঙৰীয়াক চাৰিঙত ডাকঘৰ এটা পতাৰ কথা কলতেই, তেখেতে তৎক্ষণাৎ মোক মিঃ জি. পি. বাইৰ ওচৰলৈ লৈ গল। বায় আছিল

কৰিবি, তাৰ পাছত, কিতাপ পঢ়িবি। ভাত খাই ইস্কুললৈ যাবি। ইস্কুলৰ-পৰা আহি গা ধুবি। গা ধুই জলপান খাবি।" এইদৰে নীতিনিয়ম পালন কৰি পুনৰ পাঁচ বজাত হৰদেৱ খাটনীয়াৰৰ ঘৰত সংস্কৃত পঢ়িবলৈ যাব লাগে।

সন্ধ্যাতে চাকি লগাই পঢ়িব লাগে। তেতিয়া কেৰ্চেন তেল নাছিল, শিলৰ বা মাটি-চাকিত সৰিয়হ তেল দি হে চাকি জ্বলাব লাগিছিল। ভাত-পানী খাই উঠি একাধ্যা একাধ্যা মহাভাৰত পঢ়িবই লাগিছিল। তাৰ পাছত হে শুবলৈ যাব পাৰিছিল।

বঙ্গলা স্কুলত পঢ়োঁতে হৰিনাথে 'ডবল' প্রমোছন পাইছিল আৰু তেখেতৰ সহপাঠী শ্রীযুত ৰাধানাথ ফুকনে প্রথম প্রাইজ আৰু তেখেতে দ্বিতীয় প্রাইজ ধৰিছিল।

পঢ়া কালতে, হৰিনাথৰ পিতৃব্য আৰু পিতৃদেৱেক স্বর্গী হোৱাত সংসাৰ চলোৱাৰ ভাৰখন হুকস্ কৰে তেখেতৰ মুৰতে পৰিল। কি কৰিব, নিৰুপায় হৈ ইংৰাজী স্কুলৰ দ্বিতীয় শ্রেণীতে পঢ়া সামৰিব লগীয়া হল। স্কুল এৰিবৰ সময়ত তেখেতৰ বয়স হৈছিল মুঠেই পোন্ধৰ। সহপাঠীৰ ভিতৰত যিসকল আছিল, তাৰ ভিতৰত বিশেষকৈ শ্রীযুত ৰাধানাথ ফুকন (অৱসৰ প্রাপ্ত), জজ, পুলিছ ইন্স্পেক্টৰ শ্রীযুত বংশীধৰ বৰকটকী আৰু শ্রীযুক্ত হৰকান্ত বৰঠাকুৰৰ নামকে উল্লেখ কৰিব পাৰি।

সদৌ ভাৰতৰ ডাক-টেলিগ্রাফ বিভাগৰ উচ্চতম বিষয়া। তেওঁৰ আগত ফুকনে মোৰ কথা এই বুলি কলে, "এই লৰাটি আহিছে সুদূৰ অসমৰ পূৱ প্ৰান্তৰপৰা ; আহিছে, আপোনাৰ ওচৰত ক্ষুদ্ৰ ডাকঘৰ এটি ভিক্ষা কৰিবলৈ। শিৱসাগৰৰ ভিতৰত চাৰিংখন পুৰণি শিক্ষিত সম্ভ্ৰান্তলোকৰ বসতি স্থান। ইয়াত ডাকঘৰ এটা দিবই লাগে।" ফুকনৰ কথাকিষাৰ শুনিয়েই বায় ছাহাবে সোঁ চকুৰ গ্লাছখন এৰুয়াই মোৰ হাতৰপৰা দৰ্খাস্তখন লৈয়েই মোক বিদায় দিলে।

তাৰ পাছত মাহদিয়েক গল। ময়ো ঘৰ পালোঁহি। এদিন গৌৰীসাগৰ ডাকঘৰলৈ গৈছোঁ। শিৱসাগৰৰপৰা ডাক নৌ-পায়হি এখোন। বাবু অশ্বিনী চৌধুৰী নামৰ ডাকঘৰীয়া ইন্‌স্পেক্টৰ এজনে গৌৰীসাগৰ ডাকঘৰ পৰিদৰ্শন কৰিছে। কথায়-কথায় মই উলিয়ালোঁ।

জাঁজীত আগেয়ে পঢ়াশুনা কৰাৰ একো সুবিধা নাছিল। ইং ১৮৮৩ চনত হৰিনাথৰ পিতৃদেৱেক পদ্মনাথ বৰঠাকুৰে মাইনৰ স্কুল এখন খোলে। সেই স্কুলৰ চেক্ৰেটৰী আছিল গঙ্গাগোবিন্দ ফুকন। দেউতাক ঢুকোৱাৰ পাছত, গোবিন্দ বেজবৰুৱা আৰু জি. জি. ফুকনে পুনৰ তাতে জুবিলী স্কুল নাম দি এখনি মাইনৰ স্কুল পাতে। তেখেতৰ পিতৃ-বিয়োগ হোৱাৰ পাছত, কেইবছৰমান ঘৰত থাকি, ১৮৯২ চনত হৰিনাথ জুবিলী স্কুলত শিক্ষক সোমায়, কিন্তু ব্ৰাঞ্চ পষ্টমাষ্টৰী কাম লৱলগীয়া হোৱাত সেই শিক্ষকৰ পদ ইস্তফা দিয়ে। ডাকঘৰত এবছৰ ন মাহ মাষ্টৰী কাম কৰি ১৮৯৪ চনত সেই কাম এৰি দিয়ে।

১৮৯৫ চনত, শিৱসাগৰৰ অজধৰ বৰুৱাৰে লগ লাগি জাঁজীত এটা মাইনৰ স্কুল খোলে। তাতে তেখেতে ১৯০৫ চনলৈকে কাম কৰি থাকে। তাৰ পাছত, গৌৰীসাগৰ ডাকঘৰত মাষ্টৰ হয়হি আৰু ২৯ বছৰ তাতে পষ্টমাষ্টৰী কৰে। গৌৰসাগৰত থাকোঁতে হৰিনাথ পষ্টমাষ্টৰে সকলোৰে শ্ৰদ্ধাভক্তি আকৰ্ষণ কৰিছিল। তেওঁ অমূৰ্ত্তক খঙাল আছিল যদিও সকলোৱে ভক্তিভাৱে "প্ৰভু" বুলি হে সম্বোধন কৰিছিল।

পষ্টমাষ্টৰ দেৱৰ পিতৃদেৱেক পদ্মনাথ বৰঠাকুৰ কেবাটাও ছৰ্কাৰী বিভাগত কাম কৰি কৰি, অৱশেষত ইস্কুল-চব্‌-ইন্‌স্পেক্টৰ হয়। তাৰ আগেয়ে দিছাংমুখ জাহাজঘাটত চব্‌-এজেণ্ট আছিল। তেতিয়াই তেওঁ পোনপ্ৰথম আমাৰ সাহিত্যিক

ৰোলোঁ, "চাৰিওত ডাকঘৰ দিয়া নহবই নে কি?" চৌধুৰীয়ে মিহি মাতেৰে কিন্তু, তাচ্ছিল্য ভাবেৰে কলে, "আপোনাৰ চাৰিওৰ নিচিনা গাৱঁলীয়া ঠাইত কি ডাকঘৰ হব?" (মই ইংৰাজীৰে সুধিছিলোঁ, তেওঁ উত্তৰ দিছিল বঙলাৰে)। কথাষাৰে মোক বিছাই ডকাদি ডাকিলে। মইও বঙা-চঙা পৰি গোজোৰা মাৰি কলো, "বগা-চামৰা এজন থকা হলে আজিয়েই ভৰি চেলেকি ডাকঘৰ দিলেহেতেন (Were there a single European soul, I think, you would have licked his feet and given him a post office.) মোৰ চোকা মাত শুনি, তেওঁ কি উত্তৰ দিব ভাবি থাকোঁতেই পষ্টমাষ্টৰ হৰিনাথ শৰ্ম্মাই মোক আজোৰ মাৰি ভিতৰলৈ লৈ গল আৰু চিঃ-চিঃ—চাঃ-চাঃ কৰি ডেও পাৰিবলৈ ধৰিলে—"বেণু বোপা, খালা, তুমি ভাল খালা! মোৰ আগতে ইন্‌স্পেক্টৰক টান কথা কৈ মোৰ কামটোও নিয়ালা এতিয়া!..."

এনেতে, শিৱসাগৰৰ ডাকোৱাল পালেহি। 'বেগ' খুলি চাওঁতেই মোৰ নামে দিয়া খিলঙৰ ডেপুটী পষ্ট-মাষ্টৰ জেনাৰেলৰ চিঠিখন ওলাল।

পেঞ্চন পাওঁতা পদ্মনাথ গোহাঞি বৰুৱাৰ দেউতাক ঘিণাৰাম বৰুৱাক লগত লৈ উত্তৰ লক্ষীমপুৰত মাইনৰ স্কুল এটা পতায়। সেই আদর্শকে হৰিনাথেও গ্রহণ কৰে।

সময় চাই, শক্তি অনুসৰি হৰিনাথ শৰ্ম্মা বৰঠাকুৰে ভালেমান জনহিতকৰ কাম কৰিছিল। তেখেতে জাঁজীত স্কুল পাতি থাকোঁতেই এবাৰ জাঁজী নৈৰ দুয়োপাৰে হাইজা ব্যাধিত পৰি মানুহ মৰি উপান্ত হয়। তেনেতে, কর্ণেল শিৱৰাম বৰাও আহি জাঁজী ডাকবঙলাত থাকেহি—সেই ৰোগত পৰা মানুহৰ অনুসন্ধান কৰিবলৈ। তাতে শৰ্ম্মা আৰু সহকর্ম্মীজনে কর্ণেল বৰাক আস্পতাল এটা পতাৰ পৰামর্শ বিচাৰিলে। ডাক্তৰ বৰাই দিয়া বুদ্ধি-পৰামর্শমতেই ১৮৯৪ চনত জাঁজীত, হৰিনাথ শৰ্ম্মাৰ উদ্যোগতে আস্পতাল প্রতিষ্ঠিত হল।

জাঁজী-গৌৰীসাগৰতো তেখেতে হাট পতাই বাইজে বেচা-কিনা কৰাৰ সুবিধা কৰি দিছিল।

পঢ়িচাই দেখিলোঁ—মই যদি নগদ ৩০০ টকা জামিন দি ঘৰ ত্রটা দিব পাৰোঁ আৰু ১০ টকাত ডাকোৱাল-ডাকবাবু (পষ্টমাষ্টৰ) হুজন বন্দবস্ত কৰি দিব পাৰোঁ, তেন্তে ১৯২৮ চনৰ ১৬ জুলাইৰপৰা চাৰিওত পৰীক্ষামূলক ভাবে (Experimental) ডাকঘৰ এটা ছৰ্কাৰে পাতি দিব পাৰে। মোলৈ দিয়া চিঠিখন, সেই সময়ৰ শিৱসাগৰীয়া কাউন্সিল-সদস্য তাৰাপ্রসাদ চলিহা বেৰিষ্টাৰ ডাঙৰীয়ালৈ দিয়া চিঠিৰ নকল আছিল। চিঠি পঢ়ি, ইন্‌স্পেক্টৰে সেমেনা-সেমেনি কৰিবলৈ ধৰিলে আৰু মোক ভদ্রভাৱে কলে, "ভাল হল, এতিয়া আৰু ডাকঘৰ পাতক গৈ।"

সেই চিঠি পাই আমাৰ আনন্দ-উলাহ ধৰলৈকে ঠাই নোহোৱা হল। গধূলি পাতিহাঁহ মাৰি ভোজ খালোঁহঁক। শ্রীযুত শৰৎচন্দ্র গজপুৰীয়া বৰুৱাক চাৰিং ডাকঘৰৰ মাষ্টৰ পাতিলোঁ। আমগুৰি ষ্টেছনৰপৰা ডাক আনিবলৈ পাল পাতি-পাতি ভলণ্টিয়াৰো ওলাল। তাৰ ভিতৰত এই কেইজনেই আছিল আগৰণুৱা—উমাকান্ত দুৱৰা, সূর্য্যকান্ত ফুকন, ঘিটিৰা খনিকৰ, ৰজনীকান্ত ফুকন. চিদানন্দ হাজৰীকা, জীৱকান্ত দুৱৰা আৰু সোণধৰ খনিকৰ আদি শ্রীমান কিজন।

ডাকঘৰটো যে নহলেই নহয় আৰু তাৰ লগত যে দূৰণিবটীয়া মানুহ আৰু অনুষ্ঠানৰো ঘনিষ্ঠ সম্পর্ক আছে, তাৰ প্রমাণ দেখুৱাবলৈ লণ্ডনৰ-পৰা 'ভি. পি. কৈ ২৫ টকা দামৰ (ইয়াত তেতিয়া জোতাৰ দাম আছিল জোৰে ৩৷৷০ টকা) জোতা আনিও দেখুৱাইছিলোঁ। বিদেশলৈ দিয়া চিঠিত আমাৰ ডাকঘৰত নামটো চাৰিং ক্রছ (লণ্ডনত থকা চেয়ৰিং ক্রছ নামানুসাৰে) বুলি দিছিলোঁ; ডাকঘৰটো স্থায়ী কৰিবলৈ ডুমডুমাৰ শ্রীযুত হেমকান্ত বৰকাকতী, নাগিনীজান বাগিছাৰ শ্রীযুত মোক্ষেশ্বৰ সন্দিকৈ, নকচাৰী-মৌজাদাৰ শ্রীযুত ৰোষেশ্বৰ বৰুৱা, মোৰ ভাই শ্রীমান ধর্ম্মেশ্বৰ শর্ম্মা, নাজিৰাৰ শ্রীযুত ভোলানাথ শর্ম্মা পূজাৰী আৰু শ্রীযুত লোকনাথ কাকতী মেনেজৰে সহায় বৰঙনি দি যত্নৰ ত্রুটী কৰা নাছিল। শ্রীযুত বলোৰাম দুৱৰা বি-এই ডিবুৰুৱপৰা কেইবা প্রকাৰেও

সহায় কৰিছিল। হৰিপ্ৰসাদ দুৱৰা দেৱানে মাহে আঠ অনাকৈ, শ্ৰীযুত শিৱকান্ত দুৱৰাই মাহে এটকাকৈ আৰু শ্ৰীযুত তিলকান্ত ফুকন আৰু শ্ৰীযুত লোকনাথ ফুকনে লাগ বুলিলেই যিমান লাগে সিমান লগাকৈ বৰঙনি পেলাইছিল। ডাক্তৰ হৰকান্ত দুৱৰাই বাইচাইকেলেৰে ঘুৰি-পকি গোটেইখনতে টিকত-লেফাফা বেচি ফুৰিছিল আৰু ভালেমানে যি পাৰে তাকে দি সহায় কৰিছিল। সকলোৰে উমৈহতীয়া আৰু আশাশুধীয়া সহায়-সহানুভূতিৰ ওপৰত নির্ভৰ কৰি চাৰিং-ডাকঘৰটি সুপ্ৰতিষ্ঠিত কৰিব পৰা হল।

কিবা এটি বেমেজালি লগাত শ্ৰীযুত শৰৎ বৰুৱাই কামৰপৰা অৱসৰ লৱলগা হল। তাৰ পাছতে, ডাকঘৰৰ ঠাই লৈ ৰৰ টনা-আঙোৰা লাগিল। পষ্ট মাষ্টৰো বদলি হল। বহুত মেল-মকৰ্দ্দমাৰ মূৰত ছৰ্কাৰৰ ফালৰপৰা চলিহা-আলিৰ মূৰৰ বৰগছ জোপাৰ তলতে ডাকঘৰ হঁব বুলি ঠাই বাছি দিলে। শৰৎ গজপুৰীয়াৰ পিছত শ্ৰীযুত গোপাল শৰ্ম্মা কটকী পষ্ট মাষ্টৰ হয়। তাৰ পিছত শ্ৰীযুত বলোৰাম চলিহা। চলিহাৰ পিছত, আকৌ গোপাল শৰ্ম্মা হয়। এইদৰে, অগীয়া-বগীয়াকৈ কেবাজনো মাষ্টৰ হোৱাৰ পিছত, আকৌ গোপাল শৰ্ম্মাই মাষ্টৰ হয়।

ডাক ঘৰটোৰ নাম চাৰিং নিদি, কাকতীগাওঁ দিৱ লাগে বুলি কেবাজনেও ওজৰ উলিয়াইছিল। সেই ওজৰ নৰজিল। চাৰিং নামেই থাকিল। এই নামটো ৰাখিবলৈকে বৃটিছ-আমোলৰ পুৰণি বুৰঞ্জী আৰু বহুত ছৰ্কাৰী ৰিপৰ্ট ঘুলুকিব লগীয়া হৈছিল। শেহন্তত ১৯২৮ চনৰ ১৬ জুলাইৰপৰা সাত-ঘোকটৰ চাৰিংখন জগতৰ লগত ডাকঘৰৰ যোগেদি লগুণ-গাঁঠি লাগিল।

চাৰিং-ছাত্ৰসভা

চাৰিং মাইনৰ স্কুলৰ হেড মাষ্টৰ শ্ৰীযুত নবীনচন্দ্ৰ কাকতী, শ্ৰীযুত বলোৰাম দুৱৰা, শ্ৰীযুত কেশৰচন্দ্ৰ দুৱৰা, শ্ৰীযুত দেবেন্দ্ৰনাথ দুৱৰা,

শ্রীযুত টুনীৰাম কাকতী আৰু শ্রীযুত অতুলচন্দ্র ফুকন—এইবিলাকেৰে পৰামর্শ কৰি পুৰণি ছাত্রসভাখন উজ্জীৱিত কৰিবলৈ স্থিৰ কৰিলোঁ। সেই সভাই উঠি অহা ছাত্র-চামৰ মন স্বদেশানুৰাগত মতলীয়া কৰি পেলালে। সেই সভাৰ বিৱৰণীটি বাতৰি-কাকতপৰাই তুলি দিলোঁ :—

"১৯২৯ চনৰ ১৫।১৬ এপ্রিল তাৰিখে শিৱসাগৰৰ চাৰিওত শ্রীযুত পদ্মধৰ চলিহা এম-এ, বি-এলৰ সভাপতিত্বত অতি আগ্রহ-উৎসাহেৰে চাৰিং ছাত্রসভাৰ দ্বিতীয় বাৰ্ষিক অধিবেশন হৈ গল। আদৰণী সভাৰ হৈ শ্রীযুত অতুলচন্দ্র ফুকনে পাঠ কৰা অভিভাষণখনি সাৰুৱা আৰু সময়োপযোগী হৈছিল। সভাপতি ডাঙৰীয়াৰ দীঘলীয়া, অথচ শুৱলা হৃদয়গ্রাহী অভিভাষণ শুনি সকলো মুগ্ধ হৈছিল। (এই অভিভাষণ "বাঁহী"ত প্রকাশ হয়)।

প্রথম দিনা সভাৰ কার্য্য শেষ হোৱাৰ পিছত, ৰাতিলৈ ছাঁয়াপট বা মেজিক লেণ্টার্ণৰ সহায়েৰে "সাবিত্রী-সত্যবান"ৰ কাহিনী, মেলেৰীয়া জ্বৰৰ কাৰণ, কলাজ্বৰ আৰু হাইজা ৰোগৰ বিস্তাৰ-বন্ধন উপায় দেখুউৱা হয়। পাছ দিনা, শ্রীযুত ঘনকান্ত দুৱৰাই এটি ৰঙ্গীত গাই সকলোকে সন্তোষ দিয়ে। প্রস্তাৱৰ ভিতৰত আছিল লালা লাজপৎ ৰায়ৰ মৃত্যুত শোক প্রকাশ, সমাজসেৱা দল স্থাপন, ৰাগীয়াল বস্তু নিৰাৰণ আৰু দেশীয় কাপোৰ-কানি প্রচলন কৰা আদি।

পোনৰ দিনৰ সভাত, স্থানীয় মুনিহ-ছাত্রৰ উপৰিও, ৰকতা, ৰলিয়াঘাট, ৰামুণপুখুৰী, তামুলীছিগা, জাঁজী, আমগুৰি, নাজিৰা আৰু শিৱসাগৰৰ ভালেমান ছাত্র আৰু শিক্ষক উপস্থিত আছিল। 'অসমীয়া' কাকতৰ সম্পাদক শ্রীযুত লক্ষীনাথ ফুকন, শ্রীযুত ইন্দ্রনাথ কাকতী বি-এ, শ্রীযুত যজ্ঞেশ্বৰ ৰকুৱা, শ্রীযুত দেৱেশ্বৰ খাটনীয়াৰ, শ্রীযুত আনন্দৰাম হাজৰীকা,. শ্রীযুত প্রিয়নাথ ৰকুৱাকে প্রমুখ্য কৰি বিশিষ্ট অতিথিসকলে সভাত যোগ দি, কাটনী-কৈৰর্ত্ত-চুতীয়া-আহোম-কাকতী-কটকীৰে ঠাহ খাই থকা সভাৰ ৰভাখনৰ শ্রী-গাম্ভীর্য্য বর্দ্ধন কৰিছিল। শ্রীযুত ফুকন আৰু খাটনীয়াৰে সমাজৰ কেৰোণ কানি-

ভাং-চুৰতৰ অপকাৰিতা সম্বন্ধে আৰু সামাজিক মাৰৰ আৱশ্যকতা দেখুৱাই একোটি বক্তৃতা দিছিল। (দার্শনিক কবি) শ্রীযুত ইন্দ্রনাথ কাকতী, (উদ্যোগৰ ফিৰিঙটি) হাজৰীকা আৰু (চিন্তাশীল সাহিত্যিক) শ্রীমান কৰুণাকান্ত গগৈয়ে তেজী বক্তৃতাৰে ছাত্র-অভিভাৱকৰ কর্ত্তব্যবিলাক ফঁহিয়াই দেখুৱায়। (উচ্চাকাঙক্ষী) শ্রীমান মোহনচন্দ্র ফুকন আৰু শ্রীমান উমাকান্ত দুৱৰা যুটীয়া সম্পাদক নির্ব্বাছিত হয়। চাৰিমান বজাত শ্রীযুত বিষ্ণুৰাম বৰকাকতী ডাঙৰীয়াই গোৱা এটি বৰগীত আৰু সভপতিৰ সামৰণি মন্তব্যেৰে চাৰিং-ছাত্রসভাৰ দ্বিতীয় বার্ষিক অধিবেশন অন্ত পৰে।"

এই ছাত্রসভাই আমাক বৰ বল দিলে; অন্ততঃ, পুলিছৰ ছেপা-খুন্দা আৰু ভাবুকিলৈ ভয় নকৰা কৰিলে। ১৯৩০ চনৰপৰা ১৯৪২ চনলৈকে স্বাধীনতা অর্জ্জনত যিবিলাকে নির্য্যাতন ভোগ কৰিলে, সেইবিলাকৰ সৰহভাগেই এই ছাত্র-সভাৰপৰাই পোন-প্রথম প্রেৰণা পোৱা।

১৯২৯ চনৰ ছাত্রসভাৰ ছবিখন দেখিলেই বুজিব পাৰিব—চাৰিঙৰ বাইজ কিমান একগোট আছিল। আজিৰ লগত সেই ছবিৰ সংহতি তুলনা কৰিলে হুমুনিয়াহ মাত্র ওলায়।

[১৩]

১৯৩০ চনৰ অসহযোগ

মহিলা আন্দোলন

১৯৩০ চন পালেহি। ১৯২১ চনতকৈ এই চনৰ অসহযোগ আন্দোলনে তীব্ৰ আকাৰ ধাৰণ কৰিলে। '২১ চনত যদি জেললৈ যোৱা, জৰিমনা ভৰা মানুহ সদৌ ভাৰতত হেজাৰ-বিজাৰ হৈছিল, এই চনত লাখ-বিলাখ হলগৈ। আগৰটো আন্দোলনত প্ৰত্যক্ষভাৱে কাম কৰোঁতা আৰু নিৰ্য্যাতন ভোগোঁতাসকলৰ ভিতৰত পুৰুষৰে আগভাগ আছিল। এই আন্দোলনত কিন্তু, মহিলাই হে তীব্ৰতা বঢ়ালে। বোম্বাই প্ৰদেশৰ গুজৰাটী মহিলা বিলাকে পোন-প্ৰথমেই জাকৰুৱাভাৱে সত্যাগ্ৰহ কৰি আইন অমান্য কৰে। বোম্বাইৰালী মহিলা জাগৰণৰ পচোৱা বতাহে আমাৰ অন্ধকূপত থকা চাৰিঙৰ মহিলাৰ গাত ও ছাটি এটা মাৰিলেহি। চাৰিঙৰ আইমাতৃ-জীয়াৰী-বোৱাৰীও কংগ্ৰেছৰ নিৰ্দ্দেশমতেই ফাটেক খাবলৈ সষ্টম হল।

আগৰেপৰা জাতীয় আন্দোলনৰ আগ-গুৰি কাটি অহা শ্ৰীযুতা সুন্দৰী কাকতীয়নীয়ে নায়িকাৰ দায়িত্ব লোৱাত চাৰিঙৰ বুঢ়ী-আই-সকল আৰু জীয়াৰী-বোৱাৰীহঁতৰ গা দাং খাই উঠিল। ডাঙৰীয়া কৃষ্ণপদ দুৱৰাৰ ভাৰ্য্যা ৭৫ বছৰ বয়সীয়া উপমা দুৱৰানী, ৭০ বছৰীয়া যজ্ঞেশ্বৰী দুৱৰানী, মহীধৰ দুৱৰাৰ পত্নী, বলোৰাম দুৱৰা কেৰেণীৰ সহধৰ্ম্মিণী, ৰাধাকান্ত ফুকন ডাঙৰীয়াৰ ভাৰ্য্যা আইটী ফুকননীও ওলাই আহিল—নতুনক বাট দেখুৱাবলৈ। ঠায়ে-ঠায়ে মহিলা-সভা পতা হল। লীলাৱতী হাজৰীকানী, কুসুমকুমাৰী দুৱৰানী, লীলাৱতী দুৱৰানী, ৰাসেশ্বৰী ফুকননী, গুণদালতা ফুকননী, খগেশ্বৰী দুৱৰানী আদি শ্ৰীযুতাসকল আৰু সুৱৰ্ণলতা দুৱৰা, ৰহিলা দুৱৰা, পখিলা দুৱৰা, ৰমণীলতা ৰৰকাকতী, মাখনলতা ফুকন, হেমপ্ৰভা কাকতী, সাদৰীলতা



সুন্দরী কাকতীয়নী পৃঃ ১৯০



চাব্বিং-কংগ্রেছ-সেরকিণী পৃঃ ১৯০

ফুকন, প্রেমদালতা ফুকন, হেমলতা ফুকন প্রভৃতি শ্রীমতী আইদেওঁহঁত —এই সকলোটিয়েই আগৰণুৱা হৈ সমদলে ফুৰি-ফুৰি ঠায়ে-ঠায়ে সভা-সমিতি পাতিবলৈ ধৰিলে। এওঁবিলাকেই সভা পাতি দৈনিক কংগ্রেছ-অফিছত সূতা কাটিবলৈ লয় আৰু বিয়াই-সবাহে সকলোকে বিলাতী-বৰ্জ্জন কৰিবলৈ অনুৰোধ কৰি ফুৰে। দেওবাৰে-দেওবাৰে একোখন গাৱঁলৈ গৈ সভা পাতি মহিলাবিলাকক কংগ্রেছৰ সভ্যভুক্ত কৰে। শিৱসাগৰ কাছাৰীৰ আগত বৰ ডাঙৰ সভা এখন হৈছিল। বৃটিছৰ আইন নেমানো বুলিয়েই মহিলাসকলেও তাত প্রস্তাব গ্রহণ কৰিছিল। সেই সভালৈ চাৰিওৰপৰা ২০ গৰাকী, বলিয়াঘাটৰপৰা ৫ গৰাকী আৰু কালুগাৱঁৰপৰা ৪ গৰাকী সম্ভ্রান্ত পৰিয়ালৰ মহিলা গৈছিল। শিৱসাগৰৰ শ্রীযুতা কমলালয়া কাকতী, শ্রীযুতা শশীপ্রভা চলিহা, শ্রীযুতা কনকলতা চলিহাই মাজে-মাজে সভাবিলাকলৈ আহি স্থানীয় মহিলাসকলক বুদ্ধি-পৰামর্শ দিছিল।

চাৰিওৰপৰা শিৱসাগৰলৈ নগাআলি-মাছখোৱাগড়-বৰআলি-ন-আলিয়েদি (ৰংঘৰ-তলাতলঘৰৰ মাজেদি) ১২ মাইল বাট। এই বাৰ মাইল বাট চাৰিওৰ মহিলা-সমদলটোৱে চৰণ চলায়েই বাট বুলিছিল। আন্দোলনৰ ঢৌ ইমানলৈকে উঠিছিল যে দুৱৰাপাৰৰ এগৰাকী মহিলাৰ (শ্রীযুত শিৱকান্ত দুৱৰাৰ পত্নী) আজিত বাদে কাইলৈ গা-এৰাৰ সময়— তথাপি শিৱসাগৰৰ সেই আইন-নমনা সভালৈ তেৱোঁ উৰুলিকৃত হৈ ওলাই গৈছিল। বলিয়াঘাটৰ শ্রীমতী সাৱিত্রীবালা কাকতীৰ বিষম সাহ আৰু বক্তৃতাৰ ভঙ্গি দেখি আচৰিত হৈ কোনেও তেওঁক নশলাগি নোৱাৰিছিল। বলিয়াঘাটৰ এগৰাকী আৰু কালুগাৱঁৰ দুগৰাকী মহিলাই সেই অনুপ্রেৰণাৰ ফলতেই কাৰাবৰণ কৰিব পাৰিছিল।

চাৰিং-কংগ্রেছ-অফিছ প'চালনা

তেতিয়া চাৰিং-কংগ্রেছৰ অফিছ-ঘৰটো যি মাটিত আছিল, তাৰ গিৰিহঁতজন বৰ একাচেকা বিধৰ আছিল আৰু তেওঁ কংগ্রেছৰ নামত

উকৰি ফুৰিছিল। বহুত বুজাই-ৰবাই কাৰৌ-কোকালি কৰি শ্ৰীযুত দুৰ্গানন্দ কাকতীয়ে যেনিবা তেওঁৰপৰা সম্মতি লৈ এজাৰণি হাবি ভাঙি কংগ্রেছৰ ঘৰটো সাজিলে। তাৰ বাবে, মাটিগিৰিহঁতক কোনো-কোনো সময়ত আৰ্থিক সহায়ো কৰিব লগীয়া হৈছিল। সেই ঘৰতে দূৰ-দূৰণিৰপৰা অহা সেৱকসকল জিৰায়হি। নগাওঁ, দেৰগাওঁ, ঢেঁকীয়াল আৰু যোৰহাটৰপৰা অহা স্বেচ্ছাসেৱকসকলৰ সেইটোৱেই ৰাটঘৰ। ঢকুৰাখনাৰ টুনীৰাম দত্ত ভূঞা নামেৰে এজন নিৰীহ-অকপটীয়া সেৱক আহি চাৰিং-ফৌজৰ লগতে আপোন হৈ জাপ খাই আছিল। নাম্‌তী চাৰিআলিৰ বগাধৰ গোহাঁই বুলি এটি ডেকা লৰাৰো তাতেই স্থায়ী বসতি হৈছিল। সেৱাদলৰ নায়ক আছিল শ্ৰীচিদানন্দ হাজৰীকা, শ্ৰীবলোৰাম চলিহা, শ্ৰীসূৰ্য্যকান্ত ফুকন; পাছত, সলনাসলনিকৈ পিকেটিঙৰ নায়ক হৈছিল শ্ৰীৰজনীকান্ত ফুকন, শ্ৰীজীৰকান্ত দুৱৰা, শ্ৰীমোহনচন্দ্ৰ ফুকন, শ্ৰীসহদেৱ দুৱৰা, শ্ৰীফটিকচন্দ্ৰ কাকতী আৰু শ্ৰীদেউৰাম কাকতী।

শ্ৰীযুত দুৰ্গানন্দ কাকতীয়ে কাপোৰ-সিয়া কল এটা লৈ তেওঁৰ দোকানত দেশী কাপোৰৰ চোলা-ব্লাউজ আদিও সিছিল। শিৱসাগৰৰ শ্ৰী শ্ৰীৰাম বৰুৱা নাজিৰে ঘৰৰপৰা খেদাই দিয়াত পুতেক বিষ্ণুৱে আমাৰ কংগ্রেছত আশ্রয় লয়হি। কাকতীয়ে তোওঁক সজাই-পৰাই ৰাইজৰ আগলৈ উলিয়াবলৈ কাপোৰ সি বাঢ়ি থকা বাৰ-বৰণৰ বাৰ টুকুৰা কপোৰেৰে এটি চিতৰা-পখৰা চোলা কৰি দিছিল। চোলাটোত ১৬টা জেপ আছিল। বিষ্ণুক পতা হৈছিল প্রচাৰ বিভাগৰ 'লীডাৰ'। বিয়া-বৰসবাহ-ভাৱনা হলেই পখৰা চোলা পিন্ধি বিষ্ণু বৰুৱাই বিপ্লবী-বাণী প্রচাৰ কৰি ফুৰে। বলিয়াঘাটৰ শ্ৰীযুত ললিতনাথ কাকতীৰ বিয়াতো দৰাঘৰীয়া হৈ গৈ, তেওঁ গোলাঘাটত শ্ৰীযুত যোগেন্দ্রনাথ বৰুৱা জজৰ ঘৰতো অসহযোগৰ বক্তৃতা দিছিল। তেওঁৰ চকু এটি কেঁৰা আছিল। অসহযোগ ভাল নোপোৱা মানুহে প্রতিবাদ কৰা দূৰৈৰ কথা, বিষ্ণুৰ চকুতধৰা গাৰ কাপোৰ-কানি আৰু কেঁৰা বদনৰ ছবি চায়েই

ভোল যায়। বিষ্ণুপ্রসাদৰ টকটকীয়া উৎসাহটো সঁচাকৈয়ে লেখত লবলগীয়া আছিল।

বগাধৰ গোহাঁই

আমাৰ সেৱাদলটোৰ ভিতৰত মুঠেই ক-বুলিব-নজনা ভলণ্টিয়াৰ আছিল বগাধৰ গোহাঁই। কিন্তু নিৰক্ষৰী যদিও, তেওঁৰ লগত উলামূলা জিতাক্ষৰীয়েও ফেৰ মাৰিব নোৱাৰিছিল। বগাধৰ, ৰৰগোহাঁই ঘৰৰ লৰা, হাত-ভৰি নিপোটল, মুখখনো ফলিক—তেজে-ফুটি-যাওঁ-ফাটি-যাওঁ। তেওঁৰ নিচিনা গঢ়ে-পিতে সুন্দৰ-সুঠাম ডেকা আমাৰ ভিতৰত আৰু-আন এজনো নাছিল। বগাধৰে অলপ বেজালি ব্যৱসায় জানিছিল —কুমন্ত্ৰও কৰিব পাৰিছিল। মাইকী মানুহৰ অন্তেসপুৰত তেওঁ প্ৰবেশ কৰিব নোৱাৰিছিল যদিও, তেওঁৰ বিৰুদ্ধে কোনে কি কয় সেইবোৰ হলে গম পাই আছিল। কথাৰ মূৰত, সেই গুপ্ত কথাৰ ভেদ ভাঙি দি এটাইবোৰকে বিচূৰ্ত্তি খুৱাইছিল। বগাধৰৰ ডাঙৰ গুণ আছিল, তেওঁ হৰেক ৰকমৰ চৰাই-চিৰিকতি, কুকুৰ-মেকুৰী, মানুহ-দুনুহৰ মাতটোহঁত অবিকল নকল কৰিব পাৰিছিল।

দুৰ্গাধৰ বৰুৱাৰ নেতৃত্বত প্ৰচাৰ কাৰ্য্য

বগাধৰৰ ঘৰ আছিল নামতি-চাৰিআলিৰ গোহাঁইগাৱঁত। সেই গাৱঁত তেতিয়াও কংগ্ৰেছৰ পোহৰ পৰা নাছিল। শিৱসাগৰ জিলা-কংগ্ৰেছ-সেৱাদলৰ মুখ্য নায়ক আৰু মহাত্মা গান্ধীৰ প্ৰপন্ন শিষ্য শ্ৰীযুত দুৰ্গাধৰ বৰুৱাই শিৱসাগৰ মহকুমাটোৰ দশোদিশ কংগ্ৰেছৰ ধ্বনিৰে কঁপাই দিওঁ বুলি বিৰাট সমদল এটা গঠন কৰিছিল। সেই দলটোৱে শিৱসাগৰৰপৰা ওলাই আহি পোনেই বলিয়াঘাটতে প্ৰচাৰৰ প্ৰথম ঘেটা মাৰিলেহি। তাতে, কেইজনমান কংগ্ৰেছ-সভ্য কৰা হল। তাৰপৰা চাৰিঙলৈ আহিল। চাৰিঙৰপৰা জাঁজী, আমগুৰি; আমগুৰিৰপৰা নামতি পালেগৈ। নামতি পাওঁতে-পাওঁতেই স্বয়ংসেৱকৰ সংখ্যা তিনি গুণ বাঢ়িল। নামতীত শ্ৰীযুত দেউকণ মহন্তই সকলো সেৱককে

দুসাজ খুৱাই-বুৱাই আমাক নথৈ আপ্যায়িত কৰিলে। পাবৰ দিনাই গধূলি, আমি খাই-বৈ এঁটাই মাটিয়ে-বালিয়ে পৰি শুই আছোঁ; দুৰ্গাধৰৰ ওচৰতে মই; মোৰ দাঁতিতে সোণাৰাম দত্ত (এম-এল-এ)। আমাৰ চিল্‌মিল্‌কৈ টোপনি আহিছে। এনেতে, বাহিৰত ফেউ-ফেউ মাত শুনি চঁক খাই উঠিলোঁহঁক। চকু-মুখ মোহাৰি চাওঁ দেখোন, বাহিৰত নাম্‌তীৰ ভলণ্টিয়াৰবিলাকে আমি খাইঅহা ভাতৰ পাত দলিয়াইছে আৰু বাল্‌টিৰে ঘটং-ঘটংকৈ পানী তুলি চুৰা ধুইছে। মানুহৰ উদুলি-মুদুলি লাগি থাকোঁতেও চুৰাপাতনিত ফেউ-ফেউ কৰিবলৈ ক ৰ ফেৰুৱাটো আহিল, ভাবি অবাক!

ভাত-ঘুমটি ভাগিলে আৰু সত্তকাই টোপনি নাহে। আমাৰ যি টোপনি ভাগিল, ভাগিলেই। ফেৰুৱাৰ মাতটো ক'ৰপৰা আহিল বুলি আমি কোৱাকুই কৰি থাকোঁতেই, ঘপ কৰে এজন মানুহ ওলালহি। মানুজন খাটুৱা, গাত ধকধকীয়া বগা পঞ্জাবী চোলা এটা, চুৰিয়াৰ থোৰটো মাটিত চুঁচৰি গৈছে আৰু হাতত লেহুকা লাখুটি এডাল। লাখুটিডাল ঘূৰাই ঘূৰাই, এইটো বেশেৰে আমাৰ ফালে আহিয়েই তেওঁ ভকতীয়া ভাৱে সুধিলে, "আপোনাসৰৰ খাৱন-বোৱন হল নে?" সিমানকে সুধিয়েই সেই "ভদ্রলোকজন" আমাৰ আগৰপৰা অভিনেতাৰ দৰে অন্তর্দ্ধান হল। তেওঁ আগুজ, বেৰখনৰ আঁৰ হৈছেগৈ হে, এনেতে মাজচোঁতালতে মতা শুনিলোঁ, "ফেউ, ফেউ।" আমাক সোধপোচ কৰিবলৈ অহা সেই ভদ্রলোকজনৰেই এই ফেউ-ফেউ ৰব নেকি? এওঁৰেই কাম নে কি এই ফেৰা? ততালিকে, তেওঁক মাতি আনি কথাৰ চয়-নিচয় মাৰি পেলালো। ফেৰুৱাৰ মাত মতা পুকষজন সেইজন ভদ্রলোকেই—যিজনে লাখুটি ঘূৰাই ঘূৰাই আমাৰ খোৱা-বোৱা হল নে বুলি বুজ লৈছিলহি। এওঁৰে নাম বগাধৰ গোহাঁই।

পিছদিনা মুকলি সভাত তেওঁ, আঁৰ-যাওঁতে মেকুৰীৰ কেনেকৈ জাঁই উঠে আৰু মেকুৰীহালে ফোচ-ফোচায়; নাতিনীয়েকক দুৱাৰধৰি উলিয়াই দিওঁতে বুঢ়ীমাকে কেনেকৈ ফেঁকুৰি-ফেঁকুৰি কান্দে; শিয়ালে

কেনেকৈ হোৱা দিয়ে, আৰু সেই হোৱা-হোৱা শুনি মতামাইকী শিয়াল-শিয়ালীয়ে কেনেকৈ বিৰাগ-বিৰহ জনায়; "ইন্দ্ৰৰ সভালৈ যোৱা" মতা-ডাউক চৰাইটো ঘূৰি নহালৈকে ডাউকনীজনীয়ে কেনেকৈ বিৰহত "ৰাক্‌ৰাক্‌"কৈ দিনেৰাতিয়ে চিঞৰি থাকে—এই এটাইবোৰৰে হুবহু মাত কাঢ়িবলৈ ধৰিলে।

সোণাৰাম দত্তই ময়ে ইস্‌-ইস্‌-আস্‌-আস্‌কৈ দুখ কৰিলোঁ, "দেহি ঐ, আমাৰ এইবোৰ ৰতনলৈ কোনে চকু দিয়ে? সাগৰৰ অটল তলিত যে মাণিক-মুকুতা লুকাই থাকে, তালৈ কোনে মন কৰে? দূৰৈৰ মাতটোহঁত ওচৰতে মতা যেন কৰিব পৰা, সকলোৰে মাতটোহঁত অবিকল কাঢ়িব পৰা এই মানুহটো বঙ্গদেশত থকা হলে, তাক মানুহে মুৰত তুলি লৈ ফুৰালেহেতেন। আমাৰ দেশত, তেনে গুণী মানুহক কোনে পূজা কৰিব?

'হৰবোলা' বগাধৰ

সেইদিনাই বগাধৰৰ নাম দিলোঁ। হৰবোলা অর্থাৎ যি হৰেক ৰকমৰ বুলি কব পাৰে বা মাত কাঢ়িব পাৰে সিয়েই হৰবোলা। তেতিয়াই বগাধৰক মাতি আহিলোঁ। আমাৰ অফিছলৈ অর্থাৎ চাৰিং-কেম্পলৈ। দিনেবাৰে বগাধৰ আহি চাৰিওত ওলালহি আৰু আমাৰ কংগ্ৰেছ-বহাতে তেওঁক থাকিবলৈ ঠিক কৰি দিয়া হল।

কংগ্ৰেছৰ সভা পাতিলৈই বগাধৰকো আমাৰ লগতে লৈ যাওঁ। তেওঁ দেও-হেঁকাৰিব পাৰিছিল। আহোম-ভাষাৰে দেও-হেঁকাৰি ৰাইজক তধা লগাইছিল; কুকুৰৰ ভুকভুক, মেকুৰীৰ ফেঁচ-ফেঁচ, শিয়ালৰ হোৱা-হোৱা, ছাগলীৰ বে-বে, ফেঁচাৰ কুৰুলি, নিয়তীৰ নিউ-নিউ ইত্যাদি মাত তৰহে-তৰহে উলিয়াই সভালৈ নহা মানুহকো টানি আনিছিল।

বগাধৰে নগা-নাচো দিব পাৰিছিল। ৰৌ-মাছৰ বাকলি এসোপাকে বোলাই ডিঙিত "কণ্ঠভূষণ" ৰূপে আঁৰি লৈছিল। তামোলৰ ঢকুৰা এছিৰা চূণ সানি পোন্ধ বা লেঙ্গুটি কৰিছিল। নাচিবৰ সময়ত সাল্যাখ

নগাৰ দৰেই হাতত যাঠীপাট আৰু কঁকালৰ খাটাঙত (দা সুমুৰা কাঁক) নগা-দা সুমুৰাই লৈছিল। ভৰিৰ সৰু-গাঁঠিত চিঞাহীৰ আঁকবাঁক, কলাফুলত বোলোৱা মৰাপাট এসোপাৰ মেৰ, মূৰত হাঁহৰ পাখি আৰু কাণ-লতিৰ বিন্ধাত কুঁহিলাৰ কেৰু পিন্ধি ; মুখত ছালিৰে তামোল এমোকোৱা ভৰাই বগাধৰ গোহাঞে যেতিয়া নগাৰ ৰণচালি-নাচ দেখুৱাবলৈ ধৰে, তেতিয়া কেউফালৰপৰা ভাগি-ভুইঁৰি মানুহ আহি সভাঘৰ ভৰি পৰেহি।

বগাধৰ গোহাঁইৰ ভেৰাকুটি অপাৰ। যেনে কি মানুহটোৱে মাৰিবলৈ নাহক, তাক বগাধৰে থমক খুৱাই ৰখাবই ৰখাব। কানীয়াবোৰে কেতিয়াবা দা লৈ ভলন্টিয়াৰ কাটিবলৈ খেদি আহে। তেতিয়া বগাধৰে, "হে হে ৰ'বা, ব-ৰ কথা এটা আছে!" এই বুলি, হাতখন দাঙি তলুৱাখন থিয়কৈ দিয়েই কানীয়াৰ খংটো দমাই পেলায়।

পিকেটিং কৰিবলৈ গলে, হাট বা বজাৰৰ মাজলৈ নোসোমায়— লগৰীয়া জনদিয়েকক সোমাবলৈ দি তেওঁ পুলিছৰ আলেখ-লেখ চাই থাকে আৰু কোনে ক'ত কি-কথা পাতিছে তাৰ উহ লৈ ফুৰে। বাটে-ঘাটে কোনোবাই জোপাৰ তলত ভলন্টিয়াৰৰ সদ্‌নাম-বদ্‌নাম গালেও বগাধৰৰ কাণত পৰেহি। পিকেটিং বা সভাসমিতি হলে হাতত ধূলি এমুঠি লৈ বগাধৰে মন্ত্র মাতি শত্রুক যাদু কৰাৰ ছলেৰে কেউফালে সেই ধূলি মুঠি ছটিয়াই ফুৰে। মুঠতে, বগাধৰ গোহাঁয়ে লেখা-পঢ়া নেজানিছিল যদিও, আমাৰ অফিছটোৰ সম্মান আৰু পৰিচালনা পদ্ধতিটোৰ শৃঙ্খলা অটুট ৰাখিছিল। লাঠিখেল দেখুৱাই তেওঁ বলিয়াঘাট, শিৱসাগৰ, কোঞৰপুৰ আদি ঠাইত সোণৰ পদক লাভ কৰিছিল। সেই সময়ত, চাৰিং-কংগ্রেছৰ সুনাম চৌফলীয়া ব'দৰ দৰে কেউফালে মেলাহি হৈ গৈছিল। চাৰিঙৰ স্বেচ্ছাসেৱক-বাহিনী বা চাৰিংফৌজটো যদি নগল, সেইদিনা শিৱসাগৰ-জিলা-কংগ্রেছৰ অধিবেশনেই উৰুঙা হৈ থাকিল—এনেকুৱাই আছিল চাৰিংফৌজৰ পয়োভৰ। "অল্ ৰ'ডচ লীড্ বাট্ টু ৰ'ম" এটাইবোৰ আলি বোমত

লগাৰ দৰে অৰ্থাৎ এটাইবোৰ আলি গড়গাৱঁলৈ যোৱাৰ দৰে দুবদুৰাস্তৰৰ স্বয়ংসেৱকবিলাকো চাৰিং কংগ্ৰেছলৈকে চিৰ্‌চিৰাই গৈছিল।

চাৰিং-ফৌজৰ থেম

কংগ্ৰেছ-অফিছত থকা সেৱকবিলাকে নিতৌ ফেঁহুজা'ল দিওঁতেই শুই উঠিব লাগে। উঠিয়েই গীতাৰ শ্লোক দুটামান আৰু নামঘোষাৰ কাকুতি-প্ৰাৰ্থনাখিনি সকলোৱে জাত লগাই গাব লাগে। স্তুতি-প্ৰাৰ্থনাৰ সামৰণি পৰিলেই কেম্পৰ গাতে লাগি থকা পদ্মভূঞাৰ পুতেক শ্ৰীযুত দুৰ্গাৰাম ভূঞাই একোটোপা চাহপানী আৰু একোটা ঘিলাপিঠাৰে সকলোৰে পেটৰ খজুৰটি মাৰি গা-মন প্ৰফুল্লিত কৰে। আমাৰ কেম্পতে চিলেটৰ (শ্ৰীহট্টৰ) পৰা অহা শ্ৰীযুত চৰিত্ৰমোহন মালাকৰ নামে এজন ফট'গ্ৰাফাৰ আছিল। ফট' তোলাটো তেওঁৰ গৌণ কাম; সেৱকদল গঠন কৰাটো হে মুখ্য। ৰাতি শেহ নিশাও তেওঁ মেধিজানৰ দলঙৰপৰা দুৱৰা আলিৰ মূৰ মাছখোৱা গড়লৈকে—এই আঢ়ৈ মাইল বাট সেৱক-বিলাকক কুচ-কাৱাজ শিকাব আৰু মাৰ্চ কৰাই ৰণুৱা চিপাহীৰ দৰে খোজত খোজ মিলাই কেনেকৈ থেম কৰিব লাগে তাক দেখুৱাব। সেৱকদলক ড্ৰিলশিক্ষা দিয়াৰ ভাৰ আছিল মালাকৰৰ গাত। মালাকৰ জাতিত বঙালী; বঙালী হলেও, অতি অলপ দিনৰ ভিতৰতে তেওঁ এনেকুৱা সৰ্গৰীয়াকৈ অসমীয়া কথা কব পৰা হল যে আমগুৰি-চাৰিং-বলিয়াঘাট-শিৱসাগৰ—এই কেউ ঠাইৰ ভদ্ৰ পৰিয়ালৰ মজিয়া-ঘৰেই তেওঁৰো ভাতঘৰ হবলৈ ধৰিলে।

মুৰদাবাদ, আলিগড় আৰু পিঠাপুৰমৰপৰা খাদৰ কাপোৰ আনি দুৰ্গানন্দৰ দোকানতে থৈ বিক্ৰী কৰা হৈছিল। কাকতী গাওঁ কেউ খনতে সেই দোকানৰপৰাই খাদৰ যোগোৱা হয়। মহিলা সভাই কটা সূতাৰে কোনো কোনো ছোৱালীয়ে একোটা কপাহী 'চোৰেটাৰ' চোলা গুঁথি প্ৰিয়জনক উপহাৰ দিছিল আৰু সেই উপহাৰ উত্তৰ-

লক্ষীমপুৰৰ মহিলাসকলৰ ওচৰ পাইছিলগৈ। প্ৰায় মানুহেই দীঘৰ সূতাটো দোকানৰ আৰু বাণিৰটো হাতেকটা সূতা দিয়েই কাপোৰ-চুৰিয়া বৈ লৈছিল।

স্বৰাজৰ নাম ৰচনা

বিয়া-সবাহত গাৱলৈ গান্ধী-জৱাহৰলাল, পেটেল-মতিলাল, তৰুণ নবীনৰ নাম জোৰাই কিছুমান স্বৰাজৰ নাম সুন্দৰী কাকতীয়নীয়ে মুখে-মুখে ৰচনা কৰিছিল। শ্ৰীযুত বোপাটি কেওঁত বা মুগী ভলণ্টিয়াৰে সেইবোৰ নাম দিহানাম-উঠানামত লগাই দিছিল। শিৱসাগৰলৈ যাওঁতে নামদাঙৰ শিলৰ সাঁকোৰ ওপৰত দুফালে দুশাৰী হৈ স্বয়ংসেৱক-বিলাক ৰ'লে হি, বোপাটি নাম-লগোৱাই নাম লগাই দিয়ে—

'তিলক' নামৰ নৌকাখনি
'গান্ধী' নামৰ ৰ'ঠা,
'স্বৰাজ' আমি লব লাগে
সূতা কাটি উঠোঁ!"

আৰু আমি এটাইবোৰে চাপৰি বাই সেই নামকে গাওঁহক। সেই-টোৰ বাহিৰেও, বোপাটিয়ে জাত লগাই-লগাই ঠেও ধৰি-ধৰি বিধে-বিধে বহুত নাম গাইছিল। আমাৰ নামৰ ধ্বনিয়ে ৰৰআলিৰ দুয়োপাৰে থকা নামদাং-কৈৰৰ্ত্তগাৱঁৰ আগফাল-পাছফাল আৰু জুহালৰ গুৰি ভেঁজি গৈছিলগৈ। তেতিয়ালৈকে কৈৰৰ্ত্তগাৱঁৰ এজন মানুহেও পইচা দি কংগ্ৰেছৰ বান্ধত সোমোৱা নাছিল। শিৱসাগৰলৈ যাওঁতে-আহোঁতে বাৰদিয়েক এইদৰে শিলাসাঁকোত নাম গাৱলৈ ধৰাত কৈৰৰ্ত্ত বাইজৰ মন ঘোৰ খালে। শ্ৰীযুত বাজেন্দ্ৰনাথ দাস পণ্ডিত আৰু শ্ৰীমান দেবেন্দ্ৰনাথ দাস আমাৰ সমাজভুক্ত হল। বাজেন দাসৰ নিচিনা ভাবত বিভোৰ, সমাজৰ উন্নতিকামী, উদ্যোগী ডেকা এজন কৈৰৰ্ত্তকুল-চূড়ামণি স্বৰ্গীয় গণেশচন্দ্ৰ হাজৰীকাদেৱৰ পিছত তেতিয়ালৈকে নিচেই কম হে ওলাইছিল। বাজেনৰ কাৰ্যক্ষেত্ৰৰ সীমা নিচেই ঠেক আছিল।

কৈৱৰ্ত্ত ৰাইজক কেনেকৈ শিক্ষায়-মাতেকথায়-ধনেধানে উন্নত কৰিব, তাকেই ৰাজেন পণ্ডিতে দিনে-ৰাতিয়ে ভাবি থাকে। ঘৰ-আলিয়ে ষোৱা কোনোবা এজন দেশকৰ্ম্মী, ছৰ্কাৰী বিষয়া বা জনাশুনা শিক্ষিত লোক লগ পালেই, তেওঁ আগ-ভেটি ধৰি ৰাখিবই আৰু লগে লগে ঢুমাইলমান বাট খোজকাঢ়ি সেইজনৰপৰা গাওঁ-উন্নতি বিষয়ক পৰামৰ্শ লব। সিমানতো তেওঁৰ হেঁপাহ নপলায়। শিলাসাঁকোৰ কৈৱৰ্ত্ত নাম-ঘৰত একোখন সভা পাতি নেতাসকলৰ হতুৱাই ৰাইজক বুজোৱাবও।

শ্রীবলোৰাম চলিহা

স্বৰাজৰ সৰহ ভাগ নাম মানুহৰ মুখে-মুখেই ৰচিত হৈছিল। শ্রীযুত বলোৰাম চলিহায়ো বহুত ৰচনা কৰিছিল। সেই দুয়োবিধ নাম চলিহাই নিজৰ জেপৰ ধন ভাঙি, সংগ্রহ কৰি ছপাই উলিয়াইছিল। কংগ্রেছৰ আঁতিগুৰি বৰ্ণাই, সদৌ ভাৰতীয় নেতাসকলক ছবি-পয়াৰেৰে আঁকি, কীৰ্ত্তনৰ পদৰ দৰে লেচাৰী, দুলৰী ছন্দত লেখি নামবিলাক প্রচাৰ কৰাইছিল। চলিহাৰ "স্বৰাজৰ নাম" পুথিখনে ভকতীয়া-অভকতীয়া সকলোৰে অন্তেসপুৰত প্রবেশ কৰি আন্দোলনৰ জুইকুৰা গপগপীয়া কৰি পেলাইছিল।

শ্রীমোহনলাল চলিহা

কীৰ্ত্তনীয়া বা সৰ্ব্বসাধাৰণ নামৰ সুৰ লগোৱাত বোপাটি যেনেকৈ ওজা আছিল, বিয়াবোৰত মেটেকাৰ শ্রীমান মোহনলাল চলিহাও "স্বৰাজৰ নাম" দিয়াত সুৱদি-সুৰীয়া নামতি আছিল। মোহনৰ কোমল মাত, মধুৰ হাঁহি আৰু মৰমলগা কথা-বতৰাই বিয়ানামৰ সুৰটোহঁতৰ সোণতে সুৱগা চৰাইছিল। তেওঁ গোৱা নাম শুনি মানুহে ইমান ভাল পাইছিল যে চাৰিওৰ জীয়ৰী-বোৱাৰী সকলোৰে সেইবোৰ কণ্ঠস্থ হৈছিল আৰু বিয়া-বাকলৈ যাওঁতে চাৰিগাওঁ-টীয়ক-শিৱসাগৰ-কালুগাওঁ-বেতবাৰী-কুমাৰণীছিগা (ডিবুৰুৰ), দেৱগাওঁ, নাজিৰা, শিলাকুটীৰ

ভাজনী গাৱঁৰ নামতীবিলাকে শুনি আহি নিজা-নিজা অঞ্চলত সেইবিলাক প্রচাৰ কৰিছিল।

গোসাঁই-সেৱা

কংগ্রেছ-অফিছত অকল গান্ধীৰ নামকে যে লোৱা হৈছিল এনে নহয়, বা বৃটিছৰ শাসন অন্ত পেলাবলৈ সকলোৱে মনেপতি একোটা একোটা বালিঘৰকে যে সাজিছিল সিও নহয়, শুচি-সংযমী হৈ নাম- গুণ গাই মানুহৰ ঘৰত পূজা-সেৱা কৰি ভকতীয়া হোৱাৰো উপায় অৱলম্বন কৰিছিল। গাৱঁত কাৰোবাৰ ঘৰত কিবা আহুকাল হলে, বা কাৰোবাৰ নৰিয়া হলে, নাইবা কোনোবা ক'ৰবালৈ যাত্রা কৰিবলগীয়া হলে, সেৱকবাহিনীৰ সেৱকসকললৈকো একোটা ভোজ দিবলৈ মানসা কৰা হৈছিল ; নতুবা, মাহ-চাউল এভাগকে দিবলৈ টোপোলা বন্ধা হৈছিল। সকলোৱে ভাবিছিল—দহজন য'ত, নিৰঞ্জন ত'ত। কংগ্রেছ-সেৱকৰ প্রতি ৰাইজৰ ইমান শ্রদ্ধা-ভক্তি হৈছিল যে আমাৰ কেম্পত একে মাহতে ভোজ খাবলৈ অৰিহণা পেলোৱা পাতিহাঁহ ৩০টা আৰু ৰাজহাঁহ ৫টা গোট খাইছিল। কংগ্রেছ-অফিছত ভোজ খোৱাটো যে কিমান উলাহ-বিলাহৰ কথা আছিল, তাক বয়স লহিয়াই যোৱাৰ লগে-লগে ভাবি যাওঁতে, কোনোবা স্বপ্নপুৰী বৃন্দাবনত থকা যেন লাগে। লাগ বুলিলেই, আলুগুটি, ৰঙালাও, জাতিলাও, কোমোৰা, মাহ-হালধি, তেল, থেকেৰা-নেমুটেঙা, চাউল, গাখীৰ-গুৰ, মাছ (এদিন হে কাছ) আৰু নানান তৰহৰ কিমান যে শাক-পাচলি গোট খায়হি কোনেও কবকে নোৱাৰে। ভোজৰ "হেড্ লেডী চুপাৰিণ্টেণ্ডেণ্ট" (মুখ্যা মহিলা পৰিচাৰিকা) আছিল শ্রীযুক্তা সুন্দৰী কাকতীয়নী স্বয়ং, আখলৰ মেনেজৰ আছিল শ্রীমান কীৰ্ত্তিনাথ কটকী আৰু বিলনীয়া আছিল শ্রীযুক্ত দুর্গানন্দ কাকতী। জাক-জাক এৰাঁ আৰু গাভৰু ছোৱালীয়ে শাক-পাচলি কুটি, মঙ্গহ বাছি, পাত, পাৰি ভোজ-ভাত খোৱাত উলহ-মালহৰ ওৰ নপৰিছিল। খোল-দোং সিয়া, পাতকটা, খৰি যোগান দিয়া, টো-লেপা, এইবোৰ কামৰ সৰয় দিছিল

চেমনীয়া ভলণ্টিয়াৰবিলাকে। ডাঙৰেও লা-ধো এখন কৰি সহায় নকৰাকৈ থকা নাছিল। কাৰো-কাৰো ঘৰত গান্ধীৰ হৈ আইনাম গোৱা আৰু সইত-নাৰায়ণৰ (সত্যনাৰায়ণ) পূজাও কৰা হৈছিল।

এবাৰ তুকৰীয়া কাকতীৰ নামঘৰত, পূজ্যপাদ শ্ৰীশ্ৰীযুত পীতাম্বৰ দেৱ গোস্বামী গড়মূৰ-সত্ৰাধিকাৰ প্ৰভুৱে নিজ-হাতে ৰন্ধন কাৰ্য্য কৰি ষি ভাৱে সমূহ সেৱকবৃন্দক পাতে-পাতে সিদ্ধান্ন প্ৰসাদ বিতৰণ কৰি দিছিল, তাক আৰু কস্মিন্‌কালেও বিস্মৃতিৰ গৰ্ভত বিলুপ্ত কৰিব নোৱাৰি। সেইদিনা, অগ্নিকুণ্ডৰ প্ৰজ্জ্বলিত তাপত, কঁকিলাসজীয়া শ্ৰীমন্ত প্ৰভুৰ মুখাকৃতিয়ে কেনেকৈ ৰক্তোৎপলৰ ৰূপ ধাৰণ কৰিছিল, এতিয়াও জ্বলন্ত হৈ স্মৃতি-পটত তৰবৰাই আছে। ১৯২২ আৰু '৩০ চনত, এই গৰাকী গোস্বামীৰ প্ৰভাৱ আৰু উদগনিয়ে চাৰিং আৰু চাৰিং-কংগ্ৰেছত স্বৰাজৰ যি আশ্বাস-অনুপ্ৰেৰণাৰ সোঁত বোৱাই দিছিল সি সঁচাকৈয়ে চাৰিং হে নেলাগে সদৌ অসমতে কংগ্ৰেছ আন্দোলনৰ অভিনৱ অধ্যায় এটি সৃষ্টি কৰিলে।

কামৰ ভাগ-বঁটৰা

কংগ্ৰেছ-অফিছত থকা মূল সেৱকদলক ভাগে ভাগে কাম বঁটাই দিয়া হৈছিল।

বগাধৰ গোহাঁয়ে লাঠিখেলো কৰিব পাৰিছিল। জাঁজীৰ লাচিত উৎসৱ আৰু আন-আন ঠাইত হোৱা সভা-সমিতিলৈ তেওঁক পঠিয়াই-ছিলোঁ শাৰীৰিক শক্তিৰ বল দেখুৱাবলৈ। ১৯২১ চনীয়া কিজন আছিলোঁ গুৰিধৰাত। চৰিত্ৰ মালাকৰ আৰু বগাধৰে (মাজে-মাজে) পালীক্ৰমে সেৱকদলক কুচ-কাৱাজ বা থেম কৰিবলৈ শিকাইছিল। বলোৰাম চলিহা আছিল বৰ-সেনাপতি। চলিহাই নিজা খৰচতে নগাৱঁলৈ গৈ সেৱকদলৰ শিবিৰত থাকি সেৱক পৰিচালনা কৰাত প্ৰশিক্ষণ লাভ কৰি আহিছিল। চিদানন্দ হাজৰীকা ভলণ্টিয়াৰৰ কাপ্টান। দুৰ্গা ভুঞা, সূৰ্য্যকান্ত ফুকন, ৰজনীকান্ত ফুকন, টুনীৰাম দত্ত

ভূঞা, নীলকান্ত কাকতী, দেউৰাম কাকতী—পালীনায়ক। সোণতলী-ছিগা; চাৰিঙীয়া-কাটনী আৰু লেবাক গাৱঁৰ কেবাজনো "মাৰি যাওঁ—মৰি যাওঁ" বিধৰ দাও-দাও সেৱক বা সেনা-সেনানীৰ (গাওঁমূৰী) ভাগত পৰিছিল জঙ্গী-জঙ্গী চুবুৰীয়া গাওঁবিলাক।

মহিলাসকলৰ ঘাই নেত্ৰী হল সুন্দৰী কাকতীয়নী, আৰু সাদিনীয়া সভাবিলাকত প্ৰায়েই সালসলনিকৈ গুৰি-বঠা ধৰিছিল আইটী ফুকননী, লীলাৱতী হাজাৰীকানী আৰু শ্ৰীযুতা ৰাসেশ্বৰী ফুকননীয়ে। জাঁজী, শিৱসাগৰ, আমগুৰি আদি ঠাইত হোৱা সভাবিলাকলৈ শ্ৰীযুতা লীলাৱতী হাজৰীকানীয়ে মহিলা-সেৱকিনীৰ ফৌজটো লৈ গৈছিল। আজিকালিৰ দৰে তেতিয়া পদূলিৰ মূৰে মূৰে বাছ, মটৰ গাৰী, ৰিক্-শ্ব বা আন যানবাহন একো নাছিল। সকলোটিয়ে খোজ কাঢ়িয়েই সেইবোৰ ঠাইলৈ গৈ সভা-সমিতিত যোগ দিছিলগৈ। চাৰিঙৰ কোনো ছোৱালীয়ে গানত এঁ কৰিব নেজানিছিল। শ্ৰীমতী পখিলা দুৱৰাই হে পোন-প্ৰথমেই স্বৰাজৰ গান গাই শুনায়।

আমাৰ অফিছত এই কেইখন বাতৰি আৰু আলোচনী কাকত লোৱা হৈছিল ঃ—'অসমীয়া', 'আৱাহন' আৰু কমলালয়া কাকতী আৰু কনকলতা চলিহাই সম্পাদন কৰা 'ঘৰ জেউতী"। "বম্বে ক্ৰনিকোল" খনো লৈছিলোঁ। তাৰ বৰঙ্গনিৰ এফাল শ্ৰীযুত শিৱকান্ত দুৱৰা আৰু এফাল শ্ৰীযুত হৰিপ্ৰসাদ দুৱৰা ডাঙৰীয়াৰপৰা পাইছিলোঁ।

দুৰ্গা কাকতীয়ে দোকানত যি লাভ পায়, আলহীঅতিথিক খুৱাওঁতে-ধুৱাওঁতেই আধ্যা পাৰে। অ'লৈ-ত'লৈ যাবলগীয়া হলেই, শ্ৰীযুত্ত শিৱকান্ত দুৱৰা, মাজে-সময়ে (ঘৰত থাকিলে) শ্ৰীযুত লোকনাথ ফুকন আৰু শ্ৰীযুত তিলকান্ত ফুকনে জৌ-জৌ কৰে আমাক ধন ঢালি দিছিল। শ্ৰীযুত দুৱৰাৰ ঘৰখন যে একপ্ৰকাৰ সকুসুৱা কংগ্ৰেছৰ শিবিৰেই আছিল। আমগুৰি, বামুণৰ পুখুৰী, শিৱসাগৰৰপৰা অহা (চাৰিঙৰ থলুৱাখিনি বাদ দিও) জুমে-জুমে ভলণ্টিয়াৰ আহি তেখেতৰ ঘৰতে জিৰায়হি আৰু দুৱৰাই সকলোকে জা-জলপান

খুৱাই পাৰেমানে পৰিচর্য্যা কৰে। শিৱ দুৱৰা লোকেল বর্ডৰ ঠিকাদাৰ আছিল। ১৯৩০ চনত, অকুণ্ঠিতভাৱে, দেশসেৱকক শুশ্রূষা কৰাৰ ফলতেই তেখেতৰ আর্থিক অৱস্থা পৰি আহে। আন কি, তাৰ পৰিণামতেই তেখেতৰ মাটি-ভেটি পর্য্যন্ত খাজনাৰ লীলামত বিক্রী হৈ যায়। এতিয়া দুৱৰাৰ অৱস্থা ৰৱৈয়া। নৰৱৰূপী নাৰায়ণক সেৱাকৰাৰ ফল শ্রীযুত দুৱৰাই জীৱন্ততে উপভোগ কৰিবলৈ পাইছে। প্রত্যুষতে শোৱাপাটী পৰিত্যাগ, অবিশ্রান্ত পৰিশ্রম আৰু কর্ম্মব্যস্ততা, ৰুচি অনুসৰি পথ্যাপথ্য ভক্ষণ, অনুনয় দয়া-দাক্ষিণ্য, সহৃদয়তা আৰু সদৌশেহত পৰমেশ্বৰত একান্ত ভাৰসা আৰু সমস্ত অর্পণ—এইবিলাক পিত্রার্জ্জিত ধর্ম্মৰে অনুধাৰক শ্রীযুত শিৱকান্ত দুৱৰাই আগৰ দৰেই এতিয়াও জনহিতকৰ কামৰ গুৰি ধৰি আছে।

গৌৰীসাগৰ হাটত পিকেটিং

শুকুৰবাৰে-শুকুৰবাৰে গৌৰীসাগৰত হাট বহে। এতিয়াৰ দৰে, তেতিয়া মঙ্গলবৰীয়া হাট বহা নাছিল। ১৯৩০ চনত, হাটত বস্তু বেচোঁতা, পোহাৰী-সমাৰী আৰু হাটৰুৱা-বাটৰুৱা সকলোৱে হাটখোৱাক পইচা-নিদোঁ বুলি মঠ জোৰে। লোকেলবর্ডে গৌৰীসাগৰৰ পুখুৰীপাৰত হাটখোৱা নোহোৱাকৈ হাট পাতিবলৈ নিদিয়ে বুলি হুকুমজাৰি কৰাত ৰাইজে হাটখন তিনি আলিৰ মূৰলৈ তুলি নিলে। সেই হাটবহা ঠাইতে কানি-দোকান। হাটত ওৱাহোৱাকৈ বিলাতী কাপোৰ বেচা-কিনা কৰা হয়। সেই গুণে, পুখুৰীপাৰত হাট থাকোঁতেই আমাৰ শিবিৰৰপৰা সপ্তাহে-সপ্তাহে হাটত পিকেটিং কৰিবলৈ দুজন-দুজনকৈ ভলণ্টিয়াৰ পঠিওৱা হৈছিল। প্রথম খেপত গল চিদানন্দ হাজৰীকা, সূর্য্যকান্ত ফুকন, জীৱকান্ত দুৱৰা আৰু লক্ষেশ্বৰ দত্ত। এই তিনিউজনকে বিলাতী কাপোৰৰ দোকান আৰু কানি-দোকানত পিকেটিং কৰা বাবে পুলিছে গ্রেপ্তাৰ কৰে। সেইদিনাই হাটত বৰ হুলস্থুল লাগিল। ভালেমান দোকানীয়ে দুসপ্তাহমান বিলাতী কাপোৰ নেবেচাকৈ থাকিল। পাছত,

আকৌ যেতিয়া বেচিবলৈ ধৰিলে, তেতিয়া বলোৱাম চলিহা, মোহন চন্দ্ৰ ফুকন আৰু ফটিক চন্দ্ৰ কাকতীক পঠিওৱা হল—পিকেটিং কৰিবলৈ। তেওঁবিলাককো পুলিছে ধৰি নিলে। মোহন ফুকন আৰু ফটিক কাকতীক গুৱাহাটী-জেল পোৱালেগৈ। এই সময়ত বলোৱাম চলিহাৰ বক্তৃতা আৰু পুলিছৰ হাতত বন্ধন হোৱাটোও বিশেষকৈ উল্লেখ কৰিবলগীয়া। এই সময়ত শ্ৰীযুত নৱনাথ শৰ্ম্মাৰ নেতৃত্বত সেৱকসকল পৰিচালিত হৈছিল।*

---

*শ্ৰীযুত নৱনাথ শৰ্ম্মা প্ৰভৃতিৰ গ্ৰেপ্তাৰ :

যোৱা (১৯৩০ চনৰ) ১৯ আগষ্ট তাৰিখে আকৌ গৌৰী-সাগৰ হাটত পিকেটিং কৰিছে বুলি চাৰিওৰ কৰ্ম্মী শ্ৰীমান্ মোহনচন্দ্ৰ ফুকন, শ্ৰীযান ফটিকচন্দ্ৰ কাকতী আৰু শ্ৰীমান লক্ষেশ্বৰ দত্তক পুলিছে গ্ৰেপ্তাৰ কৰে। তেওঁবিলাকক ধৰাৰ অলপ পিচতে শ্ৰীযুত নৱনাথ শৰ্ম্মা ডাঙৰীয়াক গ্ৰেপ্তাৰ কৰা হয়। যোৱহাটৰ পৰা, পুলিছ ছুপাৰিণ্টেণ্ডেণ্ট, এছিষ্টেণ্ট পুঃ ছুঃ, শিৱসাগৰৰ পুঃ ইঃ, আমগুৰিৰ চিপাহীসকল আৰু লাঠিসহ গুৰ্খা পল্টন হাট বহাৰ এঘণ্টামানৰ পূৰ্ব্বেই ইন্‌স্পেক্‌ছন ৰঙলাও হাজিৰ হয়হি। লগতে চি-আই-ডি বিভাগৰ চতুৰ কৰ্ম্মচাৰী মিঃ থাইকল হুছেইন বাৰাও। এওঁ লোকক নিবৰ নিমিত্তে এখন লৰী আৰু দুখন মটৰ কাৰ প্ৰস্তুত ৰখা হৈছিল। হাটত মুছলমান দৰ্জ্জী কেজনৰ বাহিৰে সকলো কেঞাৰেই দেশী কাপোৰ বিক্ৰী কৰিছিল। তাৰ ভিতৰতে দুলজী নামেৰে এজন কেঞাৰ বস্তু বেচোঁতা এজনে ফৰ্ম্মাহি মাৰি বহুত বিলাতী কাপোৰ তৰঙাই থৈছিল। সেইজন কেঞাৰ দোকানৰ ওচৰত থিয় হৈ থাকোঁতেই ভলণ্টিয়াৰ কেজনক এই পিনে আহা বুলি কৈ গ্ৰেপ্তাৰ কৰা হয়। শ্ৰীযুত নৱনাথ শৰ্ম্মা ডাঙৰীয়াই ৰাইজৰ লগতে উজান দি সেই কেঞাক বিলাতী কাপোৰ বোৰ বান্ধি থবলৈ কোৱা বাবেই গ্ৰেপ্তাৰ কৰি তৎক্ষণাৎ পুলিছ ছুপাৰিণ্টেণ্ডেণ্ট তেওঁৰ মটৰত ভৰাই শিৱসাগৰলৈ লৈ গল। এই দিনাৰ হাটলৈ চাৰিং, জাঁজী, আমগুৰিৰ প্ৰায় ১৫০ জন মান ভলণ্টিয়াৰ গৈছিল আৰু চাৰিওৰ পৰা তিনিকুৰি বছৰীয়া বৃদ্ধা মহিলাও ৩০ গৰাকী মান গৈছিল। কৰ্ম্মীকেইজনক লৰী আৰু মটৰত তুলি নিবৰ সময়ত "গান্ধীৰ জয়" আৰু "বন্দে মাতৰম্" ধ্বনি হৈছিল।

মহিলাবন্ধাবাই পোন প্ৰথম সত্যাগ্ৰহী সম্বৰ্দ্ধনা

তিনিমাহ জেল খাটি অহাৰ পিছত ১৯৩০ চনৰ ১৫ ডিচেম্বৰ তাৰিখে মোহন ফুকনকে ফটিক কাকতীকে আইটী ফুকননীৰ সভা-নেত্ৰীত্বত চাৰিং-মহিলা-সমিতিয়ে সম্বৰ্দ্ধনা জনায়। মোৰ বোধেৰে, কংগ্ৰেছ-সেৱকক বা সত্যাগ্ৰহীক মহিলাই সম্বৰ্দ্ধনা জনোৱা অসমত এয়ে প্ৰথম। চিদা হাজৰীকাহঁতৰ ম্যাদ দীঘলীয়া থকাত, পলমকৈ জেলৰপৰা ওলাই আহে। তেওঁবিলাককো মহিলাসকলে সেইদৰে সম্বৰ্দ্ধনা জনাইছিল।

গ্ৰেপ্তাৰ কৰিবলৈ পুলিছৰ তৎপৰতা যিমানেই কি চোকা নহওক লাগে, ম'হৰ শিঙত কঁকিলা-দাৰ মৰা বিধৰ আছিল আমাৰ কংগ্ৰেছ সেৱকদল। সত্যাগ্ৰহীক তেতিয়া শৰণ-ভজন দিছিল শিৰসাগৰৰ জিলা কংগ্ৰেছৰ সভাপতি কংগ্ৰেছ-নেতা চণ্ডমূৰ্ত্তিধাৰী নৰনাথ শৰ্ম্মাই (জাঁজীৰ)। তেওঁৰ পৰামৰ্শমতেই কৰ্ম্মীবৃন্দই পুলিছক কেতিয়াও হাতেলোটে অৰ্থাৎ গা-দেখুৱাই কাম কৰি ধৰাদিয়া নাছিল। আমাৰ টিপাটোৰ শিপা আমগুৰিত ওলালগৈ। তাত পুৰণি কৰ্ম্মী শ্ৰীযুত ফটিক চন্দ্ৰ ভূঞা, শ্ৰীযুত গঙ্গাৰাম হাজৰীকা আৰু নতুন কৰ্ম্মী শ্ৰীযুত নগেন্দ্ৰনাথ শইকীয়াকে প্ৰমুখ্য কৰি জনচেৰেক কৰ্ম্মীয়ে সংগ্ৰামী পিকেটিং কৰাৰ ফলত সিবিলাকৰ 'বগাঘৰত' বাস হল। জাঁজীত শ্ৰীযুত্ত নৰনাথ শৰ্ম্মাৰ পকাআঙ্গঠাযেন বক্তৃতাৰ ভাপে দ-চুক, মৰাণগাওঁ, তামূলীছিগা আৰু নাম্তীৰ কেবাজনো স্বয়ংসেৱকক জেলযাত্ৰী কৰিলে। গান্ধী-আৰ্‌উইনৰ আলোচনাৰ ফলত, বৰদৈচিলা হেন আন্দোলনটোৰ প্ৰৱল গতি শাম কাটি আহিল। জেললৈ যোৱা উৎসাহ-আগ্ৰহো চেঁচেঁৰা পৰিল।

সোণাপুৰ বাগিছাৰ মিডোল্‌টনৰ কাষত

খাইৰেম হাতী মহলত থাকোঁতে, সোণাপুৰ চাহ-বাগিছাৰ মিঃ মিডোল্‌টন ছাহাবৰ লগত চিনাকি হয়। তেওঁ লৰ্ড মিডোল্‌টনৰ নাতি; আৰু সেই লৰ্ড পৰিয়ালৰ বংশধৰ. হোৱা বাবে তেওঁ নিজকে-নিজে

ৰৰ ডাঙৰ বুলি ভাবিছিল। সেই দেখি, মিডোল্‌টনে সৰু-সুৰা ছাহাবৰ লগত ৰৰকৈ হলিগলি নকৰে। আন কি, বৃটিছ হৈও, বৃটিছ-গৱৰ্ণমেণ্টকে নেমানে। সোণাপুৰৰপৰা গুৱাহাটীলৈ যোৱা বাটতে, খানাপাৰাত এখন দুৱাৰ আছিল। গুৱাহাটী আৰু ছিলঙৰপৰা মটৰ-গাৰী অহাযোৱা কৰা সময়ত হে সেই দুৱাৰখন জপোৱা-মেলা হয়। মিডোল্‌টনৰ নিমিত্তে গুৱাহাটীলৈ যোৱা সেইটোৱেই একমাত্ৰ বাট। গুৱাহাটী-ছিলং-মটৰৰ সময়লৈ তেওঁ বাট চাই থকা অসম্ভৱ। সেই বাবে, সেই দুৱাৰখন অনবৰত খোলা থাকিব লাগে বুলি তেওঁ গৱৰ্ণমেণ্টলৈ লেখি-লেখিও খোলা ৰাখিব নোৱাৰিলে। শেহন্তত, উপায় নেপাই, দুৱাৰ খনকে এদিন ভাঙি পেলালে। দুৱাৰভঙা অপৰাধত মিড্‌ল্‌টনৰ ৫০০ টকা জৰিমনা হল। সেইদিনাৰপৰাই মিডোল্‌টনে "ডেম গৱৰ্ণমেণ্ট" নোবোলাকৈ কথাকে নোকোৱা হল।

আমাৰ হাতী-মহলৰ ধূৰা আছিল, তেওঁৰ বাগিছাৰ ওচৰতে, টোটোলা গাওঁবুঢ়াৰ গাৱঁত। আমাৰ হাতী এটাৰ কাঁড়ী-ঘা হোৱাত বাগিছাৰ ডাক্তৰখানাৰপৰা অলপ 'আয়ডিন' আনিবলৈ গলো। ডাক্তৰ-খানাতে মিডোল্‌টনক লগ পালো। কথায়-কথায় তেওঁ ক'লে বোলে তেওঁক হেনো চিকাৰ কৰিবলৈ হাতী দুটা লাগে। দিব পাৰিম নে কি বুলি সোধাত মই 'পাৰিম' বুলিয়েই কলোঁ। কথাষাৰ সুধি মোৰ মনটো হে জুখি চালে, মিডোল্‌টন কিন্তু হাতী নিবলৈ নাহিল।

আমাৰ ধূৰাৰপৰা দিগাৰু ষ্টেছন আৰু ডাকঘৰলৈ যাব লাগিলে, সোণাপুৰ বাগিছাৰ এমূৰে চৰ্কাৰী আলিবাটে যাব লাগে। সেই বাটটো আমালৈ প্ৰায় ৪ মাইলমান ঘূৰণ হয়। কিন্তু, ধূৰাৰ দাঁতি-য়েদি বৈ যোৱা দিগাৰু নৈখন পাৰ হৈ গলে, ডাকঘৰলৈ পোনাই মুঠে ডেৰ মাইলমান হে হয়। নৈ পাৰ হৰলৈ আকৌ নাও নহলে নহয়। এদিন মিডোলটনক ক'লো, "আমাক নাও এখন দি দুদিনমানৰ নিমিত্তে সহায় কৰিব নোৱাৰে নে, আৰু আপোনাৰ বাগিছাৰ মাজেদি ডাকঘৰলৈ যাবলৈ দিব পাৰিব নে?" ছাহাবে সেই দিনা শলাগি থলে। ভাবিলোঁ

মিডোলটনৰ নিচিনা ভেমধৰা ছাহাব এজনে আমাক নো ক'ত নাওখন দিব? পিছদিনা দেখোন, তেওঁ ৮ মান বজাতে নিজে নাওখন বাই লৈ আহি আমাৰ ঘাটতে লগাই দিলেহি। দিয়েই, আমাৰ মহলদাৰ শ্ৰীযুত তিলকান্ত ফুকনৰ বাতৰি ললে; তেখেত নাই বুলি ক'লত মুখেৰেই তেখেতলৈ 'চালাম' এটি এৰি থৈ বাগিছাৰ গ্ৰাণ্টত সোমাল। দৰব আনিবলৈ যাবৰ দিনাই মিডোলটনক কৈছিলো—আমাৰ মহলদাৰ তিলকান্ত ফুকন ডাঙৰ মানুহৰ ঘৰৰ। বজাদিনত তেওঁবিলাকৰ বিষয় আছিল বাইডঙ্গীয়া ফুকন; চাহবাগিছাও আছে; ভাই-ককায়ো সাতজন। দেউতাক বাধাকান্ত ফুকনৰ সমান মাতঃবৰ হাতীগিৰীয়া গৌৰীপুৰৰ জমিদাৰৰ বাহিৰে অসমতে নাই। এইবোৰ কথা কাণত পিন্ধাই থোৱা বাবেই, ডাঙৰ মানুহৰ ঘৰৰ লৰা অসমীয়া তিলকান্ত ফুকনক উপযাচিয়েই সম্ভ্রান্তবংশী মিডোল্‌টনে নিজে নাওখন আনি ঘাটত বান্ধি দিছিলহি আৰু "প্ৰবেশ নিষেধ" গ্ৰাণ্টৰ মাজেদি মোক ডাকঘৰলৈ যাবলৈ অনুমতি দিছিল। এই কথা তেওঁ পিছত এ'দিন, তেওঁৰ বঙলাতে মোৰ আগত ব্যক্ত কৰিছিল। ৰতনে হে ৰতন চিনে। গুণী মিডোলটনে হে ফুকনৰ গুণ চিনি পাইছিল।

এদিন তেওঁৰ বঙলাতে কথা পাতি আছোঁ। এনেতে ওলাল, মোৰ বাপ কিহত। কলোঁ, বুৰঞ্জী ভাল পাওঁ বুলি। এই বুলি কবলৈ হে পালোঁ, উঠিল মিডোলটন গিৰিস কৰে—তেওঁৰ বঙলাৰ পাছফালে থকা কোঁঠ এটা দেখুৱাবলৈ। মইও গলোঁ। কোঁঠটো পায়েই তেওঁ তাৰ চিন-চকৰবোৰ এটা-এটাকৈ দেখুৱাই গল—"এইটো আগ-ফালৰ খাল, সোটো পাছফালৰ; এইটো "পিকেট্ প'ষ্ট", এইটো "ভান প'ষ্ট" ইত্যাদি। সোটো যে পুখুৰী দেখিছা, তাতে মানহঁতে অপ্লাৰিত ধন-সোণ পেলাই থৈ গৈছিল। এইটো "বৰ্ম্মীজ ফৰ্ট"—মানৰ কোঁঠ; মানৰ দিনত মানে বান্ধিছিল।"

সুধিলোঁ—"সেইবোৰ ধনসোণ চাগৈ আপুনিয়েই চপালে!"

মিডোলটন্—"মই চপাৰলৈ নেপালোঁ। মোৰ আগেয়েই মিঃ গিলমেনে জাল পেলাই লৈ গল।"

তাৰ পিছত ক্ষন্তেকমান থাকি মোক সুধিলে, "পিকেট্ প'ষ্ট" মানে বুজিছা নে?"

মই আকৌ জনাটো যেন দেখুৱাই কৈ থলোঁ, "বুজিছোঁ।"

লিডোল্টন—"নাই বুজা। বুজিছা যদি অভিধান-মতে বুজিব পাৰা। এইটো হৈছে, ৰণুৱা চিপাহীৰ শব্দ। এই "পিকেট্ প'ষ্ট"টোৱেই ৰণুৱা চিপাহীয়ে যুদ্ধ নেৰাৰ শেষ চিন। খুঁটাটোত থকা চিপাহীটোৱে যেতিয়াই তাৰ হাতৰ নিচানডাল পেলাই দিব, তেতিয়াই জানিবা তেওঁ সেই খুঁটা এৰিলে অর্থাৎ পৰাজয় হল। মুঠতে, ৰণৰ একেবাৰে শেষলৈকে যিটো খুঁটাত চিপাহীয়ে ধৰি থাকে, সেইটোৱেই "পিকেট্ প'ষ্ট"—ধৰি থাকিব পাৰিলেই জয়, নোৱাৰিলেই পৰাজয়। এইবোৰ ব্যাখ্যা দিয়েই মোক শুনাকৈ মাত লগালে, "বৰ্ম্মীজ ৰাৰ" (মানৰ ৰণ) ১৮৩৬ চনত হৈছিল, নহয় নে -"

টপ্ কৰে কলোঁ, "নহয়, ১৮১৬ চনত।"

দুয়ো খোজ চলাই আহি থাকোঁতে ৰণলগা শকটো যেন তেওঁৰটো হে শুদ্ধ, এই বুলি, আকৌ স্বগতঃ মাত লগালে, "ৰেল্, বৰ্ম্মীজ ৰাৰ টুক প্লেচ ইন্ এইটীন থার্টিচিক্স (১৮৩৬ চনত মানৰ ৰণ লাগিছিল)।

মইও আকৌ শুধৰাই দিলোঁ, "১৮১৬ চনত।"

কোঁঠটোৰপৰা বঙলাটোলৈ প্ৰায় ডেৰ ফার্লং ষাট হব। উলটি আহোঁতে এই ডেৰ ফার্লং, ছাহাবৰ মুখত সেই একেটা কথা "ৰেল, বৰ্ম্মীজ ৰাৰ টুক্ প্লেচ ইন্ এইটিন্ থার্টিচিক্স্"। মোৰো সেই একেটা মাত—ন', এইটিন্ চিক্স্ টিন" (নহয়, ১৮১৬)।

এই দৰে, ওৰ বাটটোৱে একেষাৰ কথাকে কোৱাকুই কৰি দুয়ো বঙলা পালোঁহি।

মিডোলটনৰ ৰঙলাটোৰ এফাল লাইব্রেৰী,—কিতাপেৰেই খুন্দ খাই আছে। লাইব্রেৰীটোত ভুমুকি এটা মাৰোঁ। বুলি, সোমাই গৈয়েই, হণ্টাৰ ছাহাবৰ "ষ্টেটিছটিকেল একাউণ্ট"খন মেলি মিডোলটনক দেখুৱাই দিলোঁ, তলত শুধৰাই লেখিথোৱা "বৰ্ম্মীজ ৱাৰ টুক প্লেচ ইন্ এইটিন্ চিক্সটিন্"। মোৰ কথা ৰজা দেখি বুৰঞ্জী-অনুৰাগী বৃটিছ-সন্তান মিডোলটনৰ আনন্দত পাৰ নাইকিয়া হল। তেওঁ ইমান উত্তাৰল হৈছিল যে মোক কি খুৱাম, কি দিম বুলি উচপিচাবলৈ ধৰিলে। তেতিয়াই তেওঁ মোক এভাৰমান কিতাপো দিলে—হাতীত তুলি লৈ আহিলো।

হাতী-চিকাৰত থকা মানুহৰ শয্যাত লবলৈ ক'ৰ শিমলু-তুলাৰ তুলী পাব? নল-খাগৰী, ইকৰাপাতকে তুলা কৰি শয়ন কৰিব লাগে। মিডোলটনৰ কিতাপবিলাক আতোলতোলকৈ নিলোঁ হয়, এতিয়া থওঁ ক'ত? যিখন শয্যা বুলিছোঁ, সেইখনতে তুলীৰ দৰে কিছুমান পাৰি ললোঁ আৰু খনদিয়েকক গাৰু কৰিলোঁ। নলবাৰীৰ শ্ৰীকান্ত চৌধাৰীৰ ভায়েক বিখ্যাত হাতী-চিকাৰী হৰকান্ত চৌধাৰী আছিল, আমাৰ ধুৰাতে। কিতাপৰ লগত তেওঁৰ সম্বন্ধ নাই—সদায় মাউত ফান্দীক ডবিয়াই থাকে। মিডোলটনৰ কিতাপ পঢ়ি শুনালত যেনিবা, মাউত-ফান্দীৰ প্ৰতি তেওঁ দয়াপৰৱশ হবলৈ ধৰিলে। আৰু যি হৰকান্তই ছাহাবৰ নাম শুনিলেই সিৰসিৰাই উঠে, মিডোলটনৰ জ্ঞানস্পৃহা দেখি তেয়োঁ আচৰিত হল।

গধূলি হলে, দীননাথ ফুকন, কুশলচন্দ্ৰ গগৈকে প্ৰমুখ্য কৰি হাতীধনী, ওচৰচুবুৰীয়া গাৰঁলীয়া ৰাইজ আৰু মাউত-ফান্দী আটাইৰে আগত সেই পুথি মেলি, ইংৰাজে কি বুদ্ধিৰে আমাৰ দেশখন ললে, তাকে বুজাবলৈ সোণালী ছেগ ওলাল। উঁই আৰু পুলিছ-উৎপাতৰ হাত সাৰি মিডোলটনে দিয়া যি দুই-এখন কিতাপ এতিয়াও মোৰ হাতত আছে, সেইবিলাকলৈ চালে কোনোবা অচিনাকি দেশ এখনত থকা যেন হে লাগে। সেইবিলাক কিতাপেই যেই-সেই কথাতে আজিও মোক প্ৰেৰণা দি থাকে।

মিডোলটন আছিল অসমীয়াক ভালপাওঁতা ছাহাব ; তৰুণ ফুকন আছিল তেওঁৰ বন্ধু। ব্যৱস্থাপক সভাৰ সভ্য-নিৰ্ব্বাছনত মিডোলটনে ফুকনকে ভোট দিছিল।

এদিন সুধিলো, "মিঃ মিডোলটন, আপুনি অসমীয়া ভাষা জানে নে ?"

উত্তৰ দিলে, "বুজোঁ।"

আকৌ সুধিলোঁ, "নিশিকে কেলেই ?"

হাঁহি এটি মাৰি মিডোলটনে এযাৰ কথা কলে, যাক আৰু ব্ৰহ্মাক্ষৰেৰে প্ৰকাশ কৰিব নোৱাৰি। মিডোলটনে টেটকুটীয়া কথা কৈ ভাল পাইছিল। এদিন অসমীয়া নেজানে বুলি দায় ধৰাত হাঁহিৰ চলেৰেই কৈছিল,

"তোমালোক অসমীয়া-ভকতে কুকুৰা নেখোৱাঁ; ৰাম-পাৰ হলে খোৱাঁ।৵ গক হলে নেখোৱাঁ, মেথোন হলে খোৱাঁ।" এইযাৰ কথা কৈয়েই "ৰাতিখোৱা ভকতৰ গীত এফাঁকি মাতি শুনালে।"

মিডোলটনৰ কথা ৰহুত। কংগ্রেছলৈ পইচাও দিছিল ; কংগ্রেছৰ ৰাতৰি-কাকতো কিনিছিল। কিন্তু সৰিয়হতলীত তেওঁ পানী ছটিয়াই থাকোঁতে মই যেতিয়া কাষেদি ডাকঘৰৰপৰ আহোঁ, তেতিয়া তেওঁ, কৈছিল, "তোমালোকে তিনিজন তৰুণৰাম ফুকন ওপজাব লাগিব, তেহে স্বৰাজ পালে, ৰাখি খাব পাৰিবা।"

[১৪]

স্বৰাজ লাভৰ নতুন পথ

সেই বুলি দেশ-সেৱা-ব্ৰতৰ উদ্যম মুটুটিল। ই আন প্ৰকাৰে ঢাল লৈ বহুলভাৱে সংক্ৰামক ৰূপে বিস্তাৰিত হবলৈ ধৰিলে। অসংখ্য সেৱক ওলাল। স্বদেশোদ্ধাৰৰ ন ৰূপ প্ৰৱৰ্ত্তন কৰি সিযোলাক আকৌ নতুন আন্দোলনত প্ৰবৃত্ত হল। এতিয়া আৰু আগৰ দৰে কাৰাবৰণ কৰা আন্দোলন নহয়; মানুহৰ অন্তৰত ধীৰে-শাঁতে স্বাধীনতাৰ কঠীয়া পৰা ৰতৰ। পৰাধীন দেশ স্বাধীন কৰিবলৈ হলে, আগ-পাছ বহুত কথা ভাবি চাৰ লাগে। জাতিটোৰ নাড়ীডাল কোনখিনিত সৱল আৰু কোনখিনিত দুৰ্ব্বল, তাক ভালকৈ জানিব লাগে। প্ৰেম, জ্ঞান আৰু সংগঠন শক্তিৰে পৰিশোধিত নোহোৱা স্বদেশ-প্ৰেম যিমানেই কি উগ্ৰ আৰু অকপটীয়া নহওক, তথাপি সি সেমেকা হিলৈ-খাৰ—তাৰে শত্ৰু নিধন কৰা সম্ভৱ নহয়। তেনেকুৱা উগ্ৰ প্ৰেমিক কোনোবা বিষধৰ থাকিলেও সেই বিষধৰৰ বিষ নাই—ফোপাউৰি মাত্ৰ সাৰ। তদুপৰি, স্বতন্ত্ৰতা আৰু আত্মনিৰ্ভৰশীলতাৰ সম্বন্ধ অৱিচ্ছিন্ন। জন্মভূমিক কেউপিনে জয়জয়াকাৰ কৰিবলৈ গলেই, এই দুয়োটা গুণেৰেই পৰাধীন প্ৰাণক তিয়াই-বুৰাই লব লাগিব। সেই দেখিয়েই, গান্ধী-আৰউইন চুক্তিৰ পাছত, যি পৰিস্থিতি উদ্ভৱ হল তাৰে গইনা লৈ জেললৈ যাবনোৱৰা দুজনমান সেৱকে ঘৰতে থাকি স্বৰাজ্য লাভৰ নতুন পথ আউটিবলৈ ধৰিলে। এওঁবিলাকৰ কাম আছিল আইন ভঙ্গৰ ওচৰ নচপাকৈয়ে গাৱঁৰ উন্নতি কৰা, সামাজিক ৰীতি-নীতি সময়ৰ লগত খাপ খোৱাকৈ সংস্কাৰ কৰা, পৰিশ্ৰমৰ সুগুণ বুজোৱা অৰু ঘৰৰ বস্তু ঘৰতে উপাৰ্জন কৰিবলৈ উপায়-উদগনি দিয়া।

ভোগদল শইকীয়া

টেপৰ গাওঁ অঞ্চলৰ ৰাইজ প্ৰায় সকলো কামতে মাৰবন্ধা। তেওঁ-খিলাক গাই-গোটা-পেটে-ভঁড়াল নহয়—একগোট। ইয়াত ঢোকাতে

কল, কলতে ঢোকা হৈ কামকৰোঁতা মানুহ বহুত আছিল। তাৰ ভিতৰত, দুজন মানুহৰ হাত-মূৰ, ছেদ-ভেদ নোহোৱাকৈ কামত লাগিয়েই আছিল। তাৰে এজন ভোগদল শইকীয়া আৰু ইজন সোণাৰাম কৈৰৰ্ত্ত।

টেপৰৰ ম'হছাল গাৱঁত অক্লান্ত কৰ্ম্মী ভোগদল শইকীয়াৰ ঘৰ। এওঁৰ পূৰ্ব্বপুৰুষ এজনে মহছাল শইকীয়া বাব পাইছিল। সেই পুৰুষ-জন ইমান পৰিশ্রমী আৰু কামকে-মোৰ-বোলা মানুহ আছিল যে নিতৌ ৰাতিপুৱাই গা ধোৱে যদিও, গা-ঘঁহিবলৈ সময় নেপায়—গাৰ মলি গাতে কৰপা বান্ধি থাকে, ৰ'দ উঠিলেই শুকাই ধূলি হয়। ম'হৰ গাত চাপৰ মাৰিলে যেনেকৈ ধূলি উৰে, তেওঁৰ গাত ঢকা মাৰিলেও এনেকৈ ধূলি ওলায়। তেনেকুৱা একোজন কৰ্ম্মী পুৰুষ ৰাজ্যৰ আপুৰুগীয়া সম্পত্তি বুলি ৰজাই তেওঁক শইকীয়া পাতিলে আৰু তেতিয়াৰপৰা তেওঁৰ নাম ম'হছাল শইকীয়া হল। তেওঁৰ নাতিপুতি বাঢ়ি গৈ যিখন গাওঁ হল, সেয়ে ম'হছাল গাওঁ। শইকীয়াৰ সতিসন্ততি বহুত হৈছিল। কিন্তু, মানৰ দিনত এটাইবোৰ থান্-থান্-বান্-বান্ হোৱাত, এতিয়া, ভোগদল শইকীয়াৰ বঙ্গহ-পৰিয়াল থকা গাওঁখনে হে তেওঁৰ নামটো জীয়াই ৰাখিছে। উজনি অসমৰ প্রত্যেকখন গাৱঁৰ নামটোৱেই যেনেকৈ একোটা শিল্পৰ কথা সূচায় অর্থাৎ শিল্প অনুসৰি গাৱঁৰ নাম, মহছাল গাৱঁৰ নামটোৱেও তেনেকৈ গাওঁ এখনৰ কৰ্ম্মৰত কথা সূচায়।

১৯২১-২২ চনত, ম'ৰাবজাৰ মৌজাৰ টেপৰ খণ্ডৰ এই ম'হছাল আৰু তেলীয়াল-খামোন গাৱঁলৈ যাবলৈ আলি-পদুলি সমূলি নাছিল। পথাৰৰ মাজে-মাজে একোটা বঁকিয়াইদি হে অহাযোৱা কৰিব পৰা হৈছিল। হাতী আছিল দেখি, নামলাগী ঘৰৰ মানুহে সকু আলি এগছ মাথোন নিজৰ মাটিয়েদি কৰি লৈছিল। নির্ম্মল পানীৰ পুখুৰীও নাছিল। ঘৰৰ পাছফালে-পাছফালে কোনো-কোনো ঘৰৰ বাঁহতলে-বাঁহতলে একোটা-একোটা খুবুং পুখুৰী। মানুহৰ অৱস্থাও বৰ ভাল

নাছিল (আজিকালিৰ তুলনাত)। কিন্তু মানুহবিলাক হলে বৰ সুখী আছিল। খেতিপথাৰ কৰি কোনোমতে টোক-টোক-টাক-টাককৈ খাই আছিল। গাওঁখনৰ এভাগটি মানুহে, তাৰপৰা সাতমাইল দূৰৈত বহা আমগুৰিৰ দেওবৰীয়া হাটত, নাইবা তিনিমাইলমান আঁতৰত বহা দীকছৌ হাটত, নতুবা দোপদৰ হাটত চাউল দুপূৰামান, কোমোৰা এটা বা দুটা, গুড় দুঘটমান, কানত ভাৰ বান্ধি নি বেচেগৈ। গৌৰী-সাগৰৰ হাটখন তেতিয়া নকৈ বহিবলৈ আৰম্ভ হে কৰিছিল। গ্ৰাহক নাই দেখি, তালৈ এইফালৰ মানুহৰ ৰৰকৈ আয়াযাত নাছিল।

সেইদিনত বস্তুৰ দাম এনেকুৱা আছিল :—টকাত আৰৈ চাউল দহ সেৰ, শালি পোন্ধৰ সেৰলৈকে ; মছুৰ মাহ সেৰে দুই অনা, কলা বা খেচাৰী মাহৰ ছপইচা, ৰহৰ 'ডাইল' দহ পইচা, মাটিমাহ ছপইচা ; লোণৰ সেৰে সৰহীয়াকৈ আনিলে এক অনা, তাকৰীয়াকৈ হলে পাঁচ পইচা ; খোৱা তেল (সৰিয়হৰ) সেৰে ছয় অনা, কেৰচেন তেল সেৰে দুই অনা ; কপাহ ফুলীয়া দহহতীয়া চুৰিয়া খনে পাঁচ মহা, তাৰৰ (মাৰ্কিন) কাপোৰ টকাৰ ১৬ হাত। পাতিহাঁহৰ মতাটোৰ গোটে ছয় অনা, মাইকীজনীৰ হলে চাৰি অনা ; আমৰলীয়া ডেকেৰুৱা মতা হাঁহটোৰ দাম হে অলপ বেছি—অতি হয় যদি আঠ অনা। পাৰৰ জোৰে চাৰি অনা। ৰাজহাঁহৰ জোৰে ডেড়টকা-দুটকা। গুড় সেৰে দুই অনা। গৰু গাখীৰ সেৰে এক অনা, ম'হৰ হে দুই অনা ; তাকো আকৌ ক'তো বিচাৰি ফুৰিব নেলাগে ; প্ৰায় ঘৰে-ঘৰেই গৰুম'হৰ পাল। কাৰোবাৰ ঘৰত সকাম-নিকাম বা বিয়া-সবাহ হলে সকামলৈ অহা মানুহে অনা মু-চোৱা বা মিতিৰ-ৰবীয়া গাখীৰৰ টেকেলি-কলহেৰেই ৰৰঘৰ-মাৰলঘৰৰ চাং ঠাহ খায়। মাছ উভৈনদী। জকাই এখন ৰা জুলুকি এটা লৈ গৈ লাঢ়নীৰে ডোঙ্গা একোটা সিচিলেই খালৈয়ে-খালৈয়ে মাছ পায়। নামতী, টিফুক, শিঙ্গৰাজান, ৰৌমাৰী বিল, নামদাং, গোহাঁইকুৰ, (কেতিয়াবা হে) মিতং, বামুণৰজান, খৰখৰী, দোপৰ পথাৰৰ পুখুৰী, চাৰিওৰ পোতাপুখুৰী, ঘোৰাজান—এই বোৰত,

খৰালি হলেই জালজৰী পল-জুলুকি বাই ভাৰে-ভাৰে মাছ মাৰি আনে। মাছৰ খলি থকা নৈ-বিলবোৰ ডাক হোৱাৰপৰা হে মাছ হৰিবলৈ ধৰিলে।

মুগাপুহীয়াবিলাকে ১৪ মাইল আঁতৰত একো ডৰা চোমনি লৈ মুগা পোহেগৈ। পকামুগাও খনে-খনে পায়। সেই মুগাৰ সঁচ বছৰি আনিছিলগৈ কামৰূপৰ সোণতলা পৰ্ব্বতৰপৰা বা কুকৰাৰপৰা। মুগা সূতাৰ সেৰে আছিল ১০ টকা। তেলীয়াল কাটনী আৰু খামোন গাৰঁত ঘৰ নিৰন্তৰে পাট সূতা কাটিছিল; তাৰ আছিল সেৰে ১৬ টকা। সোণতলী ছিগা আৰু চাৰিঙীয়া গাৰঁতো পাট সূতা কটা হৈছিল। অসমীয়া পাট-পলু আৰু মুগাপোহা ম'ৰাবজৰীয়া ৰাইজৰ ডাঙৰ খেতি। কটাৰ এলাহত মুগাবোৰ কম দামতে বেপাৰীক বেচি দিয়া নিয়ম নাছিল। সেই কাৰণে, পাট-মুগাৰ নিচিনা আপুৰুগীয়া বস্তু উৎপন্ন হোৱা বাবে ম'ৰাবজাৰ মৌজাৰ নাম এসময়ত বৰ প্রখ্যাত হৈ উঠিছিল। এই শিল্পৰ প্রতি ক্রমাৎ মানুহৰ ইমান আওহেলা হৈ আহিছে যে অচিৰেই হুমুনিয়াহ একোটা কঢ়াই মাথোন আমাৰ সাৰ হবগৈ। মাইকী মানুহবিলাকেও বনবাৰী কৰি উশাহসুৰ্ত্তি নেপাইছিল। বেলি ওলোৱাৰপৰা সাঁজ লাগি ভগালৈকে এখন্তেক আজৰি নাই। মৰণাৰ খেৰ জোকৰা, বুৰুলি খেৰেৰে জঁকাত ধান বহোৱা, ভাঁৰৰীত সূতাকটা, তাঁতবোৱা, পানী-অনা, ভাতৰন্ধা—এইবোৰ বাৰটা মাহৰ তেৰটা কাম আছিলেই। খেতিৰ দিনত, কঠীয়াতোলা, ভুঁইৰোৱা, ধানদোৱা, কাম যে চিৰকাল লাগিয়েই থাকে। সবাহ খোৱা, গোপিনী-সবাহ দেওবৰীয়া সবাহত নামগোৱা, বিহুৱে-সংক্রান্তিয়ে খোজকাঢ়ি মাকৰ আৰু মিতিৰ-কুটমৰ ঘৰলৈ যোৱা—এইবোৰ চৌতে-খৰ-মাৰি-কৰা কামৰ লেখেই নাই। গধূলি হলে, জোনাক নিশা চোঁতালত বহি বুঢ়ীআইসকলে সাধু কথা কোৱা, পাটগাভৰুহঁতে জাঁত-জাঁত বিয়ানামৰ আখৰা কৰা, ম'হছাল-গঞা আইসকলৰ এটি নিত্যনৈমিত্তিক ধৰ্ম্মই।

এইখন অসমীয়া গাৰঁতে জনম লভি ডাঙৰ-দীঘল হল ভোগদল

শইকীয়া। ভোগদলৰ শিক্ষা গাৱঁলীয়া পঢ়াশালি চমাৰ গাৱঁতে অন্ত। তথাপি, অভ্যাসৰ বলত, মেলে দোৱানে, সভায়-সমিতিয়ে তেওঁ চুষাৰ মাত মাতিব পৰা হল। মানুহটো দীঘল, মাতযাৰো ডাঙৰ—সভাত উঠিলেই সকলোৰে চকুত পৰে। কামতো, কাঠীকামী কৰা, ঘৰসজা, জাল-জুলুকি-পল মৰা, কুঁহিয়াৰ বোৱা-পেৰা, নগাঢাৰি-পাটীঢাৰি সজা—এইবোৰৰ একোতে পেলাব নোৱাৰি। শিঙ্গৰাজান টিফুকৰ কানলৈ, তেওঁৰ ঘৰৰপৰা চুমাইলমান আঁতৰ হব। তাত হালডোল বাই আহিও ভোগদলে ঘৰৰ বাৰীতো আকৌ কুঁহিয়াৰণিত কোৰ মাৰেহি। যি কুঁহিয়াৰ খেতি কৰিবলৈ ছয় পো-ছয় নাতি লাগে, সেই খেতি ভোগদলে অকলৈয়ে কৰিছিল। নিজে মুগা পুহি, আনকো মুগাখেতিটো বহলকৈ কৰিবলৈ পৈ-পৈকৈ কৈ ফুৰিছিল।

গাৱেঁ-ভূঁয়ে গান্ধী আৰু অসহযোগৰ কথাই থৌকি-বাথৌ লগাই থকাত, এওঁও মোৰ লগ লাগিলহি। ভোগদলে কৰিব পৰা কাম নিজৰ গাওঁখনৰ ভিতৰত হে, আঁতৰলৈ নেযায়, যাওঁ বুলিলেও যাবলৈ সময় নাই। গাৱঁতে ফুৰি, চমাৰ-ম'হছাল-গড়কাষৰীয়াত বহুত কংগ্রেছ মেম্বৰ কৰিলে। শইকীয়াৰ গাত ভাৰ আছিল গাৱঁৰপৰা বিলাতী কাপোৰ আৰু কানি গুচোৱা। তেওঁ নিজেই কপাহ বৈ-ৰুই খেতি কৰি ঘৰত লগা কাপোৰ-কানি কিডোখৰ ঘৰতকটা সূতাৰেই বোৱাই লৈছিল। সূতাকটা প্রদর্শনীত থুবাৰ নে এবাৰ ভোগদলে বঁটাও পাইছিল। তেওঁৰ পৰিয়ালটোও শকত। ভোগদলৰ পৰিয়ালৰ সকলোৰেই সূতা কাটি পইচা ৰাহী কৰা বাট দেখুৱাত ওচৰ-চুবুৰীয়া সকলোৰেই সূতা কাটিবলৈ ধৰিলে। ভোগদলে থৈয়ানথৈয়াকৈ কাজিয়া লাগি থকা দন্দুৰা মানুহকো মিলাব পাৰিছিল। এইটোকো তেওঁৰ এটা ডাঙৰ গুণ বুলিব পাৰি।

ৰাতিপুৱা-গধুলি ভোগদলে কানীয়া-ভঙুৰাৰ জুহালে-জুহালে পাক একোটা মাৰে। কানিপানৰ খোলাত বহি কানীয়াক কানি এৰিবলৈ কয়। কানীয়াৰ খং উঠা যেন দেখিলে, ভকতীয়া কথা কৈ খংটো মাৰ


নিয়ায়। অসহযোগৰ ৰাজনৈতিক তাৎপর্য্যতকৈও মহাত্মা গান্ধীৰ সাত্ত্বিক মাহাত্ম্যৰ কথা কলে হে কানীয়া-ভঙুৱাৰ কাণত সোমায়। সেই কাৰণে, তেওঁ গান্ধীৰ "মাহাত্মা"ৰ কথা হে ৰৰকৈ কৈছিল। ১৯৩০ অৰ পিছত, ম'হছাল-তেলীয়াল গাওঁ চলোৱাৰ ভাৰ এওঁৰ ওপৰতেই পৰে। ভোগদল শইকীয়াৰ নিচিনা বিশ্বস্ত, দায়িত্বশীল কৰ্ম্মী পোৱা অতি কঠিন। ৰজা আৰু ৰাইজৰ লগত, ভোগদলে তেতিয়াৰপৰাই যুঁজ কৰিবলৈ শিকিলে আৰু ডাঙোপমৰা কৰ্ম্মচাৰীৰে সৈতে খৰিয়াল কৰি হলেও, "বান্দৰৰ মুখৰ কল ভুকুৰাই সৰাব" পৰা হল। ভোগদলৰ মুখ আৰু গাৰ চেষ্টাতেই ছৰ্কাৰী কৰ্ত্তৃপক্ষৰ ম'হছাল গাৱঁলৈ দৃষ্টিপাত হল। ৰাইজেও এক মুঠীয়া হৈ ভোগদলে যি কয় তাকে সমর্থন কৰিবলৈ ধৰিলে। অধিক বাঢ়ৈ লাগি কোনেও গুড় ধমনা কৰা নাছিল। ভোগদলে দহ বুলিলেই দহ, পচি বুলিলেই পঁচিছ হৈছিল। গাৱঁত সুকীয়াকৈ কংগ্রেছ কমিটী এখন, ৰৰপুখুৰী এটা, অকণ-অকণ লৰা-ছোৱালীয়ে পঢ়িব পৰা পঢাশালি এটা, তাঁতশাল দুখনেসৈতে ছৰ্কাৰী তাঁতশালৰ ঘৰ এটা, খেমদেউ পুখুৰীলৈকে বন্ধোৱা তীখা আলিটোত লগাই নগা আলিৰপৰা কৰা আলিবাট এটা—তেওঁৰ চেষ্টাতে হোৱা এইবোৰ অনুষ্ঠান আৰু কাম আজিও জলজল্ পটপট্কৈ জিলিকি আছে।

ম'হছাল গাৱঁৰ নামঘৰত মাহৰা সত্রৰ অধিকাৰ থাকিবলৈ লৈছিল। সেই গোসাঁই ঘৰতে সকলো ভলণ্টিয়াৰ থূপথূপকৈ গোট খায় আৰু তাতে দেশৰ বা-বাতৰি জনোৱাজনি হয়। গোসাঁয়ে কানি খাইছিল। তথাপি স্বেচ্ছাসেৱকক তেখেতে সম্মান কৰছিল—ভোগদলৰ অনুৰোধ-মতেই গোসাঁয়ে ভাৰনা-বৰসবাহ পাতি গান্ধীকথা প্রচাৰ কৰাত ম'হছলীয়া ৰাইজক বৰ উৎসাহ দিছিল।

তেলীয়াল গাৱঁত পাঠশালা এটি স্থাপন কৰি চিপহা-সত্রৰ শ্রীযুত শঙ্খধৰ মহন্তই পোন-প্রথমেই এই অঞ্চলত শিক্ষাৰ পোহৰ পেলায়। ভোগদলৰ উদগনি পাই তেখেতৰ কাজী পত্নীয়ে বাছকবনীয়া কাপোৰ



শ্রীরামচন্দ্র ভঞ্জ। পৃঃ ৮৪



রায় বাহাদুর শিবপ্রসাদ বক্সর। পৃঃ ২২৯



কেশর চন্দ্র বর। (মাজুলী) পৃঃ ১৫



সোণারাম কৈবর্ত্ত পৃঃ ২১৭

ববলৈ ধৰে আৰু সেই বাবে শিৱসাগৰ মহকুমাধিপতিয়ে মহন্ত-ভাৰ্য্যাক পুৰস্কাৰ দিয়ে। ফৌজদাৰী আইনৰ সংশোধিত উপধাৰা ১৭ (ক) আৰু ১৭ (খ) মতে ভোগদল দণ্ডিত হৈ বন্দীশালত সোমোৱা নাছিল সঁচা, কিন্তু তেওঁ স্বাৱলম্বী হব পৰা যিখিনি কাম বেহালগাই পাতি থৈ গল, তাৰ ফেৰ দহজন কাৰাবৰণ কৰা "কংগ্রেছীয়েও" মাৰিব নোৱাৰে। দিয়েক বছৰ হল, আমাডেমা পুত্ৰ এটি এৰি অকালতে, ভোগদল 'দীঘলা' ঢুকাল। আজি ম'হছাল গাওঁখনি নিষ্প্ৰাণ, তেনেই উৰুঙা। সেই হে সেইফালে গলেই ভোগদললৈ মনত পৰে। দুখ লাগে; ভোগদলে—

"নেদেখিলে সংসাৰত সুখৰ পোহৰ
দুখকেই মোৰ বুলি ললে
বিপদ-ধুমুহা আহি আশাৰ পুলিটি
অকালতে মোহাৰি পেলালে।"

শ্ৰীযুত সোণাৰাম ববা কৈৰৰ্ত্ত

টেপৰৰে চাৰিঙ্গীয়া কৈৰৰ্ত্ত গাৱঁৰ শ্ৰীযুত সোণাৰাম ববা আছিল যুক্তিপূৰ্ণ কথা কোৱাত বৰ পাকৈত। তেওঁ যে মোৰ ৰাজহুৱা জীৱনৰেই লগৰীয়া এনে নহয়, চমাৰগাওঁ পাঠশালাত বিদ্যাৰম্ভ কৰাদিনৰপৰাই সহপাঠী বন্ধু। বঢ়া-টুটাৰ ভিতৰত এইকণেই আছিল যে তেওঁ চমাৰ-গাৱঁতে পঢ়া শেষ কৰিলে আৰু মই অলপ ওপৰলৈ গলোঁ।

স্বৰ্গদেৱ চক্ৰধ্বজ সিংহৰ দিনত মোগলেৰৈসৈতে যুদ্ধ কৰিবলৈ ৰজাই যেতিয়া কাঁড়ী-বাৰুৱতি বাছিছিল, তেতিয়া এগৰাকী ডাঙৰীয়াই কৈছিল, "কুমাৰে চৰু বেচে, কিনোতাই ভাল নে বেয়া ৰজাই চায়; ভাল'যদি হল, সকলোৱে কিনে। বেয়া হলে, কোনোবাই কিনে নে কি?" গড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামীয়ে যেতিয়া তুকৰীয়া নামঘৰত বহি অস্পৃশ্য বৰ্জ্জনৰ বিষয়ে বক্তৃতা দিয়ে আৰু যেতিয়া হামচৈয়া গাৱঁৰ কৈৱৰ্ত্ত ৰাইজক নামঘৰত সুমুৱালত সেই ৰাইজে ভকতবহা আসন ডেই গৈ প্ৰভুৰ চৰণ স্পৰ্শ কৰে, তেতিয়া সোণাৰামেও কুমাৰক

চক ৰজাইচোৱাদৰে অস্পৃশ্যবৰ্জন আন্দোলনটো ঢেপঢেপীয়া নে পাগচিঞল, ভালকৈ গমি-পিটিকি টুকুৰিয়াই চাইছিল।

এদিন কথাপ্রসঙ্গতে সোণাৰামে কোৱা কথা এষাৰ মনত পৰিছে। অস্পৃশ্যতা-বৰ্জ্জন আন্দোলন চলি থাকোঁতেই সোণাৰামহঁত কেবাজনো গোটখাই পু�ৰণিমেলীয়া গাৱঁত ভাও চাবলৈ গৈছিল। পুৰণিমেলীয়া গাওঁখন চাৰিঙীয়া গাৱঁবপৰা আঢ়ৈমাইলমান হব। সেই গাৱঁৰ ৰাইজৰ মাজত তেতিয়া এই আন্দোলন সোমোৱাগৈ নাই। পুৰণি নিয়মমতেই সকলো কাম-কাজ চলি আছিল। গান্ধীৰ নামটো লৰা-ছোৱালীৰ মুখত ওলাইছিল যদিও, ৰৰবিলাকে গান্ধীকথাৰ এটাকো খামোচ মাৰি ধৰা নাছিল। থোৱতে কবলৈ হলে, পুৰণিমেলীয়া ৰাইজ সামাজিক নিয়মকাৰণত বৰ নিকপকপীয়া আছিল। ৰজাদিনীয়া জাতিভেদ-প্রথাই তাত অখণ্ড ৰাজত্ব কৰিব পাৰিছিল। সেই দেখি, সামাজিক গঢ়-গতি সলাব খোজোঁতা দেশসেৱকসকলে তাত মুকলি ভাৱে সোমাবলৈ ভয় কৰিছিল।

ভাও চাবলৈ যাওঁতে, সোণাৰামহঁতৰ লগতে হাতকোঙা ধপতুৱা এজনো গৈছিল। তেওঁ বৰ ধপাত খায়; কিন্তু নিজৰ হাত দুখনেৰে মুঠিমাৰি চিলিমটো ধৰিব নোৱাৰে, লোকে তেওঁৰ মুখত চিলিমটো ধৰি এহোঁপা খুৱাই দিব লাগে। একেলগে, একেসময়তে চিলিম, ধপাত আৰু ধপাত খুউৱা মানুহ পোৱা টান। সেইদেখি, কোঙা ধপতুৱাজনে, অ'লৈ-ত'লৈ গলে, গাঁঠিতে ধপাতখোৱা সঁজুলিটো লৈ যায় আৰু খাবৰ মন গলেই লগৰ এজনক এচিলিম উলিয়াই দিয়ে; তেওঁৰেই লগাই ধপতুৱাজনক খুৱায়।

ভাৱনালৈ যোৱাৰ পিছত কি হল, সোণাৰামে এইদৰেই নিজমুখে কৈছিল :—"ৰভাৰ তললৈ যাব নেপায় দেখি, আমি এমূৰতে খিয়াথিয়ি কৰি আছোহঁক। এনেতে, ভাৱৰীয়া ৰাইজৰ এজনে 'আপোনাসৰ কোনখিনিৰপৰা আহিছে' বুলি সুধিলেহি। আমি বোলোঁ, 'চাৰিঙৰপৰা আহিছোঁ।' চাৰিঙৰ বুলি কলত 'আহক বহক' বুলি আমাক

বহিবলৈ তত্তকে নিদিয়া হল। হয় হে তেওঁবিলাকে আথেবেথে কলে-মেলিলে, আমি কিন্তু, 'বহিমচোন বাৰু বহিম' বুলি কৈ থিয় হৈয়ে থাকিলোঁ। সিফালে সূত্রধাৰী ওলাবৰ হৈছে আৰু ইফালে আমাৰ জুমটোৰ এজনে মলাধপাত এচিলিম ছুঁপিবলৈ ধৰিছে। আমাৰ লগত যোৱা ধপতুৰাজন ধপাতৰ ধোঁৱাৰ গোন্ধ পালে ৰ'বই নোৱাৰে—ফেঁটাসাপ লাগি যোৱা-দৰে ধোঁৱাৰ লগে-লগে লাগি যাব খোজে। ধপাতৰ চাতমৰা দেখিয়েই তেওঁ আকুলি-বিকুলি মাত লগালে, 'হেৰ', মোকো দেচোন এই পিনে, এহোঁপা সাওঁ।' 'সাওঁ' বোলা মাতষাৰ নোলাওক বুলিয়েই, লৰালৰিকৈ খোৱাটোৰ মুখৰপৰা চিলিমটো কাঢ়ি আনি ধপতুৰাজনৰ মুখত লগাই দিলোঁহি। তেওঁও মনে মনে থাকিল।

এইদৰে আছোঁ নিটাল মাৰি, তামোল এখন খোৱা-পৰ। এনেতে, সূত্রধাৰী ওলালো গল ও। তুজনমান ভাৱৰীয়াও ওলাল, গল। পাছত আহিল ভীম-জৰাসন্ধ। তুয়োৰো লাগিল যুদ্ধ। সিপিনে ৰভাৰ সোঁমাজত তুই বীৰে 'ৰহ ৰহ' বুলি তর্জ্জন-গর্জ্জন কৰিছে আৰু ইপিনে ৰভাৰ মূৰত আমাৰ ধপতুৱা কাইটিয়ে 'ধপাত এহোঁপা সাওঁ অ' বুলি মুখেৰে টপটপাব লাগিছে। টিপতে ধপাত এচিলিম লগাই, তেওঁৰ মুখত ধৰি খন্তেকলৈ যেনিবা মুখৰ সিৰিকণিটো মাৰিলোঁ। পাছে ইমুখ-সিমুখ হৈ চিলিমটো হাতবাগৰি জুমটোৰ মূৰ পালত, ধপতুৱাৰ ৰাইখ নোহোৱা হল। বহুত বেলি ৰৈও, চিলিমটো আকৌ নোপোৱা দেখি, তেওঁ নিলাজে-ওভতে আটাহ পাৰি দিলে 'হেৰ' কতক নো সাৱ অ' ? সাই-সাই হেঁপাহ পলোৱা নাই নে ?'

ইমান বেলি, আমি ক'ৰ মানুহ কোনেও চিনি পোৱা নাছিল। চাৰিওৰে ভাল মানুহ বুলি গেলাই-গপাই আছিলো। এওঁৰ ডকৰা মাতেই এতিয়া আমাক ধৰা পেলাই দিলে। আমাৰ মৰিবৰ বাহ হল। আমি যে ধৰা পৰিলোঁৱেই নে, কোনোবাই ধৰিবহি লাগিলে, আমাক বা কি কৰে ঠিক নাই। পুৰণিমেলীয়া ৰাইজ যিহে জঙ্গী,

আমাৰ আৰু মূৰ নথয়। এই বুলি, এটাই কেউটাকে গতিয়াই-ভুকুৰাই ৰভাতলৰপৰা উলিয়াই আনিলোঁ। আনিয়েই ক'তো-আৰু ৰবলৈকে নহল ; পোনছাটেই ঘৰ সোমালোঁহি।

কংগ্রেছে শুদ্ধ কৰি আমাক কৈৰৰ্ত্ত কৰিব খুজিছে। ভাল কথা। পিছে, আমাৰ মাতষাৰেই দেখোন শুদ্ধ নহল! হয়, হে, লোকে ঠেলিহেঁচি আমাক 'কৈৰৰ্ত্ত' বুলিবলৈ কৈছে, ক'তা, আমাৰ মুখত দেখোন 'কৈৰৰ্ত্ত' নোলায়, ওলায় 'কৈপৰ্ত্ত' হে। 'কৈৰৰ্ত্ত'টোকে যেতিয়া শুধকৈ ফুটাব নোৱাৰোঁ, ঢাকছাল কোবাই আমাৰ মানুহবোৰক কেনেকৈ ওপৰলৈ তুলিব ? একেলগে বহি, দৈৰাৎ মাছচাউল এগাল গলিয়ালেই আমি স্বৰ্গলৈ নেযাওঁ, আপোনাসকলো তললৈ নাহে। ভালকৈ লেখা-পঢ়া শিকিলেই, এইবোৰ উচ্চ-নীচ ভাব আপোনা-আপুনি নাইকিয়া হব। ৰ কৈ থাকিলে, ফাঁট মেলি বহল হৈ হে যাব। আগেয়ে মছলমান ছুলেই হিন্দুৱে গা ধোৱে, আজিকালি দেখোন একেলগে বহি চাহপানী-জলপান, ভোজ-ভাতো খায়। কোনোবাই জানো কৰোবাক হাতত ধৰি 'খা-খা' বুলি কৈছিল ? আমিও হিন্দু, আপোনাসকলো হিন্দু। ইয়াৰ ভিতৰত আকৌ ঘিণাঘিণিখন কিহৰ ?"

সোণাৰামৰ মইসৰুভাবৰ কথাখিনি শুনি পেটে-পেটে হাঁহিছিলোঁ। যেনেকৈ, তত্ত্বান্বেষী যুক্তি দেখি আচৰিতো হৈছিলোঁ। তেনেকৈ। পাছত ভাবি চালোঁ, সোণাৰামৰ যুক্তিটো সঁচাকৈয়ে লাখটকীয়া। তেওঁ ভলণ্টিয়াৰ হোৱা নাছিল। তথাপি, নামদাং, বলিয়াঘাট, চামগুৰি, কোঞৰপুৰ, জাঁজী—এইবোৰ ঠাইৰ য'ত য'ত তেওঁৰ মিতিৰকুটুম আছিল তাতে কংগ্রেছৰ ভালবেয়া সমালোচনা কৰি মানুহৰ মন ৰাজনৈতিক চিন্তাৰ ফালে ঢাল খুৰাই আনিছিল। সোণাৰামৰ সোণচেকুৰা হেন গুণখিনিৰ মোল বুজোঁতা মানুহ আজি ক'ত ওলাব ?

পাণ্ডু কংগ্রেছৰ (১৯২৬) এচেৰেঙা

কানপুৰ অধিবেশনত, ফুকন-বৰদলৈৰ আন্তৰিক সহযোগ কামনা কৰি কৃষ্ণনাথ শৰ্ম্মা আৰু ৰোহিণীকান্ত হাতীবৰুৱাই মৰসাহ দি অসমলৈ কংগ্রেছ-সভা নিমন্ত্রণ কৰে। এয়ে প্রথম নিমন্ত্রণ। সেই অনুসৰি, গুৱাহাটীৰ পাণ্ডুত, ১৯২৬ চনৰ ডিচেম্বৰ মাহত অখিল ভাৰত কংগ্রেছ মহাসভাৰ দুকুৰি এবছৰীয়া অধিবেশন বহে। মহাসভাৰ সভাপতি আছিল মান্দ্রাজৰ শ্রীনিৰাস আয়েঙ্গাৰ আৰু অভ্যর্থনা সমিতিৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন। ওজা ফুকনৰ লগতে এইসকল সতীর্থয়ো ভাগত পৰা দায়িত্বটোহঁত পৰিপাটিকৈ সম্পাদন কৰি, ৰামসিংহই শলাগি যোৱা অসমীয়া সৈন্যৰ পুনৰাভিনয় কৰি দেখুৱাইছিল :—

প্রধান সম্পাদক :—কর্ম্মবীৰ নবীনচন্দ্র বৰদলৈ।
সহকাৰী সম্পাদক :—ৰোহিণীকান্ত হাতীবৰুৱা।
সভামণ্ডপ তদাৰক কৰোঁতা :—গোপীনাথ বৰদলৈ।
ধন-ভঁড়ালী :—উপেন্দ্রনাথ সেন।
শ্রীযুত বিষ্ণুৰাম মেধি।
„ কুলধৰ চলিহা।
খুৰন-ধুৰনৰ পৰিচর্য্যাত :—শ্রীযুত কালিপ্রসাদ বৰুৱা।
বাহৰতলী চাওঁতা আৰু আলহী সোধোঁতা } „ কালিৰাম বর্ম্মণ।
„ সিদ্ধিনাথ শর্ম্মা।
„ কামাখ্যাৰাম বৰুৱা।
পানী যোগাওঁতা (কলেৰে) :—শ্রীযুত লক্ষ্মীনাথ দাস।
চিকিৎসাৰ ব্যৰস্থা কৰোঁতা :—ডাক্তৰ ভুবনেশ্বৰ বৰুৱা।
পৰিষ্কাৰ-পৰিচ্ছন্নতা চাওঁতা :—শ্রীযুত নিধিৰাম দাস।

সঙ্গীত-পৰিচালক ঃ—শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱা।

সেৱক বাহিনীৰ সেনাপতি

আৰু পালী সেনাপতিসকল ঃ—শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা।

„ গৌৰীকান্ত তালুকদাৰ।

„ ধনীৰাম তালুকদাৰ।

যানবাহনৰ ব্যৱস্থাপক ঃ—ৰোহিণীকুমাৰ চোধুৰী।

প্ৰদৰ্শনী আয়োজক ঃ—কৃষ্ণনাথ শৰ্ম্মা।

মৰণলৈ দৃক্‌পাত নকৰি অদম্য উৎসাহেৰে অগণন দেশসেৱকে বনৰীয়া বাঘ-চোং ভাঙি, পাণ্ডুত দেশোদ্ধাৰকৰ মন্ত্ৰণা-চ'ৰা পাতিলে। পাণ্ডু-সদিলাপুৰৰ মাজত, ব্ৰহ্মপুত্ৰৰ পাৰতে, নেতাসকলক আছুতীয়াকৈ থাকিবলৈ বাহৰ সজাই দিয়া হৈছিল। সেই বাহৰৰ নাম আছিল "চিত্তৰঞ্জন পুৰ"। প্ৰদৰ্শনী পথাৰৰ নাম থোৱা হৈছিল "পাণ্ডৱ-নগৰ"। কংগ্ৰেছ-মণ্ডপৰ সিংহদুৱাৰখনৰ নাম দিয়া হৈছিল "স্বৰাজ-দুৱাৰ"; তাৰ পছিমৰখনৰ "গান্ধী দুৱাৰ" আৰু দক্ষিণৰখনৰ "আঞ্চাৰী দুৱাৰ" নাম আছিল।

কংগ্ৰেছৰ অধিবেশন পাতি, অসমৰ সুনাম ৰক্ষা কৰাত, কোনো-পিনে যাতে ত্ৰুটী হব নোৱাৰে তাৰ নিমিত্তি, অসমীয়াৰ যে কথাই নাই, মাৰোৱাৰী-বঙালীসকলেও মুক্ত হস্তে ধনৰ টোপোলা আগ বঢ়াইছিল। "অসমীয়া" কাকতৰ প্ৰতিষ্ঠাতা চন্দ্ৰকুমাৰ আগৰৱালা ডাঙ্গৰীয়াই, কোনেও নজনাকৈ বৰ গুপুতে-গুপুতে কংগ্ৰেছ-অভ্যৰ্থনা-সমিতিৰ হাতত নগদ দহ হেজাৰ টকা উপযাচি দিছিল। কবি আগৰৱালাদেৱৰ এই অপ্ৰত্যাশিত বদান্যতাৰ কথা বহুত দিনৰ পাছত হে জনা গৈছে। লেখা লোকে, পাণ্ডু কংগ্ৰেছৰ আদ্যোপান্ত বিৱৰণ লেখিছে। আমি মাত্ৰ ওপৰে-ওপৰে ছুই হে গলোঁ।

উজনি অসমৰ ধনৰ পেৰা মেলাৰ ভাৰ লৈছিল ফুকন ডাঙ্গৰীয়াই, নিজেই। তেখেত চাৰিঙলৈকো আহিছিল। সেই সময়ত ৰাধাকান্ত ফুকনেই আছিল চাৰিঙৰ একমাত্ৰ আঢ্যৱন্ত পুৰুষ। ফুকন আছিল অ-কংগ্ৰেছী। তেখেতে কংগ্ৰেছলৈ বুলি ১০ টকাৰ টোপোলা এটা

বান্ধি থৈছিল। দেশভক্ত ফুকন গলত, হাতীগিৰীয়া ফুকনে মুখ হৰিব নোৱাৰি লোৱৰ পেৰাত যি পায় তাকে নিজেই খুলি আনিবলৈ ছাবিটো দি দিলে। ৰোহিণী হাতীবৰুৱাই খুলি যি পালে তাকে ৫০০ টকা বুলি লৈ গল। সেই দানৰ আলমতে চাৰিঙৰ শ্ৰীযুত লোকনাথ ফুকন, শ্ৰীযুত ডিম্বেশ্বৰ চলিহা, শ্ৰীযুত দুৰ্গানন্দ কাকতী আৰু শ্ৰীযুতা সুন্দৰী কাকতীয়নীয়ে চাৰিং কংগ্রেছৰ প্রতিনিধিত্ব লাভ কৰিলে।

অনুক্রমণিকা-মতে সভাৰ কার্য্য চলি থাকোঁতেই আচম্বিতে স্বামী শ্রদ্ধানন্দক হত্যা কৰা বাতৰিটো ওলালহি। বিনা মেঘে বজ্রপাত হল। সকলো জঁয় পৰিল। শোকাভিভূত অন্তৰত উগুল-থুগুল প্রতিহিংসাৰ ঢৌ উঠিল; কিন্তু, ক'তো উশৃঙ্খল-উত্তেজনাৰ ভাব প্রকাশ নেপালে। সভাৰ আলোচনা-প্রস্তাৱাদি ধীৰ-সংযত ভাবেই গৃহীত হৈ গল। তথাপি, শ্রদ্ধানন্দ-হত্যাৰ নিচিনা আগমঙ্গহ খোৱা শোচনীয় ঘটনা এটা, পাহৰিবলৈ হেজাৰ চেষ্টা কৰিলেও পাণ্ডু কংগ্রেছৰ সুমৰণত সি আপোনা-আপুনি ভুমুকি নমৰাকৈ নেথাকে। তাৰ লগতে, এইটোও মনলৈ আহে যে সেইদিনা শোকাচ্ছন্ন ৰভাৰ তলত দর্শকমণ্ডলীৰ দহটকীয়া ডাগিত আসন গ্রহণ কৰি অসমীয়া মুশ্লিম নেতা চৈয়দ মহম্মদ চাদুল্লায়ো মৌনভাবেই কংগ্রেছৰ লগত সমবেদনা জ্ঞাপন কৰিছিল।

কংগ্রেছ-ৰভাৰ তলতে হিন্দুমহাসভাৰো বছেৰেকীয়া অধিবেশন এটা বহুউৱা হৈছিল। সভাপতি আছিল পণ্ডিত মদনমোহন মালৱীয়। অভ্যর্থনা সভাৰ সভাপতি আছিল গড়মূৰ সত্রৰ অধিকাৰ শ্ৰীযুত পীতাম্বৰ দেৱ গোস্বামী। তেখেতে মাতৃভাষা অসমীয়াৰে অভিভাষণখন পাঠ কৰিব লগীয়া হোৱাত, পঢ়ি যোৱাৰ লগে-লগেই সেই কথাখিনি ইংৰাজীলৈ অনুবাদ কৰি দি যাবৰ প্রয়োজন হল। অনুবাদ কৰিবলৈ প্রথমতে উঠিল ডেকা উকীল শ্ৰীযুত গৌৰীকান্ত তালুকদাৰ। সমজ্যাৰ কোঢ়ালত, তেখেতৰ মাত ডুব গল। তাৰ পিছত উঠিল কর্ম্মবীৰ ৰৱদলৈ। ৰৱদলৈ ডাঙৰীয়াৰ উচ্চস্বৰ আৰু অঙ্গী-ভঙ্গীয়েও অফলাভগা দর্শকৰ মাত জিনিব নোৱাৰিলে। প্রকাশৰ অভাবতে এতিয়া

অসমীয়াৰ প্ৰতিভা নুমাওঁ-নুমাওঁ! এনে উগুল-থুগুলতে থিয় হল তৰুণৰাম ফুকন। মঞ্চৰ টুপ পাওঁতে-নৌপাওঁতেই ফুকনৰ ব্যক্তিত্বই অজগৰে হোঁপা দি সমজুৱাৰ মন ফুকনৰ ফাললৈকে হুঁপি লৈ গল। ফুকনে কি কয় শুনিবলৈ সকলোৰে কাণ থিয় হল।

সভাপতি গোস্বামীদেৱে এষাৰ-এষাৰকৈ তেখেতৰ বক্তব্য কৈ গৈছে, ফুকনেও যাৰ-যাৰকৈয়ে ইংৰাজীলৈ সেই বাক্য তৰ্জ্জমা কৰি গৈছে। তিনটামান ছেদ অন্ত কৰিয়েই গোঁসায়ে কলে, "হিন্দু ধৰ্ম্মই সদায় অহিংস ব্ৰত অৱলম্বন কৰি আহিছে।"

এই বাক্যষাৰেই আছিল অভ্যৰ্থনা সভাৰ সভাপতি-ভাষণৰ হাঁও-ফাঁও। শ্ৰদ্ধানন্দ-হত্যাৰ লগত ইয়াৰ সম্বন্ধও বাশিষ্ঠীগঙ্গা দিখৌ সোঁতৰ দৰে অন্তঃসলিলা। সেই গুণে, গড়মূৰীয়া গোস্বামীৰ লিখিত বাক্যষাৰৰ অনুবাদটো ভাবে-ভাষাই এনেকুৱাকৈ প্ৰাঞ্জল, একাৰ্থবোধক, মনোগ্ৰাহী আৰু ৰজিতা খোৱা হব লাগিব যাতে অসমীয়া নুবুজা শ্ৰোতাসকলে তাৰ মৰ্ম্মটো অন্তৰে-অন্তৰে উপলব্ধি কৰি যাব পাৰে। যেই গোসাঁয়ে মাত লগালে, "হিন্দু ধৰ্ম্মই সদায় অহিংস ব্ৰত অৱলম্বন কৰি আহিছে", সেই ফুকনেও ঘপ কৰে ইংৰাজীৰে আৰম্ভ কৰিলে, "হিন্দু ৰিলিজিয়ন হেজ্,—" এই খিনিতে লাগিল খুদুৰনি, পাছৰটো শব্দ কি ক'ব, ভাবি অলপ বেলি ফুকন দমকা মাৰি ৰৈছে। সৰগৰীয়া ফুকন হঠাতে নিমাত হোৱা দেখি সমজুৱাৰ মাজতো নিস্তব্ধতাই দেখা দিলে। সকলোৱে মূৰে-কপালে হাত দি ফু-ফু-ফা-ফা কৰিবলৈ ধৰিলে, "ভাল কথা হল, ফুকনো এতিয়া চন্দুৰা পৰে কি চৰে হে!" এনেতে বোমা ফুটাদি ধুম কৰে ফুটিল, "নেভাৰ অ'পোন্দ্ এন্ ইনিমিকেল আই টু এনি আদাৰ ৰিলিজিয়ন"। মুখখন কাতিকৈ তেওঁ ডিঙ্গিটো ঘুৰাই লবলৈ হে যেন "হেজ্" বুলিয়েই দমক মাৰি ৰৈছিল। ফুকনৰ মুখৰপৰা হুৰুস্ কৰে মাতষাৰ ওলাই পৰিলতে শ্ৰোতাৰ মাজত যে চাপৰিৰ জাউৰি আৰু হাঁহিৰ খলখলনিখন! আমি আশ্বস্ত হলোঁ। স্বগতঃ কলোঁও, "আজি ভাল ৰক্ষা কৰিলা প্ৰভু।"

পাণ্ডু কংগ্রেছৰ কথা ওলালেই ফুকনৰ সেই বাককৌশলৰ কথাও ওলায়। সভাৰ দিনা মধুপুৰ চাহবাগিছাৰ স্বত্বাধিকাৰী—শ্রীযুত ৰামেশ্বৰ শর্ম্মাই মৰে লগালগিকৈ বহিছিলোঁ। তেখেতক লগ পালে, এভিয়াও সেই ডেৰকুৰি বছৰীয়া পুৰণি কথাষাৰ ওলায়। ওলালেই কওঁহঁক, "সেইদিনা তৰুণ ফুকন নোহোৱা হলে, আমাৰ মান নেথাকিলহেতেন; গড়মূৰীয়া গোসাঁয়ো ভাৰতৰ পূজনীয় হব নোৱাৰিলেহেতেন।" বাগ্মিতাও বাস্তৱিকতে ঈশ্বৰ-প্রদত্ত শক্তি।

সেই সভাৰ আৰু-এটা-কথা আজিও পাহৰিব পৰা নাই। পণ্ডিত মদন মোহন মালৱীয়ক হঁহুঁৱাওঁ বুলি কোনেও হঁহুঁৱাব নোৱাৰে। তেওঁৰ হাঁহি দেখিবলৈ পোৱাটো সৌভাগ্যৰ কথা। ভাৰত-বিখ্যাত সঙ্গীতাচার্য্য বিষ্ণুদিগম্বৰ পালুস্কৰো সেইদিনা সভাত আছিল। "না-ৰ-দ" এই আখৰ তিনটাতে তেওঁ কতনো সুৰ নলগালে! সুৰৰ সঞ্চাৰ, ধ্বনিৰ লয় আৰু মুখৰ ভঙ্গিমা দেখি দর্শকবৃন্দ হাঁহিতে বাগৰি ফুৰা যেন হৈছিল। মালৱীয়জীও প্রতিমা হেন গহীন হৈ থাকিব নোৱাৰিলে; তেওঁৰো ওঁঠত হাঁহি বিৰিঙিল। সমজুৰাই হাত-চাপৰিৰে বিষ্ণুদিগম্বৰৰ সঙ্গীত-চাতুৰীৰ ওপৰত জয়মালা অর্পণ কৰিলে। বিষ্ণু-দিগম্বৰে জলতৰঙ্গৰ সুৰ মিলাই এই দিনাই

"ৰঘুপতি ৰাঘৱ ৰাজা ৰাম
পতিত পাৱন সীতা ৰাম"

বোলা গীতটোৰ প্রথম জোৰণি ধৰে। এই কলিৰপৰাই পশুপ্রবৃত্তিৰো মন-ভাল-লগোৱা "ৰামধুন্" গীতৰ পাহি মেলিলে। এইখন মহাসভাতেই শ্রীশ্রীযুত গৰমূৰীয়া সত্রাধিকাৰ গোস্বামীৰ গভীৰ আধ্যাত্মিক জ্ঞান আৰু হিন্দুধর্ম্মৰ নেতৃত্ব লব পৰা যোগ্যতা, দেশভক্ত ফুকনৰ উপস্থিত বুদ্ধি আৰু ব্যক্তিত্বশালী বাগ্মিতা আৰু বিষ্ণুদিগম্বৰৰ সুৰৰ মহিমা ভাৰতময় প্রকটিত আৰু প্রচাৰিত হল।

আলান অক্টেৱিয়ান হিউমে ভাৰতবাসীক এটা জাতিৰূপে পৰিণত কৰাৰ অভিপ্রায়ে ১৮৮৫ চনত, ভাৰতত কংগ্রেছ-মহাসভা স্থাপন কৰে।

তেত্তিয়াৰেপৰা ৪০ বছৰ ভাৰতৰ নানান ঠাইত বছৰে-বছৰে কংগ্রছ উপলক্ষে সকলো প্রদেশৰ ইংৰাজী শিক্ষিত লোকৰ সমাগম হৈ আহিছে। দেৱীচৰণ বৰুৱা, সত্যনাথ বৰা, ৰাধানাথ চাংকাকতীয়ে আগৰ অধিবেশন খনদিয়েৰ্কত বক্তৃতা দি অসমীয়াৰ চিনাকিও দি থৈছিল। তথাপি, অনা-অসমীয়া ভাৰতীয়ই সিমানতো অসম দেশখন বাঘ-ভালুকেৰে ভৰা অটব্য অৰণ্য বুলিয়েই ভাবিছিল—এনে অপুদ্ধাট ধাৰণাকে পোষণ কৰি আছিল বুলি প্রতিনিধিৰ হৈ শলাগৰ শৰাই আগৰঢ়াওঁতে মান্দ্রাজৰ টি, প্রকাশমে মুক্তকণ্ঠে প্রকাশ কৰিছিল। সেই প্রসঙ্গতে তেওঁ আৰু কৈছিল, বোলে, অসমৰ মনোৰম সৌন্দর্য্য, গহীন দশ্য আৰু সবাতকৈ ওপৰ, অসমীয়া মানুহৰ সৰল আতিথ্য আৰু বিপুল সংগঠন শক্তি দেখি তেওঁ বিমুগ্ধ হৈছে আৰু প্রত্যেকজন প্রতিনিধিয়েই তবধু মানিছে।

কংগ্রেছ পতাত বহুত টকা ধাৰ লাগিল। কংগ্রেছৰ নিমিত্তে দেহা মাৰি কাম কৰিলে, খৰিভাৰী হজুৰা অসমীয়া ডেকাই অ ৰু বইনাৰে ধন চপালে পেটমোহৰা সদাগৰবিলাকে। ফলত, ফুকন-বৰদলৈ-দুর্গী বৰুৱা (দুর্গীনাথ বৰুৱা) আদি ভালেমান দেশপ্রেমিকে হাতত লাও-টোকাৰী লব লগীয়া হল। "আর্জ্জিলে নন্দৰ গুৱালে, খালে খঁৰা শিয়ালে।" সর্ব্বস্বান্ত হল যদিও, ফুকন-বৰদলৈয়ে জীৱন্তত সেই বাবে আক্ষেপ কৰা কোনেও নুশুনিলে।

অভ্যর্থনা জনাওঁতে ফুকনে কৈছিল,—"আগুৱালটোৰ পাছে-পাছে ইবোৰ ভেড়াই যেনেকৈ বাট ধৰে, আমাৰো তেনেকৈ মহাত্মা গান্ধীৰ পাছ-ধৰি স্বৰাজ লাভ কৰিবলৈ ওলোৱাঁহঁক।" এই বাক্যবাৰ ওলোৱা মাত্রকে কংগ্রেছ-মণ্ডপ, হাত-চাপৰি আৰু হর্ষধ্বনিত ভাগো-ভাগো যেন হৈছিল।

১৯২৬ চনৰ কংগ্রেছেই ১৯৩০ চনৰ আইন-অমান্য আন্দোলনৰ ভেটি বান্ধি দিলে।

পাণ্ডু-কংগ্রেছৰ বিৰাট আয়োজন সুপ্রশংসাৰে সুসম্পন্ন কৰাত,

অমায়িক ৰোহিণীকুমাৰ হাতীবৰুৱা, দৰিদ্ৰ-নাৰায়ণ অমিয়কুমাৰ দাস, চৌকস বুদ্ধিৰ চূড়ামণি লক্ষ্মীধৰ শৰ্ম্মা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, ভীষ্ম-প্ৰতিম, দৃঢ়প্ৰতিজ্ঞ ধনীৰাম তালুকদাৰ, বুদ্ধি-কৌশলৰ ৰহঘৰা দেৰেশ্বৰ শৰ্ম্মাকে মুখ্য কৰি ডেকাতৰপ সেৱক আজৰি নোহোৱা উদ্যমেৰে টাকুৰি ঘূৰাদি ঘূৰি ফুৰিছিল। হাতীবৰুৱাৰ সৰহ ভাগ দিন-ৰাতি যে গুৱাহাটী-কলিকতাৰ সোঁমাজতেই গৈছিল। সম্পাদকৰ কৰিবলগীয়া কামৰ সম্পুৰ্ণ বোজাটো তেওঁৰ মূৰতেই হাতে মূৰে পৰাত, সকলো কথাতে হাতীবৰুৱা নহলেই নহৈছিল। কলিকতাৰ কোন ঠাইত ইলেকট্ৰিক বল্ব্ এটা সস্তাকৈ পায়, তাকো হাতীবৰুৱায়েই তদ্বিৰ কৰিব লাগিছিল। কংগ্রেছৰ কাঁচিয়লি ৰ'দ লওঁতা এই লেখকৰ হতুৱাই ইংৰাজীৰে 'কংগ্রেছ-গাইড্' এখনো তেওঁ বানচ দি লেখোৱাই অসম-কংগ্রেছৰ নামত তেৱেঁই প্ৰকাশ কৰিছিল। শ্ৰীযুত অমিয় দাস আছিল 'অসমীয়া' কাকতৰ সম্পাদক। কংগ্রেছ অধিবেশনৰ কাম চোৱাৰ উপৰিও, তেওঁ 'অসমীয়া'খন সভাবহা কেইদিন দৈনিককৈ উলিয়াইছিল। দাসৰো উশাহ-গুৰ্ত্তিয়েই নাছিল। মুঠৰ ওপৰতে, কংগ্রেছ নগৰ নিৰ্ম্মাণ, মণ্ডপগঠন, প্ৰদৰ্শনীৰ বভাতোলন, কলেৰে পানী যোগান—এইবোৰ কাম কৰোঁতে গোটেই অসমীয়া শক্তিটো যেন কেৰেলুৱাৰ দৰে পাণ্ডুতেই মেৰপাতি আছিল। পাণ্ডুকংগ্রেছেই সকলোৰে মনৰ কুৱলি গুচাই পেলালে।

[১৬]

বীৰ পূজাৰ প্ৰেৰণা অনাত

মণিৰাম দেৱানৰ তিথি

আমি—আমি মানে, দুৰ্গানন্দ কাকতী, সুৱৰ্ণলতা দুৱৰা, বলোৰাম চলিহা, উমাকান্ত দুৱৰা আৰু মই—ভাবি-চিন্তি ঠিক কৰিলোঁ, বীৰ-পূজাৰ উৎসৱ এটাকে পাতিব লগীয়া হল। এই বুলি, চাৰিঙৰ তেজমঙ্গহেৰে গঠিত মণিৰাম দেৱানৰ স্মৃতি-উৎসৱকে পতাটো স্থিৰ কৰিলোঁ। জাঁজীত শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাই 'লাচিত বৰফুকনৰ উৎসৱ' পাতি পোনপ্ৰথমেই গাৱঁলীয়া ঠাইত বীৰপূজাৰ আদৰ্শ দেখুৱায়। লাচিতৰ ঘটনাৱলী পূৰণি—ৰজাদিনীয়া। মণিৰামৰ ঘটনা হল অতি আধুনিক—বৃটিছ আমোলৰ। গৰখীয়াৰ মুখতো মণিৰাম জীয়াই আছে। চকুৰে-দেখা মণিৰামক সোৱঁৰা মানেই চলি থকা বৃটিচ-শাসনৰ সমালোচনা কৰা। ৰাজহুৱা সভা পাতি মণিৰামকে উপলক্ষ কৰি বৃটিছ-শাসনৰ দোষ-গুণ খোচৰা যেনে, শাসনৰ বিৰোধিতা কৰাও তেনে—বিশেষকৈ প্ৰকাশ্যে বৃটিছ-আমোলক নিন্দা কৰা-দিনত। কিন্তু, তিথি পতাত অন্তৰায়ৰ অন্ত নাই। তথাপি, একোলৈকে ভ্ৰূক্ষেপ নকৰি, ১৮৫২ শকৰ ১৯ ফাগুনৰ দিনা দেৱানৰ তিথি পাতিবলৈ মৰিমুজি লাগিলোঁহঁক। এই শক-তাৰিখৰ ৭৩ বছৰ পূৰ্ব্বেই ১৭৭৯ শকৰ ১৬ ফাগুন শুকুৰবাৰৰ দিনা, ফল্গুৎসৱৰ মেষদাহৰ তিথিত মণিৰাম দেৱানক ফাঁচি দিয়া হৈছিল। সেই বাবেই, সেই দিনটো ধাৰ্য্য কৰা হল।

উৎসৱলৈ এতিয়া সভাপতি এজন লগা হল। কাক পাতোঁ, কি কৰোঁ বুলি আমাৰ মনত গুণা-গঁথা লাগিল। যাৰ ওচৰলৈকে যাওঁ তেৱেঁই "নোৱাৰোঁ"ত" বাজে "পাৰোঁ" নোবোলে। জীয়া জুইত নো কোন পৰি মৰিবলৈ আছে? মণিৰাম দেৱানৰ তিথি পাতিম, তাত সভাপতিজন ছৰকাৰ-বিৰোধী উগ্রপন্থী নেতা নহলে কেনেকৈ হয়?

ਚਿੱਤਰ ਅਖ਼ਬਾਰ ਦਾ

ইয়াকে সিদ্ধান্ত কৰি, জেলত নোসোমোৱাকৈ থকা দুগৰাকীমান নেতাৰ কাষ চাপিলোঁ। তাৰে দুজনে মাথোন উত্তৰ দিলে, সিও "না।" বাকী কিজনে আকৌ অনুৰোধ-পত্ৰৰ সমিধান দিয়াটোকে ভদ্ৰোচিত যেন নেভাবিলে। হতবুদ্ধি হৈ, ৰায়বাহাদুৰ শিৰপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ কাষ চাপিলোঁ।

ৰায় বাহাদুৰ শিৰপ্ৰসাদ বৰুৱা

বৰুৱা ডাঙৰীয়া আছিল পুৰণি-চহকী আৰু অসমীয়াৰ ভিতৰত আটাইতকৈ প্ৰভাৱশালী ধনাঢ্য চাহখেতিয়ক—অৱশ্যে, ৰায় বাহাদুৰ যেতিয়া, বৃটিছ-ছৰকাৰৰ সহযোগী। তেখেতে মহাত্মাৰ বিলাতী-বৰ্জ্জন নীতিটো অসাৰ বুলি ভাবিছিল। সূতা কাটিবলৈ কোৱাটোতো একো নতুনত্ব বিচাৰি নেপাইছিল। ৰায়বাহাদুৰৰ ঘৰত কিন্তু, কেঁচা-মুগাৰ সূতা কাটি সোণৰৰণীয়া কাপোৰ বোৱাই দেখুৱাইছিল। ইংৰাজ-গৱৰ্ণমেণ্টৰ অবিৰোধী যদিও, বৰুৱা ডাঙৰীয়া অসমীয়া জাতীয়তাৰ ডাঙৰ পৃষ্ঠপোষক আছিল। মণিৰাম দেৱানো আছিল নিভাঁজ অসমীয়া দেশপ্ৰেমিক; তাতে আকৌ ৰায়বাহাদুৰৰ সম্পৰ্কীয়ও। এইবোৰ সাতেসোতৰে মিলাই চাই, বৰুৱা ডাঙৰীয়াক খাটিলোঁগৈ—চাৰিওত মণিৰাম দেৱানৰ তিথি পাতিছোঁ, আপুনি যি-হয় টকা-সিকা দি আমাক সহায় কৰিব লাগে আৰু আপুনিয়েই সভাপতিও হব লাগে! মোৰ অনুৰোধটো শুনিয়েই তেখেতে তথাকথিত কংগ্ৰেছ-নেতা জনদিয়েকৰ ভুৱা দিয়া, ভেৰাকুটীয়া আচৰণৰ তিতা সমালোচনা কৰিলে। তাৰ পিছত, ৰূপ কুৰি টকা দিয়াই ক'লে, "তোমালোকে নীলমণি ফুকনক নধৰা কেলেই? তেওঁ হে সভাপতি হোৱা মানুহ। মোৰ সলনি তেওঁকেই পাতাঁচোন। মইও লেখোঁ বাৰু। এই সপ্তাহতে, মই কলিকতালৈ যোৱাৰ কথা আছে। তিথিৰ সময়তে আইবো শৰাধ পৰিছে হবলা!" শিৰপ্ৰসাদ বৰুৱাৰ ওচৰত বুদ্ধি-পৰামৰ্শ লৈ ঘৰ পালোঁহি।

শ্রীযুত নীলমণি ফুকন তেতিয়া ইংৰাজতকৈও এখোপ চৰা। 'নীলমণি' চাহ-বাগিছাৰ স্বত্বাধিকাৰী আৰু স্বয়ং তাৰ মেনেজৰ : গাৰ বৰণ তেজগোৰা ; আটোমটোকাৰি সাজপাৰ—ভাল ভাল বিলাতী ছাহাবেও ধুনমৰাত ছেৰ পেলাব নোৱাৰে, মুখতো ভিক্টৰীয়ান যুগৰ ইংৰাজী মাত-কথা আখৈ ফুটাদি ফুটি থাকে। ৰেল বা জাহাজত আজিকালিৰ প্ৰথম শ্ৰেণীতকৈও ওপৰ, তেতিয়াৰ দ্বিতীয় শ্ৰেণীত ফুৰা ফুকনৰ সজ। বিলাতী কাপোৰ পুৰি ইংৰাজৰ শাসন ওৰ পেলোৱা কথাষাৰ ফুকনৰ নিমিত্তে বিশ্বাসৰ অতীত। তেখেত অসম ব্যৱস্থাপক সভাৰ সদস্যও আছিল। তেতিয়া ছৰ্কাৰী নীতি সমৰ্থন কৰাত ফুকনে সদায় আগভাগ লৈছিল। সেই বুলি, অসমীয়া জাতি বিধ্বংসনা প্ৰস্তাব ওলালেই, হয় ওলোটা প্ৰস্তাৱ দি, নহয় জাউৰিয়ে-জাউৰিয়ে থকাসৰকাকৈ সমালোচনা কৰি সেই প্ৰস্তাৱ ওফোৰাই পঠিয়াইছিল।

ৰায়বাহাদুৰ শিৰপ্ৰসাদ ৰুৰুৱাই প্ৰতিষ্ঠা কৰা সাদিনীয়া 'বাতৰি' কাকত খনৰো (পিছত সিয়েই দৈনিক হয়। এইখনেই সদৌ অসমৰ পোন-প্ৰথম দৈনিক কাকত) তেখেত সম্পাদক। "বাতৰি" জন্ম হোৱাৰ বহু বছৰৰ পূৰ্ব্বে ফুকন ডাঙৰীয়াই চন্দ্ৰকুমাৰ আগৰৱালাৰ-দ্বাৰাই প্ৰতিষ্ঠিত "অসমীয়া" কাকতো সম্পাদন কৰিছিল। আসাম এচচিয়েছনৰো তেখেত এগৰাকী মুখ্য পাৰিষদ আছিল ; ডিব্ৰুগড়ৰ অসমীয়া ভাষা আলোচনী সভাৰপৰা উলিওৱা "আলোচনী" খনৰো সম্পাদক আছিল। ডিবুকৰ জৰ্জ্জ স্কুল স্থাপনৰ গুৰিতো ফুকনৰ হে দেহামাৰিকৰা যত্ন আৰু পৰিশ্ৰম।

কেপা কানি বিহৰ শেষ

কানিয়েই খালে অসম দেশ"—মানুহক নপুংসক কৰা এনে বিহ কেনেকৈ অসমৰপৰা নিৰ্ম্মুল কৰিব পাৰি, তাৰ বিষয়েও চিন্তা অভিজ্ঞতা খটাই ফুকনে পৰিপাটিকৈ কেবাখন কাকতত প্ৰবন্ধ লেখিছিল। শ্ৰীযুত নীলমণি ফুকন একাধাৰে শিক্ষাবিদ, জনহিতৈষী, সাংবাদিক, কবি, সাহিত্যিক, বাগ্মী আৰু পুৰণি সম্ভ্ৰান্ত বংশজাত। অনৰ্গল বক্তৃতা

দিয়াত ভাটীৰ তৰুণ ফুকনৰ পাছতে নীলমণি ফুকন। ধানটোৱে-পতি-কণটো মানুহটোৱে-পতি-মনটো হোৱা-দৰে তৰুণ-নীলমণিৰ মানসিক কণটোহঁতৰো অৱশ্যে, বহুত তাৰতম্য আছিল। উজনিৰ ফুকন বুলিলে নীলমণি ফুকনক হে বুজাইছিল। ফুকনৰ ঢেৰেকনি সদৃশ কণ্ঠস্বৰ আৰু অসমীয়া ভাষাৰ শব্দ-ঝঙ্কাৰত আপোনাআপুনি ফুকনৰ নামৰ আগত "বাগ্মীবৰ" বিশেষণটো লাগিবলৈ পাইছিল। অসমৰ সলিসিয়ান ৰাজনীতিজ্ঞ পুৰুষ মণিৰাম দেৱানৰ স্মৃতি-উপলক্ষে পতা পোনপ্ৰথম তিথিত এনেজন বাগীপুত্ৰৰ হতুৱাই অৰ্ঘ্য দিয়াবলৈ পালে আমাৰ তিথি পতা সাৰ্থক হব—এই বুলি, শ্ৰীযুত ফুকন ডাঙৰীয়ালৈ সভাপতি পদ যাচি অনুৰোধ-পত্ৰ দিলোঁ।

অনতিপলমেই চিঠিৰ সমিধান আহিল—তেখেত সন্মত হৈছে। আগেয়ে ধাৰণা আছিল নীলমণি ফুকন ইংৰাজৰ পটিয়ে যোৱা মানুহ—আমাৰ খাৰখোৱা মানুহ-পূজা-কৰা সভালৈ কিয় আহিব? সমিধান পাই বুজিলোঁ,—আমাৰ ধাৰণা তেনেই পানীৰ ঔটেঙা। ফুকন যে আচলতে 'ক'অপাৰেটৰ' নহয়, 'নন্-ক-অপাৰেট'ৰ হে, সেইদিনাৰ-পৰা সেই বিশ্বাসে আমাৰ অন্তৰ অধিকাৰ কৰিলে। তেখেতৰ মতে গান্ধীপন্থী হবলৈ হলে সহানুভূতিশীল অন্তৰ লাগে—কাঠহাঁহি মাৰি দেখুৱাব পৰা ভুচুংপহুৰদ্বাৰাই মহাত্মাৰ উদ্দেশ্য কেতিয়াও সিদ্ধ নহয়।

মণিৰাম দেৱানৰ তিথিত হোতা হবলৈ যোৱা মানেই ছৰকাৰৰ বিৰাগভাজন হোৱা। হলেই বা বিৰাগভাজন, তথাপি পিতৃপুৰুষৰ শ্ৰাদ্ধ নপতাকৈ পাৰি জানো? সন্তৰতঃ, এইবোৰ সাতপাঁচ ভাবিয়েই সন্মতি হল ফুকন ডাঙৰীয়া, আমাৰ মহান্ তিথিৰ পুৰোহিত হবলৈ। চিঠি পাই বুজিলোঁ—জন্মভূমিৰ মঙ্গলার্থে কৰা চিন্তাভাবনাৰে তেখেতৰ অন্তৰখন উথলি আছে! সভাপতি-বছা লেঠাটো জানিবা মৰিল। আহিম বুলিছে যেতিয়া ফুকন আহিবই—তাত আৰু আমাৰ ভাবিব লগীয়া একো নাই।

এতিয়া সভাৰ আয়োজন কৰা চিন্তাই আমাক পেঁপুৰা লগালে। ৰভা বা মণ্ডপ সাজিবলৈ খেৰ পাম ক'ত, বাঁহ পাম ক'ত, নিমন্ত্রণ-পত্র ছপাবলৈ পইচা পাম ক'ত, নিমন্ত্রিতসকলকে অন্ততঃ, চাহপানী এটোপা খুৱাবলৈ বস্তু যতাওঁ কেনেকৈ আৰু সেইবোৰৰ লাচনি-পাঁচনি কৰিব কোনে—ইত্যাদি কথা ভাবি, একোটোৰে মোৰ নোপোৱা হলোঁ। সাংসাৰিক বুদ্ধিত বৃহস্পতি দুর্গানন্দ কাকতীয়ে উপযাচিয়েই ক'লে, "আপুনি পইচা বিচাৰি যক ; মই বাকৰ, সভাৰ মণ্ডপটো সাজিবলৈ গাত ললোঁ।।"

সেই আশ্বাসতে নির্ভৰ কৰি মই বাইচাইকোল ডোখৰ লৈ ওলালোঁ। উজনিৰ ফালে। পোনেই আমগুৰি বাগিছাতে সোমাই, টিফুক-ৰৰচলাইদি সৰকি, মেজেঙা বাগিছা ওলাই নাজিৰা পালোঁগৈ। সেই আউটিত যি দান-দক্ষিণা পোৱা হল, কাকতীলৈ মনিঅর্ডাৰ কৰি পঠিয়াই দিলোঁ। তাৰপৰা লাকোৱাইদি চফ্রাই-নাফুকত সোমালোঁ। ধোদৰ-আলিয়ে বাট ধৰি জয়পুৰ-নাহৰকটীয়া (নাহৰখত্তীয়া) অঞ্চলত অলপ টকা সংগ্রহ কৰিলোঁ। তাৰ পিছত, ইটাখলী-তিনিচুকীয়াত ডাক্তৰ গকুল বৰুৱাৰে লগ লাগি কিছু তুলিলোঁ। তিনিচুকীয়াৰপৰা ডুমডুমালৈকে বাটৰ দুয়োদাঁতিয়ে থকা বাগিছাবোৰত সোমাই, কৈয়া-কৈয়াকৈ তুলি বিছাখুপী বাগিছাৰ শ্রীযুত হেমকান্ত বৰকাকতীৰ ঘৰত ৰলোঁগৈ। তাতে থাকি, সেই লুটিৰ মহৰি-কেৰেণীসকলৰ ওচৰত হাত পাতিলোঁ। ডুমডুমাৰপৰা হাতবাগীৰেই ডিব্রুগড়লৈ পোনালোঁ। ডিব্রুগড়ত মণিৰাম দেৱানৰ নাতি বাছালাল বৰুৱা, দুলালচন্দ্র বৰুৱা, গিৰীশচন্দ্র বৰুৱা প্রভৃতি শ্রীযুতসকলৰপৰা আশাতীতৰূপে, উচাহ-সহায় লাভ কৰিলোঁ। ডিব্রুগড়লৈকে সংগৃহীত ধন ৫০০ টকামান হল। তাৰে অলপ দুর্গানন্দলৈ পঠালোঁ। টকা পাই, তেওঁ দুগুণ উৎসাহেৰে অকলৈয়ে এহালিছা মাটি জোৰাই প্রকাণ্ড হোলোংঘৰ সদৃশ, এটীয়া খুঁটাৰে মণ্ডপ এটা সাজি পেলালে। খুঁটাটোতে চন্দলাইকৈ ভেজা দি, সাত-আঠ হেজাৰ মানুহ বহিব পৰা ঠাই উলিয়ালে। সেই বিৰাট মণ্ডপটো দেখি, দর্শকসকল পাছত স্তধা লাগিছিল।

গোহাৰি-পত্ৰ পঠিয়াইও ভালেমান সদাশয় লোকৰপৰা দান সংগ্ৰহ কৰা হৈছিল। কামৰূপ জিলাৰ সোণাপুৰ চাহ-বাগিছাৰ মেনেজিং প্ৰপ্ৰাইটৰ মিঃ এল্, ডব্লিউ মিডোলটন্ ছাহাবৰ আগ্ৰহটোত হে আটাইতকৈ আচৰিত মানিছিলোঁ। তেওঁ নগদ দহটকা ৰূপ দেৱানৰ তিথিত লগাবলৈ পঠিয়াই 'মণিঅৰ্ডৰ কুপন' আৰু বেলেগে দিয়া চিঠিত লেখি পঠিয়াইছিল, "মণিৰাম দেৱান ৰজ্ এ' মেন্ অৱ গ্ৰে'ট পাৰ্চনেলিটি।" আসাম-কোম্পানীৰ জেনাৰেল মেনেজৰ মিঃ চক্ ছাহাবে হলে "একোকে সহায় নকৰোঁ।" বুলি স্পষ্টকৈ লেখি দিছিল।

কলিকতাৰ "আৱাহন" প্ৰেছৰপৰা চালে-চকুৰোৱাকৈ নিমন্ত্ৰণ-পত্ৰ ছপাই আনিছিলোঁ। শিৱসাগৰৰপৰা বেণ্ড্ পাৰ্টি আনি তিনদিনৰ আগৰেপৰা গাৱেঁ-গাৱেঁ ফুৰাই দেৱানৰ তিথিৰ জাননী দিয়া হৈছিল। আজি-কালি চিনেমা-চাৰ্কছৰ প্ৰচাৰ-পদ্ধতি যেনেকুৱা, তেনেকুৱা পদ্ধতি তেতিয়া সঁচত যি নাছিলেই নে মচতো নাছিল।

থুকুবিল সত্ৰৰ অধিকাৰ শ্ৰীযুত ৰত্নেশ্বৰ মহন্তদেৱে দেৱানে গাতলোৱা, অসমীয়া গুণাকটীয়াই কটা গুণাৰে গোটেইখনতে ফুলবছা (কাৰ্চিপী) কপাহী কাপোৰ এখন, ভোটৰ ৰজাই দেৱানক দিয়া এখন অসমীয়া তুলাপাতৰ পুথি দেখুৱাই সকলোকে তৱধ লগায়। ৰাতিলৈ সভামণ্ডপতে, চিপহাসত্ৰৰ (তেলীয়াল গাৱঁত থকা) শ্ৰীযুত্ত শঙ্খধৰ মহন্তই অঙ্কীয়া নাট "ইন্দ্ৰজিত"ৰ ভাৱনা কৰি দেখুৱায়। মিৰি ডেকা-গাভৰুক সিধাপাতি দি সুকীয়া বাহৰত ৰাতি থাকিবলৈ দিয়া হৈছিল।

১৯ ফাগুনত তিথি। ১৮ তাৰিখেই মনোনীত সভাপতি ফুকন ডাঙৰীয়া শিৱসাগৰ পালেহি। ইপিনে, চাৰিওত পালে-পালে জাকে-জুমে চিপাহী পিতাপিতকৈ ফুৰিছে, ৰাইজৰ মন কলৈ-যাওঁ-গোপাল-কলৈ-যাওঁ-কৃপাল; সকলোৱে কোৱাকুই কৰিছে—"কাইলৈ শেনৰ এজাত! কাক ক'ত নিয়ে একো ঠিক নাই। কাইলৈ হে কাইলে।" আমাক নিব বুলি আমাৰ মন উদ্‌গুদায়ে আছিল। তাতে দুজনমানে

আকৌ "সহযোগী" (ক'অপাৰেটৰ) ফুকন-বাঘটোক যেনেতেনে মতে আমাৰ লগতে ফান্দত পেলাৰ পাৰিলেই হয়" বুলি ৰং বহুইছো কৰিছিল।

দুৰ্গানন্দ কাকতীয়ে কৌশল লগাই সজা ভইবাকাৰ ৰভাঘৰৰ তলত পুবৰ মূৰলৈ কাঠপাটৰ চাং (মঞ্চ)। তাৰ ওপৰত মাজতে সভাপতিৰ আসন। মুখৰ খলাত (মাটিত), চাঙৰপৰা পছিমমুৰাকৈ বাওঁ হাতে কংগ্ৰছসেৱক, সভাপতি আসনৰ সোঁহাতে মঞ্চৰ ওপৰত বিশেষ ভাৱে নিমন্ত্ৰিত অভ্যাগত, তলত সভাপতি আসনৰ সোঁ হাতে অৰ্থাৎ উত্তৰ ফালৰৈ মহিলা, সমুখৰ খলাত পছিমলৈ আলহী আৰু দূৰণিবটীয়া দৰ্শক—এই সকলোকে ডাগিয়ে-ডাগিয়ে ৰাহ লগাই বহুউৱা হৈছিল। সভাপতি-আসনৰ আগলৈ পোনেপোনে, মাটিত গঞ্জালি ব্ৰাহ্মণসকলক আসন দিয়া হৈছিল। সেইসকলৰ ভালেখিনি আহিছিল জাঁজীমুখৰ দ-গাৰঁৰপৰা। মণ্ডপৰ চৌপাশে, পুলিছবিভাগৰ উচ্চ কৰ্ম্মচাৰীৰপৰা আৰম্ভ কৰি চিপাহী-চন্তৰিলৈকে সকলো টহল-দি ফুৰিছিল।

দেৱানৰ তিথিলৈ কেউফালৰপৰা ভাগিভুইঁৰি মানুহ জমা হোৱাৰ কাৰণ ভালেমান। যি মণিৰাম দেৱানৰ নাম ললেই চিপাহীয়ে মানুহ ধৰি-ধৰি নিয়ে; যি মণিৰামৰ নাম এষাৰ গালেই গাওঁতাৰ পিঠিত ছৰ্কাৰী কৰ্ম্মচাৰীয়ে এছাৰি ছিঙে; যি মণিৰামৰ গুণ বখানিলে ফাটেক-জৰিমনা - হয় সেই মণিৰামৰ আখ্যান মেলিলে শুনোতা সমন্বিতে সভাপতিক থৰে-থৰে বগাঘৰত নুসুমুৰাবগৈ নে?—এইটোকে চাবলৈ দিখৌমুখ-দিচাংমুখ-বনৰীয়া চাপৰিৰপৰা মিৰিবিলাক ৰৰ হাউচকৈ আহিছিল। কংগ্ৰেছ-বিৰোধীবিলাক আহিছিল, দেৱানৰ তিথিত কিনো ভো-চক্ৰ পাতি দেশ ভোঁহাৰিব খুজিছে, তাক চাবলৈ। দ-গাৰঁৰ বাপুসকল আহিছিল—মণিৰাম দেৱানৰ তিথিত আঁজলি ভৰাই দক্ষিণা দিব বুলি শুনি, দক্ষিণা লবলৈ।

খুলীয়া-গায়ন এজোৰা আৰু বেণুপাৰ্টি এজোৰাই গাই-বাই নিৰ্ব্বাছিত সভাপতি ফুকন ডাঙৰীয়াক শ্ৰীযুত শিৱকান্ত দুৱৰাৰ ঘৰৰপৰা

আগবঢ়াই আনেগৈ। তাৰ পিছত দেৱান ওপজা-ভেটিত সমদলে সভাপতিয়ে পুষ্পাঞ্জলি প্ৰদান কৰে। দুৱৰা পাৰৱপৰা প্ৰায় দুমাইল

মণিৰাম দেৱানৰ তিথি

১৯ ফাগুন, ১৮৫২ চন

চাৰিং

কাৰ্য্যতালিকা

১। ৰাতিপুৱা ৭ বজাৰপৰা ৮ বজালৈকে দেৱান ওপজা ঠাইত দুজ পাতি অঞ্জলি প্ৰদান।

২। ৮ বজাৰপৰা ৯ বজালৈ হৰিধ্বনি আৰু নামকীৰ্ত্তন। দুপৰীয়া ১১ বজাৰপৰা সভা :—সভাপতি বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকন বি-এ।

৩। ৰবগীত—প্ৰফুল্লচন্দ্ৰ বৰুৱা

৪। উদ্দেশ্য ব্যাখ্যা—বেণুধৰ শৰ্ম্মা

৫। সভাপতি বৰণ

৬। মালা বৰণ

৭। মণিৰাম দেৱানৰ গীত—শঙ্খধৰ মহন্ত

৮। সভাপতিৰ অভিভাষণ পাঠ

৯। তৰ্পণ—গোকুল চন্দ্ৰ বৰুৱা (ডাক্তৰ), শ্ৰীযুতা বীৰবালা বৰুৱা, নিৰ্ম্মলা বালা দত্ত

১০। ৰচনা পাঠ—উমাকান্ত দুৱৰা আৰু লক্ষীকান্ত ফুকন

১১। চেতাৰ বুলন—দেৱৰালা চলিহা

১২। নিৰ্দ্দিষ্ট বক্তা—উপেন্দ্ৰনাথ বৰুৱা

১৪। প্ৰস্তাব (১৫) অঙ্গচালনা—বগাধৰ গোহাই, ভুবন চন্দ্ৰ ভূঞা ; সাধু—ফনিনাথ বৰুৱা, হৰবোলা বগাধৰ গোহাঁই সভাপতি-মন্তব্য জাতীয় সঙ্গীত—প্ৰফুল্ল বৰুৱা ; প্ৰদৰ্শনী—সোনোৱালী কাপোৰ, আচকন চোলা সাঁচিপতীয়া পুথি :—ৰত্নেশ্বৰ মহন্ত গধূলি—যোগনাথ ভট্টাচাৰ্য্যৰ সাধুকথা, নিশা দহ বজাৰপৰা শঙ্খধৰ মহন্তৰ ইন্দ্ৰজিৎ ভাৱনা। "ৰাতিৰি", ২৮ ফেব্ৰুৱাৰী, ১৯৩১

নিলগত থকা চলিহাপাৰৰ মুৰত এই লেখকৰ কঠিয়াতলীখন আছিল সভামণ্ডপৰ স্থল। তাইলেকে সভাপতিক আগে-পাচে আগুৰি 'চতুৰঙ্গ' দলে "বন্দেমাতৰম্" ধ্বনিৰে খলক লগাই আদৰি আনিলে।

সভাঘৰলৈ অহা বাটতে, ফুকন ডাঙৰীয়াৰ ককাদেউতাক ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ পুৰোহিতৰ নাতি লক্ষীনাথ কটকীৰ ঘৰ। এই কথা শুনি ফুকনে কটকীৰ ওচৰলৈ গৈ প্ৰণাম কৰি সুধিলে, "দেউ, আমাৰ ঘৰৰ সেই নৃসিংহ মূৰ্ত্তিখন ক'ত আছে?" কটকীদেৱে তেখেতক গোসাঁই ঘৰলৈ লৈ গৈ মূৰ্ত্তিখন দেখুৱালে আৰু ফুকনেও তেখেতৰ সপ্তম পুৰুষীয়া বিগ্ৰহজনাক গলবস্ত্ৰ হৈ সেৱা জনালে। সেৱা কৰি উঠাৰ পিছত, কটকীদেৱে স্বগতঃ মাত লগালে, "নীলমণি বোপাক ছাহাব বুলি কোনে কয়? এওঁ বোলে গুৰু-গোসাঁই একোকে নেমানে। এঃ, সেইবোৰ তেনেই মিছা। এতিয়া বোপাই যি নিষ্ঠাৰে গোসাঁই-সেৱা কৰি গল, ভাল-ভাল পণ্ডিত-ব্ৰাহ্মণেও নকৰে।"

কটকীৰ ঘৰৰপৰা পোনে-পোনেই মণ্ডপৰ সিংহদুৱাৰেদি সোমাই ৰভাৰ ভিতৰত প্ৰৱিষ্ট হলতে, সভাস্থ লোকসকলে একে চাবেই থিয় হৈ আগন্তুক সভাপতিক সম্বৰ্দ্ধনা জনালে। গাত "টুইল" নে "টচৰ" কাপোৰৰ কামিজ এটা পিন্ধি, ডিঙিত গলধনৰ ফালৰপৰা আগলৈ ধেনুভিৰীয়াকৈ মেৰিয়াই লোৱা চেলেং এখনেৰে সুশোভিত হৈ, ফুকন ডাঙৰীয়া, ঠিক ডেকা নহলেও, ডেকা চাঙৰপৰা ওলাই অহা ডেকাটিৰ দৰেই গমহ-গমহ খোজ দি সভাপতি-মঞ্চত উপস্থিত হলগৈ। সভাৰ কাৰ্য্যসূচী অনুসৰি ফুকন ডাঙৰীয়াক সভাপতি-আসনত বহুৱালতে লাগিল সভাৰ মাজত হুলস্থুল।

সভাপতিয়ে মাত মাতিবলৈ গাটো পোনাওঁতই কংগ্ৰেছ-ডাঙিৰ পৰা আহিল ঠেহেৰ কৰে এষাৰ মাত। মাতষাৰে বজ্ৰ মৰাদি মাৰি পঠিয়ালে, "বিলাতী কাপোৰ পিন্ধি সভাপতি হব নোৱাৰে। গাৰ কাপোৰ খহায় যদি খহাওক। নহলে, আমাৰ উঠাহঁত।" এই বুলি কৈয়েই, সেই মাতমতা মানুহজনে নিমাইনাচ দি চিঞৰিবলৈ ধৰিলে,

'দূৰ কৰ ভাই, বেইমান দূৰ কৰ ; বেইমান চৰকো দৰিয়া পাৰ কৰও…' ইত্যাদি। হয় হে, শুভকাৰ্য্যত বিঘিনি নঘটাবলৈ তেওঁক হাতযুৰি কোৱা হল, তপাথি তেওঁ কটাহিকে নকৰিলে। আন কি, ভাৰসাৰ চাটকে নসহিলে—গিৰিস কৰে উঠি যাবলৈকে ওলাল আৰু লগৰীয়া-বিলাককো "ওঁহ" বুলি তুলি ললেই। হৰিনামৰ ওপৰত টিপ্পণিৰা শুনি কোনেও ভাল পোৱা নাছিল। তেহে হবলা, তেতিয়াৰ প্ৰাদেশিক কংগ্ৰেচৰ কমিটিৰ সভাপতি শ্ৰীযুত যাদৱপ্ৰসাদ চলিহাক কথা বিসঙ্গতি হল বুলি বুজাই দিয়াত, তেখেতে সকলোকে বহি থাকিবলৈ কলে। সেই মতেই, সকলো বহি থাকিল, আৰু কোঢ়ালেও শাম কাটিলে।

শ্ৰীযুত নীলমণি ফুকনক তিনি-চাৰি হেজাৰ মানুহৰ মাজত এইদৰে বাহুডাম্ফি বিলাতী কাপোৰ খহাবলৈ কোৱা মানুহজনেই আছিল—জাঁজীৰ তীক্ষ্ণাগ্নি অসহযোগী পুৰুষ শ্ৰীযুত নৰনাথ শৰ্ম্মা সভাপণ্ডিত। ১৯২০-২১ চনত, এখেত পানীদিহিঙৰ মৌজাদাৰ আছিল। আনে সভা-সমিতি পাতি, বক্তৃতা দি, পিকেটিং কৰি স্বদেশী-প্ৰচাৰ কৰিছিল আৰু নিৰ্য্যাতন ভুগিছিল ; শৰ্ম্মা ডাঙৰীয়াই কিন্তু, মৌজাৰ খাজনা তুলি খাজনা-গেৰাজত (ট্ৰেজুৰীত) সেই টকা জমা দিয়াত গাফিলি বা গহৰি কৰি অসহযোগৰ আন্দোলনত লাগনি-খৰি যোগাইছিল। সেই বাবে শিৱসাগৰৰ মহকুমাধিপতি মিষ্টৰ গনিং ছাহাবে নিজে তেখেতৰ ঘৰ লুকুকি বহী আৰু অন্যান্য সকলো কাগজ-পত্ৰ লৈ আহে। তাৰ পিছত, তেখেতক গ্ৰেপ্তাৰ কৰি ৯ বছৰমানলৈকে জুলুকি-জুলুকিকৈ শিকালে। গনিং যদি বাৰে-ৰে আছিল, নৰশৰ্ম্মা আছিল তেৰে-ৰে। শৰ্ম্মাই গনিঙকো লাৱে-লাৱে পানী মুখুৱাকৈ এৰা নাছিল। মহাত্মাৰ লগত দাণ্ডীলৈ গৈ তেখেতে হেনো লোণ-আইন অমান্য কৰিছিল। সেই গান্ধী-লোণ আনি হাটে-বজাৰে মানুহক দেখুৱালত, সকলোৱে তোলাত টকা-টকাকৈ দি কিনি নিছিল। ১৯৩০-৩২ চনলৈকে, এই গৰাকী বাক-চতুৰ পুৰুষেই তাণ্ডৱ মূৰ্ত্তি ধৰি চতুৰ্ম্মুখী বক্তৃতাৰে গোটেই শিৱসাগৰ

মহকুমাটো জাৰি পেলাইছিল আৰু গাওঁ-ভূঁইৰ অন্ধকূপতো সোমাই ৰুটিছৰ কূটনীতিভক্ত গঙ্গাটোপবিলাকৰ গেলাগপটোহঁত ভাঙি চূপচাত কৰিছিল। ছৰ্কাৰ আৰু ছৰ্কাৰী কৰ্ম্মচাৰীৰ প্ৰতি তেওঁৰ মুখখন, মুখ নহয় যেনিবা কাতিমহীয়া কৰা ভীমকলৰ মধুনা-খাৰ হে। সেই কলাখাৰ সদৃশ চোকা অসহযোগীজনৰ মুখৰ খাৰ কাঢ়িব পাৰিছিল (অন্ততঃ সেই দিনা) অকল ৰুটিছ-অনুৰক্ত উচ্চৈশ্ৰৱা হেন পুৰুষ নীলমণি ফুকনে হে।

ফুকনে কাঁহতলীয়া মাতেৰে ঠল্‌ঠল্‌কৈ সকলোকে শুনাই তেজী ভাষাৰে ঘোষিলে, "স্বদেশ-প্ৰেম, গাৰ কাপোৰডোখৰত সোমাই নেথাকে। থকাবুলি ভৰা-জনত পৰ খালতপৰা লোক আৰু নাই। এই মুহূৰ্ত্ততে, মই গাৰ কাপোৰ দলিয়াই পেলাব পাৰোঁ। মোৰ বুকু ফালি চক্, দেখিব, হনুমন্তৰ দৰে মোৰ বুকুতো লেখা আছে, অসমৰ প্ৰতি অচলা ভক্তি—"জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।" জন্ম-ভূমিৰ অৰ্থে প্ৰাণ দিম, সিও ভাল, তথাপি কাপোৰ পিন্ধি দেশভক্ত হোৱাটো কেতিয়াও স্বীকাৰ নকৰোঁ। শুদা গা টোৰেই মণিৰামৰ তিথি পাতি যাম, তত্ৰাচ কাপোৰডোখৰৰপৰা দেশাত্মবোধ নিৰূপণ নকৰোঁ"।

তীহতিহীয়া, স্পষ্টবাদী শৰ্ম্মাই যেতিয়া ফুকনক সেই বিৰাট সভাৰ মাজতে বিলাতী কাপোৰ খহাই সভাপতি হবলৈ কৈ, শিৰশ্ছেদ সমান অপমানসূচক বাক্য প্ৰয়োগ কৰে, তেতিয়া ফুকনে হুৰহুৰীয়া ৰৱষুণ দিয়াদি নৰশৰ্ম্মা আৰু ভাওজোৰা কংগ্ৰেছী আচৰণৰ বিৰুদ্ধে অগ্নিকলাই বাণ ৰৱষিবলৈ ধৰিলে। এনেকুৱাকৈ ৰৱষিলে যে কংগ্ৰেছী-অকংগ্ৰেছী সকলোৱেই ফুকনৰ ভমকত তাপ মাৰিলে। মাৰিলে হে মাৰিলৈ, নৰ শৰ্ম্মা কিন্তু অচল-অটল হৈয়ে থাকিল। কাঠেকাঠে পৰি শৰ্ম্মা-ফুকনে মৰা বজ্ৰ হেন বাক্যমুষ্টিৰ যুদ্ধখন চাই হলে সকলোৱে ৰৱ আনন্দ উপভোগ কৰিছিল। অলপ পাছতে, সভাঘৰ কাঁহপৰি-জীণ গল। সভাৰ কাৰ্য্যও সুকলমে আধ্যা পৰিল।

সভাপতি ডাঙৰীয়াই মূখচ ফুটোৱা শব্দ-ঝঙ্কাৰেৰে যি দুঘণ্টাকাল ধাৰাসাৰে বক্তৃতা দিলে, শুনি, এগৰাকী উচ্চপদস্থ পুলিছৰ বিষয়ায়ো আচৰিত হৈ তেতিয়াই নকৈ নোৱাৰিলে বোলে, "নীলমণি ফুকন ঠিক বাগ্মীবৰ হয় !"

বৃটিছ-আমোলত, স্বাধীনতা লাভৰ অৰ্থে জীৱন-জাহ-নিয়াওঁতা-সকললৈ বাজহুৱা ভাৱে তিথিউৎসৱ পাতি, শ্ৰদ্ধা-তৰ্পণৰ অঞ্জলি অৰ্পণ কৰা, ভাৰতত হয় নে নহয় কব নোৱাৰোঁ। অসমত হলে মণিৰামৰ সোৱঁৰণী-তিথিয়েই সৰ্ব্বপ্ৰথম।

সুৱৰ্ণলতা দুৱৰা, ৰহিলা দুৱৰা, মাখনীলতা ফুকন, পখিলা দুৱৰা, সেউতী দুৱৰা, আইদেও হাজৰীকা, সুখমাই হাজৰীকা, গুণদালতা ফুকননী প্ৰভৃতি জীয়ৰী-বোৱাৰীসকলে লঘোনে-ভোকে থাকি চাহ-পানী-জলপান তৈয়াৰ কৰি আলহী-অতিথিৰ আলপৈচান ধৰি, উৎসৱটি নিয়াৰিকৈ সমাধা কৰাত অশেষ সহায় কৰিছিল। এওঁবিলাকেই ওচৰচুবুৰীয়া গাৱঁৰ ঘৰে-ঘৰে গৈ, ভাতৰ চাউল, কোমল-চাউল আৰু পাই-পইচা খুজি আনিছিল ; মানুহে খাই-যোৱা কাঁহীবাটি ধুইছিল আৰু কলহে কলহে ভড়ালীবৰুৱা পুখুৰীৰ পানী তুলি, কাষতকৈ লা-নি পাত্তি আনি, পানীকলহবোৰ গোটাই থৈছিল। (কিয়নো, মাঙ্গলিক কাৰ্য্যত ভৰাপানীৰ কলহ অশুভনাশক)। আজিকালি যান্ত্ৰিক যুগত এইদৰে পানী কঢ়িওৱা সেৱকিনী জানো ক'ৰবাত ওলাব ? ছোৱালী কিজনীয়েই ভোগ-তামোল, থুৰিয়া-তামোল, খৰিকা-তামোল, বাৰমছলা দিয়া খিলি-তামোল পিতলৰ ডাব-কটাৰীৰেই কাটিছিল আৰু সেইবিলাক পাণবটাত ভাগ-ভাগ কৰি সজাই, মানুহ-চাই খাবলৈ দিছিল। আদহীয়া আইসকলেসৈতে এই কিগৰাকী লাৱণী কুমাৰীয়েই ১৯৩০-৩২ চনত চাৰিং-কংগ্ৰেছখন সুৱাগী আৰু ফুলামকৈ থৈছিল। সুৱৰ্ণ-ৰহিলা-পখিলা আজি এই সংসাৰত নাই। নহলেও, চাৰিংকংগ্ৰেছৰ বুৰঞ্জীত —মণিৰাম দেৱানৰ তিথি-অধ্যায়ত তেওঁবিলাকৰ নাম সুৱাগৰ সঁফুৰা বুলি ভোটোকা-ভোটোক আখৰেৰে (ব'ল্ড্ টাইপত) লিখা থাকিব।

১৯৩০ চনত, বৃটিছে আমাৰ ৰাজনৈতিক আশা-আকাঙ্ক্ষা ডলিবলৈ যিখন দমন-জাঁত আমাৰ ওপৰত পেলাই আমাক পিছি পেলাইছিল, সেইখনলৈ কেৰেপ নকৰি শ্ৰীযুত নীলমণি ফুকনে পোতখাই থকা মণিৰাম দেৱানৰ স্মৃতিটো উদঙাই দি ৰাইজৰ অৰ্চ্চনীয় কৰি পেলালে। নকৰা হলে, আজিকোপতি একো আলৈ-আহুকাল নোহোৱাকৈ দেৱানৰ সুমৰণ চলি থাকিব আৰু নোৱাৰিলেহেতেন। ফুকনৰ পিছতে বছৰি-বছৰি হোৱা মণিৰাম-পিয়ালীৰ তিথি-উৎসৱত ভালেমান মুখ্য-মুখ্য লোকে সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। সেইসকলৰ ভিতৰত এই কেইজনৰ নামেই মনত পৰিছে—২য় অধিবেশনৰ সভাপতি শ্ৰীযুত অমিয়কুমাৰ দাস, তাৰ পিছত ক্ৰমান্বয়ে হোৱা—গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীযুত পীতাম্বৰ দেৱগোস্বামী, পুৰুষসিংহ চন্দ্ৰ-কমল্ল বেজবৰুৱা, শ্ৰীযুত মহাদেৱ শৰ্ম্মা, নৰনাথ শৰ্ম্মা, ঘনকান্ত গগৈ, শ্ৰীযুত ইন্দ্ৰেশ্বৰ চুতীয়া, মৌঃ ফখৰুদ্দিন আলি আহমদ, আৰু শ্ৰীযুত লোকনাথ ফুকন।

মহিলা-সভাত যিবিলাক পাট-গাভৰু আৰু গাভৰু ছোৱালীয়ে হাতেপতি টাকুৰী একোটা লৈ সূতা কাটিছিল, সেইবিলাক সভালৈ অহাত কোনো দিনা খতি নহৈছিল, ৰচনা-কবিতা লেখি সভাত পঢ়ি শুনাইছিল আৰু জাতীয় পতাকা তোলা-নমোৱাত ধ্বজ-সঙ্গীত গাইছিল; সেই বিলাকৰ ভিতৰত 'শকুন্তলা' ৰূপী সেৰকিনী আছিল সুৱৰ্ণলতা দুৱৰা। এওঁৰ অমায়িক মুখৰ আৰ্য্যা, মৰম-লগা আচৰণ, সৰল পিন্ধন-উৰণ, লোকৰ ৰোষবুজা স্বভাৱ আৰু শুৱলা মাতকথাই সবাকে মুহি থৈছিল! কোন ভলণ্টিয়াৰ কি কামৰ উপযুক্ত, কোন দিনা কি বিষয়ে সভা পাতিব লাগিব, কাৰ-কাৰ গাত কি-কি ভাৰ দিয়া উচিত—ইত্যাদি নিচেই সৰুসুৰা, অথচ, নহলে নচলা কথাবোৰৰ শিঙীমূৰী জোৰা দিব জানিছিল সুৱৰ্ণলতা দুৱৰাই।

এদিন জাৰকালি জুহালৰ ওচৰত থুপথুপকৈ আমি কেবাজনো বহি সাধুকথা কৈছিলোঁহঁক। মোৰ পালত পৰা সাধুটোৰ নাম

আছিল "বাঁহীমাতৰ গছ"। সেই সাধুটো আগদিনা জুহালৰ কাষত যেনেকৈ কৈছিলোঁ, সুৱৰ্ণই প্ৰায় ঠিক তেনেকৈয়ে লেখি পাছদিনা মোৰ হাতত দি দেখুৱালে। পঢ়ি চাই, কি ভাবিলোঁ, একপ্ৰকাৰ কবৰ সাধ্য নাই। ইয়াকে কলেই যথেষ্ট হব যে, সেই সাধুটোকে হুবহু মোৰ "ৰাংপতা" পুথিখনত লিপিত খুৱাই সুমাই থৈ মোৰ ভাবনাৰ এক কণিকামান মাত্ৰ প্ৰকাশ কৰিব পাৰিলোঁ।

সুৱৰ্ণলতাই হাতেৰে সূতা কাটি-কাটিয়েই চিদানন্দ হাজৰীকা, সূৰ্য্যকান্ত ফুকন, পুলিনচন্দ্ৰ দুৱৰা, বলোৰাম চলিহা আৰু এই সোৱঁৰণ-লেখকৰ কোনোক চেলেং (চাদৰ), কোনোক মুকৃচা (ৰুমাল), কোনোক "চোৱেটাৰ" আৰু কোনোক গামোচা একোখন উপহাৰ দিছিল। তেওঁ নিজেও পিন্ধা কাপোৰ—ৰিহা-মেখেলা আৰু "ৱডিচ্" (চোলা) টো নিজেকটা সূতাৰেই বৈ লৈছিল। নিশা দুপৰলৈকে শুনিব, সুৱৰ্ণই আইদেউহঁতেৰেসৈতে গুণ-গুণ গীত গাই সূতা কাটিব লাগিছে, ৰাতিপুৱালে খাবলৈ ঘিলাপিঠা ভাজিছে আৰু ৰাতিপুৱাই শুই উঠিয়েই গাটো ধুয়েই জুইত বহুৰাৰ পৰাকৈ "ডেগটোত" পানী ভৰাই থৈছে। ঘৰত দিনৌ ১০।১২ জন আলহী আছেই। আলহীক ভাত-পানী খুৱাই, তামোল-ছালি দি, শুবলৈ ঢাৰিপাটী পাৰি দি হে সুৱৰ্ণহঁত সূতাকটাত লাগেগৈ। তেতিয়া "আৱাহন" কাকতৰ প্ৰতীক বা টোকমাটো আছিল গাভৰু ছোৱালী এজনীয়ে সেৱা কৰি থকা যঁতৰ এটা। সেইদৰেই সুবৰ্ণয়ো ঘৰে-ঘৰোৱাহ শুই নিঃপালি দিলে মহুৰা ফুৰায় আৰু ফুৰোৱা হলেই, যঁতৰটো সেৱা কৰি সূতাকটা কাম সামৰি থয়। আমাৰ লগত ফুৰা বগাধৰ 'হৰবোলা'ৰ সমৰ্থন লৈ, যঁতৰসেৱা দৃশ্যটোকে লক্ষ্য কৰি, "মৰমৰ কাৰেং" শিতান দি, এটি চুটি গল্প লেখিবলৈ উদগনি পাইছিলোঁ।

চাৰিং-কংগ্ৰেছৰ পয়োভৰ বঢ়োৱাত সুৱৰ্ণলতা দুৱৰাৰ এহাস্তধীয়া আন্তৰিকতাই যিমানখিনি সহায় কৰিলে তাক "ৰাতিটোতে কংগ্ৰেছী

হাতীটো" হোৱা-দিনত লেখি বুজাবলৈ গলে, ধুমকলাৰ আগত টোকাৰী বাই শুনোৱাৰ নিচিনা হে হবগৈ।

সুৱৰ্ণলতাৰ "সুণীয়া সঁফুৰা"-অন্তৰত সৰস্বতী-চণ্ডিকাৰ পূৰ্ণ শক্তি সমানে থিত দিছিল। কিন্তু ফুলিবলৈ নেপালে। ঢোপাকলিতে তেওঁক নিঠুৰ কালে, মৰমতে মাৰি লৈ গুচি গল—আমি আৰু ধৰি ৰাখিব নোৱাৰিলোঁ। তথাপি,

"মৰি গৈ সোণ সৌ তৰা এটি
হ'ল হে, তৰা এটি হ'ল,
চাৰিওত কবলৈকে কথা এটি
ৰ'ল হে কথা এটি ৰ'ল।"

বুলি মন তাপৰি থাকিলোঁহঁক।

[১৭]

চাৰিং-শলগুৰি ৰায়ত-সভা

সাপৰ যেনেকৈ বৰ-সৰু নাই, এটাইবোৰৰে বিষ আছে, অসন্তোষবো তেনেকৈ সৰহ-তাকৰ নাই—এটাইবোৰেই কেতিয়াবা খাণ্ডৱ বন দাহ কৰিব পাৰে। ছৰ্কাৰৰ কিছুমান কাম ৰায়তৰ মনঃপুত হোৱা নাছিল আৰু সেইবোৰৰ প্ৰতিকাৰ কৰিবলৈও ৰায়ত দুৰ্ব্বল। গতিকে, বু-বু-বা-বাকৈয়ে মনৰ অসন্তোষ মনতে মাৰ নিয়ায়। ঘপ্ কৰে, খেতিয়কৰ মন প্ৰত্যক্ষ বিপ্লৱৰ ফালে ঢাল খুউৰাও টান। অৱশ্যে, জাকৰুৱা নাও ৰামেও চলে। সেইগুণে, খেতিয়কৰ উমৈহতীয়া বিক্ষোভত বা-দিব পাৰিলেই জাকৰুৱা জাগৰণৰ স্থায়ী অগ্নি-পৰ্ব্বত এটা অনায়াসে নিৰ্ম্মাণ কৰিব পাৰি। দেৱানৰ তিথি পাতি সাধাৰণ ভাৱে বুজোৱা হল যে দেশোদ্ধাৰকৰ পুৰস্কাৰ মৃত্যুদণ্ড; সেই পুৰস্কাৰ পাবলৈ হলে প্ৰাণৰ মমতা এৰিবই লাগিব। খেতিয়ককো এতিয়া বুজাব লগীয়া হল, সংহতি নহলে জগতত একো কামেই নিসিজে। আমাৰ দেশত ধানটোৱেপতি কণটো যেনেকৈ, মানুহটোৱেপতি মনটো তেনেকৈ। এনে স্থলত, অসন্তোষীয়া স্বাৰ্থটো উমৈহতীয়া নহলে, বাৰবেৰেজীয়া মানুহ কেতিয়াও এক গোট নহয়। সেইবাবে, কামোৰ মাৰিব পৰা তেনেকুৱা ছেগ এটালৈ খাপ দি থাকিব লগা হল। এনেতে জলিল একুৰা জুই বেলিমুখীয়া গ্ৰেজিঙত। সেই জুইতে ঘিঁউ ঢালি, মোৰ অভিপ্ৰেত ছেগটো খামোচ-মাৰি ধৰিলোঁ। বেলিমুখীয়া গ্ৰেজিঙৰ ঘটনাই অন্ততঃ ওচৰচুবুৰীয়া সকলোকে ৰাজহুৱা স্বাৰ্থত মুঠ বান্ধিবলৈ শিকালে। শিকালে, "ৰাজহুৱা বিপদে সকলোকে সমাৰি পেলায়।"

বেলিমুখীয়া গ্ৰেজিং

ম'ৰাবজাৰ আৰু শলগুৰি মৌজাৰ সীমাতে বেলিমুখীয়া গ্ৰেজিং। সেই গ্ৰেজিং বা চৰণীয়া পথাৰত দুয়োটা মৌজাৰ ২৯।৩০ খন গাঁৱঁৰ

গৰু-ম'হ চৰে আৰু তাত ওৱাক্‌চোং বুলি যিখন হাবি আছে, তাৰপৰা মানুহে খৰি-কাঠ আনে। হাবিখন বৰ ডাঙৰ হাবি। তাত ওৱাক্‌ চৰায়ে বাহ লৈছিল দেখি ওৱাক্‌-চোং বোলে। কোনো-কোনোৱে কয়, তাত হেনো তাহানিতে ওৱাক নামে কচাৰী এটাই চোং পাতি আছিল। ৰজাদিনত, তাত জগৰীয়া মানুহ মেলি শাস্তি দিয়া হৈছিল। ১৯৩৩ চনত, দিবুকৰাল, নামতিয়াল, মৃদঙ্গীয়া, জাঁপিসজীয়া, জৰাবৰীয়া আৰু বেলিমুখীয়াৰ কিছুমান মানুহে ছৰ্কাৰৰ হুকুম নোলোৱাকৈ সেই গ্ৰেজিং বেদখল কৰে আৰু তাত ঘৰ সাজি গৰু-ম'হ বান্ধি নিগাজীকৈ থাকিবলৈ লয়।

এদিন, টেপৰ-তেলীয়াল-খামোন-চাংমাই-মাউত গাৰঁৰ বাইজ গোট খাই বেদখলকাৰী মানুহৰ ঘৰ দুটামান ভাঙি পেলায় আৰু দুটামানত জুই লগাই দিয়ে। বেদখলকাৰীহঁতে জুই লগোৱা মানুহকিটাৰ বিকদ্ধে, নাও ধৰি আমগুৰি থানাত এজাহাৰ দিলেগৈ। পুলিছ আহি তদন্ত কৰাৰ ফলত ৫৫ জন মানুহক গ্ৰেপ্তাৰ কৰিবলৈ হল। ইমানবোৰ মানুহ একেলগে গ্ৰেপ্তাৰ কৰিলে গণ্ডগোলৰ সৃষ্টি হব পাৰে—এনে আশঙ্কা কৰি পিছদিনা প্ৰত্যেকজনেই গাই পতি ৫ টকাকৈ ৰূপ লৈ, 'থানালৈ যাবাঁহঁক' বুলি পুলিছে অভিযুক্তবিলাকক কৈ গল।

সেই ৰাতিয়েই তাৰে দুজনমান আহিল 'কি কৰা উচিত' বুলি মোৰ দিহা-পৰামর্শ লবলৈ। তালুৰপৰা তলুৱালৈকে ঘটনাটো গমিপিটিকি চাই বুধি দিলোঁ, "তোমালোক কোনো নেযাবাহঁক। পুলিছে কি কৰে কৰকচোন বাৰু।"

পাছে, পিছ দিনা, ৰাতিপুৱাই মই শিৰসাগৰলৈ গৈ, মোৰ হাতত থকা পুৰণি কেডেষ্ট্ৰেল মেপ এখন দেখুৱাই মহকুমাধিপতিক জনালোঁ, "বেলিমুখীয়া গ্ৰেজিংটো ১৮৬০ চনৰপৰাই ছৰ্কাৰী হৈ আছে, আৰু তাক হামচৈয়া মানুহে এতিয়াও 'মহাৰাণীৰ গ্ৰেজিং' বুলি কয়।" লগতে, নতুন মেপ মিলাই চাবলৈও অনুৰোধ কৰিলোঁ। মহকুমাধিপতিক জনোৱাৰ পিছতেই অসম-উপত্যকাৰ কমিছনৰ ছাহাবলৈও টেলিগ্ৰাম

দিলোঁ। পুলিছৰ ৰিপৰ্ট আৰু মোৰ আবেদন মিলাই চাই মহকুমাধিপতি চৰজমিন্-তদন্ত কৰিবলৈ আহিল। তেওঁ আমাৰ কথা সঁচা পালে। পুলিছৰ ৰিপৰ্ট তাতে ভসম উঠিল। ৰাইজৰ পয়মালৰ ঢৌ নিলগতে মাৰ গল। কামটো নিচেই ক্ষুদ্রাতিক্ষুদ্র, তথাপি, ৰাইজে তাকে অসাধ্য সাধন বুলি ভাবিলে।

ঘৰপোৰা হেন জগৰৱপৰা ৰক্ষা যে পোৱা হলেই নে, গ্রেজিং-বেদখলকাৰী মানুহ কেইঘৰকো উচ্ছেদ কৰা হল। ঘৰত জুই-লগোৱা অপৰাধতকৈ ডাঙৰ অপৰাধ নাই। এনে অপৰাধত লিপ্ত থকাৰ প্রমাণ পোৱা হলে, পুলিছে জয়পতাল মকর্দ্দমা এটা তৰি ৰাইজখনক কিমান নো কাছাৰীলৈ নোচোঁচৰালেহেতেন আৰু ৰাইজৰেই বা কিমান লটিঘটি নহলহেতেন, তাৰে কি সীমা আছে? হেজাৰ টকা ভৰিব লগীয়া মকর্দ্দমা এটা যে তিনটকীয়া টেলিগ্রাম এটাতেই নিষ্পত্তি হল, তাৰ ববেই ৰাইজ আনন্দত উল্লাসিত হবলৈ ধৰিলে আৰু অমিল হৈ থকা, ৩৩ খন গাওঁ মিলিজুলি আনন্দৰ চিন স্বৰূপে কিবা-এটা কৰিবলৈ ঠিক কৰিলে। তাৰ ফলতে, ৰায়ত-সভা এখন পতা হল। চাৰিং-কাকতী গাৱঁৰ ফালে কংগ্রেছৰ নামত যিবোৰ সভাসমিতি হৈছিল তাত এই কেইখন গাৱঁৰ আঙ্গুলীমূৰত লেখিব পৰা কিজনে হে যোগ দিছিল। তলৰমাটি-ওপৰ-কৰা উৎসাহ লৈ ছেদভেদ নোহোৱা ধুমধুপালেৰে ৰৌমাৰী বিলৰ মাজতে মুকলি পথাৰত সভাখন পাতিবলৈ আয়োজন কৰা হল। নির্ব্বাছনত কংগ্রেছে-সৈতে প্রতিদ্বন্দিতা কৰি পৰাজিত হৈ-থকা নির্ভীক কংগ্রেছ-সেৱী লক্ষ্মীকান্ত বৰুৱা (মাথন উকীল) ৰি-এলকে সকলোৱে সভাপতি মনোনীত কৰিলে। সভাৰ দিনা বানৰ মুখত-থকা চন্দা মাছৰ দৰে ইমান হেঁচা-টেপা হৈছিল যে তেলীয়াল-ম'হছাল-গড়কাষৰীয়া আৰু কৈৰর্ত্ত গাৱঁৰ মাজেদি কাঁড়-এটা সৰকি যাবলৈও সন্ধি নোহোৱা হৈছিল। সভা দুদিনীয়া। দুয়ো দিনা সাতোটাকৈ ভাষনা কৰা হৈছিল। দুয়ো ৰাতি ভাওচোৱা মানুহৰ কিৰীলি, ভাৱৰীয়াৰ বচন আৰু গায়ন-বায়নৰ গিৰগিৰণিত ৰৌমাৰী

বিলৰ চৌপাশে থকা মানুহে টিপ এটাও মাৰিব পৰা নাছিল। কেউটা ভাৱনাৰ ভিতৰত জৰাবাৰীসত্ৰৰ "বাৰণ বধ" ভাৱনাটোৱেই এটাইতকৈ ভাল হৈছিল। হেজাৰ-বিজাৰ মানুহক চাহপানী দি, দৈগাখীৰ-কোমল চাউলৰ জলপান খুৱাই আৰু তামোলছালি দি সোধপোচ কৰিছিল অভ্যৰ্থনা সমিতিৰ হৈ ভোগদল শইকীয়া, শ্ৰীযুত শঙ্খধৰ মহন্ত, শ্ৰীযুত চিংৰাম শইকীয়া, শ্ৰীযুত ৰামনাথ শইকীয়া; শ্ৰীযুত কমল চন্দ্ৰ শইকীয়া, সুৰথ চন্দ্ৰ গাওঁবুঢ়া, শ্ৰীযুত মোহন চন্দ্ৰ বৰুৱা আদি কৰি অসংখ্য কেঁচামৌ-হেন উদ্যোগী ডেকাহঁতে।

একেলগে সাতোটা ভাৱনা কৰিব পৰা বিৰাট ৰভা-ঘৰটো সাজিবলৈ ইজন-সিজনৰ ভিতৰত তুমুল প্ৰতিযোগিতা চলিছিল। কোনে সোনকালে সৰহকৈ বিৰিণাখেৰৰ ভাৰ পেলাবহি পাৰে, কোনে আটাইতকৈ আগেয়ে জাতিবাঁহ-ভলুকাবাঁহৰ খুটাবোৰ কাটি অন্ত কৰিব পাৰে, কোনে আগেয়ে কাঠীকামী, বেতসুত-টঙাল চাঁচি উলিয়াব পাৰে, তাৰ হে অৰিয়াঅৰি লাগিছিল। ডেকাবুঢ়া, অইন কি, জীয়াৰীবিলাকেও কাৰো কামত কোনেও বাগিধৰা নাছিল। উৎসাহৰ অৰিয়াঅৰি কৰিবলৈ এটাইবোৰেই যেন ঘৰৰপৰা টঙালি বান্ধিয়েই ওলাই আহিছিল। "আটাই আঙুলীয়ে খায়, বুঢ়াই হেঁচুকিলে হে যায়"— এইদেখি, এইসকল বুঢ়ামেথাই ৰভাৰ খলাত থিয় হৈ "ই-সি কৰ" বুলি দিহা-বুদ্ধি দি আছিল:—চাংমাই গাৱঁৰ বাপুৰাম গগৈ সভাপতি, লক্ষেশ্বৰ গাওঁবুঢ়া, সোণেশ্বৰ গগৈ; তেলীয়ালৰ ৰহাই নাথ মেধি, গুপীৰাম নাথ, সোপোকা নাথ; চেতীয়াৰ যোগেশ্বৰ ফুকন, বাপীৰাম ফুকন; গজপুৰীয়া-কাকতী গাৱঁৰ যোগানন্দ বৰকাকতী, লুকীৰাম কাকতী; চাংমাই চেতীয়াৰ ভুৱা চেতীয়া; ম'হছালৰ যোগেশ্বৰ লেখাক; বেলিমুখীয়াৰ লমোদৰ শইকীয়া, শুভাই নাথ মুক্তিয়াৰ; নামতীমুখৰ গুণাৰাম বৰুৱা ফৰেষ্টৰ; গুণাকটীয়াৰ ফটৌ কলিতা, চিমলাই মেধি (বেথাৰাম ৰৰমেধি); টেপৰ গাৱঁৰ যোগাই শইকীয়া মুক্তিয়াৰ, মোহনচন্দ্ৰ বৰুৱা, দামোদৰ গগৈ, কাশীনাথ কাকতী, ডম্বৰু ৰৰা, পোহৰ

হাজৰীকা আৰু গোহাঁই-গাৱঁৰ ঘনকান্ত ফুকন প্ৰভৃতি শ্ৰীযুতসকল। এইসকলৰ উপৰিও নামতীকাকতী গাওঁ, কুকুৰাচোৱা, ভৰলুৱা, শেনচোৱা, লেবাক, পুৰণিমেলীয়া, জেহেঙ্গীয়া, মানতনীয়া, জৰাবৰীয়া গাৱঁৰ ৰাইজৰো উৎসাহ-উদ্দীপনা বিলক্ষণ দেখা গৈছিল। নগৰৰপৰা শিক্ষিত মানুহ আহি দেখুৱাই দিয়াত হে তেতিয়ালৈকে আওভাও নোপোৱা গাৱঁলীয়া ৰাইজে সভাসমিতি পাতিব পাৰিছিল। কিন্তু, এই গাৱঁলীয়া উদ্যোক্তাসকলে দেখুৱাই দিলে যে নগৰীয়াৰ সহায় নহলেও, ৰৌমাৰী-বিলৰ ৰায়ত সভাৰ নিচিনা একোখন সাগৰসঙ্কাশ ৰভা সাজিব পাৰে আৰু হাতীপটিৰ তৰা-যেন সমবেত প্ৰজাক সুশৃঙ্খলভাৱে দেশৰ অভাৱ-অভিযোগ, ক্ষোভ-অসন্তোষৰ কথা আলোচনা কৰিবলৈ দিহা দিব পাৰে।

মূকলি সভাৰ তৰ্ক বিতৰ্কত মাহীগাৱঁৰ ডেকা কৰ্ম্মী কমলাকান্ত বৰুৱা, নামতীমুখৰ গুণাৰাম বৰুৱা ফৰেষ্টৰ, নামতী কাকতী গাৱঁৰ মাণিকলাল বৰুৱা, জৰাবাৰী সত্ৰাধিকাৰ আৰু চাংমাই চেতিয়াৰ ভুৱা চেতীয়া আদি শ্ৰীযুতসকলে জোক লগাদি লাগি বৰ আগ্ৰহেৰে যোগ দিছিল। নিয়মাৱলী এখন ৰচনা কৰি সভাখনৰ স্থায়ী নাম দিয়া হল "চাৰিং-শলগুৰি ৰায়ত-সভা"। শ্ৰীযুত কমলচন্দ্ৰ শইকীয়া আৰু শ্ৰীযুত ধীৰেন্দ্ৰলাল বৰুৱা হল সম্পাদক; আগৰ অস্থায়ী সভাপতি শ্ৰীযুত বাপুৰাম গগৈয়েই পুনৰ স্থায়ী সভাপতি হৈ থাকিল।

গ্ৰেজিংটো ৰাইজলৈ মুকলি কৰি দি তাত কোনো মানুহ বহিব নোৱাৰাকৈ মানাহি দিয়াত আৰু উচ্ছেদকাৰীৰ ওপৰত ছৰ্কাৰে একো হস্তক্ষেপ নকৰাত,—ছৰ্কাৰৰ শলাগ লোৱা হল।

তাতে আৰু দুটা প্ৰস্তাৱ সৰ্ব্বসম্মতিক্ৰমে গৃহীত হৈছিল। প্ৰথমটো আছিল—নগাআলিৰপৰা তেলীয়াল গাৱঁৰ মাজেদি ছিগ-ভাগিথকা তীখা-আলিটো পুৰে খেমদৈ-পুখুৰী আৰু দীকছৌ-হাটৰ ওচৰত ধোদৰ আলিত লগাই ৰাইজে ন-কৈ বান্ধিবলৈ লোৱা। দ্বিতীয়টো আছিল—চাৰিওত এটি আস্পতাল স্থাপন কৰা। ৰাইজৰ মাৰবন্ধা

উদ্যোগত অলপ দিনৰ ভিতৰতে খেমদৈ বা খেমদৌ পুখুৰীলৈকে আলি হৈ গল।

ৰায়ত সভাখনৰ দুটা বছেৰেকীয়া অধিবেশন বৰ জাকজমকেৰে পতা হৈছিল। ৰৌমাৰী বিলত বহাখনৰ পিছতে, খেমদৌ পুখুৰী-পাৰত যিখন সভা হৈছিল তাত যোৰহাটৰ শ্ৰীযুত মোহনচন্দ্ৰ মহন্ত বি-এল দেৱে সভাপতিৰ আসন শুৱাইছিল। সেই সভাতে ৰায়ত সভাৰ নিয়মাৱলীখন সদৌ অসম-ৰায়তসভাৰ নিয়মাৱলীৰ লগত খাপ খোৱাকৈ শুধৰাই লোৱা হয়। সভাই আন কৰক-নকৰক, ৰায়তক হলে পৰিশ্ৰমৰ মোল-মৰ্য্যদা বুজা কৰিলে। লোকেল বৰ্ডৰ সহায় নোলোৱাকৈয়ে ৰাইজে ম'হছাল গাৱঁৰপৰা খেমদৌ পুখুৰীলৈকে আলিটো নিজে-নিজে বান্ধি উলিয়ালে। দীকছৌ হাবিৰপৰা নামতী কাকতী গাৱঁলৈ, ধোদৰ আলিৰপৰা মাউত গাৱঁলৈ, নগা-আলিৰপৰা সন্দিকৈ গাৱঁলৈ একোটা-একোটা আলি এই সভাৰ উদগনিতেই বন্ধোৱা হল। তদুপৰি, তেতিয়ালৈকে ম'ৰাবজাৰত কেৱল চাৰিং পঞ্চায়ত নামে পঞ্চায়ত এখন হে আছিল ; এই সভাৰ পিছতেই ৫ খন গাৱঁলীয়া পঞ্চায়ত ছৰ্কাৰীভাৱে স্থাপিত হল। চাৰিং-শলগুৰি ৰায়ত-সভাৰ অনুপ্ৰেৰণাই বহুত ডেকালৰাৰ অন্তৰত স্বাৱলম্বনৰ গুটি পচাই দিলে। তাৰে এটি মৌসৰা ডেকা শ্ৰীদেবেন্দ্ৰ চন্দ্ৰ নাথ এতিয়াও ৰাজহুৱা কামতে লাগি আছে।

[১৮]

মহাত্মাৰ সম্বৰ্দ্ধনা

"অস্পৃশ্যতা-নিবাৰণৰ" আন্দোলনটো ঢৌৱাই দিবলৈ ১৯৩৪ চনৰ ১৮ এপ্ৰিলৰ দিনা মহাত্মা গান্ধীৰ শিৱসাগৰলৈ শুভাগমন হয়। শিৱসাগৰলৈ অহাৰ আগেয়ে, তেখেতে যোৰহাটতে দুদিনমান জিৰণি লৈছিল। তাতে থাকি, ওপৰ-অসম ভ্ৰমণৰ তালিকাখন যুগুত কৰে। চাৰিওতো অনুষ্ঠুপীয়াকৈ ধনৰ টোপোলা এটি আগ বঢ়াই তেখেতক মান ধৰিবলৈ আমিও মানসা কৰিলোঁ। কিন্তু, বাটত কণাবিধিয়ে পথালি দি ধৰিলে। গান্ধীজীক চাৰিওত ৰখোৱা অনুমতিটো পাবলৈকে শিৱসাগৰ, যোৰহাট দুয়ো ঠাইৰে কংগ্ৰেছ অফিছৰ ৰৰমূৰীয়াসকলক ভাৰসা কৰিব লগীয়া হল। সিসকলৰ এজনেও, মাজবাটতে মহাত্মাক অভিনন্দিত কৰিবলৈ একোপধ্যেই এৰি দিব নোখোজে। চাৰিং, শিৱসাগৰ জিলাকংগ্ৰেছৰ অন্তৰ্গত। জিলাকংগ্ৰেছৰ কটকটীয়া নিয়ম নিৰহ-নিপানীকৈ পালন কৰোঁতা শ্ৰীযুত বিষ্ণুপ্ৰসাদ চলিহাই যে নিয়ম উলঙ্ঘা কৰাৰ নামত জুইতো খেৰ এডাল নিদিছিল। শুনামতে, শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই ভ্ৰমণ-তালিকাখন ৰচনা কৰিছিল। অসম-অস্পৃশ্যতা-বৰ্জ্জন সঙ্ঘ বা সমিতিৰ চেক্ৰেটৰী শ্ৰীযুত দেবেন্দ্ৰনাথ শৰ্ম্মাই আগপাছ ধৰি মহাত্মাৰ প্ৰাইভেট চেক্ৰেটৰীক (পিয়াৰীলাল ঠক্কৰ হব পায়) লগ ধৰাই দিয়াত দুই মিনিটৰ নিমিত্তে চাৰিওত পদাৰ্পণ কৰিবলৈ মহাত্মা সম্মত হল। চাৰিওৰ আগত, জাঁজী আদি কংগ্ৰেছী ঠাইত গান্ধীক নৰখোৱাত, সেই সময়ৰ 'বাতৰি'ত স্থানীয় লোকে চলিহা ডাঙৰীয়াৰ বিচাৰ-বুদ্ধিৰ তীব্ৰ সমালোচনা কৰিছিল। জাঁজীৰ জনে লেখিছিল, "জাঁজীত মহাত্মাজী তো নৰলেই, চলিহা ডাঙৰীয়াইও "শকুনি হাঁহি" মাৰি হে আমাৰ ফাললৈ চাই গল।" সকলোকে সন্তোষ দিবলৈ গলে, গাধ-বুঢ়া আৰু পুতেকৰ সাধুটো পুনৰাভিনয় হব

বুলিয়েই হবলা, শ্রীযুত চলিহা ডাঙৰীয়াই মহাত্মাজীক পোনে-পোনেই চাৰিঙলৈ লৈআহিল। প্রকৃত পক্ষে, চলিহাৰ নির্দ্দেশমতে মহাত্মাৰ ভ্রমণ-তালিকাখন সালসলনি কৰা হোৱা নাছিল। সময় ৰাখি শ্রীযুত দেবেন্দ্রনাথ শর্ম্মাই হে তালিকা প্রস্তুত কৰি দিছিল। মহাত্মা যোৱাৰ পাছত হে এই কথা প্রকাশ পায়। টীয়কত মহাত্মাক সপৰিয়ালে দর্শন কৰিবলৈ আহি, দর্শন নেপাই, সেই বেজাৰতে হেমচন্দ্র বৰুৱাই 'অচ্যুত-ভৱনত' ইহলীলাকে সম্বৰণ কৰিলে।

চাৰিঙত ৰওঁতে

মহাত্মাই চাৰিঙত ধূলা পেলাব বুলি খবৰটো ওলোৱা মাত্রকে, আমগুৰি-দেওপানী চাহ-বাগিছালৈকে থকা গাওঁবিলাকত মহাত্মাক চাবলৈ উখল-মাখল লাগিল। আমি, ঘৰমূৰি দুপইচা-চাৰিপইচাকৈ তুলি চাৰিং-কংগ্রেছৰ নামত মহাত্মাৰ হাতত দিবলৈ ১০১ টকা ৰূপ সংগ্রহ কৰিলোঁ। মহাত্মাৰ শুভাগমনত আমাৰ মন উলাহতে থৌকিবাথৌ লাগিল। তেওঁক নো কোন ঠাইত আদৰ-অভ্যর্থনা জনোৱা হব, তাকে লৈয়ে বহুত কথন-মথন হল। অন্তত, মাছখোৱা-গড়ৰ দাঁতিত, নেওগ-গোহাঁই পুখুৰী-পাৰতে সম্বর্দ্ধনা জনাবলৈ সৰু মণ্ডপ এটি সজাবলৈ ঠিক কৰা হল। কিন্তু, সেই সময়ত, সেই পুখুৰী-ওচৰত টেপুৰাম গগৈ, কৃষ্ণকান্ত গগৈ, বিষ্ণুৰাম হাজৰীকা, থিৰমন শইকীয়া, মিঠাৰাম শইকীয়া আদি শ্রীযুতসকল আৰু কৃষ্ণকান্ত গগৈৰ পত্নী শ্রীযুতা ভদ্রেশ্বৰী গগৈৰ বাহিৰে পৰোক্ষে বা অপৰোক্ষে দেহ-মূৰটাকি কাম কৰা কংগ্রেছ-ভক্ত বা কংগ্রেছ-সেৰকিনী কোনোৱেই নাছিল বুলিব লাগে। কিন্তু তেওঁবিলাকৰ গাৱঁতে জগৎবৰেণ্য মহাত্মা গান্ধীক আদৰিবলৈ পাই সকলোটি উবুৰি খাই পৰিলেহি। একে দিনাই, গাৱঁৰ সকলো মানুহ গৈ পুখুৰী-পাৰটো চুকুকি, চিকণাই মিহিকৈ পেলালে। যত ফাট বা গাত এটা বা গৰুখোজ এটা, নাইবা অলপ কোৱাকাকুকুকি আছিল, তাকো বালি দি পুতি সমান কৰিলে।

এদিন-এৰাতিৰ ভিতৰতে চাৰিং-কংগ্রেছৰ সেবক-সেৱকিনীয়ে নেৰানেপেৰাকৈ কাম কৰাত পুখুৰী পাৰটো ফু-মাৰি ভাত খাব পৰা হল।

আলিৰপৰা সম্বৰ্দ্ধনা-মণিকূটলৈ সোমোৱা বাটটো এধানমান চপৰা দলি এটাও নথকাকৈ, বালি ছটিয়াই তুলা যেন কোমলকৈ থোৱা হৈছিল—যেন মহাত্মাৰ মটৰখন অকণকে জোকাৰ নেখায় আৰু যেন হেলাৰাণ্ডে নাও যোৱাদি গৈ পোনেপোনেই মণিকূটত পায়গৈ।

মহাত্মা আহি সেইখিনি পোৱাৰ কথা আছিল দুপৰীয়া দুই বজাত। কিন্তু, বেলিটো ওলাবলৈ হে পালে, নেওগ-গোহাঁই পুখুৰীৰ চাৰিউপিনে থকা মুকলি পথাৰত, বিশেষকৈ জকাইচুক-পথাৰত, গুড়ি-পকৰাৰ দৰে মতা-মাইকী, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ীৰ লা-লী নিছিগা হল। ইফালে-সিফালে মাছখোৱা-গড়ৰ আলিত কেৱল টুপলিকটা মানুহৰ থুপ; ফুলপানীছিগে-পুৰণিমেলীয়া, চলিহা-চাৰিঙ্গীয়া পথাৰৰ মাজত হিঁচহিঁচ মানুহৰ জাক। পূব ফালৰপৰা চাহবাগিছাৰ বনুৰাবিলাক নেওগ-গোহাঁই পুখুৰীৰ মু-কৰি কেৰেলুৱাৰ ঠেংবোৰ হে যেন আহিব লাগিছে। ৰাতিটোৰ ভিতৰতে মহাত্মা অহা বাতৰিৰ টিপাটো যে কেনেকৈ গোটেইখনেতে শিপাই পেলালে, ভাবি অবাক। আমাৰ মাজত আগদিনাৰপৰাই উলহ-মালহ লাগিবলৈ ধৰিলে। পইচা তোলাই পইচা তুলিলে, খবৰ দিয়াই কাকতী গাৰঁত খবৰ দিলে। শ্রীযুত তিলকান্ত ফুকনৰ বৰ-জীয়েক শ্রীমতী মাখনীলতা ফুকনেই মহাত্মালৈ বন্ধা ধনৰ টোপোলাটোত পোন-প্রথম অৰিহণা পেলালে। দেখাদেখিকৈ কংগ্রেছত নলগা ধনী মানুহৰ ঘৰৰপৰা অৰিহণা অহা দেখি কংগ্রেছী-অকংগ্রেছী সকলোৱে কেৰ্কেটুৱাৰ বাঁহপাতেই ভেটীস্বৰূপ দুই-চাৰি পইচা পেলাবলৈ ধৰিলে। ৰাতিপুৱাৰ বেলি দুপৰলৈ উঠিবলৈ নৌ পাওঁতেই মহাত্মালৈ মানস কৰা "অস্পৃশ্যতা বর্জ্জনৰ" টোপোলাটোত ১০১ টকা জমা হলহি।

শ্রীকৃষ্ণক চাবলৈ গকুলৰ নৰনাৰীয়ে যেনেকৈ "এৰিলন্ত গৃহবাৰী"

হৈ গৈছিল, গান্ধীক চাবলৈও চাৰিওৰ মানুহে ব'ৰ বস্তু ভ'তে এৰি গান্ধীক চাবলৈ চাপলি মেলিছিল। ন-মান বজাতে আমাৰ সেৱক-বাহিনী নেওগ-গোহাঁই-পুখুৰী পাৰত গোট খালেগৈ। মহিলা-বাহিনীৰ নায়িকা হল শ্ৰীযুতা গুণদালতা ফুকননী; পুৰুষ-বাহিনীৰ অধ্যক্ষ বা সেনাপতি হল শ্ৰীযুত চিদানন্দ হাজৰীকা আৰু শ্ৰীযুত বলোৰাম চলিহা। ৰাতিপুৱাৰপৰা মাছখোৱা-গড়ৰ বাটটোৰ দুয়ো দাঁতিয়ে সেৱক-সেৱকিনীহঁতে ঠেম কৰিবলৈ ধৰিলে। এটাইবোৰৰে চকু যোৰহাটৰ ফাললৈ; মহাত্মা কেতিয়া পায়হি—কেতিয়া পায়হি লাগি আছে। শিৰসাগৰ-যোৰহাটৰ সদৰ কংগ্রেছ অফিছৰ কৰ্ম্মকৰ্ত্তা-সকলে মটৰেৰে সঘনে ঘনবাঁতি কৰি ঠাহখাই থকা জনতাৰ মনটোহঁত ডোলাই আছিল। ৰ'দত থিয় হৈ থাকোঁতে সেৱক-সেৱকিনীহঁতৰ গা ঘামি জোল বৈছিল, মুখখনহঁত ৰ'দে কোবোৱাত ডেই গেছিল। তথাপি, স্বাধীনতাৰ জীৱন্ত প্ৰতিমূৰ্ত্তিৰ পুণ্যাগমন-উৎকণ্ঠাই সকলোকে শীতলাই থৈছিল। ইপোনে, মণ্ডপ আৰু মণ্ডপৰ আগত বহা-ঠাই লৈ মানুহৰ হেঁচা-হেঁচি, ঠেলাঠেলিৰ অন্ত নাই। কাজিয়াকোঢ়াল, আৰু হমগমত গোটেইখন খলক লাগিছে। চিন্তামণি-গড়ৰপৰা অহা কংগ্রেছ-কৰ্ম্মী পূৰ্ণকান্ত বৰুৱাই (পূৰ্ণ মহৰী) মাথোন মাজে মাজে একোষাৰ "ৰাইজ, মনে মনে থক" বুলি টান মাত দি খন্তেকলৈ গুমগুমনিটো শাঁত পেলাইছে। এনেকৈয়ে, আখৈফুটা হমগমৰ মাজতো শান্তি-নিজমৰ বতাহ বলি আছিল।

'২১ চনৰপৰা '৩০ চনলৈকে হিৰণ্যকশিপুৰ দৰে চাৰিওত বিধিপথালি দিয়া মানুহ দুজন আছিল। এজন, বাৰুৰতি গাৰঁৰ পণ্ডিৰাম গগৈ, ইজন পেপেলাডুবি বেজগাৰঁৰ হাড়ি কৈৱৰ্ত্ত সাতোলা। শত্রুক সদায় ৰৱপীৰা দিবলৈ কৈছে। এই নীতিবাক্যকে মানি, গগৈ-কৈৱৰ্ত্ত দুয়ো গৰাকীক নি মহাত্মা বহিব লগীয়া আসনৰ ওচৰতে বহুৱাই থলোঁগৈ। সেইদিনা খাদৰবিৰোধী দুয়োজনা বুঢ়া-আপক মুগাৰ চুৰিয়া, চাপকন, মুগাৰ পাগুৰি মাৰি অহা দেখি আমাৰ মনৰ কুযাৰিভাব আঁতৰি গল।

এইজন পণ্ডুবামেই গান্ধীৰ নাম লোৱা-বাবে এদিন খৰিফালি থকা কুঠাৰখনকে মোৰ গালৈ মাৰি দিছিল। হাড়ি কৈৰৰ্ত্তই "গান্ধীয়ে পথাৰৰ গান্ধি হৈ আটাইকে সৰ্ব্বনাশ কৰিব" বুলি কৈ বেজগঞা বাইজক কংগ্রেছত সোমাবলৈ হাক দি ফুৰিছিল।

ইজন-সিজনকৈ কতজন মানুহ পাৰ হৈ গল; চাওঁতে-চাওঁতে চকুও বিষাবলৈ ধৰিলে। সদৌ শেষত, গুৱাহাটীৰপৰা অহা গান্ধীৰ বাটকটীয়া শ্রীযুত লীলাধৰ বৰুৱাই চাঁত কৰে কৈ গল, "মহাত্মা পায়হি হে লাগে—আহিছেই।" বৰুৱাই কথাযাৰ দলি মাৰি পেলাই গৈছে হে মাথোন, মহাত্মা আহি পালেহিয়েই। ঔৱাটিং বাগিছাৰ এজন স্বত্বাধিকাৰী শ্রীযুত মহেন্দ্রনাথ শর্ম্মাই কৌটী-কৌটী ভাৰতীয়ৰ আৰাধ্য দেৱতা মহাত্মাজীক লৈ তেওঁৰ মটৰগাৰীখন সাউৎ কৰে মণ্ডপৰ মুখ পোৱালেগৈ। একো সাৰসুৰ নোহোৱাকৈ, কেতিয়া নো মহাত্মাৰ গাড়ীখন বাইজৰ মাজলৈ সোমাল, কোনেও তত্তকে ধৰিব নোৱাৰিলে।*

চাৰিওত বোৱা প্রগ্রেম বা সময় বন্ধা আছিল মুঠেই দুই মিনিট। দুই মিনিট সময় নো কি? কাতিকুতা কৰোঁতেই যায়। তথাপি, বৰ খৰধৰকৈ চাৰিং কংগ্রেছৰ ববীয়াকৈ ১০১ টকাৰ টোপোলাটোৱে সৈতে মহাত্মাক অভিনন্দন পত্র এখন দিলোঁ। চাৰিওত কানীয়া কিমান, আগেয়ে কিমান আছিল আৰু কংগ্রেছ হবৰপৰা কিমান কমিল, স্পৃতাকটা মানুহৰ সংখ্যা, শিক্ষাদানত ছৰ্কাৰৰ আওকণীয়া ভাব, অস্পৃশ্যতাৰ প্রভাৱ কিমান—ইত্যাদি কথা তুলনামূলক ভাবে তাতে লেখা আছিল। সেই পত্রখন পঢ়োঁতে মোৰ গাটো ঠক্‌ঠক্ কৰে কঁপি আছিল আৰু এশ এ টকাৰ টোপোলাটো আগবঢ়াই দিওঁতে, মূৰৰপৰা ভৰিলৈকে জৰঘামে গোটেই গাটো ঘামিবলৈ ধৰিলে। মুখৰ মাতো থোকাথুকি হল। গৱর্ণৰৰপৰা গাওঁবুঢ়ালৈকে কথা-বতৰা পাতিলোঁ।

* শিৱসাগৰ জিলা কংগ্রেছৰ অনুমোদন নোহোৱাকৈ মহাত্মাক চাৰিওত বাখি ২৪ মিনিট পলম কৰা বাবে মই কৈফিয়ৎ দিবলগীয়া হৈছিল।

কতো ভয়-সংশয়ে মোক অলপমানো কেঁকোৱা কৰিব নোৱাৰিলে। কিন্তু, কি আচৰিত, মহাত্মাৰ হাতত টোপোলাটো অৰ্পণ কৰোঁতেই গান্ধী মাহাত্ম্যৰ আগত মোৰ সকলো গৰ্ব্ব-অহঙ্কাৰ ভস্ম হৈ গল। ভাবিলোঁ—শ্রীমোহনচাঁদ কৰমচাঁদ গান্ধী সাধাৰণ পুৰুষ নহয়, ঐন্দ্রজালিক গুণসম্পন্ন কুৰি শতিকাৰ কোনোবা যাদুকৰ হে।*

---

* "যোৱা ১৮ এপ্রিল বুধবাৰে চাৰিঙৰ নেওগ-গোহাই পুখুৰীৰ পাৰত মহাত্মাক চাৰিঙৰ বাইজে আদৰি ১০০ টকাৰ এটি ধনৰ টোপোলা আগবঢ়ায়। পুখুৰীটোৰ পাৰৰ সমানে পথাৰত এখনি বেদী স্থাপন কৰি তাৰ ওপৰত জাতীয় নিছান উৰি থকা এটি মণ্ডপ সাজি মহাত্মাজীক অভ্যর্থনা জনোৱা হৈছিল। ট্রক ৰ 'ডৰ ওপৰত ২।৩ ফাৰ্লং আঁতৰে-আঁতৰে গছলতা ফুলেৰে তোৰণ-দুৱাৰ সজাই থোৱা হৈছিল। মহাত্মা আহিব বুলি শুনি আগদিনাৰপৰাই দেওপানী, আঠখেল, ৰৰচলা, টীয়ক, আমগুৰিৰ কুলীমালী আৰু গাৱঁলীয়া মানুহ আহি চৌখুটি মাৰি নেওগ-গোহাঁই পুখুৰী পাৰত থাকিবলৈ লৈছিল। মণ্ডপৰ ভিতৰত দুখনি আসন কৰা হৈছিল, এখনি মহাত্মাজীৰ নিমিত্তে, ইখনি শ্রীযুত গড়মূৰীয়া গোস্বামীৰ নিমিত্তে। আসনৰ আগতে আমডালি ভৰোৱা জলপূর্ণ কলহ, পুষ্পমালা আৰু ধূপ-আঁৰিয়া দি পঞ্চপ্রদীপ জ্বলোৱা হৈছিল। শ্রীযুত বলোৰাম চলিহাই পৰিচালনা কৰা সেৱক-সেৱিকাদলৰ মাজেদি গান্ধীৰ শিষ্যা শ্রীমতী মী�ৰাবাঈ সৰকি যোৱাত মহাত্মাজীলৈ সকলো সষ্টম হল। ঠিক ৪—১১ মিনিট যোৱাত মহাত্মাজী আৰু মিঃ ঠক্কৰ আহি নেওগ-গোহাঁই পুখুৰী পালেহি। মহাত্মাজী মণ্ডপৰ ভিতৰত থিয় হয় আৰু শ্রীযুত বেণুধৰ শর্ম্মা ডাঙৰীয়াই এখনি অসমীয়া আৰু এখনি ইংৰাজী অভিনন্দন পত্র দিয়ে। শ্রীমতী মাখনলতা ফুকনে হাতেকটা সুতাৰে এধাৰি মালা প্রদান কৰে।"

—'অসমীয়া'

"বাণ ৰজা"

"বাণৰজা" বোলোঁতে, সেই তাহানিখণৰ শোণিতপুৰাধিপতি বাণৰজাৰ নাম কৈছোঁ বুলি ভাবিলে ভুল কৰা হব। এওঁ "বাণৰজা" হৈছে এগৰাকী মাইকী-মানুহ যাক ধৰ্ম্মপাল ৰজাৰ দিনৰ জনা-গাভৰু বা অসম-ৰজাদিনীয়া মূলা-গাভৰুৰে সাল্যাখ জাতিস্মৰ বুলি কব পাৰি। 'বাণৰজাৰ' ঘাই নাম কি পাহৰিলোঁ। কিন্তু, অগ্নিৰ খনিকৰ গাৱঁৰ বিখ্যাত খোলাকটী মেধিঘৰৰ কমলাৰমাক বুলিলেই বহুতে চিনি পাব। কমলাৰমাক এগৰাকী লেখত লব লগীয়া আহি-তিৰোতাও। এই মেধিঘৰৰে এওঁ আৰু এগৰাকী বোৱাৰীয়ে নেছানেছে কপাহৰ সূতা কাটি, পেটে-পেটে গান্ধীৰ নাম ভাল নোপোৱা খনিকৰ গাওঁখনত অসহযোগৰ আঁৰিয়া ডাল জলাই আছিল। খোলাকটী-মেধিঘৰ আউনীআটী-সত্ৰৰ এঘৰ প্ৰধান শিষ্য। এওঁ-বিলাকৰ ঘৰত মেধি-সাতোলা-বায়ন—এই কেউটি গোসাঁইঘৰীয়া বাব আছিল। গায়ন-বায়ন আৰু ভাৱনা-সবাহত মেধিঘৰৰ মানুহক কি খোল-তাল বোৱাত, কি নামগোৱাত বা নাম দিয়াত, কি ৰাগ টানি পুথি পঢ়াত, কোনেও ছেৰ পেলাব নোৱাৰিছিল। "গায়নৰ ঘৰৰ বোন্দায়ো ৰাগ দিয়ে" বুলি যে কথা এযাৰ আছে, সেইযাৰ কথা খোলাকটী-মেধিৰ ঘৰতে খাটে! আজি গোসাঁই ঘৰৰ বাবখোৱা মানুহ সিবিলাকৰ ঘৰত এজনো নাই যদিও, নাতিপুতিবোৰৰ কেবাজনো সুৰীয়ামাত্তৰ অধিকাৰী বা ওজা হৈ আছে।

এই ঘৰৰে বোৱাৰী "বাণৰজা", শহুৰেকৰ ঘৰৰ পাগত যি উঠিছিলেই নে, চুতীয়া বীৰজায়া সাধনী কুৱঁৰীবো চানেকি আছিল। তিনিজনী ছোৱালী আৰু এটি লৰা ঘাটমাউৰা কৰি তেওঁৰ গিৰীয়েকে ডেকাকাল পাৰ হৈ প্ৰৌঢ়ৰ সোঁমধীয়া হওঁতেই ইহসংসাৰৰপৰা বিদায় ললে। বাণৰজা বিধৱা হল। ছোৱালী তিনিজনী ডাঙৰ, কমলা বোলা লৰাটিয়েই নুমলীয়া। আমাডিমা লৰাছোৱালী কেইটিকে

"বাণৰজাই" বুকুত সাৱটি দিন নিয়াবলৈ ধৰিলে। ঘৰখনত তেওঁ আৰু লৰাছোৱালী কেইটিত বাজে আৰু কোনো নাই। শাহুয়েক মেধিয়নী আছিল যদিও, কঁকাল-পৰা, এনিতেনি লৰি-ঢাপৰি ফুৰিব নোৱাৰে, ঘন এখন কৰি বোৱাৰীয়েকক সহায়ো কৰিব নোৱাৰে। তথাপি, কণাৰ লাখুটি দৰে মেধিয়নীয়ে কেঁচুৱা লৰাছোৱালী কেটাকে খুউৱা-ধুউৱাত অলপ সহায় কৰিছিল; চোঁতালত মেলি থোৱা ধানৰ ওপৰত হাঁহ-ছাগলী লাগিলেহি চুঃ বুলি খেদি দিছিল আৰু আলহী-আহিলে বটাটোৰৈসেতে তামোল-পাণ এটা আগবঢ়াই কুলাই-পাচিয়ে নধৰা দুখৰ বকলা মেলিছিল। মেধিয়নী গৰাকীৰ আৰু এটি ডাঙৰ গুণ আছিল। সেইটি হৈছে, তেওঁ কেতিয়াবা-কেতিয়াবা হাতত লাখুটিডাল লৈ কুঁজাকুজকৈ ওচৰচুবুৰীয়াৰ ইঘৰ-সিঘৰলৈ গৈছিল। লগতে নাতিনীয়েক এটিক লৈ আমাৰ ঘৰলৈও আহিছিল। পকীমুৰী মেধিয়নীয়ে কাঠৰ খুন্দনা এটাত তামোল খুন্দি খায়। তামোল খুন্দি থাকোঁতেই "বৰ-মাই" (আমি তেওঁক 'বৰ-মা' বুলি মাতিছিলোঁ) আমাৰ আগত ইমানবোৰ নিজৰ কথা কয় যে আমি শুনি বৰ ভাল পাওঁ। গাত দুখনীয়া লোৱাৰেপৰা তেওঁ কেনেকৈ জাকৈ মাৰিবলৈ গৈছিল, কেনেকৈ বিহু মাৰিছিল, কেনেকৈ বিহুৱান বৈছিল, ফেঁহুজালি দিয়াৰেপৰা বান্ধনিবেলি ওলোৱালৈকে বনবাৰী কৰি কেনেকৈ উঘাঘুৰাদি ঘুৰি ফুৰিছিল—এইবোৰকে যোজোনা-ফকৰা দি, কৈ, আমাক পাৰেমানে হুঁহুঁৱাইছিল। মেধিয়নীয়ে সূতা-নেতা কটা কথাষাৰ হে ভাল পাইছিল, এহেলৈ কিন্তু, গান্ধীৰ কথা-বতৰা আৰু অসহযোগৰ নিয়ম-কাৰণবোৰ শুনি ছেই-ছেই কৰিছিল। তেওঁ ফাটেকখোৱা কথাটো শুনি কৈছিল, "এ দেও, দেখা কথাত নো কি পাঠমঙ্গলখন চাবাঁ; ফাটেক খালেই মহাৰাণীয়ে দেশ এৰি দিব নে?"

সেই বুঢ়ীৰে বোৱাৰীয়েক "বাণৰজাই" শাহুৰতী হাক-বচন বেদবাক্যৰ দৰে মানিছিল। 'বাণৰজাই' নিজে কোৰ মাৰি কঠীয়াতলী উলিয়ায়; শালিখেতি কৰা মাটি চহায়; চহোৱা মাটিত আলি দিয়ে; ভুঁই

ৰোৱে ; কুঠাৰেৰে খৰি ফালে ; কলখাৰ কৰে ; খাৰণী-সঁতাৰে কাপোৰ ধোৱে ; ৰাতিপুৱা গৰু মেলি পথাৰত চৰায় ; কেতিয়াবা-কেতিয়াবা হাতত দাখন লৈ ওচৰৰ লুকমা হাবিৰপৰা ডালি খৰিও আনে, আন কি, মুগাও পোহে হে, বাটলুগুটি মাৰি ভদৰকলী চৰাই খেদে ; এইবোৰ পুৰুষে-কৰা-কাম যে, 'বাণৰজাই' কৰেই নে, ভিৰোতাই কৰা কামৰো এটিও বাদ নিদিয়ে। গোহালি-ঘৰ অঁতোৱা, চোঁতাল-ঘৰ সৰা, মাছমৰা (আন মাইকী মানুহে জুলুকিৰে মাছ ধৰে, এওঁ জালেৰে ধৰে), গাখীৰ খীৰোৱা —এইবোৰ কাম কৰোঁতে তেওঁৰ খন্তেকো আজৰি নাছিল।

"মতাই ভাত ৰন্ধা, মাইকীয়ৈ গৰু ৰখা—ইয়াতকৈ আৰু কুচ্ছিৎ কাম পৃথিবীতে নাই বুলি কয়। কিন্তু, কুচ্ছিৎ হলেও আমাৰ এই গৰাকী কলিকলীয়া বীৰজায়া চুতীয়া-ৰমণীয়ে 'একে হাতে দুই ফল ধৰি' স্ত্রী-পুৰুষৰ কলঙ্ক ভঞ্জন কৰিছিল। এইবাবেই এওঁক সকলোৱে উপলুঙা নাম দিছিল "বাণৰজা"।

নিজে পোহা মুগাৰ সূতা যে কাটেই নে ,বাণৰজাই' কপাহৰ সূতাও কাটে। গান্ধীয়ে সূতা কাটিবলৈ কোৱা শুনি তেওঁ সকলোকে কৈছিল, "মোক সূতা কাটি কাপোৰ বৈ লোৱা দেখি আটায়ে হাঁহে ; এতিয়া সেয়া চোৱাঁ, গান্ধী মহাতায়ো সূতা কাটিবলৈ হে কৈছে।" খনিকৰ গাৰঁত, 'বাণৰজাৰ' দৰে মিহিকৈ সূতা কাটিব পৰা আৰু পানী নসৰাকৈ টাহি কাপোৰ ব'ব জনা তিৰুতা আঙুলীৰ আগত লেখিব পৰা আছিল। তেওঁক ঠাওকতে পাঁচসেৰকৈ কপাহ দি, তাৰ চাৰিভাগৰ এভাগকৈ সূতা কটাই লৈছিলোঁ। এই নিৰিখ মুখেৰে হে বান্ধিছিলোঁ, সূতা পাওঁতে প্রায়েই সৰহকৈ হে পাইছিলোঁ। নেওগগোহাঁই-পুখুৰী-পাৰুত মহাত্মা গান্ধীক আদৰোঁতে এওঁ দুখীৰ দুখী অৱস্থাৰে এডুখৰি হাতেকটা সূতাৰ কপাহী কাপোৰ আৰু সিকি এটি আগ বঢ়াইছিল। স্বৰাজৰ নিমিত্তে, দুখকো দুখ নুবুলি শুধ ভাৰে কাম কৰা মাইকী মানুহ তেজিয়া নিচেই তাকৰ আছিল। এই বাবেই সকলোৰে আগত যাওঁতা 'বাণৰজা'ক স্মৃতি-পটৰপৰা মচি পেলাব পৰা নাই।

[১৯]

চাৰিং-আস্পতাল

চাৰিং-শলগুৰি-ৰায়তসভাৰ প্রস্তাৱ-মতেই আস্পতাল এটা পতাৰ কথা উঠিল। কিন্তু, আস্পতালটো ক'ত পতা হ'ব—এইটোকে স্থিৰ কৰিবলৈ বহুত বাক-বিতণ্ডা হল। অৱশেষত, ম'ৰাবজাৰ আৰু শলগুৰি দুয়োটা মৌজাৰে চল-লগা ঠাই চাৰিঙেই বাছনিত উঠিল। ৰায়তসভাৰ প্রস্তাৱটো স্বায়ত্তশাসন বিভাগৰ মন্ত্রীলৈ পঠিয়াই দিয়াত মন্ত্রীয়ে উত্তৰ দিলে, সেই প্রস্তাৱ স্থানীয় ব'ৰ্ডৰ যোগে যাব লাগে বুলি। ব'ৰ্ডে পতাৰ আৱশ্যক দেখিলে হে, ছৰ্কাৰে মাটি আদি অধিগ্রহণ কৰি আস্পতাল পতাৰ সুবিধা কৰি দিব পাৰে। ব'ৰ্ডৰ চেয়াৰমেন আছিল মৌলবী জামায়দ্দিন আহমদ। তেখেতে আমাৰ প্রস্তাবটি গ্রহণ কৰিলে। সেই সময়ত স্বায়ত্তশাসনৰ মন্ত্রী আছিল ৰায় বাহাদুৰ কনকলাল বৰুৱা। তেখেতলৈও ব্যক্তিগত ভাৱে আমাৰ অসুবিধা-বোৰৰ কথা লেখিলোঁ। তেখেতে মোলৈ চিঠি লেখি জনালে, "তোমালোকে ঘৰ এটা সাজাঁ। দৰৱপাতি যি লাগে ছৰ্কাৰে দিব। লোকেল বৰ্ডৰপৰা দাবীৰ অনুমোদন-টোকা পালেই হব। ঘৰ সজা হলেই তোমালৈ বাৰু মোৰ হাত-খৰচৰপৰা ২০০ টকা পঠিয়াম।" মন্ত্রী ডাঙৰীয়াৰ চিঠি পাই আস্পতালৰ নিমিত্তে মূৰপুতি লাগিবলৈ মোৰ গা উঠি গল।

কিন্তু, যিডোখৰ মাটিত আস্পতাল ঘৰ সাজোঁ বুলি ভাবিছিলোঁ, সেইডোখৰ মাটি শলগুৰি-ম'ৰাবজাৰৰ প্রায় সঙ্গম থলিতে যদিও, মানুহ-বহি-থকা-বাবে, ঘৰৰ মাটিকে বাছি উলিয়াব নোৱাৰিলোঁ। মাটিৰ গিৰিহঁতজনক তেওঁৰখিনিৰ পৰিৱর্ত্তে, তিনিগুণ মাটি দিওঁ বুলি ক'লো, তথাপি, তেওঁ স্বইচ্ছাৰে মাটি এৰি দিবলৈ মান্তি নহল। শেহত, লোকেলব'ৰ্ডৰ যোগে সেই মাটি 'একোয়াৰ' বা অধিগ্রহণ কৰা

হল। ভাল কামত সদায়েই কিলিঙা লাগে। মাটিৰ মূল্য ঠিক হল ১০২ টকা আৰু সেই টকা মাটি-গিৰিহঁতে লবলৈও ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু, কূটশাল মানুহৰ ফুচুলনিত পৰি, গিৰিহঁতজনে বাৰবুৰি লেচু দেখুৱাই 'আপীল' কৰিলে। আপীলত মাটিৰ ধাৰ্য্যকৰা মূল্য ৫০০ টকালৈ বাঢ়িল। ইফালে, মাটি-গিৰিহঁতৰ লগত গোচৰহাৰি কৰি থাকোতেই দুবছৰমান পাৰ হৈ গল। মন্ত্ৰী কনকলাল বৰুৱায়ো অৱসৰ ললে। স্থানীয় ৰাইজৰ মাত্ৰ মুখখনি হে—টকা-সিকা দিবলৈ শকতিয়েই নাই।

নাহকটীয়া বাগিছাত মোৰ ভাই ধৰ্ম্মেশ্বৰে কেৰেণী-কাম কৰিছিল। তাৰপৰা ৩০০ টকা ধাৰলৈ আনি অধিগ্ৰহণ কৰা মাটিৰ দামটো ট্ৰেজুৰীত জমা দিলো। সেই টকা পোনেই তাৰপৰা নোপোৱা হলে, পোৱা-আস্পতালো হেৰুৱালোঁহেতেন। তাৰ পিছত অ'ত-ত'ত দান-বৰঙনি বিচাৰিবলৈ ধৰিলোঁ,। আমগুৰি চাহ-কোম্পানীৰ জেনাৰেল মেনেজৰ মিঃ ৱাৰেন (Mr. Warren) ছাহাবৰ ওচৰত দান বিচাৰোঁতে নাটৰ কাহিনী এটিয়েই হৈছিল।

আস্পতাললৈ সহায় খুজি, ৱাৰেণলৈ চিঠি দিয়াত ৱাৰেণে চাৰিংখন ৰাজনীতিৰ আখল বুলি পইচা এটাকে নিদিলে। বৰং, সহায় খোজা বাবে মোলৈ ইতিকিং কৰি হে চিঠিৰ উত্তৰ দিলে। প্ৰত্যুত্তৰত মই তেতিয়া লেখিলোঁ, "আপোনাক ইমান অ-মানৱীয় বুলি ভবা নাছিলোঁ। ভাবিছিলো, আপুনি চাৰ জেম্‌ছ বকিংহামৰ উত্তৰাধিকাৰী। বকিংহামৰ দৰে আপোনাৰো মানৱীয়তা আছে। আপোনাৰ অন্তৰত তেনে মহৎ গুণৰ অভাৱ হোৱা দেখি আচৰিত হৈছোঁ।" চুঙা চাই সোপা পৰিলত, ৱাৰেণে মোক মাতি পঠিয়ালে আৰু শ্ৰীমান যোগেন্দ্ৰনাথ মজিন্দাৰ বৰুৱাক লৈ ভগা মটৰ এখনেৰে কেওঁৰ বঙলা ওলালোঁগৈ। মোক দেখা মাত্ৰকে, ছাহাবে "মোক নিষ্ঠুৰ নুবুলিব, (Don't call me inhuman) নিষ্ঠুৰ নুবুলিব" বুলি ক্ষনা খুজিলে আৰু বৰকেৰেণী ভোলানাথ গোহাঁইক তৎক্ষণাৎ মোক কপ ২০ টকা দিবলৈ কলে।

তাৰ পিছত, আশ্বাস দিলে বোলে দৰ্কাৰ হলে, ৰৱৰাম বাগিছাৰ পুৰণি মামৰেধৰা টিনপাত কিছুমান আৰু আমগুৰি বাগিছাৰ গন্ধসৰৈ গছ দুজোপাও অস্পেতালৰ ঘৰ সাজিবলৈ মই অনাৰ পাৰিম।

এইখিনিতে ৰাৱেণৰ বৃটিছসুলভ জাতীয় গৌৰৱৰ জিলমিল পোহৰ একণমানৰ আভাস পাইছিলোঁ। আগেয়ে ভাবিছিলোঁ, বাগিছাৰ ছাহাৰবোৰৰ একো ভদ্রতা নাই। সিৰিলাকক বুজালেও একো কথা নুবুজে; গোটেপাতে ঢেকুৰা ঠাৰি বুলিহে বহুতৰে ধাৰণা। কিন্তু ৰাৱেণৰ কথা-বতৰাই সেইবোৰ আমাৰ মনৰ ভিতৰত চৰি-ফুৰা ধনগুলৈ-জুই বুলি হে ঠাৱৰ কৰালে। আস্পতালৰ নিমিত্তে দান-আশ্বাস দিয়েই তেওঁ মোক সুধিলে, "আপোনাৰ বয়স নিচেই কম; জেমছ বকিংহামৰ কথা কেনেকৈ জানিলে?" কলোঁ, "আসাম ৰিভিউত" মই লেখা চাৰ জেমছ বকিংহামৰ প্রবন্ধটো পঢ়া হলেই বুজিলেহেতেন।"

ছাহাবে ভোলা কেৰেণীক সেই "আসাম ৰিভিউ" খন চাই দিবলৈ কলে। কেৰেণীয়ে কাকতখন দিয়াত, প্রবন্ধটো পঢ়ি চাই, ৰাৱেণ আচৰিত হল। ক্ষন্তেকমানৰ মূৰতে, তেওঁ বকিংহামৰ ব্লকৰ খৰচ আৰু প্রবন্ধ লেখাৰ পুৰস্কাৰস্বৰূপ মোক ৫০ টকা ৰূপ বেলেগে দিলে।

এই দানৰ কথাটোকে চাৰিওৰ চকুচৰহা ডেকা দুজনমানে ৰৌমাছৰ টোটোলা বা ফুটবল ওফন্দোৱাদি ওফোন্দাই ৰৌটি ফুটালেগৈ বোলে, "বেণু শর্ম্মাই আমগুৰি ছাহাৰৰপৰা ২০০ টকা ৰূপ আনি আস্পতালৰ ফণ্ডত ২০ টকা জমা দি বাকী টকা খালে।" এনেবোৰ ৰটনাই মোৰ মন ভাঙি দিলে—আমগুৰিৰ টিনপাত-গন্ধসৰৈ গছ আৰু আনিবলৈ নহল। চাহ-বাগিছাৰ ছাহাৰ আৰু আন-আন অসমীয়া কর্ম্মচাৰীৰূপৰা দান আনি ট্রেজুৰীত প্রথমেই জমা দিয়া টকাৰ ধাৰ মৰা হল। কিন্তু, মই ফুৰোঁতে-চাকোঁতে, ৰেল-ৰাইচাইকেলৰ খৰচ আৰু ঠাই-অঁতোৱা ৰাবদ হোৱা ধাৰলৈ অনা টকা তিনি শ হে, নিজৰ মাটি ৰেচি ম'ৰাবজাৰ কোৱঁৰ গাৱঁৰ ৺ধর্ম্মেশ্বৰ কোৱঁৰক পৰিশোধ কৰিব লগীয়া হলোঁ।



ধর্ম্মেশ্বর শর্ম্মা পৃঃ ২৫৯

উচটাই বাজী গৰু হাল বোওৱা বিলাকে মাজতে বিধি-পথালি নিদিয়া হলে, ১৯৩৬ চনতে, চাৰিঙত এটি প্ৰথম শ্ৰেণীৰ চিকিৎসালয় স্থাপিত হলহেতেন। তাৰ ১২।১৩ বছৰৰ মূৰত যদিও, "আছে গৰু নবয় হাল, হোৱাতকৈ নোহোৱাই ভাল" বিধৰ যি এটি একণমান আস্পতাল স্থাপিত হল, সিও কেৱল চাৰিং-শলগুৰি ৰায়তসভা উদ্যোক্তা-সকলৰ দৃঢ়তা আৰু নিস্বাৰ্থ দাবীৰেই ফল বুলি নঠী-পত্ৰই বিঙিয়াই-বিঙিয়াই কৈ থাকিব। আৰু এইটোও কব যে, চাৰিং-আস্পতাল স্থাপনৰ সময়ত চাৰিং-কাকতী গাৱঁৰ তিনিজন মানুহে হে আস্পতাল পাতিবলৈ একেবাৰে দেহমন উবাৰি লাগিছিল। তাৰে ঘাই গৰাকী আছিল শ্ৰীযুত শিৱকান্ত দুৱৰা—যিজনে আস্পতাল পতাত আৰ্জ্জনৰ ধন পাছলৈ নেঘাই উচৰ্গি দিছিল। দ্বিতীয়জন পৃষ্ঠপোষক আছিল ডাক্তৰ হৰকান্ত দুৱৰা; আৰু তৃতীয়জন হল শ্ৰীযুত বিষ্ণুৰাম বৰকাকতী। বৰকাকতীয়ে দানৰ নামত মুঠেই সিকি এটা হে আগ বঢ়াইছিল। কিন্তু, নিজেও কৰিব নোৱৰা—লোককো কৰিবলৈ নিদিয়া আক্ৰাহীবিলাকৰ উৎপাতত যেতিয়া কি-কৰিম-কি-নকৰিম বুলি পেপুৱা লাগি আছিলোঁ, তেতিয়া তেখেতে যি উপায়-বুদ্ধিৰ সজা এটা আঁকি দিছিল, তাৰ মূল্য সেই সিকিটোৰ হেজাৰ গুণ হব।

আস্পতালৰ মাটি দখল লবলৈ যাওঁতে, মাটিৰ গিৰিহঁতজনে মোক কুঠাৰেৰে কাটিবলৈ আহিছিল আৰু বছৰদিয়েকৰ পিছত মাটিডোখৰ জেওৱা দি বেৰাই থোৱা দেখি জনদিয়েক উটনুৱা ডেকাই সেই জেওৰাৰ খৰিৰে 'বেণু শৰ্ম্মাৰ জুমুধি পুৰিছোঁ' বুলি গৰখীয়া লৰাৰ দৰে চীৎকাৰো কৰিছিল। এতিয়া দেখি ভাল পাইছোঁ—সেই জুমুধি পোৰা ঠাইতেই ছৰ্কাৰৰ অনুগ্ৰহত চাৰিং আস্পতাল বিৰাজমান।

[২০]

"আমাৰ দোকান"

"সূতা কাটা, সূতা কাটাঁ" বুলি গোটেইখনতে চিঞৰবাখৰ হৈছিল যদিও, ঘৰখনক জোৰাকৈ কোনেও সূতা কাটি লব পৰা নাছিল। কংগ্রেছ-ভলণ্টিয়াৰৰ হাতেপতি টাকুৰী একোটা আছিল সঁচা; কিন্তু, সি কেৱল লোকক দেখুউৱা হে। তাৰে মানুহৰ অভাৱ পূৰাব পৰা নহৈছিল। সেইদেখি আমি পিন্ধা-চোলা-চুৰিয়াৰ কাপোৰ মুৰদাবাদ, পাটনা আৰু মান্দ্রাজৰ পিঠাপুৰমৰপৰা অনাই লৈছিলোঁ। নগাৰঁতে তেতিয়া আটাইতকৈ সৰহ খাদৰ প্রস্তুত হৈছিল; ১৯২৬ চনত, পাণ্ডু-কংগ্রেছৰ প্রদর্শনী—তামীঘৰাটো নগঞা খাদৰেৰেই নির্ম্মাণ কৰা হৈছিল। মাজে-মাজে যোৰহাটৰ খাদীপ্রাণ কৃষ্ণনাথ শর্ম্মাই আমাক নগাৰঁৰপৰা খাদৰৰ কাপোৰ আৰু কপাহ অনাই দিয়াইছিল। সামান্য কাপোৰ এডোখৰৰ বাবেই ঘনাই-ঘনাই লোকক যাতে খাটি থাকিব নেলাগে, তাৰ নিমিত্তে এটি উপায় উলিয়ালোঁ। উপায়টো আন একো নহয়—এখন দোকান খোলা। দোকানখনৰ নাম দিলোঁ—আমাৰ দোকান। মে'ড্ ইন জার্ম্মেনী—অর্থাৎ জার্ম্মান-তৈয়াৰী বুলিলেই যেয়ে-সেয়ে নোচোৱা-নিচিতাকৈয়ে আগ্রহেৰে বস্তু কিনে, তেহেলে সি লাগিলে অতি অধস্তই হওক। আওপাকে, তাৰদ্বাৰাই সেই বস্তু নির্ম্মাণ কৰোঁতা জাতিটোলৈ আমাৰ প্রগাঢ় সম্মান বঢ়োৱা হয়। 'আমাৰ দোকান'লৈ আহিলে আমাৰ বুলি সকলোৰে মনলৈ এটি ভাব আহিব। এইটোৱেই উদ্দেশ্য আছিল "আমাৰ দোকানৰ"। ক'-অপাৰেটিৰ নামতোও একপ্রকাৰে "আমাৰ দোকানৰেই" অনুৰূপ। কিন্তু, 'আমাৰ দোকানত' কাৰো ভাগ বা অংশ নাছিল। মোৰেই তাত সম্পূর্ণ স্বত্ব আছিল।

শ্রীযুত তিলকান্ত ফুকনৰপৰা ৩০০ টকা ধাৰলৈ লৈ দোকানখন

পাতিলোঁ। ফাটেক খোৱা বাবে, গজপুৰীয়া কাকতী গাৱঁৰ বাইজে শ্ৰীমান ফটিকচন্দ্ৰ কাকতীক সকাম-নিকামত শাৰীৰ মুৰত বহিবলৈ দিছিল আৰু অলপ হেয় ভাবেৰে চাইছিল। তেওঁকে আনি 'আমাৰ দোকানৰ' মেনেজৰ ললোঁ।

গধূলিবজাৰ-ম'ৰাবজাৰৰ মুগাসূতা ভাল বুলি এটি সদ্‌নাম আছে। ১৯৩১ চনত, মুগা সূতাৰ দাম সেৰে ১৬ টকা আছিল। সেই সূতাকে সলাই খাদৰ কাপোৰ আনিছিলোঁ। কেবাঘৰৰপৰা ভালে-বেয়াই সূতা কিনি সেইবোৰ মিহলাই একেআগী কৰি মান্দ্ৰাজৰ পিঠাপুৰমলৈ পঠিয়াওঁ। তাৰ বিনিময়ে তাৰ দোকান এখনে আমালৈ হাতেকটা সূতাৰ থান কাপোৰ, চুৰিয়া, তলতপৰা, শেতেলীটকা, মেজৰ কাপোৰ, গাৰুগিলিপৰ কাপোৰ আৰু ব্লাউজৰ ছীট্ (ব্লাউজৰ নিমিত্তে ডুখৰীয়া কাপোৰ) পঠিয়ায়! দোকানত পিতলৰ টাকুৰী, যঁতৰ, নেওঠনি আৰু কপাহ হে ৰখা হৈছিল। ধাৰধুৰ মাৰি আমাৰ হাতো জৰ্জ্জৰীয়া হৈছিল। কিন্তু, সাতপুৰুষত দোকান দি নোপোৱা; অসমীয়া মানুহে দোকান দি "কঁৰীয়া লৈ গাই খীৰোৱা" হিবলৈ গলে যি দশা হয়, আমাৰো সেই দশাই হল। দুবছৰমানৰ মুৰত—"আমাৰ দোকানত" „লালবাঁত্তি" জলিল অৰ্থাৎ আমাৰ দোকান বন্ধ হল।

শনিবাৰে-শনিবাৰে, নাইবা দৰ্ম্মহা পোৱা দিনা চেলেংহাট, ডালিম, হেমলাই, চটাই আৰু নাগিনীজান বাগিছাত হাট বহে। তাতে বেচিবলৈ, মোৰ বাইচাইকেলখনতে একোটা খাদৰৰ "মুটৰি" বা টোপোলা বান্ধি লৈ যাওঁ। নাগিনীজানলৈ চাৰিঙৰপৰা ২০ মাইল বাট। এইখিনি বাট বাইচাইকোল মাৰিয়েই যাওঁ; বাটতে, আমগুৰিত ৺শ্ৰীনাথ কাকতীৰ ঘৰত সোমাই ডিঙিটো অলপ তিয়াওঁ মাথোন। নাগিনীজান পোৱাৰ আগতে হেমলাই বাগিছা। সেই বাগিছাত উৰীয়া কুলিয়েই সৰহ। আমাৰ চিতৰা-পখৰা, ৰংচঙীয়া কাপোৰ দেখিলেই, চাহনিত পাতছিঙি থকা কুলীবোৰৰ লৰি আহে। যি দাম কওঁ, সেই দামকে দি সিহঁতে কাপোৰ কিনি লয়। মোৰ নিমিত্তে,

হেমলাই বাগিছাৰ বন্ধুৰাখিনি পেট্রন বা পৃষ্ঠপোষক আছিল। তাৰ মেনেজৰজন ইংৰাজ। তেওঁ ছৰ্কাৰী আলিয়েদি যাওঁতে মোৰ ফাললৈ কেৰাহি-কেৰাহিকৈ চাই যায়।

এদিন তেওঁ:ৰৰমহৰী ৰজনী ঠাকুৰক মোৰ কথা এই বুলি কৈছিল, "এই মানুহটোৱে ৰৰাবৰ গান্ধী কাপোৰ বেচেহি। ইয়াক মানা কৰি দিবি—ইয়াত নাই আহিব।" ৰৰমহৰীয়ে—"আপুনিয়েই কব" বুলি কৈ চকুও ৰোৱালে, চাউলো সিজালে। ছাহাবে কিন্তু, মোক হলে, কাপোৰ বেচা-বাবে নিজ মুখে এদিনো একো কোৱা নাছিল। এদিন মাত্ৰ, হেম্লায়েদি চটাই বাগিছালৈ যাওঁতে সেই ছাহাবজনে আগভেটি মোৰ বাইচাইকোলখনৰ আগ-চকাটো তেওঁৰ ঠেং দুটাৰে খপ্ কৰে চেপা মাৰি ধৰি মোক চাইকোলপৰপৰা নমুৱাইছিল। তেতিয়া, তেওঁ দুটামান প্রশ্ন সুধিছিল আৰু তাৰ উত্তৰ এই দৰে দিছিলোঁ।

ছাহাব—হোৱেৰ আৰ ইউ টু—তুমি কলৈ যোৱা?

মই—আই এম টু চটাই টী ইষ্টেট

ছাহাব—হোৱাত আৰ ইউ—তুমি কি কৰাঁ?

নই—আই এম এন্ ইন্কম্টেক্স এছেছৰ—মই ইন্কম্টেক্স লগাওঁ।

ছাহাব—ৱেল, দিচ ৰ'ড লিদ্চ্ ষ্ট্রেইট্ টু চটাই—এই বাটেই তোমাক চটাই উলিয়াবগৈ।

এই বুলি, মোক বাটটো দেখুৱায়েই ছাহাব আৰু তাত তিলেকমানো নৰ'ল; ফো-ফো কৰে বঙলালৈ গুচি গল। বোধ কৰোঁ, মোৰ মুখত ওলোৱা ইন্কম্টেক্সৰ নামটোতেই ভয় খাই ছাহাবে ফুৰুং কৰে চকাটোৰপৰা ঠেঙৰ জাপটো একৱাই নিলে। "ইন্কম্টেক্স এছেছৰ" শব্দটো ঘপ্ কৰে মোৰ মুখত কেনেকৈ ওলাল, কবই নোৱাৰোঁ। হওক তেওঁ, মিছা যদিও, হঠাতে ওলোৱা কথাষাৰেই ছাহাবৰ কুঁজৰ মূৰত কিল পৰাদি পৰিল আৰু ময়ো সেই মুহূৰ্ত্তলৈ ৰক্ষা পৰিলোঁ।

চটাই বাগিছাত আছিল নির্ম্মলচন্দ্র হাজৰীকা—সেই বাগিছাৰ ভাৰপ্রাপ্ত মেনেজৰ। হাজৰীকা মানুহজন বৰ ধর্ম্মপৰায়ণ; বাগিছাৰ মেনেজৰ বুলি উনৈছত বা-বলাই মুফুৰে। তেওঁৰ ঘৰত লগা কাপোৰৰ গোটেইটো সঁজুলি "আমাৰ দোকানৰ" পৰাই যোগোৱা হৈছিল। নির্ম্মল হাজৰীকাই কংগ্রেছত নাম লগাবলৈ বৰ ভয় কৰিছিল। সেই ভয়ৰ বাবে, খাদৰৰ এগুণ দামৰ ঠাইত দুগুণ দাম দি পৰাচিত হৈছিল। নাগিনীজান বাগিছাৰ মুক্ষেশ্বৰ সন্দিকৈ আৰু বত্নেশ্বৰ শর্ম্মা শ্রুতিকৰৰ খাদৰ-প্রীতিও বিশেষকৈ মনত বাখিব লগীয়া। তেখেতসকলে মোৰপৰা কাপোৰ-টাকুৰী লৈ বাগিছাৰ কুলীবিলাকক মনে-মনে বেচিছিল। সন্দিকৈৰ ঘৰ গোলাঘাটৰ বেঁতীয়নি সন্দিকৈ গাৱঁত, শ্রুতিকৰৰ ঘৰ চাৰিঙৰ জৰাধৰা গাৱঁত আছিল। "আমাৰ দোকানে" তেতিয়া তামোলৰ লগত খোৱা চুঙা-ধপাত, পুৰণি কুঁজি-থেকেৰা, ফুলাম গামোচা, চেলেং, পিঠাগুৰি-চালনী, দেশদেশান্তৰে থকা অসমীয়া মানুহলৈ বাতিকৈ (ডাকত) পঠিয়াইছিল। শ্রীযুত তিলকান্ত ফুকন আৰু এতিয়াও চাৰিঙৰ সকলো ৰাজহুৱা কামৰ গুৰি ধৰি থাকোঁতা শ্রীযুত লোকনাথ ফুকনে মিকিৰ পর্ব্বতৰপৰা কেইবা মোণও কপাহ দোকানত লাভ নোলোৱাকৈ বিক্রী কৰিবলৈ থৈছিল। সেই কপাহ সেৰে চাৰি অনাকৈ বেচা হৈছিল। ১৯৩২-৩৩ চনত এক প্রকাৰ আকালে দেখা দিয়াত "আমাৰ দোকানে" গুৱাহাটীৰপৰা চাউল অনাই আকালগ্রস্ত মানুহক বাকীকৈ বিক্রী কৰিছিল। আঢ়ৈ বছৰমানৰ মূৰতে দোকানৰ দুৱাৰ জপোৱা ইও ওটা কাৰণ। 'আমাৰ দোকান' দিয়াৰপৰা আমাৰ এই এটা অভিজ্ঞতা হল যে, যেই-সেই কাৰবাৰ কৰিবলৈ গলে, একে হাতে দুই ফল ধৰিবলৈ চাব নেলাগে; এহাতে খেতিয়ে-পথাৰে গৃহস্থীখন, আনহাতে দোকান চলোৱা—দুয়োটা কাম সমানে চলিব নোৱাৰে। অসমীয়া গাৱঁলীয়া দোকানীয়ে দোকান বন্ধ কৰি বিয়া-সবাহ খাবলৈ যায়; বাতি হলে—ভাৱনা চায়গৈ। দোকানৰ ব্যৱসায়টো তেওঁবিলাকে হাটবো বাট মাকৰো ঘৰ বুলি হে ভাবে; এদনীয়া কৈ দোকানত

লাগি নেথাকে। এই হেতুকেই আমাৰ দেশত অসমীয়া ডেকালৰাই দোকান-পোহাৰ দি নিজৰ আৰু দেশৰ অৱস্থা উন্নত কৰিব নোৱাৰে। যেতিয়ালৈকে আমাৰ মানুহে দোকান-পোহাৰ দি বেপাৰ-বাণিজ্য কৰিবলৈ নিশিকে, তেতিয়ালৈকে আমি, অনা-অসমীয়া বৈশ্যৰ তলহতীয়া হৈয়ে থাকিব লাগিব। বৈশ্যবৃত্তিত সিদ্ধহস্ত হব নোৱাৰিলে স্বৰাজ পোৱা যেই, নোপোৱাও সেই। ৺ঘনকান্ত গগৈৰ কথাই সঁচা।

"আমাৰ দোকানৰ" বস্তু বেচিবলৈ ফৰাচী দেশত তৈয়াৰী বাইচাইকোল এখন চন্দন নগৰৰপৰা অনাই লৈছিলোঁ। তাৰ সজা (ফ্রেম) আৰু মডগার্ড (বোকা-ঢাকনি) দুছলা জাতীয়-পতাকা-অনুৰূপ ত্রিবর্ণেৰে ৰঞ্জিত কৰা আছিল আৰু সেই মডগার্ডৰ ওপৰত চাৰিং কংগ্রেছ নামটো সোণালী আখৰেৰ ঘূৰণীয়াকৈ মোহৰ মৰা আছিল। সেইখন চাইকোলত উঠিফুৰা দেখি, আমাৰ সুপ্রসিদ্ধ ভাবুক সাহিত্যিক তেজপুৰৰ শ্রীযুত মহাদেৱ শর্ম্মাই মোক ধেমালিতে মাতিছিল "চখেৰ চূড়ামণি" বুলি। দোকান গল যদিও, ১৯৩৭ চনলৈকে, সেই বাইচাইকোলখনে লেউসেউ হৈ মোৰ লগতে কংগ্রেছৰ সঁচাৰ ফুৰাই আছিল আৰু অসম প্রাদেশিক কংগ্রেছৰ সদস্যৰূপে কংগ্রেছৰ কাম কৰাত সহায় কৰি আছিল। শিৱসাগৰ কংগ্রেছত ৮।২।৩৮ তাৰিখৰপৰা নির্ব্বাচন-কেৰোণ সোমোৱাৰ লগে-লগে সেই চাইকেল আৰু কর্ম্ম অচল হৈ পৰিল। বাহন অচল হলত, আৰোহীজনো স্বাভাৱিকতে "অকর্ম্মণ্য" হৈ পৰিল।

———

ওপৰঞ্চি

মহাত্মা অহাৰ আগেয়ে যোৰহাটত কংগ্ৰেছ-আন্দোলন

(৺বিদ্যাধৰ শৰ্ম্মাৰ ডায়েৰীৰপৰা)

নাগপুৰত বহা সদৌ ভাৰত ছাত্ৰ সম্মিলনীৰপৰা আহিয়েই গুৱাহাটী পাই কি কৰা হল, বিদ্যাধৰ শৰ্ম্মাই লেখিছে—

"সেইদিনা ১৯২১ চনৰ ২ জানুৱাৰী। ছাত্ৰসকলে কৰ্জ্জন-হলত সভা পাতিলে। সভাপতি দেশভক্ত তৰুণৰাম ফুকন। তেওঁ কলেজ বৰ্জ্জনৰ বিৰুদ্ধে বক্তৃতা দিলে।" তথাপি, "মই কলেজ ত্যাগ কৰাৰ ঘোষণা কৰিলোঁ। পিছতেই শ্ৰীতৰুণ ভট্টাচাৰ্য্য আৰু তাৰ পিছত শ্ৰীবেদনাথ বৰঠাকুৰে কলেজ এৰিলে। অসমত আমি তিনিজনেই সৰ্ব্বপ্ৰথম কলেজ ত্যাগী ছাত্ৰ। সভা ভাগিল। আমি নিঠকৱা হলোঁ। ইয়াৰ ৪র্থ দিনা কৰ্ম্মবীৰ নবীন বৰদলৈ আহি গুৱাহাটী পালেহি। গধূলি লতাশিল স্কুলৰ ওচৰত লগ পাই মোক তাৰি দিলে—কলেজ বৰ্জ্জন কৰা বেয়া হল বুলি। তাৰ পিছত, "এদিন পুৱা ৺চন্দ্ৰনাথ শৰ্ম্মাদেৱ মেছলৈ আহি কলে, ভয় নাই, আহাঁ, কোনো নাহে যদি তুমিয়ে-ময়ে কাম কৰিম। এনেতে কলিকতাত কলেজ-বৰ্জ্জনৰ ধুম উঠিল। তাৰ হেন্দোলদোপে গুৱাহাটী কঁপালে। পাছত, কটন কলেজৰ ছাত্ৰই কলেজ বৰ্জ্জন কৰিলে। খনে-খনে ছাত্ৰৰ সভা হবলৈ ধৰিলে। চন্দ্ৰনাথ শৰ্ম্মাৰ নেতৃত্বত কেবাখনো সভা হল। বৰদলৈ ডাঙৰীয়াই কলেজ-বৰ্জ্জন কৰা ছাত্ৰবিলাকক পাণবজাৰতে থাকিবলৈ ঘৰ এটা ঠিক কৰি দিলে। শ্ৰীদেবেন্দ্ৰনাথ উজীৰ আৰু চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ শ্ৰীগুঞ্জানন বৰুৱাই ছাত্ৰবিলাকৰ তত্ত্বাৱধান ললে।"

তাৰ পিছত বিদ্যাই যোৰহাটলৈ আহি "আসাম বিলাসিনী" প্ৰকাশ কৰা কাৰ্য্যত লাগিলহি। তাৰ পিচত লিখিছে—"তেতিয়া শ্ৰীকুলধৰ চলিহাই কংগ্ৰেছৰ প্ৰতি আৰু অসহযোগৰ প্ৰতি পূৰ্ণমাত্ৰাই বিশ্বাসী আছিল যদিও ওকালতী এৰা নাছিল। কিন্তু মই প্ৰায়েই তেখেতৰ উপদেশ বিচাৰিছিলোঁ আৰু তেখেতেও উৎসাহ দিছিল। আৱশ্যক মতে, ধনৰিত দিও সহায় কৰিছিল।" এনেতে বুঢ়ীগোসাঁনী দেৱালয়ৰ ওচৰতে থকা হেমনাথ শৰ্ম্মা আৰু পুলিছ ডি. এছ. পি-ৰ এজন পুত্ৰ দুৰ্গা বৰুৱাৰে লগ লাগি বিদ্যা শৰ্ম্মাই "ৰবাজ-কুটিৰ" খুলিলে। ইয়াত অকিছু পাতি থাকোঁতেই তেজপুৰৰ সেইজন চন্দ্ৰ শৰ্ম্মা ওলালহি। তেখেতক

লৈ, "আমি অসমীয়া থিয়েটৰ ঘৰৰ চৌতালত এখন আৰু মাৰে ৰাৰী ঠাকুৰবাৰীৰ তেতেলী গছ এজোপাৰ তলত দুখন সভা পাতোঁ। পিছত তেখেতে আমাক এখন কমিটী পাতি দিয়ে। কমিটিৰ নামগোন্ধ একো নাই। কংগ্রেছৰ নামত যোৰহাটত সেইখনেই প্রথম কমিটী। মই সভাপতি আৰু ৺হেম শৰ্ম্মা সম্পাদক।"

"কুলধৰা ওলাই অহা ছাত্র শ্রীদেৱেন্দ্রনাথ চক্রৱর্তী, দেৱেন্দ্রনাথ ঠাকুৰ, শশীধৰ মলীয়া, কমল বৰুৱা, চন্দ্রকান্ত বৰুৱা, কেহোৰাম, দুর্গা বৰুৱা" প্রভৃতি বহুত আমাৰ লগ লাগিলহি। এনেতে শ্রীসর্ব্বেশ্বৰ ৰৰচেতীয়াও আহিল দুৰন্তা-মান বন্ধা-কবি বেচিবলৈ। আমাক বজাৰৰ দোকানী-পোহাৰীয়ে হে সহায় কৰিলে। ৰৰচেতীয়াও আমাৰ লগৰীয়া হল। বেদ ৰৰঠাকুৰেও নামতিৰপৰা আহি আমাৰ লগ ললেহি।" ফণি ফুকন, সকলৰা আৰু ৰৰঘোপৰ হলিৰাম মিশ্র পণ্ডিত আমাৰ সহকর্ম্মী হল। মেলেঙৰ বস্ত্র বৰুৱা আৰু ইন্দ্রেশ্বৰ শৰ্ম্মা আমাৰ সহায় হল। একনিষ্ঠ কংগ্রেছনেতা কৃষ্ণনাথ শৰ্ম্মা ঘনাই আহে স্বৰাজ কুটিবলৈ। আমাক চাহ খাবলৈ মাজে-মাজে পইচা দিয়ে, নিজেও খায়। শ্রীদেৱেশ্বৰ শৰ্ম্মাও কেন্দুগুৰিৰপৰা আহি আৰেলি-আৰেলি বহেহি। আন আন উকীলো কেইবা-জনো আহিবলৈ ধৰিলে। কৃষ্ণ শৰ্ম্মাই এদিন হাঁহি-হাঁহি কলেহি, "আজিৰপৰা ময়ো আহিলোঁ।"

"তাৰ পিছত বিষ্ণুৰাম হলত "আসাম এছচিয়েছন" বহে। সেই সভা ভঙ্গ হল। তাত দিয়া চন্দ্র শৰ্ম্মাৰ বক্তৃতা অগ্নিময় হৈছিল।

"ইয়াৰ পিছত আবকাৰী দোকানৰ পিকেটিং কৰাৰ দিহা হল। চলিহা ডাঙৰীয়া এতিয়া ভালকৈয়ে কামত লাগিল। শ্রীদেৱেশ্বৰ শৰ্ম্মাও আগৰেপৰা আহি স্বৰাজ-কুটিৰতে বহে। আমাক কার্য্যাৱলীৰ কথা সোধে। তেতিয়া তেখেতে বি-এল পৰীক্ষা পাছ কৰিছিল। মাথোন ওকালতী কৰা নাই। পজিকদ্দিন আহমদ আগৰেপৰা আমাৰ লগত আছিল। ভাণ্ডৰাও আমাৰ এজন লগৰীয়া আছিল।"

মে মাহত এদিন যোৰহাট থিয়েটৰ ঘৰত সভা পতা হল। শ্রীকুলধৰ চলিহা সভাপতি, ৺কৃষ্ণকান্ত ভট্টাচার্য্য সহকাৰী সভাপতি, ৺কৃষ্ণনাথ শৰ্ম্মা সম্পাদক, পজিকদ্দিন আৰু শ্রীগোপীনাথ বেজৰুৱা সহকাৰী সম্পাদক, আৰু শ্রীবিদ্যা শৰ্ম্মা স্বেচ্ছাসেৱক বাহিনীৰ নায়ক, শ্রীগুণ ৰৰঠাকুৰ কোষাধ্যক্ষ নির্ব্বাচিত হল।

* * * *

তাৰ পিছত। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী বহিল গুৱাহাটীত, কৰ্ম্মবীৰ ৰবদলৈৰ ঘৰত। যোৰহাটৰপৰা বিভা শৰ্ম্মা, শ্ৰীদেৱেশ্বৰ শৰ্ম্মা, হেমনাথ শৰ্ম্মা, শ্ৰীবেদ ৰবঠাকুৰ, শ্ৰীসৰ্ব্বেশ্বৰ ৰবচেতীয়া গল যোৰহাটৰ প্ৰতিনিধি হৈ।

"সভা বহিল। দেশভক্ত ফুকন আহি পালেহি। বিষয়ৰবীয়া বাছিবৰ সময়ত চন্দ্ৰ শৰ্ম্মাই ফুকনক সভাপতি আৰু কৰ্ম্মবীৰ ৰবদলৈক সম্পাদক প্ৰস্তাৱ কৰিলে। সকলোৱে সমৰ্থন জনালে। মই আৰু শ্ৰীদেৱেশ্বৰ শৰ্ম্মা এচুকত বহি আছিলোঁ। ফুকনে তেতিয়াও ওকালতী এৰা নাই আৰু 'ল কলেজত' কাম কৰি ১০০ টকাকৈ ছৰ্কাৰৰপৰা বানচ পাই আছিল। কাজেই মই আৰু শ্ৰীদেৱেশ্বৰ শৰ্ম্মাই কেনেবা যেন পালোঁ। হেজাৰো হওক, অপ্ৰিয় হলেও সত্য কথা কলোঁ। লগে-লগে মই শ্ৰীকুলধৰ চলিহাৰ নাম সভাপতিৰ বাবে প্ৰস্তাৱ কৰিলোঁ। প্ৰশ্ন আহিল, "তেওঁ জানো ওকালতী এৰিলে?" মই উত্তৰ দিলোঁ, "এই সভালৈ অহাৰপৰা তেখেতে ওকালতী কৰা নাই।" মোৰ প্ৰস্তাৱটো শ্ৰীদেৱেশ্বৰ শৰ্ম্মাই সমৰ্থন কৰিলে। প্ৰস্তাৱ গৃহীত হল। শ্ৰীকুলধৰ চলিহা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ প্ৰথম সভাপতি হল। তেখেতেও ওকালতী বৰ্জ্জন কৰিলে। ইয়াৰ ফলত যোৰহাটত কংগ্ৰেছৰ কাম ফাগুন মহীয়া জুইৰ দৰে ব্যাপক দিলে। চলিহাও দিনে-ৰাতিয়ে কংগ্ৰেছৰ কামত লাগিল।"

অন্ত

নামৰ সূচী

পিঠি

অ

অজিৎচন্দ্র গগৈ—২৪

অতুল চন্দ্র ফুকন—১৩৮

অতুলচন্দ্র ভূঞা—৮৫

অন্নদাচৰণ শর্ম্মা উকীল—১৪৫

অমিয়কুমাৰ দাস—২৪৯, ২৬৩

অম্বিকা কুমাৰ বৰুৱা—২৯

অমূল্য কুমাৰ ফুকন—২২৪

অৱনীকান্ত ফুকন—১৫১

আ

আজান ফকিৰৰ গীত—১১৯

আনন্দৰাম হাজৰীকা—১৮৮

আবদুল গোফাৰ—২০

আবদুল-চেখ—১১৫

ই

ইন্দ্র গগৈ—২১

ইন্দ্রকান্ত ফুকন—২২৪

ইন্দ্রনাথ কাকতী—১৬১

ইন্দ্রেশ্বৰ শর্ম্মা—১১

ইন্দ্রেশ্বৰ চুতীয়া—২০, ৪১, ৫৬, ১৭৩, ২৬৩

উ

উপমা দুৱৰাণী—২০৯

উপেন্দ্রনাথ বৰুৱা—৪, ৬

উপেন্দ্রনাথ সেন—২৪৩

উমাকান্ত দুৱৰা—১৮৬

উমেশ্চন্দ্র ৰৱদলৈ—১৫৫

উষাধৰ হাজৰীকা—৪৬

উষাধৰ আৰণ ধৰা—৫৫

ও

ওৱাক-চোং—২৬৮

ক

কনকলাল বৰুৱা (ৰায় বাহাদুৰ)—২৮৫-৮৬

কনকলতা চলিহা—২১০

কনকচন্দ্র ফুকন (ম'ৰাপুখুৰী)—৫৯

কনকচন্দ্র চেতীয়া—২০

কঙ্কণবালা কাকতী—৮৩

কঙ্কণবালা মহন্ত—১৪২

কমলচন্দ্র দেৱ গোস্বামী—

কমলকলি বৰুৱা—১৪২

কমলচন্দ্র শইকীয়া—২৪৭

কমলালয়া কাকতী—১৪২, ২০২

কমলাকান্ত বৰুৱা—২০, ২১, ২৭১

কমিছন গাওঁবুঢ়া ওঃ মুহিৰাম গগৈ—২১, ৬০

ককণাকান্ত গগৈ—১৮৯

ক'লাই চর্দ্দাৰ ওঃ কালিৰাম বৰুৱা—৮৮

পিঠি

কলিয়া নাথ গাওবুঢ়া—(সৰ্ব্বোদয়)
কানমোচা—২৪৬
কামাখ্যাৰাম বৰুৱা—২২১
কাশীনাথ কাকতী—২৪৬
কীৰ্ত্তিনাথ কটকী—২০০
কুলধৰ চলিহা—১০, ১১, ১৬, ৮৬, ১৭০, ১৭৪, ১৭৮, ১৯৩, ২৪৩, ২৭৪
কুশকান্ত বৰকাকতী—৩২, ৪২, ৪৩, ৭৫
কুশলচন্দ্ৰ গগৈ—২০৯
কুশৰাম মুক্তিয়াৰ—৫৫
কুসুমকুমাৰী দুৱৰাণী—১৯০
কুসুমকুমাৰী বৰুৱা—১৪২
কৃষ্ণকান্ত ভট্টাচাৰ্য্য—৬
কৃষ্ণকান্ত গগৈ—৩৪ ৩৫, ৬৯-৭২, ২৭৬
কৃষ্ণনাথ শৰ্ম্মা (যোৰহাট)—১২-১৩, ২১, ১৭০, ১৭৮, ১৮২, ১৮৫, ২৪৩-৪৪, ২৯০
কৃষ্ণনাথ শৰ্ম্মা (জাঁজী) —৫৫, ৬০
কৃষ্ণনাথ শৰ্ম্মা (আমগুৰি)—২১, ১৩৭
কৃষ্ণপ্ৰসাদ কটকী—
কেশৱচন্দ্ৰ বৰা—১৫, ১৭, ১৭০

খ

খগেশ্বৰী দুৱৰাণী—১৪২
খেতকধৰ বৰুৱা—১৩

গ

গকুলচন্দ্ৰ বৰুৱা (ডাক্তৰ)—২৪২
গড়মুৰীয় সত্ৰাধিকাৰ গোস্বামী—২০১

পিঠি

গঙ্গাৰাম ৰৰমেধি—১৫
গঙ্গাধৰ ৰৰকটকী—১১
গঙ্গাধৰ ৰৰঠাকুৰ—১৫
গঙ্গাধৰ শৰ্ম্মা—১৩৮
গঙ্গাৰাম হাজৰীকা—২১
গণিং-চি, এছ—১৩৯,
গণেশচন্দ্ৰ বৰকাকতী—৪৫
গুণদালতা ফুকননী—২৫২
গুণাৰাম বৰুৱা (ফৰেষ্টৰ)—২৭১
গুণীন্দ্ৰনাথ বৰুৱা—১৫
গুলীৰাম গগৈ বৰুৱা—৬১
গোপালচন্দ্ৰ শৰ্ম্মা কটকী—১৮৭
গোপালচন্দ্ৰ বেজবৰুৱা—১১
গোপীনাথ বেজবৰা—১১
গোপীনাথ ৰৰদলৈ—২২১
গোপালচন্দ্ৰ সন্দিকৈ বৰুৱা—২১
গোলাপ ভট্টাচাৰ্য্য—(সৰ্ব্বোদয়)
গোলোকচন্দ্ৰ গগৈ—১৫৮
গোলোকচন্দ্ৰ বৰুৱা—
গৌৰীকান্ত তালুকদাৰ—২২১

ঘ

ঘনকান্ত গগৈ—১০২
ঘনকান্ত দুৱৰা—৩৮, ২০৬
ঘনকান্ত ফুকন—২৪৬
ঘনকান্ত ভট্টাচাৰ্য্য—১১-১২
ঘনাই মুক্তিয়াৰ ওঃ কুশৰাম মুক্তিয়াৰ—
ঘিটিৰা খনিকৰ—১৮৬

পিঠি

চ

চক্-মিঃ—আসাম কোম্পানীৰ
জেনেৰেল মেনেজৰ—২৩৩
চন্দ্রকমল বেজবৰুৱা—১০
চন্দ্রকুমাৰ আগৰৱালা—২৪৪, ২৫৩
চন্দ্রধৰ ফুকন—১৫
চন্দ্রধৰ শৰ্ম্মা—২১, ৫৫
চন্দ্রনাথ শৰ্ম্মা—১, ২
চন্দ্রশেখৰ দাস—২০
চৰিত্রমোহন মালাকাৰ—২০১
চামুছুল হুচেইন বৰা (মৌঃ)—১২৮
চাৰিং-আস্পতাল—২৮৫
চাৰিং কংগ্রেছ—৩৮, ৫৬
চাৰিং-ডাকঘৰ—১৮০
চাৰিং-ফৌজৰ থেম—৯৭
চাৰিং-মহিলা-সভা—১৯০
চাৰিং-শলগুৰি ৰায়ত সভা—২৬৭
চাদুল্লা (চৈয়দ মহম্মদ)—২২৩
চিংফৌ খহৰা মেধি—৭০
চিংৰাম শইকীয়া—২৪৬
চিদানন্দ হাজৰীকা—১৯২
চিমলাই মেধি—২৪৬
চেনিৰাম ভূঞা—৫৫
চেৰীকুল মোচায়েক (চৈয়দ)—২০

জ

জয়কৃষ্ণ দত্ত—২০
জৰাবাৰী কংগ্রেছ—৪৭
জামায়দ্দিন্ আহম্মদ (মৌঃ)—২৫৮

পিঠি

জীউৰাম সৌকাধৰা—২১
জীৰকান্ত দুৱৰা—২০৩

ট

টুনীৰাম দত্তভূঞা—
টেপুৰাম গগৈ—৩৪
টোকেন্দ্রনাথ বৰা—২০

ঠ

ঠকৰ এ. ভি.—২৮১

ড

ডম্বকধৰ খাওগু—৫৫
ডিম্বেশ্বৰ ভূঞা—২০, ৫২
ডিম্বেশ্বৰ শৰ্ম্মা ৰাজগুৰু—১২২

ত

তক্রণৰাম ফুকন—১, ৬, ৮, ২০২,
২৪৩, ২৫৮
তৰুণ চন্দ্র বৰুৱা—২৪, ২৮
তাৰাপ্রসাদ চলিহা—১৯৭, ২০৪
তাৰাপ্রসাদ সিং—৯
তিলকান্ত ফুকন—১৯৪
তুৰাৰাম দুৱৰা—৮৫
ত্রাহিৰাম বৈৰাগী—২১, ১২৯

থ

থানেশ্বৰী বৰুৱানী—১৫৬
থিৰমন শইকীয়া—২৭৪

দ

দনাৰাম দাস-সভাপতি—১০২
দুর্গাধৰ বৰুৱা—১৯, ১৭৩

পিঠি

দুর্গানন্দ কাকতী—৪৭
দুর্গানাথ ফুকন (আমগুৰি)—১২৭
দুর্গানাথ বৰুৱা (দুৰ্গী বৰুৱা)—২৪৮
দুর্গাপ্রসাদ বৰঠাকুৰ—১৬-২১, ৮৬
দুর্গাৰাম ভূঞা—২১১, ২০১
দুলালচন্দ্র বৰুৱা (তিক্রুগড়)—২৩৬
দেউকন মহন্ত—২১
দেৱানন্দ খাটনীয়াৰ (দেৱেশ্বৰ)—২১
দেবেন্দ্রনাথ দাস (নামডাং)—১৯৮
দেৱেন্দ্রনাথ ঠাকুৰ—১৫৫
দেবেন্দ্রনাথ চক্রৱর্ত্তী—১৫৫
দেৱেন্দ্রচন্দ্র নাথ—২৪৮
দেৱেন্দ্রনাথ শর্ম্মা—২৪৯
দেৱেশ্বৰ চলিহা—১১
দেৱেশ্বৰ শর্ম্মা—১৪
দেৱাজুদ্দিন আহমদ (মৌঃ) —১১
দেহিৰাম নাথ—৩৬
দোম খনিকৰ সাতোলা—১০০

ধ

ধনীৰাম তালুকদাৰ—২২
ধনেশ্বৰ গগৈ—২১
ধর্ম্মেশ্বৰ কোঞৰ—২৬০
ধর্ম্মেশ্বৰ শর্ম্মা—১৫৯

ন

নকুল চন্দ্র ভূঞা—১৭৯
নগা-আলি—১৭৯
ননীবালা চলিহা—১৪২

পিঠি

নবীনচন্দ্র কাকতী—১৭৮, ১৮৭
নবীনচন্দ্র ববদলৈ (কর্ম্মবীৰ)—২২১
নৱনাথ শর্ম্মা—৫৫, ২০৪
নালীয়া ফান্দী—৬৫
নিত্যানন্দ কোঁৱৰ—২১
নিধিৰাম দাস—২২১
নিকুঞ্জলতা চলিহা—১৪২
নীলকান্ত কাকতী—২০২
নীলমণি ফুকন (বাগ্মীৰৰ)—২৩০
নীলমণি ফুকন—২০২

প

পখিলা দুৱৰা—২৩৯
পশুৰাম চুতীয়া গাওঁবুঢ়া—৭৯
পশুৰাম গগৈ—২৭৯
পদ্মধৰ চলিহা—২০, ২১
পদ্মনাথ বৰঠাকুৰ—২১
পদ্মেশ্বৰ গোস্বামী—১৫৫
প্রফুল্লচন্দ্র বৰুৱা—২২১
পিয়ালী বৰুৱাৰ তিথি—২৩৫
পীতাম্বৰ দেৱ গোস্বামী, শ্রীশ্রী গড়মূৰ সত্রাধিকাৰ—১৭৬, ২০১
পীতাম্বৰ গগৈ—২১
পীতাম্বৰ হাজৰীকা—১২৫
পুণ্যধৰ চলিহা—২০
পুণাৰাম গগৈ—২০, ৪৯
পূর্ণকান্ত বৰুৱা (পূর্ণমহৰী)—২১
পুলিনচন্দ্র দুৱৰা—২৪১
পুৱাৰাম গগৈ মণ্ডল—৩৩

পিঠি

প্রকাশম্, টি—৪
প্রিয়নাথ বৰুৱা—২৪
প্রেমধৰ হাজৰীকা—২১
প্রেমনাথ বেজবৰুৱা—১৯৩
প্রেমলালতা ফুকন—২৪২
পোহৰ হাজৰীকা—২০

ফ

ফখৰুদ্দিন আলি আহমদ (মৌঃ)—২৪০
ফটিক চন্দ্র কাকতী—২০৩
ফটিক চন্দ্র ভূঞা—২৯
ফণিধৰ শর্ম্মা—৩, ৮
ফিলিপ্ চন (ডিঃ চিঃ)—৭

ভদী মণ্ডল—৫০
ভদ্রেশ্বৰী গগৈ—২৭৬
ভুৱনচন্দ্র গগৈ—১৬, ১৭, ১৮-২০
ভুবনচন্দ্র সন্দিকৈ—১৮, ১৬৮, ১৭০, ১৭৮, ১৮২, ১৯৭
ভুৱনেশ্বৰী দেবী—১৪২
ভুৱনেশ্বৰ বৰুৱা (ডাক্তৰ)—২২১
ভুৱা চেতীয়া—২৭৩
ভেলেক বা দুতিৰাম দুৱৰা—৯৪
দবজী নাথ (ভেকোলা)
ভোগদল শইকীয়া—২১১
ভোলানাথ বুঢ়াগোঁহাই—৪৪
ভোলানাথ শর্ম্মা পূজাৰী—১৭২

ম

মইনা কলিতা হাজৰীকা—১০৭
মকৰা পেকাৰ—৬৩
মণিৰাম দেৱানৰ তিথি—২২৮
মৰিয়া বাহাদুৰ—১১০
মহম্মদ আলি (মৌলানা)—১, ৫, ৮, ৬০
মহাত্মা গান্ধী—১, ২
মহাদেৱ শর্ম্মা—২২৯, ২৬৬
মহিবুল হুচেইন (চৈয়দ)—২০
মহীকান্ত বৰুৱা—৩৮, ৮৭
মহেন্দ্রনাথ ডেকাফুকন—১৭২
মহেশ্বৰ কটকী—১৩
মহেন্দ্রনাথ শর্ম্মা—
মহেশ্বৰ বৰুৱা—১৫
মহেশ্চন্দ্র দাস—১৭০
মহোদৰ শর্ম্মা—৭৯
মাকণ আৰু মাখনীলতা ফুকন—২৫০
মাজিউ আইটী—১০০
মাণিক চন্দ্র চলিহা—১৩৯
মাণিকলাল বৰুৱা—২৭০
মাণিকচন্দ্র ভট্টাচার্য্য—১৪২
মাধৱচন্দ্র বৰঠাকুৰ—২০
মামল মিৰি পণ্ডিত—২১
মিঠাৰাম গোঁহাই—১৬১
মিঠাৰাম শইকীয়া—২৪৯
মিডোলটন্, এল ডব্লিউ—২০৫
মিহিৰাম খনিকৰ—৯৭
মূৰলীধৰ বৰুৱা—১১, ১৩
মুক্ষেশ্বৰ সন্দিকৈ—৪৪
মোহনচন্দ্র বৰুৱা—৩৬, ২৭০, ২৭১
মোহনচন্দ্র মহন্ত উকীল—২৪৮

পিঠি

মোহনচন্দ্ৰ শইকীয়া—২১
মোহনলাল (চন্দ্ৰ) চলিহা—১৯৯
মোহনচন্দ্ৰ ফুকন—১৮৯, ২০৪

ব

বগ্‌ছু-বেঃ—৩, ৪
বংশীধৰ গোস্বামী—২০, ২৩৩
বকিংহাম, চাৰ জেমছ—২১৬-১৭, ২৮৬
বগাই দত্ত হাজৰীকা—১৫
বলোৰাম চলিহা—১৯৯
বলোৰাম দুৱৰা—১৮৭
বাছালাল বৰুৱা (ডিব্ৰুগড়)—২৩২
"বাণৰজা"—২৫৫
বাপজান আলি, চেখ—১১৭
বাপীৰাম ফুকন—২৫৮
বাপুৰাম গগৈ—২৫৯
বাবুলা গোস্বামী—২০
বাবুলা ফুকন—১৩
বালিৰাম চাৰিঙীয়া—
বিচিত্ৰীবালা হাজৰীকা—
বিদুৰ বৰুৱা—১৩
বিদ্যাধৰ শৰ্ম্মা—১৩
বিনন্দচন্দ্ৰ বৰুৱা—২২৮
বিপিনচন্দ্ৰ বৰুৱা বি-এ—১৫
বিমলাকান্ত বৰুৱা—১৯
বিষ্ণুপ্ৰসাদ চলিহা—২৫২
বিষ্ণুপ্ৰসাদ বৰুৱা (বাসু)—১৪
বিষ্ণুৰাম বৰকাকতী—২০৫
বিষ্ণুৰাম মেধি—২২২

পিঠি

বিষ্ণুৰাম হাজৰীকা—.০২
বিশ্বনাথ বৰপূজাৰী—১৩
বেছাৰাম খনিকৰ—৪৫
বেণুধৰ বৰুৱা—২১
বেথাৰাম বৰা—১৫
বেথাৰাম মেধি (চিম্‌লাই চক)—
বেদনাথ বৰঠাকুৰ—২
বোধেশ্বৰ গগৈ—২০, ১৭১
বোপাটি-মুগীঙলি ষ্টয়াৰ—৫৬

ভ

ভকত গগৈ বাহাদুৰ—৯০
ভগৱতী প্ৰসাদ বৰুৱা—১৩১

য

যতীন্দ্ৰনাথ দুৱৰা—২৮
যজ্ঞেশ্বৰ কাকতী—২৫১
যজ্ঞেশ্বৰ দলৈ—২০
যজ্ঞেশ্বৰ হাজৰীকা—৩৪
যাদৱপ্ৰসাদ চলিহা—২১, ২৩
যাদৱানন্দ বৰুৱা—২০
যোগকান্ত বৰুৱা—২০, ৫২, ৫৪
যোগানন্দ বৰকাকতী—২৪২
যোগেশ্বৰ লেখাৰু—২৪০
যোগেন্দ্ৰনাথ মজিন্দাৰ বৰুৱা—২৫৯

ৰ

ৰজনীকান্ত ফুকন—১৮৯
ৰজনীনাথ ঠাকুৰ—২৬৪
ৰমণীলতা বৰকাকতী—১৯০

পিঠি

ৰমাকান্ত ৰৰকাকতী—৩৯
ৰমাকান্ত বৰুৱা—২২
ৰহাই নাথ মেধি—৩৬
ৰহিলা দুৱৰা—১৯০
ৰত্নধৰ বৰুৱা—১৩
ৰত্নেশ্বৰ ৰৰঠাকুৰ—২১
ৰত্নেশ্বৰ শৰ্ম্মাশ্রুতিকৰ—৪৫
ৰহমৎ ৰৰা-চেখ—১২০
ৰাজেন্দ্রনাথ বৰুৱা—১৫
ৰাজেন্দ্রনাথ দাস—১৯৮
ৰাধাকান্ত ফুকন—৪২
ৰাধানাথ চাংকাকতী—১২৬
ৰামচন্দ্র ৰৰা—১৩৯
ৰামনাথ শইকীয়া—২৪৫
ৰামেশ্বৰ ভট্টাচার্য্য—৩, ১২৭
ৰামেশ্বৰ শৰ্ম্মা—২২৫
ৰাসেশ্বৰী ফুকননী—২০২
ৰূদৰাম কৈৰৰ্ত্ত—১০২
ৰোষেশ্বৰ বৰুৱা মৌজাদাৰ—১৮৬
ৰোহিণীকুমাৰ চৌধুৰী—২২২
ৰোহিণীকান্ত হাতী-বৰুৱা—১৭১

ল

লমোদৰ শইকীয়া—২৪৬
লক্ষ্মীনাথ ফুকন—১৮৮
লক্ষ্মীনাথ কটকী—৭৭
লক্ষ্মীপ্রসাদ সিং—২১
লক্ষ্মীকান্ত বৰুৱা (সোনটি)—২১

পিঠি

লক্ষ্মীকান্ত বৰুৱা বা মাখন উকীল—২২, ১৪০, ১৬৭
লক্ষ্মীধৰ শৰ্ম্মা—২২৭
লক্ষ্মীনাথ দাস—২২১
লক্ষ্মীপ্রিয়া কাকতী—৮৭
লক্ষেশ্বৰ গগৈ গাওঁবুঢ়া—২৪২
লক্ষেশ্বৰ বৰুৱা—১৫৫
লাবণ্যলতা চলিহা—১৪২
লীলাধৰ বৰুৱা—২৫৩
লীলা ৰৰা—১৩
লীলাৰাম চলিহা—২১
লীলাৱতী দুৱৰানী—২০২
লীলাৱতী হাজৰিকানী—২৪২
লোকনাথ দত্ত—২১
লোকনাথ মহন্ত—১০৫
লোকনাথ কাকতী (গুলৈ)—৮১
লোকনাথ কাকতী (মেনেজৰ)—১২৫
লোকনাথ ফুকন—১৮১, ২৬৫

ৱ

ৱাৰেন্-জেমছ—

শ

শঙ্খধৰ মহন্ত—২৩৫
শশীধৰ বৰুৱা—৫৫
শশীধৰ দত্ত—২৩
শশীধৰ মলীয়াৰৰা—১৩
শশীপ্রভা চলিহা—১৯০
শিৱকান্ত দুৱৰা—৩৮

পিঠি

শিৱকান্ত শৰ্ম্মা—৪
শিৱনাথ শৰ্ম্মা—২০
শিৱপ্ৰসাদ ফুকন—২০
শিৱপ্ৰসাদ বৰুৱা (ৰায়বাহাদুৰ) ২২৯
শিৱপ্ৰসাদ বৰুৱা—১৯
শুভাই নাথ মুক্তিয়াৰ—২৪৬
শুৰলা দুৱৰা—৯৭
শূলধৰ হাজৰীকা—৪৬
শ্ৰদ্ধানন্দ (স্বামী)—২২৩
শ্ৰীকান্ত চৌধাৰী—২০৯
শ্ৰীনাথ কাকতী—১২৭
শ্ৰীৰামচন্দ্ৰ বৰা—১৩৯
শ্ৰীৰামচন্দ্ৰ ভূঞা—৮৪

স

সত্যৰাম বৰকাকতী—৮৩
সকমন গগৈ—১৭৯
সৰ্ব্বেশ্বৰ বৰচেতীয়া—১৩, ১৪, ১৭৪
সহদেৱ দুৱৰা—২০২
সাদৰীলতা ফুকন—১৯০
সাবিত্ৰীবালা কাকতী—১৯০
সাবিত্ৰী ভূঞা—১৯০
সিদ্ধিনাথ শৰ্ম্মা—২২৩
সুখমাই হাজৰীকা—১৯১
সুন্দৰী কাকতীয়নী—১৯০
সুৰথচন্দ্ৰ চলিহা—৪০
সুৱৰ্ণলতা দুৱৰা—২৪০

পিঠি

সূৰ্য্যকান্ত ফুকন—১৯২
সেউতী দুৱৰা—২৪০
সোণটি ভূঞা—১২৭
সোণধৰ খনিকৰ—১৮৬
সোণাৰাম কৈৱৰ্ত্ত বৰা—২১৭
সোণাৰাম চুতীয়া—৫৮
সোণাৰাম দত্ত—১৯৫
সোণোকা নাথ—২৪২
সোমবৰ কাপ্তান—৩৫-৩২, ৪০, ৪৬,
সোমেশ্বৰ দেওধাই ফুকন—৪৮
"স্বদেশ"—২০

হ

হৰকান্ত দুৱৰা (ডাঃ)—৮৮
হৰকান্ত বৰঠাকুৰ—২০২
হৰিনাথ চেতীয়া—২১
হৰিনাথ শৰ্ম্মা বৰঠাকুৰ—১৮১
হৰিপ্ৰসাদ দুৱৰা—৩৮, ৪০
হীৰালাল দাস—১৫
হেমকান্ত বৰকাকতী—১৮৬
হেমকান্ত বৰপূজাৰী—১৩৯
হেমচন্দ্ৰ বৰুৱা (ত্যাগবীৰ)—১৫৭
হেমনাথ শৰ্ম্মা বৰুৱা—১১, ১১
হেমনাথ ফুকন—১৪
হেমনাথ শৰ্ম্মা—৫৫
হেমপ্ৰভা কাকতী—১৮১
হেমলতা ফুকন—১৮২